কাঞ্চন বৰুৱা

অসীমত যাৰ হেৰাল সীমা

॥ ঊনবিংশ সংস্কৰণ ॥

সহৃদয় সাহিত্যপ্ৰেমী ৰাইজৰ পৰা উপন্যাসখনে অৰ্ধশতাব্দী ধৰি পাই অহা সমাদৰ আৰু প্ৰয়াত ঔপন্যাসিকগৰাকীৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ সোঁৱৰণিস্বৰূপে উপন্যাসখনৰ ঊনবিংশ সংস্কৰণ আগবঢ়োৱা হ'ল। আশাকৰোঁ এই সংস্কৰণটিয়েও পঢ়ুৱৈসকলৰ আদৰ পাবলৈ সক্ষম হ'ব।

১৫ জুলাই, ২০১০ প্ৰকাশক

Scanned with CamScanner

অসীমত যাৰ হেৰাল সীমা.....

Scanned with CamScanner

Scanned with CamScanner

।। প্ৰথম অধ্যায় ।।

দৃশ্যপট

এখন কঁপি থকা ৰামধেনু। হয়তো কোঠাটোৰ কোনোবা দাঁতিত থকা বিশেষ আকৃতিৰ পানী গিলাচৰ ওপৰত, দুৱাৰেদি চুবি কৰি সোমোৱা ৰ'দচেৰেঙা পৰিছেহি, তাৰ প্ৰতিবিম্বটো ৰামধেনুৰ সাতোটা ৰং গাত লৈ পৰিছেগৈ ওচৰৰ বেৰখনত, তাতে গঢ়ি তুলিছে এখন কঁপি থকা ৰামধেনু।

অদৃশ্য পোহৰ বৈ অহা বিজুলীৰ পকোৱা তাঁৰডাল চিলিঙৰপৰা নামি আহিছে। তাৰ মূৰত ভিতৰ নেদেখা বাল্বটো, তাক আধা ঢাকি থকা আইনাৰ 'ছেদখন', তাৰ পাহি কটা দাঁতিবোৰত ৰঙীণ ৰঙৰ বোল। ভৰদুপৰীয়া কোনোবা বিহুতলীৰপৰা উটি অহা কোমল বতাহজাকত সিও কঁপিছে, আৰু কঁপিছে খিৰিকীৰ নীলা পৰ্দা দুখন। মাজে মাজে আনন্দত পাখি মেলি উৰি আহিব খুজিছে; কিন্তু পৰা নাই। আকৌ উভতি গৈছে, আকৌ শব্দ কৰিয়েই সাৱটি ধৰিছে লোহাৰ 'বাৰ'বোৰত। অধীৰ উত্তেজনাত কঁপিছে পৰ্দা দুখন, ৰামধেনুখন, বিজুলী চাকিটো আৰু এই সকলোৰে লগত একেটা সুৰত, একেটা তালত, একেটা ছন্দত মোৰ অন্তৰখন।

দুপৰীয়া বাৰ বজাতে অফিচ ছুটী কৰি বিছনাত পৰি আছোঁ। নিশ্চিন্ত আৰামতেই পৰি আছোঁ। কালিলৈ দেওবাৰ। সমুখৰ ত্ৰিছটা দিন ছুটী, আৰু পায় কোনে? বৰ চাহাবৰ অৱজ্ঞা, পি-এৰ ৰঙা চকু, একেখন চকী, একেখন টেবুল, একেবোৰ ফাইলৰ বীভৎস নগ্নতাৰ মাজত অবিশ্ৰান্তভাৱে নিজক ডুবাই ৰখাৰ অশান্তিৰপৰা মই তেতিয়া বহুত দূৰত, মুক্ত, স্বাধীন। উদ্দেশ্য নাই, চিন্তা নাই, ভাবনা নাই। মুক্তিৰ আনন্দ, সেই দেখিয়েই হয়তো মোৰো অন্তৰখন কঁপিছে।

চাৰিওফালে দুপৰীয়াৰ নিস্তব্ধতা। চহৰৰ বুকুৰ চঞ্চলতাৰ বহু আঁতৰত নিজান ঠাইখনৰ দাঁতিতে থকা সৰু টিলাটোৰ ওপৰত মোৰ সৰু ঘৰটো। সৰু যদিও সুন্দৰ। সমুখৰ নিজম ঘাঁহনিডৰাৰ চাৰিওকাষে নানা ধৰণৰ ফুলৰ বেড়্। আলিৰ সিপাৰে সমতল চৰকাৰী হাবিডৰাৰ মাজে মাজে দুই-চাৰিজোপা ডাঙৰ ডাঙৰ গছ। গছৰ গুৰিয়ে গুৰিয়ে বনৰীয়া 'ডেফ্‌নী' ফুলৰ জোপা। গছৰ ফাঁকে ফাঁকে

Scanned with CamScanner

দেখা যায় দূৰৈত দিহিং নদীৰ ৰূপোৱালী পানীবোৰ, তাৰ বুকুত ভাঁহি যোৱা পালতৰা নাওবোৰ।

বেলিটো ডুবো ডুবো হৈছে। ফুলনিৰ মাজত বহি মই; মোৰ চকু দুটা ৰুমালেৰে বন্ধ। পখিলীয়ে তাইৰ সৰু হাত দুখনেৰেই বান্ধি দিছে। পখিলী মোৰ চাৰিবছৰীয়া জী। তাই মোৰ লগত খেলিছে। বগা পখিলাজনীৰ দৰেই তাইৰ পাতল দেহাটো ঢাকি থোৱা বগা ফ্ৰকটোৰে সৈতে দেখিবলৈ ধুনীয়া হৈছে। চোলাটোৰ ফুলি থকা দীঘল হাত দুখনৰ মূৰত জিলিকি আছে সোণৰ বালা দুপাট। ভৰিৰ জোতাযোৰ, চুটি মোজাযোৰ, সিও বগা। মূৰৰ জপৰা কেঁকোৰা চুলিবোৰৰ মাজত লাগি থকা, ভগা ফুলৰ পাপৰিবোৰো বগা। মোৰ চকু দুটা বন্ধা দেখিয়েই হ'বলা তাইক আৰু ভালকৈ দেখা যেন লাগিছে।

ফুলনিৰ মাজে মাজে তাই মোৰ ওচৰলৈ উৰি আহি চিঞৰি সোধে— "মই ক'ত?" ওচৰৰ নেদেখা ফুল এপাহ আলফুলকৈ ধৰিবৰ চেষ্টা কৰি কওঁ— "এয়া মোৰ হাতৰ মাজত।"

"ই নহ'ল....।" হাঁহিত উত্ৰাৱল হৈ তাই দূৰলৈ উৰা মাৰে। আকৌ ঘূৰি ঘূৰি উৰি উৰি মোৰ আগত পৰি চিঞৰি উঠে— "মই ক'ত....?" শব্দটো অহাৰ ফালে চোঁচা লওঁ; তাই ধৰা নপৰে। গাৰ বতাহ লাগি ওচৰৰ ফুলবোৰৰ নিয়ৰবোৰ মোৰ হাতত সৰি পৰে। তাই হাঁহে, আকৌ আহে, আকৌ যায়গৈ; শেষত এবাৰ জঁপিয়াই পৰেহিমোৰ গাত। ফুলৰ দৰেই কোমল তাইৰ সৰু হাত দুখনেৰে সাবটি ধৰে মোৰ ডিঙিত। মোৰ দুয়ো হাতৰ মাজত তাই হেৰাই যায়— ঢাক্ খাই যায় তাইৰ সৰু এধানমানি দেহাটো। মোৰ চকুৰ বান্ধটো অলপকৈ তুলি ধৰি সোধে— "এইবাৰ মই ক'ত...?" কওঁ— "এয়া মোৰ বুকুৰ মাজত।"

মোৰ হাতত ভৰ দি হাউলি পৰি নীলা আকাশলৈ চাই চাই তাই অধীৰ আনন্দত, ধৰা দিয়াৰ আনন্দত, হেৰাই যোৱাৰ আনন্দত ডুবি যায়। তাইৰ সৰু অন্তৰখনৰ মুক্ত হাঁহিটো, প্ৰতিপাহ ফুলৰ বুকুত খুন্দা খাই কঁপি কঁপি উটি যায় অলপ দূৰৈত বহি থকা মায়াৰ ওচৰলৈ।

ফুলনিলৈ নামি অহা ছিৰিটোৰ প্ৰথম ঢাপটোৰ ওপৰত বহি মায়া। ওচৰৰ টব'ৰ বতাহত নাচি থকা ফুলকেইপাহে মায়াৰ আঁচলৰ আগটো পাই যেন ময়ে-পখিলীয়ে খেলা খেলটোৰেই খেলিছে। অলস ব্যস্ততাত কিবা এটা গুঁঠি থকা মায়াৰ পিঠিত ভাগি পৰা খোপাটোৰ দুই-এডাল চুলিৰ আগ, সেই নীলা পৰ্দাকেইখনৰ দৰেই মুক্তি বিচাৰি কঁপি কঁপি উৰিছে। কোঁচত থকা বগা উলৰ

Scanned with CamScanner

লাৰুটো কেতিয়া যে মনে মনে মুক্তি পাই নাচি নাচি ছিৰি বগাই নামি আহিছে তাক মায়াই ক'ব নোৱাৰে। মাজে মাজে মূৰ তুলি মায়াই আমি চকুৰ আগত আছো নে নাই চাই লৈ, পুনৰ নিশ্চিন্ত হৈয়ে নিজৰ কামত মগ্ন হৈ পৰিছে। মোৰ ওপৰত মায়াৰ আস্থা নাই— পখিলীৰ চঞ্চলতাক বিশ্বাস নকৰে। পখিলীতো শিশু, কিন্তু মোৰ সামৰ্থ্যৰ ওপৰত ভৰসা কৰি মায়াই আমাক চকুৰ আঁৰ হৈ যাবলৈ নিদিয়ে— দিব নোখোজে।

খেলাৰ মাজে মাজে পখিলীয়ে মাকক সোঁৱৰাই দিছে যে মোক পাই তাই মাকক একেবাৰে পাহৰা নাই। আমি সেইফালে চালেই প্ৰতিবাৰেই দেখো মায়াই সৰুকৈ হাঁহে— প্ৰতিদিনৰ পুৰণা সুন্দৰ হাঁহিটো। কিন্তু তাৰ মাজৰ মাধুৰ্যখিনি প্ৰতিবাৰেই নতুন হৈ চকুত পৰে। মোৰ ভাল লাগে।

এই হাঁহিটোৱেই মোক মনত পেলাই দিয়ে মোৰ পুৰণা দিনবোৰৰ কথা। মায়া তেতিয়া নতুন— মোৰ সম্পূৰ্ণ অচিনাকি। মনত পৰে তাৰো আগৰ বছৰবোৰৰ কথা। আজি ভাবিলে সেয়ে আচৰিত লাগে, স্কুলৰ, বিশ্ববিদ্যালয়ৰ বিশেষকৈ চাকৰিৰ বছৰবোৰ হোষ্টেলত, মেচত, হোটেলত, চৈধ্য পোন্ধৰ ঠাইত চৌত্ৰিছ-পঁয়ত্ৰিছ জাত ৰান্ধনীৰ হাতৰ ভাত খাই খাই পাহৰি গৈছিলো ঘৰৰ ভাতৰ সোৱাদটো। কিন্তু তাৰবাবে অলপো দুখ নাছিল। বিচৰাও নাছিলো নিজৰ এখন ঘৰ— এবাৰ ভবাও নাছিলো জীয়াই থকাৰ উদ্দেশ্য কি? সাৰ্থকতা ক'ত? এৰি দিছিলো জীৱনটোক আগবাঢ়ি যাবলৈ— চিন্তা নাই, ভাৱনা নাই, কোনো বাধ্যবাধকতা নাই। হেলনীয়া ধূলিৰ বাটত এচলু পানী এৰি দিয়াৰ দৰেই এৰি দিছিলো নিজক উটি যাবলৈ। যেনি য'লৈকে ইচ্ছা যাওক উটি— শেষ হৈ যাওক। মাথোঁ এচলু পানী— চাই থাকোতেই শুকাই যাব। সেইকণ সময়লৈকে কিয় আকৌ অনাৱশ্যক জঞ্জাল কিছুমান বঢ়াই লওঁ!

কিন্তু সি আৰু সম্ভৱ নহ'ল; মাৰ চকুলো, গুৰুজনৰ আদেশ, বন্ধু-বান্ধৱৰ উপদেশ, আগ্ৰহ-অভিমানত বিৰক্ত হৈ শেষত এদিন ক'বলৈ বাধ্য হ'লো— "তহঁতৰ যি ইচ্ছা-"

Scanned with CamScanner

মোনাটোত চকু মুদি হাত ভৰাই উলিয়াই অনা টিকটটোৰ দৰেই, জীৱনৰ জুৱা খেলতো চকু মুদিয়েই তুলি ললো মায়াক। —নিজক ধিক্কাৰ দিছিলো কিয় মাৰ চকুলো দেখি নিজস্ব সকলো স্বাধীনতা বিসৰ্জন দি এটা গলগ্ৰহ চপাই ললোঁ?

এতিয়াও মনত পৰে ঘৰলৈ অনাৰ পাছতো চাৰি-পাঁচ দিনলৈ মায়াৰ ফালে এবাৰ ঘূৰিও চোৱা নাছিলো। আগ্ৰহ নাছিল, ইচ্ছা নাছিল, ধাৰণাও নাছিল যাক আনিলো তেওঁ দেখিবলৈ কেনে? আঁতৰি আঁতৰি ফুৰিছিলো, সকলোৰে ওপৰত খং উঠিছিল, বেছিকৈ এই মায়াৰ ওপৰত। কিয়? কিয় এই ছোৱালীজনীয়ে মোৰ সুখ-শান্তিকণ শেষ কৰি দিবলৈ আহিল? দুৰ্ভাৱনাত, দুঃচিন্তাত সকলো আন্ধাৰ হৈ উঠিছিল। ...অকলতো সেয়ে নহয়, যিগৰাকীক লৈ এই সকলো চিন্তা-ভাৱনাৰ উৎপত্তি, সেইজনাৰ আজিৰ ন-ছোৱালীৰ লাজৰ ঢাকনিৰ তলত লুকাই থোৱা আচল ৰূপটো, দুদিন পাছত বা কি মূৰ্তি ধৰি আত্মপ্ৰকাশ কৰে, তাক ভাবি অন্তৰাত্মা কঁপি উঠিছিল। ভয়ত পলাই পলাই ফুৰিছিলো।

মনত পৰিছে, চাৰিদিনৰ দিনা আবেলি নিজৰ কোঠাত মনে মনে বহি একেবোৰেই ভাবি আছিলো। হঠাৎ অনুভৱ কৰিলো কোঠালৈ কোনোবা এজন লাহে লাহে সোমাই আহিছে। ভৰিৰ খোজৰ ক্ষীণ শব্দটো মোৰ অচিনাকি। বুজিলো কোন সেয়া। কিন্তু ঘূৰি চাবৰ সাহ নহ'ল। কিতাপ এখন মিছাতে মেলি ললো। যোৱা চাৰিদিনৰ ব্যৱহাৰৰ কথা মনত পৰি এই প্ৰথম অলপ লাজ লাগিল। অলপ. বিৰক্তও হ'লো।

ভাবিছিলো, মোৰ আহ্বান নাপালে মায়া উভতি যাব। কিন্তু নগ'ল, বৰঞ্চ আগবাঢ়ি আহি মোৰ চকীৰ পাছফালে থিয় দিলেহি। আৰু বহি থাকিলেও বেয়া দেখি, থিয় দিব লগা হ'ল। কিন্তু কি কৰিম ভবাৰ আগতেই দেখিলো মায়াই হাতৰ সৰু ৰূপৰ বঁটাটো মোৰ টেবুলৰ ওপৰত থলে। বোধকৰো তাত মচলা আছে। তৎক্ষণাৎ ঠিক কৰিব নোৱাৰিলো। প্ৰথমেই মচলা খাম নে ঘূৰি মায়াৰ মুখলৈ চাম?

হঠাৎ এবাৰ 'ড্ৰয়াৰ'ত থকা মোৰ সৰু সংসাৰখনৰ চাবিকোছা চকুত পৰাত হাতত তুলি ললো। মায়াৰ মুখলৈ নোচোৱাকৈয়ে তাক আগবঢ়াই দি, interview -টো সোনকালে শেষ কৰি দিবলৈ ব্যৱসায়ীৰ সুৰতেই কৈ পেলালো, ...“সংসাৰ সমুদ্ৰত চলাবলৈ লোৱা সৰু নাওখনৰ বঠাপাট গুৰিতেই ধৰেনে নে আগতেই ধৰে মোৰ একো ধাৰণা নাই— মই নাজানো আৰু জানিবৰ আগ্ৰহো নাই। ....সদায় থকা এই ঘৰখনৰ বিষয়ে সাধাৰণ জ্ঞানকণ মনত পেলাই ইয়াকে ক'ব পাৰো

Scanned with CamScanner

যে, তাত সোণৰ পাহাৰো নাই, ৰূপৰ পাহাৰো নাই; অৱশ্যে একেবাৰে মৰুভূমিও নহয়। পেৰা-পেটাৰি, আলমাৰী, চিন্দুক তলে-ওপৰে ক'ত কি আছে সেইবোৰৰ সৈতে সাক্ষাৎ পৰিচয় মোৰ আজিলৈকে হোৱা নাই। নহ'ব লগা হ'লেই সুখী হ'ম। তাৰ চাবিবোৰ সদায় মোৰ টেবুলে টেবুলে ঘূৰি ফুৰে যদিও কোনোদিন ব্যৱহাৰ কৰি চোৱা নাই। কিহৰ কোনটো চাবি বাছি উলিয়াবলৈ বোধকৰো মোতকৈ তোমাৰে কম সময় লাগিব। সেই আশাতে তোমাৰ বস্তু তোমাকেই গতালো। ইমান দিন নামত মোৰ আছিল যদিও আজিৰপৰা আৰু মোৰ নহয়, মই নিবিচাৰো; গুপ্ত ঐশ্বৰ্যও যদি কিবা থাকে মই কেতিয়াও দাবী নকৰো। মুঠতে এই চাবিকোছা ভুলতো আৰু মোৰ ওচৰলৈ নাহিলেই মই নিশ্চিত হ'ম— ভাৰমুক্ত হ'ম—।"

নিঃশব্দে নিঃসংকোচে চাবিকোছা মায়াই মোৰ হাতৰপৰা তুলি ললে। লক্ষ্য কৰি দেখিলো হাতৰ আঙুলিকেইটা কিন্তু অলপো নকঁপিল। তাৰ বৰণটো চকুত পৰাত মুখলৈ চাবৰ লোভ হ'ল। মায়াক আচৰিত কৰি হঠাৎ ঘূৰি মায়াৰ মুখলৈ চালো। স্বাভাৱিক গাম্ভীৰ্যৰে ভৰা কোমল এখন মুখ। মায়াই স্পষ্ট মোৰ চকুলৈ চাইছে— মোৰ সমুখত থিয় দিয়া ভঙ্গিটোত, ব্যৱহাৰত মোৰ হাতৰপৰা চাবিকোছা তুলি লওঁতে ন-ছোৱালীৰ অনাৱশ্যক লাজ, জড়তা, সংকোচৰপৰা মায়া সম্পূৰ্ণ মুক্ত। অথচ সামান্যতম চঞ্চলতাও নাই।

মনে মনে স্বীকাৰ কৰিলো, মায়াৰ মাজত অসাধাৰণ কিবা এটা নিশ্চয় আছে। মনৰ শক্তিও আছে। বিপদৰ ভয়ত মোৰ দৰে পলাই ফুৰা স্বভাৱ মায়াৰ দেখিছো নাই। যাক এৰা নাযায়, যাৰ লগত চিৰ জীৱনটো কটাব লাগিব তাৰ সমুখীন হ'বলৈ মায়াৰ সাহ আছে। মোৰ এইকেইদিন আৰু এতিয়াৰ ব্যৱহাৰ, অৱজ্ঞাত মায়াৰ খং উঠা স্বাভাৱিক, কিন্তু মায়াৰ মুখলৈ চাই ক'ব নোৱাৰিলো অপমানটো মায়াই কেনেকৈ গ্ৰহণ কৰিছে।

ক'ব নোৱাৰাকৈয়ে স্বীকাৰ কৰি পেলালো, "মোৰ গুণৰ কথা কলো— নিজৰ অসমৰ্থতাকে মোৰ বেছি ভয়; সেই দেখিয়েই মই পলৰীয়া। যদি তুমি ভাৰ লব পাৰা—"

মোৰ মুখলৈ চাই অলপকৈ হাঁহি, সৰুকৈ কিন্তু স্পষ্ট কৰি মায়াই ক'লে— "বাৰু।"

মই মানুহটো সম্বন্ধে মায়াই কি ভাবিছে ক'ব নোৱাৰো। যিয়েই নহওক, সি যে বৰ উচ্চ নহয় সেইটো ধুৰুপ। মায়া যাব খোজাত লৰালৰিকৈ মাত দিলো— "শুনা মায়া, এটা কথা— এইকেইদিন মোৰ ব্যৱহাৰ দেখি মোক ভুল নুবুজিবা।

Scanned with CamScanner

স্বীকাৰ কৰো গুণৰ তুলনাত মোৰ দোষৰ মাত্ৰা বেছি যদিও আচলতে মই মানুহটো সিমান বেয়া নহওঁ। মাথোঁ সকলো কামতে ভয়টো অলপ বেছি।"

আকৌ এবাৰ হাঁহি সান্ত্বনা দিয়াৰ দৰেই ক'লে— "মই জানো-।"

"জানা যদি ভালেই হৈছে, পাছে ভয় নকৰিবা। মই বেছি আমনি নকৰো। প্ৰয়োজনো মোৰ নিচেই সামান্য। কিন্তু তোমাৰ প্ৰয়োজন যিমানেই হওক লাগিলে, 'নিমখ হালধি' বিচাৰি মই হ'লে দোকানলৈ যাব নোৱাৰো— তোমাক এতিয়াই কৈ থলো।"

এইবাৰ অলপ শব্দ কৰিয়েই মায়াই হাঁহি উঠিলে, "তাকো মই জানো, বাৰু মই নিজেই যাম।"

মায়া কোঠাৰপৰা ওলাই গ'ল। কিছু সময় ঠিক কৰিব নোৱাৰিলো মোৰ কথাত মায়া জব্দ হ'ল নে মায়াই মোকহে জব্দ কৰি গ'লগৈ।

এই মায়াৰ সেই সুন্দৰ হাঁহিটোৱেই আনি দিলে মোৰ জীৱনলৈ বিৰাট পৰিৱৰ্তন। সিয়েই মোক আকৌ গঢ়ি তুলিলে নতুন মানুহ কৰি। বছৰৰ পাছত বছৰ পাৰ হৈ গ'ল। কোনোদিনে যি সুখৰ কল্পনা কৰা নাছিলো, তাৰ মাজত মায়াই মোক সেই প্ৰথম দিনাৰেপৰা ডুবাই ৰাখিছে। আজি মায়া নহ'লে মোৰ এক মুহূৰ্তও নচলে।

মনত পৰে, মাত্ৰ চাৰি মাহৰ পাছতে মায়া এমাহৰ কাৰণে ঘৰলৈ গৈছিল, কিন্তু এসপ্তাহ পাৰ হোৱাৰ আগতেই আকৌ ঘূৰি আহিল— আহিবলৈ বাধ্য হ'ল। তাৰ কাৰণটো বেনিবা নক'লোৱেই। উভতি আহি মায়াই মোৰ অৱস্থা দেখি, নিজৰ সংসাৰৰ অৱস্থা দেখি ঠাট্টা কৰি হাঁহিছিল ঃ "মনত পৰে, বিয়াৰ পাছত চাৰিদিন মোলৈ এবাৰো ঘূৰি চোৱা নাছিলা?"

মায়াক দেখি শান্তিৰে উশাহ এটা লৈ নিৰ্লজ্জৰ দৰেই হাঁহিলো ঃ "খুব পৰে মায়া, কিন্তু তাৰ প্ৰতিশোধ যে তুমি এনেকৈ লবা ভবা নাছিলো। আৰু নোযোৱাতো....?"

Scanned with CamScanner

মায়াই সৰুকৈ হাঁহি মুখলৈ চালে ঃ “কিয়? ইয়াত আকৌ সন্দেহ কৰি মূৰ ঘমাবলৈ কিটো আছে?”

হয়তো একো নাই, ক'ব নোৱাৰো......। তথাপি তোমাৰ বান্ধবীবোৰক দেখিলে মোৰ সঁচাকৈয়ে সন্দেহ হয়, ভয় হয় সকলোবোৰবে ঘৰবাবী, দাস-দাসী, ধন-ঐশ্বৰ্য তোমাতকৈ কিমান বেছি, তাৰ তুলনাত তুমি ইয়াত কি পাইছা? মই কি দিব পাৰিছো.....?”

মোক বাধা দি মায়াই কৈ উঠিল ঃ “মানুহৰ জীৱনত ধন-ঐশ্বৰ্যই জানো সকলো?”

“তোমালোকৰ জাতটোৰ ওপৰত সেই বুলিয়েইতো মোৰ ধাৰণা আছিল!”

“আমাৰ জাতটোক তেন্তে তুমি অলপো চিনা নাই! আৰু মোকো চিনা নাই।” অলপ সময় মনে মনে থাকি মায়াই কৈ গ'ল ঃ “মই মাটিৰ পৃথিৱীৰ মানুহ। কল্পনাৰ ৰাজ্যত সুখ বিচাৰি কোনো দিনেই ফুৰা নাছিলো। স্বৰ্গৰ কল্পনা কৰিছিলো সঁচা, কিন্তু সিও এই মাটিৰ পৃথিৱীৰ মাজতে মোৰ জীৱনত পাব পৰা এটা নিৰ্দিষ্ট সীমাৰ মাজত। সীমাহীন সুখ-সৌন্দৰ্যক কল্পনা কৰি, তাক এই পৃথিৱীৰ মাজত পাবলৈ আশা কৰা দুঃসাহস, মূঢ়তা মোৰ কোনোকালে নাছিল। মই যি বিচাৰিছিলো, যি ভাবিছিলো, যি কল্পনা কৰিছিলো, ইয়াতেই সেই সকলো মই পাইছো, বিচৰাতকৈ বেছিকৈয়ে পাইছো। .....স্বৰ্গ স্বৰ্গ কৰি মানুহ বলিয়া হয়, যদি সঁচাকৈয়ে স্বৰ্গ আছে, আৰু সি যদি ইয়াতকৈয়ো বহু গুণ শ্ৰেয়ঃ— সুখ, আনন্দ, ঐশ্বৰ্যৰে ভৰাও হয় তথাপি তাৰ প্ৰতি মোৰ কোনো হাবিয়াস নাই— লোভ নাই... তোমাকে লৈ, পখিলীক লৈ মোৰ এই সৰু সংসাৰখন, তাত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ অতি সাধাৰণ সম্পদবোৰ— গোটেই ঘৰখনতে বৈ থকা শান্ত-কোমল বতাহখিনিৰে সৈতে এয়ে মোৰ স্বৰ্গ। আন স্বৰ্গ মোক নালাগে, নিবিচাৰো কামনাও নকৰো....।”

দীঘল বক্তব্যটো শেষ কৰি মায়াই মোৰ মুখলৈ চাই ধুনীয়াকৈ আকৌ এবাৰ হাঁহিলে। অন্তৰখন মোৰ তৃপ্তিৰে ভৰি উঠিল। খন্তেক মনে মনে থাকি মায়াৰ হাত এখন নিজৰ হাতৰ মুঠিত তুলি ললো। মায়াই লাহেকৈ সুধিলে— “কি?”

মায়াই জানে এই 'কি'ৰ কোনো উত্তৰ নাই— মই কোনো দিনেই দিয়া নাই, দিব নোৱাৰো; তথাপি সদায়েই সোধে মায়াই। মায়াই বুজে তাৰ উত্তৰ কাণেৰে শুনাকৈ ভাষাৰে দিব নোৱাৰি; কিন্তু সি অব্যক্ত নাথাকে। স্পৰ্শৰ অবুজ ভাষা শুনে আমাৰ প্ৰাণে, আমাৰ অন্তৰে। মোৰ মুখলৈ চাই সৰুকৈ হাঁহি আনখন হাতো মোৰ হাতৰ ওপৰত তুলি দি মায়াই তাৰেই সমিধান দিয়ে।

Scanned with CamScanner

হঠাৎ মোৰ হাতৰ মাজত থকা মায়াৰ হাতখন কঁপি উঠিল। অনুভৱ কৰিলো মই নিজেও কঁপিছো, ছিৰিটোও কঁপিছে, গোটেই ঘৰখনেই কঁপিছে। কিন্তু কিয়? ভূঁইকঁপ— নিশ্চয় ভূঁইকঁপ! ভূঁইকঁপত গোটেই পৃথিৱীখনেই কঁপিছে। .....মায়া ছিটিকি মোৰ হাতৰপৰা এৰাই গ'ল। পখিলী ফুলৰ মাজতে হেৰাই গ'ল। খন্তেকতে এটা এটাকৈ সকলো নেদেখা হৈ গলো। চকুৰ আগতেই, মই চাই থাকোতেই, মায়া, পখিলী আৰু মোৰ ফুলনিৰ ফুলবোৰক লৈ, মায়াৰ গোটেই স্বৰ্গখনেই ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। মই একোকে ধৰি ৰাখিব নোৱাৰি চিএঞৰিলো— "মায়া! মায়া..... !"

"O'h hang your মায়া"। ...কঁপি থকা পৃথিৱীখনে নিষ্ঠুৰভাৱে মোক তাৰ উত্তৰ দিলে।

আকাশৰ অসীম নীলিমাৰ সীমাহীন বুকুতে কল্পনাৰ ৰঙীণ তুলিকাৰে মনৰ সুখত, পৰম তৃপ্তিত ইচ্ছামতে আঁকি গৈছিলো সুন্দৰ ছবিখন। বন্ধুবৰৰ প্ৰবল ঠেলাত সি মচ খাই একাকাৰ হৈ, জহি-পমি আন্ধাৰৰ মাজত ডুবি গ'ল।

সকলো অসত্যৰ মাজত একমাত্ৰ সত্য বিচাৰি পালো— মেচৰ চুকৰ কোঠাটোত, তেল-চিকটিৰে ভৰা বিছনাখনত মই পৰি আছো। খিৰিকীৰ পৰ্দা দুখনো সঁচা, কিন্তু নীলা নহয়; ৰাজ্যৰ চেকাৰে ভৰা নাম নোহোৱা ৰঙৰ পৰ্দাকেইখন বতাহত অলপ অলপকৈ কঁপিছে। চিলিঙৰপৰা ওলমি থকা ক'লা এলান্ধুৰ জৰীডালৰ মূৰত, কলাই কৰা শ্বেদ্‌খন, বাল্বটো হয়তো এদিন বগাই আছিল, কিন্তু যে এতিয়া হালধীয়া হৈ উঠিছে। তাৰ কোলাত গঢ়ি উঠা জালখনত, ঘৰ-সংসাৰ পাতি পৰম আনন্দেৰে বিচৰণ কৰি ফুৰা মকৰাৰ এটা ডাঙৰ পৰিয়াল। চিলিঙৰ এটা চুকত ডাঙৰ এটা বিন্ধা। তাৰ সিপাৰে আন্ধাৰ। বেৰত ৰামধেনুৰ পৰিৱৰ্তে দুবছৰ আগৰ এখন আধা ফলা কেলেণ্ডাৰ। কোঠাটোৰ এচুকত দবৰা দবৰি কৰি পৰি থকা মোৰে কেইযোৰমান আকৃতি নোহোৱা ফটা জোতা। তাৰে কেইপাতমানে হাঁ-কৈ মুখ মেলি মোলৈকে চাই আছে। লোহাৰ দাঁতবোৰো আনকি মই স্পষ্টকৈ দেখিছো। সিহঁতৰ ক'লা, ৰঙা ফিটাবোৰেৰে জোৰা দি আঁঠুৱাখনৰ দুটা দাঁতি বেৰৰ লগত বন্ধা। খবৰ কাগজৰ 'টেবুল-ক্লথেৰে' ঢকা টেবুলখনৰ ওপৰত এটা আধা খোৱা চাহৰ নাল ভগা পিয়লা।

আৰু চাবৰ ইচ্ছা নহ'ল— স্বৰ্গৰপৰা নৰকলৈ নে নৰকৰপৰা স্বৰ্গলৈ উঠি আহিলো। ভবাৰ আগতেই আকৌ এটা ঠেলা খাই প্ৰায় হামখুৰি খাই পৰিছিলো। বিছনাৰ খুটাৰ লগত বন্ধা বাঁহডালত ধৰি কথমপিহে ৰলো। ...বন্ধুবৰ ফুকনে মোক তুলি বহুৱাই দিলে।

Scanned with CamScanner

চকু মোহাৰি মোহাৰি চাই দেখো মোৰ কাষত চাৰিজন সুবেশ ডেকা। সকলো মোৰ বাল্যবন্ধু ঃ অজিত, পজিৰ, দিলীপ আৰু ফুকন। এতিয়া সিহঁতৰ এজন হৈছে প্ৰফেছাৰ, এজন কবি, এজন ডাক্তৰ আৰু ফুকন মোৰ দৰেই কেৰাণী। ....একেলগে একেখন বেঞ্চিতে বহি স্কুলীয়া জীৱন, কলেজৰো বছৰদিয়েক শেষ কৰি ভাগ্য অন্বেষণ কৰিবলৈ দিহা-দিহি পৃথিৱীৰ বুকুত ছিটিকি পৰিছিলো। দিনদিয়েক হ'ল আকৌ অভাৱনীয়ভাৱেই লগ খাইছো।

ডাক্তৰ বন্ধুৱে কোঠাটোৰ চাৰিও দাঁতিয়ে চকু ফুৰাই নাক কোঁচালে ঃ "Disgraceful বি. এম্....!"

মই হাঁহিলো— "কি Disgraceful ড'ক। মই নে মোৰ শোৱাটো, নে কোঠাটোৰ এই সৌন্দৰ্যখিনি? কোনটো?"

" Everything....। নাও গেট আপ্....!"

গেট্ আপ্ হোৱাৰ আগতেই প্ৰফেছাৰ বন্ধুৱে ৰগৰ কৰি সুধিলে— "হেই! মায়া মায়াকৈ চিঞৰিছিলি কাক?"

গহীন হৈ উত্তৰ দিলো— "কাকো চিঞৰা নাছিলো প্ৰফেছাৰ! বৰঞ্চ এটা সত্য আৱিষ্কাৰ কৰি এই পৃথিৱীৰ, স্বৰ্গৰ নৰকৰ সকলোকে চিঞৰি চিঞৰি জনাই দিবৰ ইচ্ছা আছিল যে, সংসাৰত সুখ, আনন্দ, ঐশ্বৰ্য, প্ৰেম-প্ৰীতি সকলোবোৰেই কেৱল মায়া-দুৰ্ঘোৰ মায়া। বালি-চাপৰিত বালিৰে সজা ফাকিৰ প্ৰাসাদটোৰ দৰেই সকলো অসত্য; সত্য মাথোঁ মোৰ এই বিছনাখন আৰু মোৰ জীৱনটো, কিন্তু তহঁতে..."

"মনে মনে থাক। এতিয়া উঠ।"

মোক বিছনাৰপৰা তুলি দি সি কৈ গ'ল— "আমাৰ সকলো 'ৰেডি'। কালিলৈ পুৱাই 'ভয়েজ' আৰম্ভ কৰিম...। তই ছুটী পালি নে নাই?"

"পাইছো। পাছে দিহিঙৰ পানীয়ে পানীয়ে, তাৰ দাঁতিৰ নেদেখা হাবিয়ে হাবিয়ে

Scanned with CamScanner

"Everything। ..তিনি যুৰীয়া ডাঁৰৰ ছৈ থকা ডাঙৰ নাও, নাৱৰীয়া, নেটৰ খিৰিকী থকা টেণ্ট, কেম্পখাট, ৰেচন, বন্দুক, কেমেৰা, ফিল্ম, 'ফাৰ্ষ্ট-এইড্'। মুঠতে খোৱাৰ যোগাৰ, শোৱাৰ যোগাৰ, পিন্ধাৰ যোগাৰ সকলো হৈছে। তাৰ উপৰিও 'প্ৰ'ৰ মানে প্ৰফেছাৰৰ বেহেলা, ডকৰ ডুগিডাইনা, কবিবৰৰ চাপৰি, মোৰ নাচ আৰু তোৰ গান...."

"বেছ বেছ, কৈ যা, কৈ যা, আৰু বাঘৰ গোঁজৰণি, হাতীৰ চিঞৰ, ভালুকৰ হাঁহি....। নাই নহ'ব ফুকন! অকল এইবোৰতে মোৰ অলপো মনে ধৰা নাই, মোক লাগে...."

"কিং লাগে? ইয়াত বাহিৰে আৰু তোক কি লাগে....?"

"বহুত। তহঁতৰ যোগাৰত না আছে ৰোমাঞ্চ, না আছে কবিতা। শুন, নিতান্তই যদি মই এই বিছনা এৰি যাব লগা হয়, তেতিয়া হ'লে মোক লাগিব দিহিঙৰ নীলা চিক্‌মিকীয়া পানীৰ বুকুত সৰু ধুনীয়া এখন টুলুঙা নাও, বগলীৰ পাখি যেন বগা এখন পাল, কেইপাচিমান হৰেক ৰকমৰ ফল-মূল, বৰ একোছা নানা বৰণৰ নানা জাতৰ ধুনীয়া ফুল। তাৰ পাছত তোৰ সময়টো হ'ব লাগিব কোমল ৰ'দেৰে ভৰা এটা শান্ত গহীন শেষ নোহোৱা অনন্ত দুপৰীয়া। ...লোকালয় এৰি মোৰ সৰু জীৱন তৰীত পাল উৰুৱাই গৈ থাকিম দূৰলৈ। নীলা আকাশৰ তলত দিহিঙৰ নীলা পানী মিলি যোৱা শেষ সীমালৈ। ....নদীৰ এদাঁতিয়ে থাকিব শাৰী শাৰী বনৰীয়া লতাফুলৰ জোপা— ইদাঁতিয়ে থাকিব বহল বালি চাপৰি। তাৰ মাজত বতাহে কোবোৱা বিৰিণাৰ সুহুৰিৰ লগে লগে কোনোবা গকুলৰ নেদেখা গৰখীয়া ল'ৰাৰ উটি অহা বাঁহীৰ সুৰ। ....এই সকলো 'বেক্ গ্ৰাউণ্ডত' লৈ মোৰ সমুখত, আঁচলৰ আগটো বতাহত উৰুৱাই দি, ৰূপোৱালী ৰ'দালি মেলা চুলিত লৈ, মুখত সানি, গালত বোলাই, ওঁঠত জিলিকাই নগ্ন ভৰি দুখন পানীত ওলোমাই দি, অলস ভঙ্গীত মধুৰ তৃপ্তিৰে বহি থকা উজ্জ্বল এখন মুখ। বাঁহীৰ সুৰত সুৰ

Scanned with CamScanner

এজনৰ কায়া....। মোৰ ফালে চাই হাঁহে— হাত বাউলি মোক মাতে। খেদি যাওঁ— তাই পলাই যায়। ধৰিব খোজো— তাই হেৰাই যায়....।”

“তেন্তে কাৰ মুখ......?”

ফুকনে টপৰাই উত্তৰ দিয়ে— “কাৰ আৰু হ'ব! আমাৰ সৌ মৰাপাট বেপাৰীৰ নাক চেপেটী হাতী পোৱালি যেন ধামনী ছোৱালীজনীৰে নিশ্চয়....! কিন্তু বি-এম, তোৰ ব্যৱস্থা যেনিবা হ'লেই, পাছে আমাৰ.....?”

“সেয়া ব্যৱস্থা আৰু হ'ল ক'ত? তোৰ বেপাৰীৰ সেই হেন ৰূপৱতী কন্যাৰ ৰূপৰ জেউতিত যে দিহিঙৰ নীলা পানী ভৰ দুপৰীয়াই আন্ধাৰ হৈ উঠিব, আৰু ক'বতো নোৱাৰি, ভদ্ৰমহিলাই নাৱত ভৰি দিয়াৰ লগে লগেই হয় নাও ডুবিব, নহয় ৰূপৰ চমক লাগি ময়েই হামখুৰি খাই পানীত পৰি যাম, তাৰ উপৰিও তহঁতকেইটা থাকিয়েই যাবি। ...নাই দেখিছো অংকটো ভুল হৈ গ'ল। গাইপতি একো একোখন পালতৰা নাৱৰ যোগাৰ হ'লেও যিহেতু বেপাৰী চাহাবৰ পাঁচজনী থুপৰী জীয়েকেই নাই, তেতিয়া আৰু কি কৰিবি ফুকন! তোৰ যোগাৰেই থাওক। ....পঞ্চ-পাণ্ডৱৰ অজ্ঞাতবাস কপালত আছে যেতিয়া উপায় কি? মোৰতো বাৰু আনবোৰলৈ তুলি থলো। এতিয়া ফুকন, তই মোৰ বিছনাখন বান্ধ, আৰু প্ৰ', তই মোৰ suitcase-টোত কাপোৰ-কানিবোৰ ভৰা। মই আজি ৰাতিয়েই নাৱত থাকি 'ট্ৰায়েল' দি চাম। সদ্যহতে চাহৰ অৰ্ডাৰ দিওঁগৈ....।”

মেচৰ চাকৰটোক চিঞৰি চিঞৰি কোঠাৰপৰা ওলাই আহিলো।

Scanned with CamScanner

।। দ্বিতীয় অধ্যায় ।।

ধুমুহা

দেওবাৰ পাৰ হৈ গ'ল। সোমবাৰ, মংগলবাৰ, বুধবাৰো পাৰ হৈ গ'ল। দিহিঙৰ বুকু ফালি আমিও সমানে উজাই গৈ আছো। বাটত এৰি থৈ আহিছো অফুৰন্ত পানী, দুয়ো পাৰৰ সীমাহীন হাবি, সৰু-বৰ অলেখ গাঁও।

প্ৰথম প্ৰথম ঘনে ঘনে পাৰৰ গাঁওবোৰ পাইছিলো, পাছলৈ সি কমি আহিছে। সাতদিনৰ পাছৰপৰা আৰু এখনো গাঁও পোৱা নাই। নাৱৰীয়াকেইটাৰ মুখে শুনিছো আৰু শ শ মাইলৰ ভিতৰত কোনো লোকালয় নাই। তাৰ প্ৰমাণ পাইছোৱেই; পাৰৰ হাবিত মাজে মাজে চকুত পৰিছে বনৰীয়া জন্তুৰ জাক। হাবিত স্বাধীনভাৱে চৰি ফুৰা বনৰীয়া ম'হ, হাতী, হৰিণাৰ জাকক এনেকৈ কোনো কালেই দেখা নাছিলো।

...সমুখৰ বাটত প্ৰতি মুহূৰ্তে নতুন নতুন অভিজ্ঞতা, নতুন দৃশ্য, নতুন আনন্দৰ সোঁতত ক্ৰমাৎ আগবাঢ়ি গৈছো। বাধা-বিঘিনি নাই, বাধ্যবাধকতা নাই। মন গৈছে ৰৈ পৰিছো, ইচ্ছা হৈছে চখ্ কৰি ৰাতিও জোনাকৰ পোহৰত নাও মেলি দিছো। নদীৰ মাজৰ সৰু সৰু বালি-চাপৰিত বগা হৈ ঢাক খাই থকা লক্ষ লক্ষ ৰাজহাঁহ, ঘিলাহাঁহৰ মাজত আচম্বিতে জঁপিয়াই গৈ সিহঁতক বিভ্ৰান্ত কৰি তুলিছো। প্ৰয়োজনত অতিৰিক্ত গুলীয়াই মাৰি বালিভোজ খাইছো।

এইকেইদিনৰ ভিতৰতে লোকালয় এৰি কিমান যে দূৰলৈ আহিলো তাৰ একো হিচাপ নহ'ল। ....ই এটা নতুন জীৱন!

...অফিচৰ পুৰণা ফাইলৰ মাজৰ বিভীষিকা, মেচৰ দৈনন্দিন আমনি লগা ব্যস্ততাৰ মাজৰপৰা হঠাৎ এই সীমাহীন নিৰ্জনতাৰ অফুৰন্ত মাধুৰ্যৰে উপচি থকা কল্পনাতীত সৌন্দৰ্যৰ মাজত মুক্তিৰ অবাধ স্বাধীনতা পাই মনবোৰ আকৌ ৰঙা হৈ উঠিছে। প্ৰাণলৈ আহিছে নতুন উচ্ছ্বাস, নতুন উদ্যম। নতুন ৰঙেৰে ৰাঙলী মন-সাগৰৰ অতল তলিত ডুবি গৈছে গোটেই জীৱনৰ কৰ্মক্লান্ত ছন্দহীন স্মৃতি। পাহৰি গৈছো দিনদিয়েক আগতে এৰি অহা পুৰণা ঘৰখন, কৰ্মব্যস্ততাত চঞ্চল ধূলি-ধোঁৱাৰে ভৰা চহৰৰ আকাশখন। ভাব হৈছে আমি যেন আমাৰ চিন্তাৰ

Scanned with CamScanner

ভাৱনাশূন্য ছাত্ৰ-জীৱনলৈ আকৌ উভতি আহিছো— ঘূৰাই পাইছো কৰ্তব্যৰ হেঁচাত তল পৰি যোৱা পুৰণা মধুৰ দিনবোৰ....।

ফুকনৰ উৎসাহেই সকলোতকৈ বেছি। চিঞৰ-বাখৰ, হুলস্থূল কৰি হাবি-বন ভাঙি চিৰশান্ত নিৰ্জনতাৰ চৌদিশে অশান্তিৰ কঁপনি তুলি সি যেন দূৰলৈ, বহু দূৰলৈ পাখি মেলি উৰি যাব। ভাগৰ নাই, ক্লান্তি নাই, চিন্তাও নাই অথচ তাৰ ঘৰত ঘৈণীয়েক, আৰু এহাল ল'ৰা-ছোৱালীক এৰি আহিছে; অকল ফুকনেই নহয়, সকলোৱে এই দুদিনীয়া নতুনৰ মাজত পুৰণাক সম্পূৰ্ণৰূপেই পাহৰি পেলাইছে... অৱশ্যে মধুৰ সংসাৰৰ বন্ধন মোৰ নাই— কোনো আকৰ্ষণো নাই; অথচ ময়েই যে সিহঁতক শাৰীৰিক বিপদ হ'ব পৰা উদ্ভণ্ডালি কৰিলে সোঁৱৰাই দিবলগীয়াত পৰিছো সিহঁতৰ ঘৰত এৰি অহাবোৰৰ কথা।

....এদিন দুদিনকৈ পোন্ধৰ দিন পাৰ হৈ গ'ল। জনপ্ৰাণীহীন অটব্য অৰণ্যৰ মাজত হঠাৎ এদিন আবেলি অভাৱনীয়ভাৱেই নৈৰ দাঁতিৰ গছৰ ওপৰত সজা টঙীঘৰ কিছুমান চকুত পৰিল। এনেহেন ঠাইতো যে মানুহৰ বাস হ'ব পাৰে ভবা নাছিলো। অতিমাত্ৰাই আচৰিত হ'লো আৰু আমাকো আচৰিত কিবা এটা দেখা দিয়েই নে শত্ৰু বুলি ভাবি সিহঁতেও হাতে হাতে ধনু-কাঁড়, দা-কটাৰী লৈ মতা-তিৰোতা, ল'ৰা-ছোৱালী নিৰ্বিশেষে নদীৰ পাৰলৈ চাপি আহিল। ...দেখিলো, বনৰীয়া জীৱনৰ স্বাভাৱিক হিংস্ৰতাৰ ঠাইত সিহঁতৰ চকুৱে মুখে ফুটি উঠিছে অপৰিসীম বিস্ময়।

বুজিবলৈ বাকী নাথাকিল, পৃথিৱীৰ কাৰো লগত কোনো সংশ্ৰৱ সিহঁতৰ কোনোকালেই হোৱা নাই। সভ্য জগতৰ বাসিন্দা সিহঁত নহয়— হয়তো কোনোবা আদিম জাতিৰ লুপ্তপ্ৰায় বংশধৰ মাথোঁ। ভাষাটো অচিনাকি। এটা শব্দও আমি নুবুজিলো। কিন্তু এবাৰ চকুত পৰিল হাবিৰ ফালৰপৰা আলৰ বুঢ়া এটাক মানুহ কেইটামানে কঢ়িয়াই আনি নৈৰ পাৰত বহুৱাই দিছেহি। হয়তো সি সিহঁতৰ বৰমূৰীয়া! আমালৈ চাই সি তাৰ নতুন ভাষাৰে কিনো সুধিলে আমি নুবুজিলো। কিন্তু সামান্য বুজিলে আমাৰ লগৰে বুঢ়া নাৱৰীয়াটোৱে। তাৰ সহায়েৰে আমাৰ বিষয়ে যি ক'লো তাৰ তুলনাত সিহঁতৰ বিষয়ে যি জানিলো সি নিতান্তই গৌণ।

....তথাপি পৃথিৱীৰ মাজতে থকা সিহঁতৰ নামগন্ধহীন অতি ক্ষুদ্ৰ সুকীয়া পৃথিৱীখন চাবলৈ বৰ হেঁপাহ হোৱাত আমি আটাইকেইটা নাও এৰি পাৰলৈ উঠি গলো।

বহু শতাব্দীৰ মলিনতাই ঢাকি ৰখা সিহঁতৰ স্বাস্থ্যোজ্জ্বল দৈহিক সৌন্দৰ্য-শ্ৰীৰ অভাৱ নাই যদিও অভাৱ লক্ষ্য কৰিলো সিহঁতৰ ঘৰ-দুৱাৰ আৰু থকা-মেলাৰ

Scanned with CamScanner

ক্বচিত। দেখিলো, হাবিৰ জন্তুৰ দৰেই সিহঁতে বাস কৰিছে। অথচ জন্তুৰ হিংস্ৰতা সিহঁতৰ কথাত নাই, ব্যৱহাৰতো নাই। আনকি জীয়াই থকা প্ৰাণী এটাৰ প্ৰাণৰ স্বাভাৱিক উচ্ছ্বাসকণো সিহঁতৰ গাত নেদেখিলো। সিহঁত যেন ঠিক নুমাই যাব খোজা বন্তিৰ স্তিমিত শিখা।

তথাপি হঠাৎ আমাক পাই, বহুযুগ আগতে হেৰাই যোৱা মৰমৰ বন্ধুজনাক নতুনকৈ ঘূৰাই পোৱাৰ আনন্দই যেন সিহঁতৰ মুখত ফুটি উঠিল। সিয়েই হয়তো সাময়িকভাৱে হ'লেও সিহঁতৰ প্ৰাণলৈ আনি দিলে আনন্দৰ নতুন উন্মাদনা। আমিও তাৰ মৰ্যাদা ৰাখিবলৈকে অলপ সময়ৰ ভিতৰতে সকলোৰে লগত বন্ধুত্ব পাতি নিশাটো তাতেই জিৰাই লবলৈ থিৰাং কৰিলো....।

.....যোৱা পোন্ধৰ দিনৰ ভিতৰত গধূলিৰেপৰা পুৱালৈকে একে ঠাইতে কটাবলৈ লোৱা এয়ে প্ৰথম। গতিকে 'কমিউনিটি-ভোজ'ৰ আয়োজনটো অলপ বুজনভাৱেই হ'ল।

গোটেই গাঁও জুৰি দুপৰ নিশালৈকে চলিল আনন্দ-উৎসৱ। নাৱৰীয়াটো আৰু বুঢ়াটোৰ বাহিৰে আন কোনেও কাৰো এটা কথাও নুবুজে। অৱশ্যে তাৰ বাবে কাৰো অলপো অসুবিধা নহ'ল।

ৰাতিটো আধা টোপনি আধা জাগৰণৰ মাজত শেষ হৈ গ'ল। পুৱা আনন্দ মনেৰেই যাত্ৰাৰ আয়োজন কৰি নাৱত উঠিলোহি। কিন্তু নভবা বিপদ এটাই দেখা দিলে। নাৱৰীয়াকেইটাৰ ফালৰপৰা বিদ্ৰোহ কৰিছে আৰু আগলৈ উজাই নাযায়। তাৰপৰাই উভতিব, বন্দোৱস্তমতে আৰু ভালেমান দিন উজাই যোৱাৰ কথা।

কাৰণটো অনুসন্ধান কৰিববলৈ গৈ বুজিলো ইয়াৰ গুৰিতে বুঢ়া! তাৰ মুখতেই নাৱৰীয়াকেইটাই শুনিছে নৈখনৰ বিশদ ইতিহাস। সি সুনাম নহয়- দুৰ্নাম। অকল প্ৰাকৃতিকো নহয়- পূৰামাত্ৰাই আধ্যাত্মিক। আগলৈ আৰু উজাই গ'লেই হেনো ভয়ংকৰ বিপদত পৰিম। তাৰপৰা কোনো কেতিয়াও উজাই যোৱা নাই। মৰসাহেৰে কোনোবা গলেও সি আৰু ঘূৰি অহা নাই। কালিকা লগা ঠাই- গোসাঁনী আছে। গ'লেই নিশ্চিত মৰণ।

সেয়ে বুঢ়াৰ গাঁৱৰ এটি প্ৰাণীয়েও অতি প্ৰয়োজনতো এমাইল বাটো কোনোদিন উজাই যোৱা নাই। আমাকো অনুৰোধ কৰিছে যাতে আমিও আৰু আগলৈ নগৈ ঘৰলৈ ওভতো।

...নাৱৰীয়াকেইটাৰ কথা বিশ্বাস নহ'ল। যোৱা দুদিনমানৰপৰা সিহঁত উভতিবলৈ ব্যস্ত হৈ উঠিছে। কালিকা লগা, গোসাঁনী থকাৰ উপাখ্যান সৃষ্টি হয়তো চেলু।

ড'ক, ফুকন সকলোৰেই খঙত জিক্‌জিকাই উঠিল। হুকুম কৰিলে সিহঁত যাবই

Scanned with CamScanner

লাগিব— আগৰ ব্যৱস্থামতে সিহঁত যাবলৈ বাধ্য। কিন্তু সিহঁতে নামানিলে। শেষত লোভ দেখুৱাই, ভয় দেখুৱাই, অনুৰোধ, অনুনয়-বিনয় কৰিও যেতিয়া শান্ত কৰাব নোৱাৰিলো তেতিয়া জেদ্ কৰিয়েই আমি নাৱৰীয়াকেইটাৰ বিনা সাহায্যেৰেই যাবলৈ ওলালো। বন্দোবস্ত হ'ল আমি ঘূৰি আহি নোপোৱালৈকে নাৱৰীয়াকেইটা এই গাঁৱতেই আমালৈ অপেক্ষা কৰি থাকিব।

...সময় নষ্ট নকৰি নাৱত উঠিলোহি। এইবাৰ গুৰিয়াল হলো মই আৰু মোৰ চাৰিও বন্ধুৱে ললে ৰ্ঢাৰ। উজাই বতাহ বলিছিল দেখি নাৱত পাল তৰি ললো। গোটেই গাঁও ভাঙি আকৌ এবাৰ মানুহবোৰ আহিল আমাক বিদায় দিবলৈ। সিহঁতৰ মাজত বুঢ়াকো দেখিলো। সি তাৰ ভাষাৰে আৰু আকাৰে-ইংগিতে আমাক যাবলৈ উৎসাহেই দিলে নে নাযাবলৈ অনুৰোধেই কৰিলে বুজিব নোৱাৰিলো।

নাও এৰি দিলো। দূৰৰপৰা নাৱৰীয়াটোৰ চিঞৰ কাণত পৰিলহি ঃ "....দেউতাসকল, সাৱধানে যাব.... কালিকা-লগা ঠাই! আপোনালোকে নামানিলেও আমি মানো। গোসাঁনী কুপিতা হ'লে কিন্তু গতি বিষম হ'ব।"

....কালিকা-লগা, গোসাঁনী থকা ঠাইৰ বিষয়ে সকৰেপৰা গল্পৰ দৰেই শুনি আহিছো। প্ৰমাণ হ'লে আজিলৈকে পোৱা নাই। সেয়ে হয়তো কোনোকালে বিশ্বাসো কৰা নাই। বুঢ়াটোৰ অংগি-ভংগিৰ কথা কিছু সময়লৈকে মনত পৰি আছিল যদিও লাহে লাহে পাহৰি গলো।

সমানে চাৰি-পাঁচ ঘণ্টা নাও বাই বহু মাইল বাট অতিক্ৰম কৰি দুপৰীয়া এঠাইত ৰলোহি। তাত ঘণ্টাদিয়েক জিৰাই লৈ খোৱা-বোৱা কৰি পুনৰ নতুন নতুন সৌন্দৰ্যৰ সন্ধানত সমুখৰ নেদেখা-নুশুনা ঠাইবোৰৰ উদ্দেশ্যে ক্ৰমাৎ আগুৱাই গৈছো।

লাহে লাহে চকুত পৰিছে, নদীৰ দুয়ো পাৰৰ হাবিবোৰ আগৰ তুলনাত ডাঠ, গহীন, নিৰ্জন হৈ আহিছে। অথচ ক'তো এটা বনৰীয়া জন্তু চকুত নপৰিল। আনকি চৰাই-চিৰিকটিকে আদি কৰি ক্ষুদ্ৰ প্ৰাণী এটাও ক'তো নেদেখিলো। পুৱাই গাঁও এৰি অহাৰ পাছতেই এবাৰ বাঘৰ গোঁজৰণি শুনিছিলো আৰু ঠায়ে ঠায়ে হাতীৰ দল, হৰিণাৰ জাক আৰু এঠাইত নদীৰ নিচেই পাৰতে উইহাঁফলু এটাৰ গুৰিত পোৱালিৰ সৈতে ভালুক এজনীক খেলি থকা দেখিছিলো। আশা কৰিছিলো আগলৈ আৰু বেছি দেখিম। কিন্তু দহ-পোন্ধৰ মাইল বাট আহিও এটা ক্ষুদ্ৰ প্ৰাণীও চকুত নপৰাত বিস্মিত হ'লো।

নৈৰ দাঁতিৰ এই সীমাহীন নিৰ্জনতা চাই চাই আমনি লগাত ফুকনে তাৰ মনটো ৰাঙলী কৰি তুলিবলৈকে হঠাৎ প্ৰাণ খুলি গীত আৰম্ভ কৰিলে।

Scanned with CamScanner

চৌপাশৰ আমনি লগা নিৰ্জনতা ভংগ কৰিবৰ নতুন উপায় পাই এজন এজনকৈ আমি সকলোৱেই ফুকনৰ লগত যোগ দিলো। চাৰিপাট ডাঁৰৰ যুটীয়া শব্দৰ তালে তালে, পানীত উঠা ঢৌবোৰৰ ভাঁজে ভাঁজে সুৰ মিলাই আমি পাঁচ বন্ধুৱে পাঁচশ কণ্ঠৰ শক্তিৰে ঘণ্টাৰ পাছত ঘণ্টা ধৰি ঘূৰাই ঘূৰাই গাই গলো গীতটো ঃ "....অ' মোৰ আপোনাৰ দেশ...."

সেই অমৰ গীতৰ সুললিত সুৰ কোনোকালে কোনো মানুহে নেদেখা এই জনহীন প্ৰান্তৰত— আকাশৰ দিকে দিকে, বতাহৰ অণুৱে অণুৱে, প্ৰতিজোপা গছৰ ডালে ডালে, পাতে পাতে বিলাই গলো তাৰ অপৰূপ মহিমা।

.....কিমানপৰ গাইছিলো, কিমান দূৰলৈ আহিলো, কিমান ঘণ্টা পাৰ হৈ গ'ল, তাৰ কোনো ধাৰণা নাছিল, কিন্তু হঠাৎ সকলো শব্দ ভেদ কৰি ওচৰতে হোৱা ভয়ংকৰ শব্দ এটা শুনি উচপ্ খাই উঠিলো। অনুমান হ'ল বৰ ভয়াবহ কিবা এটা যেন আমাৰ সমুখেদিয়েই হুচ্‌কৈ শব্দ কৰি পাৰৰ ডাঠ হাবিৰ মাজত থিতাতে অদৃশ্য হৈ গ'ল।

মুহূৰ্ততে চাৰিপাট ডাঁৰৰ যুটীয়া শব্দ, মুখৰ গীত, একেলগে একেটা মুহূৰ্ততে সকলো বন্ধ হৈ গ'ল। কাৰো মুখত ক্ষুদ্ৰতমো শব্দ এটা নাই। কোঠাটোত জ্বলি থকা চাকিটো নুমাই দিলে যেনেকৈ ঘোপমৰা আন্ধাৰে খন্তেকতে তাক ভৰাই তোলে, ঠিক তেনেকৈয়ে চাৰিওকাষৰ নিৰ্জনতাৰ ভয়াবহ নিস্তব্ধতাই নিঃশব্দেই আমাকো যেন হেঁচি ধৰিলে। প্ৰথমবাৰলৈ অনুভৱ কৰিলো আবেলিৰ উজ্জ্বল পোহৰটোও যেন কোনোবা টলকত ক্ষীণ হৈ অস্পষ্ট হৈ চকুত পৰিছেহি। নৈখনো যে কেতিয়াৰেপৰা ইমান ঠেক হৈ গৈছিল ক'ব নোৱাৰিলো। তলৰ পানীবোৰ গভীৰ সেউজীয়া। দুয়োপাৰে থকা অটব্য অৰণ্যখনৰ গছবোৰ— তাৰ ডালবোৰ, পাতবোৰৰ ৰং সেউজীয়াৰ ঠাইত কেনেকৈ যে এনে ধৰণৰ ক'লা হ'ব পাৰে তাকো ধাৰণা কৰিব নোৱাৰিলো।

নিচেই কাষৰ ওখ ওখ গছবোৰলৈ চাই ভাব হ'ল সেইবোৰ যেন সাধাৰণ গছ নহয়, কিবা গোট মাৰি থোৱা অসাধাৰণ ক'লা ৰঙৰ একোটা বিৰাট বিৰাট জন্তু। গছবোৰৰ দুহাত পাছত কি আছে দেখা নাই। নদীৰ সোঁমাজত আৰু মূৰৰ ওপৰত বহল আলি এটাৰ দৰেই এই আকাশখনৰ বাহিৰে চাৰিওদিশ প্ৰায় ক'লা-ঘোপমৰা আন্ধাৰ....।

আমি স্তব্ধ হৈ ইটোৱে সিটোৰ মুখলৈ নিঃশব্দে চালো। চাঁটকৈ মনত পৰিল বুঢ়াটোৰ কথা। চোলা-কামিজ ঠেলি অজ্ঞাতে গাৰ প্ৰতিডাল নোম শিয়ঁৰি উঠিল। সকলোৱেই নিৰ্বাক হৈ কাণ থিয় কৰি এই অদ্ভুত নিস্তব্ধতাৰ মাজত ক্ষুদ্ৰতম

শব্দ একণৰ আশাত আকুল হৈ অপেক্ষা কৰি ৰলো, কিন্তু কি বতাহত, কি আমাৰ উশাহত, কি পাবৰ হাবিত, আনকি নাৰৰ তলত হোৱা সৰু সৰু ঢৌবোৰতো একো শব্দ হোৱা নুশুনিলো। চৌদিশৰ গহীন-গম্ভীৰ অসহ্য অস্বাভাৱিক শব্দহীনতাৰ ভয়াবহতাই প্ৰতিজনৰ দেহৰ প্ৰতিটো ইন্দ্ৰিয় মূক-নিৰ্ষ্কমা কৰি পেলালে।

আমি যে ভয় খাইছো তাৰ লাজ ঢাকি ৰাখিবলৈ কোনো চেষ্টা নকৰিলো। মোৰ ডিঙিটো একেবাৰে শুকাই উঠিছে। নাওখন যে কোবেৰে আগুৱাই গৈ আছে, তাক ৰখাই তৎক্ষণাত ওভতা উচিত নে অনুচিত তাকো ভাবিবলৈ পাহৰি গৈছো। আমাৰ কোনেও ক'ব নোৱাৰো হঠাৎনো কিটো ঘটিল?

সকলোবোৰেই জ্ঞানহীন পাষাণ মূৰ্তিৰ দৰে মাথোঁ একেথৰে স্তব্ধ হৈ বহি আছো। হঠাৎ আকৌ এবাৰ ঝপংকৈ সৰু এটা শব্দ হ'ল, আৰু তাৰ লগে লগেই মোৰ সমুখৰ চাৰিও বন্ধুৱে একেলগেই জঁাপ মাৰি উঠি চিঞৰ-বাখৰ কৰি মোৰ ওচৰত থুপ খালেহি।

মোৰ সমুখত বহি অহা ডাক্তৰক দেখিছিলো, হাতৰপৰা ডাঁৰপাট ক'ৰ নোৱাৰাকৈ এবাই সৰি পৰিল। এইবাৰ শব্দটো তাৰেই হৈছিল। নিজেও ভয় খাইছিলো কিন্তু তাক জোৰ কৰি ঢাকি ৰাখিবলৈকে চাৰিও বন্ধুক আৰু ভয় খুৱাই হঠাৎ হো-হোকৈ হাঁহি উঠিলো। নিজৰ কাণতে তাক বিকৃত অস্বাভাৱিক যেন লাগিল। তথাপি সংক্ৰামক ব্যাধিৰ দৰে ক্ৰমাৎ বৃদ্ধি পোৱা পৰিচয়হীন ভয়টোৰপৰা সিয়েই সকলোকে মুক্ত কৰাত, লাহে লাহে আকৌ দেহলৈ জীৱ আহিল। চাৰিও একেলগেই প্ৰশ্ন কৰিলে—

"—কি হ'ল? কিয় হাঁহিছিলি? কিহৰ শব্দ হৈছিল?"

উত্তৰৰ পৰিৱৰ্তে পৰিস্থিতিটো অলপ পাতল কৰি তুলিবলৈকে সিহঁতক ঠাট্টা কৰি হাঁহিলো ঃ "....এই সাহ লৈয়ে তহঁতে Excursion কৰিবলৈ আহিছ? ফুকন! তোক মই সাহসী বুলিয়েই ভাবিছিলো, তোৰে ইমান ভয়নে? তহঁতৰ হৈছিল কি?"

কি যে হৈছিল সেইটো ময়ো নাজানো! বৰ সাহিয়াল হৈ মুখেৰে সিহঁতক যিয়েই নকওঁ লাগিলে, আচলতে বুকুৰ ধপ্‌ধপনি যে মোৰ এতিয়াও মৰা নাই সেইটো বোধকৰো সিহঁতেও জানে।

মোৰ কথাৰ উত্তৰ নিদি ফুকনে বন্দুকটো হাতত তুলি লৈ পাৰৰ ভয়লগা হাবিখনলৈ টোঁৱাই চিঞৰিলে— "কোন? কোন সেয়া তাত? ভালে ভালে উত্তৰ দে, নহ'লে...নহ'লে মই গুলীয়াম...."

উত্তৰ আহিল নে নাহিল ক'ব নোৱাৰিলো, কাৰণ পাছমুহূৰ্তত ফুকনে ওপৰা-

Scanned with CamScanner

উপৰিকৈ দুবাৰ পাৰলৈ গুলীয়ালে। ওচৰৰ গছকেইডালে গৰ্জন কৰাৰ দৰেই যেন খণ্ডত কঁপি কঁপি উঠিল। লগে লগে ধাৰণা হ'ল দুয়োপাৰৰ হাবিৰ আন্ধাৰত দশোদিশ জুৰি কোনোবাই যেন হি-হিকৈ হাঁহি উঠিছে।

ফুকনে বন্দুক পেলাই পুনৰ ডাঁৰপাট তুলি লৈ আমাক হুকম কৰিলে— "এই, তহঁত কোনো মনে মনে নাহিবি। শব্দ, শব্দ কৰি আহ, যি মন যায় চিঞৰ, কথা পাত, প্ৰ' তই বেহেলা বজা, ড'ক তই গা- গীত গা...."

একে উশাহতে কথাকেইটা কৈ ফুকনে আনলৈ অপেক্ষা নকৰি নিজেই গীত জুৰিলে।

আমি সকলোৱে এনে এটা বাটেই বিচাৰিছিলো। নিস্তব্ধতাৰ ভয়াবহতাই পুনৰ আগুৰি ধৰে বুলিয়েই আমি আকৌ ফুকনৰ লগত যোগ দিলো আৰু চিঞৰ-বাখৰ কৰি অঁকাই-পকাই মাইলদিয়েক কোবেৰে পাৰ হৈ গলো।

ভালেমান সময়ৰ পাছত সমুখলৈ পোনে পোনে দূৰৈত দাঁতিৰ হাবিবোৰ অলপ অলপকৈ পাতল হৈ অহা যেন লাগিল। সেই ফালৰ আকাশলৈ আঙুলিয়াই এইবাৰ কবিবৰে হঠাৎ চিঞৰি উঠিলে—

"সৌটো সৌটো কি আহিছে...?"

চকুত পৰিল পূবফালৰপৰা আমাৰ ফালে বৈ অহা পানীৰ ওপৰেদি ক'লা মেঘ এচপৰাৰ নিচিনাকৈয়ে আকাশ ছাটি কিবা এটা উৰি আহিছে। ওচৰ নোপোৱালৈকে ক'ব পৰা নাছিলো যে সেই কিবা এটাৰ ঠাইত লিখি শেষ কৰিব নোৱাৰা এজাক ধুনীয়া ম'ৰা চৰাই। চাই থাকোতেই আমাৰ মূৰৰ ওপৰেদি সিহঁত পাৰ হৈ দুয়োপাৰৰ গছবোৰৰ মাজত সিঁচৰতি হৈ পৰিলগৈ।

বহুত পৰৰ মূৰত যেন পুনৰ দেহালৈ প্ৰাণ আহিল, ওঁঠলৈ পানী আহিল। ম'ৰাজাকক দেখি বিশ্বাস হ'ল আমাৰকেইটাৰ বাহিৰেও তেন্তে পৃথিৱীখনত আন প্ৰাণী আছে।

....প্ৰফেছাৰে বন্দুকটো তুলি লৈছিল। নমাই থৈ হাতত তুলি ললে কেমেৰাটো। আৰু কিছু সময় আগুৱাই যোৱাৰ লগে লগেই দুয়ো পাৰৰ ডাঠ হাবি ক্ৰমাৎ পাতল হৈ আহি এসময়ত সম্পূৰ্ণ মুকলি হৈ গ'ল। ৰ'দৰ পোহৰটো হঠাৎ ইমান বেছি উজ্জ্বল হৈ চকুত লাগিলহি যে কিছু সময়লৈ চকু মুদি দিবলৈ বাধ্য হ'লো।

পুনৰ চকু মেলি সমুখত যিখন ঠাই দেখিলো তাক বৰ্ণনা কৰিবৰ ভাষা নাই— শক্তিও নাই। পৃথিৱীৰ শ্ৰেষ্ঠ শিল্পীৰো সাধ্য নাই এনে এখন অপূৰ্ব সুন্দৰ অমৰাপুৰীৰ কল্পনা কৰিব পাৰে। এনে কোনো কবিও নাই যি ইয়াৰ অনুপম ৰূপৰাশিক বৰ্ণনা কৰিব পাৰে। ....আমাৰ সোঁৱে-বাঁৱে সমুখলৈ দুয়ো পাৰে চকুৰে মনিব পৰা

Scanned with CamScanner

সীমাহীন সমতল ঘাঁহনিৰ চৌদিশে কেৱল ফুল আৰু ফুল...। জগতৰ নানা ৰঙৰ, নানা জাতৰ, নানান আকৃতিৰ সোপাকে আনি যেন কোনোবাই ইয়াত যতনেৰে ৰচি থৈছে এখন মায়াময় কুসুম-কানন....। ঠায়ে ঠায়ে দুই-এজোপা ওখ ওখ গছ—তাতো ফুল। ঠায়ে ঠায়ে সৰু পুখুৰীৰ দৰেই গোট খাই থকা পৰিষ্কাৰ একোডোঙা পানী। তাৰ দাঁতিতো ফুল। ঠায়ে ঠায়ে দলিছাৰ দৰেই নিমজ চিকুণ সেউজীয়া ঘাঁহনি। এই সকলো ফুল, পানী, গছৰ দাঁতিয়ে দাঁতিয়ে, বতাহত, ফুলত, আকাশত, ৰ'দৰ পোহৰত চিক্‌মিক্ কৰি থকা পাখি মেলি উৰি ফুৰিছে লক্ষ লক্ষ ৰং-বিৰঙৰ সৰু-ডাঙৰ, নেদেখা-নভবা ধুনীয়া ধুনীয়া চৰাই, পখিলা, ভোমোৰা, মৌ-মাখি।

বিশ্বাস নহ'ল। চকু দুটা এবাৰ ভালকৈ মোহাৰি ললো। গাত চিকুটিও চালো। নাই, সঁচা, —সকলো সঁচা, আমি পাঁচোটাৰ দৰেই সঁচা। শেষ হৈ অহা আবেলিৰ সোণোৱালী আকাশৰ উজ্জ্বল বেলিটোৰ দৰেই সকলো সঁচা।

কিন্তু কোনে সৰজিলে এই দিব্য উপবন....? প্ৰকৃতিয়ে, নে মানুহে?

...বিস্ময়ত অভিভূত হৈ পাহৰি গলো। অলপ আগতে ভয়ত প্ৰাণ উৰি যোৱা হাবিখনৰ কথা। মুগ্ধ হৈ মাথোঁ চাই গলো চৌদিশৰ ভাবিব নোৱাৰা সৌন্দৰ্যৰে ভৰা অপৰূপ ছবিবোৰ। ৰূপত ৰাঙলী ফুলবোৰ— ৰঙত ৰাঙলী চৰাই, পখিলা ভোমোৰাবোৰ।

অসীম ধৰাৰ সীমাহীন নিৰ্মল আকাশৰ তলত, জীৱনত এই প্ৰথম অন্তৰৰ পৰা সৰল নিষ্কলুষিত আন্তৰিকতাৰে লক্ষ লক্ষবাৰ সেৱা জনালো সেইজনাক যিজনাই আমাক, আমাৰ এই পৃথিৱীখনক সৰজিলে। মানুহে সৃষ্টি কৰিব পৰা, কল্পনা কৰিব পৰা সৰ্বশ্ৰেষ্ঠ সৌন্দৰ্য, মোৰ চাৰিওকাষৰ দেশখনৰ ওচৰত যে কিমান ক্ষুদ্ৰ, কিমান তুচ্ছ তাক আজি উপলব্ধি কৰিছো।

যিমানেই আগুৱাই গৈ আছো, সিমানেই চকুত পৰিছে নতুন নতুন, আগতকৈয়ো সুন্দৰ সুন্দৰ দৃশ্যবোৰ। ভাবি পোৱা নাই ইয়াৰ শেষ ক'ত হ'ব! হ'ব নে নহয়....! জ্ঞানশূন্য হৈ আমিকেইটা মতলীয়া হৈ পৰিছো। ক'ব নোৱাৰো কেতিয়া আবেলি শেষ হৈ গধূলি নামি আহিল। তাৰপাছত ৰাতিও হ'ল....!

শুক্লা চতুৰ্দশীৰ প্ৰায় পূৰ্ণ জোনৰ সুবিমল ৰূপোৱালী পোহৰে গোটেই ঠাইখন ডুবাই লাহে লাহে আমাৰ পাছলৈ থকা নদীৰ বুকুত চাই থাকোতেই অস্ত গ'ল। ক'ব নোৱাৰাকৈ এসময়ত দীঘল ৰাতিটোও শেষ হৈ গ'ল। শেষ নহ'ল মাথোঁ আমাৰ যাত্ৰা আৰু এই ফুল-চৰাইৰে ভৰা দেশখন....। আমি খাবলৈ পাহৰিলো, শুবলৈকো পাহৰি গ'লো।

পুৱতি নিশাৰ প্ৰথম ৰ'দ চেৰেঙা গাত পৰাত হে নিজৰ দৈহিক প্ৰয়োজনবোৰৰ

Scanned with CamScanner

কথা প্ৰথমবাৰলৈ মনত পৰিল। লৰালৰিকৈ নাওখন নৈৰ পাৰলৈ চপাই নিলো। পোন্ধৰ-ষোল ঘণ্টাৰ মূৰত এই প্ৰথম আমাৰ খোৱা-বোৱা জিৰোৱাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু দেখিলো, মোৰ বাহিৰে বাকী চাৰিওৰে কি খোৱা, কি জিৰোৱা এটাৰ প্ৰতিও ক্ষুদ্ৰতমো আগ্ৰহ নাই। পাৰৰ মাটিত ভৰি দিয়েই চাৰিওটাই আনন্দ-উত্তেজনাত কিৰিলি পাৰি নিয়ৰৰে ভৰা কোমল ঘাঁহনিৰ ওপৰতে প্ৰাণভৰি বাগৰিছে- চিঞৰিছে- হাঁহিছে।

খন্তেক পাছতে ফুকনহঁত উভতি আহিল। দিহাদিহি হাতে-কামে লাগি অলপ সময়ৰ ভিতৰতে সকলো যোগাৰ শেষ কৰিলো। তাৰ পাছত গছৰ ছাঁত, ফুলৰ গুৰিত নাইবা শ্যামল ঘাঁহনিৰ বুকুত নিজৰ নিজৰ ৰুচি অনুযায়ী সকলোৱে ঘণ্টাদিয়েক শুই লৈ আবেলিলৈকে গোটেই ঠাইডোখৰতে ঘূৰি ঘূৰি কেইবা ঘণ্টাও কটাই দিলো।

ইচ্ছা হৈছিল তাতেই থাকি যাওঁ, কিন্তু ডাক্তৰ, ফুকন, কবিবৰৰ অস্থিৰতাত সেই আশা এৰিবলৈ বাধ্য হৈ আকৌ এসময়ত নাৱত বহিলোহি। সিহঁতৰ ভয়, অলপ পলম কৰিলেই জানোচা সমুখৰ সকলো সৌন্দৰ্যৰপৰাই ৱঞ্চিত হৈ যায়।

....মাথোঁ অলপ দূৰ আগবাঢ়িছো। কবিবৰে খন্তেক আগতে লিখা কবিতাটো আবৃত্তি কৰি থকাৰ মাজতে হঠাৎ উৎসাহত চিঞৰি উঠিল—

"বাহ্‌বা..সৌৱা চা, চা..... ।"

"কি?"

"শ্ৰীৰাধিকাৰ মান-ভঞ্জন!"

পাৰলৈ চকু ফুৰাই দেখো ফুলেৰে ঘেৰা ওখ ঘাঁহনি এডৰাৰ সোঁমাজতে শ্ৰীৰাধিকাৰূপিনী ধুনীয়া ম'ৰা চৰাই এজনীয়ে ঘাঁহনিত ভেম ধৰি বহি আছে আৰু শ্ৰীকৃষ্ণৰূপী ম'ৰাটোৱে চালি ধৰি তাইৰ চাৰিও দাঁতিয়ে ঘূৰি ঘূৰি নাচিছে। মাজে মাজে একোবাৰ ওচৰ চাপি গৈছে— আকৌ আঁতৰি আহিছে। শ্ৰীৰাধিকাই অভিমান কৰি যেন বাৰে বাৰে আনফালে মুখ ঘূৰাই নিছে। আমাক হয়তো হালেই দেখিছে, কিন্তু গ্ৰাহ্য কৰা নাই। ভয় খাই উৰিও যোৱা নাই।

ভালেমান সময় ৰৈ ৰৈ দুয়োকে চালো। ওপৰা-উপৰিকৈ তিনিটা কেমেৰাৰ বুকুত মান-ভঞ্জনৰ অভিনয়খন অক্ষয় কৰি তুলি লৈ আকৌ আগবাঢ়িলো। কবিবৰে হঠাৎ মাত লগালে— "মই বুজিব পৰা নাই....!"

"কি?"

"নাৰৰীয়াটোৱে কোৱা মতে আমাৰ বাটত কালিকা-লগা, গোসাঁনী থকা ঠাই

যদি সঁচাই আছে, তেন্তে সি কালি আবেলি এৰি অহা সেই ভয়লগা হাবিখনত নে মায়া কুঞ্জবনত ৰাধা-কৃষ্ণক লৈ এই সীমাহীন ফুলৰ দেশখনত....?''

উত্তৰ দিলে ডাক্তৰে— ''তাতো নাই, ইয়াতো নাই, ...আচলতে কালিকা লগা, গোসাঁনী থকা উপাখ্যানটোৱেই সম্পূৰ্ণ মিছা। বুঢ়াটোৱে যদি সঁচাই কিবা কৈ থাকে সি হৈছে 'সৌন্দৰ্য-গোসাঁনী'ৰ কথা। আমাৰ চাৰিও দাঁতিয়ে থকা এই অসীম সৌন্দৰ্যৰ মায়া মানুহে সুস্থিৰভাৱে ভোগ কৰিব নোৱাৰিব বুলিয়েই হ'বলা ইয়ালৈ আহিবলৈ ভয় কৰে— আনকো আহিবলৈ বাধা দিয়ে। এবাৰ আহিলেই জানোচা দুনাই ঘূৰি যাবলৈ ইচ্ছা নকৰে! ....এই বি, এম্! তই কি ক'ব?''

গহীন হৈ উত্তৰ দিলো, ''মোৰ ক'বলৈ একো নাই— কালিকা-ফালিকাৰ কথা মই ভবাও নাই....''

''তেন্তে ভাবিছ কি?''

''ভাবিছো, মোৰ হাতৰ বঠাপাট থুই যোৱা দিহিঙৰ পানীবোৰ এই কেইদিনতে পাহৰি পেলোৱা যিখন পৃথিৱীৰ মাজেদি বৈ গৈছে, তাত তহঁত চাৰিওৰে একো একোটা মৰমৰ ঘৰ আছে। তহঁতলৈকে অপেক্ষ কৰি তাত আছে তাতোকৈয়ো মৰমৰ আপোনজন, যিসকলৰ কাৰণে তহঁত আকৌ উভতি যাবলৈ বাধ্য, কিন্তু মই ভাবিছো মোৰতো কোনো বন্ধন নাই, ইচ্ছা কৰিলে দেখোঁ মই এই ফুলৰ দেশখনত একচ্ছত্ৰী সম্ৰাট হৈ থাকি যাবও পাৰো।''

''নিশ্চয় নোৱাৰ'' —কবিবৰে বাধা দি ক'লে— 'ইয়াত তোৰ মোৰ নিচিনাবোৰক কোনো মতেই নুশুৱায়— এই কুৰি শতিকাৰ ডেকা-গাভৰু সকলোবোৰেই ইয়াত অস্বাভাৱিক অনাৱশ্যক। ইয়াত একমাত্ৰ শুৱাব পাৰে মানুহৰ আদি পুৰুষ, গছৰ বাকলি পিন্ধা 'আদামক' মূৰৰ দীঘল চুলিৰে গোটেই দেহাটো ঢাকি লৈ ফুলৰ মাজে মাজে ঘূৰি ফুৰা 'ইভক'...''

''ঠিক কৈছ কবিবৰ'' —ফুকনে উৎসাহেৰে কৈ উঠিল— ''মোৰ মনে কৈছে, এই ঠাইখনত মানুহ নাইবা কোনোবা দেৱতা নিশ্চয় আছে, নহ'লে বিনা কাৰণত মানুহে উপভোগ নকৰিবলৈ এনে এখন মনোমোহা অপূৰ্ব ঠাইৰ সৃষ্টি কেতিয়াও হোৱা নাই। কোনোবা 'আদাম-ইভ'ক বিচাৰিলে নিশ্চয় ইয়াৰ মাজত পাম। কোনে জানে হয়তো আগলৈ এঠাইত নহয় এঠাইত, যিবোৰ ঠাই আমি এতিয়াও দেখা নাই, সেইবোৰৰ মাজতে আছে। জোৰে ডাঁৰ মাৰ ড'ক, প্ৰ'। এই ফুলৰ দেশখনৰ শেষ সীমা নোপোৱালৈকে মোৰ মনলৈ শান্তি নাহে।

''সন্দেহ হৈছে ফুকন; তই হয়তো অশান্তিৰেই উভতিব লগা হ'ব, যিহেতু ইয়াৰ সীমা শেষ হোৱাৰ আশা কোনোফালেই দেখা নাই। হাতত মুঠে দিন-দিয়েক

Scanned with CamScanner

আছে, তাৰ পাছত ইচ্ছাৰে হওক অনিচ্ছাৰে হওক উভতিব লাগিবই, মই নহ'লেও অন্ততঃ তহঁত চাৰিটা।"

চাৰিও বন্ধুৱে একেলগেই মোক বাধা দি চিঞৰি উঠিল— "উভতি নাযাওঁ আমি।"

"বেছ তেন্তে নালাগে উভতিব। তহঁত ইয়াতে থাকি যাবি। মই কিন্তু উভতিম। নহ'লে এই ঠাইখনৰ বতাহজাকৰ মাজত মানুহ বলিয়া কৰিব পৰা যি শক্তিৰ পৰিচয় পাইছো, তাক নিজৰ পিঠিত লৈ তাৰ শক্তি পৰীক্ষা কৰিবলৈ গ'লেই নিৰ্ঘাত বিপদ। গতিকে বেক টু চিভিলাইজেস্যন্।"

মোৰ কথালৈ ভ্ৰূক্ষেপ নকৰি ডাক্তৰে আগলৈ আঙুলিয়াই সুধিলে— "বাৰু সৌ পৰ্বত দুটা ইয়াৰপৰা কিমান দূৰত হ'ব? মোৰ বিশ্বাস এই ফুলনিৰ সীমা নিশ্চয় তাৰ নামনি পাইছেগৈ। ব'ল আমি তালৈকে যাম, ধৰিল, আজিৰ কাৰণে সেয়ে আমাৰ 'লিমিট'।"

মই আপত্তি কৰিছিলো, কিন্তু মোৰ চাৰিও বন্ধুৱে তাক গ্ৰাহ্য নকৰি 'লিমিট' পোৱাৰ আশা দুৰাশা জানিও নতুন উদ্যমেৰে ডাঁৰ মাৰি নাওখন কোবেৰে আগুৱাই নিলে। মুখেৰে আপত্তি কৰি দেখুৱাইছিলো যদিও আন্তৰিক উৎসাহৰ অভাৱ মোৰো নাছিল। আনন্দ মনেৰে নাওখন এবাৰ উত্তৰ পাৰৰ দাঁতিয়ে দাঁতিয়ে, আনবাৰ দক্ষিণ পাৰৰ দাঁতিয়ে দাঁতিয়ে, চলাই নি পাৰৰ কুঞ্জবনত ফুকনৰ 'আদম-ইভ'ৰ কৌতূহলেৰে ভৰা চকুযুৰিৰ দৰশন পাওঁ বুলি চাই গলো। কিন্তু চৰাই-পখিলাতকৈ ডাঙৰ এটি প্ৰাণীও চকুত নপৰিল।

সমানে নিশা দহমান বজালৈকে একেৰাহে গৈ গৈ এঠাইত ৰলোগৈ। ঠিক কৰিলো খোৱা-বোৱা কৰি ঘণ্টাদিয়েক শুই ল'ম। যোৱা নিশা নোশোৱাকৈয়ে গ'ল। একেলেথাৰিয়ে ডাঁৰ মাৰি মাৰি ফুকনহঁতৰো নিশ্চয় ভাগৰ লাগিছিল। আপত্তি নকৰিলে।

নৈৰ দাঁতিতে থকা গছ এডালত নাওখন বান্ধি আকৌ খোৱা-শোৱাৰ যোগাৰত লাগিলো।

বৈ থকা পানী ডোঙাৰ দৰেই নৈৰ পানীত ক্ষুদ্ৰতমো সোঁত নাই। তৰাৰে ভৰা ৰাতিৰ নীলা আকাশখন আৰু পূৰ্ণিমাৰ জোনবাইৰ স্পষ্ট প্ৰতিবিম্বটো তলৰ ধীৰ-শান্ত নিৰ্মল পানীৰ বুকুত পৰিষ্কাৰ দেখা গৈছে। বহুত দূৰৰ গছবোৰৰ পাত এটা বতাহত লৰিলেও দেখা পোৱা জোনাকৰ ৰূপোৱালী পোহৰে গোটেই ঠাইখন পৰিপূৰ্ণ স্নিগ্ধ কোমলতাৰে অপূৰ্ব সুন্দৰ কৰি তুলিছে। দিনৰ বেলিৰ পোহৰত

Scanned with CamScanner

এই ফুলৰ দেশখনৰ এটা সুকীয়া ৰূপ আছিল, কিন্তু এতিয়া হৈ উঠিছে এখন মায়াময় স্বপ্নপুৰী।

স্নেহময়ী জননীৰ কোমল কোলাত তৃপ্তিত, শান্তিৰ মধুৰ আবেশত সন্তানৰ চকুলৈ টোপনি নামি অহাদি বিছনাত পৰাৰ লগে লগেই মোৰ চাবিও বন্ধুৰে চকুলৈ টোপনি নামি আহিল। মোৰ চকু দুটাও মুদ খাই আহিছে কিন্তু শুবৰ মন যোৱা নাই। বিশাল প্ৰকৃতিৰ জননীৰ শান্তিময় কোলাত নিশ্চিত আৰামত ৰাতিৰ এই নিস্তব্ধ সৌন্দৰ্য প্ৰাণ ভৰি উপভোগ কৰি লৈছো।

এই সকলো স্বাভাৱিক পৰিস্থিতিৰ মাজত নাৱৰ এমূৰে জ্বলি থকা চাকিটোকে একমাত্ৰ অস্বাভাৱিক কৃত্ৰিম লাগিছে। ইচ্ছা হৈছে উঠি গৈ চাকিটো নুমাই দিওঁ। কিন্তু ভয় হৈছে উঠিবলৈ গৈ কৰা ক্ষুদ্ৰ শব্দকণেই যেন প্ৰকৃতিৰ এই শান্ত, স্তব্ধ, সৌন্দৰ্যখিনিক ম্লান কৰি পেলাব। ....পূবফালে দিনৰ সেই দূৰণিৰ পৰ্বত দুটা এতিয়াও বহুত দূৰৈত। সেইফালৰপৰা কোনোবা নেদেখা গছৰ নেদেখা চৰাইজনীৰ মিঠা গীতৰ কৰুণ সুৰটো, নেদেখা বতাহজাকত ওপঙি আহি মোৰ কাণত বাজিছে। তাকে শুনি শুনি পৰি আছো। তন্দ্ৰাৰ আবেশত চকু দুটা মুদ খাই আহিছে— অস্পষ্ট হৈ আহিছে সেই সুৰৰ ধ্বনি। আধা-শোৱা, আধা-জাগ্ৰত অচেতন মনেৰে কল্পনা কৰিছো, হয়তো চৰাইজনী দূৰলৈ উৰি গৈছে। নহয় মোৰ.....

ক'ব নোৱাৰো কেতিয়া মোৰ টোপনি আহিল। কিমান পৰ শুইছিলো তাকো ক'ব নোৱাৰো। বোধকৰো তেতিয়া মাজৰাতি। হঠাৎ আমাৰ মাজৰে কোনোবা এটা ভয়ংকৰ চিঞৰত ধৰ্মৰ্ কৰি বিছনাত উঠি বহিলো। ভালেমান সময়লৈ ক'ব নোৱাৰিলো হঠাৎ কি হ'ল? চাবলৈ চেষ্টা কৰি দেখো ওচৰৰ, দূৰৰ, দূৰত্বখিনিৰ ব্যৱধান আন্ধাৰৰ মাজত একাকাৰ হৈ গৈছে। চাৰিওফালে আন্ধাৰ। মনত আছে মোৰ টোপনি অহাৰ আগমুহূৰ্ততো দেখিছিলো আকাশখনত অসংখ্য তৰা; তাৰ মাজত পূৰ্ণিমাৰ পূৰ্ণচন্দ্ৰ, কিন্তু ক'তো তাৰ লেশমাত্ৰ চিনচাব নাই। আন্ধাৰ— ঘোপমৰা আন্ধাৰ। কোনোবাই যেন হঠাতে ডাঠ ক'লা কাপোৰ এখনেৰেহে আমাক ঢাকি ধৰিলেহি।

মোৰ লগে লগে সকলোবোৰেই শোৱাৰপৰা উঠি বহিছিলো। বিকৃত মাতেৰে প্ৰথমে ডাক্তৰেই প্ৰশ্ন কৰিলে— "কোনে? কোনে চিঞৰিছিলে....?"

ঢলা বিছনাখনৰ এমূৰে মই শুইছিলো। মোৰ ওচৰত প্ৰফেছাৰ। অনুভৱ কৰিলো সি কঁপিছে দাঁতে দাঁতে ঠক্ ঠক্ শব্দ হৈছে। চকু দুটা বৰ বৰকৈ মেলি আন্ধাৰৰ মাজেদি সি চাইছে নাৱৰ যিটো মূৰত চাকিটো জ্বলি আছিল সেইফালে। কঁপি কঁপি অস্ফুট মাতেৰে সি সুধিলে— "তহঁতে দেখিছিলি....?"

Scanned with CamScanner

"কি?"

"চাকিটো নুমাই দিয়া!"

"চাকিটো নুমাই দিয়া? কোনে নুমালে? কাক নুমুৱা দেখিছিলি তই?" ব্যগ্র হৈ আমি আটাইকেইটাই একেলগে প্রশ্ন কৰাত সি ক'লে— "কোনে ক'ব নোৱাৰো, মই মাত্র হাতখন হে দেখিছিলো।"

"হাতখন? কাৰ হাত?"

চাৰিওফালে কাৰোবাক দেখাৰ আশাত প্ৰ'ই ঘূৰি ঘূৰি চাই, কৈ গ'ল— "অলপ আগতে মোৰ গাৰ কম্বলখন পৰি যোৱাত জাৰ লাগি টোপনি ভাগি গৈছিল, তাক তুলি লবলৈ যাওঁতে হঠাৎ চকুত পৰিল, জ্বলি থকা চাকিটোৰ ওচৰত কিবা এটা লৰিছে। ভালকৈ চাই দেখো, কাৰোবাৰ কোনোবা ছোৱালীৰ এখন হাত— সেন্দূৰ বোলোৱা গাখীৰৰ দৰেই শুভ্ৰ নিপোটল ধুনীয়া হাতখনত আগৰদিনীয়া গাম-খাৰু, বাখৰ খটোৱা এপাট সোণৰ বালা চাকিৰ পোহৰত চিক্‌মিক্ কৰিছে। দীঘল দীঘল কোমল আঙুলিকেইটাৰ এটাত হীৰাৰ এটা আঙঠি। নিমজ সুন্দৰ সুন্দৰ নখৰ আগবোৰত তেজৰ দৰেই ৰঙা জেতুকাৰ ৰাঙলী বোল...."

প্ৰ' বৈ পৰাত আৰু বেছি ব্যস্ত হৈ সুধিলো— "আৰু কি দেখিছিলি?"

"একো নেদেখিলো। হাতখন দেখি ইমান ভোল গৈছিলো যে আন কোনোফালে চোৱাৰ আগতে— এবাৰ মুখলৈ চোৱাৰ কথা ভবাৰ আগতেই তাই খন্তেকতে চাকিটো নুমাই দিলে। চাৰিওদিশ আন্ধাৰ হৈ গ'ল, মই নেদেখিলো ছোৱালীজনী কোনফালে গ'ল। তথাপি ধাৰণা হ'ল তাই যেন আমাৰ ওচৰলৈ আহি এবাৰ এবাৰ আটাইৰে মুখলৈ চাই পাছত মোৰ গাত লাহেকৈ এটা ঠেলা মাৰি সৰুকৈ, সুন্দৰ কৰি যেন হাঁহি উঠিল, পাছ মুহূৰ্তত।"

প্ৰফেছাৰৰ কথা শেষ হোৱাৰ আগতেই সকলো শব্দ তল পেলাই দূৰত বজ্ৰ-গম্ভীৰ গৰ্জন এটা হ'ল। লগে লগে চাৰিওদিন বিয়পাই গোটেই বিশ্বব্ৰহ্মাণ্ডত কঁপনি তুলি গুৰু-গম্ভীৰ শব্দেৰে ৰুদ্ৰ মূৰ্তিৰ মহাদানৱ এটাই আমাক খেদি অহা যেন অনুমান হ'ল। বজ্ৰাহত হোৱাৰ দৰেই আমি ইটোৱে সিটোৰ মুখলৈ চালো। পাহৰি গলো ছোৱালীজনীৰ কথা।

মূৰৰ ওপৰেদি বৈ যোৱা চেঁচা বতাহজাকে বুকুৰ হাড়লৈকে কঁপাই তুলিলে। প্ৰথমবাৰলৈ দেখিলো পশ্চিমফালে আকাশৰ ইমূৰৰপৰা সিমূৰলৈকে জ্বলি উঠা বিজুলী ৰেখাৰ পোহৰত নদীৰ পানীত পৰ্বত সমান ঢৌ উঠিছে। বতাহ বৰষুণৰ মাজত পাৰৰ গছ-গছনি সকলো একাকাৰ হৈ ধ্বংসত পৰিণত হৈ গৈছে।

অন্তৰাত্মা শুকাই গ'ল। বুজিলো সেয়া ধুমুহা আৰু সি যে ক্ৰমাৎ আমাৰ

Scanned with CamScanner

ফালেই আগুৱাই আহিছে তাকো জানিবলৈ বেছি সময় নেলাগিল। নাওখনে নাচিছে। ওচৰৰ পানীবোৰত খলকনি উঠিছে। আচম্বিতে কোনোকালে নেদেখা এই অস্বাভাৱিক ধুমুহাৰ আগত পৰি গৈ বুদ্ধি, বিবেচনা শক্তি সকলো হেৰুৱাই যেয়ে যেনেকৈ আছিলো তেনে অৱস্থাতেই স্তব্ধ হৈ বহি ৰ'লো। ক'ব পৰা নাই কিহে আমাক মূক, বধিৰ, অকৰ্মণ্য, পাষাণ মূৰ্তিত পৰিণত কৰি পেলালে। ...গাম-খাৰু পিন্ধা, জেতুকা বোলোৱা হাতখনৰ ঘটনাই নে শান্তিৰ সুকোমল টোপনিৰ কোলাৰপৰা হঠাৎ প্ৰাণান্তক দুৰ্যোগত সম্পূৰ্ণ অসহায়ভাৱে নিক্ষিপ্ত হোৱাৰ নিষ্ঠুৰতাৰ কাৰণে ক'ব নোৱাৰো। দিক্-দিগন্ত ব্যাপী মতলীয়া পচোৱা ধুমুহাৰ উন্মাদ প্ৰলয়ংকৰী দানৱটোৱে বিকট গৰ্জন কৰি তীব্ৰ বেগেৰে ওচৰ চাপি আহিছে। বুজিছো আৰু নিস্তাৰ নাই। দয়া নকৰে; মায়া নকৰে সি— অলপ পাছতে আমাক হয়তো চূৰ্ণ-বিচূৰ্ণ কৰি দিব।

চিৰপুৰণি চিনাকি পৃথিৱীখনৰ, এই কেইদিনতে অচিনাকি হৈ পৰা মানুহবোৰৰ কাষৰপৰা শ শ মাইল আঁতৰত, এই জনপ্ৰাণীহীন প্ৰান্তৰত, সম্পূৰ্ণ নিৰাশ্ৰয়, নিঃসহায় অৱস্থাত যে আমাৰকেইটাৰ মৰণ লিখা আছিল তাক জনা নাছিলো- কল্পনাও কৰা নাছিলো- এতিয়াও ভবা নাই, আৰু ভবা নাই, বাচিবৰ কাৰণে এবাৰ শেষ চেষ্টা কৰি চোৱাৰ কথা। সকলো এৰি ভাবিছো মাথোঁ পানী- এগিলাচ খোৱা পানীৰ কথা, অন্তত এঢোক খোৱা পানীৰ কথা। ডিঙিটো শুকাই কাঠ হৈ গৈছে। নীৰস জোতাৰ 'ছলৰ' দৰেই জিভাখন, তালুখন, ওঁঠ দুটা শুকান। কণ্ঠ-নলীত শক্তি নাই। কবিবৰৰ মূৰৰ শিতানত থকা পানীৰ 'ফ্লাস্ক'টো খোলা। গাৰ অংগ-প্ৰত্যংগত শক্তি নাই, দেহাত শক্তি নাই, বিছনাৰে সৈতে সিপাই যোৱা দেহাটোৰ শিপাকেইডাল উভালি নিজেই তাক চপাই আনো।

ক'ব নোৱাৰো কিমান সময় গ'ল। এটা যুগ নে মাত্ৰ কেইটামান মুহূৰ্ত। খন্তেকতে চোক থকা প্ৰথম সেমেকা কোবাল বতাহজাকে নাৱত খুন্দা মাৰিলেহি। উৰুৱাই নিলে গোটাদিয়েক আমাৰেই ব্যৱহাৰ কৰা বস্তু। তাৰ বিনিময়ত বন্ধ হৈ যোৱা তেজৰ চলাচলৰ গতিটো দেহালৈ আকৌ ঘূৰি আহিল।

একে জাঁপেই উঠি আন্ধাৰতে খেপিয়াই খেপিয়াই ফ্লাস্কটো তুলি ঢক্-ঢক্কৈ গোটেই ফ্লাস্কৰ পানী গিলিয়েই উঠি আহিব খুজিছিলো; কিন্তু দ্বিতীয়জাক বতাহৰ খুন্দাত বিছনাৰ ওপৰেদি তিনি পাক খাই সিদাঁতিয়ে পৰিলোগৈ। তাৰ পাছত ইজাকৰ পাছত সিজাক কৰি তৃতীয়জাক আহিল, চতুৰ্থজাক আহিল আৰু প্ৰতিবাৰেই এটা দুটাকৈ উৰুৱাই নিলে নাৱৰ বুকুত থকা আমাৰ প্ৰয়োজনীয় সম্পদবোৰ। পঞ্চম জাকৰ লগত আহিল উদং পিঠিত বেতৰ কোবৰ তীব্ৰতা

Scanned with CamScanner

লৈ বৰষুণ আৰু তাৰ লগে লগেই আৰম্ভ হ'ল অবৰ্ণনীয় মহাপ্ৰলয়ৰ হিংস্ৰ তাণ্ডৱ লীলা।

ঘোপ মৰা আন্ধাৰত প্ৰাণান্তকাৰী ধুমুহাৰ এই ভয়ংকৰ ৰাতিটোৰ ওচৰত জীৱন-সোঁৱৰণীত উজ্জ্বল হৈ থকা প্ৰতিটো ঘটনাই তুচ্ছ, ম্লান হৈ গ'ল। মনৰ মাজৰপৰা সম্পূৰ্ণ নিশ্চিহ্ন হৈ গ'ল হাঁহি, আনন্দ, সুখ-দুখেৰে ভৰা সকলো পুৰণি মধুৰ স্মৃতি। প্ৰলয়ৰ ভয়াবহ নিষ্ঠুৰতা উপলব্ধি কৰা শক্তিকণো বেছি পৰলৈ নাথাকিল। অন্তৰ বিবেক বুদ্ধিশূন্য পুতলাৰ দৰেই আমাৰ দেহকেইটাও প্ৰকৃতিদেৱীৰ খেলনাত পৰিণত হৈ গ'ল।

চৌদিশ জুৰি বতাহ, বৰষুণ পানীত কেৱল গৰ্জন, তীব্ৰ হুংকাৰ। যুদ্ধক্ষেত্ৰত শাৰী শাৰী পদাতিক সৈন্যৰ দৰেই বিৰাট বিৰাট পানীৰ ঢৌ আহি মুহূৰ্তে মুহূৰ্তে আঘাত কৰিছেহি আমাক— আমাৰ নাওখনক। উতলা একেৰাহী পানীত বটলৰ কাগটোৰ দৰেই নাওখন ধৰ্‌ফৰ্ কৰি উফৰি ফুৰিছে। কিন্তু তাকো শেষলৈ আৰু নোৱাৰিলে। আমাৰ সকলো চেষ্টা ব্যৰ্থ কৰি এবাৰ হঠাৎ গছৰ লগত বান্ধি থোৱা ৰছীডাল ছিগি গ'ল। ঢৌৱে একে চোঁচাই নাৱেৰে সৈতে আমাক পানীৰ মাজলৈ উটাই নিলে, ইমানপৰ পাৰৰ কাষত থাকিব পৰাত আশা আছিল হয়তো কেনেবাকৈ ৰক্ষা পৰিবও পাৰো, কিন্তু এইবাৰ....?

আমাৰ অৱস্থা তপত কেৰাহীৰপৰা জ্বলা জুইত পৰাৰ দৰেই হ'ল। ...বিজুলী বেগেৰে কিছুদূৰ উটি আহি খুন্দা মাৰিলো আন এটা প্ৰকাণ্ড ঢৌত- ভাঙি চূৰমাৰ হৈ গ'ল। ঢৌৰ পানীবোৰ নে নাওখন ভালেমান সময়লৈকে ক'ব নোৱাৰিলো। নাওখন আধা পানীৰে ভৰি উঠিছে। তাত ওপঙি উঠিছে আমাৰ জোতা, কাপোৰ, টিফিন কেৰিয়াৰৰ বাটিবোৰকে আদি কৰি নাৱত থকা ভালেমান বস্তু। চাৰিও ফালৰ বতাহ-বৰষুণ ঘূৰপাক খাই আহি আমাৰ জুৰুলি-জুপুৰি দেহাকেইটাক চাৰিওফালৰপৰাই আঘাতৰ পাছত আঘাত কৰিছে। ঢৌৰ খুন্দাত তিনি-টেলেঙনি খাই আধা ডুবা নাওখন এবাৰ কোবেৰে আগলৈ গৈছে, এবাৰ পাছলৈ, সোঁৱে-বাঁৱে কেউপিনে ছিটিকি ফুৰিছে। মহা সমুদ্ৰত ক্ষুদ্ৰ তৃণৰ দৰেই আমাক ক'লৈ উটাই নিছে ক'ব নোৱাৰো! বতাহ-বৰষুণৰ উগ্ৰতা ক্ৰমাৎ বাঢ়ি গৈছে। এবাৰ উৰুৱাই নিলে আমাৰ শেষ আশ্ৰয় নাৱৰ ওপৰৰ ছৈখন। আন্ধাৰত নেদেখিলো বিছনা, গাৰু, কাপোৰ-কানি লগত কিমান গ'ল। এহাত দূৰত কি হৈছে দেখা নাই। টেটুফালি চিএৱৰিও ইটোৰ কথা সিটোৰ কাণলৈ যোৱা নাই। পানীত ডুবা চিকা পোৱালিৰ দৰেই মৰণৰ প্ৰতীক্ষা কৰিছো- আৰু হয়তো বেছি পৰ নাই। তথাপি প্ৰাণপণ শক্তিৰে চেষ্টা কৰিছো নাওখন বচাবলৈ। ডাক্তৰ আৰু ফুকনে নাৱৰ গড়বোৰত বতাহে

উৰাই নিয়ে বুলি এহাতেৰে সাৰটি ধৰি আন হাতেৰে পানী সিঁচিছে। কিন্তু প্ৰতি বাটি পানী কমোৱাৰ লগে লগেই দুগুণ বৰষুণ, ঢৌৰ পানীয়ে নাওখন ক্ৰমাৎ ভৰাই আনিছে। কবিবৰৰ সহায়ত মই তাৰ হাতৰ টৰ্চৰ ক্ষীণ পোহৰত নাৱৰ গুৰিত পৰি চেষ্টা কৰিছো ডাঙৰ ঢৌবোৰৰ খুন্দাৰপৰা নাওখন বচাবলৈ। কিন্তু সকলো পণ্ডশ্ৰম- মতলীয়া প্ৰলয়ৰ ধ্বংসকাৰী অসীম শক্তিৰ বিৰুদ্ধে যুঁজ কৰিব খুজিছো, নিশকতীয়া চাৰিযোৰ ঠেৰেঙা লাগি আধামৰা হোৱা হাতৰ ক্ষুদ্ৰ শক্তিৰে। অথচ ভাবি আচৰিত লাগিছে এতিয়ালৈকে আমি অজ্ঞান হৈ যোৱা নাই কিয়? নাওখনেই বা কিয় ভাগি চূৰমাৰ হৈ যোৱা নাই?

নিৰাশাৰ মাজত আশাৰ ক্ষীণ পোহৰ ক'তো দেখা নাই। তথাপি প্ৰতিটো মুহূৰ্ত ঘণ্টাৰ পাছত ঘণ্টা ধৰি অমানুষিক পৰিশ্ৰম কৰিছো বাচিবলৈ। অদ্ভুত মানুহৰ জীৱনলৈ মোহ! নিজৰ প্ৰাণটোক, দেহটোক যে এনেকৈ ভালপাওঁ তাক আগতে জনা নাছিলো। কিন্তু ভাল পোৱাৰ সাধ্য কি আজি জীৱনটোক ৰক্ষা কৰিব পাৰে? প্ৰাণৰ আশা কৰা নাই- কৰাটো মূঢ়তা? কিন্তু বাৰেবাৰে মনত পৰিছে মাত্ৰ কেইঘণ্টামান আগতে দেখা সেই ৰূপোৱালী জোনাকেৰে ভৰা অপূৰ্বসুন্দৰ স্বপ্নপুৰীখনৰ কথা- নদীৰ শান্ত, নিৰ্মল পানীৰ কথা। কোনে বাৰু ভাবিছিল তাৰ সুন্দৰ শান্তিময় দৈনন্দিন 'ৰুটিন'ত এনে এটা ভয়াবহ দুৰ্যোগভৰা নিশাৰ কথা লিখি থোৱা আছিল?

মনত পৰিছে তিনি দিন আগতে এৰি অহা নাৱৰীয়াটোৰ কথা। সি আমাক আহিবলৈ বাধা দিছিল, কৈছিল কালিকা-লগা ঠাই, গোসাঁনী আছে। তেন্তে এই মহাপ্ৰলয় কি সেই মহাকালীৰ নিৰ্দেশমতেই হৈছে? গাম-খাৰু পিন্ধা, জেতুকা বোলোৱা ধুনীয়া হাতখনৰ আবিৰ্ভাৱ এই মৰণ-যজ্ঞত নৰবলিৰে কি পূৰ্বাভাস?

বতাহ-বৰষুণৰ নিষ্ঠুৰ আঘাতত শৰীৰটো অৱশ হৈ উঠিছে। শাৰীৰিক কষ্ট অনুভৱ কৰিব পৰা সীমাও পাৰ হৈ যোৱাত ভাবিছো মৰণ নাহে কিয়? আহক, সি ইয়াতকৈ বেছি কষ্টকৰ কেতিয়াও নহয়। মৰণৰ ভয় পাহৰি পেলাইছো, তাৰ কাৰণে প্ৰতি মুহূৰ্ত নিজক প্ৰস্তুত কৰি নিৰ্ভীক বীৰৰ দৰেই দেৱীক খাটিছো— "হে দেৱী! হে গোসাঁনী! তুমি যেয়ে নোহোৱা লাগিলে সোনকালে আমাক পাৰ কৰি নিয়া। ক্ষুদ্ৰ পাঁচোটা মানুহৰ তুচ্ছ পাঁচোটা জীৱন লবলৈ এই বিৰাট মহাপ্ৰলয়ৰ আয়োজনৰ একো প্ৰয়োজন নাছিল।

অসময়ৰ অস্বাভাৱিক উন্মাদ ধুমুহাৰ মাজত মোৰ দৰেই সমুখত মৃত্যু অৱশ্যম্ভাৱী জানিও জীৱনৰ মায়া নেৰি তাক বচাবলৈ যত্ন কৰা ব্যৰ্থ প্ৰয়াসৰ মাজত কবিবৰেও মোৰ দৰেই ভাবিছে। তাৰ মুখৰ বিকৃত মাত কাণত পৰিছেহি—

Scanned with CamScanner

"কালী গোসাঁনীক ইমান দিন ভয় লগা ক'লা মূৰ্তিৰ দৰেই কল্পনা কৰিছিলো। ভাবিছিলো, বিশ্বাসো আছিল। কিন্তু সেন্দূৰ বোলোৱা গাখীৰৰ দৰেই শুভ্ৰ গাম-খাৰু পিন্ধা, জেতুকা বোলোৱা ধুনীয়া হাতখন তেন্তে মহাকালীৰে? নে আন কোনোবা মায়াবিনীৰ? নে আমাৰ জীৱন লৈ হেঁতালি খেলা কোনোবা ক্ৰুদ্ধা দেৱী গোসাঁনীৰ?

হঠাৎ কবিবৰৰ মুখৰ মাত বন্ধ কৰি, উন্মত্ত ধুমুহাৰ গৰ্জন ভেদ কৰি নাৱৰ মাজৰপৰা প্ৰ'ৰ আৰ্তনাদ আহিল— "নহয় নহয়, দেৱী নহয়, গোসাঁনী নহয়। সেয়া....উস্.....।"

ক'ব নোৱাৰো কিয় গোটেই গাটো এবাৰ কঁপি উঠিল। তৎক্ষণাৎ ঘূৰি চাই টৰ্চৰ অস্পষ্ট পোহৰত দেখো— নাৱৰ মাজত আধা ডুবি থকা বিশৃংখল বিছনাত লুতুৰি-পুতৰি হৈ অজ্ঞান অৱস্থাত প্ৰ' পৰি আছে। মুখৰপৰা ওলাই অহা ফেনবোৰ বৰষুণে বাৰে বাৰে ধুই নিছে।

"প্ৰ'! প্ৰ'! ক'ব পৰা নাছিলো ইমানপৰ সি ক'ত আছিল। কি কৰিছিল। ধুমুহা আৰম্ভ হোৱাৰপৰা ঘণ্টাৰ পাছত ঘণ্টা ধৰি নাওখন বচোৱাত মত্ত হৈ আছিলো। কবিবৰ মোৰ ওচৰত, ডাক্তৰ আৰু ফুকনক দেখিছিলো পানী সিঁচা, কিন্তু প্ৰ'?

"প্ৰ'! প্ৰ'....।" তাৰ ওচৰলৈ যাবলৈ কবিবৰে হঠাৎ থিয় দি উঠিছিল, কিন্তু পাছমুহূৰ্তত বতাহৰ খুন্দা খাই ছিটিকি পৰিলগৈ পানীত। আৰ্তনাদ কৰি নিজেও প্ৰায় পৰি যোৱা অৱস্থাতে তাৰ চোলাটোত খামুচি ধৰিলো। প্ৰাণপণ শক্তিৰে বহু সময় যুঁজি যুঁজি আকৌ তাক নাৱৰ ওপৰলৈ তুলি আনিলো। কিন্তু আমাৰ দুৰ্ভাগ্য, এই ঘোপমৰা আন্ধাৰৰ মাজত অলপ পোহৰ পোৱা শেষ সম্বল টৰ্চটো, তাৰ হাতৰপৰা প্ৰথমেই ছিটিকি গৈ ঢৌৰ বুকুত কোনফালে কেনি উটি গ'ল নেদেখিলো। ড'ক আৰু ফুকনে আমাক চিঞৰিছে। নাও বচোৱাৰ আশা এইবাৰ সম্পূৰ্ণ এৰি দি, খেপিয়াই খেপিয়াই চুচৰি-বাগৰি, খুন্দা-খুন্দলি খাই প্ৰ'ৰ ওচৰ পালোহি। ডাক্তৰে প্ৰ'ৰ গাত ধৰি জোকাৰিছে, চিঞৰিছে। প্ৰ'ৰ কিন্তু মুখত মাত

Scanned with CamScanner

পোট্ খাই লাগি থকাত হয়তো বিছনাৰে সৈতে বতাহে তাক উৰুৱাই নিব পৰা নাই। আমাৰ বিছনাবোৰৰ চিন-চাব নেদেখি বুজিছো, প্ৰ' সেই সাৰ পাই উঠি বহাৰেপৰা বিছনা এৰা নাই। বোধকৰো তেতিয়াৰেপৰাই সি অজ্ঞান।

"ড'ক! ড'ক! কিবা এটা নকৰ কেলৈ....? কবিবৰে ভঙা ভঙা মাতেৰে আকুল হৈ চিঞৰিলে— "তই ডাক্তৰ, প্ৰ'ৰ কি হৈছে নাচাৱ কিয়....?"

"Shut up! মই কি কৰিব পাৰো? মনত নাই সেই হাতখন? প্ৰ'ৰ গাত ঠেলা দি হাঁহি উঠিছিল? কাৰ বুলি ভাবিছ সেই হাত? গোসাঁনীৰ-"

"গোসাঁনীৰ idiot.."

"গোসাঁনীৰ..." এইবাৰ যিটো ভয় খালো তাৰ ওচৰত ধুমুহাও তুচ্ছ হৈ গ'ল। আটাইকেইটা ভয়ত ঠক্ঠক্কৈ কঁপিছো। কাৰো মুখত শব্দ নাই। কিন্তু আমাক দুগুণ ভয় খুৱাই প্ৰ'ই অজ্ঞান অৱস্থাত চিঞৰিলে— "নহয়! নহয়!" ঠিক্ আগৰ বাৰৰ দৰেই এইবাৰো যেন ডাক্তৰৰ কথাৰ প্ৰতিবাদ হে কৰিলে।

"প্ৰ'! প্ৰ'!.." আমাৰ টেঁটুফলা চিঞৰো প্ৰ'ৰ কাণলৈ নগ'ল। সি এতিয়া মাজে মাজে কেঁকাইছে, প্ৰলাপ বকিছে, ছট্ফট্ কৰি আকৌ কিছু সময়লৈ শান্ত হৈ পৰি আছে।

নিৰ্বাক শিলৰ মূৰ্তিৰ দৰেই আমিকেইটা তাৰ চাৰিও দাঁতিয়ে স্তব্ধ হৈ বহি আছো।

ক্ৰুদ্ধা গোসাঁনীৰ হয়তো আমাৰ দেহাকেইটা বতাহ বৰষুণেৰে খুন্দিয়াই, কোবাই আধামৰা কৰি হেঁপাহ পলাইছে; কাৰণ লাহে লাহে বৰষুণৰ তীব্ৰতা কমি আহিছে। তথাপি বতাহ আৰু অপাৰ সমুদ্ৰত পৰিণত হোৱা দিনৰ শান্ত নদীখনৰ ঢৌৱে; ঘূৰপাক খুৱাই আছাৰি আছাৰি নাওখনেৰে সৈতে আমাক যে ক'লৈ উটুৱাই নিছে নাজানো। মহাপ্ৰলয়ৰ আগতে পৰি হেৰাই যোৱা দিহিঙৰ চিৰকলীয়া পুৰণা সোঁতটোত টাকুৰি ঘূৰাদি ঘূৰি ঘূৰি দিকশূন্য আন্ধাৰৰ মাজত আমাৰ এই মৰণ-যাত্ৰা যে ক'ত শেষ হ'ব তাৰ কথা ভবা নাই— ভাবিছো প্ৰ'ক লৈ এতিয়া কি কৰিম? সি অবিশ্ৰান্তভাৱে বিৰ্বিৰ্ কৰি প্ৰলাপ বকিছে, মাজে মাজে কাৰোবাক নাম ধৰি মাতিছে, মাজে মাজে হাঁহিছে, মাজে মাজে কান্দিছে, চিঞৰি উঠিছে। ...একো উপায় দেখা নাই, কি কৰিম? কি কৰিব পাৰো আমি। নিৰুপায় হৈ মাথোঁ একেথৰে চাই আছো তাৰ আধা জাপ খাই থকা চকু দুটা, কঁপি থকা ওঁঠ দুটা আৰু আন্ধাৰৰ মাজত দেখা পোৱা তাৰ হাতৰ সৰু হাতঘড়ীটো। কেৱল তাৰ হাতৰ ঘড়ীটোৱেই যি চলি আছে। তাৰ কাঁটা দুডাল লাহে লাহে পুৱাৰ

Scanned with CamScanner

ফালে আগবাঢ়ি গৈছে যদিও দেখি ধাৰণা হৈছে যেন এই দুৰ্যোগেৰে ভৰা ভয়াবহ অনন্ত ৰাতিটো আৰু কেতিয়াও শেষ নহ'ব।

দেৱীৰ অশেষ দয়া! ৰাতিটো যিমানেই হওক, নিষ্ঠুৰ হওক, তাক অনন্ত কৰি নাৰাখি এসময়ত শেষ কৰি দিলে। বতাহ-বৰষুণ বন্ধ হৈ গ'ল। পানীৰ ঢৌৰ খলকনিৰ শব্দ লাহে লাহে দূৰলৈ আঁতৰি গ'ল।

অজ্ঞান প্ৰ'ৰ অদ্ভুত প্ৰলাপ একেৰাহে গোটেই নিশাটো অবিশ্ৰান্তভাৱে চলি থাকি যেতিয়া অলপ অলপকৈ কমি আহিছে, তেতিয়া পূব আকাশত আন্ধাৰৰ মাজেদি প্ৰথম পুৱাৰ অস্পষ্ট পোহৰ দেখা দিছে। সেই পোহৰত মৰা মানুহৰ মুখৰ দৰেই শেঁতা পৰি থকা প্ৰ'ৰ মুখলৈ চালো। তাৰ দুয়ো চকুৰেদি পানী বৈ আহিছে। সি কান্দিছে, বিৰ্‌বিৰ্‌কৈ কি কৈছে ধৰিব পৰা নাই, তথাপি মাজে মাজে কাণত পৰিছে অসংলগ্ন শব্দবোৰ— "গৌৰী! গৌৰী! ভুল...এয়ে শেষ...এয়ে আমাৰ শেষ..."

আমি তাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰা নাই। গোটেই নিশা আন্ধাৰত এনে ধৰণৰ প্ৰলাপেই শুনি আহিছো। তাক জগাই তুলিবলৈ চেষ্টা কৰি ভাগৰি এৰি দিছিলো; এতিয়া আকৌ এবাৰ শেষ চেষ্টা কৰিলো। তাৰ গাত ধৰি জোকাৰি কাণৰ ওচৰলৈ মুখ নি টেটুফালি চিঞৰিলো— 'প্ৰ'! প্ৰ'..." প্ৰ'ৰ প্ৰলাপ এইবাৰ কিন্তু সম্পূৰ্ণ বন্ধ হৈ গ'ল। বোধকৰো মোৰ চিঞৰ তাৰ কাণলৈ গৈছে। বৰ আশা হ'ল, আমিকেইটাই তাক বেঢ়ি ধৰি উদগ্ৰীব হৈ তাৰ মুখলৈ চালো।

অলপ পাছতে চকুলোৰে ভৰা চকু দুটা প্ৰ'ই প্ৰথমবাৰলৈ মেলিলে। কিছু সময় একেৰাহে আমাৰ ফালে চাই হঠাৎ আৰ্তনাদ কৰি উঠি বহিল— "কোন? কোন তহঁত..?" কেতিয়াও নেদেখা অচিনাকি মানুহৰ দৰেই প্ৰ'ই আমাৰ প্ৰতিটোৰ মুখলৈ বৰ-বৰকৈ চকু দুটা মেলি চাই আকৌ চিঞৰিলে- "কোন! কোন তহঁত?"

খন্তেকলৈ স্বৰগপৰা মানুহৰ দৰেই তাৰ মুখলৈ চাই শেষত কলো— "প্ৰ' আমি, মই বি-এম, এয়া ড'ক, ফুকন...."

দি নিজে বহুত সময় ধৰি একান্তভাৱে প্ৰ’ক পৰীক্ষা কৰি পাছত মোৰ মুখলৈ চাই ক’লে— “এইবাৰ বোধকৰো শান্ত হৈ শুব....।”

লাহে লাহে উজ্জ্বল হৈ অহা পোহৰত চাৰিওফালে এবাৰ চাই পঠিয়ালো। প্ৰথমেই চকুত পৰিল সৰু বালি-চাপৰি এটাত নাওখন লাগি আছে। আগদিনাৰ ফুলৰ দেশখনৰ চিন-চাব ক’তো নাই। দুয়োপাৰে হাবি। সেই পৰ্বত দুটা মনত পৰে আমাৰ পূবলৈ বহুত দূৰৈত আছিল; কিন্তু এতিয়া দেখিছো সি আমাৰপৰা ভালেমান দূৰত পশ্চিমলৈ হে আছে। পৰ্বত দুটা দেখি বুজিলো ধুমুহাই আমাক বহু যোজন বাট উটুৱাই আনিছে। কিন্তু ভাবি নাপালো কেনেকৈ আমি তেনে এটা ভয়ংকৰ ধুমুহাৰ মাজত পৰিও ডুবি নমৰি এতিয়াও জীয়াই আছো। নাওখনত আধা নাও পানী। তাত ওপঙি থকা, ডুবি থকা কাপোৰ, গাৰু, জোতা, কেমেৰা আদি কিনো নাই? মানুহকেইটাৰ মুখলৈ চাই দেখো, ড’কৰ বাওঁফালৰ চকুটো ঢাক খাই গৈছে। ফুকনৰ নাকত তেজৰ চেকা, কবিবৰৰ কপাল ফাটি এতিয়াও তেজ বিৰিঙিছে। মোৰ কামিজৰ হাত এখন নাই, কিলাকুটিৰ ওপৰত বৰ এডোখৰ কটা ঘা। পোছাকৰ কথা নকলোঁৱেই যেনিবা— ক্ষত বিক্ষত প্ৰলয় বিজয়ী সৈনিককেইজনৰ ভিতৰত একমাত্ৰ শাৰীৰিক অক্ষত অৱস্থাত প্ৰ’ই আছে। কিন্তু কি হ’ব! ভিতৰি ভিতৰি তাৰ যে কি হৈছে তাক একমাত্ৰ গোসাঁনীয়েহে জানে।

লাহে লাহে বেলি ওলাল। চাৰিওফালৰ ঠাইখন এতিয়া স্পষ্ট দেখা পাইছো। কিন্তু অদ্ভুত যেন লাগিছে। ....পোটোকা পৰা বহল এখন কাঁহীৰ দৰেই দুই চাৰিটা সৰু সৰু টিলাৰে সৈতে গোটেই উপত্যকাখনেই ওখ ওখ পৰ্বতেৰে চাৰিওফালে ঘেৰি ৰাখিছে। তাক সমানে দুভাগ কৰি পূবৰপৰা পশ্চিমলৈ এডাল সৰল ৰেখাৰ দৰেই নৈখন বৈ গৈছে। বেছি আচৰিত হৈছো নৈখনৰ এঠাইত কঁকালৰ দৰে ভাঁজ লোৱা দুয়োপাৰৰ গৰা দুটা দেখি। কোনোবাই যেন চেপা মাৰিহে সেইডোখৰত নৈখন ঠেক্ কৰি পেলালে। গৰা দুটা বহলে ত্ৰিছ হাতকৈয়ো কম হ’ব, আৰু অদ্ভুতভাৱেই দক্ষিণপাৰৰ পোনে পোনে উত্তৰপাৰৰ গাটো দেখি এনে ধাৰণা হ’ল, যেন ই স্বভাৱ-স্পষ্ট নহয়- কৃত্ৰিম! অকল নৈৰ গৰা দুটাই নহয়, পাৰৰ হাবিখনো যেন কোনোবাই ইচ্ছামতে নানান আকৃতিৰে এডৰা এডৰাকৈ ভাগ কৰি ৰাখিছে।

কিন্তু বেছিপৰ সেইফালে চাবৰ মন নগ’ল। এতিয়া আৰু সেইবোৰ চোৱাত আগ্ৰহ নাই। Excursion- ৰ আনন্দ, উৎসাহ, হেঁপাহ সকলো শেষ হৈ গৈছে। মৰণৰ লগত যুঁজ কৰি কৰি নিশাটো গ’ল, এইবাৰ হয়তো ভোকত মৰিব লাগিব, কাৰণ নাৱত যে খাব পৰা অৱস্থাত কিবা আছে তাৰ আশা দেখা নাই। সেইবোৰ এৰিও প্ৰ’ৰ চিন্তাই সকলোকে আটাইতকৈ বেছি অধীৰ কৰি তুলিছে। ক’ব পৰা

Scanned with CamScanner

নাই আকৌ সি ভাল হৈ উঠিব নে নুঠে। তেও এইবাৰ শান্ত হৈ শোৱা দেখি আশা হৈছে সি ভাল হ'ব।

ৰ'দ উঠাৰ লগে লগেই নাও এৰি সকলোৱেই বালিলৈ নামি গলো। প্ৰ'ক শোৱা অৱস্থাত বিছনাৰে সৈতে কঢ়িয়াই নি তাৰ আৰু আমাৰ নিজৰ নিজৰ গাৰ কাপোৰ-কানিবোৰ আৰু নাৱত থকা সকলো বস্তুকে বালিত মণিহাৰী দোকান মেলাদি মেলি দিলো শুকাবলৈ। ডাক্তৰৰ first aid-ৰ বাকচটোৰ যি ভগ্নাৱশেষ অৱশিষ্ট আছিল তাৰেই সি নিজক আৰু আমাৰকেইটাৰ ওপৰত ডাক্তৰী কৰিলে। যিটো পুৱা দেখিম বুলি যোৱা নিশা এবাৰ সপোনতো ভবা নাছিলো সেই পুৱাৰে অমৃত হেন মিঠা ৰ'দ চেৰেঙা পিঠিত লৈ আমি চাৰিওটাই ওভতাৰ কথা ভাবিছো। Excursion-ক ইতি কৰি এতিয়া প্ৰাণটো লৈ ঘৰলৈ উভতিব পাৰিলেও ভাগ্য বুলি ভাবিম।

একেলেথাৰিয়ে চাৰিটা ঘণ্টা সমানে মৰাৰ দৰেই শুই শুই প্ৰ'ই আকৌ চকু মেলিলে। তৎক্ষণাৎ আমি তাক বেঢ়ি ধৰি আগ্ৰহেৰে তাৰ মুখলৈ চালো ঃ "এতিয়া অলপ ভাল পাইছ....?"

প্ৰ'ই উত্তৰ নিদি ক্ষীণকৈ মাথোঁ এবাৰ হাঁহিলে। উত্তৰ নাপালো যদিও তাৰ মুখৰ সৰু হাঁহিটো দেখি মনৰ দুঃচিন্তা বহুতখিনি কমি আহিল। তাক বাধা দিয়াৰ আগতে বা ধৰি-মেলি সাহায্য কৰাৰ আগতেই সি চকু মোহাৰি মোহাৰি উঠি বহি চাৰিওকাষৰ ঠাইখনলৈ চালে। কিন্তু নদীখনৰ সেই অদ্ভুত গৰা দুটা চকুত পৰাৰ লগে লগেই সি আমাক প্ৰায় ভয় খুৱাই চিঞৰি উঠিল ঃ "মই! মই তেন্তে ইমানপৰ পানীৰ মাজত আছিলো?" আমিকেইটাই আচৰিত হৈ তাৰ মুখলৈ চাই ভয়ে ভয়ে সুধিলো ঃ "তেন্তে তই ক'ত বুলিনো ভাবিছিলি?"

"মই? মই! ...শিলছটা ক'ত? বগা বহল শিলছটা কোনফালে আছে? ...নাই, নাই, তহঁতে নাজান- মোৰেই ভুল, কেনেকৈনো জানিবি....। অলপ ৰ, গোলমাল নকৰিবি, মই ভাবি চাওঁ—"

কথা শেষ হোৱাৰ লগে লগেই প্ৰ'ই ভালেমান সময় চকু মুদি থৰ হৈ থাকিল। আমি গোলমাল কৰা দূৰৰ কথা, মূৰৰ ওপৰত আকাশখন ভাগি পৰা মানুহৰ দৰেই অসহায় হৈ ইটোৱে সিটোৰ মুখলৈ চালো। প্ৰ' ভাল হোৱা বুলি যি অলপ আশা হৈছিল, তাৰ কথাৰ ধৰণ দেখি সম্পূৰ্ণ লুপ্ত হৈ গ'ল। মুখৰ বিৰ্‌বিৰ্ শব্দটোকে ডাঙৰ কৰি প্ৰ'ই মাত দিলে— "উত্তৰ-পূব কোণত থকা পৰ্বতৰ ওপৰত, ইয়াৰপৰা প্ৰায় পাঁচ মাইল আঁতৰত শিলছটা থাকিব লাগে। চাচোন বি-এম আছেনে....?"

মোৰ লগতে বাকী সকলোবোৰেই উত্তৰ-পূবে থকা ওখ পৰ্বতটোৰ ওপৰলৈ

চালো; প্ৰ'য়ো চালে। তাৰ অদ্ভুত কথা শুনি আমি যিমান ভয় খাইছিলো এইবাৰ তাতকৈ বেছি আচৰিত হলো; কাৰণ সঁচাকৈয়ে উত্তৰ-পূব ফালে পৰ্বতৰ ওপৰত বিৰাট বগা শিল এছটা চকুত পৰিল। ইমান পৰ আমি কোনেও মন কৰা নাছিলো। কিন্তু প্ৰ'ই কেনেকৈ শিলছটাৰ কথা জানিব পাৰিলে? লক্ষ্য কৰিছিলো চকু মেলাৰপৰা সি সেইফালে এবাৰো চোৱা নাই। তেন্তে? নিৰ্বাক বিস্ময়ত তাৰফালে চাই থকাত সি লাহে লাহে ক'লে— "অলপ সময় আগলৈকে মোৰ ধাৰণা আছিল, মই যেন সেই শিলছটাতে বহি আছো।" বিস্ময়েৰে সুধিলো— "প্ৰ', সেই শিলছটা তাত আছে বুলি তই কেনেকৈ জানিব পাৰিলি? বাৰু তাৰ ওপৰত বহি থকাৰ নিচিনা উৎকট ধাৰণাই বা তোৰ কিয় হ'ল?"

প্ৰ'ই নিঃশব্দে আমাৰ মুখলৈ এবাৰ চাই লৈ মোৰ প্ৰথম প্ৰশ্নটো সম্পূৰ্ণ উপেক্ষা কৰি লাহে লাহে ক'লে- উৎকট ধাৰণা নহয়? অৱশ্যে তহঁতৰ ওচৰত সি উৎকট হ'বই, কিন্তু আচলতে মই তাত বহাটো সঁচা কথা; মাথোঁ মোৰ সময়ৰ ভুল হৈ গৈছিল। অলপ সময়ৰ আগত মই তাত বহি নাছিলো- বহিছিলো...."

"কেতিয়া?" ব্যগ্ৰ হৈ প্ৰশ্ন কৰিলো। ক্ষীণকৈ হাঁহি বিষাদভৰা মাতেৰে প্ৰ'ই ক'লে— "শুনিলে হয়তো তহঁতৰ ওচৰত সি আৰু অদ্ভুত আৰু উৎকট লাগিব। ...আচৰিত নহবি শুন, মই তাত বহিছিলো তেৰশ বছৰ আগতে। মোৰ লগত সেইদিনা তহঁত নাছিলি- আছিল গৌৰী! জীৱনৰ সকলো সুখ, আনন্দ, ঐশ্বৰ্য হেৰুৱাই, সম্পূৰ্ণ ৰিক্ত, পংগু, অসহায় হৈ এদিন আমি দুয়ো তাত শেষবাৰলৈ বহিছিলো- কান্দিছিলো...।"

বিস্ময়ত আমিকেইটা স্তব্ধ হৈ গলো। যোৱা নিশা অজ্ঞান অৱস্থাত প্ৰলাপ শুনি শুনি আশা কৰিছিলো হয়তো জ্ঞান ফিৰিলে প্ৰ' ভাল হ'বও পাৰে; কিন্তু এতিয়া সজ্ঞানে পুনৰ সি সেই প্ৰলাপেই আৰম্ভ কৰা দেখি কি যে কৰিম ভাবি নাপালো। সোধো-নোসোধোকৈ তাক সুধিলো— "এইবোৰ তই কি কৈছ? সঁচাই কিবা গাটো ভাল পোৱা নাই? নে আমাৰ লগত ধেমালি কৰিছ?"

Scanned with CamScanner

হয়তো ভাবিছ তহঁতক কোৱাৰ আগতে চুৰকৈ এবাৰ চাই লৈ তহঁতক আচৰিত কৰি দিছো, নহয়? বাৰু বেছ, সেয়া এবিও যদি মই এইবাৰ কওঁ যে সৌ শিলছটাৰ ওচৰতে এটা আলিও আছে, যিটো পৰ্বতৰ ওপৰে ওপৰে ইয়াৰপৰা প্ৰায় দহ-বাৰ মাইল আঁতৰত থকা আন এখন সৰু উপত্যকালৈকে গৈছে আৰু সেইখন ঠাইৰ মাজতে, বনৰীয়া ফুলেৰে ঘেৰা এডৰা সৰু হাবিত, দু'ছটা ডাঙৰ ডাঙৰ ক'লা শিলৰ ওপৰেদি বৈ পৰা এটা সৰু জলপ্ৰপাত আছে! যিটোৰ পাৰত তেৰশ বছৰ আগতে এহাল কিশোৰ-কিশোৰীয়ে সিহঁতৰ খেলৰ লগৰী বগা ঘোঁৰা এজনী লগত লৈ নিতৌ দুপৰীয়া মনৰ আনন্দত উমলি ফুৰিছিল। আৰু যদি কওঁ সৌ শিলছটাৰ ওচৰৰ আলিটোৰ আনটো আগ আমাৰ ফালে তললৈ নামি আহিছে, আৰু নামনিত প্ৰথমেই আলিটোৰ একাষে লক্ষ লক্ষ ৰঙা, বগা পদুম ফুলেৰে ভৰা বিৰাট এটা পুখুৰীও আছে, তেতিয়া....?"

আমাৰপৰা উত্তৰৰ প্ৰত্যাশা কৰি প্ৰ'ই কিছু সময় অপেক্ষা কৰিও যেতিয়া একো নাপালে, তেতিয়া সি হঠাৎ বহাৰপৰা উঠি ক'লে— "নাই, তহঁতে দেখিছো মোক এতিয়াও সন্দেহ কৰিছ! মই যে প্ৰলাপ বকা নাই তাক প্ৰমাণ কৰিবলৈ হ'লে ইয়াত বহি আৰু নোৱাৰো। তেৰশ বছৰৰ মলিনতাই ঢাক খুৱাই নোথোৱা হ'লে আমাৰ চাৰিওকাষৰ এই অৰণ্যখনৰ মাজতে হাজাৰ হাজাৰ প্ৰমাণ মই ইয়াৰপৰাই তহঁতক দিব পাৰিলোহেঁতেন। গতিকে উঠ, মোৰ লগত পাৰলৈ যাব লাগিব। সকলো ঢাক খাই গ'লেও দুই-এটা যে এতিয়াও চকুত পৰিব তাক নদীৰ সৌ ভাঁজটো দেখিয়েই বুজিছো। আহ উঠি আহ তহঁত...।"

প্ৰ'ক বাধা নিদিয়াকৈ তাৰ কথা শুনি গৈছিলো। কিন্তু এতিয়া সি সঁচাকৈয়ে নাৱৰ ফালে খোজ লোৱা দেখি আৰু সহ্য নহ'ল; চাৰিও প্ৰায় একেলগেই চিঞৰি উঠিলো— "প্ৰ' তই বলিয়া হলি নেকি? আমাক কি বুলি ভাবিছ? তোৰ দৰেই উন্মাদ নে মূৰ্খ? যোৱা নিশাই ঢেৰ শিক্ষা হ'ল; আৰু নালাগে। এতিয়া আমি ঘৰলৈ উভতিম, গুচি আহ প্ৰ'। পাৰৰ হাবিত লক্ষ্মণৰ দৰে পঞ্চৱতী বনত স্বৰ্ণমৃগ মৰীচিকাৰ পাছত ঘূৰিবলৈ তোৰ আগ্ৰহ থাকিব পাৰে, আমাৰ কিন্তু নাই। উভতি আহ...।"

প্ৰ'ই ঘূৰি কঠোৰ দৃষ্টিৰে আমালৈ চালে, "মই সেইবোৰ শুনিব নোখোজো। মোক এটা কথা কৈ দে— মোৰ লগত তহঁত আহিবি নে নাই? যদি ইচ্ছা নাই মই জোৰ নকৰো; কিন্তু মই অকলে হ'লেও যাম আৰু নাওখনো যদি মোক নিবলৈ নিদিয়, সাঁতুৰি হ'লেও মই পাৰলৈ যামেই। এই ঠাইখন হেঁপাহ পলাই

নোচোৱাকৈ মই ঘৰলৈ কেতিয়াও উভতি নাযাওঁ, তইঁতক স্পষ্ট কথা জনাই দিলো....''

প্ৰ' গৈ নাৱত বহিল। নিৰুপায়ত পৰি খং-বিৰক্তিৰে আমিও নাৱলৈ যাবলৈ বাধ্য হ'লো। প্ৰ'ই বুজিছে যে আমাৰ খং উঠিছে, আমাৰ মুখলৈ চাই সি আমাৰ দুগুণ খং তোলাই আদেশ দিলে খোৱা বস্তু যি আছে লগত লবলৈ।

তাৰ পাছত তাৰ নিৰ্দেশমতেই প্ৰথমে গলো দক্ষিণপাৰৰ হাবিলৈ। তাৰ মাজত ঘণ্টাদিয়েক হাবি-বন ভাঙি ঘূৰি ঘূৰি আকৌ নদী পাৰ হৈ উত্তৰপাৰলৈ আহিলো।

প্ৰ'ৰ বাহিৰে আমিকেইটা মৌন, গম্ভীৰ। সি কিন্তু অলপো নিৰুৎসাহ নহৈ উৎসাহেৰে ঠাইবোৰ দেখুৱাই অনৰ্গল বক্তৃতা দি গৈছে। আমাৰ মনবোৰ ইমানেই বিৰূপ হৈ উঠিছে যে তাৰ লগত কথা ক'বলৈ, তৰ্ক কৰিবলৈ, তাৰ এই বলিয়ালিৰপৰা তাক নিবৃত্ত কৰিবলৈ ক্ষুদ্ৰতমো ইচ্ছা যোৱা নাই। কিন্তু বুজিব পৰা নাই। ইয়াৰ শেষ ক'ত হ'ব? হ'ব নে নহয়?

নিৰ্বাক, নিৰ্লিপ্ত হৈ তাৰ পাছে পাছে ঘূৰি ঘূৰিও যে তাৰ লগত আমি সম্পূৰ্ণ অসহযোগ আৰম্ভ কৰিছো সেইটো হয়তো তাৰ চকুত পৰিছে; কাৰণ সি এবাৰ থমকি ৰৈ আমালৈ চাই ক'লে— ''আৰু নালাগে, ব'ল উভতি যাওঁ।''

তইঁতৰ যেতিয়া বিশ্বাস হোৱা নাই, মোৰ লগত ঘূৰিবলৈ ইচ্ছাও নাই, মিছাতে তইঁতক আৰু কষ্ট নিদিওঁ।''

লোভ সামৰিব নোৱাৰি কৈ পেলালো— ''যা হওক প্ৰ', এই প্ৰথমবাৰলৈ তেও মানুহৰ দৰেই কথা ক'বলৈ আৰম্ভ কৰিছ। ইমানপৰ ধৰি যে কি বলিয়ালি কৰিছিলি তাক বুজিব পৰা শক্তিকণ আকৌ ফিৰাই পোৱা দেখি সুখী হ'লো। ব'ল যাওঁ....''

প্ৰ'ই কিছু সময় স্তব্ধ হৈ মোৰ মুখলৈ চাই ৰ'ল। বুজিলো সি মোৰ কথাত বৰ আঘাত পাইছে। তাৰ বিষাদভৰা কৰুণ মুখখন দেখি বেয়া লাগিল। লাহে লাহে সি তাক আনফালে ঘূৰাই লৈ ক'লে— ''তইঁতে যদি জানিলিহেঁতেন মোৰ অন্তৰত কি ধুমুহা চলিছে তেতিয়া হ'লে এনেভাৱে মোক কেতিয়াও আঘাত নকৰিলিহেঁতেন। তইঁতে কেনেকৈ জানিবি যে এই ঠাইখনে কি ৰূপ লৈ আজি মোৰ চকুত দেখা দিছে! তইঁতে ভাবিছ দিহিঙৰ পাৰৰ জনপ্ৰাণীহীন অটব্য অৰণ্য এখনৰ মাজত মোৰ উৎকট খেয়াল চৰিতাৰ্থ কৰিবলৈ তইঁতক অবাবতে ঘূৰাই লৈ ফুৰিছো? কিন্তু তইঁতক মই কেনেকৈ বুজাম যে আজিৰ এই অটব্য অৰণ্যখন এদিন অৰণ্যই নাছিল...., আছিল সমৃদ্ধিৰ উচ্চ শিখৰত ছবিৰ দৰেই জিলিকি থকা ধুনীয়া এখন দেশ। যাৰ প্ৰতিটো ধূলিকণাৰ লগত মোৰ পূৰ্বজন্মৰ সকলো

সুখ, দুখ, আনন্দৰ মধুৰ স্মৃতি আজিও জড়িত আছে। মই জানো তহঁতৰ কাণত সি অদ্ভুত লাগিব। মোৰেই প্ৰথমেই অদ্ভুত লাগিছিল, কিন্তু লাহে লাহে মই সকলো চিনিছো। চকুৰ আগত স্পষ্ট দেখিবলৈ পাইছো, মোৰ পূৰ্বৰ জন্মভূমিক। তেৰশ বছৰৰ আগতে যিডোখৰ ঠাইত মই আছিলো, যিবোৰ মানুহৰ মাজত হাঁহি-আনন্দত মোৰ জীৱন কাটিছিল, সেই প্ৰতিজন মানুহৰে মুখবোৰ, তেওঁলোকৰ কথাবোৰ আজি মই স্পষ্ট দেখিবলৈ পাইছো, শুনিবলৈ পাইছো। সেই সকলো তহঁতক কম বুলিয়েই প্ৰথমে ঠাইখন দেখুৱাই লৈছো, কাৰণ ঠাইখনৰ ক'ত কি আছিল নাজানিলে হয়তো মোৰ কথাবোৰ ভালকৈ বুজিবলৈ টান হ'ব। কিন্তু মোৰ দুৰ্ভাগ্য, সৌ শিলছটাৰ বাহিৰে মই তহঁতক উপযুক্ত প্ৰমাণ একো দিব পৰা নাই। যি ঠাইত যিটো আছিল সেই সকলো চিনেই আজি মাটিৰ তলত লুপ্ত হৈ গৈছে। তথাপি মই যে প্ৰলাপ বকা নাই তাক প্ৰমাণ কৰিবৰ একমাত্ৰ আশা সেই পদুম পুখুৰীটো। নিশ্চয় তেৰশ বছৰৰ ভিতৰতো সি লুপ্ত হৈ যোৱা নাই। আমি এতিয়া যিডোখৰ ঠাইত আছো তাৰপৰা পুখুৰীটোৰ দূৰত্ব এমাইলতকৈয়ো বোধকৰো কম হ'ব, কিন্তু তেও মই আৰু তহঁতক জোৰ নকৰো। তহঁতৰ যদি ইচ্ছা হয় মই সকলো ক'ব পাৰো, যদি ইচ্ছা নাই নাৱলৈ উভতি যাওঁ ব'ল! মোৰ চেনেহৰ পূৰ্ব জন্মভূমি এৰি এই জীৱনৰ কৰ্মভূমিলৈ..."

প্ৰ'ই আমাৰ মুখলৈ চালে-। আমি কোনেও তৎক্ষণাত উত্তৰ দিব নোৱাৰিলো। প্ৰ'ৰ অপ্ৰত্যাশিত প্ৰস্তাৱৰ কাৰণে প্ৰস্তুত হ'বলৈ সময় লাগিল।

ভাবি নাপালো প্ৰ'ক বিশ্বাস কৰিম নে নকৰিম! মানুহে নিজৰ পূৰ্ব-জীৱনৰ কথা ক'ব পৰা কোনে বাৰু কেতিয়া শুনিছে? কোনে ভাবিছে? সি জানো সম্ভৱ হ'ব পাৰে? প্ৰ' জাতিস্মৰ হ'লেও ভাবি আচৰিত লাগিছে, এই ঠাইখনকে প্ৰ'ই কেনেকৈ তাৰ পূৰ্ব-জন্মভূমি বুলি চিনি পালে?

মই মনটো ঠিক কৰাৰ আগতেই ডাক্তৰে তাৰ ওচৰলৈ গৈ হাতখন কান্ধত থৈ ক'লে— "আহ প্ৰ', আমি যাম! তই য'লৈকে নিয়, পদুমৰ পুখুৰী পাওঁ-নাপাওঁ ক্ষতি নাই, কিন্তু তই আমাক যি ক'ব খুজিছিলি সকলো শুনিম ব'ল।"

প্ৰ'ই হাঁহিলে— "বেছ ব'ল-"

Scanned with CamScanner

সমুখৰ দৃশ্যটো। ..বিৰাট ডাঙৰ সৰোবৰ এটাত লক্ষ লক্ষ পদুম ফুল- কিছুমান ফুলি থকা, কিছুমান কলি, কিছুমান সৰা। নানান অৱস্থাত ৰঙা, বগা, সৰু বৰ সকলো সৰোবৰৰ নিৰ্মল পানীৰ ওপৰত জিলিকি আছে। প্ৰ'ৰ মুখলৈ চালো, তাত বিজয়ৰ গৌৰৱ নাই বৰঞ্চ তাৰ চকু দুটা পানীৰে উপচি উঠিছে। চাৎকৈ মনত পৰিল কিছুসময় আগতে দক্ষিণপাৰত ঘূৰি থাকোতে দুই-এঠাইত ঠিক এনেভাৱেই তাৰ চকু দুটা চকুলোৰে ভৰি উঠিছিল। সান্ত্বনা দিয়াৰ দৰেই হাতত ধৰি মাতিলো— "প্ৰ'।" নিজক সংযত কৰি সি ক'লে— "ব'ল, সৌ পুখুৰী পাৰৰ ঘাঁহনিডৰাত বহোঁগৈ।"

সকলো আহি ঘাঁহনিত বহিলোহি। খন্তেক পাছতে মাত লগালো— "এইবাৰ কচোন সকলো। মই, ক'ব পৰা নাই মোৰ চকুক বিশ্বাস কৰিম নে তোক? তোৰ কথাক?"

সি মনে মনে থকাত ফুকনে ক'লে "বাৰু প্ৰ', ইয়াত এনে এটা পুখুৰী আছে বুলি তই কেনেকৈ জানিব পাৰিলি। আৰু সৌ শিলছটাৰ কথাই বা কেনেকৈ জানিছিলি? তোৰ সকলো কথা অস্বীকাৰ কৰিলেও এই দুটাকতো অস্বীকাৰ কৰিবৰ উপায় নাই। কিন্তু মোৰ আচৰিত লাগিছে যদি তই আগেয়েই এই সকলোবোৰ কথা, তোৰ পূৰ্বজন্মৰ কথা জানিছিলি, ক'তা আমাকতো তাৰ সামান্যতমো আভাস কোনোকালে দিয়া নাই; কচোন তোক বাৰু কোনে এনে শক্তি দিলে যাৰ বলত তই সকলো মনত পেলাব পাৰিছ?"

প্ৰ'ক তথাপি নিৰুত্তৰ দেখি এইবাৰ ব্যগ্ৰ হৈ কবিবৰে ক'লে— "কি ভাবিছ ইমান? মই যে সকলো শুনিবলৈ উদ্‌গ্ৰীৱ হৈ উঠিছো। অৱশ্যে স্বীকাৰ কৰো অলপ আগলৈকে তোৰ কথাবোৰ প্ৰলাপ বুলি ভাবিছিলো; কিন্তু তাৰ বাবে মই ক্ষমা খুজিছো। এই পুখুৰীটো দেখিবৰেপৰা মোৰ পূৰা বিশ্বাস হৈছে, তোৰ সকলো কথা সঁচা আৰু এতিয়া যি কবি তাকো মই বিনা প্ৰমাণেই বিশ্বাস কৰিম।"

প্ৰ'ই সৰুকৈ হাঁহি ক'লে— "মোৰ কথা এতিয়াই তহঁতক বিশ্বাস কৰিবলৈ জোৰ নকৰো। মোৰ সকলো কথা শুনি তাৰ সত্যাসত্য সম্বন্ধে বিচাৰ কৰা দায়িত্ব তহঁতৰ! ইচ্ছা হয় বিশ্বাস কৰিবি, নহয় নকৰিবি, মই অলপো বেয়া নাপাওঁ। কিন্তু মোৰ সন্দেহ হৈছে সকলো শুনাৰ ধৈৰ্য তহঁতৰ হ'ব নে নহয়!"

তাক বাধা দি কলো— "হ'ব, হ'ব, তই আৰম্ভ কৰ আৰু পলম নকৰিবি—"

"পলম নকৰো, কিন্তু সকলো ক'বলৈ কিছু সময় লাগিব। গতিকে প্ৰথমে অলপ চাহৰ আয়োজন কৰা য'ক। শুদা পেটত হয়তো মোৰ পূৰ্বজন্ম বৃত্তান্ত তহঁতৰ কাণত নীৰস লাগিব পাৰে।"

Scanned with CamScanner

নীৰস হওক, সৰস হওক এতিয়া প্ৰতি মুহূৰ্ত যোৱাৰ লগে লগেই তাৰ কথা শুনিবলৈ অধৈৰ্য হৈ উঠিছো। গতিকে সময় নষ্ট নকৰি তৎক্ষণাৎ হাতে-কামে লাগি অলপ সময়ৰ ভিতৰতে চাহৰ বাটি আৰু আনুষংগিক হাতে হাতে লৈ প্ৰ'ক বেঢ়ি ধৰি বহিলো। প্ৰ'ই আৰম্ভ কৰাৰ আগতে একান্তমনে বিস্কুটৰ টিনৰ ঢাকনিখনত ছবি এখন আঁকি গ'ল। তাত পৰ্বত, নদী, ঘৰ, মন্দিৰ, দলং, আলি, পথাৰ একো বাদ নিদিলে। তাত ঠায়ে ঠায়ে কিছুমানৰ নামো লিখি গ'ল। ছবি অঁকা শেষ কৰি প্ৰ'ই আমাৰ মুখলৈ চাই আৰম্ভ কৰিলে— "মনত আছে তিনি দিন আগতে দেখা নদীৰ পাৰৰ সেই ভয় লগা ক'লা গছৰ হাবিখনৰ কথা?"

"নিশ্চয় আছে।"

"আৰু সেই অফুৰন্ত ফুল আৰু চৰাইৰ দেশখন?"

"আছে আছে, কিন্তু সেইবোৰৰ লগত তোৰ আৰু এই ঠাইখনৰ সম্বন্ধ কি?"

"একো নাই, নাছিলও। ক'লা হাবিখন দেখি তহঁতে যেনেকৈ ভয় খাইছিলি, ময়ো খাইছিলো। ফুলৰ দেশখন দেখি তহঁতে যেনেকৈ মুগ্ধ হৈছিলি ময়ো হৈছিলো, একো পাৰ্থক্য নাছিল। কিন্তু যোৱা নিশা ধুমুহা অহাৰ আগৰেপৰা, চাবলৈ গ'লে গধূলিৰেপৰা আমি যেতিয়া হাঁহি-মাতি আনন্দ মনে নাও বাই আহি আছিলো, তেতিয়াৰেপৰাই মোৰ মনলৈ এটা অদ্ভুত ধাৰণা আহিছিল। মই যেন সেই ফুলৰ ধুনীয়া দেশখন আগতে ক'ৰবাত দেখিছিলো। মান-ভঞ্জনৰ ৰাধা-কৃষ্ণৰূপী ম'ৰাহালকো বাৰে বাৰে মনত পৰিছিল। ধাৰণাও হৈছিল তেনে এহাল ম'ৰা মই যেন ক'ৰবাত দেখিছিলো; কিন্তু একোপধ্যে মনত নপৰিল ক'ত দেখিছিলো, কেতিয়া দেখিছিলো? তহঁতে হয়তো মই মনে মনে অহা লক্ষ্য কৰিছিলি। সঁচা কথা, মই মনে মনে মাথোঁ তাকেই ভাবি আহিছিলো। সেই গধূলিৰেপৰা ৰাতি টোপনি নহালৈকে মই বাৰে বাৰে নিজকে প্ৰশ্ন কৰিছিলো, এই ফুলৰ দেশখন, এই ম'ৰাহাল ক'ত দেখিছিলো? কেতিয়া দেখিছিলো? কিন্তু সেই প্ৰশ্ন সমাধান হোৱাৰ আগতেই মোৰ টোপনি আহিল। তাৰ পিছত মাজ ৰাতি আহিল ধুমুহা, আৰু তাৰ আগমুহূৰ্ততে মোৰ সকলো প্ৰশ্নৰে উত্তৰ মোক দি গ'ল সেই এজনাই ঃ গাম-খাৰু পিন্ধা জেতুকা বোলোৱা ধুনীয়া হাতখনৰ স্পৰ্শ পাই মোৰ ওচৰত সকলো পৰিষ্কাৰভাৱে সমাধান হৈ গ'ল। মনত পৰিল কেতিয়া ক'ত দেখিছিলো এইবোৰ! উভতি গলো তেৰশ বছৰ পাছলৈ। তাৰেই প্ৰতিটো ঘটনা, প্ৰতিখন মুখ, প্ৰতিটো কথাৰ সকলো স্মৃতি আকৌ সুন্দৰকৈ চকুৰ আগত ভাঁহি উঠিল। শ শ বছৰীয়া পাহৰণিৰ গধুৰ ঢাকনিখন মনৰ ওপৰৰপৰা আঁতৰাই উটাই নিবলৈকে বোধকৰো হৈছিল কালি ৰাতিৰ সেই ভয়ংকৰ ধুমুহা। গোটেই ৰাতি মই আধা

ডুবা বিছনাত পৰি পৰি তাৰেই সপোন দেখিছিলো। তহঁতে ভাবিছিলি মই অজ্ঞান হৈ পৰিছো, গোসাঁনীয়ে পাইছে। কিন্তু সি ভুল। গাম-খাৰু পিন্ধা হাতখন গোসাঁনীৰ নাছিল। তহঁতৰ দুই-এটা কথা মোৰ কাণলৈকো গৈছিল, আৰু তহঁতে যে ভয় খাইছিলি তাকো মই বুজিছিলো। কিন্তু নিজক লৈ আৰু অতীতত হেৰাই যোৱা মোৰ চেনেহৰ সপোন সংগীবোৰক পাই ইমান মগ্ন আছিলো যে তহঁতলৈ ভ্ৰূক্ষেপ কৰিবৰ অৱসৰ নাছিল। ক'ব নোৱাৰো কিয় মোৰ বিশ্বাস হৈছিল যেন মোক ধুমুহাই এই ঠাইলৈকে, মোৰ পূৰ্ব-জন্মভূমিলৈকে উটুৱাই আনিছে। সেই সকলোবোৰ, মোৰ অতীত জীৱনৰ প্ৰায় সম্পূৰ্ণ ঘটনাৱলী মই মোৰ সপোনত দেখিছিলো— শুনিছিলো। ভাবিছিলো সি তেৰশ বছৰ আগতে ঘটা নহয়, কালি নিশাই যেন সকলো ঘটিছে।

সাৰ পাইহে বুজিলো সি মোৰ ভুল, কিন্তু ঠাইখন চকুত পৰা মুহূৰ্ততে মই চিনি পালো। তেৰশ বছৰ পাছত হ'লেও এয়ে সেই ঠাই— মোৰ পুৰণা অতি চিনাকি, অতি হেঁপাহৰ, চেনেহৰ জন্মভূমি...”

প্ৰ' কিছু সময় মনে মনে থাকিল। মোৰ মনলৈ এটা প্ৰশ্ন আহিছিল কিন্তু তাক মুখ ফুটাই ব্যক্ত কৰাৰ আগতে ফুকনে তাকেই সুধিলে— “প্ৰ' তই তেন্তে কালিৰ সেই গাম-খাৰু পিন্ধা হাতৰ গৰাকী ছোৱালীজনীক চিনি পাইছিলি?”

“পাইছিলো?”

ব্যগ্ৰ হৈ প্ৰশ্ন কৰিলো— “কোন আছিল?”

“কোন আছিল তাক মই এতিয়াই কোৱাৰ একো প্ৰয়োজন নেদেখো, যিহেতু সকলো শুনাৰ লগে লগে নিজেই তহঁতে চিনি লব পাৰিবি—” আঁকি থোৱা ছবিখন হাতত তুলি লৈ সি আকৌ সুধিলে— “তহঁতে হয়তো ধৰিব পাৰিছ এইখন কিহৰ ছবি?”

“পাৰিছো, এতিয়া আমি থকা দিহিঙৰ পাৰৰ এই হাবিখন—”

মোক বাধা দি প্ৰ'ই হাঁহিলে— “প্ৰথমেই ভুল কৰিলি। ই দিহিঙৰ পাৰৰ হাবি নহয়, এইখনেই হৈছে কাঞ্চনমতীৰ দুয়ো পাৰত থকা কমল-নগৰৰ ছবি—”

আচৰিত হৈ সুধিলো— “তাৰমানে?”

“মানে তেৰশ বছৰ আগৰ মোৰ জন্মভূমি এই ঠাইখনৰে নাম আছিল কমলনগৰ-”

“কিন্তু কাঞ্চনমতী?”

“কাঞ্চনমতী? নাজানো হেজাৰ বছৰ আগতেও যদি এই নদীৰ নাম দিহিঙেই

আছিল, হয়তো থাকিবও পাৰে, কিন্তু থাকিলেও তাৰ যিছোৱা অন্ততঃ কমল-নগৰৰ মাজেদি বৈ গৈছিল সেইছোৱাৰ নাম কমল-নগৰৰ পুৰবাসীয়ে কাঞ্চনমতীয়েই ৰাখিছিল। এটা কথা মই তহঁতক এতিয়াই কৈ থওঁ— সকলো কথা নিয়াৰিকৈ কোৱা শক্তি মোৰ নাই আৰু তহঁতৰ হয়তো বহুত প্ৰশ্নই মনলৈ আহিব পাৰে কিন্তু মই যে সকলো প্ৰশ্নৰে উত্তৰ দিব পাৰিম তাৰ আশা নকৰিবি, কাৰণ সকলো মোৰে মনত নাই। মই মাথোঁ দুটা বছৰৰ ঘটনাৱলী কম, তহঁতে একো প্ৰতিবাদ নকৰাকৈ শুনি যা। মই যিমানখিনি পাৰো শক্তি অনুযায়ী মোৰ অতীত কাহিনীৰ একো বাদ নিদিওঁ, কিন্তু তাকে কৰিবলৈ হ'লে মই তহঁতক কমল-নগৰৰ চমু পৰিচয় এটা দি লব লাগিব। তাক শুনাৰ লগে লগে এই ছবিখনৰ লগত ৰিজাই চাই গ'লেই সকলো অতি সুন্দৰকৈ বুজিব পাৰিবি। শুন.....”

।। তৃতীয় অধ্যায় ।।

পৰিচয়

“......চাৰিওফালে ওখ পৰ্বতৰে ঘেৰি থকা এই নিৰ্জন প্ৰান্তৰত, এধানি ফুলনি বাৰীৰ দৰেই নিজ ইচ্ছাত লালিত-পালিত হৈ সমৃদ্ধিৰ উচ্চ শিখৰত উঠি জেউতি চৰোৱা এই ঠাইডোখৰেই আছিল তেৰশ বছৰ আগৰ কমল-নগৰ। কমল-নগৰৰ জন্ম কেনেকৈ হৈছিল তাৰ সোঁৱৰণী ইতিহাসত নাই। ...সূৰ্যৰ মাধ্যাকৰ্ষণ শক্তিক কেন্দ্ৰ কৰি ঘূৰি ঘূৰি কণিকাবোৰে যেনেকৈ এটা বিপৰীত শক্তিৰ সৃষ্টি কৰি সূৰ্যৰ কিছু অংশক আৰু সূৰ্যৰ লগত সংযুক্ত ৰাখিব নোৱাৰি দূৰলৈ ছিটিকি গৈ পৃথিৱীকে আদি কৰি গ্ৰহবোৰ সৃষ্টি কৰিলে, তেনেকৈয়ে হয়তো শ শ বছৰ আগৰ অসমৰ ৰাজধানীকে কেন্দ্ৰ কৰি সৰু সৰু গাঁওবোৰেও সমৃদ্ধিৰ বাটত আগবাঢ়ি আহি আহি, তাৰে দুই-এখনে হয়তো লক্ষ্যভ্ৰষ্ট হৈ বহুত দূৰত ছিটিকি পৰিছিল; আৰু ৰাজধানীৰ লগত প্ৰায় সকলো সংস্পৰ্শ হেৰুৱাই অকলে অকলেই গঢ়ি উঠিছিল একো একোখন স্বাধীন ৰাষ্ট্ৰ। এই কমল-নগৰো আছিল তেনে এখন সম্পৰ্কহীন মুক্ত স্বাধীন দেশ।

প্ৰায় পঁচিছ হাজাৰ মানুহৰ বাসভূমি এই কমল-নগৰৰ আয়তন দীঘলে দহ মাইল আৰু বহলে আঠ মাইলতকৈ বেছি নহয়। কমল-নগৰক পূবৰপৰা পশ্চিমলৈ এডাল সৰলৰেখাৰ দৰে বৈ যোৱা কাঞ্চনমতী নদীয়ে সমানে দুভাগ কৰিছে। কিন্তু দুয়োটা ভাগ প্ৰায় সমান হ'লেও, উত্তৰপাৰৰ তুলনাত দক্ষিণপাৰতে মানুহৰ দুগুণ বসতি আছিল। এই দুয়োপাৰকে সংযুক্ত কৰিছে কাঞ্চনমতীৰ বুকুৰ ওপৰত ইটাৰে গঢ়া বিৰাট পকীদলং এখনে, যিখন এদিন ‘বগা-দলং’ বুলিয়েই প্ৰখ্যাত আছিল। নদীৰ পাৰৰ সেই অদ্ভুত ভাঁজ দুটা দেখি তহঁতে ভাবিছিলি সি প্ৰাকৃতিক, কিন্তু ভুল, সেই ভাঁজ দুটা মানুহেই গঢ়া, তাৰ ওপৰতেই আছিল ‘বগা-দলং।’

কমল-নগৰৰ দক্ষিণ পাৰৰ সীমা বহিৰ্জগতৰ লগত সম্পৰ্ক নাৰাখি ওখ ওখ পৰ্বতবোৰে ঘেৰি ৰাখিছে। মাথো দুটা ডাঙৰ ডাঙৰ পৰ্বতৰ মাজেদি অতি সৰু পৰিত্যক্ত হাবিতলীয়া বাট এটাৰে তিনি মাহ সমানে নদী-পৰ্বত ভাঙি গৈ থাকিলে ভাৰতৰ শেষ সীমা পায়গৈ বুলি তেতিয়াৰ দিনত কোৱা শুনিছিলো, কিন্তু সি

Scanned with CamScanner

কিমানদূৰ সঁচা, কমল-নগৰৰ মানুহে তাৰ প্ৰমাণ চোৱা নাই— যিহেতু তাৰ প্ৰয়োজনো হোৱা নাছিল। সেই আলিটোৰ গুৰিৰেপৰা কিছুদূৰ নগৰৰ ভিতৰলৈ সোমাই আহিলে প্ৰথমেই যিমান ডাঙৰ সমতল নিমজ সেউজীয়া ঘাঁহনি পায়, সেইখনেই আছিল কমল-নগৰৰ প্ৰধান খেলমাটি। বছৰৰ প্ৰতিটো উৎসৱ তাতেই হৈছিল। কমল-নগৰৰ প্ৰধান আলিটোৰ নাম আছিল ৰঙা-আলি। এই ৰঙা-আলি দক্ষিণপাৰৰ এমূৰৰপৰা আৰম্ভ কৰি নগৰৰ সোঁ মাজে মাজে আহি বগা দলঙত লাগিছেহি। তাৰপৰা দক্ষিণপাৰৰ দৰেই উত্তৰপাৰৰো মাজে মাজে গৈ নগৰৰ শেষ সীমা পাৰ হৈ সৌ পৰ্বতটোৰ সিপাৰে থকা ৰাজধানীলৈ যোৱা বৰ-আলিত মিলিছেগৈ। কমল-নগৰৰপৰা ৰাজধানীলৈ যাবলৈ হ'লে ৰঙা-আলি শেষ কৰি বৰ আলিয়েদি প্ৰায় দুই পক্ষকাল সমানে যাব লগাত পৰিছিল।

কমল-নগৰৰ কি উত্তৰ কি দক্ষিণ দুয়োপাৰেই পৰ্বতৰ নামনিলৈকে থকা সমতল ঠাইখনৰ মাজে মাজে আৰু ঢেৰ সৰু-বৰ আলি গৈ অলেখ চুবুৰিত ভাগ ভাগ কৰি ৰাখিছিল। সেই প্ৰতিটো চুবুৰিৰ সমুখৰ প্ৰতিটি আলি আহি ৰঙা-আলিৰ লগত মিলিছেহি। উত্তৰপাৰে তাৰ বাহিৰেও আৰু এটা আলি ৰঙা আলিৰপৰা ওলাই নগৰৰ উত্তৰ-পূব সীমাত থকা এই পুখুৰীটোৰ দাঁতিয়েদি ক্ৰমান্বয়ে পৰ্বতৰ ওপৰলৈ উঠি মই কোৱা সৌ শিলছটাৰ ওচৰেদি ইয়াৰপৰা প্ৰায় দহ মাইল আঁতৰত থকা সৰু এখন ঠাইলৈ গৈছে। প্ৰায় পাঁচ হাজাৰ মানুহৰ বাসভূমি সেই ঠাইখনৰ নাম আছিল ‘বকুলপুৰ’। বকুলপুৰ কমল-নগৰৰে সকলো সুখ-দুখত জড়িত কমল-নগৰৰে অংশবিশেষ। বকুলপুৰক বাদ দিলে কমল-নগৰৰ ইতিহাস সম্পূৰ্ণ নহয় দেখিয়েই মোৰ ছবিত নাই যদিও তহঁতক কৈ থৈছো।

আমাৰ সমুখৰ এই পদুম-পুখুৰীটোৰ নাম আছিল ‘কমল-সৰোবৰ’। সপ্তমীৰ চন্দ্ৰৰ দৰেই আছিল ইয়াৰ আকৃতি। ইয়াৰ তিনি পাৰে সৰু পাতল হাবি আৰু এই পাৰে আমি ঠিক যিডৰা ঘাঁহনিৰ ওপৰত এতিয়া বহি আছো, ইয়াতেই আছিল বহল এটা পকী-ঘাট। মোৰ এতিয়াও মনত আছে, পূৰা ত্ৰিছ হাত দীঘল পঁচিছটা বহল খট্‌খটিৰে সৈতে সুন্দৰ পৰিষ্কাৰ পকী ঘাটটো। তেতিয়াৰ দিনত কমল-নগৰৰ সম্ভ্ৰান্ত ঘৰৰ জীয়াৰী-বোৱাৰী সকলোবোৰেই আহিছিল এই কমল সৰোবৰৰ পাৰত বন-ভোজ খাবলৈ, সাঁতোৰাৰ প্ৰতিযোগিতা কৰিবলৈ।

গোটেই কমল-নগৰৰ কি উত্তৰ কি দক্ষিণ দুয়োপাৰৰ প্ৰতিটো চুবুৰিত, আৰু ৰঙা আলিৰ দুয়োকাষে ধুনীয়া ধুনীয়া সৰু-বৰ নানান আকৃতিৰ ঘৰেৰে ভৰা আছিল। নিখুঁত পৰিপাটিকৈ সজা পৰিষ্কাৰ-পৰিচ্ছন্ন প্ৰায় প্ৰতিটো ঘৰৰ সমুখত

Scanned with CamScanner

পদূলিলৈকে একো একোখন ফুলনি। ঘৰৰ পাছফালে ফলৰ বাৰীৰে সৈতে প্ৰত্যেকটো ঘৰেই আছিল সম্পূৰ্ণ -সৰ্বাংগসুন্দৰ।

দক্ষিণ পাৰৰ সোঁ-মাজতে, ৰঙা-আলিৰপৰা অলপ ভিতৰলৈ সোমাই গ'লেই এটা ৰঙামাটিৰ সৰু টিলা পায়, তাৰ ঠিক ওপৰতেই আছিল প্ৰকাণ্ড তিনি মহলীয়া প্ৰাসাদতুল্য এটা বিতোপন অট্টালিকা। সেইটোৱেই আছিল কমল-নগৰৰ শ্ৰেষ্ঠ বাসিন্দা ৰজাঘৰৰ বাব পোৱা প্ৰধান ৰাজ-বিষয়াৰ ঘৰ। ঘৰটোৰ নাম 'ৰঙা-টিলা'। আচলতে ঠাইডোখৰৰ নাম হে আছিল ৰঙা-টিলা, কিন্তু মানুহৰ মুখত তাৰ অপব্যৱহাৰ হৈ ক্ৰমান্বয়ে ঠাইডোখৰৰ পৰিৱৰ্তে ঘৰটোৰে নাম হৈ পৰিছিল ৰঙা-টিলা। এই ৰঙা-টিলা কাৰো পৈত্ৰিক সম্পত্তি নাছিল। কমল-নগৰৰ মানুহৰ ভিতৰত যি গৰাকীকেই ৰজাই প্ৰধান ৰাজবিষয়াৰ বাব দিছিল, সেই গৰাকীয়েই তাত থাকিবৰ অধিকাৰ পাইছিল। সেয়েই আছিল তেতিয়াৰ নিয়ম।

কমল-নগৰৰ লগত ৰাজধানী বা ৰজাৰ সম্পৰ্ক হিচাপে এই ৰাজবিষয়াই বছৰেকত মাথোঁ এবাৰ ৰাজ-দৰবাৰলৈ গৈ কৰ আৰু কমল-নগৰৰ ভাল-বেয়া, আয়-ব্যয় আদি সকলো বছৰটোৰ কাৰণে জনাই আহিব লগাত পৰিছিল। তাৰ বাহিৰে চাবলৈ গ'লে ৰজা বা ৰাজধানীৰ লগত কমল-নগৰৰ আন একো সম্বন্ধ নাছিল। গোটেই নগৰৰ শান্তি, সমৃদ্ধি একান্তভাৱে নিৰ্ভৰ কৰিছিল এই প্ৰধান ৰাজবিষয়াৰ ওপৰত। প্ৰকৃততে তেৱেঁই আছিল কমল-নগৰৰ একছত্ৰী অধিপতি। অৱশ্যে দ্বিতীয় আৰু তৃতীয় বিষয়া হিচাপে আৰু নগৰৰ নাগৰিকে নিযুক্ত কৰা কেইবাগৰাকীও বৰমূৰীয়া আছিল। সেই সকলোবোৰৰ লগত লগলাগি প্ৰধান বিষয়াই কমল-নগৰৰ হকে সকলো কাম পৰিচালনা কৰাই আছিল তেওঁৰ প্ৰধান কৰ্তব্য। নিজৰ ইচ্ছাৰে যি মন যায় তাকে কৰিবৰ যথেষ্ট শক্তি থকা সত্ত্বেও, কমল-নগৰৰ ইতিহাসত তেনে কোনো ৰাজবিষয়া কেতিয়াও হোৱা নাছিল, যাৰ উচ্ছৃঙ্খলতাত কমল-নগৰত ক্ষুদ্ৰতমো অশান্তিৰ সৃষ্টি হ'ব পাৰে।

এই ৰঙাটিলাৰপৰা উত্তৰলৈ কিছু দূৰত ৰঙা-আলিৰ দাঁতিতে আছিল কমল-নগৰৰ ৰাজহুৱা দেৱমন্দিৰ। সকলো ৰকমৰ ধৰ্মমূলক অনুষ্ঠানেই ৰাজহুৱাভাৱে এই মন্দিৰতেই হৈছিল। মন্দিৰৰ চাৰিও দাঁতিৰ চোতালকেইখন একেলগে কমল-নগৰৰ সমূহ ৰাইজে যেই সেই উৎসৱতে যোগ দিব পৰা ধৰণৰ ডাঙৰ আছিল।

দক্ষিণ পাৰে থকা ৰঙাটিলাৰ দৰেই উত্তৰ পাৰতো বগা-দলঙৰপৰা কিছুদূৰ আহিয়েই, ৰঙা-আলিৰ দাঁতিত পাছফালে প্ৰকাণ্ড লিচুবাৰী আৰু সমুখত ধুনীয়া এখন ফুলনিবাৰী লৈ যিটো দুই মহলীয়া-পকী দালান আছিল সেইটোৱেই কমল-নগৰৰ দ্বিতীয় ৰাজ-বিষয়াৰ আবাসস্থল— নাম আছিল 'ৰূপালী-পাম'। এই

ৰূপালী পাম বা ৰঙাটিলাৰ দৰে কমল-নগৰৰ আন আন ঘৰবোৰ ডাঙৰ নহ'লেও স্বাভাৱিক সৌন্দৰ্যত পিছপৰা নাছিল। গোটেই কমল-নগৰৰ মাজত এনে এটাও ঘৰ নাছিল যিটোৱে কমল-নগৰৰ সমৃদ্ধিৰ উজ্জ্বলতাক অলপো ম্লান কৰিব পাৰে। প্ৰতিটো ঘৰ, প্ৰতিটো আলি, আনকি প্ৰতিজোপা গছ আছিল নিমজ-চিকুণ। এই সুন্দৰ ছবিৰ নিচিনা কমল-নগৰত এনে এখন মুখো দেখা নগৈছিল যাৰ অন্তৰত এধানমানো বিষাদৰ ছাঁ আছে বুলি কোনোবাই ক'ব পাৰে। প্ৰত্যেক গৃহস্থৰে অৱস্থা ইমান সচ্ছল আছিল যে কমল-নগৰৰ মানুহে দুখ কাক বোলে নাজানিছিল। কি ল'ৰা-ছোৱালী, কি ডেকা-গাভৰু সকলোবোৰৰে স্বাস্থ্যৰ দীপ্তিত দীপ্ত, সুন্দৰ সুন্দৰ গৌৰ বৰণ মুখমণ্ডল, কমল-নগৰৰ প্ৰতিখন ঘৰৰ দৰেই আনন্দৰ হাঁহিত সদায় উজ্জ্বল আছিল। এই ধুনীয়া ধুনীয়া নাগৰিকৰে সৈতে ৰঙাটিলা, ৰূপালী-পাম, মন্দিৰ, দলং আদি সকলোবোৰকে লৈয়েই আছিল তেৰশ বছৰ আগৰ কমল-নগৰ—।"

কমল নগৰৰ বৰ্ণনা শেষ কৰি প্ৰ' কিছু সময়লৈ ক্ষান্ত হ'ল। আমাৰ সমুখত থকা প্ৰ'ৰ ছবিখন চাই চাই তাৰ কথাবোৰ একান্তমনে শুনি যোৱাৰ লগে লগেই এনে ধাৰণা হৈছে যেন মই মোৰ এই চাৰিওকাষৰ হাবিখনৰ মাজত— কমল-সৰোবৰৰ প্ৰতিপাহ ফুলি থকা পদুমকে আৰম্ভ কৰি তেৰশ বছৰৰ আগৰ জীৱন্ত কমল-নগৰৰ সম্পূৰ্ণ ছবিখনেই দেখিবলৈ পাইছো। মানস চকুৰ আগত ভাঁহি উঠিছে দুপৰীয়া কোমল ৰ'দত দেখা-নেদেখা দূৰৰ নীলা পৰ্বতবোৰ— চিক্‌মিক কৰি জিলিকি থকা কাঞ্চনমতীৰ ৰূপোৱালী পানীবোৰ তাৰ বুকুৰ ওপৰত ইটাৰে গঢ়া বগা দলং...। দুয়ো দাঁতিতে দূৰে দূৰে থকা সেউজীয়া চিকণ প্ৰতিডাল গছৰ সুশীতল বতাহেৰে ভৰা ছাঁবোৰ সাৰটি লৈ, নিৰ্জীৱ শান্ত হৈ পৰি থকা ৰঙাআলি- তাৰ দুয়ো কাষৰ ধুনীয়া ধুনীয়া ঘৰবোৰ, সমুখত অলেখ ফুলেৰে ভৰা ফুলনিবোৰ, আৰু এই সকলোবোৰৰ লগত সেই ফুলতকৈয়ো ধুনীয়া, হাঁহিৰে উজ্জ্বল সুন্দৰ সুন্দৰ ডেকা-গাভৰুৰ মুখবোৰ।

Scanned with CamScanner

"ওঁ নিজৰাত, অৱশ্যে সি পানীৰ নহয়। দেৱ-মন্দিৰৰ ওচৰতে থকা ধুনীয়া এটা ঘৰ—"

"তোৰ কোনোবা আপোন মানুহৰ আছিল?"

হঠাৎ প্ৰ'ৰ মুখখন বিষাদৰ ছাঁৰে ভৰি গ'ল। তাক আনফালে ঘূৰাই লাহেকৈ ক'লে— "এৰা আপোন...মোৰ অতি আপোনজনাৰ, যি মোক হিয়া উজাৰ কৰি ভাল পাইছিল— যাৰ লগত সেই কৈশোৰৰপৰা একেলগেই ডাঙৰ-দীঘল হৈ উঠিছিলো, অথচ মই মৰণৰ আগমুহূৰ্তলৈকে চিনি নাপালো—"

ব্যগ্ৰ হৈ সুধিলো, "কোন আছিল তেওঁ?"

"কোন আছিল? চিনি পাবি পাছত....ধৰি ল এজনী গাভৰু...."

আমিকেইটা কিছু সময়লৈ মনে মনে থাকিলো। অলপ পাছত প্ৰ'ই আমালৈ ঘূৰি চোৱাত ফুকনেই সৰ্বপ্ৰথম প্ৰশ্নটো কৰিলে, "প্ৰ' তোৰ সেই কমল-নগৰ যদি এনে সুন্দৰেই আছিল তেন্তে আজি তাৰ এই অৱস্থা হ'ল কেনেকৈ?"

সকলোকে হাঁহি প্ৰ'ই উত্তৰ দিলে— "মই সেই কাহিনীয়েই তহঁতক ক'ব খুজিছো। কমল-নগৰক মই বেছিদিন পোৱা নাছিলো। চাবলৈ গ'লে মোৰ জীৱনৰ ভৰ দুপৰীয়া চৌবিছ বছৰ বয়সত মই কমল-নগৰ প্ৰথম দেখো। তাৰ সৈতে— তাৰ সহজ, সৰল, ৰাংঢালী মানুহবোৰৰ সৈতে মোৰ মাত্ৰ দুটা বছৰৰ পৰিচয়। সেই কথাই মই কৈ যাওঁ, তহঁতে শুনি যা—"

দূৰৰ পৰ্বতবোৰৰ ওপৰেদি ভাঁহি যোৱা শুকুলা মেঘবোৰলৈ চাই চাই প্ৰ'ই আৰম্ভ কৰিলে তাৰ কাহিনী। লাহে লাহে সি পাহৰি গ'ল আমাৰ অস্তিত্ব— উভতি গ'ল তেৰশ বছৰ পাছলৈ। মোৰ ধাৰণা হ'ল, মোৰ চকুৰ সমুখত কোনোবাই যেন মেলি ধৰিছে এখন জীৱন্ত উপন্যাস। মই পঢ়ি গৈছো তাৰ প্ৰতিটো শাৰী— প্ৰতিটো শব্দ......

Scanned with CamScanner

এটা উজ্জ্বল ৰাতিপুৱা।

ৰূপালী-পামৰ ফুলনিত এহাল শিশুৱে উলাহত মতলীয়া হৈ ফুলৰ আঁৰে আঁৰে নাচি-বাগি ফুৰিছিল। দুয়োৰে হাতত একো একোটা পাত্ৰত এড়াৰ ৰস আৰু খাগৰিৰ চুঙা— প্ৰতিটো মুহূৰ্তে আকাশৰ বুকুলৈ উৰাই দিছিল ৰতাহেৰে পূৰ্ণ বেলুন। পুৱাৰ বেলিৰ পোহৰ পৰি প্ৰতিটো বেলুনতে সৃষ্টি হৈছিল সাতোটি ৰঙৰ একো একোখন ৰামধেনু।

এই ৰামধেনুৰ সাত বৰণ, প্ৰথমবাৰলৈ চকুত পৰাত উত্তেজিত হৈ মণিয়ে চিঞৰি উঠিল, "চোৱা চোৱা আৰতি। ৰামধেনু..এখন, দুখন, তিনিখন-ইস্ ইমান, ইমানবোৰ ৰামধেনু কেনেকৈ হ'ল বাইদেউ?"

আৰতি মণিতকৈ দুবছৰৰ ডাঙৰ। আৰতিৰ বয়স সাত বছৰ, মণিৰ পাঁচ। সময়ে সময়ে মণিয়ে আৰতিক বাইদেউ বুলি সন্মান কৰে। মণিৰ প্ৰশ্নৰ উত্তৰত আৰতিয়ে আকাশলৈ চাই ক'লে, "কেনেকৈ হ'ল জানা মণি? সৌৱা চোৱা, আকাশত কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে বৈ পৰা ৰামধেনু- আৰু সৰু সৰুবোৰ হৈছে তাৰে ছাঁ পৰি, বুজিছা....?"

"কিন্তু ছাঁততো ৰং নেথাকে...." মণিয়ে আকৌ প্ৰশ্ন কৰে।

আৰতিয়ে উত্তৰ দিয়াৰ আগতেই কেতেকী আহি মণিৰ হাতত ধৰিলেহি— "ছাঁত ৰং থাকক নাথাকক সেইবোৰ এতিয়া নালাগে, ব'লা আইদেৱে মাতিছে। আৰতি ব'লা... দেখিছানে বাৰু; পোছাকটো কেনেকৈ ইমান লেতেৰা কৰিলা? ৰ'বা, তোমালোক দুয়োকে এৰি থৈ যাবলৈ আইদেউক কম..."

কেতেকী উমাৰ ...

হৈ থকা কোঠাটো যেন পোহৰ হৈ গ'ল। কৃত্ৰিম পোহৰ নহয়, উমাৰ ৰূপৰ উজ্জ্বলতাত। উমাৰ ৰূপ আছে। বাহ্যিক ৰূপতকৈয়ো উমাৰ অন্তৰৰ ৰূপৰ জেউতি বেছি। গোটেই কমল-নগৰত উমাৰ নিচিনা সাদৰী গাভৰু আৰু এগৰাকী নাই। তাত এনে কোনো মানুহো নাই যি উমাক ভাল নাপায়। আৰু উমায়ো পৃথিৱীৰ সকলোকে কেৱল ভাল পাবলৈকে শিকিলে।

উমাৰ বয়স পঁচিছ বছৰ— আজি পুৱা সাজি-কাছি ওলাইছে, খেলমাটিত মাঘবিহু উপলক্ষে হোৱা ম'হযুঁজ চাবলৈ। উমাৰ পৰিধানত পাটৰ বনকৰা ৰিহা-মেখেলা। গাত দীঘল হাতৰ ৰঙীণ পাটৰ বুকুবন্ধ চোলা, ডিঙিত সেই একে কাপোৰৰে কোঁচ খোৱা এটা ঘেৰ। অলংকাৰৰ ভিতৰত ডাঙৰ ডাঙৰ সোণৰ মণিৰে গঁথা এধাৰ দুগদুগী। ডিঙিত লাগি থকা এছটা ডাঙৰ নীলা বাখৰ-খটোৱা গলপতা। হাতত গাম-খাৰু, সোণৰ বালা, দুয়ো হাতৰ দুটা আঙুলিত দুটা ধুনীয়া আঙঠি।

তেতিয়াৰ দিনৰ অতি সাধাৰণ পোছাক। কিন্তু উমা ধুনীয়া দেখি এই সাধাৰণ পোছাকতে উমা দেখিবলৈ হৈছে অপৰূপা। উমাৰ ধুনীয়া মুখৰ কৰুণাৰে ভৰা চকুযুৰিয়েই আটাইতকৈ মৰম লগা। খং উমাই জীৱনত কৰি পোৱা নাই, গতিকে এতিয়াও কৰিব নোৱাৰিলে, মাথোঁ আৰতি-মণিৰ ওচৰলৈ গৈ সিহঁতৰ চোলাবোৰ জোকাৰি ধূলি-বালি গুচাই পৰিপাটিকৈ দিয়াৰ লগে লগেই ক'লে—

"কেলৈ? আজি তোমালোকক মই ফুলনিলৈ যাবলৈ হাক দিছিলো নহয়। কিয় গৈছিলা?"

"তুমি আকৌ ইমান বেলি কৰাত হে গৈছিলো...।"

আৰতিৰ কথা শেষ হোৱাৰ আগতেই মণিয়ে মাকৰ ডিঙিত সাৱটি ধৰি প্ৰশ্ন কৰিলে— "বাৰু মা, ৰামধেনুৰ ছাঁত ৰং থাকে নে নাথাকে?"

"ক'ব নোৱাৰো, ভাবি চাব লাগিব। এতিয়া ব'লা যাওঁ, নহ'লে আমাৰ বেলি হ'ব- কেতেকী, মতিক কলিনে...?"

"কলো আইদেউ", খিৰিকীৰে বাহিৰলৈ চাই কেতেকীয়ে আকৌ ক'লে— "সৌৱা, মতিয়ে বাগীত ঘোঁৰাহাল জুৰিছেই। ব'লা মণি, মোৰ হাতত ধৰা-"

উমাই আৰতিহঁতক লগত লৈ কোঠাটোৰ এদাঁতিয়ে থকা দুৱাৰ এখন ঠেলি যিটো কোঠাত সোমাল সেইটো হৈছে যদুখুৰাৰ কোঠা। কোমল দলিচা পতা বহল চালপীৰা এখনৰ ওপৰত বহি সমুখত পাশাৰ চাল লৈ যদুখুৰা আৰু নবীন আতৈ পাশাত মগ্ন। খুৰাৰ সোঁহাতৰ ফালে কাঁহী এখনৰ ওপৰত গোটাদিয়েক বানবাটি। বাঁওফালে দীঘল নলীচাৰে সৈতে গুড়গুড়ী। পাশাত জুতি লগোৱা আনুষংগিক দুয়োটাই ওচৰত। দুয়ো খেলত ইমান মগ্ন যে প্ৰথমবাৰ উমাই মাতিও মাত নাপালে।

Scanned with CamScanner

"খুৰাদেউ আমি তেন্তে যাওঁ....!"

এইবাৰো খুৰাৰ কাণত একো নোসোমাল-কথাটো শুনিলে আতৈয়ে। উমাৰ মুখলৈ চাই ক'লে— "এয়া মোৰ আই! বোলো খুৰা শুনিছা নে নাই বোৱাৰীয়েৰাই কি কৈছে?"

খুৰাই ঢালৰপৰা মূৰ তুলি আতৈলৈ চাই প্ৰশ্ন কৰিলে— "কি কৈছে আতৈ...?" তাৰপাছত উমাহঁতৰ উপস্থিতি বুজি পাই ঘূৰি চালে। ....উমাই এই তৃতীয়বাৰ আকৌ ক'লে— "খুৰাদেৱে দেখিছো পাশাত বহিলে সকলো পাহৰি যায়- আজি যে মাঘৰ বিহু, আমি ম'হযুঁজ চাবলৈ যাওঁ বুলিছো—"

"নিশ্চয় নিশ্চয়, মোৰ অই, যা তহঁত" ...খুৰাই ব্যস্ত হৈ ক'লে, কিন্তু পাছমুহূৰ্ততে আৰু বেছি ব্যস্ত হৈ উঠিল মণিক কেতেকীৰ হাতৰপৰা এৰাই নিজৰ ফালে অহা দেখি। দুয়ো হাতেৰে ঢালখন ঢাকি খুৰাই আকূল হৈ চিঞৰি উঠিল— "ন-ছোৱালী! জীয়েৰক চম্ভাল...।"

খুৰাৰ এই আৰ্তনাদৰ হেতু কোঠাটোৰ প্ৰাণীকেইটিৰ বাহিৰেও বহুতৰে পৰিচিত। খুৰাই মণিকে বোধকৰো আটাইতকৈ বেছি ভয় কৰে। মণিৰো এইটোৱেই ডাঙৰ গৌৰৱ যে ককাদেউতাকে গোটেই কমল-নগৰৰ পঁচিছ হাজাৰ মানুহৰ কাকো ভয় নকৰে, ভয় কৰে মাথোঁ এধানমানি নাতিনীয়েক মণিক। এই ভয়ৰ কাৰণটো কিন্তু নিচেই সাধাৰণ! পাশাই হৈছে খুৰাৰ প্ৰাণ। সেই পাশাৰ ঢালৰপৰা গুটি এটা বা দুটা মণিয়ে ককাকক চুমা দিয়াৰ ছলেৰে ইমান নিপুণ কৌশলেৰে লৈ যায় যে ককাকে বহুত চেষ্টা কৰিও আজি পৰিমিত মণিক হাতে হাতে ধৰিব পৰা নাই। কিন্তু পাশাৰ ঢালৰ ফালে চায়েই খুৰাৰ জীৱ উৰি যায়- গুটি এটা নাই। তাৰ পাছত আৰম্ভ হয় খং কৰা, কাকূতি-মিনতিৰ পাল। কমল-নগৰৰ সকলোৱে ককা-নাতিৰ এই কাণ্ড দেখি বেছ উপভোগ কৰে।

যদুখুৰা অকল উমা-অশোকৰে খুৰা নহয়— খুৰা সকলোৰে উমৈহতীয়া সম্পত্তি। কি সৰু কি ডাঙৰ সকলোৱে খুৰাক 'যদুখুৰা' বুলিয়েই মাতে। দুই-এজন সমনীয়াই খুৰাক 'যদুপাশা', 'পাশা-খুৰা' বুলিও ঠাট্টা কৰি মাতে। খুৰাই তাত অলপো বেয়া নাপায়।

খুৰাৰ জীৱনৰ প্ৰথমছোৱা 'ট্ৰেজেদিৰে' ভৰা। তাক আজি খুৰাই নিজে পাহৰি গ'লেও কমল-নগৰৰ বহুতৰে এতিয়াও মনত আছে। খুৰাৰ বিশ বছৰ বয়সত

ৰাখি, কেতিয়াবা পাৰলৈ গৈ ঘণ্টাৰ পাছত ঘণ্টা ধৰি বৰশী বাই মাছ মৰা। তেওঁৰ বিয়াৰ আগতে লগৰ সমনীয়া বন্ধু-বান্ধৱক বলেৰে লগত নিছিল, কিন্তু বিয়াৰ পাছৰপৰাই লগত নিয়া হ'ল ঘৈণীয়েকক। ঘৰৰ বোৱাৰীক তেনেকৈ লৈ ফুৰাত দুই-চাৰিয়ে বেয়াও পাইছিল, কিন্তু কাৰো কথাত ভ্ৰূক্ষেপ কৰা বিধৰ মানুহেই নাছিল তেওঁ। তেওঁক এই নিচাই এনেকৈ পাইছিল ঘৈণীয়েকৰ গৰ্ভৱতী অৱস্থাতো লগত নিনিয়াকৈ নেৰিছিল। আৰু তাৰ ফলতেই তেওঁৰ প্ৰথম আৰু শেষ সন্তানৰ জন্ম হৈছিল পানীৰ মাজত— নাৱত। কাঞ্চনমতীৰ পানীত জন্ম হোৱা দেখি বাপেকে জীয়েকৰ নামো ৰাখিছিল কাঞ্চনমতী।

এই কাঞ্চনমতীয়ে গাভৰু হৈ যোল বছৰত ভৰি দিয়াৰ লগে লগেই খুৰাৰ লগত বিয়া হয়। খুৰাৰ তেতিয়া বিশ বছৰ বয়স। নৱ-পৰিণীতা ডেকা-গাভৰুহালে যিমানেই বাপেক-মাকৰ আঁতৰত থাকি নতুন যৌৱনৰ প্ৰণয়ৰ সোঁতত নিজক উটুৱাই দিব খোজে সিমানে বাধা আহে বাপেকৰপৰা। কাৰণ এতিয়া খুৰাৰ শহুৰেকে মাছ ধৰিবলৈ যাওঁতে লগত অকল ঘৈণীয়েকক নিয়েই সন্তুষ্ট নহয়; জীয়েক-জোঁৱায়েককো লগত নিলেহে তেওঁৰ তৃপ্তি। গতিকে বাধ্য হৈ নৱ-দম্পতী— মানে খুৰা আৰু খুৰী তেওঁৰ লগত যাব লগা হয়।

বিয়াৰ পাছৰ দুটা বছৰ ঠিক এনেভাৱেই গ'ল। নাৱত যোৱা সংগী আৰু এজন বাঢ়িল। সেইজন হৈছে খুৰা-খুৰীৰ শিশু-সন্তান কেঁচাসোণ। নাৱৰ ছৈৰ তলত নাতিয়েক কেঁচাসোণক লৈ খুৰাৰ শাহুআই, ওচৰত এহাল লিগিৰা-লিগিৰী। নাৱৰ এমূৰে খুৰা আৰু খুৰী, আনটো মূৰত হাতত বৰশী লৈ স্বয়ং শহুৰ দেউতা। খুৰাৰ গোটেই জীৱনটোৱেই বোধকৰো কাঞ্চনমতী, শহুৰ-শাহু, কেঁচাসোণৰ লগত এই নিয়মেই গ'লহেঁতেন, কিন্তু সেইদিনা গধূলিৰ ঘটনাই সকলো ওলট-পালট কৰি দিলে।

খুৰাহঁত সেইদিনাও আগৰ নিয়মেই গৈছিল। তেতিয়া আছিল বাৰিষা— কাঞ্চনমতীৰ বুকুত উপচি পৰা বাৰিষাৰ ঢল। শাহুৱেকে এবাৰ আপত্তি কৰিছিল যদিও শহুৰে নুশুনিলে। ভয় কৰিবৰো একো নাছিল, যিহেতু দিনটো আছিল পৰিষ্কাৰ, মুকলি। নাৱত গোটেই দিনটো ভালেৰেই কটাই গধূলিৰ লগে লগে সকলো উভতিল। অলপ দূৰ অহাৰ পাছতেই ঘটনাটো ঘটিল... লিগিৰাটোৱে শহুৰ দেউতাক ধঁপাতৰ চিলিমটো আগবঢ়াই দিবলৈ গৈ হঠাৎ নিজৰ অসাৱধানতাত পিছল খাই নাৱৰপৰা পানীত পৰি গ'ল। শহুৰ দেউতা আৰু লিগিৰীজনীয়ে তাক লৰালৰিকৈ ধৰিবলৈ গৈ নাওখন এনেকৈ একতীয়াকৈ দিলে যে দুনাই নাওখন সমান হোৱাৰ পৰিৱৰ্তে মানুহে-দুনুহে একেবাৰে উবুৰি খাই গ'ল। খন্তেকৰ

Scanned with CamScanner

ভিতৰতে ঘটনাটো ইমান আকস্মিকভাৱে ঘটিল যে কোনেও নাওখন বচাবলৈ এক মুহূৰ্ত সময়ো নাপালে। এটা আৰ্তনাদ মাথোঁ কাঞ্চনমতীৰ বুকুত উটি খন্তেকতে শেষ হৈ গ'ল। কোনেও নুশুনিলে— কোনেও নাজানিলে। কাঞ্চনমতীৰ বেগৱতী সোঁতত উটি গ'ল শহুৰ, শাহু, কাঞ্চনমতী, কেঁচাসোণ, লিগিৰা-লিগিৰী আৰু খুৰা। এই দুৰ্ঘটনাৰপৰা কেনেকৈ যে খুৰাৰ জীৱন ৰক্ষা পালে সি আচৰিত। বগা দলঙৰ তলিত লাগি ধৰা খুৰাৰ অচেতন দেহাটো এহাল নাৱৰীয়াই পাই তুলি ললে।

এই ভয়াবহ বাতৰি অলপ সময়ৰ ভিতৰতে গোটেই কমল-নগৰত বিয়পি পৰি সকলোকে স্তম্ভিত কৰি দিলে। সেই নিশাই কমল-নগৰৰ শ শ ডেকাই, কাঞ্চনমতীৰ ইমূৰৰপৰা সিমূৰলৈকে গোটেই নিশা জাল মাৰিও এজনকো কিন্তু উদ্ধাৰ কৰিব নোৱাৰিলে।

বেচেৰা খুৰাই সেইদিনাৰেপৰা জীৱনৰ সকলো সৌন্দৰ্য হেৰুৱাই, নিঃশেষে ৰিক্ত হৈ উভতি আহি যি এই কোঠাটোত সোমালেহি আৰু ওলাই নগ'ল। প্ৰায় পাঁচ বছৰলৈ আৰু কোনেও খুৰাক দেখা নাছিল। খুৰাই কথা ক'বলৈ, হাঁহিবলৈ পাহৰি গ'ল। প্ৰথম প্ৰথম খুৰাই দুপৰ ৰাতি, ঘৰৰপৰা ওলাই কাঞ্চনমতীৰ পাৰে পাৰে, গোটেই নিশা ৰিঙিয়াই ৰিঙিয়াই ঘৈণীয়েক কাঞ্চনমতীক মতা, পুতেক কেঁচাসোণক মতা, বহুতেই শুনিছিল— আনকি বহুত পুৱা খুৰাৰ অচেতন দেহাটো কাঞ্চনমতীৰ পাৰত পৰি থকাও বহুতে দেখিছিল। খুৰাৰ ককায়েক, অশোকৰ দেউতাক, তেতিয়াও জীৱিত। ভায়েকক পাহৰাই ৰাখিবলৈ কতনো চেষ্টা নকৰিলে, কিন্তু খুৰাক একোৱেই শান্ত কৰিব নোৱাৰা দেখি সকলোৱে ভাবিছিল খুৰা নিশ্চয় বলিয়া হৈ যাব, কিন্তু খুৰা বলিয়া নহ'ল।

সেই দুৰ্ঘটনাৰ পাঁচ বছৰমান পাছত এগৰাকী উৎসাহী গুৰুৱে খুৰাক দীক্ষা দিলে পাশাৰ। লাহে লাহে খুৰাৰ জীৱনলৈ পৰিৱৰ্তন আহিল। পাশাৰ ফালে মন ঘূৰিল। তাৰ পাছত বছৰদিয়েকৰ ভিতৰতে এনে হ'ল যে খুৰাৰ পাশাই প্ৰাণ, পাশাই ধ্যান, পাশাই জ্ঞান হৈ পৰিল। পুৱা সাৰ পোৱাৰপৰা আকৌ টোপনি অহালৈকে খুৰাৰ কেৱল পাশা আৰু পাশা। পাশাৰ ঢালৰ আঁৰত লাহে লাহে কাঞ্চনমতীৰ স্মৃতি, কেঁচাসোণৰ স্মৃতি, অস্পষ্ট হৈ আহি শেষত সমূলি নাইকিয়া হৈ খুৰাৰ মুখত আকৌ হাঁহি দেখা দিলে।

সি আজি আঠাইছ বছৰ আগৰ কথা। খুৰাক আজি কমল-নগৰৰ সকলো মানুহে সন্মান কৰে, কিন্তু তাতোকৈ বেছি কৰে ভয়। বদৰাগী, বদ্‌মেজাজী বুলি নহয়— ভয় কৰে পাশা-খেলত খুৰাৰ সংগী হ'ব লাগে বুলি। কাৰণ এবাৰ খুৰাৰ পালাত পৰিলে পুৱা পাঁচ বা ছটি ঘণ্টাৰ আগতে খুৰাই কাকো ৰেহাই নিদিয়ে,

তাকো দ্বিতীয় এজন সংগী পালেহে সি ঘটে, নহ'লে গোটেই দিনটোলৈ আৰু সাৰিবৰ একো উপায় নাথাকে। সেইদেখি একমাত্ৰ আতৈৰ বাহিৰে কমল-নগৰৰ প্ৰতিটো বুজন মানুহেই বৃদ্ধ খুৰাক দেখিলেই দূৰতে ফালৰি কাটে, অন্ততঃ যিসকলে খুৰাৰ লগত এবাৰ পাশাত বহিছে।

আজি এই হেন খুৰাৰ পাশাৰ ঢালৰ ফালে মণিক আগবঢ়া দেখি খুৰাই যদি আকুল হৈ চিএঞৰি উঠে তাত আচৰিত হ'বৰ কি আছে? মণি যিমানেই ককাকৰ ওচৰ চাপি গৈছে সিমানেই ককাকে চিএঞৰিছে— "ন-ছোৱালী। ন-ছোৱালী জীয়েৰক চণ্ডাল...."

ন-ছোৱালী হৈ উমাই এইখন ঘৰলৈ অহা আজি দহ বছৰ হ'ল, খুৰাই সেই প্ৰথম দিনাৰেপৰা আজিলৈকে উমাক ন-ছোৱালী বুলিয়েই মাতি আহিছে।

"মণি!" লৰালৰিকৈ জীয়েকৰ হাতত ধৰি উমাই বাধা দিলে।

"নহয় মা, মাথোঁ এটা চুমা—"

খুৰাই ঢালখন হাতেৰে ঢাকি ধৰিলে— "নালাগে, নালাগে তাই মোক চুমা দিব—"

মণিও এৰি দিয়াৰ পাত্ৰী নহয়, অভিমান কৰি ক'লে— "আজি মাঘৰ বিহুৰ দিনাও ককাদেউতাই মোক এটা চুমাও খাবলৈ নিদিয়ে, চাওকচোন 'বীণককা'!" অভিযোগটো কৰিছে নবীন আতৈক। মণিয়ে আতৈৰ নাম থৈছে বীণককা। বীণককাই মণিৰ ফলীয়া হৈ খুৰাক খাটিলে— "তাকেইতো খুৰা, বছৰেকৰ বিহুটোত নাতিনীয়েৰক যেনিবা চুমা এটা খাবলৈ দিলাই..কিন্তু খবৰদাৰ মণি ঢালত হাত নিদিবা!"

"কেলৈ তাত হাত দিম, আপোনালোকে চাই থাকক—"

উমায়ো মণিক আৰু বাধা নিদিলে। ককা-নাতিনীৰ চুমা খোৱা পৰ্বটো শেষ কৰি মণিয়ে অতি শান্তশিষ্ট হৈ ককাকক ক'লে— "ককাদেউতা, এতিয়া আমি ম'হযুজলৈ যাওঁ দেই—"

"বাৰু বাৰু যা মোৰ সোণ—"

উমাহঁত আগবাঢ়িল, কিন্তু হঠাৎ আৰতিয়ে খিল্‌খিল্‌কৈ হাঁহি উঠিলত খুৰাই ঘূৰি চালে।

"কি হ'ল?"

"গ'ল গ'ল, এটি গ'ল.." ঢালৰ ফালে চায়েই খুৰাৰ মুখো শেঁতা পৰি গ'ল। দেখে গুটি এটা নাই। খুৰা, আতৈ, উমাৰ তিনিযোৰ চকুক ফাঁকি দি মণিয়ে তাইৰ

এধানমানি হাতৰ তলুৱাত কি নিপুণ কৌশলেৰে যে গুটি এটা সৰকালে তাক কাৰো চকুত নপৰিল। উমাই এইবাৰ মণিক সঁচাকৈয়ে ডবিয়ালে—

"মণি! এতিয়াই উলিয়াই দিয়া।"

"সেয়া মই কেতিয়া নিলো? তোমালোকে দেখোন মোক চাই আছিলা—" নিৰুপায়ত পৰি খুৰাই খাটিলে— "দি দে মোৰ সোণ, সেৱাটি কৰিছো তোক....!"

আৰতিৰ ককাকৰ প্ৰতি দয়া হ'ল। তায়ে ক'লে— "ককাদেউতা। মণিয়ে ক'ৰপৰা দিব? তোমাৰ চোলাৰ জেপত আছে, ভালকৈ চোৱা।"

চোলাৰ জেপত সঁচাকৈয়ে গুটিটো পাই মণিলৈ চাই খুৰাই গৰ্জি উঠিল— "মোৰ ওচৰলৈ আৰু যদি আহ তোৰ মই ঠেং ভাঙিম।"

"কি? আকৌ? মণিয়ে ককাকলৈ চোঁচা লোৱাত উমাই বাধা দিলে। খুৰায়ো তৎক্ষণাৎ সুৰ বদলাই ক'লে— "যা যা ন-ছোৱালী, তহঁতৰ বেলি হ'ল, এতপৰে চাগৈ যুঁজ আৰম্ভ হ'লেই—"

সকলোকে লৈ উমা কোঠাৰ বাহিৰ হ'ল। দুৱাৰখন জপোৱাৰ আগতে এবাৰ মুখখন ঘূৰাই আতৈলৈ চাই কৈ গ'ল— "নবীন খুৰা, বিহুৰ জলপান নোখোৱাকৈ কিন্তু যাব নোৱাৰা মনত ৰাখিবা।"

"বাৰু বাৰু মোৰ আই, সেয়ে হব—"

খুৰা আৰু আতৈ আকৌ পাশাত মগ্ন হৈ পৰিল। ইফালে উমাই আৰতি, মণি আৰু কেতেকীক লগত লৈ বহিলেহি বাগীত।

চাৰিটা সমান সমান লোৰ বেৰ থকা কাঠৰ চকৰীৰ ওপৰত কাৰুকাৰ্য কৰা চুটি অথচ বহল চাৰিচুকীয়া নাও এখনৰ দৰেই উমাৰ বাগীখন। তাৰ মাজডোখৰ দ, দুফালে দুখন মুখামুখি বহিবৰ আসন। চাৰিটা চুকত ফুলাম পাহি কটা কাঠৰ চাৰিটা খুটা। খুটাকেইটাৰ ওপৰত সামান্য ধেনুভিৰীয়া চন্দ্ৰাতপৰ নিচিনা ছৈ। প্ৰতিটো খুৰাৰ লগতে ওলমি আছে একো একোখন কোঁচাই থোৱা ডাঠ কাপোৰৰ বহুমূলীয়া পৰ্দা আৰু তাৰ লগতে ওলমি থকা দীঘল বনকৰা জৰী একোডালৰ মূৰত একো একোপাট ৰূপৰ বালা। প্ৰয়োজন হ'লে এই ৰূপৰ বালাত ধৰি টান মাৰিলেই মুহূৰ্ততে বাগীৰ ভিতৰখন পৰ্দাৰে ঢাকি পেলায়। বাগীৰ সমুখৰ ফালে পৰ্দাৰ বাহিৰত চালকৰ ওখ আসন। এনে ধৰণৰ যুৰীয়া ঘোঁৰাৰ বাগী তেতিয়াৰ দিনত কমল-নগৰত মুঠতে তিনিখনেই আছিল। এখন উমাৰ, এখন গৌৰীৰ, আনখন বকুলপুৰৰ পাৰ্বতীৰ।

...অলপ সময়ৰ ভিতৰতে উমাৰ বাগী ৰঙা আলিয়েদি বেগেৰে যাবলৈ ধৰিলে। ...আজি পুৱা ৰঙাআলিৰ দুয়ো দাঁতিতে শাৰী শাৰী মানুহ। ল'ৰা-ছোৱালী, ডেকা-

Scanned with CamScanner

গাভৰু, বুঢ়া-বুঢ়ী নানা বয়সৰ, নানা বেশত এই মানুহবোৰে খোজ লৈছে দক্ষিণপাৰৰ এমূৰে থকা খেলমাটিলৈ। সম্ভ্ৰান্ত ঘৰৰ জীয়াৰী-বোৱাৰীহঁতৰ কিছুমান গৈছে আন ধৰণৰ সৰু সৰু বাগীত। কিছুমান গৈছে সৰু গাড়ীত আৰু বেছিভাগেই গৈছে খোজকাঢ়ি। সকলোৰে লক্ষ্য একে ঠাই।

এই দুয়ো কাষৰ জনস্ৰোতৰ মাজেদি ৰাজসিক মৰ্যাদাৰে উমাৰ বাগী ৰঙাআলিৰ বুকুৰ ওপৰেদি বেগেৰে চেকুৰি গৈছে। উমাক দেখি মানুহবোৰে খন্তেকলৈ ৰৈ সসন্মানে বিহুৰ প্ৰীতি-সম্ভাষণ জনাইছে। সকলোৰে মুখত হাঁহি— কোনেও কাকো প্ৰশ্ন কৰা নাই, সুধিবৰ প্ৰয়োজন হোৱা নাই, বাগীৰ এই গাভৰুগৰাকী কোন? উমাক সকলোৱে চিনি পায়। সিহঁতৰ এই আন্তৰিক চেনেহ সম্ভাষণৰ প্ৰতিদান দি দি উমা ক্লান্ত হৈ পৰিছে। এই সন্মান, এই চেনেহ, এই প্ৰীতি সকলোৱে অযাচিতে উমাক যাচিছে, উমা কমল-নগৰৰ দ্বিতীয় ৰাজবিষয়া অশোকৰ পত্নী বুলি নহয়— ই উমাৰ স্ব-উপাৰ্জিত মৰমেৰে জয় কৰা প্ৰতিখন হিয়াৰ চেনেহৰ দান।

যিটো সময়ত উমাৰ বাগী বগাদলং পাৰ হৈ গ'ল, ঠিক সেই সময়তে ৰঙাটিলাৰ তিনি মহলাৰ ওপৰত থকা এটা সুসজ্জিত কোঠাত, মুকুতা আৰু ৰূপহী লিগিৰীয়ে গৌৰীক সজাই দিছিল ৰাজকুঁৱৰীৰ বেশত। এক কথাত গৌৰীৰ পৰিচয় দিবলৈ হ'লে ৰাজকুঁৱৰী বুলিয়েই কোৱা উচিত, যদিও গৌৰী কুঁৱৰী নহয়, কুঁৱৰী বুলি কোনেও সম্বোধনো নকৰে, তথাপি মান-সন্মান প্ৰতিপত্তি আদিত যেই কোনো প্ৰকৃত কুঁৱৰীতকৈ গৌৰী কোনো গুণে কম নহয়। গৌৰীক সকলোৱে কুঁৱৰীৰ চকুৰেই চায়। গৌৰী ৰঙাটিলা অধিকাৰী কমল-নগৰৰ প্ৰধান ৰাজবিষয়া মহামান্য লক্ষ্মীনাৰায়ণ ডাঙৰীয়াৰ একমাত্ৰ সন্তান।

মুকুতাহঁতে সজাই দিছে গৌৰীক— কাৰচিপি কৰা বাছকবনীয়া ৰিহামেখেলাৰে ডিঙিত, হাতত বহুমূলীয়া অলঙ্কাৰ, অপৰ্যাপ্ত নহ'লেও নিচেই কমো নহয়। উমাৰ দৰেই গাত ঘোৰ সেউজীয়া বৰণৰ গুণাৰ ফুলাম চোলা। ভৰিৰপৰা মূৰলৈকে গাৰ প্ৰতিটো অংগ উপযুক্ত প্ৰসাধনেৰে নিখুঁতভাৱে পৰিপাটিকৈ সজাইছে গৌৰীৰ লাহী দেহাটো। ক'তো অলপো ভুল নাই— খুঁত নাই— গৌৰী সুন্দৰী— মুখৰ স্বাভাৱিক ৰূপৰ দীপ্তি এই অলংকাৰৰ প্ৰাচুৰ্যয়ো অলপো ম্লান কৰিব পৰা নাই। উমাৰ নিচিনা সাধাৰণ পোছাকতো গৌৰীক ইমান সুন্দৰেই দেখিলেহেঁতেন।

গৌৰী ৰূপৱতী, উমাও ৰূপৱতী, কিন্তু দুয়োৰে ৰূপৰ মাজত বহুত প্ৰভেদ। উমাক দেখি মানুহ মুগ্ধ হয়, গৌৰীক দেখি আৰু মুগ্ধ হয়। মানুহে উমাৰ মুখত পায় পূৰ্ণিমাৰ জোনাকৰ স্নিগ্ধ কোমলতা, কিন্তু গৌৰীৰ মুখত পায় পুৱাৰ তেজাল

Scanned with CamScanner

বেলিৰ প্ৰখৰতা। উমাৰ চকুলৈ চালে চাই থাকিবৰ মন যায়। গৌৰীৰ চকুলৈ চাই মানুহ মুগ্ধ হয় সঁচা কিন্তু বেছিপৰ সহ্য কৰিব নোৱাৰে, আপোনা-আপুনি চকু তললৈ নামি আহে। শাৰীৰিক আকৃতিত গৌৰী অলপ লাহী, উমা আটিল। ওখই দুয়ো প্ৰায় সমান যদিও উমা গৌৰীতকৈ প্ৰায় ছবছৰৰ ডাঙৰ। দুয়োৰে আৰু পাৰ্থক্য এইখিনিতেই যে উমা দুটি সন্তানৰ জননী, আৰু গৌৰী অবিবাহিতা কুমাৰী।

মুকুতাই গৌৰীৰ খোপাত কপৌফুলৰ ধুনীয়া ঠোকটো মেৰিয়াই দি প্ৰসাধন শেষ কৰিলে। আসনৰপৰা উঠি গৌৰীয়ে ডাঙৰ দাপোণৰ সমুখত নিজৰ প্ৰতিবিম্বটো নিৰীক্ষণ কৰি ঘূৰি চাই তৃপ্তিৰ এটা হাঁহিৰে সৈতে ক'লে— "এইবাৰ ব'ল যাওঁ মুকুতা-"

"ব'লক আইদেউ।"

কোঠাৰপৰা ওলাই তলৰ মহলালৈ গৌৰী ছিৰিয়েদি নামি আহিল সম্ৰাজ্ঞীৰ দৰেই- পাছে পাছে মুকুতা; ছিৰিটো শেষ হৈছে বাপেকৰ জিৰণি কোঠাৰ এদাঁতিয়ে। কোঠাত বাপেকক দেখিয়েই গৌৰীয়ে মাত লগালে— "দেউতা আমি ম'হযুজ্‌লৈ যাওঁ দেই।"

গভীৰ চিন্তাত বিভোৰ লৈ লক্ষ্মীনাৰায়ণ ডাঙৰীয়াই কোঠাটোত লাহে লাহে ঘূৰি ফুৰিছিল। জীয়েকৰ মাতত ঘূৰি চালে। ধীৰ, শান্ত, বিশাল এখন নদীৰ লগত লক্ষ্মীনাৰায়ণক তুলনা কৰিব পাৰি। গম্ভীৰ প্ৰকৃতিৰ লক্ষ্মীনাৰায়ণৰ বহল কপালখনৰ ওপৰত পৰি থকা চুলিবোৰৰ প্ৰায় বেছি ভাগেই পকা। স্বপ্নাতুৰ, ক্লান্ত অলস বিষাদৰ ছাঁ থকা চকুযোৰ তুলি জীয়েকলৈ চালে— গৌৰী ছিৰিটোৰ শেষ ঢাপটোত থিয় দি আছে। দুটা ঢাপৰ পাছত মুকুতা। দুয়োলৈকে মুগ্ধ হৈ চাই ৰ'ল লক্ষ্মীনাৰায়ণ। ভালেমান সময়লৈকে মুখেৰে মাতিব নোৱাৰিলে। গৌৰীৰ এই ৰাজকুঁৱৰীৰ বেশ দেখি, ছিৰিটোত থিয় দিয়া ভংগীটো দেখি খন্তেকলৈ লক্ষ্মীনাৰায়ণে সকলো পাহৰি গ'ল।

নিৰ্বাক বিস্ময়ত একেথৰে গৌৰীলৈকে চাই আছে সঁচা কিন্তু গৌৰীকতো দেওঁ দেখা নাই— গৌৰীৰে ৰূপৰ মাজত দেখিছে আন এজনীক ঃ....সোণালী স্বপ্নেৰে ভৰা যৌৱনৰ ৰঙীণ স্মৃতিবোৰ যেন জীৱন্ত হৈ দেখা দিছে গৌৰীৰ মাজত। সেউতী যেন আকৌ ঘূৰি আহিছে। ঠিক সোতৰ বছৰ আগৰ এনে এটা মাঘৰ বিহুৰ দিনতে, ঠিক এনেভাৱেই ছিৰিয়েদি সেউতীও নামি আহিছিল, পাছে পাছে সেউতীৰ বান্দী তৰা, মুকুতাৰেই মাক। মাথোঁ সোতৰটা বছৰ। অথচ কিমান পৰিৱৰ্তন! কমল-নগৰৰ সন্মানিত পদমৰ্যাদা লৈ এই ৰঙাটিলালৈ উঠি আহিবৰ দুটা বছৰো

পাৰ নহ'ল, সেউতীয়ে ডেৰবছৰীয়া গৌৰীক লক্ষ্মীনাৰায়ণৰ হাতত তুলি দি চিৰজীৱনৰ কাৰণে গুচি গ'লগৈ; আৰু ঠিক মাঘৰ বিহুৰ দুটা দিনৰ পাছতে। সেউতীৰ পাছে পাছে গ'ল তৰা-মুকুতাৰ মাক। আজি দুজনী মাকৰ পৰিৱৰ্তে নামি আহিছে মাকহঁতৰ স্মৃতি লৈ গৌৰী আৰু মুকুতা।

যুৱতী কন্যা গৌৰীৰ মুখলৈ চাই বাৰে বাৰে লক্ষ্মীনাৰায়ণৰ সেউতীলৈকে মনত পৰিছে। হুবহু মাকৰ প্ৰতিমূৰ্তি হৈয়েই যেন গৌৰী বাঢ়ি উঠিছে। গৌৰীৰ প্ৰতি অংগ-প্ৰত্যংগ, মুখৰ মাত, মুখৰ গঢ়, গাৰ বৰণ, নাক, কাণ আনকি মুখৰ হাঁহিটোলৈকে যেন সেউতীৰ সাঁচতে গঢ়া। পাৰ্থক্য মাথোঁ চকু দুটাত। সেউতীৰ চকু আছিল চলচলীয়া, কৌতুকেৰে ভৰা, হাঁহিলে বিজুলীৰ দৰেই মুহূৰ্তে মুহূৰ্তে চিক্‌মিক্ কৰি উঠা। গৌৰীৰ চকুও চলচলীয়া, কিন্তু তাত কৌতুক নাই, আছে স্থায়ীভাৱে বৈ যোৱা মাকৰ চকুৰ সেই চিক্‌মিকনি। সেই দেখিয়েই হ'বলা মানুহে গৌৰীৰ চকুলৈ বেছি পৰ চাই থাকিব নোৱাৰে।

গৌৰীৰ মুখলৈ চাই লক্ষ্মীনাৰায়ণৰ বুকু ঠেলি এটা হুমুনিয়াহ ওলাই আহিল। ভাবিলে, আজি গৌৰী-মুকুতাৰ লগতে সেউতী আৰু তৰাও যদি নামি আহিলহেঁতেন....! কিহৰ অভাৱ লক্ষ্মীনাৰায়ণৰ? ধন, ঐশ্বৰ্য, মান-সন্মান, প্ৰতিপত্তি, শ্ৰদ্ধা-ভক্তি আৰু এই গৌৰীৰ দৰে সন্তান সকলোৱেইতো আছে! পুত্ৰৰ অভাৱ, বোৱাৰীৰ অভাৱ সিও পুৰণ কৰিছে অশোকে, উমাই। তথাপি যেন লক্ষ্মীনাৰায়ণৰ অন্তৰ মৰুভূমিৰ মাজত কোনোবাই মাজে মাজে চিঞৰি উঠে— নাই! নাই!

গৌৰীয়ে আকৌ মাত লগোৱাত লক্ষ্মীনাৰায়ণৰ চমক ভাগিল। লাহে লাহে ওচৰ চাপি আহি নিঃশব্দে গৌৰীৰ মূৰত হাতখন থলে। মাজে মাজে গৌৰীয়ে বাপেকৰ এই ভাবান্তৰ লক্ষ্য কৰে, কিন্তু একো বুজিব নোৱাৰে। আজি অলপ আগ্ৰহেৰেই সুধিলে— "দেউতা, আপুনি বাৰু ম'হযুঁজ নাচায় কেলৈ? আজি আমাৰ লগত বলক....!"

লক্ষ্মীনাৰায়ণে ম'হযুঁজ নোচোৱা নহয়, যিমান দিন সেউতী আছিল, দুয়ো একেলগেই চাইছিল। সেউতী যোৱাৰ লগে লগে ম'হযুঁজ চোৱাৰ আনন্দও শেষ হৈ গৈছে। আজি সোতৰ বছৰ লক্ষ্মীনাৰায়ণে আৰু ম'হযুঁজ চাবলৈ যোৱা নাই। জীয়েকৰ কথা শুনি কৰুণকৈ হাঁহিলে, 'আজলী, তোৰ মাৰ থকা হ'লে আজিও গলোহেঁতেন। তই কেনেকৈ বুজিবি হেৰুৱাৰ দুঃখ কিমান—' কিন্তু মুখ ফুটাই ক'লে— "আই, তহঁতৰ বয়সত ঢেৰ ম'হযুঁজ চালো, এতিয়া বুঢ়া হৈছো; সেইবোৰ চাই আনন্দ কৰা বয়স হৈছে তহঁতৰ। যা আই,- "ৰূপহীজনীকো লৈ নোযোৱা কেলৈ....?"

Scanned with CamScanner

"ৰূপহীক কৈছিলো, তাইহে যাব খোজা নাই। কৈছে আপোনাৰ ইটো-সিটোৰ প্ৰয়োজন হ'ব পাৰে।"

"নহয়, নহয়, মোৰ একোৰে প্ৰয়োজন নহয়, আৰু হ'লেও জয়ৰাম আছে নহয়! ৰূপহী!"

ওলাই আহি ৰূপহীয়ে মাত দিলে— "কি কৈছে দেউতা?"

"আইদেৱেৰাৰ লগত তয়ো যা, মোৰ কিবা দৰকাৰ হ'লে জয়ৰামেই দিব পাৰিব—"

"ভাল দেউতা!"

গৌৰী, ৰূপহী আৰু মুকুতা তিনিও লাহে লাহে নামি গ'ল তললৈ। লিগিৰা পৰিবৃত গৌৰীৰ বাগীখন চকুৰ আঁৰ নোহোৱালৈকে একেথৰে চাই ৰ'ল লক্ষ্মীনাৰায়ণে।

যিটো সময়ত উমাৰ বাগী ৰঙাআলি এৰি খেলমাটিৰ আলিটোৰ ফালে ঘূৰিব খুজিছে, ঠিক সেই মুহূৰ্ততে গৌৰীৰ বাগীও সেইখিনি পালেগৈ। দুয়োখন বাগীয়েই ৰৈ পৰিল। গৌৰীয়ে চিঞৰি মাতিলে— "নবৌ!"

উমাৰ আহ্বানলৈ অপেক্ষা নকৰি গৌৰীয়ে নিজৰ বাগীৰপৰা নামি আহিল— "কেতেকী, তই মুকুতাহঁতৰ লগলৈ যা-"

কথাষাৰ গৌৰীয়ে কেতেকীক কোৱাৰ একো প্ৰয়োজন নাছিল, যিহেতু কেতেকীয়ে জানে যে, গৌৰীয়ে উমাক দেখিলে আৰু এটা মুহূৰ্তও দূৰত থাকিব নোৱাৰে। সেই দেখিয়েই কেতেকী হুকুম পোৱাৰ আগতেই বাগীৰপৰা নামিছিল। এতিয়া মুকুতাহঁতৰ ওচৰলৈ যোৱাৰ লগে লগে কৈ গ'ল— "ভাল গৌৰী আইদেউ; আপোনালোকৰ কিবা দৰকাৰ হ'লেই আমাক মাত দিব-"

"আহ আহ গৌৰী, মই ভাবিছিলো তই হয়তো আগতেই গলিগৈ।" উমাই গৌৰীক হাতত ধৰি বাগীত তুলি ললে। কিন্তু মণিৰ ওচৰত গৌৰীক বহা দেখি আৱতিয়ে অলপো ভাল নাপালে। ইচ্ছা— নিজে গৌৰীৰ ওচৰত বহে। কিছু সময় উচ্‌পিচাই থাকি এবাৰ মণিক খাটিলে— "মণি তুমি মাৰ ওচৰলৈ আহা, মই তাত বহোঁ-"

"ওহোঁ।"

গৌৰীলৈ মণি-আৱতি দুয়োৰে বৰ হেঁপাহ। গৌৰীক ওচৰত পালে দুয়ো মাক-বাপেককো নিবিচাৰে; আনকি গৌৰীক পালে মণিয়ে ককাদেউতাকৰ পাশাৰ গুটিও লুকুৱাত উৎসাহ নেদেখুৱায়। আৱতি-মণিৰ খেলৰ লগৰী গৌৰী। সিহঁতক গৌৰীয়ে কাপোৰৰ পুতলাৰে দৰা-কইনা সাজি দিয়ে। বাঘ গৰু খেলৰ চাল আঁকি দিয়ে,

Scanned with CamScanner

ফৰমাচ মতে নানান ধৰণৰ ছবি আঁকি দিয়ে। সিহঁতৰ লগত কড়ি খেলে, গোলকধাম খেলে, সিহঁতৰ সুকোমল দুখন অন্তৰৰ লগত মিলি, সিহঁতৰ সকলো আব্দাৰ পালন কৰি গৌৰীয়ে আনন্দ পায়। গৌৰীয়ে জানে সিহঁতৰ ঘৰখনৰ আটাইকেইটা প্ৰাণীয়ে গৌৰীক কিমান ভাল পায়- কিমান চেনেহ কৰে। আনেও যে গৌৰীক ভাল নাপায়, চেনেহ নকৰে এনে নহয়, কিন্তু তথাপি সি যেন ঠিক এই ভালপোৱা নহয়। সিহঁতৰ ভালপোৱাৰ মাজত সনা থাকে বেছি সন্মান, বেছি শ্ৰদ্ধা; কিন্তু উমাৰ-অশোকৰ, আৰতি-মণিৰ ভালপোৱাৰ মাজত গৌৰীয়ে পায় আপোন কৰি লোৱাৰ আন্তৰিকতা।

গৌৰী স্বভাৱতে গম্ভীৰ। মানুহে ভাবে গৌৰী দাম্ভিক— অহংকাৰী। কিন্তু উমাই জানে, গৌৰী দাম্ভিকও নহয়, অহংকাৰীও নহয়। গৌৰীৰ সৰু অন্তৰখন-তাৰ প্ৰতি মুহূৰ্তৰ ভাব-গতি উমাই গৌৰীৰ মুখলৈ চায়েই বুজিব পাৰে। মাজে মাজে যদিও উমাই পদমৰ্যাদাৰ গৰ্ব গৌৰীৰ মুখত ফুটি উঠা দেখে, তথাপি তাক অহংকাৰ বুলি ক'বলৈ টান পায়, আৰু তাৰবাবে গৌৰীক দায়ীও নকৰে। সেই সৰুৰেপৰা অযাচিত শ্ৰদ্ধা, সন্মান সকলোৰে ওচৰৰপৰা পাই গৌৰীৰ এনে এটা অভ্যাস হৈ গৈছে যে কেতিয়াবা ক'ৰবাত কাৰোবাৰ ওচৰত তাৰ অলপ ব্যতিক্ৰম হ'লেই প্ৰথমে গৌৰী আচৰিত হয়, পাছত খং উঠে, কাণ-গাল ৰঙা পৰে, চকুৰ পাহি দুটা আধা জাপ খুৱাই গৌৰীয়ে নিজেই এবাৰ কেৰাহিকৈ সেইফালে চায়। গৌৰীক সুধিলে বোধকৰো গৌৰীয়ে নিজেই ক'ব নোৱাৰিব তেনে কিয় কৰে? উমাই কিন্তু বুজে গৌৰীৰ পদমৰ্যাদাত আঘাত লাগিছে। উমাই ভাবে, মানুহে ইয়াকে দেখি গৌৰীক অহংকাৰী বুলি ভাবে কিন্তু তাৰ বাবে দায়ী কোন? উমাৰ ওচৰত, অশোকৰ ওচৰত গৌৰীও দেখো আৰতি-মণিৰ দৰেই চঞ্চলা কিশোৰী হৈ উঠে। সিহঁতৰ দৰে কি অশোক, কি উমা কাৰো সতেতো গৌৰীৰ তেজৰ সম্বন্ধ নাই, তথাপি কেনেকৈ স্বাভাৱিকভাৱেই উমাৰ ঘৰখনৰ প্ৰাণীকেইটিৰ লগত এই নিবিড় সম্বন্ধ গঢ়ি উঠিছে।

উমাই কষ্ট পায় গৌৰীক মানুহে দাম্ভিক বুলিলে, অহংকাৰী বুলিলে। মাতৃহাৰা অভাগী গৌৰীক দেখি উমাৰ পুতৌ হয়। অকলশৰীয়া গৌৰীৰ অন্তৰখন যে কিমান কোমল তাক কোনেও নুবুজে দেখি উমাৰ দুখ লাগে। গৌৰীক উমাই ভাল পায়-উমাই সকলোকে ভাল পায়, কিন্তু গৌৰীৰ কাৰণে অন্তৰত এখনি আছুতীয়া আসনো আছে। এইজনী উমাৰ মাজতে গৌৰীয়ে বিচাৰি পায় নিজৰ মাকক, বায়েকক, অন্তৰংগ বান্ধৱীক।

গৌৰীৰ আৰু আন আন বান্ধৱীও আছে— চম্পা, ৰমা, ৰাধাহঁতেও গৌৰীক

Scanned with CamScanner

ভাল পায়; কিন্তু তথাপি যেন অলপ সংকোচ থাকি যায়। উমাৰ ওচৰত যেনেকৈ অন্তৰৰ সকলো কথা মুকলি কৰি ক'ব পাৰি, মান-অভিমান কৰিব পাৰি, ক'তা চম্পাহঁতৰ ওচৰততো সিমান নোৱাৰি, আৰু চম্পাহঁতেও উমাৰ দৰে গৌৰীক আজিলৈকে লব পৰা নাই! গৌৰীয়ে একো ভাবি নাপায় কিয়? উমায়ো ধৰিব নোৱাৰে ইয়াৰ গুৰি ক'ত? ইয়াৰ কাৰণে গৌৰীৰ পদমৰ্যাদাৰ গৰ্বই দায়ী নে গৌৰীৰ নিজক প্ৰকাশ কৰাৰ অক্ষমতা, নে চম্পা, ৰাধাহঁতৰ মনৰ সংকীৰ্ণতা?

কিন্তু উমাই ইয়াকো জানে, কমল-নগৰৰ আটাইতকৈ ৰাংঢালী গাভৰু, চিৰ আনন্দৰ নিজৰা চম্পাই গৌৰীক ভাল পায়। খুব ভাল পায়, তথাপি সময়ে সময়ে যেন গৌৰীক সহ্য কৰিব নোৱাৰে। উমাই জানে, সকলোৱে মাজত থাকিও গৌৰী সদায়েই অকলশৰীয়া। আপোন বুলিবলৈ গৌৰীৰ পৃথিৱীত একমাত্ৰ বাপেকেই আছে, সেই দেখিয়েই উমাই সেই প্ৰথম দিনাৰেপৰা নিজৰ চেনেহভৰা অন্তৰৰ ছাঁয়াৰ তলত গৌৰীক যতনেৰে ঢাকি ৰাখি পাহৰাই ৰাখিছে সকলো অভাৱৰপৰা। উমাৰ ওচৰত, অশোকৰ ওচৰত, আৰতি-মণিৰ ওচৰত থাকিবলৈ পালে গৌৰীয়ে আন একো নিবিচাৰে, পৃথিৱীত একোৰে অভাৱ বোধ নকৰে। হাজাৰ হওক, ৰূপালীপামৰ মানুহবোৰৰ লগত আন ঠাইৰ দৰে বন্ধুত্বৰ অভিনয় কৰিব নালাগে গৌৰীয়ে।

"মণি, আহা আকৌ মাৰ ওচৰলৈ...।"

মণি-আৰতিৰ বিবাদৰ মীমাংসা কৰি দিলে গৌৰীয়ে নিজে। মণিক কোলাত লৈ আৰতিক নিজৰ কাষতে বহুৱাই বাগী চলাবলৈ হুকুম দিলে মতিক। দুয়োখন বাগীয়েই খেলমাটিৰ উদ্দেশ্যে কোবেৰে আগবাঢ়িল।

Scanned with CamScanner

।। পঞ্চম অধ্যায় ।।

পূৰ্বাভাস

...যি সময়ৰ কথা কৈছো সেই সময়ত মোৰ ঘৰ আছিল বকুলপুৰত। নাম আছিল মোৰ চন্দন— চন্দন, অৰ্থাৎ মই, ৰাজধানীৰপৰা বকুলপুৰলৈ উভতি অহা মাত্ৰ এদিন নে দুদিন হৈছে। প্ৰায় দহ বছৰ ধৰি ৰাজধানীত নানান বিষয়ত শিক্ষা লাভ কৰি আকৌ মাৰ ওচৰলৈ ঘূৰি আহিছো? বকুলপুৰত মোৰ মোমাইদেউহঁতৰ ঘৰ। সৰুৰেপৰা এইখন ঘৰতে ডাঙৰ-দীঘল হৈছো, গতিকে ধৰি লৈছো এইখনেই মোৰ ঘৰ।

মই ঘৰ পোৱাৰ পাছদিনা মোমাইদেৱে মাক কোৱা শুনিলো— "পাৰ্বতী, দহ বছৰ ধৰি চন্দনক বিদেশত ৰাখি পণ্ডিত কৰি আনিলি, এইবাৰ ল'ৰাৰ বিয়াখন পাত, মোৰো আন্ধাৰ হৈ থকা ঘৰখন বোৱাৰী আহি পোহৰ কৰি পেলাওক ঃ কেনে দেখ....?"

মাৰ নাম পাৰ্বতী। মোমাইদেউৰ কথাৰ উত্তৰ মাই কি দিলে নুশুনিলো, কাৰণ সেইফালে মন-কাণ কৰিবৰ মোৰ অৱসৰ নাছিল, যিহেতু মই বিশেষ ব্যস্ত-মোৰ বন্ধু আহিছে। মই ঘৰলৈ ওভতা খবৰ পায়েই কমল-নগৰৰপৰা অশোক মোৰ ওচৰলৈ লৰি আহিছে। অশোক মোৰ বন্ধু, এদিন দুদিনৰ নহয়, সেই কৈশোৰৰপৰাই অশোক মোৰ বন্ধু। এই অশোকৰ লগতে চৈধ্য বছৰ বয়সত, মাক এৰি প্ৰথম ৰাজধানীলৈ যাওঁ পঢ়িবলৈ। ৰাজধানীত তিনিটা বছৰ দুয়ো একেলগেই থাকি অধ্যয়ন কৰিছিলো। তাৰ পাছত শিক্ষা শেষ কৰি অশোক কমল-নগৰলৈ উভতি আহে, মই তাতেই থাকি যাওঁ আৰু সাত বছৰলৈ। অৱশ্যে ইয়াৰ ভিতৰত যে মই অশোকক একেবাৰে দেখা নাই সি নহয়, মাজে মাজে কেইবাবাৰো অলপ সময়ৰ কাৰণে হ'লেও দেখা-সাক্ষাৎ হৈছে। এইবাৰ ৰাজধানীৰ লগত সকলো সংশ্ৰৱ একেবাৰে শেষ কৰি আহিছো-আশা দুয়ো আকৌ ওচৰা-উচৰিকৈ থাকিব পাৰিম।

এই সাত বছৰৰ বিচ্ছেদে আমাৰ বন্ধুত্বৰ বান্ধটো যে অলপো শিথিল কৰি

Scanned with CamScanner

দিব পৰা নাই তাৰ প্ৰমাণ দিছে অশোক এনেদৰে মোৰ ওচৰলৈ লৰি অহাত। অশোক এতিয়া আৰু সাধাৰণ শিক্ষাব্ৰতী ছাত্ৰ নহয়, এজন সন্মানিত ব্যক্তি। লক্ষ্মীনাৰায়ণ অহিবনে কমল-নগৰৰ সৰ্বেসৰ্বা।

অশোকে মোক চেনেহ কৰে। অন্তৰত অপূৰ্ণ হৈ থকা ভ্ৰাতৃৰ আসনত থাপনা কৰি চিৰজীৱন মৰম-চেনেহৰ মাজত ডুবাই ৰাখিছে। বকুলপুৰলৈ আহিছে মোক নিবলৈ। কাইলৈ ভোগালী বিহু। বহুত দিনৰ মূৰত এই বিহুৰ দিনটো মোৰ লগত কটাব-সেয়ে অশোকৰ ইচ্ছা। বকুলপুৰত থাকি নহয়, কমল-নগৰৰ ৰূপালীপামত। মা আৰু মোমাইদেউৰপৰা অনুমতিও পাইছে। বিহুৰ দিনা মোক এনেকৈ এৰি দিবলৈ মাই যিমান টান পায়, তাতোকৈ বেছি টান পায় অশোকক নিৰাশ কৰিবলৈ। মাৰ চকুত আমি দুয়ো সমান। মোৰ আপোন সহোদৰ ভ্ৰাতৃ এজন থকা হ'লে মাই যি চকুৰে চালেহেঁতেন অশোককো মাই সেই চকুৰেই চায়।

উৰুকাৰ ৰাতিটো দুয়ো মাৰ ওচৰত কটাই, পাছদিনা পুৱাতে উঠি গা-পা ধুই খাই-মেলি যাবলৈ সাজু হ'লো। মাই অশোকক ক'লে— "অশোক, উমা আৰু ছোৱালীহালক লৈ তয়ো আকৌ আহিবলৈ নাপাহৰিবি দেই। আজি নহ'লেও কাইলৈ বা পৰিহিলৈ... বিহুৰ নিমন্ত্ৰণ থাকিল, উমাক কবি-"

"মাহীদেউও ভাল, নিমন্ত্ৰণ নাথাকিলেও যে আমি আহিম সেইটো যেন মাহীদেৱে নাজানেহে। ব'ল চন্দন-"

"সেইটো ময়ো জানো অশোক"— মাই হাঁহি ক'লে— "পিছে বন্ধুক পাই জানোচা পাহৰি যাব সেই দেখিয়েই কৈছো-"

"মই পাহৰিলেও যে উমাই নাপাহৰে, সেইটোও মাহীদেৱে ভালকৈয়ে জানে..."

তাৰ উত্তৰত একো নকৈ মায়ে মাত্ৰ অলপ হাঁহিলে। পাছত মোৰ মুখলৈ চাই ক'লে— "চন্দন, বেছি ৰাতি নকৰিবি, সাঁজ লগাৰ আগতেই উভতিবি। পৰ্বতীয়া বাট বুজিছ?"

"বাৰু মা-"

আমি দুয়ো ওলাই আহিলো পদূলিমূৰলৈ। তাত অশোকৰ ঘোঁৰাৰ ওচৰত তিলকক 'শুকুলা'ৰে সৈতে সাজু দেখিলো। শুকুলা মোৰ ঘোঁৰাজনীৰ নাম। তাইৰ দীঘল ডাঙৰ দেহাটো গাখীৰৰ দৰে বগা নোমেৰে ভৰা। তাতে তিলকৰ হাতত পৰি তাইৰ আৰু জেউতি চৰিছে। তেল-তেঙা ঘঁহি শুকুলাক সদায় চিকণ কৰি ৰখাটো তিলকৰ প্ৰধান কাম। তিলক মোৰ লিগিৰা। শুকুলা তাৰ আটাইতকৈ ডাঙৰ গৌৰৱ। সি ভাবে, শুকুলাৰ সমান ডাঙৰ ধুনীয়া ঘোঁৰা পৃথিৱীত আৰু এটাও নাই।

আমি ঘোঁৰা দুটাৰ ওচৰ পাওঁতেই তিলকে শুকুলাৰ পিঠিৰ জীনখনৰ তলেদি ওলমি থকা কাপোৰখন তুলি মোক ক'লে— "চাওকচোন বোপাদেউতা, সকলো দিয়া ঠিক হৈছেনে?"

শুকুলাৰ পিঠিত দীঘলে দীঘলে এটা চেপেটা খাপত কেইপাটমান কাঁড়, ওচৰত সৰু মোনা এটাৰ ভিতৰত নুৰিয়াই থোৱা এডাল মিহি পঘা, আন এটা খাপত মোৰ হাতী দাঁতৰ নাল লগোৱা ছুৰীখন।

আজি কিন্তু এই বস্তুবোৰৰ একো প্ৰয়োজন নাছিল। তিলকে অভ্যাসবশতঃ লগত দিছে।

"তই মোৰ লগত আজি নগ'লেও হ'ব তিলক।"

"ভাল বোপাদেউতা।"

দুয়ো ঘোঁৰাত উঠি ৰাওনা হ'লো। দহ মাইল বাট যাব লাগিব, তাকো পাহাৰ-পৰ্বত বগাই, গতিকে পূৰ্ণ বেগেৰে ঘোঁৰা চেঁকুৰাই দিলো। ক'তো অলপো নৰৈ কেইবাটাও সৰু সৰু পাহাৰ ভাঙি প্ৰথম ৰলোহি শেষ পাহাৰটোৰ টিঙত থকা বহল বগা বিৰাট শিলছটাৰ ওচৰত। তাৰপৰাই ক্ৰমাৎ তললৈ নামিব লাগিব।

...বহুত সময়লৈকে নামিব নোৱাৰিলো। সন্মুখৰ যিটো দৃশ্য চকুত পৰিল তাক উপভোগ নকৰাকৈ নামিবৰ শক্তি নহ'ল। ...পুৱাৰ প্ৰথম সোণোৱালী পোহৰত, ঘৰৰ নৱজাত শিশুক বেৰি ধৰি চেনেহৰ চকুৰে চাই থকাৰ দৰেই চাৰিও দাঁতিৰ ওখ ওখ পৰ্বতবোৰে যেন মুগ্ধ হৈ চাই আছে সিহঁতৰে কোলাত পৰি হাঁহি থকা কমল-নগৰৰ উজ্জ্বল মুখখন। এই প্ৰথমবাৰলৈ কমল-নগৰৰ সৌন্দৰ্য এনেভাৱে চকুত পৰিল। ....পাহাৰ, নদী, গছ, ঘৰ, আলিৰে সৈতে ধুনীয়া ৰঙীণ ছবি এখন হৈ যেন হঠাতে কোনোবাই মোৰ চকুৰ আগত তুলি ধৰিলেহি। মুগ্ধ হৈ ভালেমান পৰ চাই ৰলো। আপোনা-আপুনি মুখৰপৰা ওলাই গ'ল— "কি সুন্দৰ! কি অপূৰ্ব তহঁতৰ এই কমল-নগৰ অশোক। মই কেতিয়াও ভবা নাছিলো...."

অলপকৈ হাঁহি অশোকে ক'লে— "কিয়? কমল-নগৰ আজি হে প্ৰথম দেখিলি নেকি?"

কমল-নগৰলৈ আৰু এবাৰ আহিছিলো; সি অশোকৰ বিয়াৰ সময়ত। তেতিয়া ৰাজধানীত থাকি পঢ়া। মাত্ৰ তিনি দিনৰ কাৰণে অশোকহঁতৰ লগত আছিলোহি। বিয়াৰ তিনিটা দিন অশোকক লৈ, উমাক লৈ আনন্দতে গ'ল। উমাক নবৌৰ সম্বন্ধ পাতি ৰাজধানীলৈ উভতি গৈহে মনত পৰিল, কমল-নগৰলৈ গলো অথচ তাৰ বিষয়ে ক্ষুদ্ৰতমো ধাৰণা নহ'ল। অশোকৰ কথাৰ উত্তৰত কলো—

Scanned with CamScanner

"দেখিছিলো অশোক, তোৰ বিয়াৰ সময়ত, কিন্তু সেই দেখা আৰু আজি দেখা দুয়োটা সম্পূৰ্ণ বেলেগ। আজি দেখি বাৰে বাৰে মনলৈ এই ভাবেই আহিছে যেন ইমান দিন কিবা এটা হেৰুৱাইছিলো আৰু আজি যেন হঠাতে তাক আকৌ ঘূৰাই পালো।"

"সেয়ে হয়তো মাটিৰ মোহ!"

অশোকৰ কথাটো বুজিব নোৱাৰি তাৰ মুখলৈ চোৱাত সি আকৌ ক'লে— "ওপজা ঠাইখনলৈ প্ৰত্যেক মানুহৰে মোহ একোটা থাকে। তাক প্ৰথম উপলব্ধি কৰে যেতিয়া সি তাক হেৰুৱাব খোজে বা হেৰুওৱাৰ বহুত পাছত আকৌ ঘূৰাই পায়-"

অশোকৰ কথা মানি ললো, কিন্তু মনটোত এটা খু-দুৰনি লাগি ৰ'ল। নিজৰ জন্ম হোৱা ঠাইডোখৰৰ প্ৰতি মানুহৰ যি মোহ কমল-নগৰৰ প্ৰতিও মোৰ জানো সেই একে মোহ? তাৰ কথা মতেতো জন্ম হোৱা উচিত আছিল কমল-নগৰত, অথচ মোৰ জন্ম...? হঠাৎ চিন্তাৰ জালখন ছিগি গ'ল। মোৰ জন্ম ক'ত? মনত পৰাৰেপৰা বকুলপুৰত মোমাইদেউহঁতৰ ঘৰত ডাঙৰ-দীঘল হৈছো। এবাৰো ভাবি চোৱা নাই মোৰ জন্ম বকুলপুৰত নে আন ঠাইত? আজিলৈকে কোনেও মোক এই বিষয়ে একো কোৱা নাই- মাই কোৱা নাই, অশোকে কোৱা নাই, আন কোনেও কোৱা নাই। ভাবি আচৰিত হ'লো মই নিজেও কাকো এই বিষয়ে একো সোধা নাই— এবাৰ ভুলতো ভাবিও চোৱা নাই। আজি অশোকৰ একেষাৰ কথাতে বহুত প্ৰশ্নই একেলগে মনলৈ আহিল। মোৰ জন্ম ক'ত? মোৰ নিজৰ ঘৰত নাথাকি মই মোমাইদেউহঁতৰ ঘৰত কিয় এইবোৰ একো আজিলৈকে কোৱা নাই? সৰুতেই ৰাজধানীলৈ গুচি যোৱাত সময় বা সুবিধা পোৱা নাই নে ইচ্ছা কৰিয়েই সকলো মোৰ ওচৰৰপৰা লুকুৱাই থৈছে? অজ্ঞাতে এবাৰ বুকুখন কঁপি উঠিল। ভয় হ'ল জানোচা মোৰ জন্মৰ এটা অতীত ইতিহাস আছে, নহ'লে মোক নক'ব কিয়?

মোৰ মুখলৈ চাই আচৰিত হৈ অশোকে সুধিলে— "কি হ'ল চন্দন?" লৰালৰিকৈ প্ৰকৃতিস্থ হ'বৰ চেষ্টা কৰি ক'লো— "ক'তো একো হোৱা নাই।"

অশোকে কি ভাবিলে ক'ব নোৱাৰো, হঠাৎ মোক দূৰৰ কমল-নগৰৰ দক্ষিণ পাৰৰ মাজত থকা ডাঙৰ ঘৰ এটা দেখুৱাই প্ৰশ্ন কৰিলে— "সেই ঘৰটোৰ নাম জান?"

"নাজানো-"

অলপো উৎসাহ নেদেখুৱাই নীৰস, নিৰ্লিপ্ত কণ্ঠেই ক'লো। অশোকে তীক্ষ্ণভাবে

Scanned with CamScanner

আকৌ মোলৈ এবাৰ চালে। মই বুজা নাই সি কি বিচাৰিছে মোৰ মুখত? ঘৰটোৰ ফালে চাই সি ক'লে— "মই ভাবিছিলো তই জান, ঘৰটোৰ নাম ৰঙাটিলা...চৌবিছ বছৰ আগতে সেই ঘৰখনতে তোৰ জন্ম হৈছিল চন্দন, আৰু...."

অশোকৰ কথা শুনি স্তম্ভিত হৈ গলো— "সেইবোৰ থাকক অশোক আৰু একো ক'ব নালাগে-"

মনৰ সন্দেহ আৰু বদ্ধমূল হ'ল। কিয় ক'ব নোৱাৰো দুগুণে ভয় হৈছে, জানোচা অশোকে মোৰ অতীত জীৱনী ক'বলৈ আৰম্ভ কৰে। সি যদি শুনিবলৈ অপ্ৰিয় হয়? মোৰ জন্ম ৰঙাটিলাত অথচ ডাঙৰ-দীঘল হ'লো বকুলপুৰত, ইয়াৰ অৰ্থ কি?

অশোকে আকৌ প্ৰশ্ন কৰিলে— "কিয়, তই তেনে তোৰ সৰুকালৰ কথা সকলো জান?"

"একো নাজানো। মোৰ জন্মৰহস্য জানি থোৱা যে মোৰ উচিত আছিল সেই কথা আজিলৈকে এবাৰ ভবাও নাছিলো আৰু ভাবিবলৈ সময়ো পোৱা নাছিলো আৰু আচৰিত, কোনেও মোক এবাৰো কোৱা নাছিল। কিন্তু সি যদি শুনিবলৈ সঁচাই অপ্ৰিয় হয় থাওক অশোক মই তাক আজিও শুনিব নোখোজো-"

"অপ্ৰিয়?" আচৰিত হৈ অশোকে ক'লে— "অপ্ৰিয় হ'বলৈ যাব কিয়?"

"অদ্ভুত তই। ...অৱশ্যে অপ্ৰিয় এই কাৰণেই ক'ব পাৰ যে তই সৰুতেই পিতৃহাৰা। লক্ষ্মীনাৰায়ণ ডাঙৰীয়া কমল-নগৰৰ প্ৰধান ৰাজবিষয়া হোৱাৰ আগতেই ৰঙাটিলাত আছিলি তহঁত। কমল-নগৰ আজি ইমান সমৃদ্ধিশালী যিজনাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত হৈছে, সেইজনাৰে একমাত্ৰ সন্তানে তাৰ ফলভোগ কৰাৰপৰা সৰুতেই বঞ্চিত হৈ যোৱাটো অৱশ্যে দুখৰ কথা চন্দন। কমল-নগৰৰ কাৰণে, তাৰ মানুহৰ সুখ-সুবিধাৰ কাৰণেই তোৰ দেউতাৰে জীৱনটো উৎসৰ্গ কৰিলে। তই হয়তো নাজান, চল্লিছ-পঞ্চাছ বছৰৰ আগৰ কমল-নগৰ আছিল খাল-ডোঙেৰে ভৰা, অপৰিষ্কাৰ-অপৰিচ্ছন্ন। তোৰ দেউতাৰে কি অক্লান্ত পৰিশ্ৰম কৰি কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে প্ৰতিডোখৰ মাটি, প্ৰতিটো ঘৰ, প্ৰতিটো আলি ছবিৰ নিচিনা ধুনীয়া কৰি গঢ়ি তোলাৰ লগতে প্ৰতিটো মানুহক বুজাই গ'ল কেনেকৈ নিজৰ দেশখনক ভাল পাব লাগে-ভক্তি কৰিব লাগে-গৰীয়সী কৰি তুলিব লাগে....।"

লক্ষ্মীনাৰায়ণ আছিল মহাদেউৰ সোঁহাত। আজিও ভাবিলে আচৰিত লাগে মহাদেৱে কিমান ভাল পাইছিল নিজৰ ঠাইখনক। মৃত্যুশয্যাতো আনকি তাৰেই স্বপ্ন দেখিছিল। অন্তিম সময়তো এবাৰ নিজৰ স্ত্ৰী-পুত্ৰৰ কথা নাই ভবা—ভাবিছিল

Scanned with CamScanner

কমল-নগৰৰ কথা। লক্ষ্মীনাৰায়ণৰ হাতত ধৰি কৈছিল— "আৰু বহুত কৰিবৰ আশা আছিল, সময় নাপালো। তুমি থাকিলা-তুমিয়েই কৰিবা লক্ষ্মী।"

খন্তেক মনে মনে থাকি অশোকে আকৌ ক'লে— "লক্ষ্মীনাৰায়ণো অকৃতজ্ঞ নহয়, নিজৰ সাধ্য অনুসৰি মহাদেউৰ কথা ৰাখিছে। মহাদেউ ঢুকুৱাৰ পাছত মাহীদেৱে তোক লৈ গুচি যায় বকুলপুৰলৈ তোৰ মোমায়েৰহঁতৰ ঘৰলৈ। তই তেতিয়া তিনি চাৰি বছৰীয়া শিশু। তেতিয়াৰপৰাই তই তাত...."

তৃপ্তিত, গৌৰৱত মুগ্ধ হৈ অশোকৰ কথাবোৰ শুনি গৈছিলো। সি ক'বলৈ এৰাত ব্যগ্ৰ হৈ সুধিলো— "তাৰ পাছত..."

আগৰ সুৰতেই সি কৈ গ'ল— "তাৰ পাছত আৰু কি হ'ব! এই বকুলপুৰৰ হাবিত সেই মহাদেউৰ ল'ৰা হৈ তই এটা গোটগৰু হৈ ডাঙৰ হৈছ। নিজৰ জন্মৰ কথা, দেউতাৰৰ কথা তই আজিলৈকে নাজান। সঁচাই চন্দন, তই মোক আচৰিত কৰিলি....।"

অপৰাধীৰ দৰেই তাৰ মুখলৈ চোৱাত অলপ হাঁহি সি মোৰ পিঠিত এটা ঢকা মাৰি ক'লে— "ব'ল ব'ল এইবাৰ যাওঁ, আৰু যদি কিবা শুনিবৰ ইচ্ছা থাকে মাহীদেউক সুধিবি-"

ভাবিলো, নিশ্চয় সুধিম, কিন্তু প্ৰথমেই সুধিম মোক কিয় ইমান দিন একো কোৱা নাছিল।

আনন্দ মনেৰেই ক'লোঁ— 'বেছ ব'ল।'

দুয়ো শিলছটাৰপৰা তললৈ নামিবলৈ আৰম্ভ কৰিলোঁ। কিছু সময়ৰ ভিতৰতে সমতল ঠাই পালোঁহি। প্ৰথমেই আমাক অভ্যৰ্থনা কৰিলে। কমল-সৰোবৰে। ঘোঁৰা দুটাক পানী খুৱাই আকৌ ৰাওনা হ'লোঁ। এতিয়া আমি কমল-নগৰৰ মাজত। ৰঙাআলিত উঠিয়েই অশোকে সুধিলে— "এইবাৰ কোনফালে যাবি? খেলমাটিত উমাহঁতক লগ ধৰিবি নে ৰূপালীপামত বহি বাট চাবি?"

"আহিছোঁ যেতিয়া ম'হযুঁজখননো এৰোঁ কেলৈ? ব'ল খেলমাটিলৈকে প্ৰথমে যাওঁ।"

দুয়ো আগবাঢ়িলোঁ। বগাদলং পাৰ হৈ ৰঙাআলিৰে নগৈ এটা চমু আলি ললোঁ। খেলমাটি যেতিয়া পালোঁগৈ তেতিয়া খেলমাটি আৰু খেলমাটি হৈ থকা নাই। জনসমুদ্ৰৰ মাজত এচপৰা মুকলি মাটিও চকুত নপৰিল। মানুহ ফালি মাজত সোমাবৰ চেষ্টা নকৰি অলপ দূৰৈত থকা গছ এডালৰ ছাঁত দুয়ো ৰলোঁগৈ। তাৰপৰাই দেখিলোঁ খেলমাটিৰ সোঁমাজতে ডাঙৰ ঘূৰণীয়া এডোখৰ ঠাই মুকলি

Scanned with CamScanner

ৰাখি তাৰ চাৰিওদাঁতিয়ে একঁকাল ওখলৈ বাঁহৰ বেৰদি ঘেৰি ৰাখিছে। বুজিলোঁ সেইডোখৰেই যুঁজৰ ঠাই। এফালে দেখিলোঁ তালৈ সোমাব পৰাকৈ এনল বহল বাট এটা মাথোঁ মুকলি কৰি থোৱা হৈছে। বেৰৰ দুটা দাঁতিত বেৰত লগাকৈ একোখন বহল ওখ চাং। এখন উত্তৰ ফালে, আনখন দক্ষিণ ফালে। পূব আৰু পশ্চিম দাঁতি দুটা মুকলি। এই চাং দুখনৰ ওপৰত, তলত আৰু মুকলি ঠাইবোৰৰ চাৰিসীমা জুৰি শাৰী শাৰী ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী নানান বেশত; নানা বয়সৰ অলেখ মানুহ, আনকি ভিতৰলৈ সোমোৱা বাটটোও মানুহেৰে ভৰা।

এই হাজাৰ হাজাৰ মানুহৰ ভিতৰত বহু সময়লৈকে এখনো চিনাকি মুখ নেদেখিলো। দেখিম বুলি আশাও কৰা নাছিলোঁ। কিন্তু চাৰিওফালে চকু ফুৰাই চাই থাকোতে হঠাৎ চকুত পৰিল, মোৰ সোঁফালে থকা চাংখনৰ ওপৰত বহি থকা এজনী গাভৰু। মুখখন মোৰ চিনাকি... হয় সেয়া চম্পা, মোৰ কৈশোৰৰ খেলৰ লগৰী, মই পাতিলোৱা ভনী, বকুলপুৰত সৰুৰেপৰা একেলগেই ডাঙৰ-দীঘল হৈ উঠিছোঁ। মনত পৰিল বছৰদিয়েকৰপৰা বুঢ়ী আইতাকৰ সৈতে কমল নগৰত আছেহি। মোৰ দৃষ্টি লক্ষ্য কৰি অশোকেও সেইফালে চাই সুধিলে— "সেয়া কোন নিশ্চয় চিনি পাইছ?"

"নোপোৱাৰতো কোনো কাৰণ দেখা নাই অশোক। অকল চম্পাকে নালাগে, তাইৰ চিৰকলীয়া চঞ্চল পুৰণা সুন্দৰ হাঁহিটোও। কিন্তু তাৰ বাহিৰে তোৰ কমল-নগৰৰ বাকী সকলোৰেই দেখিছোঁ মোৰ অচিনাকি—"

"আশাকৰো এইবাৰ হয়তো লাহে লাহে সকলো চিনিবি।"

"মোৰো সেয়ে আশা।"

আকৌ চম্পাৰ ফালে চালোঁ। চাৰিওফালৰ মানুহবোৰৰ আনন্দ-কোলাহলৰ মাজত, হাঁহিৰ শব্দটো শুনা নাই যদিও দেখিলো চম্পাই হাঁহিছে। ওচৰৰ আন আন গাভৰুবোৰেও হাঁহিছে। তাৰ কাৰণটো হয়তো চম্পাৰে সৃষ্টি— চিৰজীৱন তাই এনেকৈ হাঁহিয়েই কটাব নেকি?

প্ৰশ্নটো নিজকে কৰিছিলোঁ, কিন্তু তাৰ উত্তৰটো দিলে অশোকে, — "যদি সেয়ে হয় ক্ষতি কি চন্দন? সিটো ভগৱানৰ শ্ৰেষ্ঠ আশীৰ্বাদ।—উমাহঁতক দেখিছ নে নাই?"

"ক'তা নাই দেখা..." বিপৰীতফালে থকা চাংখনলৈ আঙুলিয়াই অশোকে দেখুৱালে। তিনি বছৰৰ মূৰত আকৌ উমাক দেখিলোঁ। লগত আৰতি-মণিকো দেখিলোঁ। মণিক মই তাইৰ দুবছৰ বয়সতে শেষবাৰলৈ দেখা-বিয়াৰ পাছত উমাক

আৰু কেইবাবাৰো লগ পাওঁ। সিহঁত দুয়ো মোৰ লগত তেতিয়াৰপৰাই নতুন সম্বন্ধ পাতি লৈছে— মই সিহঁতৰ 'চন্দন-মামা'। উমাৰ ফালৰপৰা চকু দুটা সোনকালে ঘূৰাব নোৱাৰিলোঁ। সেইফালে চাই ক'লো,—"অশোক, নবৌৰ দেখিছো বয়স বাঢ়িছে মানে ৰূপো দুগুণে চৰিছে।" উত্তৰ নিদি অশোকে মাথোঁ অলপ হাঁহিলে। ঠাট্টা কৰি সুধিলোঁ— "গৰ্ব হৈছে নেকি?"

"হ'বতো নহ'ব কেলৈ?" বিবাহিত জীৱনৰ দহটা বছৰ উমাৰ লগত কটায়ো অশোকে মুগ্ধ হৈয়ে উমাহঁতৰ ফালে চালে। এইবাৰ মোৰ চকুত পৰিল উমাৰ কাষতে বহি থকা এগৰাকী গাভৰুলৈ। কেতিয়াও দেখা নাই। অশোকক সুধিলোঁ, — "কোন, সেয়া?"

উমাৰ চাৰিওকাষেই গাভৰু। ধৰিব নোৱাৰি প্ৰশ্ন কৰিলে, "কাৰ কথা সুধিছ..?"

মোৰ সুবিধাৰ কাৰণেই হওক বা আন কাৰণেই হওক, ঠিক সেই মুহূৰ্ততে উক্ত গাভৰুৱে বহাৰপৰা উঠি উমাক কিবা এটা কৈ চাঙৰ মাজে মাজে গজেন্দ্ৰ-গমনে এদাঁতিয়ে নামি তলৰ মানুহবোৰৰ মাজত আঁৰ হৈ গ'ল। অশোকে দেখি ক'লে, — "সেয়া? আৰে সেয়া গৌৰী! লক্ষ্মীনাৰায়ণৰ জীয়েক।" কথাষাৰ অশোকে এনেভাৱে ক'লে যেন গৌৰীক মই চিনি নোপোৱাত সি আচৰিত হৈছে।

গৌৰী! গৌৰী! মনে মনে দুবাৰ আওৰালোঁ নামটো। ক'ৰবাত যেন শুনিছোঁ এই নাম। কোনে কৈছিল? কাৰ মুখত শুনিছিলোঁ? উমাৰ? নে চম্পাৰ?... হয়, হয়, বোধকৰো চম্পাৰে —মুহূৰ্তৰ পাছত সকলো পৰিষ্কাৰ হৈ গ'ল। মনত পৰিল চম্পাৰ মুখতে এই নাম প্ৰথম শুনিছিলোঁ। এদিনৰ দৃশ্য এটা চকুৰ আগত ভাঁহি উঠিল— চম্পাই কৈছিল মোক ঃ "বুজিছা দাদা, কিনো ক'ম গৌৰী মহাৰাণীৰ ভেমৰ কথা, মাটিত যেন ভৰিয়েই নপৰিব..."

চম্পাৰ দুৰ্বলতা ক'ত মই জানো। খং তুলিবলৈ তাতেই আঘাত কৰিলোঁ— "যা যা। ছোৱালীজনী নিশ্চয় তোতকৈ বেছি ধুনীয়া, সেই দেখি হিংসাতে কৈছ।"

গৌৰী, উমাতকৈয়ো চম্পা ৰূপৱতী। কমল-নগৰৰ, বকুলপুৰৰ সকলো গাভৰুৰ মাজত চম্পা শ্ৰেষ্ঠ সুন্দৰী, তাক সকলোৱে জানে। চম্পাই নিজেও জানে, তথাপি তাইৰ ভয় নুগুচে জানোচা কোনোবাই তাইক সেই উচ্চ আসনৰপৰা নমাই দিয়ে। মোৰ কথা শুনি ভেকাহি মাৰি উঠিল—'ইস্ কি মোৰ পানী খোৱা পুখুৰীত বিহ দিলে যে হিংসা কৰিবলৈ যাম? ভেম আছে দেখিহে..। কিন্তু দাদা, দেখিবলৈ হ'লে সঁচাকৈয়ে ধুনীয়া উমা বাইদেউতকৈয়ো বেছি—"

"তোতকৈ একা?"

Scanned with CamScanner

"ফুঃ!" অলপ গম্ভীৰ হোৱাৰ ভাও ধৰি ক'লে — "অৱশ্যে মোতকৈ দুহাত পাছতে ৰৈছেহি আৰু সদায় ৰৈয়ে থাকিব। গৌৰীয়ে তাক জানে আৰু তাৰ বাবে আশাকৰো দুখো নকৰে— "দাদা, তুমি এটা কাম কৰা।"

"কি?"

"তুমি গৌৰীক বিয়া কৰোৱা, দুয়ো বেছ মিলিবা..."

থাপ মাৰি তাইৰ চুলিকোছাত ধৰিব খুজিছিলোঁ, কিন্তু তাই যিমান ধুনীয়া তাতকৈ ঢেৰ বেছি টেঙৰ। কথাটো কৈয়ে মোৰ ওচৰপৰা আঁতৰি দূৰৈত থিয় দিলে, গতিকে আন পথ ললোঁ। তাই কোৱাৰ দৰেই গম্ভীৰ হৈ ক'লোঁ— "দুয়ো বেছ মিলিম চম্পা? কিন্তু মই ভাবিছিলোঁ তোৰ লগতে হে বেছি মিলিম বুলি.."

চম্পাৰ গাল দুখন ৰঙা হৈ উঠিল ঃ "ছিঃ ছিঃ দাদা। তোমাৰ যদি লাজ আছে মই যে তোমাৰ ভনী হওঁ, নহ'লে—"

"নহ'লে কি?"

"নহ'লে কোনো গৌৰীক তোমাৰ ওচৰলৈ আহিবলৈ নিদিলোহেঁতেন—" পাছ মুহূৰ্ত্তত চম্পা মোৰ ওচৰৰপৰা দৌৰ দিলে।

সেই গৌৰীকে আজি দেখিলোঁ। চাঙৰপৰা নামি যোৱাত অশোকক সুধিলোঁ— "নামি ক'লৈ গ'ল?"

অলপ ভাবি অশোকে ক'লে—"বোধকৰো আনখন চাঙত থকা চম্পা, ৰমা আদি বান্ধবীসকলৰ ওচৰলৈ—"

তাৰ পাছত কি উমা কি চম্পা কালৈকো আৰু চোৱা নহ'ল। চকু দুটা আপোনা-আপুনি ঘূৰি গ'ল দুটা উন্মত্ত পশুৰ ফালে। যুঁজ আৰম্ভ হৈছে। দুটা ডাঙৰ ডাঙৰ তেজী ম'হে দুফালৰপৰা ইটোৱে সিটোক মত্ত হৈ আক্ৰমণ কৰিছে। দুয়োটাই সমান বলী। সিহঁতৰ শিঙে শিঙে লাগি হোৱা শব্দ ভালেমান আঁতৰত থাকিও স্পষ্ট শুনিছোঁ। সিহঁতৰ ঠেঙৰ তলৰ মাটিডোখৰ কঁপিছে—

ঘোঁৰাৰপৰা নামি অশোকে মোক অপেক্ষা কৰিবলৈ কৈ মানুহ এজনৰ লগত গল্প কৰি কৰি মানুহবোৰৰ মাজত অদৃশ্য হৈ গ'ল। ম'হ দুটাৰ ফালৰপৰা মই কিন্তু চকু দুটা ঘূৰাব পৰা নাই। দূৰত থাকিও ঘোঁৰাৰ ওচৰৰপঁৰা ভালকৈয়ে যুঁজ দেখি, তথাপি আৰু অলপ ওচৰ চাপি গলোঁ। অলপ পাছতে দেখিলোঁ, দুয়োটাৰে শিঙৰ গুৰিয়েদি তেজ বিৰিঙি ওলাইছে। তপত তেজৰ গোন্ধ পাই দুয়োটা আৰু হিংস্ৰ হৈ উঠিছে, তেজো ওলাইছে দুগুণ। চাই থাকোতে থাকোতেই দুয়োটাৰে মূৰ দুটা ৰাঙলী হৈ উঠিল। তথাপি কোনেও কাকো এৰা নাই। কিন্তু মন কৰি

Scanned with CamScanner

দেখিলো মোৰফালে মুখ কৰি থকা ম'হটো যেন ক্ৰমাৎ দুৰ্বল হৈ অহিছে। তাৰ প্ৰতিদ্বন্দ্বীক আক্ৰমণ কৰিবলৈ এৰি নিজক ৰক্ষা কৰিবলৈকে সি আপ্ৰাণ চেষ্টা কৰিছে। সময় বুজি তাৰ শত্ৰুৱেও তাক ক্ৰমাৎ ঠেলি নিছে। বেচেৰাই বুজিছে, তাৰ পৰাজয় অৱশ্যম্ভাৱী আৰু পৰাজয় মানেই মৃত্যু। সি তাক বিচৰা নাই। হ'লেই বা পশু, সিওতো বাচি থাকিব খোজে। সেই দেখিয়েই হয়তো প্ৰাণপণ শক্তিৰে তাৰ প্ৰতিদ্বন্দ্বীক ৰাখিব খুজিছে, কিন্তু পৰা নাই। তাক ঠেলি নি নি মানুহে বেৰি থকা খোলা বাটটো পোৱাইছেগৈ। ... সেইফালে চকু পৰাত আকৌ এবাৰ গৌৰীক দেখাৰ সুযোগ মিলিল। মানুহৰ মাজে মাজে বিহুৰ সম্ভাষণ লৈ গৌৰী সেই সময়তে ঠিক সেইখিনি পাইছেহি। আনখন চাওঁলৈ এতিয়াও আধাবাট বাকী।

ম'হ দুটা মানুহবোৰৰ একেবাৰে ওচৰ পোৱা দেখি সকলোৱে চিয়ঁৰি উঠিল। চিয়ঁৰ শুনি খন্তেকলৈ বিজয়ী ম'হটোৱে যুঁজ এৰি মূৰটো তুলি চোৱাত হাৰিব খোজাটোৱে সেই মুহূৰ্তৰ পূৰা সুযোগ ললে। হঠাৎ সি ঘূৰি লৈ প্ৰাণপণ শক্তিৰে সেই খোলা বাটেৰে মানুহবোৰৰ মাজেদি প্ৰাণ লৈ ল'ৰ দিলে। বিজয়ীটোৱে গৰ্জন কৰি তাক খেদি গ'ল। সিহঁতৰ সমুখৰ মানুহবোৰ যেয়ে যেনি পায় ছিটিকি পলাবলৈ ধৰিলে। চাৰিওফালে হুলস্থূল লাগি গ'ল। ঘটনাটো চাই থাকোঁতেই ইমান অতৰ্কিতে কেনেকৈ যে ঘটিল তাক জুকিয়াই ভাবিবলৈকে সময় নাপালো। বিপদটো ঠিক মোৰ সম্মুখত নহয়, বেৰৰ সিপাৰে। কিছুমান মানুহক দেখিলোঁ ম'হ দুটাক ধৰিবৰ কাৰণে পাছে পাছে খেদি যোৱা। মই তেতিয়ালৈকে কি কৰা উচিত একো ঠিক কৰিব পৰা নাই। সকলো অচিনাকি মানুহ। কিন্তু সেই মুহূৰ্ততে সকলো মানুহৰ চিয়ঁৰ-বাখৰৰ মাজত এটা চিনাকি চিয়ঁৰ কাণলৈ আহিল ঃ উমাই প্ৰাণপণ শক্তিৰে আকুল হৈ চিয়ঁৰিছে— "গৌৰী! গৌৰী...।"

পাহৰি গৈছিলো গৌৰীও যে অলপ আগতে সেই ঠাইডোখৰ পাইছিলহি। একো নভবাকৈয়ে হঠাৎ ঘোঁৱাজনী মানুহৰ মাজেদি চেকুৰাই নিলোঁ আৰু একে জাপেই বেৰখন পাৰ হৈ যিফালেদি ম'হহাল ওলাই গৈছিল সেই ফালেই বিজুলী বেগেৰে আগবাঢ়িলো।

"দাদা! দাদা!..."

মোক নে আন কাৰোবাক কোনে মাতিলে কাণ কৰিবলৈ নহ'ল। কিছুদূৰ গৈয়ে দেখিলোঁ বিজয়ী ম'হটোক চাৰিওফালৰপৰা কিছুমান মানুহে ধৰিবলৈ চেষ্টা কৰিছে। তাৰ কিছু আগত পলৰীয়া ম'হটো সমানে দৌৰিছে— লক্ষ্য আগত থকা হাবিখন, আৰু দেখিলো ম'হটোৰ আগে আগে কিছুমান মানুহেও প্ৰাণ লৈ

Scanned with CamScanner

পলাইছে। চিনিবলৈ সময় নালাগিল, মানুহজাকৰ মাজত গৌৰীও আছে।

ক্ৰমাৎ ম'হটো আৰু মানুহবোৰ হাবিৰ কাষ পাইছেগৈ। হাবি সোমাবাৰ লগে লগেই যেয়ে যেনি পায় বাট ললে। সকলোবোৰেই নিজৰ নিজৰ প্ৰাণ লৈ ব্যস্ত।

গৌৰীৰ দুৰ্ভাগ্য— যিটো বাট গৌৰীয়ে ললে, সেই একেটা বাটেই ললে ম'হটোৱে। গৌৰীয়ে ক'ব পৰা নাছিল, কিন্তু এবাৰ পাছলৈ চায়েই এটা চিয়ঁৰ মাৰিলে— ভাবিছিলো গৌৰী পৰি যাব, কিন্তু নগ'ল। গৌৰীয়ে সকলো শক্তিৰে আকৌ দৌৰিছে। মই ম'হটোৰপৰা তেতিয়াও ভালেখিনি দূৰত, কিন্তু ওচৰ পায়েই বা কি কৰিম ঠিক কৰিব পৰা নাই।

হঠাৎ মনত পৰিল কৈশোৰৰ দিনবোৰলৈ। চম্পা, মই, শুকুলা আৰু বকুলপুৰৰ হাবিৰ সৰু সৰু জন্তুবোৰলৈ— ভাবিবলৈ নৰ'লো... তিলকে পুৰা লগত দিয়া পঘাডাল উলিয়াই তৎক্ষণাত তাৰ এমুৰে চোঁচনা গাঁঠি দি কৈশোৰৰ দিনবোৰৰ দৰেই চেষ্টা কৰিলোঁ, শহা-পহুৰ ঠাইত দূৰৰেপৰা এটা উন্মাদ ম'হ গাঁঠিবলৈ।

তিনিও সমানে গৈছোঁ। গৌৰী আগত, ম'হটো মাজত আৰু মই ঘোঁৰাৰে সৈতে পাছত। এবাৰ দুবাৰ তিনিবাৰৰ মূৰত সফল হ'লো। ম'হটোৰ ডিঙিত নহ'লেও শিঙৰ গুৰিত গাঁঠিটো লাগিল। কিছুদূৰ সি মোক ঘোঁৰাজনীৰে সৈতে টানি নিলে যদিও তাৰ দুৰ্বল শিঙত জোৰ পৰাত অলপ পাছতে বৈ পৰিবলৈ বাধ্য হ'ল। লৰালৰিকৈ ওচৰৰ গছ এডালত পঘাডালৰ আনটো আগ বান্ধি গৌৰীলৈ চালো। গৌৰীয়ে সমানে দৌৰিছে, এবাৰো পাছলৈ চোৱা নাই। ম'হটো বন্ধা সময়কণতে গৌৰী ভালেমান দূৰ আগবাঢ়িল। দুবাৰমান চিয়ঁৰিলোঁ কিন্তু ক'ব নোৱাৰো গৌৰীয়ে শুনিলে নে নাই— এবাৰ নৰ'লেও পাছলৈকে ঘূৰি নাচালে— সমানে কেৱল দৌৰিছে।

ঘূৰাই আনিবলৈ ময়ো পাছে পাছে গ'লো, কিন্তু অতপৰে দুয়ো ভালেখিনি হাবিৰ ভিতৰ সোমালোগৈ। গৌৰীৰ ওচৰ পোৱাৰ অলপ আগতেই হঠাৎ ওলাই থকা গছৰ শিপা এডালত উজুতি খাই গৌৰী পৰি গ'ল। লৰালৰিকৈ উঠিব খুজিছিল, কিন্তু ঠিক পাছফালে মোৰ ঘোঁৰাজনীৰ খুৰাৰ শব্দটোকে ম'হৰ শব্দ ভাবি জীৱনৰ সকলো আশা এৰি দুয়ো হাতেৰে মুখখন ঢাকি পেলালে।

মই গৌৰীৰ ওচৰত ৰলোঁহি। গৌৰী শিয়ঁৰি উঠিছে। ঘূৰি চাবৰ সাহ নহ'ল, হয়তো ভাবিছে, কোন মুহূৰ্তত ম'হটোৰ শিংটো পিঠি ভেদি বুকুবেদি ওলাই যাব। ... আচৰিত হ'লো তেতিয়ালৈকে ডাঙৰ ঘৰৰ আলসুৱা জীয়ৰী গৌৰীক মূৰ্ছিত হোৱা নেদেখি। আধা বহা আধা উঠা অৱস্থাতে হাতেৰে মুখখন ঢাকি নিশ্চল

Scanned with CamScanner

হৈ ৰৈ আছে। চকু মেলি মৃত্যু আঘাত ল'ব পৰা শক্তি আৰু সাহ দেখিছো গৌৰীৰ নাই।

লাহেকৈ মাত দিলো— "উঠক।"

মোৰ মাতত গৌৰীয়ে ভৰসা পাওক ছাৰি দুগুণ ভয়হে খালে, 'উস্ ভগৱান।'

গৌৰীয়ে এতিয়াও পাছফালে আমাক ম'হটো বুলিয়েই সম্ভৱ কল্পনা কৰি লৈছে। বেচেৰীৰ অৱস্থা দেখি পুতৌ হ'ল, লগে লগে হাঁহিও উঠিল। ..বিপদত প্ৰাণ লৈ পলোৱা মানুহৰ মুখৰ ভাব-ভংগীক, আৰু দৃশ্যবোৰ বিপদ কটাৰ পাছত মনত পৰিলে... কেতিয়াবা কেতিয়াবা হাঁহি ৰাখিবলৈ টান হৈ পৰে। এতিয়াও মোৰ সন্মুখত গৌৰীক দেখি, এগৰাকী সুসজ্জিত ধুনীয়া গাভৰুৰ প্ৰাণ লৈ পলোৱা দৃশ্যটো মনত পৰি, বিশেষকৈ চম্পাৰ সেই ভেমত মাটিত ভৰি নপৰা মহাৰাণীৰ এনে পৰিণতি দেখি বৰ হাঁহি উঠিল। তাক সংযত কৰাৰ আগতে ক'ব নোৱাৰাকৈয়ে সি শব্দ কৰি ওলাই আহিল ঃ "ছিঃ কথাটো ভাল নহ'ল, কিন্তু কি কৰিম!" এবাৰ ওলালে যেতিয়া আৰু তাক ফিৰাই নিয়াৰ উপায় নাই। গতিকে অৱস্থাটো গাম্ভীৰ্যৰে পৰিপূৰ্ণ নাৰাখিবলৈ অলপকৈ হাঁহি ক'লো— "এইবাৰ আপুনি উঠক, বোধকৰো ভগৱানে আপোনাৰ কথা শুনিছে...।"

গৌৰীয়ে লাহে লাহে চকুৰপৰা হাত গুচাই চকুৰ দাঁতিয়েদি মোৰ ফালে চালে। পাছত চাৰিওফালে চকু ফুৰাই দেখে, কি ম'হ, কি মানুহ, ক'তো একোৰে চিন-চাব নাই। এখন হাবিৰ মাজত মাত্ৰ গৌৰী আৰু মই। গৌৰীয়ে আকৌ মোৰ মুখলৈ ঘূৰি চোৱাত ক'লো— "উঠক, ক'ৰবাত দুখ পালে নেকি...?"

গৌৰীয়ে কিন্তু মুখেৰে নামাতিলে। আচৰিত হৈ মোৰ মুখলৈ চালে। ভাবিলো হয়তো কেতিয়াও নেদেখা অচিনাকি ডেকা এজনক সমুখত দেখি গৌৰী আচৰিত হৈছে। অলপ পাছত হে বুজিলো সি নহয়— গৌৰী আচৰিত হৈছে, গৌৰীৰ বিপদত্ব কোনোবাই যে এনেদৰে হাঁহিব পাৰে তাক দেখি। গৌৰীৰ জীৱনত ই সম্পূৰ্ণ নতুন— মোৰ স্পৰ্দ্ধা দেখি গৌৰী অবাক হৈ গৈছে। কমল-নগৰৰ ৰাজকুঁৱৰী অসহায় হৈ মাটিত পৰি আছে আৰু মই এটা সাধাৰণ মানুহ হৈ তেতিয়ালৈকে ঘোঁৰাৰ ওপৰত থাকিয়েই গৌৰীক হাঁহিছো— "কি স্পৰ্দ্ধা এই মানুহটোৰ।" গৌৰীয়ে ম'হৰপৰা হ'ব পাৰা বিপদৰ কথা ভবা নাই, ভাবিছে পদমৰ্যাদাৰ কথা।

পাছ মুহূৰ্তত গৌৰী বিজুলী বেগেৰে থিয় হৈ উঠিল। খঙত চকু দুটা জ্বলিছে, মুখখন ৰঙা পৰি উঠিছে, চকুৰ পাহি দুটা আধা জাপ খাই গৈছে। তলৰ ওঁঠটো দাঁতেৰে চেপি ধৰি মোৰ ফালে চাই গৰ্জি উঠিল, "খুব পৌৰুষ দেখুওৱা হ'ল; মোৰ বিপদত এনেকৈ দাঁত উলিয়াই হাঁহিবলৈ অলপো লাজ লগা নাই?"

Scanned with CamScanner

বোধকৰো মোৰ মুখত তেতিয়াও হাঁহি আছিল। গৌৰীৰ কথাত সি মুহূৰ্ততে মৰি গ'ল। মোৰ হাঁহিটো উচিত নাছিল সঁচা, কিন্তু সেইবুলি সম্ভ্ৰান্ত ঘৰৰ গাভৰু এজনীয়ে অচিনাকি মানুহ এজনক যে এনেকৈ কথা ক'ব পাৰে সি মোৰ ধাৰণাৰ অতীত আছিল। কি উত্তৰ দিয়া উচিত ভবাৰ আগতেই আপোনা-আপুনি মুখৰপৰা ওলাই গ'ল—"কিয় কান্দিব লাগিছিল নেকি?"

পাছ মুহূৰ্তত কিন্তু নিজৰ ওপৰতে খং উঠিল,— ছি! কি ল'ৰা-ধেমালি কৰিছো? গৌৰীৰ খং উঠিছে বুলি যে মোৰো খং উঠিব লাগে তাৰেই বা কি মানে আছে? গৌৰীৰ খং মাৰ নিয়াবলৈ চেষ্টা কৰিলো— "মোৰ দোষ হৈছে, ক্ষমা কৰক— আপুনি বেছি কষ্ট পালে নিজৰ দোষতে। মই মাতোতেই ঘূৰি চোৱা হ'লে ইমান দূৰ দৌৰি আহি কষ্ট..."

মোৰ মুখৰ কথা কাঢ়ি গৌৰীয়ে পুনৰ ডাবি দি উঠিল— "হৈছে হৈছে, কোনে কৈছিল মোৰ পাছে পাছে আহিবলৈ? মোক মাতিবৰ অধিকাৰ কোনে দিলে আপোনাক? আঁতৰ হওক ইয়াৰপৰা..."

সমুচিত উত্তৰ এটা ওঁঠৰ আগলৈ আহিছিল, কিন্তু নিজক সংযত কৰিলো। কি হ'ব অপ্ৰকৃতিস্থ ছোৱালী এজনীৰ লগত সমানে সমানে কাজিয়া কৰি। কিন্তু মই ভাবি পোৱা নাই—এনে কি দোষ কৰিলো যাৰ কাৰণে মোৰ ওপৰত গৌৰীৰ ইমান খং উঠিব পাৰে? কমল-নগৰৰ আটাইতকৈ সন্মানিতা গাভৰু চম্পাৰ মহাৰাণী গৌৰীয়ে, সকলোৰে সন্মুখত আজি এনেভাৱে অপ্ৰস্তুত হোৱাৰ লাজতেই সি নিজৰ ওপৰত সকলো সংযম হেৰুৱাই পেলাইছে? চম্পাৰ কথা বিশ্বাস হৈছে। মহাৰাণী গৌৰীৰ ভেম নোহোৱা নহয়, অলপ ঠাট্টা কৰিবৰ ইচ্ছাৰেই ক'লো—

"তাকেইতো, কি আস্পৰ্দ্ধা মোৰ। আপোনাক মাতিবলৈ সাহ হৈছিল..." গৌৰীয়ে মুখেৰে নামাতিলে। আধা জাপ খোৱা চকুৰ পাহি দুটাৰ মাজেদি মাথোঁ কেৰাহিকৈ মোৰ ফালে খন্তেক চালে। সেই চোৱাৰ মাজত সুন্দৰকৈ ফুটাই তুলিলে অবজ্ঞাৰ ভাবটো।

কিছুপৰ পাছতে নিজৰ হাতত মৰ্যাদাক পুনৰ প্ৰতিষ্ঠা কৰিবৰ অৰ্থেই মোৰ আগেদি সম্ৰাজ্ঞীৰ ভেমতেই উভতি খোজ ললে অহা বাটেদি।

গৌৰী প্ৰথম পৰি যাওঁতে লক্ষ্য কৰিছিলো, খোপাৰ কপৌ ফুলপাহ মাটিত পৰি যোৱা। এতিয়া এৰি থৈ যোৱাত আৰু অলপ খং তুলিবৰ সুবিধা পাই মাত দিলোঁ, "আপোনাৰ ফুলপাহ যে পেলাই থৈ গ'ল..."

তাৰ উত্তৰ নিদি গৌৰীয়ে মাথোঁ কেৰাহিকৈ আকৌ এবাৰ ঘূৰি চালে। তিলকে

Scanned with CamScanner

দিয়া দ্বিতীয় বস্তু এটা এইবাৰ কামত লগালোঁ। শুকুলাৰ পিঠিত থকা খাপৰপৰা কাঁড় এপাট উলিয়াই তাৰ আগেৰে অলপ হাউলি ফুলপাহ তুলি লৈ গৌৰীয়ে শুনাকৈ ক'লো— "বাঃ! সুন্দৰ ফুলপাহ, কিন্তু পাপৰিবোৰ দেখিছো বৰ চোকা..." শুকুলাৰ মুখত গুজি দিলোঁ— "হোঁ খা..." তাই মুখ ঘূৰালে— "কেলৈ? খা খা, তেজ হ'ব তেজ; দেখা নাই কিমান তেজ..."

উত্তৰ আহিল, "তেজ মোৰ নে মোৰ লগত যি এনেকৈ ব্যৱহাৰ কৰিবলৈ সাহ কৰে তাৰ?" অপমানটো গ্ৰাহ্য নকৰি আচৰিত হোৱাৰ ভাও ধৰি গৌৰীৰ মুখলৈ চালো— "অ' আপুনি এতিয়াও যোৱা নাই? মই ভাবিছিলো..." ফুলপাহ শুকুলাৰ কপালৰ পেটীডালত পিন্ধাই দিলোঁ— "বাঃ দেখিবলৈ ঠিক একে হৈ পৰিছে..."

গৌৰীয়ে খঙত কি কৰিব একো ভাবি নাপালে। দূৰৈৰপৰা অশোকে মোক মতা শুনিলো। অশোকে আমাক বিচাৰি ফুৰিছে। ৰিং মাৰি আমাৰ উপস্থিতি ক'ত জনালোঁ। অশোকহঁত নহা হ'লে গৌৰীয়ে কি কৰিলেহেঁতেন ক'ব নোৱাৰো কিন্তু অলপ পাছতে লগত কিছুমান মানুহ লৈ অশোকক অহা দেখি "অশোক দাদা" বুলি এনেভাৱে মোৰ ওচৰৰপৰা দৌৰী গ'লগৈ, যেন মই মানুহ নহয়, গৌৰীক খেদা সেই ম'হটোহে।

অশোকৰ ওচৰ পাই ঘোঁৰাৰপৰা নামি, সেই পুৱাৰপৰা এই প্ৰথমবাৰলৈ কমল-নগৰৰ মাটিত ভৰি দিলোঁ। ব্যগ্ৰ হৈ অশোকে প্ৰশ্নৰ পাছত প্ৰশ্ন কৰিলে। ময়ো সকলো জনালো— নজনালো মাথোঁ আজি মাঘৰ বিহুৰ প্ৰথম পুৱাতে গৌৰী আৰু মোৰ প্ৰথম প্ৰীতি সম্ভাষণৰ ক্ষুদ্ৰ ইতিহাসকণ। গৌৰীয়ে মুহূৰ্তলৈ মোৰ চকুলৈ চোৱাত ভাবিলো, হয়তো মোৰ লগত কৰা ব্যৱহাৰৰ কথা কৈ নিদিয়াত মোৰ প্ৰতি গৌৰী অলপ কৃতজ্ঞ হৈছে, পিছে সি ভবা কথা, ভুল হ'বও পাৰে।

"ভগৱানক ধন্যবাদ" অশোকে সকলো শুনি ক'লে— "কাৰো যে একো নহ'ল সেয়ে ভাগ্য; এতিয়া ব'ল যাওঁ, ব'লা গৌৰী, সিফালে উমাই চিয়ঁৰ-বাখৰ হুলস্থুল লগাইছে—"

আহোঁতে বাটত বান্ধি থোৱা অৱস্থাতে ম'হটো দেখিলো। সেইফালে চাই অশোকে ক'লে— "চন্দন, দেখিছোঁ সৰুকালৰ হাত তোৰ এতিয়াও আছে—"

"সিমান নাই.... তিনিবাৰৰ মৃৰতহে..."

কিছুসময়ৰ পাছতে আমি আহি উমাহঁতৰ ওচৰ পালোঁহি। উমাৰ লগে লগে বহুত মানুহ আহি হাবিৰ কাষ পাইছেহি, আৰু লগতে গৌৰীৰ সুবিধাৰ কাৰণে

Scanned with CamScanner

বাগী দুখনো আনিছে। দেখিলোঁ চাৰিওফালৰ সকলোৰে উৎসুক দৃষ্টি মাথোঁ গৌৰীৰ ওপৰত। উমাই গৌৰীক দেখিয়েই দৌৰি আহি আকোঁৱালি ধৰিলেহি। এবাৰ ভৰিৰপৰা মূৰলৈকে সম্পূৰ্ণ অৱস্থাত আছে নে নাই চাই ললে।

"উস্ গৌৰী, মোৰ যে কি ভয় লাগিছিল...."

ওচৰৰ দূৰৰ প্ৰতিজন মানুহ আহি গৌৰীক সন্মান দেখুৱালে সুস্থ দেখি আনন্দ প্ৰকাশ কৰি।

আমাৰ সৰু দলটোৰ একেবাৰে শেষত আছিলো মই। উমাই ইমান পৰ মোক দেখা নাছিল, হঠাৎ দেখি প্ৰায় চিয়ঁৰি উঠিল—"চন্দন!" পাছ মুহূৰ্তত গৌৰীক এৰি ধৰিলেহি মোৰ হাতত— 'ইস্ কিমান দিনৰ মূৰত আকৌ তোমাক দেখিলো। — কেতিয়া পালাহি? ... মাহীদেউ কেনে আছে?..."

মোৰ প্ৰতি উমাৰ ব্যৱহাৰত সকলো মানুহেই অলপ হয়তো আচৰিত হৈছে যেহেতু মই সকলোৰে অচিনাকি, বিশেষকৈ হৈছে গৌৰী-গৌৰীৰ বাহিৰেও আন এজন, যিজনে প্ৰথম দিনাই গৌৰীৰ শত্ৰুৰূপেই দেখা দিছেহি সেইজনৰ প্ৰতিও যে উমাৰ ইমান আগ্ৰহ থাকিব পাৰে তাক গৌৰীয়ে হয়তো স্বপ্নতো ভবা নাছিল— "কোন এই চন্দন?"

মোৰ প্ৰতি প্ৰথমে অশোকৰ এতিয়া উমাৰ আগ্ৰহ দেখি নিশ্চয় গৌৰীয়ে ভাল পোৱা নাই।

আজি হঠাৎ গৌৰীৰ জীৱনলৈ ধূমকেতুৰ দৰেই এই মানুহটো আহি গৌৰীয়ে সদায় দখল কৰি থকা অন্তৰখনো, গৌৰীৰ ওচৰৰপৰা আধা কাঢ়ি ল'ব খুজিছেহি— কোন ই?

অলপ হাঁহি উমাৰ প্ৰশ্নৰ উত্তৰ দিলোঁ— "মোৰ ভাল, তোমালোকৰ ভালনে নবৌ? আৰতি? মণি...?"

মাকৰ ওচৰৰপৰা আৰতিয়ে টপৰাই মাত দিলে— "মোৰ খু-উ-উব ভাল চন্দন মামা..."

আৰতি যে মোৰ ইমান ওচৰত মই লক্ষ্য কৰা নাছিলোঁ। তাই মোক চিনি পাইছে, মণিয়ে চিনি নাপালেও মাক-বাপেকৰ সাহসত মোৰ ওচৰ চাপি অহাত চাপৰি দুয়োকে দুটা চুমা দিলো। মণিয়ে সাহ কৰি সুধিলে, "সেই বগা ঘোঁৰাটোত উঠি তুমিয়েই গৈছিলা চন্দন মামা?"

আৰতিয়ে ব্যস্ত হৈ চকুকেইটা ডাঙৰ ডাঙৰ কৰি ক'লে— 'ইস্ মামা আজি তুমি ইয়াত নথকা হ'লে গৌৰী পেহীক ম'হটোৱে নিশ্চয় মাৰি পেলালেহেঁতেন..."

Scanned with CamScanner

"ধেৎ কেলৈ মাৰিবালৈ যাব পাছে পাছে গৈছিল হে মাথোঁ—"

আৰতিয়ে নামানিলে— "যদি মাৰিবলৈকে নহয় তেন্তে পাছে পাছেনো গৈছিল কিয়-?"

মই উত্তৰ দিয়াৰ আগতেই কাৰোবাক ঠিক মোৰ পাছফালৰপৰা ফিচফিচাই কোৱা শুনিলোঁ— "মাঘৰ বিহুৰ চুমাটো দিবলৈ আকৌ..." ডাঙৰকৈ ক'লে— "আৰতি, মণি তহঁত দুয়োকে ধন্যবাদ, যাহওক ইমান পৰৰ পাছত যেনিবা তহঁতেই দাদাৰ বীৰত্বৰ প্ৰশংসা কৰিলি..."

পাছফালে ঘূৰি চাই দেখো, চম্পাই মোৰ মুখলৈ চাই মিচিক্ মিচিক্ হাঁহিছে। তাইৰ চকু দুটা দুষ্টালিৰে ভৰা। হাতখনত ধৰি ওচৰলৈ টানি আনিলো— "চম্পা, তোৰ দেখিছো এই কেইবছৰে অলপো উন্নতি হোৱা নাই।"

"নহয় চন্দন, চম্পাই ঠিকেই কৈছে, গৌৰীৰ হে ধন্যবাদটো মোৰেই প্ৰথমে দিয়া উচিত আছিল..." ব্যস্ত হৈ উমাক বাধা দিলোঁ— "থাওক, থাওক নবৌ, তুমি আৰু মোক ধন্যবাদ দিব নালাগে, ধন্যবাদটো উচিত জনাৰপৰা আগতেই পাইছো...।"

মোৰ প্ৰতি কৰা ব্যৱহাৰ গৌৰীক সোঁৱৰাই অলপ লাজ দিয়াৰ লোভকণ সামৰিব নোৱাৰিলো। ভাবিছিলো গৌৰীয়ে লাজ পাব, কিন্তু মোৰ ভুল, লাজ পাওক ছাৰি গৌৰীয়ে মোৰ মুখৰ আগতেই ক'লে —"ব'লা ব'লা নবৌ, ইয়াত কি বাজে কথা পাতি আছা...।"

আচৰিত হৈ উমাই গৌৰীৰ মুখলৈ চালে। হঠাতে গৌৰীৰ কথা কোৱাৰ ধৰণ এনে হোৱাৰ কাৰণ কি বুজি নাপালে। চম্পায়ো বুজা নাই— তাই এবাৰ মোৰ মুখলৈ, আনবাৰ গৌৰীৰ মুখলৈ চাইছে— তাইৰ চকুত প্ৰশ্ন। নুবুজিলে যদিও উমাই পৰিস্থিতিটো স্বাভাৱিক কৰিবৰ অৰ্থে সময় নষ্ট নকৰি গৌৰীৰ ফালে আগবাঢ়ি গৈ মাতিলে— "আহ গৌৰী, মই পাহৰিছিলোৱেই, চন্দনৰ সৈতে তোক চিনাকি কৰি দিওঁ।"

গৌৰীয়ে শুনিলে, কিন্তু নুশুনাৰ ভাও ধৰি অলপ দূৰত থকা বাগীখনত গৈ উঠি বহা দেখি মোৰ আৰু সহ্য নহ'ল। কৃতজ্ঞতাৰ মূল্য নাথাকিব পাৰে, সেইবুলি সাধাৰণ ভদ্ৰতা জ্ঞানকণো গৌৰীৰ নাই নে?

"শুনাচোন নবৌ..." তৎক্ষণাৎ উমাক মাতিলো। উমা ওচৰ পোৱাত ফুচফুচাই ক'লো— "ছোৱালীজনীৰ মূৰত দোষ আছে নেকি...?" লৰালৰিকৈ উমাই মোৰ মুখত সোপা দি ধৰিলে— ভয়, জানোচা গৌৰীয়ে শুনে। মোৰ উদ্দেশ্য আছিল

Scanned with CamScanner

গৌৰীক শুনোৱা, গৌৰীৰ মুখখন দেখিয়েই বুজিলো গৌৰীয়ে শুনিলে। মোক সকলোৰে সন্মুখত অৱজ্ঞা কৰি যেনেকৈ অপমান কৰিলে, ময়ো যে ঠিক তেনেকৈয়ে গৌৰীকো অপমান কৰিব পাৰো তাক হয়তো গৌৰীয়ে কল্পনাও কৰা নাছিল। সকলোৰে সন্মুখত আজিলৈকে গৌৰীক বোধকৰো কোনেও এনেকৈ অপমান কৰা নাই। কিন্তু এতিয়া গৌৰীৰ মুখখন দেখি ভাবিছো ইমানখিনি নকৰা হ'লেও ভাল আছিল, হাজাৰ হওক মোৰ ছাল ডাঠ, গৌৰী যে ছোৱালী?

উমাই এইবাৰ বেছ বুজিছে যে আমাৰ ভিতৰত কিবা এটা নিশ্চয় ঘটিছে, আৰু যাৰ কাৰণে আমি দুয়ো ইমান অভদ্ৰ হ'বলৈকো অলপো কুণ্ঠিত হোৱা নাই। কিন্তু ইয়াৰপৰা বিপদ হৈছে উমাৰ— কাক এৰি কাক ল'ব। মোকো উমাই এৰিব নোৱাৰে, গৌৰীকো নোৱাৰে। উপস্থিত বিপদৰপৰা ৰক্ষা পৰিবলৈকে মুখলৈ হাঁহি আনি ক'লে— "গৌৰীয়ে ঠিকেই কৈছে চন্দন, ব'লা ঘৰলৈ যাওঁ— ৰাতিপুৱাৰেপৰা এই বেলি দুপৰলৈকে বোধকৰো পেটত একো এটা পৰা নাই....। আহোতে ৰূপালীমপামত সোমাই আহিছিলা?"

"নাই সোমোৱা..."

"নাই সোমোৱা?" উমাই যেন কথা ক'বলৈ পাই ৰক্ষাহে পালে— "দেখিছানে বাৰু মোৰ কি অন্যায়, ইয়াতে বকি আছো অথচ সেই পুৱাৰেপৰা বাটকুৰি বাই আহিও তোমালোক দুয়ো এতিয়ালৈকে লঘোণে আছা.. ব'লা... আৰতি, মণি বাগীত উঠগৈ যা, চম্পা আহা..."

চম্পাই লাহেকৈ উত্তৰ দিলে— "উমা বাইদেউ, মোৰ কাৰণে ৰমা, ৰাধাহঁত সকলো ৰৈ আছে, আপোনালোকৰ লগত গ'লে সিহঁতে বৰ বেয়া পাব..."

"তাকেইতে..."

চম্পাই মোৰ মুখলৈ ঘূৰি চাই ওলাই আহিব খোজা হাঁহিটো কোনোমতে চেপি ৰাখি প্ৰশ্ন কৰিলে— "দাদা, সেই-ই মই কোৱা কথাটো মনত আছে..."

চম্পাজনী অতি দুষ্ট, তাইৰ চকু দুটা আৰু দুষ্ট— কথা যে কোনটো মোৰ বুজিবলৈ এটা মুহূৰ্তও নালাগিল। তাইৰ হাঁহি থকা চকু দুটালৈকে চাই উত্তৰ দিলো— "আছে।"

উমাই একো বুজিব নোৱাৰি সুধিলে — "কি কথা চম্পা?"

চম্পাই দেখিলে, কথাটো ভাল হোৱা নাই, বিশেষকৈ উমাৰ সন্মুখত। লৰালৰিকৈ ক'লে— "বুজিছে বাইদেউ, দাদাক কৈছিলো কমল-নগৰলৈ আহিলে মোৰ ওচৰলৈ নহাকৈ যেন উভতি নাযায়। দেখিছো দাদাই পাহৰা নাই"—তাইৰ

Scanned with CamScanner

ফাঁকিটো যাতে উমাই বিশ্বাস কৰে তাৰ কাৰণে মোকো ইয়াৰ ভিতৰলৈ টানি আনি চম্পাই ক'লে— "তেওঁ সন্দেহ হৈছে দাদাই মোৰ কথা পাহৰিছিলেই, বোধকৰো আজি পুৱা বকুলপুৰৰপৰা আহোতে জেঠাইদেৱে সোঁৱৰাই দিয়াত হে মনত আছে... উমা বাইদেউ, এইবাৰ আকৌ আপোনালোকৰ ঘৰ পাই পাহৰি নগ'লেই হয়। মই কিন্তু যাওঁ দেই...।"

সৰল অন্তঃকৰণেৰে সৈতে উমাই চম্পাৰ কথাটো বিশ্বাস কৰি হাঁহি ক'লে— "বাৰু চম্পা এইবাৰ দাদাৰক সোঁৱৰাই দিয়াৰ ভাৰ থাকিল মোৰ ওপৰত..."

আমাৰ ওচৰৰপৰা চম্পাই খোজ ললে। যাওঁতে উমাই নেদেখাকৈ মোৰ ফালে চাই চকু-মুখেৰে সৰু ইংগিত এটা কৰি গ'ল। আনে নুবুজিলেও মই বুজিলো— ইংগিতেৰে চম্পাই ইয়াকেই ক'লে— "... গৌৰীক অপমান কৰিলা বেছ কৰিলা...।" ভয় লাগিছিল, চম্পাই জানোচা খোজটোও গৌৰীৰ দৰেই কাঢ়ি দেখুৱাই যাব — ভাগ্যে তাই তেনে একো নকৰিলে।

ইমান পৰ অশোক আমাৰ ওচৰত নাছিল। হঠাৎ দেখা দি ব্যস্ত হৈ ক'লেহি— "ব'ল ব'ল চন্দন, উমা! গোটেই দিনটো ইয়াতে থাকি ইয়াক লঘোণে মাৰিবা নেকি?"

"নামাৰো নামাৰো, কেলৈ মাৰিম, মাৰিলে যে মোৰেই যাব... আপোনালোকো আমাৰ লগে লগেই আহক।"

উমা গৈ বাগীত গৌৰীৰ ওচৰতে বহি পৰিল। আমি দুয়ো বাগীৰ পাছে পাছে ঘোঁৰাত আহিলো।

ৰঙাআলি পোৱাৰ কিছু পাছত গৌৰীৰ বাগীখনে লিগিৰীকেইজনীক লৈ ৰঙাটিলাৰ ফালে ঘূৰিল। উমাৰ বাগী যাব লাগিব বিপৰীত ফালে— বাগীৰ ভিতৰত গৌৰীয়ে উমাক কোৱা শুনিলো— "নবৌ, ময়ো ঘৰলৈকে যাওঁ।" উমা আচৰিত হ'ল— "সেইটো কি কথা? ঘৰলৈ এতিয়া কেলৈ? গধূলিলৈকে মোৰ ওচৰত থকাৰ কথা হে আছিল—"

"ওঁ আছিল।"

"তেন্তে কি হ'ল?"

"মত বদলালো?"

"কেলৈ? নাই নাই গৌৰী, তই এতিয়াই ঘৰলৈ যাব নোৱাৰ—"

"নহয় নবৌ..."

উমাই গৌৰীক বাধা দি উঠিল।

Scanned with CamScanner

"নাই নাই, মই একো নুশুনো..."

গৌৰীৰ এই মত বদলোৱাৰ কাৰণটো মই বুজিছো। উমাক ক'লো — "নবৌ, তুমি নো ইমান বাধা দিছা কেলৈ। যাব খুজিছে যাওঁক..." তাৰ পাছত অলপ উপযাচিয়েই কেতেকীহঁতক চিয়ঁৰিলো — "এই কেতেকী! কেতেকী শুন তহঁতৰ ৰঙাটিলাৰ আইদেৱেৰ ঘৰলৈ যাব খুজিছে, অলপ ৰ..." গৌৰীয়ে সুযোগটো নেৰি তৎক্ষণাৎ ঘূৰাই হুকুম দিলে—

"কেতেকী তহঁত যা, বঙাটিলাৰ আইদেউ এতিয়া ঘৰলৈ নাযায়..."

ইমান পৰ যদিও নজনাকৈয়ে আছিল, এইবাৰ লিগিৰীকেইজনীয়েও বোধকৰো বেছ বুজিছে যে সিহঁতৰ ৰঙাটিলাৰ আইদেউৰ লগত কমল-নগৰৰ এই নতুন আহলীজন অৰ্থাৎ মোৰ সম্ভাষণ বিনিময়খিনি ঠিক যেনে হোৱা উচিত আছিল তেনে হোৱা নাই, অলপ যেন ক'ৰবাত কেনা আছে।

উমাই গৌৰীলৈ চাই সুধিলে— "এইবাৰ আকৌ কি হ'ল?"

"আকৌ মত বদলালো" — গৌৰীয়ে হাঁহি উঠিল।

"হঠাৎ?"

"হঠাতেই বদলাইছিলো, সেই দেখি হঠাতেই বদলালো..."

একমুহূৰ্ত পাছত অশোকেও হঠাতেই হো হো কৰি হাঁহি উঠিল। লগে লগে আৰতি, মণিকে আদি কৰি সকলোৱেই বাটৰ মানুহক আচৰিত কৰি অশোকৰ লগত যোগ দিলে—

ৰূপালীপামৰ পদূলিমূৰত আতৈক দেখি ব্যস্ত হৈ উমাই মাত লগালে— "নবীন খুৰা, আপুনি দেখোন যাবলৈ ওলাইছে আহক আহক, বিহুৰ জলপান নোখোৱাকৈ যাব নোৱাৰে..."

"সেয়া..." আতৈয়ে হাঁহি ক'লে— "মোৰ আই, বিহুৰ জলপান নোখোৱাকৈ গৈছো বুলিনো তোক কোনে ক'লে? তোৰ যশোদাই মোকে, খুৰাকে পেট ভৰাই খুৱালে..."

"খুৱালে ভাল কৰিলে, আকৌ খাব লাগিব..." উমাই অনুৰোধ কৰিলে।

"আকৌ নিশ্চয় খাম, তোৰ কাষত বহি নাখালে যে বছৰেকৰ বিহুটোৱেই মোৰ অথলে যায়। পিছে আগতে এপাক ঘূৰি আহোঁ দেই, যদিবা পেটত অলপ ঠাই হয়েই, তাৰ উপৰি আমাৰ খেলখন এতিয়াও শেষ হোৱা নাই, বুজিছনে মোৰ আই...'

"বুজিছো নবীন খুৰা, আকৌ নাহিলে কিন্তু বৰ দুখ পাম, মনত ৰাখিব..."

Scanned with CamScanner

নবীন আতৈক বিদায় দি আমাক উমাই ঘৰৰ একেবাৰে ওপৰ মহলালৈ মাতি আনিলে। যশোদাই আৰতি, মণিক লৈ গ'লহি। যশোদা উমাৰ ৰান্ধনী ঘৰৰ গৰাকী।

মুখ-হাত ধুই ৰূপালীপামৰ সুসজ্জিত জিৰণি কোঠাত বহিলোহি। ভিতৰফালে যশোদাই খোৱাৰ যোগাৰ কৰিছে।

আমাৰ চাৰিওৰে ভিতৰত হোৱা সাধাৰণ কথা-বতৰাৰ সম্পূৰ্ণ দায়িত্ব লৈছে উমাই নিজে। মোৰ মুখ খুলিবলৈ বেছি সুবিধা দিয়া নাই—উমাৰ ভয়, জানোচা সুযোগ পালেই বেয়াৰ ফালে ঢাল লওঁ, বিশেষকৈ গৌৰী যেতিয়া মোৰ সন্মুখত উপস্থিত। উমা মোৰ নিচেই কাষতে বহিছে যাতে প্ৰয়োজন হ'লেই মুখত সোপা দিব পাৰে। উমাৰ অকল মোক লৈয়ে ভয় নহয়, গৌৰীক লৈয়ো। যা হওক উমাৰ কিন্তু অলপ আশা হৈছে যেহেতু গৌৰীৰ এতিয়া ৰাগজাল একো নাই—সম্পূৰ্ণ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে।

তেতিয়ালৈকে গৌৰীৰ মুখখন স্বাভাৱিক অৱস্থাত দেখিবলৈ কেনে হয় দেখা নাছিলো— এতিয়া দেখিলো। গৌৰীৰ ৰূপ আছে নে নাই সেই প্ৰশ্ন অবান্তৰ, প্ৰশ্ন হব পাৰে গৌৰীতকৈ ৰূপৱতী আছে নে নাই? বিশেষকৈ গৌৰীয়ে যেতিয়া হাঁহে। এই গৌৰীৰ মাজত চম্পাৰ গৌৰীক বিচাৰি নাপালো। তথাপি চম্পাৰ গৌৰীৰ প্ৰতিও মোৰ সমানে আকৰ্ষণ, দুয়োটা বেশতেই মোৰ চকুত অপূৰ্ব হৈ দেখা দিছে। কথা পতাৰ ফাঁকে ফাঁকে কেইবাবাৰো চুৰ কৰি গৌৰীক চালো। দুবাৰ চকুৱে চকুৱেও পৰিলো। উচিত-অনুচিত একো ভবা নাছিলো, লাজো লগা নাছিল, কিন্তু লাজ লাগিল আৰু নিজৰ ওপৰত অলপ খঙো উঠিল, উমাৰ চকুত ধৰা পৰি। অশোকৰ কিবা কথাত মোৰ অস্তিত্ব পাহৰি গৌৰীয়ে মুক্তকণ্ঠে হাঁহি উঠিছিল, আৰু মই মুগ্ধ হৈ চাইছিলো, গৌৰীৰ মুখলৈ, কিন্তু উমাই দেখিলে।

ক্ষীণ হাঁহি এটা ওঁঠত লৈ উমাই ক'লে—"চন্দন, তোমালোক বহা দেই মই এবাৰ যশোদাইনো কিমানদূৰ আগবাঢ়িছে চাই আহোঁ।"

অশোক-গৌৰীয়ে খন্তেকলৈ এবাৰ উমালৈ চাই আকৌ কথা আৰম্ভ কৰিলে। মই মনে মনে বহি ৰ'লো, আনকি এবাৰ উমাৰ মুখলৈকো নাচাই চালো ওচৰৰ বেৰখনলৈ। তাত ৰূপৰ খাপৰে সৈতে দুখন তৰোৱাল কেঁচীয়াকৈ ওলোমাই থোৱা আছে। উমাৰ মুখলৈ চাব নোৱাৰি কিয় যে মই তৰোৱাল চোৱাৰ ভাও ধৰিছো তাক উমাই বুজিলে, কিন্তু মুখেৰে একো নামাতি নিশ্চিন্ত হৈয়ে কোঠাৰপৰা ওলাই গ'ল। ধাৰণা খন্তেকৰ ভিতৰতে একো অঘটন নঘটে, বিশেষকৈ অশোক যেতিয়া আমাৰ মাজত আছে।

Scanned with CamScanner

বহুত সময় পাৰ হৈ গ'ল। অশোক আৰু গৌৰীয়ে ঠিক কিমান পৰ কথা পাতি আছিল ক'ব নোৱাৰো, কিন্তু হঠাৎ সেইফালৰপৰা একো শব্দ নহাত ঘূৰি চাই দেখো সিহঁত বহি থকা ঠাইডোখৰ শূন্য। কেতিয়ানো হালেই উঠি গ'ল তৰ্কিবই নোৱাৰিলো। তথাপি অনুমান হ'ল, গৌৰীক যেন মুহূৰ্তলৈ দেখিলো এদাঁতিয়ে থকা পৰ্দা এখনৰ আঁৰত লুকাই যোৱা। অশোকে লুকাল নেকি? কিন্তু কিয়? এই বুঢ়া বয়সত ইহঁতৰ কুক্-ভা খেলিবৰ চখ হ'ল কেনেকৈ? বেছিপৰ তাকো ভাবিব নোৱাৰিলো, কাৰণ চকু দুটা আপোনা আপুনি ঘূৰি গ'ল কোঠাটোৰ আন এটা দাঁতিৰ আধা জাপ খাই থকা দুৱাৰ এখনলৈ। সেইফালৰপৰা শব্দ আহিছে। ভাবিছিলো সেয়া অশোক, কিন্তু দুৱাৰ ঠেলি যিজনে দেখা দিলে সেইজন অশোকো নহয়, গৌৰীও নহয়, এজন বৃদ্ধ। বহুত পৰলৈকে চিনিব নোৱাৰিলো। কিছুপৰ মোৰ মুখলৈ চাই বৃদ্ধই মাত দিলে— "এ কোন এইটি...?"

যদুখুৰা আগবাঢ়ি মোৰ সন্মুখলৈ আহিল— দেখি চিনি পোৱা নাছিলো, মাতটোত খুৰাক চিনিলো। মোকো খুৰাই চিনি পাইছে ঃ "তাকেইতো পাৰ্বতীৰ ল'ৰা নহে যায় ক'লৈ... বৰ এটা হলি ঐ, মাৰৰ ভাল নে চন্দন...?"

"ভাল খুৰাদেউ—"

"বেছ বেছ, ৰাজধানীৰপৰা উভতি অহা অশোকৰ মুখত শুনিছিলো। পিছে এইবাৰ? পঢ়া-শুনাতো শেষ কৰি আহিলি, এতিয়া কি ঠিক কৰিছ?" অলপকৈ হাঁহি উত্তৰ দিলো— "এই আহিছোহে খুৰাদেউ, তেও ঠিক কৰিছো প্ৰথমে দিনদিয়েক ভালমতে জিৰাই লম, তাৰ পাছত..."

মোৰ কথা শেষ হোৱৰ আগতেই খুৰাই মাত দিলে— "ঠিক কৈছ, বোপাই প্ৰথমে জিৰাই লোৱা উচিত, তাৰ পাছত লাহে ধীৰে কাম-কাজ আছেই, কিন্তু এতিয়া কি শাৰীৰিক কি মানসিক দুয়োটাৰ কাৰণে জিৰোৱাটোৱেই হৈছে মুখ্য। কেনেকৈ জিৰাবি?"

খুৰাৰ অদ্ভুত প্ৰশ্ন শুনি হাঁ-কৈ খুৰাৰ মুখলৈ চাই থাকিলো। "কেনেকৈ জিৰাবি" বুলি যে কোনোবাই প্ৰশ্ন কৰিব পাৰে ভবাই নাছিলো। কি উত্তৰ দিম? মোলৈ অপেক্ষা নকৰি খুৰাই নিজেই দিলে— "কেনেকৈ শুন, মই কৈ দিওঁ-শুই নহয়, বহি নহয়, ঘূৰি নহয় তাতোকৈ ভাল উপায় আছে; আহ মোৰ লগত..."

খুৰাই মোক হাতত ধৰি লৈ গ'ল। হঠাৎ বুকুখন চিৰিং কৰি উঠিল। নিমিষতে বুজিলো খুৰাই নো কি উপায়ৰ কথা কৈছে। খুৰাৰ কথা, পাশাৰ কথা, এটা এটাকৈ সকলো মনত পৰিল। এতিয়াহে বুজিলো গৌৰী আৰু অশোকৰ কুক্-

Scanned with CamScanner

ভা খেলৰ প্ৰয়োজন কেলৈ হৈছিল। কিন্তু বহুত বেলিকৈ বুজিলো। এবাৰ ফাঁকি দিবলৈ চেষ্টা কৰিলো— "খুৰাদেউ, মই বুজিছো কি উপায়ৰ কথা কৈছে, কিন্তু মই যে খেলিব নাজানো—"

"মই শিকাই দিম" খুৰাই যেন উত্তৰটো ওঁঠৰ আগতে লৈ আছিল— "দহ বছৰ ৰাজধানীত থাকিনো কি শিকিলি?"

পৰিত্ৰাণ পাবৰ আশাত লৰালৰিকৈ ক'লো— "তাত পঢ়া-শুনাহে কৰিছিলো, পাশা খেলৰতো শিক্ষা নাপালো—"

"সেয়ে হ'ব, পঢ়া-শুনা কৰিব যদি পাৰ পাশাও পাৰিবি, দুয়োটাতে বেছি মগজ নালাগে, একাগ্ৰতা আৰু ধৈৰ্য- দহ বছৰ ধৈৰ্য ধৰি পঢ়িলি, গতিকে এইটো আৰু পাৰিবি ব'ল..."

তাৰ পাছত আধাঘণ্টা সময় যে মোৰ কেনেকৈ কাটিল তাক ঈশ্বৰেহে জানে। বোধকৰো জীৱনত কেতিয়াও ইমান অশান্তি-কষ্টত নিৰুপায় হৈ বহি থাকিবলগীয়া হোৱা নাছিল। মাজে মাজে ভাবিলো, চল বুজি খুৰাৰ ওচৰৰপৰা ল'ৰ দিওঁ। প্ৰথম দিনাই খুৰাক আঘাত দিবৰ সত নগ'ল।

কাঠৰ মূঢ়াৰ দৰে বহি আছো। খুৰাই যি কৰিবলৈ কৈছে যন্ত্ৰৰ দৰে কৰি গৈছো। কিন্তু ভাবি পোৱা নাই এই 'একপো' 'দুইপো' 'ছাক্কাৰ' মাজত খুৰাই নো কি মৌৰ সন্ধান পাইছে? খেলৰ লগে লগে উৎসাহত, আনন্দত খুৰাৰ মুখখন উজ্জ্বল হৈ উঠিছে। এবাৰো ভবা নাই মোৰনো অৱস্থাটো কেনে? ভাল আপদ...মই যে অধৈৰ্য হৈ উঠিব পাৰো, মোৰ খং উঠিব পাৰে খুৰাই তাক মুহূৰ্তৰ কাৰণেও বিচাৰ কৰি চোৱা নাই। কিন্তু সঁচাই মোৰ খং উঠিছে। খুৰাৰ ওপৰত, উমাৰ ওপৰত, অশোক-গৌৰীৰ ওপৰত আৰু বিশেষকৈ নিজৰ কপালৰ ওপৰত। অশোক-গৌৰীয়ে জানিছিল যদি মোকো লুকাবলৈ কিয় ইংগিত নিদিলে? আৰু উমায়ে বা ৰান্ধনি ঘৰত ইমান পৰ কৰে কি?

সময় নাযায়-নুপুৱায় যেন লাগিছে। সময়ৰ পখিলা যে ইমান লাহে লাহে উৰে কেতিয়াও এনেদৰে উপলব্ধি কৰা নাছিলো। অসহ্য, ভাবিবও পৰা নাই- পাশাৰ ঢাল সন্মুখত লৈ এখন সম্পূৰ্ণ বেলেগ পৃথিৱীত হে যেন বহি আছো। ইয়াত উমা নাই। অশোক নাই, গৌৰীও নাই— আছো কেৱল মই আৰু খুৰা-খুৰা আৰু মই।

কি কৰিম; হ'ল বুলিনো কিমান এনেকৈ বহি থাকিব পাৰি? মই ফুটাই নকলেও গাৰ অংগ-প্ৰত্যংগেৰে, মুখৰ আব-ভাবেৰে সকলো ৰকমে চেষ্টা কৰিলো মোৰ

Scanned with CamScanner

মনৰ অৱস্থা খুৰাক বুজাবলৈ, কিন্তু মিছা, খুৰাই দেখিও নেদেখিলে। আৰু কিছুপৰ এনেদৰে থাকিবলগীয়া হোৱা হ'লে কি কৰিলোহেঁতেন ক'ব নোৱাৰো, কিন্তু ৰক্ষা কৰিলেহি উমাই। লৰালৰিকৈ উঠিব খুজিছিলো—খুৰাই আকৌ বহুৱাই দিলে। কাকুতি ভৰা দৃষ্টিৰে উমালৈ চোৱাত উমাৰ দয়া হ'ল।

"নহয় নহয় খুৰাদেউ, সেইটো বৰ অন্যায় হ'ব, সেই পুৱাৰেপৰা বেচেৰাৰ পেটলৈ এটোপ পানীও যোৱা নাই...পাশা থৈ আগতে খাই-বৈ লওকহি—"

"মই খালো নহয়—"

"আপুনিহে খালে, চন্দনে যে এতিয়াও খোৱা নাই, চন্দনক এৰি দিয়ক। আপুনি বৰঞ্চ নবীন আতৈ অহালৈকে বাট চাওক-চাওঁ উঠা চন্দন।"

আন কোনোবাই খুৰাৰ ওচৰত তেনেকৈ হুকুম কৰা হ'লে খুৰাই গৰ্জন কৰি উঠিলেহেঁতেন, কিন্তু উমাক খুৰাই সমীহ কৰি চলে। পাশাৰ ঢালৰপৰা খুৰাক যদি কোনোৱাই তুলিব পাৰে সি একমাত্ৰ উমা। বাধ্য হৈ খুৰাই ক'লে— "বাৰু বাৰু বোপাই যা, খোৱা-বোৱাৰ পাছত আকৌ বহিম দেই—"

"নিশ্চয় খুৰাদেউ, মই এতিয়াই আহোঁগৈ..." পেটে পেটে ভাবিলো জীৱনত আকৌ খুৰাৰ সন্মুখলৈ নাহোঁ।

উমাৰ লগত কোঠাৰপৰা ওলাই আহিলো— "ইমানপৰ ক'তনো মৰিছিলা নবৌ? ঘৰত মাতি আনি ইমান কষ্ট দিবা বুলি কেতিয়াও ভবা নাছিলো, আনে নহ'লেও অন্ততঃ তুমি..."

"সঁচাই চন্দন, মই ক'ব পৰা নাছিলো, ভাবিছিলো গৌৰীহঁতৰ লগতে আছা, খাবলৈ মাতিবলৈ আহিহে বুজিলো তুমি ইয়াত..."

"মাতিবলৈ নো অলপ সোনকালে ইয়াক নোৱাৰিছিলানে?"

"কি কৰিবা, খোৱা বস্তুবোৰ আকৌ তপতাবলগীয়া হোৱাত হে ইমান সময় লাগিল, নহ'লে তোমাক ইমান পৰ লঘোণে নাৰাখিলোহেঁতেন— ব'লা..."

"লঘোণৰ কথা মই কোৱা নাই, কৈছো..."

উমাই মোক আৰু একো ক'বলৈ নিদি টানি লৈ গ'ল ৰান্ধনি ঘৰলৈ। তাত অশোক আৰু গৌৰীকো দেখিলো মোলৈকে অপেক্ষা কৰি বহি আছে। মই সোমোৱা মাত্ৰকে গৌৰীয়ে মুহূৰ্তলৈ এবাৰ মোৰ মুখলৈ চালে, অশোকেও চালে। বুজিলো সিহঁতে মোৰ মুখত কি দেখিবলৈ আশা কৰিছে।

অশোকে হাঁহি সুধিলে— "কেনে লাগিল?"

তাক নিৰাশ কৰিবলৈ আচৰিত হোৱাৰ ভাও ধৰি ঘূৰাই সুধিলো— "কি কেনে লাগিল?"

Scanned with CamScanner

অলপো অপ্ৰস্তুত নহৈ অশোকে ক'লে— "এই পাশা খেলখন।"

"বঢ়িয়া, মই ভাবি নাপাওঁ মানুহে কেলৈ খুৰাৰ ভয়ত লুকাব লগা হয়? আৰু পাশাখেলখনতো সিমান নীৰস নহয়। মোৰ বেছ ভাল লাগিছিল। ভাবিছিলো আৰু অলপ 'একপো', 'দুইপো' চলাওঁ, পাছে নবৌৱে টানি লৈ অনাত..."

মোৰ কথা শেষ হোৱাৰ আগতেই অশোকে হো-হোকৈ হাঁহি উঠিল। গৌৰীৰ মুখখন দেখা নাই যদিও বুজিলো গৌৰীয়েও খুক খুক কৰি হাঁহিছে, লগতে উমায়ো। উপায় নাপাই আচৰিত হোৱাৰ ভাও ধৰিলো— "কি হ'ল? ইয়াত আকৌ ইমান হাঁহিবৰে বা কি আছে?"

"নাই নাই, হাঁহিবৰ নো কিটো আছে.... চাওঁ উমা খাবলৈ নিদিয়া?"

অশোকে কথা ঘূৰালে। খাবলৈ বহিলো, কিন্তু হাঁহিটো সকলোৰে মুখত লাগি ৰ'ল। গৌৰীয়ে এবাৰ উমাক ফুচফুটাই কোৱাও শুনিলো— "নবৌ তুমি যদি অৱস্থাটো এবাৰ দেখিলাহেঁতেন.... মই আৰু দাদাই লুকাই লুকাই চাই আছিলো—"

আমাৰ লগত উমাক নবহা দেখি সুধিলো— "তোমাৰ নবৌ?"

"মোৰ কথা বাৰু ভাবিব নালাগে, আগতে তোমালোকেই খোৱাচোন, মই ওচৰত বহি দি থাকো... ইমান বেলি কৰি তোমাক আজি বৰ কষ্ট দিলো।...."

"হৈছে হৈছে! মোলৈ যে মৰম কিমান খুব বুজা আছে..."

সকলোৱে আকৌ হাঁহি উঠিল। অশোকে হাঁহি হাঁহি ক'লে— "বুজিছ, মই ভাবিছিলো..."

"মনে মনে থাক তই...."

"আৰে মই কি কৰিলো?"

অশোকক চিঞৰি কলো— "মই কি কৰিলো? কিয়? নিজে লুকুৱাৰ আগতে মোক ক'ব নোৱাৰিছিলি।"

"মই কম বুলি ভাবিছিলো চন্দন, কিন্তু এই গৌৰী...."

হঠাৎ উমাৰ হাতৰপৰা কাঁহৰ বাটিটো মাটিত পৰি ঝন্ ঝন্ শব্দ কৰি উঠিল। অশোকৰ কথা আৰু শেষ নহ'ল।

"ইস্ ভাগ্যে বাটিটোত পানী-দুনি একো নাছিল দেও" ...উমাই লৰালৰিকৈ ফাঁকি দিলে কিন্তু উদ্দেশ্য সিদ্ধি হ'ল। মই ভালকৈয়ে বুজিলো, এই সকলোৰে মূলত গৌৰী। বৰ বুদ্ধি কৰিয়েই মোক জব্দ কৰিলে গৌৰীয়ে।

কিন্তু উমাৰ অৱস্থা দেখি বেয়া লাগিল। সান্ত্বনা দিবলৈকে কলো, "বাটিটো

Scanned with CamScanner

নেপেলোৱা হলেও আছিল নবৌ! ভয় কৰিব নালাগে, পৰাজয় স্বীকাৰ কৰি লৈছো। দেহি ঐ কাৰ মুখ চাই আজি উঠিছিলো? দেখিছো গোটেই দিনটো মোৰ এনেকৈয়ে যাব... ম'হ যুঁজত হ'ল সেই; ইয়াত হ'ল এই, আৰু বা কপালত কি আছে—"

কথা ক'বলৈ এজনকো অলপো সময় নিদি আকৌ বৰ গম্ভীৰ হৈ কৈ গলো— "যা হওক ভালেই হ'ল, প্ৰথম দিনাই যথেষ্ট শিক্ষা হ'ল। গতিকে নবৌ, তোমাকো সেৰা- অশোককো সেৰা আৰু তোমালোকৰ কমল-নগৰৰ সকলোকে সেৰা জনাইছো— আৰু কেতিয়াও এইফালে মুখ নুঘূৰাওঁ, মোৰ বকুলপুৰেই ভাল।"

'ইস্" উমাই মোৰ মুখলৈ চাইছে, মোৰ কথাত ক'ৰবাত দুৰ্বলতা আছেনে নাই,— "বাৰু দেখা যাব-"

"দেখা যাব নহয়, সঁচাই কৈছো-"

গাম্ভীৰ্যৰ অভিনয়খিনি নিখুঁত হোৱাত উমাৰ অলপ খু-দুৱনি লাগিছে-লোভ দেখুৱালে—

"পৰাজয় স্বীকাৰ কৰি পলাই থকাত একো গৌৰৱ নাই-"

"বিপদ মাতি নানিবা নবৌ।"

"হওক বিপদ- আহিবা তুমি?"

অলপকৈ হাঁহি কলো— "বেছ- তেন্তে সেয়ে হ'ব- মাজে মাজে আহিম.... হয়তো সদায়ো আহিব পাৰো, কিন্তু এতিয়াই তোমাক সাৱধান কৰি দিছো নবৌ, ইয়াৰ পৰিণাম কিন্তু ভয়াবহ..."

"আমি প্ৰস্তুত!" উত্তৰটো দিলে গৌৰীয়ে— "কাৰ্যক্ষেত্ৰতে তাৰ প্ৰমাণ পোৱা যাব— কাৰো মুখৰ দম্ভক কমল-নগৰৰ কেঁচুৱা এটায়ো ভয় নকৰে..."

ৰাজকুঁৱৰীক কলো— "তথাস্তু-"

Scanned with CamScanner

।। ষষ্ঠ অধ্যায় ।।

নৱ-জীৱন

অচিনাকি আছিলো, দিন যোৱাৰ লগে লগে সকলোৰে চিনাকি হৈ উঠিছো। কমল-নগৰত, সেই ম'হযুঁজৰ দিনা বগা ঘোঁৰাৰ ওপৰত উঠি দেখা দিয়া অচিনাকি সুবেশ ডেকাজনক এতিয়া আৰু কোনেও কাকো চিনাকি কৰি দিবৰ প্ৰয়োজন নহয়। ৰঙা আলিৰ বুকুফালি খোজ ললে প্ৰথম মাহৰ দিনবোৰৰ দৰে, দাঁতি-কাষৰ ঘৰবোৰৰ দুৱাৰ-খিৰিকীবোৰ আৰু আগৰ নিয়মে খোল খাই নাযায়। পৰ্দাৰ আঁৰত কাৰো চঞ্চল মূৰ্তি আঁৰ হৈ লুকাই নপৰে। সিহঁতে জানিছে মোৰ পৰিচয়। মই চন্দন, কমল-নগৰৰ চিৰ আনন্দৰ নিজৰা চম্পাৰ গৌৰৱৰ দাদা। চেনেহ সৰোবৰ সাদৰী উমাৰ বন্ধু, দ্বিতীয় ৰাজবিষয়া অশোকৰ বন্ধু। গতিকে সকলোৱে বন্ধুৰূপেই মোক লৈছে— অকল লোৱাই নহয়, শুনিছো অচিৰে কমল-নগৰৰ ৰাইজে মোক প্ৰধান তিনিজন বিষয়াৰ এজন কৰি লব।

অভাৱনীয়ভাৱেই খবৰটো মই পাওঁ। বকুলপুৰত মাৰ কাষত মই আৰু চম্পা সেই সৰুকালৰ দিনবোৰৰ দৰে বহি আছিলো। দুৰ্দিনৰ কাৰণে চম্পা বকুলপুৰলৈ আহিছে। প্ৰতি সপ্তাহতে এবাৰ আহে। হঠাৎ উমা আৰু অশোক তাত ওলাই আমাক বাতৰিটো দিয়ে।....

মাৰ মুখলৈ চাই দেখো মাৰ চকু দুটা চল্‌চলীয়া হৈ উঠিছে। ক'ব নোৱাৰো কিহৰ কাৰণে! মোৰ উপযুক্ততা সম্বন্ধে মাৰ কি ধাৰণা নাজানো। হয়তো আশা কৰিছিল এদিন মই দায়িত্ব লবৰ কাৰণে লায়ক হম, কিন্তু সি যে ইমান সোনকালে আহিব মাই হয়তো তাক আশা কৰা নাছিল। অশোকৰ কথাত আচৰিত হৈয়ে ক'লে—

"অশোক, ই মুখৰ বাতৰি সন্দেহ নাই, কিন্তু এই গুৰুভাৰ সি জানো এতিয়াই লব পাৰিব? সি যে এতিয়াও ল'ৰা মানুহ হৈয়েই আছে...."

মাৰ ভয়, যি সন্মান মোৰ অপৰিণত বয়সত কমল-নগৰে মোক দিব খুজিছে, জানোচা মই তাৰ মৰ্যাদা ৰাখিব নোৱাৰো! অশোকে উত্তৰ দিয়াৰ আগতেই চম্পাই মুখ বিকটাই কৈ উঠিল, "হুঃ, এইবাৰ তেন্তে হৈছে...."

Scanned with CamScanner

"কিয় চম্পা?" কপট গাম্ভীৰ্যৰে চম্পাই উমাৰ প্ৰশ্নৰ উত্তৰত ক'লে— "উমা বাইদেউ, অশোক দাদা! বাৰু আপোনালোকেনো আৰু কমল-নগৰত উপযুক্ত মানুহ বিচাৰি নাপালেনে...?" আচৰিত হৈ উমাই চম্পাৰ মুখলৈ চাই দেখে, আনন্দৰ দীপ্তিত চম্পাৰ মুখখন উজ্জ্বল হৈ উঠিছে।

অশোকে হাঁহি মাৰি ক'লে— "উপযুক্ত মানুহ ঢেৰ আছিল চম্পা, পিছে কমল-নগৰৰ আটাইতকৈ ধুনীয়া গাভৰু গৰাকীৰ হাঁহিৰে ভৰা মুখখন, আৰু বেছি ধুনীয়া হৈ উঠা দেখিবলৈ পাব বুলিয়েই সকলোৰে এই ব্যৱস্থা...."

"কোন নো সেইগৰাকী?"

"তাকেইতো মাইদেউ! সেই গৰাকীনো কোন...." অশোকেও হাঁহি মাৰি মাক সুধিলে। মাই চম্পাৰ মুখখন বুকুৰ মাজলৈ টানি নি উত্তৰ দিলে— "সেইগৰাকী এয়া মোৰ বুকুৰ সোণ...."

সুনিবিড় তৃপ্তিত মাৰ বুকুত মুখখন থৈ চম্পাই ফুচ্‌ফুচাই ক'লে— "জেঠাইদেউ মোৰ কিন্তু সঁচাই দুখ হৈছে-"

"কিয় মোৰ আই?" আচৰিত হোৱাৰ ভাও ধৰি মাই সুধিলে। "সকলো বিষয়তে মই দেখো দাদাতকৈ ঢেৰ বেছি গুণী, অথচ কমল-নগৰৰ ৰাইজে তাৰ মৰ্যাদা নাৰাখিলে কিয়?"

"বোধকৰো সেইসকলৰ বিচাৰ কৰাৰ অক্ষমতা চম্পা..."

"এৰা মোৰো সেয়ে সন্দেহ হৈছে নহ'লে মোক এৰি দাদাক এই সন্মান কেতিয়াও নিদিলেহেঁতেন।"

"নিশ্চয়-"

উমাই একো বুজিব নোৱাৰি ক'লে— "কি চম্পা তুমি যে ছোৱালী মানুহ..."

মই আৰু অশোকে হাঁহি উঠাত উমা বৰ অপ্ৰস্তুত হৈ গ'ল। চম্পাই ক'লে— "সিয়ো এটা মোৰ ডাঙৰ দুখ উমা বাইদেউ। ভগৱানে যে কিয় মোক ইমান গুণৰ অধিকাৰিণী কৰিও ছোৱালী কৰি স্ৰজিলে? ছোৱালী জন্মটো যে কিমান দুখৰ তাক নো মোৰ বাহিৰে আন কোনে বুজে? আজি মই ছোৱালী নহৈ ল'ৰা হোৱা হ'লে-"

লৰালৰিকৈ কলো— "ল'ৰা হোৱা হ'লে মোৰ বাবটো নালাগে লক্ষ্মীনাৰায়ণ ডাঙৰীয়াৰ গাদীখনো অধিকাৰ কৰি বহিলিহেঁতেন, নহয়...?"

চম্পাই মোক বাধা দি কৈ উঠিল— "হৈছে, হৈছে, নিজৰ গুণকণ আৰু জাহিৰ নকৰিবা। ইয়াকো শুদ্ধকৈ ক'ব নোৱাৰিলা যে মই ল'ৰা হোৱা হ'লে লক্ষ্মীনাৰায়ণ

Scanned with CamScanner

ডাঙৰীয়াৰ গাদীৰ পৰিৱৰ্তে মোৰ গুণকীৰ্তন শুনি ৰাজধানীৰপৰা স্বৰ্গদেৱে মোক মাতি নি প্ৰধানমন্ত্ৰীৰ বাব দি গৌৰৱ বোধ কৰিলেহেঁতেন—"

গহীন হৈ কলো— "এৰা..দেখিছো মোৰেই ভুল—"

"হুঁ পিছে কথা হৈছে, মোৰ কমল-নগৰ এৰি ৰাজধানীত থাকিবলৈ অলপো আগ্ৰহ নাই দাদা! সেই দেখিয়েই হ'বলা ভগৱানে মোক ছোৱালী কৰি সৃজিলে নহয়নে উমা বাইদেউ?"

উমাই দোধোৰ-মোধোৰত পৰি ক'লে— "চম্পা তুমি ধেমালি কৰিছা।"

"ধেমালি? উমা বাইদেউ আপুনি দেখিছো বৰ দেৰিকৈ বুজে"- হঠাৎ ঘূৰি মোক হুকুম দিলে, "চাওঁ দাদা উঠা-"

"কিয়?"

"কি কিয়? উঠাচোন..." চম্পাই মোৰ বাধা অগ্ৰাহ্য কৰি সকলোৰে মাজৰপৰা মোক চোঁচোৰাই টানি লৈ গ'ল ঘৰৰ এমূৰে থকা নিৰ্জন কোঠাটোলৈ- সেইটো চম্পাৰ কোঠা। চম্পাৰ এনে ধৰণৰ ব্যৱহাৰ সকলোৰে চিনাকি যদিও হাঁহি সুধিলো, "বলিয়া হৈ গ'লি নেকি?"

"এতিয়াও নাই হোৱা বোধকৰো, এইবাৰ ইম...."

চম্পাৰ হাঁহিভৰা মুখখনলৈ চাই প্ৰশ্ন কৰিলো— "মোক ইয়ালৈ কিয় আনিলি চম্পা?"

"কিয়? ....জানো ক'ব নোৱাৰো-"

"ক'ব নোৱাৰ?"

লক্ষ্য কৰি দেখিলো, চম্পাই কিবা এটা ক'ব খুজিও যেন হঠাতে নিজক সংযত কৰি, লাহে লাহে আনফালে মুখখন ঘূৰাই নি, মুহূৰ্ত পাছতে আকৌ মোৰ মুখলৈ চাই হাঁহি উঠিল। মাত্ৰ এটা মুহূৰ্ত, কিন্তু এই এটা মুহূৰ্তৰ ভিতৰতে চম্পাৰ মুখৰ যি পৰিৱৰ্তন মোৰ চকুত পৰিছিল, সি বহুত সময়লৈকে চকুৰ আগত ভাঁহি ৰ'ল। ......পূৰ্ণিমাৰ জোনটোক আঁৰ কৰি উৰি যোৱা ডাৱৰ চপৰাৰ দৰেই কিবা এটা অবুজ, অস্বাভাৱিক ছাঁয়া যেন খন্তেকতে চম্পাৰ মুখৰ ওপৰেদি বৈ গ'ল। বুজি নাপালো সি কি? আৰু চম্পায়ে বা মোক কি ক'ব খুজিছিল?

মোক ভাবিবৰ অৱসৰ নিদি চম্পাই মাত দিলে, "বুজিছা দাদা, আজি মোৰ বৰ আনন্দ হৈছে.."

তীক্ষ্ণ দৃষ্টিৰে অনুসন্ধান কৰিও চম্পাৰ মুখত মুহূৰ্ত আগৰ পৰিৱৰ্তনৰ আৰু একো চিন-চাব বিচাৰি নাপালো।

"তাকে ক'বলৈকে মোক ইয়ালৈ চোঁচোৰাই আনিলি?"

Scanned with CamScanner

"আৰু নো কিয়?"

"মিছা কথা; ক কি ক'ব খুজিছিলি? বাউসিত ধৰি দুটা জোকাৰ দিয়াত নিৰুপায়ত পৰি চম্পাই ক'লে— "সঁচাই দাদা, ইয়াকে উমা বাইদেউহঁতৰ আগত মুখফুটাই ক'ব নোৱাৰি..."

"ইয়ালৈ আনিলি নহয়?"

"ঠিক ধৰিছা-"

গম্ভীৰ হৈ কলো— "তই মোক কি বুলি ভাবিছ চম্পা? গৰু?"

"কেলৈ গৰু হ'বা, তুমি মহা পণ্ডিত..."

"মই জানো, যি কথাটো তাত ক'ব নোৱাৰিলি তাকে ক'বলৈ তই মোক ইয়ালৈ আনিছ- ক' চম্পা..." তাইক অনুৰোধ কৰাত তাই হাঁহি ক'লে— "কিন্তু দাদা, পণ্ডিতৰ দৰেতো কথা নহ'ল যিটো উমাহঁতৰ আগত ক'ব নোৱাৰিলো, তাক তোমাৰ আগতে বা মুখফুটাই ক'ব পাৰিম তাকনো তুমি কেনেকৈ জানিলা?"

"তেন্তে আনিলি কিয়?"

খন্তেক চিন্তা কৰি চম্পাই ক'লে— 'ইচ্ছা হৈছিল তোমাক এটা কথা কওঁ, পাছে ভাবি চালো তাক ক'ব নোৱাৰি—"

"উমাহঁতৰ আগত হে নোৱাৰি!"

"অকল উমাহঁতেই নহয়, দেখিছো পৃথিৱীৰ কাৰো আগতেই নোৱাৰি-"

"মোৰ আগত?"

"এৰা, তোমাৰ আগতো... তুমি জানো পৃথিৱীৰ বাহিৰত?"

"কেলৈ হম পৃথিৱীৰ বাহিৰত? তোৰ বিকৃত মূৰৰ মাজত..." বিৰক্তিৰে চম্পাক দূৰলৈ ঠেলা মাৰি পঠিয়াই ওলাই আহিব খোজাত চাম্পাই ব্যস্ত হৈ ক'লে— "মূৰৰ মাজত নহয় দাদা- বুকুৰ... শুনা, শুনা...."

"নুশুনো, কিয় যে তোক মই কথা সোধো..."

খং কৰি দুৱাৰৰ ওচৰ পাইছিলোহি। কিন্তু চম্পাৰ মুখত এজনাৰ নামটো উচ্চাৰণ হোৱা শুনি থমকি ৰৈ পৰিলো। লাহে লাহে চম্পাই মোৰ ওচৰলৈ চাপি আহি হাতত ধৰিলেহি ঃ "মোৰ আৰু এটা ভুল আজি তুমি ভাঙি দিলা-"

"কি?"

"ভাবিছিলো তোমাৰ দৰে গৌৰীতকৈয়ো মই বহুগুণে বেছি গুণী, কিন্তু এতিয়া দেখিছো গৌৰীৰ নামটোৰেই মহিমা অপাৰ। যিজনক মই কাবৌ কৰিও ধৰি ৰাখিব নোৱাৰিলো সেইজনক গৌৰীয়ে সশৰীৰে নালাগে মাথোঁ নামটোৰেই ধৰাশায়ী কৰি পেলালে..."

Scanned with CamScanner

ধৰাশায়ী হোৱা নাছিলো যদিও তৎকালে হৈ যে ৰে পাৰাছিলো তাক অস্বীকাৰ কৰাৰ উপায় নাই। চম্পাই হয়তো ভাবিলে, সি মোৰ দুৰ্বলতা। কিন্তু চম্পাই নাজানে যে প্ৰতিদিনৰ দৰে গৌৰী আজিও মোৰ শত্ৰু। ইয়াৰ ভিতৰত বহুদিনেই উমাহঁতৰ ঘৰত গৌৰীৰ লগত দেখা-সাক্ষাৎ হৈছে আৰু প্ৰতিবাৰেই যে এখন এখন খণ্ডযুদ্ধৰ পাছত দুয়ো দুফালে আঁতৰি আহিছো, তাক আনে নহ'লেও অন্ততঃ উমাই ভালদৰেই জানে।

গৌৰী প্ৰকৃততে অহংকাৰী নহয়, কিন্তু মোক দেখিলেই গৌৰী হৈ উঠে দুৰ্ঘোৰ অহংকাৰী, দাম্ভিক। তীব্ৰ বিদ্ৰূপ বাণেৰে মোক আঘাত কৰি গৌৰীয়ে ভাল পায়। মোৰো ভাল লাগে গৌৰীক নিষ্ঠুৰভাৱে আঘাত কৰিবলৈ। যদুখুৰাৰ পাশাৰ নিচাৰ দৰে আমাৰো ই আজিকালি হৈ উঠিছে এটা নিচা। আন্তৰিক অৱজ্ঞা বৰ্জিত আমাৰ এই কৃত্ৰিম শত্ৰুতাৰ মাজত পৰি সময়ে সময়ে উমাৰ অৱস্থা শোচনীয় হৈ উঠে যদিও উমাই বুজে এই তীব্ৰ নিষ্ঠুৰতাৰ মাজতো এটা সৌন্দৰ্য আছে, যিটোক মই উপভোগ কৰো। হয়তো গৌৰীয়েও কৰে। কিন্তু তাকে যদি চম্পাই আন কিবা ভাবি মোক বিদ্ৰূপ কৰি থাকে তেন্তে সি চম্পাৰ ভুল। কিন্তু মই ধৰিব নোৱাৰিলো আচলতে চম্পাৰ কথাত কি আছিল? বিদ্ৰূপৰ সুৰ? নে অভিমানৰ অস্পষ্ট ঝংকাৰ।

চম্পাৰ মুখলৈ চালো, নাই! চম্পাৰ মুখখন চাই মনৰ কথা বুজিব পৰা শক্তি মোৰ নালাগে আনকি দেৱতাৰো নাই। মাৰ দৰে চম্পাও মোৰ ওপৰত দিনে দিনে দুৰ্বোধ্য হৈ উঠিছে। মনত নপৰে— ভাবি চাওঁ তাই চিৰদিন জানো এনেকুৱাই আছিল?- 'অদ্ভুত..'

অবাক বিস্ময়ত মোৰ মুখলৈ চাই চম্পাই প্ৰশ্ন কৰিলে— "অদ্ভুত? কি?"

"তই- তহঁতৰ গোটেই জাতিটোৱেই, বিশেষকৈ পৃথিৱীত যি দুটি প্ৰাণী মোৰ আটাইতকৈ আপোন, আটাইতকৈ চেনেহৰ, সেই মা আৰু তই দুয়ো..."

চম্পাই হাঁহি উঠিল "হয় নেকি? পাছে আৱিষ্কাৰটো বৰ হঠাৎ হোৱা যেন লাগিছে-" "হঠাৎ নহয়; মা আগতে এনে নাছিল, তয়ো সৰুতে নাছিলি"—

"এতিয়া হৈ উঠিছো নহয়? তাকেইতো... সি হয়তো বয়সৰ ধৰ্ম, কিন্তু আচল কথাটো কি কমনে?"

"কি?"

'ইমান দিন তুমি মোলৈ, জেঠাইদেউলৈ এবাৰো ভুলতেও ঘূৰি চোৱা নাছিলা। ধৰি লৈছিলা, মা চিৰদিন 'মা' চম্পা চিৰদিন 'চম্পা'! তাৰ বাহিৰেও যে আমাৰ

Scanned with CamScanner

বেলেগ পৰিচয় আছে, বেলেগ অস্তিত্ব আছে তাক জানো কোনোবা দিনা এবাৰলৈকো ভাবি চাইছিলা? কিন্তু গৌৰীক দেখিবৰ দিনাৰেপৰা হঠাৎ আমাৰ জাতটোৰ প্ৰতি অলপ কৌতূহল হোৱাত ঘূৰি চাই আমাক, আমাৰ কথাবোৰক নতুন নতুন যেন লাগিছে...."

"তইঁতলৈ ঘূৰি চোৱা নাছিলো? কাক চাইছিলো তেন্তে?"

ব্যস্ত হৈ চম্পাই মোক বাধা দিলে— "আস্ নুবুজা কিয়! স্বীকাৰ কৰো চাইছিলা, সকলো কৰিছিলাও। আমাৰ কথাবোৰ নিৰ্বিঘ্নে একাণে সোমাই মগজুৰ ওপৰেদি পাৰ হৈ সিকাণে ওলাই গৈছিল- বিচাৰ কৰিবৰ প্ৰয়োজন দেখা নাছিলা। কিন্তু আজিকালি তোমাৰ চখ্ হৈছে, আমাক, আমাৰ কথাবোৰক বিচাৰ কৰি চাব খোজা। সেই দেখিয়েই তো বিপদ, বিশেষকৈ তোমাৰ বুদ্ধিটোও যেতিয়া অলপ কম, বুজিবলৈ দেৰি হোৱা সিও এটা কাৰণ..."

"হওক বাৰু, মোৰ বুদ্ধি কম, কিন্তু তইঁত লাগিলে যিমানেই বুদ্ধিমতী নহৱ চম্পা, উমাৰ দৰে সহজ, সৰল, সুন্দৰ নহৱ..."

"নহওঁ নেকি? মোৰ কিন্তু বিশ্বাস আছিল আমিও ঠিক তেনেকুৱাই, মাথোঁ পাৰ্থক্য এইখিনিতেই যে উমা হৈছে চকুৰ আগত মেলি থোৱা কিতাপখনৰ দৰেই সহজ, পঢ়িবলৈ অলপো অসুবিধা নহয়। কিন্তু আমি হৈছো তোমাৰ কোঁচতে জাপ খাই থকা কিতাপ। অলপ কষ্ট কৰি মেলি ললেই সুন্দৰকৈ পঢ়া যায়। পাছে চিৰ জীৱন তুমি আমাক কোঁচতে লৈ ফুৰিছা যদিও ভুলতো তাক মেলি চোৱাৰ কিবা প্ৰয়োজন থাকিব পাৰে বুলি এবাৰ কল্পনাও কৰি চোৱা নাই..."

"হুঁ"... পিছে আজি পঢ়িব খুজিলেও হয়তো নোৱাৰিম, বিশেষকৈ তোক..."

"কিয়? মই যেতিয়া পাৰো তুমি কেলৈ নোৱাৰিবা?"

"যিহেতু তোতকৈ যে মোৰ বুদ্ধিটো কম..."

চম্পাই হাঁহি ক'লে— "হওঁতে সি সঁচা, সেইবুলি একেবাৰে নোহোৱাতো নহয়? তাৰেই চেষ্টা কৰি চালে দেখিবা আমি সকলোবোৰেই উমা বাইদেউৰ দৰেই সহজ, সৰল, সুন্দৰ। মোৰতো কাৰোবাক জানিবলৈ এটা মুহূৰ্তও নালাগে। মোৰ ওচৰত উমা বাইদেউ যিমান সহজ তুমিও সিমানেই...."

"তোৰ দেখিছো নিজৰ বুদ্ধিৰ ওপৰত অগাধ বিশ্বাস—"

"হোৱাটোৱেই স্বাভাৱিক- তাৰ পৰিচয় তোমাক দিলে বোধকৰো আচৰিত হৈ যাবা! বাৰু কোৱাচোন মই কি ভাবিছো?"

"তাকেই যদি জানিলোহেঁতেন চম্পা তেনেহ'লে যে কথাই নাছিল..."

চম্পাই হাঁহি কৈ গ'ল— "মই কিন্তু কৈ দিব পাৰো তুমি কি ভাবিছা, এই

ধৰা এই মুহূৰ্তত তুমি নিজেই নাজানা তুমি কি ভাবিছা- মানে এতিয়া ভাবিবলৈ চেষ্টা কৰিছা তুমি কি ভাবিছা বা ভাবিব খুজিছা কিন্তু অথনিৰেপৰা আমাৰ সকলো কথাৰ মাজত তোমাৰ মনলৈ বাৰে বাৰে সেই একেটাই প্ৰশ্ন আহিছে- চম্পাই মোক কি ক'বলৈ ইয়ালৈ টানি আনিছিল? কিন্তু তাক ন'কলে কিয়? এই সকলো অবান্তৰ কথাৰ মাজত কিয় তাক আঁতৰাই ৰাখিবৰ চেষ্টা কৰিছে? হয় নে নহয় কোৱা?"

বিস্ময়ত স্তব্ধ হৈ খন্তেক চম্পাৰ মুখলৈ চালো। স্বীকাৰ কৰিবলৈ মই বাধ্য চম্পাৰ গৰ্ব কৰাৰ সামৰ্থ্যখিনিও আছে।

"চম্পা, মোক এটা বস্তু দিবিনে?"

"কি বস্তু?"

"তোৰ এই শক্তিকণ, অন্ততঃ এটা মুহূৰ্তৰ কাৰণে এজনক চাই লবৰ মন গৈছে।"

"চাই লবৰ মন গৈছে? কাক? গৌৰীক...?"

"নহয়, কাক তই ভালকৈয়ে জান-"

চম্পা চক্ খাই উঠিল; কিন্তু সি ইমান ক্ষুদ্ৰ এটা মুহূৰ্তৰ কাৰণে যে তাক থিৰাং কৰি বিচাৰ কৰিবৰ সময় নাপালো। চকুৰ পচাৰতে তাক আঁৰ কৰি চম্পাই আৰু ভয় খোৱাৰ ভাও ধৰি কৈ উঠিল... সৰ্বনাশ দাদা! মোক চাব খুজিছা? নাই নাই, তেনে কাম কেতিয়াও নকৰিবা।"কমল-নগৰৰ সকলো সৌন্দৰ্যৰ অধিকাৰিণী হোৱা চম্পাৰ কৌশলৰ গুপ্ত চাবি-কাঠি মই মোৰ অন্তৰৰ মাজত যতনেৰে লুকাই ৰাখিছো। তুমি বা আন কোনোবাই তাৰ সম্ভেদ পালেই মোৰ সকলো সৌন্দৰ্য থিতাতে শেষ হৈ যাব দাদা! তেতিয়া হয়তো তাৰ দুখত মই কান্দি দিম, মোৰ দুখত কান্দি দিবা তুমি, তাতকৈ বৰঞ্চ শুনা, মই কি ক'বলৈ তোমাক ইয়ালৈ আনিছিলো... ইমান দিন মোৰ এটা বৰ ডাঙৰ অভাৱ আছিল বুজিছা..."

চম্পাই কথা ঘূৰালে। মোক বুজিবলৈ বা ভাবিবলৈ সময় নিদি তাই যে নতুন কথাৰ অৱতাৰণা কৰিলে তাক ভালকৈয়ে বুজিলো। আশা কৰা মিছা, চম্পাই মোক একো জানিবলৈ নিদিলে। নিৰাশ হৈ তাইৰ ধুনীয়া চকুযোৰলৈ চালো। মোৰ ওচৰ চাপি আহি তায়ো মোৰ চকুলৈকে চাই ক'লে "মই তোমাৰ ভনী হওঁ- ইমান দিন সকলো বিষয়তে শ্ৰেষ্ঠা আছিলো যদিও গৌৰীৰ দৰে পদমৰ্যাদাৰ দম্ভ কৰিবলৈ মোৰ এটা বৰ ডাঙৰ অভাৱ আছিল। আজি সেই অভাব মোৰ পূৰণ কৰি দিলা তুমি! গৌৰীৰ দৰে মহাৰাণীৰ ভেমত এতিয়াৰেপৰা ময়ো কমল-নগৰৰ

Scanned with CamScanner

মাজত বুকু ফুলাই ফুৰিব পাৰিম তাক বাৰু তুমিয়েই কোৱাচোন, উমা বাইদেউৰ আগত মুখ ফুটাই ক'ব পাৰি জানো? ঠাট্টা কৰি কলো, "নাই নাই নোৱাৰি।"

"কি নোৱাৰি, চন্দন!..."

হঠাৎ ঘূৰি চাই দেখো উমা কোঠাটোলৈ সোমাই আহিছে। খন্তেকতে ময়ো মুখ ফুটাই একো ক'ব নোৱাৰিলো। বিপদৰপৰা উদ্ধাৰ কৰিলে চম্পাই। তাই তৎক্ষণাৎ ফাঁকি দিলে "খুউব, পাৰি উমা বাইদেউ? মই দাদাক কৈছিলো যে আজি গধূলিয়েই মই আপোনালোকৰ লগত কমল-নগৰলৈ উভতি যাম। কিন্তু দাদাই কৈছে 'নোৱাৰা যাব'। কাইলৈ পুৱা তেওঁ বোলে নিজেই মোক থৈ আহিব। মই কৈছো, নালাগে, আজি লগত যাব খুজিলে উমা বাইদেউহঁতে অলপো বেয়া নাপায়,- কৈছে পাব..ফুৰিবলৈ অহাৰ সুবিধা লৈ মোক লগতে জাপি দি আপোনালোকক বোলে আমনি কৰিব নোৱাৰি। ...চাওকচোন মই আপোনাক তাকেই ক'বলৈ যাব খোজাত মোক কেনেকৈ চুলিত ধৰি টানি ৰাখিছে... চাওঁ এৰি দিয়া দাদা-"

কেতিয়া যে চম্পাৰ বেণীৰ আগডাল হাতত লৈ অবাবতে লিৰিকি বিদাৰি আছিলো ক'ব নোৱাৰো, চম্পাৰ কথাত বৰ অপ্ৰস্তুত হৈ এৰি দিলো। উমাই হয়তো ভাবিছে, সঁচাই। অলপ অভিমান কৰিয়েই ক'লে- "চন্দন, তুমি বাৰু তেনেকৈ ক'ব পোৱানে! চম্পা লগত গলে আমি আমনি পাম? আচলতে কোৱা চম্পাক এৰি দিবলৈ টান পাইছা, ~~নহয়?~~"

মই কি ক'ম? চম্পাৰ কথা প্ৰকাশ কৰি দিলে সকলো পৰিষ্কাৰ হৈ যায়, কিন্তু উমাৰ ওচৰত তাইক ইমান সৰু কৰি দিব নোৱাৰিলো। দোষটো নিজৰ গাতে থৈ কলো— "সঁচা নবৌ, তাইক এৰি দিবৰ মন যোৱা নাই। কিন্তু কথা হৈছে তাই মোৰ ওচৰত থাকিলেও মোক জ্বলাই মাৰে নাথাকিলেও জ্বলি মৰো। মই ভাবি পোৱা নাই তাইক লৈ কি কৰিম...।"

"একো কৰিব নালাগে- মাথোঁ এৰি দিয়া! চম্পা ব'লা, মাহীদেৱে আমাক জলপানৰ যোগাৰ কৰিবলৈ কৈছে-।"

চম্পাক লৈ উমাই ৰান্ধনি ঘৰৰ ফালে খোজ ললে। উমাই দেখাকৈয়ে চম্পাই মোৰ ফালে চাই এনেভাৱে শিঞৰি গ'ল যে উমাৰ লগত ময়ো হাঁহি উঠিলো।

সেইদিনা গধূলি চম্পা সঁচাকৈয়ে উমাহঁতৰ লগত কমল-নগৰলৈ উভতি গ'লগৈ।

Scanned with CamScanner

তাৰপৰা এসপ্তাহো পাৰ নহ'ল; ৰাজ্য এখনৰ যুৱৰাজৰ অভিষেকৰ দৰেই সৰু-সুৰা উৎসৱ এটাৰ মাজত কমল-নগৰৰ তৃতীয় ৰাজবিষয়াৰ সৰু সিংহাসনখন অধিকাৰ কৰি বহিলো। এই উৎসৱ-যজ্ঞৰ প্ৰধান পুৰোহিত হৈছিল লক্ষ্মীনাৰায়ণ নিজে। নাজানো কি চকুৰে তেওঁ মোক প্ৰথমৰেপৰা চাইছে। তেওঁৰ অকৃত্ৰিম চেনেহৰ প্ৰখৰ সোঁতত মোক প্ৰায় উটুৱাই নিবৰ যোগাৰ কৰিছে। মোৰ সুখ-সুবিধাৰ প্ৰতি তেওঁৰ সতৰ্ক দৃষ্টিৰ আতিশয্যত মাজে মাজে অতিষ্ঠ হৈ উঠো— লাজো লাগে ঃ অথচ তেওঁৰে একমাত্ৰ সন্তান গৌৰীৰ সম্পূৰ্ণ বিপৰীত ব্যৱহাৰৰ কথা হয়তো তেওঁ এবাৰ ভুলতো কল্পনাও কৰি চোৱা নাই, ভাগ্যে ওচৰত গৌৰী নাথাকে, থকা হ'লে আচৰিত হৈ গ'লহেঁতেন।

সকলোৰেপৰা পোৱা অপ্ৰত্যাশিত প্ৰীতি সন্মানৰ বিনিময়ত মন নগ'লেও তাৰ সন্মান ৰাখিবলৈকে, চিৰদিনৰ অবাধ স্বাধীনতা, অপৈণত বয়সৰ অত্যধিক চঞ্চলতা বিসৰ্জন দি, মোৰ নতুন জীৱনৰ নতুন কৰ্তব্যত নিজক ডুবাই দিবলৈ বাধ্য হলো। মাৰ আশীৰ্বাদ, লক্ষ্মীনাৰায়ণৰ উপদেশ, অশোকৰ প্ৰেৰণাত- উদগনিত, চম্পা-উমাহঁতৰ চেনেহ-গৌৰৱত গৌৰৱান্বিত হৈ অতি উৎসাহেৰেই তাক কৰিবলৈ ললো।

প্ৰায় প্ৰতিদিনেই শুকুলাৰ পিঠিত উঠি বকুলপুৰৰপৰা পুৱাতে যাওঁ। গোটেই দিনটো কমল-নগৰত কটাই ক্লান্ত হৈ আকৌ গধূলি উভতি আহোঁ মাৰ ওচৰলৈ। মা বকুলপুৰ এৰি যাব নোৱাৰে, মই মাক এৰি থাকিবও নোৱাৰো; গতিকে ৰঙাটিলাত থাকিবলৈ কৰা লক্ষ্মীনাৰায়ণৰ অনুৰোধ, ৰূপালীপামত থাকিবলৈ কৰা উমা-অশোকৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলো; মাজে মাজে বকুলপুৰলৈ উভতি আহিব নোৱাৰিলে চম্পাহঁতৰ নিজৰাত ৰাতিটো কটাওঁ। কিন্তু আচৰিত কথা স্থায়ীভাৱে তাত থাকিবলৈ চম্পায়ো মোক নক'লে। হয়তো মাৰ কথা ভাবিয়েই চম্পাৰ এই ব্যৱস্থা। মাক আগতে খবৰ নিদিয়াকৈ, কোনোদিনাই তাই মোক কমল-নগৰৰ ক'তো থাকিবলৈ দিয়া নাই। মাই চিন্তা কৰিব, এয়ে তাইৰ ভয়। কিন্তু

Scanned with CamScanner

মই ওচৰত থাকিলে যে তাই কিমান সুখী হয় সেইটো প্ৰকাশ কৰি নেদেখুৱায় যদিও মই বুজো। মোৰ ভাল লাগে। চম্পা মোৰ কৈশোৰৰ খেলাৰ লগৰী। দুয়ো মুখামুখি হ'লেই আমি তৎক্ষণাত উভতি যাওঁ আমাৰ হেৰাই যোৱা কৈশোৰৰ মাজলৈ। বকুলপুৰৰ নিৰ্জন হাবিত উমলি ফুৰা এহাল বনৰীয়া জন্তুৰ দৰেই হৈ পৰো।

...আগদিনা বিশেষ এটা জৰুৰী কামত আৱদ্ধ থকাত সময়মতে বকুলপুৰলৈ উভতি আহিব নোৱাৰিলো, আৰু অশোকহঁতৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ৰাতিটো ৰূপালীপামতে কটাই দিলো। পুৱা শুই উঠিয়েই মনত পৰিল চম্পালৈ। তাই শুনিলে নিশ্চয় অভিমান কৰিব। আগতে তাইলৈ খবৰ পঠাবলৈকো নহ'ল; তাৰ উপৰিও মোৰ অভিনৱ অভিষেকৰ দিনৰেপৰা তাইক ভালকৈ লগেই পোৱা নাই।

আনৰ মুখে খবৰ পোৱাতকৈ নিজেই দিবলৈ বুলি সময় নষ্ট নকৰি তৎক্ষণাত ৰাওনা হ'লো। কিন্তু নিজৰা পাই দেখো চম্পা ঘৰৰ ক'তো নাই। তাইক পাবলৈ আশা কৰাটো মোৰেই ভুল। এনে এটা মনোৰম সুন্দৰ পুৱাত ঘৰৰ ভিতৰত আৱদ্ধ হৈ থকা চম্পাৰ জীৱনত খুব কমেই ঘটিছে। ঘৰৰ ভিতৰত চম্পাৰ বুঢ়ীমাকৰ আগত পৰি ময়ো তাৰপৰা বঞ্চিত হওঁ বুলিয়েই মনে মনে ওলাই আহিলো। মধুৰ পুৱাটো নিৰ্জনত উপভোগ কৰাৰ উদ্দেশ্যে ৰঙাআলি এৰি আন এটা সৰু আলিয়েদি ঘোঁৰাজনীৰ মুখ ঘূৰাই আগবাঢ়ি গলো।

দক্ষিণপাৰৰ এমূৰে থকা নিৰল চুবুৰিটোৰ, একেবাৰে এদাঁতিৰ অকলশৰীয়া ঘৰটো জয়াৰ। জয়া বিধবা। কমল-নগৰৰ শ্ৰেষ্ঠা ফুলতী আটাইতকৈ পাকৈত শিপিনী জয়া।

জয়াৰ ঘৰৰ পাছফালে থকা ফল-মূলৰ ডাঙৰ বাৰীখনৰ গাতে লাগি গৈছে, নিমজ চিকুণ ডুবৰিৰ বহল নিৰ্জন আলিটো। নবীন পুৱাৰ তৰুণ অৰুণৰ ৰঙালী ৰশ্মি পাই গোটেই ঠাইখনেই অপূৰ্ব সুন্দৰ হৈ চকুত পৰিছেহি। নৱবসন্তৰ শ্যামল পৃথিৱী-বুকুৰ অমৃত পান কৰি ওচৰৰ দূৰৰ প্ৰতিজোপা গছেই সেউজীয়া আবৰণেৰে সৈতে উজ্জ্বল- যৌৱনৰ দীপ্তিত দীপ্ত। তাতে আকৌ ৰহণ সানিছে নগৰৰ ওপৰেৰে বাগৰি গৈ দূৰৰ পৰ্বতলৈ যোৱা আনন্দ বিহ্বল কুলি চৰাইজনীৰ মিঠা মাতটোৱে। পুৱাৰ কোমল বতাহজাকত কঁপনি তুলি, প্ৰতিটো প্ৰাণীৰ প্ৰতিখন হিয়া মতলীয়া চঞ্চলতাৰে ভৰাই তুলিছে। তাইৰ মাতত আনকি শুকুলাও হৈ উঠিছে চঞ্চল। তাইৰো যেন ইচ্ছা, মোক পিঠিত লৈয়ে আনন্দত প্ৰাণভৰি এবাৰ এই ডুবৰিৰ আলিটোত দৌৰি লয়।

প্ৰাকৃতিক সৌন্দৰ্যত মুগ্ধ হৈ মই নিজেও যে কেতিয়াৰেপৰা গুণ-গুণকৈ গীত গাই গৈছো ক'ব পৰা নাছিলো। সংকোচ কৰিবলৈকো ওচৰত বা দূৰত এটি জনপ্ৰাণীও নাছিল। কিন্তু হঠাৎ এবাৰ মোৰ মুখৰ গীত বন্ধ হৈ গ'ল। কোনোবা ফালৰপৰা কিবা এটা উফৰি আহি জোৰেৰে মোৰ কপালত লাগিলেহি। চাই দেখো বৰ এটা টুপটুপীয়া পকা ক'লাজামু। মোৰ গোটেই কপালখন ৰসেৰে বুৰাই জামুটো শুকুলাৰ ঠেঙৰ ওচৰত পৰিলেগৈ।

যিমান দুখ পালো, তাতোকৈ ঢেৰ বেছি হ'লো আচৰিত। কমল-নগৰত এনে সাহ কাৰ হ'ল, যি মোৰ সৈতে এনেভাৱে ধেমালি কৰিবলৈ স্পৰ্দ্ধা কৰে? চাৰিওফালে চকু ফুৰাই চালো, কিন্তু ক'তো কাকো নেদেখিলো। এবাৰ চকুত পৰিল অলপ দূৰতে থকা জয়াৰ বাৰীচুকৰ ক'লাজামুজোপালৈ। পকা পকা ক'লা জামুৰে গোটেই গছজোপাই ঢাক খাই আছে। সন্দেহ হ'ল... তৎক্ষণাত ঘোঁৰাৰে সৈতে একেবাৰে গছৰ গুৰি পালোহি।

ওপৰলৈ চাই দেখো মোৰ মূৰৰপৰা মাত্ৰ দুহাতমান ওপৰতে, গচৰ ফেৰেঙনিত মহাৰাণীৰ ভেমত সিংহাসনত বহাদি বহি আছে অভিনৱ পোছাকেৰে সজ্জিতা ধুনীয়া এজনী গাভৰু! গাৰ চোলাটো টিকটিকীয়া ৰঙা, মূৰত বৰ এটা সৰু-দৈয়া ফুলাম জাপি। ভমকাফুলীয়া মুগাৰ মেখেলাখন, ৰিহাখন ৰঙা আঁচুৰ ফুলেৰে ফুলাম। ডিঙিত ওপৰা-উপৰিকৈ পৰি থকা চাৰিধাৰ বৰ বৰ পোৱালৰ ৰঙা ৰঙা মণি— বাখৰ খটোৱা গাম-খাৰুযোৰ, আঙুলিত থকা আঙঠিকেইটাৰ বাখৰবোৰো আনকি ৰঙা। ভৰিত, হাতত, নখৰ মূৰত কেতিয়াবাই পুৰণা হৈ যোৱা ৰঙালী বিহুৰ জেতুকাৰ ৰঙা বোল। কোঁচত বৰ একোঁচ পকা পকা জামু- জামুৰ ৰসত ওঁঠ দুটা হৈ উঠিছে ক'লা, দাঁতবোৰ বেগুনীয়া! ধুনীয়া চকুপাহিৰ দীঘল দীঘল ধেনুভিৰীয়া নোমৰ আঁৰত চকু দুটা ঢাকিলৈ, পৰম তৃপ্তিত ভৰি নচুৱাই নচুৱাই শ্ৰীমতীয়ে জামু খাইছে।

গছৰ তলত হঠাৎ মোক দেখিয়েই হাতৰপৰা আধাখোৱা জামুটো দূৰলৈ দলি

মোৰ হেৰাইছে- তাইক বিচাৰি উলিয়াবলৈ যদি আপুনি মোক অলপ সহায় কৰে তেনেহ'লে বৰ সুখী হ'ম। কৰিবনে-?'' ''ৰাজকোঁৱৰৰ অসীম অনুগ্ৰহ। আপোনাৰ সেইফেৰা উপকাৰ কৰিবলৈ পোৱা হ'লে নিজকে কৃতাৰ্থ মানিলোহেঁতেন। পাছে দেখিছেই নহয়, মই এতিয়া বিশেষ ব্যস্ত...কিন্তু আগতে এটা কথা কওকচোন, আপোনাৰ সেইহেন সুন্দৰ ৰাজসিক কপালত ইমান বসাল ৰাজতিলকটো কোনে পিন্ধাই দিলে?''

''মোৰেই বেৰসিক বান্দীয়ে...''

''হয় নেকি? ...বান্দীবোৰ সদায়েই বেৰসিক।'' কিন্তু... বিস্ময়ত চকু দুটা ডাঙৰ ডাঙৰ কৰি তাই আকৌ ক'লে— ''বান্দীয়ে? কিন্তু কোঁৱৰ। ৰাজকুঁৱৰীজনী মৰিছিল ক'ত? আৰু ৰাজমাও দেউতাই বা কৰিছিল কি, যে শেষত কোঁৱৰৰ কপালত ৰাজতিলক পিন্ধাই দিবলগীয়া হ'ল এজনী বান্দীয়ে?''

''কি কৰিম, মোৰ অসতৰ্ক মুহূৰ্তৰ সুবিধা লৈ বান্দীয়ে যদি জোৰ কৰি তাক পিন্ধাই দিয়ে তেন্তে মইনো বাৰু কি কৰিব পাৰো আপুনিয়েই কওকচোন।''

''আই-ঐ দেহি! মোৰ কিন্তু আপোনাৰ কাৰণে দুখ লাগিছে কোঁৱৰ... অনুগ্ৰহ কৰি আৰু অলপ মোৰ ওচৰ চাপি আহিবনে—? বান্দীৰ কপালৰ কলংকৰ দাগটো মই মোৰ ৰিহাখন নষ্ট কৰি হ'লেও মুচি দিওঁ...''

চম্পাই কঁকালৰ খোচনিৰপৰা ৰিহাৰ আগটো উলিয়াই ললে। ভাবিছিলো, মই ধৰি-মেলি তাইক নমাই আনিবলৈ অপেক্ষা কৰিব; কিন্তু মই প্ৰস্তুত হোৱাৰ আগতে তাই গছৰ ওপৰৰপৰা জঁপিয়াই পৰিলেহি মোৰ গাত। হয়তো আশা কৰিছিল মই তাইক ঘোঁৰাৰপৰা নপৰাকৈ ধৰি ৰাখিব পাৰিম, কিন্তু তাৰ সময় নাপালো। তাইকতো ধৰি ৰাখিব নোৱাৰিলোঁৱেই, আনকি নিজকো আৰু ধৰি ৰখাৰ শক্তি নহ'ল। চম্পাই মোক লগতে সাঙুৰি লৈ ঘোঁৰাৰ ওপৰৰপৰা এইবাৰ পৰিলেহি মাটিত। মূৰৰপৰা উফৰি যোৱা জাপিটোৰ ওপৰত এজাপি হৈ চম্পা ঠেকেচা খাই ছিটিকি পৰিল দূৰত, মই ডিঙি মোকোটা খাই পৰিলো তাইৰ ওচৰত। খন্তেকলৈ চকুৰ সন্মুখত সকলো আন্ধাৰ যেন লাগিল। ওচৰৰ ঘাঁহনিত সিঁচৰতি হৈ পৰিল চম্পাৰ কোঁচৰ জামুবোৰ।

তায়ো যে মোৰ দৰে দুখ পাইছে তাক তাইৰ মুখৰ অৱস্থা দেখিয়েই বুজিলো; কিন্তু অলপ পাছতে তাই নিৰ্লজ্জৰ দৰেই, দুয়ো হাতেৰে টিকাটো মোহাৰি মোহাৰি সেহাই সেহাই ক'লে— ''ক-ক'লা জামুৰ অম্বল কে-কেতিয়াবা খাইছানে দাদা? ভাবিছিলো আজি ৰান্ধিম। তুমি খাবানে?-'' ডিঙিটোত হাত বুলাই বুলাই অতি

Scanned with CamScanner

কষ্টেৰে উত্তৰ দিলো— "খালোহেঁতেন চম্পা, পাছে তোৰ অম্বল গিলা একেটি সম্বল মোৰ নেলুটো তাৰ ওচৰৰ হাড়ডাল বোধকৰো ভাগিল... চাচোন ডিঙিটো...."

"হি হি হি!" কোনোবা কুমলীয়া ল'ৰাৰ মুক্ত, তৰল হাঁহিৰ শব্দ শুনি, ডিঙিৰ বিষৰ কথা পাহৰি ঘাঁহনিত উঠি বহিলো। ভবা নাছিলো, চম্পা আৰু মোৰ বাহিৰেও যে ওচৰত আন প্ৰাণীও আছে। ওচৰলৈ চাই দেখো, গছৰ একেবাৰে আগত এহাল সৰু ল'ৰা! সেয়া বিধবা জয়াৰ আঁচলৰ নিধিৰাম আৰু শ্যাম। সিহঁত হালৰপৰা মাত্ৰ কেইহাতমান তলতে ডাল-পাতৰ আঁৰত আৰু কোনোবা এজনী চেপেটা লাগি লুকাই আছে। ভালকৈ নেদেখাত চিনিব নোৱাৰিলো। বোধকৰো চম্পাৰে কোনোবা সতীৰ্থ বান্ধৱী। তাইক সুধিলতে তাই মাত লগালে, "নামি আহ ৰমা! মোৰ ওচৰৰ এই মহাপুৰুষক দেখি লাজ কৰিব নালাগে। এখেত কমল-নগৰৰ মহামান্য বিষয়া যদিও বৰ্তমান তোৰ-মোৰ দৰেই নিৰ্লজ্জ হৈ উঠা বিষয়-ভ্ৰষ্ট নাৰকী। আহ নামি-"

চম্পাৰ লগতে ৰমাকো এনে অৱস্থাত আৱিষ্কাৰ কৰাত ৰমাই বৰ লাজ পাইছে। চকু-কাণ মুদি গছৰপৰা কোনোমতে নামিয়েই আমাৰ ওচৰলৈ অহাৰ পৰিৱৰ্তে লৰ দিলে জয়াৰ ঘৰৰ ভিতৰলৈ। বোধকৰো এইবাৰ জয়াক সকলো ক'ব, আৰু তাৰ ভিতৰত মোৰ নামটোৱেই যে মুখ্য হ'ব সি নিঃসন্দেহ। কিন্তু জয়াই শুনিলে কি ভাবিব?

তৎক্ষণাত উঠি চম্পাক কলো— "চম্পা যাওঁ ব'ল, ৰাজবিষয়াৰ কীৰ্তিৰ কথা শুনি জয়াই হাঁহিলে তই নিশ্চয় গৌৰৱ বোধ নকৰিবি। উঠ পলাওঁ-"

"পলাব নালাগে; চম্পা লগত থাকিলে সকলোৰে সকলো দোষ, কীৰ্তি যে মাৰ্জনীয় হৈ উঠে তাক সকলোৱেই স্বীকাৰ কৰে। আগতে মোক জামুবোৰ বুটলি দিয়া।"

ভগা জাপিটো পুনৰ মূৰত পিন্ধি লৈ চম্পাই জামুবোৰ কোঁচত বুটলি ললে। বাৰী এৰি দুয়ো আলিলৈ ওলাই আহিলো। তাত একেজাপেই শুকুলাৰ পিঠিত উঠি চম্পাকো তুলি লবলৈ হাত মেলাতে তাই দূৰলৈ আঙুলিয়াই দেখুৱালে। মই পাহৰি গৈছিলো আজিকালি চম্পাই ঘৰৰ মানুহখিনিৰ বাহিৰে আনৰ সন্মুখত ঘোঁৰাত উঠিবলৈ এৰিছে।

অলপ পাছতে মানুহটো ওচৰ পালেহি, লগে লগেই আমাক চিনি পাই তাৰ মুখখনতো হাঁহি বিৰিঙি উঠিল।

"মনোহৰ ককাই দেখো! চম্পাই মাত লগালে।"

Scanned with CamScanner

"হয় চম্পা আইদেউ! বোপা-দেউতা সেৱা! আপোনালোকনো ক'ৰপৰা আহিলে চম্পা-আইদেউ?"

চম্পাই হাঁহি উত্তৰ দিলে— "অলপ ফুৰি আহিলো মনোহৰ ককাই। ...ৰাতিপুৱা শুই উঠিয়েই শুনিলো জয়াবাইদেউৰ জামুগছত বগাহাতী লাগিছে। চাবলৈ বুলি আহিছিলো-দেখি গছজোপা জোকাৰি দিয়াত টপৰ্‌টপৰ্‌কৈ ডিঙি মোকোটা খাই সৰি পৰিলেহি একেবাৰে মোৰ মূৰৰ জাপিটোৰ ওপৰত। লগত বুটলি আনিছো... অম্বল ৰান্ধিম তুমি ক'ৰপৰা আহিলা?"

চম্পাৰ কথাৰ ধৰণ বুঢ়া মনোহৰৰ চিনাকি, গতিকে বুদ্ধিমানৰ দৰে উত্তৰ দিলে মাথোঁ শেষ প্ৰশ্নটোৰ ঃ "এইফালে অলপ সকাম আছিল, লগতে পথাৰখনো এবাৰ চাই আহিলো। চম্পা-আইদেউ! পাছে বকুলপুৰৰ আইদেউৰ ভালনে? কিমানদিন যে দেখা নাই। আই-মাতৃয়ে দেখিছো তেখেতৰ দুখীয়া প্ৰজাবোৰক একেবাৰেই পাহৰিলে।"

"নাই পাহৰা, জেঠাইদেৱেনো তোমালোকক পাহৰিব পাৰেনে? কেনৈ পাহৰিব?"

"সঁচা কথা..." মনোহৰে স্বীকাৰ কৰিলে— "মই জানো পাৰ্বতী আইদেৱে আমাক কেতিয়াও পাহৰিব নোৱাৰে, আমিও নোৱাৰো। কিমান বছৰ হৈ গ'ল, তথাপি যেন মনত হয় সিদিনাৰ হে কথা- আপুনি নাজানে চম্পা আইদেউ, তেতিয়া আপোনাৰ জন্মই হোৱা নাই, বোপাদেউতাও কেঁচুৱা- মোৰ এতিয়াও মনত আছে, যিদিনা আইদেৱে আমাক এৰি বকুলপুৰলৈ গুচি যায়, সেইদিনা কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে ল'ৰাৰপৰা বুঢ়ালৈকে সকলোৱে চকুৰ পানী টুকি টুকি আইদেউক খাটিছিল, যোৱাই যোৱাই আইদেউৰ ভৰিত দীঘল দি পৰি কাবৌ কৰিছিল আমাক এৰি নাযাবলৈ- "আইদেউ কিন্তু গ'লগৈ।"

যোৱাৰ আগতে সকলোকে সান্ত্বনা দি কৈছিল— "তোমালোকে নাকান্দিবা, মইতো তোমালোকক এৰি যোৱা নাই। বকুলপুৰ দেখো কমল-নগৰৰ ভিতৰতে। তোমালোকৰ মৰম-চেনেহ এৰি ময়ে বা আন ক'লৈ যাব পাৰো। বকুলপুৰলৈ গৈছো যদিও সদায়েই তোমালোকৰ দুখত, সুখত সকলো সময়তে মোক ওচৰত পাবাই- প্ৰয়োজনত মোক মাতিলেই মই তোমালোকৰ ওচৰত থিয় দিমহি-"

"সেইদিনা আইদেউ যোৱা চাবলৈ ৰঙাটিলাৰেপৰা কমল-সৰোবৰৰ পাৰলৈকে নগৰৰ মানুহেৰে ভৰি পৰিছিল। আইদেৱে উভতি যাবলৈ কোৱা সত্ত্বেও বাগীৰ পাছে পাছে আমাৰ ভালেখিনি মানুহ বকুলপুৰ পাইছিলগৈ...."

Scanned with CamScanner

"বাৰু মনোহৰকাই, তেতিয়া দাদা ক'ত আছিল?"

"বাগীতে আছিল। বোপাদেউতা তেতিয়া চাৰি বছৰীয়া শিশু। বাগীৰ এখন আসনত বহিছিল পাৰ্বতী আইদেউ, আনখনত দেৱযানী আইদেউ-"

"আপোনাৰ মাক, তেখেতৰ কোলাত বোপাদেউতা-" "আৰু কোন আছিল বাগীত?"

"আৰু কোনো নাছিল আইদেউ-"

চম্পাই হাঁহি উঠিল ঃ "ভুল কৰিলা মনোহৰকাই, সেই বাগীত ময়ো আছিলো! মোৰ মাৰ কোলাত আছিল দাদা আৰু মই আছিলো মাৰ গৰ্ভত। তোমালোকে নজনাকৈয়ে মোক সেইদিনা বিদায় দিছিলা, কিন্তু একেবাৰে দিব নোৱাৰিলা মনোহৰকাই! মই আৰু দাদা দুয়ো আকৌ উভতি আহিলো তোমালোকৰ মাজলৈ...."

বুঢ়াই উত্তৰ দিব নোৱাৰিলে। হঠাৎ চকু দুটা তাৰ চল্‌চলীয়া হৈ উঠিল। ভাবিলে, হয়তো ভুলতে মৃত মাকৰ কথা সোঁৱৰাই চম্পাৰ মনত দুখ দিলে। চম্পাই কিন্তু হাঁহি হাঁহিয়েই প্ৰশ্ন কৰিলে— "কোৱাচোন, মোৰ মা দেখিবলৈ কেনে আছিল?"

এটা বিষাদৰ হাঁহিৰে মনোহৰে উত্তৰ দিলে— "সঁচা কথা ক'ম আইদেউ? আপোনাৰ মা দেখিবলৈ আপোনাতকৈয়ো ঢেৰ ধুনীয়া আছিল। দেৱযানী আইদেউৰ ৰূপ, সুৱলা-গীত যি এবাৰ শুনিছে, যি এবাৰ দেখিছে, সি কেতিয়াও পাহৰিব নোৱাৰে। জোনাক ৰাতি ৰঙাটিলাৰ তিনি মহলাৰ ওপৰত যেতিয়া আইদেৱে বীণ বজাই গীত গাইছিল তেতিয়াৰ কথা কি ক'ম আইদেউ; বাটৰ মানুহে নিজৰ কাম-বনৰ কথা পাহৰি, ৰ লাগি গীত শেষ নোহোৱালৈকে এখোজো আগবাঢ়িব নোৱাৰিছিল। পাৰ্বতী আইদেউৰ দৰেই সিজনাও আছিল গহীন, গম্ভীৰ, মৰমিয়াল, সাদৰী। আপোনাৰ দৰে কিন্তু এনে ধৰণৰ পোছাক, মূৰত ভগা জাপি নিপিন্ধিছিল"

কথা শেষ নকৰাকৈয়ে মনোহৰে হাঁহি হাত মেলিলে, "জাপিটো মোক দিয়ক

মনোহৰকাই গ'লগৈ। আলিৰ মূৰৰ ভাঁজটোত মনোহৰৰ বুঢ়া দেহাটো আঁৰ হৈ যোৱাৰ লগে লগেই চম্পাই মোৰ ফালে ঘূৰি হাত দুখন মেলি দিলে। তাইক মোৰ পাছফালে ঘোঁৰাত তুলি লৈ ঘৰলৈ আগবাঢ়িলো।

ভালেমান বাট দুয়ো মনে মনে আহি আছো, চম্পাই মোৰ পিঠিত মূৰটো থৈ পৰি আছে। ইমান মনে মনে থকা স্বভাৱ তাইৰ নহয়, কি ভাবিছে তাই?

"চম্পা!"

"কি দাদা?"

"মাৰলৈ মনত পৰিছে?"

চম্পাই সৰুকৈ এবাৰ হাঁহিলে- "মনত পেলাবৰ চেষ্টা কৰিছো; কিন্তু কোনোমতেই পৰা নাই আৰু পৰেই বা কেনেকৈ? মাক দেখাতো মোৰ মনত নপৰে। বাৰু তোমাৰ পৰেনে?"

চম্পাৰ কাৰণে দুখ লাগে। মাত্ৰ ডেৰ বছৰ বয়সত বাপেক-মাক দুয়োকো চম্পাই হেৰুৱায়। দেৱযানী আছিল মাৰ চেনেহৰ সখী, মোৰ মৰমৰ 'দেৱীমাহী'। মৰাৰ আগতে মাৰ হাতত চম্পাক তুলি দি কৈছিল— "বাইদেউ! চম্পাক তোক দি গলো। তাইৰ মা হৈ বাচি থকা মোৰ কপালত নাই যদিও মই জানো তোৰ কোলাত থাকি তাই কোনোদিনেই মাকৰ অভাৱ অনুভৱ নকৰে-"

সেই কেঁচুৱাৰপৰাই চম্পা মোৰ লগতে ডাঙৰ-দীঘল হৈ উঠিছে।

মনত পৰে তাইৰ জন্মৰ কথা-তেতিয়া সময়টো আছিল আবেলিৰ শেষ মুহূৰ্ত। পশ্চিম আকাশৰ অস্তগিৰিৰ টিঙত, বিৰাট ডাঙৰ সোণৰ সিংহাসনত চিৰ উজ্জ্বল, অস্তমিত হেঙুলীয়া সুৰুয- ৰাতিৰ দেশলৈ যোৱাৰ আগতে, শেষবাৰলৈ চাই লৈছে পৃথিৱীখন। সোণোৱালী বৰণেৰে বুৰাই দিছে আকাশখন, পাহাৰবোৰ, গছবোৰ, কাঞ্চনমতীৰ পানীবোৰ।

Scanned with CamScanner

সাৰ পালো, একেবাৰে পুৱতি নিশা। চাই দেখো মোৰ ওচৰত মা নাই। ভাবিলো, এই সুযোগতে এবাৰ মনে মনে লুকাই ভনীটিক চাই আহিলে মাই গমেই নাপাব, বাধাও দিব নোৱাৰিব।

নিঃশব্দে উঠি চোতালৰ সিদাঁতিয়ে থকা দেৱীমাহীৰ কোঠাৰ ওচৰ পালোগৈ। দুৱাৰখন জপোৱা আছিল, লাহেকৈ হেঁচা দিওঁতেই সি মেল খাই গ'ল। কোঠাৰ ভিতৰত একো শব্দ নোহোৱাত চুচুক-চামাক কৰি ভয়ে ভয়ে দুখোজমান আগবাঢ়িছো। কিন্তু পাছমুহূৰ্ততে থৰ্-মৰ খাই ৰৈ পৰিলো।

এদাঁতিয়ে মাই কিবা এটা কৰি আছিল। হঠাৎ ঘূৰি মোৰ ফালে চালে। মাৰ ওচৰতে বিছনাত দেৱীমাহী। ইমানপৰ মাৰফালেই চাই আছিল, এতিয়া মাৰ লগে লগে মোৰ ফালে ঘূৰি চালে। দুয়োৰে চকুত এনেভাৱে ধৰা পৰি লাজত, ভয়ত মৰি গলো। নিঃশব্দে দুয়ো মোৰ ফালে চাই থকাত ভাবিলো, নিশ্চয় কিবা এটা ডাঙৰ দোষ কৰিছো, যিটোৰ কাৰণে হয়তো মোক এতিয়াা শাস্তি দিব, অথচ যাক চাবলৈ এনে এটা কাম কৰিলো, সেই ভনীটিক দেখাৰ আশা শেষ হৈ যায় বুলি, মাহঁতে মুখেৰে মতাৰ আগতেই সকলো শক্তি গোটাই লৈ ভয়ে ভয়ে কলো, "আৰু এনেকৈ লুকাই নাহো মা, এবাৰ চায়েই যামগৈ।"

মোৰ এই অসহায় অৱস্থা হয়তো দুয়ো খুব উপভোগ কৰিছে। মাই সুধিলে, "মুঠে এবাৰ চাবি? কি চাবি?"

কঁপি কঁপি কলো- "ভ-ভ-ভন্‌টিক"

মোক উচপ্ খুৱাই দুয়ো একেলগেই এনেভাৱে হাঁহি উঠিল যে মই কি কৰিবলৈ আহিছিলো তাকো পাহৰি গলো। লাজতে মৃতপ্ৰায় হৈ ভাবিলো এবাৰ কান্দি দিওঁ, নাইবা কোঠাৰপৰা দৌৰি পলাওঁ। কিন্তু তাকে কৰাৰ আগতে দেখিলো, দেৱীমাহীয়ে বিছনাত উঠি বহি হাত মেলি মোক মাতিছে। প্ৰায় চকু মুদিয়েই দৌৰি পৰিলোগৈ দেৱীমাহীৰ বুকুৰ ওপৰত। সকলো লাজৰপৰা মুখখন লুকাবলৈ ঠাই এডোখৰ পাই বাচি গলো। ভনীটিক চোৱা আগ্ৰহ তেতিয়া মোৰ শেষ হৈ গৈছে।

চুমাই চুমাই মোৰ মুখখন ওপচাই মাহীয়ে হাঁহি সুধিলে— "ভ-ভ-ভন্‌টিক চাবলৈ আহি ইমান ভ-ভ-ভয় কৰিছিলি কিয়?"

উত্তৰ নিদিলো, দিবলৈ একো নাছিল। বিছনাৰ সিদাঁতিয়ে কাপোৰৰ টোপোলা এটাৰ মাজত দেখিলো সৰু এখন ৰঙামুখ, সেয়া ওঠৰ বছৰ আগৰ চম্পা, তেতিয়া তাইৰ বয়স মাত্ৰ বাৰ ঘণ্টা।

"পাছে চন্দন, ভনীটিক চাবলৈ আহিলি হয়, ভনীটিক দিবলৈ আনিছ কি?"

খন্তেক আগৰ লাজ-ভয়ৰ কথা পাহৰি বিছনাত উঠি বহিলো। কিবা এটা দিয়াৰ কথা এবাৰ ভবাও নাছিলো, তেতিয়া তাক ভাবিবও নাজানো- হাতৰ ওচৰত একো বিচাৰি নাপাই, জাঁপমাৰি, বিছনাৰপৰা নামি দৌৰি ওলাই আহিলো। কিন্তু কিনো আনিবলৈ গৈছো ক'ব নোৱাৰো। মাথো এইটোৱেই বুজিছো যে ভনীটিক হাতত কিবা এটা তুলি দিব লাগিব।

চোতাল পাৰ হবলৈকো নহ'ল। পিৰালিৰ কাযতে থকা চম্পাফুলৰ গছজোপাৰপৰা ঠিক সেই মুহূৰ্তত দুপাহ ফুল টপৰ্ টপৰ্কৈ চকুৰ আগতে সৰি পৰা দেখি, কিবা ভাবি তাকেই বুটলি ললো। পাছমুহূৰ্তত উধাতু খাই পুনৰ কোঠাৰ ভিতৰত সোমালোহি।

মোৰ হাতলৈ চায়েই দেৱীমাহীয়ে চিঞৰি উঠিল— "বাইদেউ চা চা মোৰ বোপাইলৈ, মোতকৈ দেখিছো সৌন্দৰ্যবোধ তাৰেই বেছি। মই ভাবিছিলো সি তাৰ কাঠৰ ঘোঁৰাটোহে আনিবলৈ গৈছে....।" ঘূৰি মোক মাতিলে— "আহ আহ চন্দন, এনে ধুনীয়া নিৰ্মল পৱিত্ৰ বস্তু এটা বোধকৰো কোনোকালে কোনো ভনীয়েকেই তাইৰ জীৱনৰ প্ৰথম উপহাৰ পোৱা নাছিল। দি দে ভনীয়েৰক...."

উৎসাহ পাই ফুল দুপাহ জীৱ থকা ৰঙা ৰবৰৰ পুতলাটোৰ মুখৰ আগত তুলি ধৰিলো। আশা, ভনীটিয়ে এবাৰ চকু মেলি চাই হাঁহিব, বুজিব সেয়া আনে দিয়া নাই, মই দিছো; কিন্তু ফল হ'ল বিপৰীত... ফুলৰ পাহিত লাগি থকা নিয়ৰ এফোট তাইৰ গালৰ ওপৰত সৰি পৰাত তাই হঠাৎ ফেকুৰি কান্দি উঠিল।

"দেৱী, তই তাক কি কৰিবলৈ লগাইছ? নামি আহ চন্দন, ভনীয়েৰক এবাৰ হে চাবলৈ বিচাৰিছিলি....?"

সেমেনা সেমেনি কৰি নামি আহিব খুজিছিলো, কিন্তু মাহীয়ে পুনৰ বুকুলৈ টানি ললে ঃ "নালাগে বাইদেউ, ই মোৰ ওচৰতে থাকক.... তাৰ কুমুলীয়া অন্তৰখনৰ হেঁপাহকণক আঘাত নিদিবি...."

এটা চুমা দি মোক হাঁহি সুধিলে— "পাছে চন্দন, তই দিয়া এই ধুনীয়া চম্পা ফুলপাহৰ দৰে, তোৰ ভনীয়েৰো যেতিয়া ডাঙৰ হৈ ফুলি উঠিব, তয়ো উঠিবি তেতিয়াও তাইক এনেদৰেই কন্দুৱাবি নেকি?"

মূৰ জোকাৰি দীপ্ত হৈ কলো— "কেতিয়াও নকন্দুৱাওঁ, মইতো কান্দিব বুলি ভবা নাছিলো দেৱীমাহী... বাৰু মোৰ ঘোঁৰাটো দিলে ভন্টীয়ে ভাল পাব?"

আচৰিত হোৱাৰ ভাও ধৰি দেৱীমাহীয়ে প্ৰশ্ন কৰিলে— "তাইক ঘোঁৰাত উঠাবি নেকি?"

"উঠাম তো!"

Scanned with CamScanner

"ছোৱালী জানো ঘোঁৰাত উঠে চন্দন? তোৰ ভনীয়েৰে ঘোঁৰাতকৈ ফুলেই বেছি ভাল পাব...."

কিন্তু দেৱীমাহীৰ ভুল! অলপ বয়স হোৱাৰেপৰা চম্পাই ফুলতকৈয়ো কাঠৰ ঘোঁৰাহে নালাগে একেবাৰে জীৱন্ত ঘোঁৰাৰে পক্ষপাতী হৈ উঠিল। তাৰ প্ৰমাণ বছৰদুয়েক আগলৈকে বকুলপুৰৰ সকলোৱে পাইছে। বিজুলী বেগেৰে ঘোঁৰা চেকুৰোৱাত চম্পাৰ সমকক্ষ কোনো ছোৱালীতো নায়েই, আনকি বহুত ডেকাও চম্পাৰ ওচৰত আজিও হাৰ মানিব। এবাৰ ঘোঁৰাৰপৰা পৰি বিছনাত এসপ্তাহ শুই থাকিবলগীয়া হোৱাৰপৰাই, চম্পাৰ এই অবাধ স্বাধীনতাত মাই প্ৰথম হস্তক্ষেপ কৰি তাক বন্ধ কৰি দিছে। তেতিয়াৰপৰাই চম্পাই নিজৰ আসন কৰি লৈছে মোৰ পাছফালে। তথাপি মাজে মাজে লুকাই লুকাই যে পুৰণা হেঁপাহটো পূৰাই লয়, তাক অৱশ্যে মোৰ বাহিৰে আন কোনেও নাজানে—।

হঠাৎ পিঠিত এটা ভুকু পৰাত ওঠৰ বছৰ আগৰ সুন্দৰ পুৰা এটাত মগ্ন হৈ থকা মনটো, ছিটিকি আহি একেবাৰে আজিৰ পুৰা পালেহি। পাছফালে এবাৰ ঘূৰি চালো। দেৱীমাহীয়ে কোৱামতে সেইদিনাৰ সেই ফেঁকুৰি কান্দি উঠা ৰঙা পুতলাটো, চম্পা ফুলপাহৰ দৰেই সুন্দৰ ধুনীয়া হৈ বাঢ়ি উঠিছে নে নাই?

পিঠিত আকৌ এটা ভুকু মাৰি চম্পাই ক'লে— "কি হ'ল দাদা? নক'লা কিয়?"

"কি?"

বিৰক্তিত চম্পাই শিয়াঁৰি উঠিল— "কি কি? মাৰ কথা তোমাৰ মনত পৰে?"

"পৰে।"

"কেনেকুৱা আছিল দেখিবলৈ?"

"অতি ধুনীয়া—"

"মোতকৈয়ো?"

"হাজাৰ গুণে বেছি-"

চম্পাই হাঁহিলে— "ভাগ্যে ৰক্ষা দাদা; মা আজি নাই, থকা হ'লে হয়তো

প্ৰতিপাহ পদুমৰ দৰেই শুভ্ৰ, স্নিগ্ধ, কোমল!... এই সকলোবোৰ গোটাই লৈ মোৰ মাক থাপনা কৰো, মোৰ অন্তৰত কিন্তু মূৰ্তিটো খন্তেকো ধৰি ৰাখিব নোৱাৰো-সি হেৰাই যায়। সেই ঠাই অধিকাৰ কৰি আন এটা মূৰ্তি উজ্জ্বল হৈ জিলিকি উঠে মোৰ চকুৰ আগত... যিজনা মোৰ প্ৰকৃত মা, যি মাক মই হেৰুওৱা নাই, কোনো দিন নেহেৰুৱাওঁ?"

"কোন সেয়া?"

"জেঠাইদেউ?"

মই মনে মনে থাকিলো। খন্তেক পাছতে চম্পাই আকৌ ক'লে— "...দেৱযানী! নামটো হ'লে বেছ ধুনীয়া আছিল নহয় নে দাদা?"

"অকল নামটোৱেই নহয়, সকলো বিষয়তে দেৱীমাহী আছিল তোতকৈ বহুগুণে গুণী, শ্ৰেষ্ঠা-"

চম্পাই ভেকাহি মাৰি উঠিল— "থৈ দিয়া তোমাৰ দেৱীমাহীৰ শ্ৰেষ্ঠতা। মোৰ দৰে এনেকৈ পুৱাতে লোকৰ বাৰীৰ জামু গছত উঠিব পাৰিছিল? ঘোঁৰা চেঁকুৰাব পাৰিছিল?"

চম্পাৰ প্ৰশ্নৰ উত্তৰ নিদি গহীন হৈ সুধিলো— "চম্পা, তই বাৰু কোনোকালে আৰু ডাঙৰ নহবি? সদায় এনেকৈয়ে থাকিবি নেকি?"

"কি দুখত ডাঙৰ হবলৈ যাম?... কিন্তু তুমি কি ডাঙৰ হোৱাৰ কথা কৈছা? বয়সত? নে স্বভাৱত?"

"বয়সতো হৈছেই, এইবাৰ স্বভাৱটোও যে সলনি কৰিবৰ হ'ল..."

তাৰ উত্তৰ চম্পাই তৎক্ষণাত নিদিলে। কিন্তু হঠাৎ মোক প্ৰশ্ন কৰিলে— "দাদা, তুমি মোক ভালপোৱা?"

আচৰিত হৈ চম্পাৰ মুখলৈ ঘূৰি চোৱাত তাই কৈ গ'ল— "শুনা মোক যদি তুমি ভালপোৱা, মোৰ প্ৰতি যদি তোমাৰ অলপমানো মৰম-চেনেহ আছে তেন্তে মোক স্বভাৱ সলনি কৰিবলৈ কোৱাৰ পৰিৱৰ্তে, ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা যাতে চিৰদিনলৈ চম্পাৰ এই স্বভাৱ, এই চঞ্চলতা যেন অক্ষয় হৈ থাকে। চিৰদিন মই যেন পৰ্বতৰ বনৰীয়া জুৰিটোৰ দৰেই, ব্যথাভৰা পৃথিৱীৰ নিষ্ঠুৰ শিলনিৰ ওপৰেদি, নাচি নাচি চঞ্চল আনন্দত বৈ যাব পাৰো। তাক শেষ কৰি নৈৰ লগত মিলি যাবলৈ- সাগৰৰ বুকুত হেৰাই যাবলৈ নক'বা দাদা! মই মাথোঁ বৈ যাম অনন্ত কাললৈ, মোৰ জীৱনৰ শেষ দিনলৈকে যেন এনে চঞ্চলতাৰেই মই বৈ যাব পাৰো। মোৰ এই স্বভাৱ, মোৰ এই বনৰীয়া চঞ্চলতা, সিয়েই যে মোৰ

Scanned with CamScanner

জীৱনৰ একমাত্ৰ পাথেয়— একমাত্ৰ সম্পদ। যিদিনাই ইয়াৰ শেষ হৈ যাব, ঠিক জানিবা দাদা, সেইদিনাই তোমাৰ চম্পাৰো হ'ব মৃত্যু-"

"চম্পা....!" মনটো বিষাদেৰে ভৰি গ'ল। চম্পাৰ কথাৰ প্ৰকৃত উদ্দেশ্য বুজি নেপালেও এটা কথা স্পষ্ট বুজিলো- নিশ্চয় চম্পাৰ কিবা এটা ডাঙৰ দুখ আছে, যাক ঢাকি ৰাখিবলৈকে চম্পাৰ এই বাহ্যিক আনন্দৰ ছন্দ আৱৰণ। মৰমেৰে সুধিলো— "চম্পা, মই জানো, তোৰ মনত কিবা এটা ডাঙৰ দুখ আছে, যাক তই সকলোৰে ওচৰৰপৰা সদায় লুকুৱাই ৰাখ। মোকো ফাকি দিব খোজ, কিন্তু মোৰ অন্তৰৰ মাজত মই অনুভৱ কৰো তাক... কচোন চম্পা, সৰুতেই মা-দেউতা দুয়োকে হেৰুওৱাৰ কাৰণেই তোৰ এই দুঃখ, নহয়....?"

শিশু সন্তানৰ মুখত 'বুঢ়া কথা' শুনিলে মাতৃয়ে যেনেকৈ হাঁহে, ঠিক তেনে এটা হাঁহিয়েই চম্পাৰ মুখত ফুটি উঠিল।

"কচোন চম্পা! সিদিনাও তই মোক কিবা এটা ক'ব খুজিছিলি, কিন্তু নকলি, আজি ক....."

চম্পাই সৰুকৈ হাঁহি ক'লে— "মোৰ দুখ আছে বুলি তোমাক নো কোনে ক'লে দাদা?"

"মোৰ অন্তৰে-"

"আও! তোমাৰ অন্তৰৰ দেখিছো অসীম শক্তি। কমল-নগৰৰ হেজাৰ হেজাৰ মানুহে যিটো ভাবিব নোৱাৰে, যিটো মই ক'লেও আনকি কেতিয়াও বিশ্বাস নকৰে তাক তোমাৰ অন্তৰে ক'লেই যে সঁচা বুলি লব লাগিব তাৰেই বা কি-মানে আছে?"

বাধা দি ক'লো— "কমল-নগৰৰ হেজাৰ হেজাৰ মানুহৰ কথা মোক কেলৈ লাগিছে? তোৰ ওচৰত সিহঁত আৰু মই জানো একে...?

কৃত্ৰিম গাম্ভীৰ্যৰে তাই উত্তৰ দিলে— "এৰা, হওঁতে একে নোহোৱা, কিন্তু হোৱা হ'লেই ভাল আছিল..." হি-হিকৈ তাই হাঁহি উঠিল।

"কচোন চম্পা...."

।। অষ্টম অধ্যায়।।
চঞ্চল পৱন

কোঠাটোৰ প্ৰাণীকেইটি ইমানপৰ নিস্তব্ধ। মই সোমোৱাৰ লগে লগেই চঞ্চল হৈ উঠিল। বিশেষকৈ এজনা- যিজনাৰ লগত ভদ্ৰভাৱে কথা পাতিবৰ সৌভাগ্য মোৰ আজিলৈকে হোৱা নাই।

উমাৰ শোৱনি কোঠাৰ বিছনাত বহি উমা আৰু গৌৰী। অলপ দূৰত মাটিত বহি মণি। দেখিলো পেহীয়েকে সাজি দিয়া কাপোৰৰ পুতলাবোৰ লৈ তাই বৰ ব্যস্ত। ইচ্ছা কৰিয়েই উমাৰ নিচেই কাষতে বহি পৰিলো— সিদাঁতিয়ে গৌৰী। মই তাত বহিম বুলি গৌৰীয়ে ভবা নাছিল, বহা দেখি আৰু বেছি চঞ্চল হৈ উঠিল। উমাৰ দাঁতিয়েদি গৌৰীলৈ ওবাৰ চায়ো মনে মনে বহি থকা দেখি উমাই অলপকৈ হাঁহি সুধিলে— "কি হ'ল চন্দন, আজি দেখোন বৰ শান্ত-শিষ্ট হৈ বহি আছা-?"

"শান্ত-শিষ্ট হৈ? মইতো সদায় শান্ত-শিষ্ট হৈ থাকিবলৈকে ভাল পাওঁ বৌ, কিন্তু তোমাৰ ঘৰখনত এনেকুৱা অশান্তিময় প্ৰাণীবোৰ থাকে যে মোক সেই সুখকণৰপৰা সেইসকলে নিতৌ বঞ্চিত কৰে। আজিৰ এই নিস্তব্ধতাকণ, বৰষুণৰ মাজত ৰ'দ চেৰেঙাৰ দৰেই বৰ ভাল লাগিছে।"

মোৰ কথা শেষ হোৱাৰ আগতেই গৌৰীয়ে আমাৰ ওচৰৰপৰা উঠি মণিৰ কাষতে থকা মূঢ়াটোত বহিলেগৈ। উমাই মোৰ চকুলৈ চালে— 'তুমি শান্তিত থাকিবলৈ ভাল পোৱা নহয়? কিন্তু তুমিয়েই হৈছা অশান্তিৰ মূল.... নিজেতো শান্তিত নেথাকাই আনকো. থাকিবলৈ নিদিয়া-"

"সেয়া মাই মোক তাকেই কয়, চম্পায়ো কয়, শেষত তুমিও মোক তাকেই ক'লা নবৌ?"

"ক'মতো নক'ম কেলৈ? যাতে ক'ব লগা নহয় তাৰ বাবে জানো তোমালোকে, তুমি চেষ্টা কৰিছা?"

উমাই 'তোমালোকে' কোৱাত গৌৰীয়ে এবাৰ ঘূৰি আমাৰ ফালে চালে, কিন্তু

Scanned with CamScanner

মুখেৰে একো নেমাতিলে। আনদিনা গৌৰীয়ে মোক দেখাৰ লগে লগেই প্ৰথমেই মোৰ লগত লাগি লয়। আজি কিন্তু মুখৰ ভাব দেখি ধাৰণা হৈছে, উমাৰ শোৱনি-কোঠা ৰণক্ষেত্ৰত পৰিণত কৰিবলৈ গৌৰীয়ে মোক সহায় নকৰে! কি হ'ল? দেখিছো গধূলিটো মোৰ অথলে যায়।

উমাক কেন্দ্ৰ কৰি আমাৰ এই সময়কণ মোৰ ওচৰত বৰ মধুৰ, আৰু সি যে অকল মোৰ ওচৰতেই মধুৰ তাকেইবা ডাঠি কওঁ কেনেকৈ? আমাৰ চিৰ নতুন খণ্ডযুদ্ধবোৰ অতি উগ্ৰ হৈ নুঠালৈকে উমায়ো বেছ উপভোগ কৰে। .....উমাই আমাক চিনি পাইছে, সকলো বুজিছে। আমাৰ বাহিৰৰ আৱৰণখন আজিও সেই প্ৰথমদিনাৰ দৰেই তীব্ৰ, নিষ্ঠুৰ দাম্ভিকতাৰে ভৰা যদিও ভিতৰি ভিতৰি যে তাৰ বহুত সলনি হৈ উঠিছে, তাক উমাই জানে। উমাৰ আজি-কালিৰ ব্যৱহাৰেই মোৰ চকুত আঙুলি দি দেখুৱাই দিছে। মই লাহে লাহে ধৰা পৰিছো।

গৌৰীৰ কথা নাজানো, তথাপি মাজে মাজে সন্দেহ হয়। মাজে মাজে কিন্তু বুজি নাপাওঁ, যেনেকৈ আজি পোৱা নাই।

ভাবিলো আজি গৌৰীৰ কি হ'ল। কথা কোৱাবলৈ যথেষ্ট চেষ্টা কৰিও একো ফল ধৰা নাই। দেখিছো গৌৰী আজি দৃঢ়প্ৰতিজ্ঞ, মই যিমানেই নোজোকাওঁ লাগিলে গৌৰীয়ে মুখেৰে নামাতে।

মণিয়ে ইমানপৰ পুতলাৰ দৰা-কইনা লৈ ব্যস্ত। ময়ো যে কোঠাটোত আছো ক'ব নোৱাৰে। হঠাৎ দেখি মাত দিলে— "চন্দন মামা, তুমি আহিলা? মই তোমালৈকে বাট চাই আছো।"

"কিয় মণি?"

বিষাদ গাম্ভীৰ্যৰে মণিয়ে উত্তৰ দিলে— "কালি গধূলিৰেপৰা চন্দ্ৰমুখীৰ জ্বৰ, এতিয়াও একেদৰেই আছে- আহাচোন মামা, এবাৰ তুমি চোৱাঁহি...."

চন্দ্ৰমুখী মণিৰ পুতলাজনীৰ নাম। উৎকণ্ঠা দেখুৱায়েই আগবাঢ়ি গৈ মণিৰ ওচৰৰে আন এটা মূঢ়াত বহিলোগৈ- এইবাৰ উমাৰ পৰিৱৰ্তে মোৰে-গৌৰীৰে মাজত মণি। ভাবিছিলো গৌৰী উঠি যাব, কিন্তু নগ'ল।

"চন্দ্ৰমুখীৰ জ্বৰ মণি? তাকেইতো আজি মুখৰ মাতবোল নাই দেখি বুজিছিলো নিশ্চয় কিবা এটা হৈছে, কিন্তু কেনেকৈ হ'বলৈ পালে? ঠাণ্ডা লাগিছিল নেকি?"

লৰালৰিকৈ মণিয়ে অভিযোগ কৰিলে— "ওঁ, কেতেকীৰ দোষত মামা, কালি ডাৱৰীয়া দেখি মই কৈছিলো গৰমপানীৰে গা ধুৱাবলৈ, কেতেকীয়ে মোৰ কথা নুশুনি চেঁচাপানীৰে গা ধুৱাই দিলে..."

Scanned with CamScanner

"বৰ অন্যায়, বৰ অন্যায়... মুকুতা, ৰূপহী ইহঁত দুজনীয়েনো কৰিছিল কি মণি? সিহঁতেনো চন্দ্ৰবদনীৰ গা ধুৱাবলৈ গৰমপানী এটোপাও কৰি দিব নোৱাৰিলেনে...?"

মণিয়ে মোৰ ভুলটো শুধৰাই দিলে— "মুকুতা ৰূপহীৰ কথা কোৱা নাই, আৰু চন্দ্ৰবদনীও নহয়। চন্দ্ৰমুখীক কেতেকীয়ে চেঁচাপানীৰে গা ধুৱাই দিলে... ঠাণ্ডা লগাত কালি গধূলিৰেপৰা জ্বৰ, চোৱাচোন মামা, গাল দুখন কেনেকৈ ৰঙা পৰি উঠিছে।"

চন্দ্ৰমুখীৰ ফটাকানিৰ শৰীৰত বিচাৰি বিচাৰি তাইৰ গাল দুখন আৱিষ্কাৰ কৰিলো যদিও, ৰঙা পৰিছে নে নাই তাকহে ধৰিব নোৱাৰিলো। তথাপি মণিক সান্ত্বনা দিবলৈকে কলো— "এ হয়োতো! গাল দুখন যে একেবাৰে সেন্দূৰৰ দৰেই ৰঙা পৰি উঠিছে, নিশ্চয় জ্বৰ কমা নাই।"

"বেছি জ্বৰ উঠাৰ কাৰণেই ৰঙা পৰিছে, নহয় নে মামা?"

"বোধকৰো- পাছে আন আন কাৰণেও গালবোৰ ৰঙা পৰি থাকে মণি....!"

"কি কাৰণে?"

"এই ধৰ জ্বৰ উঠিলে, লাজ লাগিলে, মোৰ ওপৰত যেতিয়া বেছি খং উঠে তেতিয়াও। বাৰু চন্দ্ৰমুখী কোনে সাজি দিছিল?"

তৎক্ষণাত মণিয়ে উত্তৰ দিলে— "গৌৰী পেহীয়ে, বৰ ভাল হৈছে নহয়নে মামা?"

"হ'বতো ভাল, কাৰণ দেখিবলৈকো প্ৰায় একে হৈ পৰিছে নহয়, নহলেনো গাল-মুখ বিচাৰি ফুৰিব লগা হয়নে? কিন্তু কেলেই যে ৰঙা পৰিছে বেছি জ্বৰ উঠাত নে জ্বৰ পৰি যোৱাত...."

মণিৰ প্ৰশ্ন কৰাতেই আগ্ৰহ বেছি। উত্তৰ নুশুনিলেও, নুবুজিলেও কিবা ক্ষতি হৈছে বুলি মনে ধৰা নাই। তায়ে আকৌ সুধিলে— "গাল ৰঙা পৰিলে কি দৰব দি ভাল কৰে মামা?"

"দৰব? আনে কি দৰব দি ভাল কৰে নাজানো, কিন্তু মই হ'লে ভাল এটা দৰব জানো, যিটো দিলেই মুহূৰ্ততে ৰঙা গাল আৰু বেছি ৰঙা পৰি, বগা পৰি ক'লা পৰি ৰং সলাই শেষত আগৰ দৰেই সুন্দৰ হৈ একেবাৰে ভাল হৈ যায়গৈ... এবাৰ দি চাম নেকি?"

"চন্দন!" উমাই মোক ডাবিয়াই উঠিল। নুশুনাৰ ভাও জুৰি আকৌ মণিক সুধিলো— "মণি তেন্তে দি দিওঁ দৰবটো ৰঙা গালত..."

"কাৰ গালত মামা?"

Scanned with CamScanner

"কিয় চন্দ্ৰবদনীৰ..."

"দিয়া বাৰু-"

কেৰাহিকৈ গৌৰীৰ মুখলৈ এবাৰ চাই লৈ, মণিৰ কোঁচৰপৰা চন্দ্ৰমুখীৰ নেলুটোত ধৰি ওঁঠৰ আগলৈ নিয়াৰ আগতেই মণিয়ে চিঞৰি বাধা দিলে— "তেনেকৈ ধৰিলে দুখ পাব মামা! চাওঁ দিয়া দিয়া মোক—"

"দুখ পাব? তাকেইতো- বাৰু বাৰু, তেন্তে আজিলৈ দৰব থাওক আন এদিন দিম দেই! নহ'লে হয়তো চিৰদিনলৈ ৰঙা গাল ৰঙা পৰিয়েই থাকি যাব।"

গৌৰীৰ গাল দুখন অলপ ৰঙা যদিও, মোৰ সকলো চেষ্টা আজি বিফলে গ'ল। গৌৰীয়ে একো কথাই গ্ৰাহ্য কৰা নাই। অৱজ্ঞাৰে ভৰা মুখখন আনফালে ঘূৰাই থৈছে।

হতাশ হৈ উমালৈ চালো। ওঁঠ দুটাৰ ওপৰত খেলি থকা ক্ষীণ হাঁহিটোত বাজে তাতো একো নেদেখিলো।

মণিয়ে হঠাৎ প্ৰশ্ন কৰিলে— "মামা তুমি চন্দ্ৰমুখীক ভাল নোপোৱা?"

"পাওঁ মণি-"

"তেন্তে কালিলৈ বকুলপুৰৰ জেতুকীবাইৰ ওচৰৰপৰা ভাল চাই দৰব এটা লৈ আহিবা, নহ'লে, তোমাক আৰু মই অলপো ভাল নাপাওঁ।"

"বাৰু আনিম, কিন্তু তই জানো মোক ভাল পাব?"

"পাওঁ তো-"

"আটাইতকৈ বেছি?"

চন্দ্ৰমুখীক মৰম কৰি কৰি মণিয়ে ক'লে— "আটাইতকৈ বেছি ভালপাওঁ চন্দ্ৰমুখীক, তাৰ পাছত আৰতিক, তাৰ পাছত তোক..."

"আৰু তাৰ পাছত?"

"তাৰ পাছত গৌৰী পেহীক, মাক, দেউতাক... মামা, তুমি বাৰু আটাইতকৈ কাক বেছি ভাল পোৱা?"

Scanned with CamScanner

হঠাৎ গম্ভীৰ হৈ আন্তৰিকতা ঢালি কলো— “ক’ব নোৱাৰো মণি, কোনো দিনাইতো শুকুলাক কাৰো সৈতে বিজাই চোৱা নাই। হয়তো হ’বও পাৰে। কিন্তু যাক তই ভাল পাৱ, সিতো তোৰ চকুত সদায়েই ধুনীয়া.... ৰূপ, সৌন্দৰ্য এইবোৰৰ বিচাৰ চলে ভালপোৱাৰ আগতে, পাছলৈ....

অবাক বিস্ময়ত উমাই মোৰ মুখলৈ চালে- গৌৰীয়েও প্ৰথমে চালে মোলৈ, তাৰ পাছত উমালৈ, তাৰ পাছত বহাৰপৰা উঠি কোঠাৰ বাহিৰলৈ ওলাই গ’ল- মণিয়ে প্ৰশ্ন কৰিবলৈ পাহৰি চিঞৰিলে- “গৌৰী পেহী, ৰ’বা ৰ’বা ময়ো যাওঁ।...”

“আহা।”

দুয়ো খন্তেকতে চকুৰ আঁৰ হৈ গ’ল। কিছু সময় সেইফালেই চাই ৰলো। পাছত মূঢ়াটো নি বহিলোগৈ উমাৰ ওচৰত।

“নবৌ, তেনেকৈ হঠাতে নো কিয় গ’লগৈ ক’ব পাৰানে?”

“নাযাব নো কিয়?” প্ৰথমে খং দেখুৱাই পাছত আকৌ হাঁহি উঠিল উমাই— “মহাভাৰতত পাইছিলা নহয়, অশ্বত্থামা হত কিন্তু ইতি গজ? এতিয়াও তোমাৰ কথাৰ ধৰণ তেনেকুৱাই হ’ল।”

“তাৰমানে? মহাভাৰতৰ গজৰ লগত, গজেন্দ্ৰ গমনে যি গৰাকী উঠি গ’ল তেওঁৰ কিবা সম্বন্ধ আছে নেকি?”

“আগতে নাছিল, কিন্তু এতিয়া তোমাৰ কথাৰ সুৰে সেই সম্বন্ধ মাতি আনিছে। মহাপুণ্যবান সত্যবাদী যুধিষ্ঠিৰৰ দৰে তুমি সঁচা কথা ক’লা যদিও তাৰ মাজত থকা ফাঁকিখিনিয়েই এজনাৰ কাণত বেছিকৈ বাজিলে, সেই দেখিয়েইতো উঠি গ’ল...”

“ভালকৈ নুবুজিলো নবৌ?”

“নুবুজিলা? সঁচাইনে? অশ্বত্থামা হত, বোলোতে দ্ৰোণাচাৰ্যই ভাবিছিল নিজৰ পুতেক বুলি, তেনেকৈ শুকুলা বোলোতে মোৰ আজলী গৌৰীয়ে ভাবিলে... কি কোৱাচোন?”

“নিশ্চয় আন কোনোবা ছোৱালী বুলি ভবা নাই?”

“ভাবিলে দেখিয়েইতো উঠি গ’ল। সিহঁতেতো আৰু নাজানে যে তোমাৰ ‘বৰ ধুনীয়া শুকুলা’ আচলতে কোন? তোমাৰ কপাল বেয়া চন্দন! আজি দুদিন বুজাই বঢ়াই, তোমালোকৰ যুদ্ধখনৰ পৰিসমাপ্তি ঘটাই শান্তি স্থাপন কৰাবৰ মোৰ ইচ্ছা আছিল। গৌৰীয়ে মোৰ কথা শুনিছিলো, তুমিয়েই আকৌ সকলো মাটি কৰি দিলা...”

“মাটি কৰি দিলো? মাটি নকৰা হ’লেই বা তোমাৰ কি লাভ?”

Scanned with CamScanner

"কিয় চন্দ্ৰবদনীৰ..."

"দিয়া বাৰু-"

কেৰাহিকৈ গৌৰীৰ মুখলৈ এবাৰ চাই লৈ, মণিৰ কোঁচৰপৰা চন্দ্ৰমুখীৰ নেলুটোত ধৰি ওঁঠৰ আগলৈ নিয়াৰ আগতেই মণিয়ে চিঞঁৰি বাধা দিলে— "তেনেকৈ ধৰিলে দুখ পাব মামা! চাওঁ দিয়া দিয়া মোক—"

"দুখ পাব? তাকেইতো- বাৰু বাৰু, তেন্তে আজিলৈ দৰব থাওক আন এদিন দিম দেই! নহ'লে হয়তো চিৰদিনলৈ ৰঙা গাল ৰঙা পৰিয়েই থাকি যাব।"

গৌৰীৰ গাল দুখন অলপ ৰঙা যদিও, মোৰ সকলো চেষ্টা আজি বিফলে গ'ল। গৌৰীয়ে একো কথাই গ্ৰাহ্য কৰা নাই। অৱজ্ঞাৰে ভৰা মুখখন আনফালে ঘূৰাই থৈছে।

হতাশ হৈ উমালৈ চালো। ওঁঠ দুটাৰ ওপৰত খেলি থকা ক্ষীণ হাঁহিটোত বাজে তাতো একো নেদেখিলো।

মণিয়ে হঠাৎ প্ৰশ্ন কৰিলে— "মামা তুমি চন্দ্ৰমুখীক ভাল নোপোৱা?"

"পাওঁ মণি-"

"তেন্তে কালিলৈ বকুলপুৰৰ জেতুকীবাইৰ ওচৰৰপৰা ভাল চাই দৰব এটা লৈ আহিবা, নহ'লে, তোমাক আৰু মই অলপো ভাল নাপাওঁ।"

"বাৰু আনিম, কিন্তু তই জানো মোক ভাল পাৱ?"

"পাওঁ তো-"

"আটাইতকৈ বেছি?"

চন্দ্ৰমুখীক মৰম কৰি কৰি মণিয়ে ক'লে— "আটাইতকৈ বেছি ভালপাওঁ চন্দ্ৰমুখীক, তাৰ পাছত আৰতিক, তাৰ পাছত তোক..."

"আৰু তাৰ পাছত?"

"তাৰ পাছত গৌৰী পেহীক, মাক, দেউতাক... মামা, তুমি বাৰু আটাইতকৈ কাক বেছি ভাল পোৱা?"

একো নভবাকৈয়ে কৈ পেলালো— "মই? মই ভাল পাওঁ শুকুলাক। পিছে তাই তোৰ চন্দ্ৰমুখীৰ দৰে কাপোৰৰ পুতলা নহয় মণি। তেজ-মঙহৰ..."

লক্ষ্য কৰি দেখিলো এই প্ৰথমবাৰলৈ গৌৰীয়ে মোৰ মুখলৈ চাইছে। গৌৰী, মণি এজনীয়েও বোধকৰো নাজানে শুকুলা কোন? সুধিলে, "মামা, শুকুলা দেখিবলৈ বৰ ধুনীয়া নেকি?"

"হুঁ ধুনীয়া-"

"গৌৰী-পেহীতকৈয়ো ধুনীয়া?"

Scanned with CamScanner

হঠাৎ গম্ভীৰ হৈ আন্তৰিকতা ঢালি কলো— "ক'ব নোৱাৰো মণি, কোনো দিনাইতো শুকুলাক কাৰো সৈতে বিজাই চোৱা নাই। হয়তো হ'বও পাৰে। কিন্তু যাক তই ভাল পাব, সিতো তোৰ চকুত সদায়েই ধুনীয়া.... ৰূপ, সৌন্দৰ্য এইবোৰৰ বিচাৰ চলে ভালপোৱাৰ আগতে, পাছলৈ....

অবাক বিস্ময়ত উমাই মোৰ মুখলৈ চালে- গৌৰীয়েও প্ৰথমে চালে মোলৈ, তাৰ পাছত উমালৈ, তাৰ পাছত বহাৰপৰা উঠি কোঠাৰ বাহিৰলৈ ওলাই গ'ল- মণিয়ে প্ৰশ্ন কৰিবলৈ পাহৰি চিঞৰিলে- "গৌৰী পেহী, ৰ'বা ৰ'বা ময়ো যাওঁ।..."

"আহা।"

দুয়ো খন্তেকতে চকুৰ আঁৰ হৈ গ'ল। কিছু সময় সেইফালেই চাই ৰলো। পাছত মূঢ়াটো নি বহিলোগৈ উমাৰ ওচৰত।

"নবৌ, তেনেকৈ হঠাতে নো কিয় গ'লগৈ ক'ব পাৰানে?"

"নাযাব নো কিয়?" প্ৰথমে খং দেখুৱাই পাছত আকৌ হাঁহি উঠিল উমাই— "মহাভাৰতত পাইছিলা নহয়, অশ্বত্থামা হত কিন্তু ইতি গজ? এতিয়াও তোমাৰ কথাৰ ধৰণ তেনেকুৱাই হ'ল।"

"তাৰমানে? মহাভাৰতৰ গজৰ লগত, গজেন্দ্ৰ গমনে যি গৰাকী উঠি গ'ল তেওঁৰ কিবা সম্বন্ধ আছে নেকি?"

"আগতে নাছিল, কিন্তু এতিয়া তোমাৰ কথাৰ সুৰে সেই সম্বন্ধ মাতি আনিছে। মহাপুণ্যবান সত্যবাদী যুধিষ্ঠিৰৰ দৰে তুমি সঁচা কথা ক'লা যদিও তাৰ মাজত থকা ফাঁকিখিনিয়েই এজনাৰ কাণত বেছিকৈ বাজিলে, সেই দেখিয়েইতো উঠি গ'ল..."

"ভালকৈ নুবুজিলো নবৌ?"

"নুবুজিলা? সঁচাইনে? অশ্বত্থামা হত, বোলোতে দ্ৰোণাচাৰ্যই ভাবিছিল নিজৰ পুতেক বুলি, তেনেকৈ শুকুলা বোলোতে মোৰ আজলী গৌৰীয়ে ভাবিলে... কি কোৱাচোন?"

"নিশ্চয় আন কোনোবা ছোৱালী বুলি ভবা নাই?"

"ভাবিলে দেখিয়েইতো উঠি গ'ল। সিহঁতেতো আৰু নাজানে যে তোমাৰ 'বৰ ধুনীয়া শুকুলা' আচলতে কোন? তোমাৰ কপাল বেয়া চন্দন! আজি দুদিন বুজাই বঢ়াই, তোমালোকৰ যুদ্ধখনৰ পৰিসমাপ্তি ঘটাই শান্তি স্থাপন কৰাবৰ মোৰ ইচ্ছা আছিল। গৌৰীয়ে মোৰ কথা শুনিছিলো, তুমিয়েই আকৌ সকলো মাটি কৰি দিলা..."

"মাটি কৰি দিলো? মাটি নকৰা হ'লেই বা তোমাৰ কি লাভ?"

Scanned with CamScanner

"লাভ এয়ে যে তোমালোক দুয়ো মোৰ ওচৰত চিৰদিনলৈ নিকিনা গোলাম হৈ থাকিবা-"

"কি দুখত বা?"

উমাই হাঁহি ক'লে— "দুখত নহয় চন্দন, দুৰ্ঘোৰ সুখত। এবাৰ মনটোক সুধি চোৱাচোন কি কয়?"

"মনটোক? ফুঃ। মনটোৱে ভালকৈ নিজৰ কথাই ক'ব নাজানে, আনৰ কথানো কি ক'ব?"

"আনৰ বাৰু নালাগে, নিজৰটোৱেই কোৱাচোন...!"

নিজৰটোৰ উত্তৰ পালেই এদিন ক'ম। আগতে আনৰটোৱেই শুনোচোন-

"শুনিবলৈ বৰ আগ্ৰহ নেকি?"

"আগ্ৰহ নহ'লেও শুনাততো একো ক্ষতি নহয়!"

"হ'বওতো পাৰে... বাৰু কি শুনিব আশা কৰা?"

"যি শুনোৱা। তোমাৰ এই হেন সুন্দৰ মুখৰপৰা নিশ্চয় অসুন্দৰ একো নুশুনো-"

গহীন হৈ উমাই ক'লে— "তোমাৰ ভুল। তোমাক গৌৰীয়ে ভাল নেপায় চন্দন..."

ময়ো গহীন হৈ কলো— "তাকেইতো নবৌ, কি আৰু কৰিবা? গৌৰীৰ দুৰ্ভাগ্য। ....বাৰু 'নোপায়'ৰ 'নে'টো মুচি দিবৰ উপায় নাইনে?"

"কিহেৰে মুচিবা?"

"কিয়? মোৰ বুকুৰ মাজত থকা যুৱধৰ্মৰ ৰঙীণ ৰথখন— তাৰ মাজত থকা 'ভালপোৱাৰ' সকলো আহিলা-পাতিৰে সৈতে মোৰ পুষ্পক-ৰথৰ তুমি যদি সাৰথি হোৱা..."

"হোঁ নোৱাৰিম চন্দন", মোক বাধা দি উমাই ক'লে— "গৌৰীৰ ৰথৰ সাৰথি মই আগতেই হৈছো। একেলগে দুখন ৰথৰ সাৰথি মই হ'ম কেনেকৈ? তুমি বৰঞ্চ তোমাৰ ৰথৰ সাৰথি নিজেই হোৱা। মই লাগিলে দেখুৱাই দিম কেনেকৈ আগবাঢ়িব লাগে-"

"হৈছে, নালাগে মোক নবৌ! নিজক ইমান তললৈ নমাব নোৱাৰো। 'নে'টো মচ নাখায়ো যদি নালাগে খাব। মোৰ একো ক্ষতি নহয়, মই বিচৰাও নাই..."

"সঁচাইনে?"

"সঁচা-"

'ইস্! চাওঁ বাৰু মোৰ মুখলৈ চোৱা।''

''নাচাওঁ, কি এনে বিতোপন মুখখন যে ঘূৰি ঘূৰি চাই থাকিব লাগিব?'' বিছনাৰপৰা হাউলি উমাই জোৰ কৰিয়েই মোৰ মুখখন নিজৰ ফালে ঘূৰাই ল'লে। দেখিলো, উমাৰ হাঁহিভৰা মুখখনত এটা নতুন দীপ্তি-মোৰ চকুলৈ চাই প্ৰশ্ন কৰিলে— ''বাৰু চন্দন, সঁচা কথা কোৱাচোন তুমি ভালপোৱা নহয়...''

নুবুজাৰ ভাও ধৰি কলো— ''কাক? তোমাক? খু-উ-উব ভাল পাওঁ-''

মোৰ চুলিৰ মাজত উমাৰ হাতখন আছিল, ধৰি এটা জোকাৰ মাৰিলে— ''মোকতো পাবাই, পাছে মই যাৰ কথা সুধিছো সেইজনক...?''

''নাপাওঁ অলপো-''

উমাই হাঁহিলে— ''ভাল কথা, শুনি সুখী হ'লো.. কিন্তু তোমাৰ 'নে'টোও আগৰটোক দেখি হঠাৎ গৰ্জি উঠিলে নেকি?''

''তুমি কি বুলি ভাবানো?''

''ভাবিবলৈ এতিয়াও আছেনে? মোৰ ওচৰততো সি পুৰণা কথা, মাথোঁ নতুনকৈ সোধো- বাৰু তোমাৰ 'নে'টো মুচি পেলালে কেনে দেখা?''

''বেয়া দেখো, যেহেতু প্ৰথম 'নে'টো তথাপি থাকি যায়-''

''সেইটোও বাৰু মুচি দিলে মোক কি দিবা?''

অলপ ভাবি কলো— ''মোৰ গোটেইবোৰ দুখ-কষ্ট তোমাক দি দিম।''

''সেইবোৰ নালাগে মোক-''

''তেন্তে মোক কমল-নগৰৰ ৰাইজে দিয়া মহামান্য বিষয়াৰ বাবটো?''

''তাকো মোক নালাগে-''

''বাৰু তেন্তে মোৰ খং, ৰাগ, হাঁহি, আনন্দ, মৰম, চেনেহ, ভালপোৱাৰে ভৰা গোটেই অন্তৰখনেই দি দিলে হ'বতো...?''

''ওঁহো নহয়, হ'ব নোৱাৰে! বৰঞ্চ সেইখন উমাক দিয়াতকৈ আন কাৰোবাকে দিবলৈ যত্ন কৰা।''

উত্তৰটো আহিল আনফালৰপৰা। দুয়ো অলপ আচৰিত হৈ ঘূৰি চাই দেখো দুৱাৰমুখত অশোক-বোধকৰো আমাৰ পাছৰ কথাখিনি শুনিলে।

উমালৈ চাই হাঁহি কলো— ''শুনিলা নহয় নবৌ? তাকো দিবলৈ হাক দিলে, এতিয়ানো বাৰু তোমাক কি দিওঁ?''

উমায়ো হাঁহি ক'লে— ''আৰু কোৱাচোন কি আছে তোমাৰ দিব পৰা! মনে ধৰিলে লম, নহয় মই নিজেই কম কি লাগে-''

Scanned with CamScanner

"ক'ত পালা?" সন্দেহৰ চকুৰে উমাই প্ৰশ্ন কৰিলে। লৰালৰিকৈ কলো— "আজি ঘৰৰপৰা ইয়ালৈ অহাৰ সময়ত, মা আৰু বকুলীক দেখিলো লাৰু কৰিছে। সেইফালে একেথৰে চাই থকাত কেইটামান খাবলৈ দিলে। খালো- আৰু খোজাত ক'লে আহি খাবি। গতিকে চল বুজি কোনেও নেদেখাকৈ এজেপ ভৰাই লৈ ইয়ালৈ খোজ ললো। দহ মাইল বাট যদিও খাই খাই শেষ কৰাৰ আগতে হঠাৎ তোমালৈ মনত পৰিল..."

কিবা এটা বিচাৰি অশোক কোঠাটোলৈ আহিছিল। বস্তুটো লৈ মোৰ ওচৰলৈ আগবাঢ়ি আহিল ঃ "চন্দন, ওঁহো, উমাক এইবোৰ দিয়া নাযায়। চাওঁ মোক দে, তই লাগিলে আগতে কি দিব খুজিছিলি স্বচ্ছন্দে তাক দিব পাৰ, মই অলপো বেয়া নাপাওঁ..."

লৰালৰিকৈ দুটা মুখত ভৰালো। বাকীকেইটা অশোকে কাঢ়ি নিলে। টপাটপকৈ শেষ কৰি আকৌ হাত পাতিলে- "আৰু...?"

"আৰু নাই-" উমাই মূৰে-কপালে হাত দি খন্তেক আমাৰ দুয়োৰে মুখলৈ বিস্ময়ত চাই ৰ'ল।

"চন্দন! কমল-নগৰৰ ৰাইজে তোমালোক দুয়োকে তেওঁলোকৰ মহামান্য বিষয়া পাতিছে নহয়? হাজাৰ হাজাৰ মানুহৰ ভাল-বেয়া, ৰক্ষাকৰ্তাৰ ভাৰ তোমালোকৰ ওপৰতে, পাহৰি গ'লা নেকি?"

"নাই পাহৰা নবৌ, কিয় পাহৰিম? কিন্তু বিষয়া হওঁতেতো কোনেও আমাক কৈ দিয়া নাছিল যে 'আজিৰপৰা তোমালোকৰ নাৰিকল লাৰু বন্ধ'- কৈছিল জানো?"

"নাই কোৱা, কিন্তু এনে কাম আৰতি-মণিয়েও নকৰে..."

"নকৰে সঁচা কথা.. মাথোঁ দেখুৱাই দিয়ে- আৰতিয়েইতো মোক তোমাৰ ৰান্ধনি ঘৰৰ চাঙত থকা খৰাহিটো দেখুৱাই দিলে..."

অশোকে হো-হোকৈ হাঁহি উঠিল।

উমাই হতাশ হৈ খঙেৰে নেপথ্যত থকা আৰতিক চিঞৰিলে— "আৰতি! আৰতি!"

আৰতিৰপৰা কিন্তু উত্তৰ নাহিল। অশোকে ক'লে— "বোধকৰো তাইৰ ভাগটো এতিয়াও শেষ হোৱা নাই উমা-"

Scanned with CamScanner

কৃত্রিম ক্রোধত উমাই মোৰ চুলিত ধৰি আৰু এটা জোকাৰ মাৰিলে ঃ "মই যতন কৰি বহুৰাই আগত সজাই খাবলৈ দিলে হ'বপাই সোৱাদ নেলাগে?"

তৎক্ষণাত উত্তৰ দিলো— "কিয় নালাগিব, খুব লাগে.. আৰু জেপত ভৰালেও নতুন এটা সোৱাদ উঠে-"

সময় বুজিয়েই বোধকৰো যশোদা কোঠালৈ সোমাই আহি উমাক সুধিলে, "আইদেউ, জলপানৰ লগত দিবলৈ লাৰুখিনি বিচাৰি পোৱা নাই দেখোন, আপুনি আন ক'ৰবাত থ'লে নেকি?"

আইদেউৰ হৈ উত্তৰটো ময়ে দিলো— "যশোদা, তই ব্যস্ত হব নালাগে, লাৰুখিনি বর্তমান নিৰাপদ ঠাইতে আছে। তই যা বাৰু, আৰু শুন, মই আৰু আৰতিয়ে আজি জলপানৰ লগত লাৰু নাখাওঁ, আমাক আন জলপান লাগিব, যা..."

যশোদাইনো কি বুজিলে তায়ে জানে, তাই গ'লগৈ। উমাৰ মুখলৈ চাই আকৌ আগৰ কথাৰ গুৰি ধৰি কলো— "পাছে নবৌ, তোমাকতো একো দিব নোৱাৰিলো, 'নে'টো তেন্তে মচ নাখাব নেকি? ...অশোক তই ইয়াৰপৰা যাচোন, আমাৰ কথা আছে..."

"মোৰ আগত ক'ব নোৱাৰি?"

"নোৱাৰি-"

"বাৰু মই যাওঁ, পিছে তোৰ জেপত আছে যদি উমাক দে, দেখা নাই জানো লাৰুৰ শোকত মুখেৰে মাতিবকে পৰা নাই!..."

অশোক গ'লগৈ, উমাই মোলৈ চাই হাঁহি ক'লে "বাৰু বাৰু, লাৰু নালাগে মোক, কিন্তু 'নে'টো যদি মুচি দিব লাগে তেন্তে মোক এটা কথা দিব লাগিব...."

"তেহে 'নে'টো মুচি দিবা নহয়?"

"ওঁ, কোৱা পাৰিবা?"

অলপ ভাবি কলো— "বোধকৰো পাৰিম...যদি তুমি কোৱা, 'চন্দন এই লাৰুখিনি খোৱা', 'চন্দন মই বিছি দিওঁ তুমি শোৱা', 'চন্দন মই অমুকটো কৰো তুমি চোৱা' .....সেইবোৰ খু-উব পাৰিম নবৌ, কিন্তু তুমি যদি ভুলতে কৈ পেলোৱা- 'চন্দন, কাঞ্চনমতীৰ মাজ বুকুত বগাদলঙৰপৰা জাঁপ দিয়া, তেতিয়া?"

"তেতিয়াও তাকেই কৰিব লাগিব...পাৰিবা নহয়?....কথা দিলা....?"

"তুমি দিলাই দেখো, মই আৰু দিম কিটো? কিন্তু নবৌ, সেই জাঁপ-চাপ মাৰিবলৈ হলে নক'বা দেই। আৰু, আৰু মোৰো এটা কথা ৰাখিবা?"

"কি কথা?"

Scanned with CamScanner

"শুকুলাক ৰাজকুঁৱৰীয়ে যি বুলি ভাবি লৈছে সেয়েই থাওক, তুমি ভুল ভাঙি নিদিয়া যেন-"

"কিয়, ৰং চাবলৈ?"

"সচাঁ কথা কওঁ নবৌ, তুমিতো সকলো জানা- অলপ লোভ হৈছে ৰং চাবলৈ। কোৱা-"

খন্তেক ভাবি উমাই ক'লে— "কিন্তু বেচেৰীয়ে যে কষ্ট পাব-"

"কষ্ট পোৱালে আগবাঢ়িছে জানো? দেখিছো 'নে'টো তেন্তে আচলতে নাছিলেই... তেও নবৌ, পাওক কষ্ট, যিকণ এতিয়া পাব তাক সুদে মূলে ওপচাই দিম সেইদিনা, যিদিনা, তোমাৰ আশীর্বাদ পাম...."

উমাৰ মুখখন উজ্জ্বল হৈ উঠিল। শান্তিৰে এটা উশাহ লৈ ক'লে— "বাৰু সেয়ে হ'ব, মই নিশ্চিন্ত হ'লো। মই সাজিব খোজা ঘৰখন ভাগি যায় বুলি মোৰ ভয় আছিল, বিশেষকৈ তোমাৰ ফালৰপৰা। দেখিছো নিকিনা গোলামহাল তেন্তে মই নেহেৰুৱাওঁ..."

"হেৰুৱাবা কি? লোকৰ কাৰণে তুমি যে নিজেই হেৰাই গ'লা নবৌ! চাওঁ শ্ৰীচৰণখন আগবঢ়াই দিয়া, চিৰদিন তোমাৰ লগত ঠাট্টা-তামাচাই কৰিলো, আজি মনত পেলাই দিলা, তুমি মোতকৈ ডাঙৰ, মোৰ পূজ্য- লোৱা, গোলামৰ প্ৰথম সেৱাটো এতিয়াই দি দিওঁ।"

উমাক বাধা কৰি সঁচাকৈয়ে উমাক সেৱা কৰি পেলালো, আৰু তাকে কৰা দেখিলে অশোক-গৌৰী দুয়ো। সিহঁত কোঠালৈ সোমাই আহিছিল, দেখি দুৱাৰমুখতে থমকি ৰ'ল।

কৃত্ৰিম গাম্ভীর্যৰে অশোকে ক'লে— "যা হওক গৌৰী, অলপ আগতে 'অন্তৰ চন্তৰ' দিয়া-লোৱা কৰা দেখি পেটে পেটে কিঞ্চিৎ ভয়েই লাগিছিল, এতিয়া তেও নিশ্চিন্ত হলো-"

"কি কৰিবি অশোক, তোৰ ভাগ্য ভাল, নবৌৰ অন্তৰৰ চাবি চুক বিচাৰি চালো, ভিতৰত একোকে নাই, সোপাকে উজাৰ কৰি কাৰোবাক আগতে দি থৈছে। দাঁতিয়ে কাষৰে লাগি থকা লেৰেলা মৰম একণৰ লোভত ভক্তি মোৰ উথলি উঠিছে-" ঘূৰি উমালৈ চাই ফুচ্‌ফুচাই সুধিলো— "সেৱা এটাহে হ'ল নবৌ, আন এজনৰ হৈ ময়ে-"

মোক বাধা দি উমায়ো আনে নুশুনাকৈ ক'লে- "নালাগে, নালাগে চন্দন, সেয়া মই বহুত আগতেই পাইছো-"

Scanned with CamScanner

সেই নিশা ৰঙাটিলাৰ তিনি মহলাৰ ওপৰত থকা আটাইতকৈ ধুনীয়া শোৱনি কোঠাটোৰ বন্তিগছ ভালেমান নিশালৈকে জ্বলিয়েই থাকিল। বিশ্ৰাম পোৱা নাই যেহেতু গৌৰীৰ টোপনি অহা নাই। গৌৰী একেৰাহে বিছনাত পৰিয়েই আছে, মাজে মাজে উঠি ফুৰিছে। প্ৰতিদিনৰ গম্ভীৰ গৌৰী আজি নিজৰ কোঠাত অলপ চঞ্চল হৈহে উঠিছে। গধূলিৰ কাপোৰ সাজ এতিয়াও সলোৱা নাই- ইচ্ছাও কৰা নাই। ৰূপহীয়ে এবাৰ সোঁৰৰাই দিবলৈ আহি অবাবতে ধমক খাই পলাই ফুৰি শেষত শুই পৰিছেগৈ। মুকুতায়ো গৌৰীলৈ বাট চাই চাই ওচৰৰ কোঠাটোতে বহি জপৰ্ জপৰ্ মাৰিছে, যেহেতু আইদেউ নোশোৱালৈকে নিজে শোৱাৰ অভ্যাস মুকুতাৰ নাই। কিন্তু ধৰিব পৰা নাই হঠাৎ আজি নিশা আইদেউৰ হ'ল কি? নিজেতো শোৱা নায়েই, লগে লগে মুকুতাকো শুবলৈ আদেশ কৰা নাই। তাই হয়তো এতিয়া সপোনতো তাকেই ভাবিছে— আইদেউৰ আজি হ'ল কি? আৰু নাভাবিনো বাৰু কৰিব কি? মুকুতাইতো নাজানে যে ইয়াৰ গুৰি আচলতে তিনিটা আখৰৰ নাম এটা- মানুহৰ হওক, জানোৱাৰৰ হওক কেলৈ লাগিছে? সৰু এটা নামে কমল-নগৰৰ ৰাজকুঁৱৰীৰ চকুৰপৰা টোপনি কাঢ়ি নিব পৰা শক্তি আছে বুলিনো কোনে ভাবিছিল? মুকুতাই জানো ভাবিব পাৰে? আৰু গৌৰীয়ে নিজেই জানো ভাবিছিল?

গৌৰীৰ কিন্তু লাহে লাহে নিজৰ ওপৰত খং উঠিছে— ছিঃ ছিঃ। গৌৰীৰ মনটোৰ যে ইমান অধঃপতন হৈছে তাক গৌৰীয়ে কল্পনাও কৰা নাছিল। ভাগ্যে ৰক্ষা, মনটোৱে ডাঙৰকৈ আনে শুনাকৈ একো নাভাবে, নহ'লে গৌৰী সকলোৰে ওচৰত আজি ভয়ংকৰ অপ্ৰস্তুত হৈ গ'লহেঁতেন।

গৌৰী তীক্ষ্ণ বুদ্ধিমতী। সকলো বিষয়কে ধীৰভাৱে বিচাৰ কৰি চোৱাৰপৰা ধৈৰ্য ৰাখে, কিন্তু এই প্ৰথমবাৰ অন্তৰলৈ প্ৰতিদ্বন্দ্বিতাৰ প্ৰশ্ন উঠাত গৌৰীৰ আজি সকলো বিচাৰ-বুদ্ধিয়েই অসুস্থ হৈ পৰিছে। গৌৰীয়েনো বাৰু কি কৰে এতিয়া?

গৌৰী শুব খুজি আকৌ উঠি আহিল। তিনি পাক কোঠাটোত ঘূৰি লৈ মনটোক সান্ত্বনা দি বিচাৰ কৰি ৰায় দিলে— "নিশ্চয় আজি গৰম দেখি টোপনি অহা নাই- আৰু দুপাক কোঠাত ঘূৰিলেই শৰীৰটো ঠাণ্ডা পৰিব আৰু টোপনিও তৎক্ষণাত আহিব-"

দুপাক আৰু ঘূৰিলে গৌৰীয়ে। তাৰ পাছত আগবাঢ়ি গ'ল বিছনাখনৰ কাষলৈ। যাওঁতে চকুত পৰিল ডাঙৰ দাপোণখনত নিজৰ ছাঁটো। ....ওচৰ চাপি গ'ল গৌৰী- সন্দেহ হৈছে নিশ্চয় শৰীৰটোৰ ক'ৰবাত কিবা এটা হৈছে, যিটো এনেয়ে চকুত পৰা নাই আৰু যাৰ কাৰণে হয়তো টোপনিও অহা নাই! বন্তিগছ ওচৰ চপাই

Scanned with CamScanner

আনি গৌৰীয়ে দাপোণত প্ৰতিফলিত হোৱা ছাঁয়া গৌৰীৰ চকু দুটালৈ চালে। তাৰ পাছত চুলিকোছা, মুখখন, ওঁঠ দুটা আৰু বুকুখনৰ লগতে হাত-ভৰিকে আদি কৰি প্ৰত্যেক অংগ-প্ৰত্যংগকে পৰীক্ষা কৰি চালে- নাই, সকলোবোৰেই ঠিক আছে; তেন্তে?”

ছাঁয়া গৌৰীয়ে দাপোণৰ সিদাঁতিৰেপৰা কায়া গৌৰীক সুধিলে— “গৌৰী, তোমাৰ টোপনি অহা নাই কিয়?”

প্ৰশ্নটো শুনিও নুশুনাৰ ভাও ধৰি ছাঁয়া গৌৰীয়ে মূৰৰ চুলিখিনি পৰিপাটিকৈ সজাই, কাণৰ কেৰুযোৰ আৰু অলপকৈ উলিয়াই, বুকুৰ ওপৰত পৰি থকা মণিধাৰেৰে আঙুলি এটাত মিছাতে পাক এটা মাৰি ঘূৰি ছাঁয়া গৌৰীক প্ৰশ্ন কৰিলে— “বাৰু গৌৰী! শুকুলা মোতকৈয়ো দেখিবলৈ ধুনীয়ানে?”

উত্তৰ নিদি ছাঁয়াই লগে লগেই গৌৰীক চিঞৰিলে—

“শুকুলা মোতকৈয়ো দেখিবলৈ ধুনীয়ানে?”

গৌৰীৰ বৰ খং উঠিল। দাপোণৰ ফালে হঠাৎ পিঠি দি চিঞৰিলে— “মুকুতা! মুকুতা!”

দুবাৰত মুকুতাৰ টোপনি নাভাগিল। তৃতীয়বাৰত ধৰ্-মৰ্ কৰি উঠি আহি গৌৰীৰ সমুখত থিয় দিলেহি ঃ “আইদেউ...”

গৌৰীয়ে ব্যগ্ৰ হৈ প্ৰশ্ন কৰিলে— “মুকুতা, মই বাৰু দেখিবলৈ ধুনীয়া হয় নে নহয়?”

মুকুতা থৰ্-মৰ্ খাই গ'ল। প্ৰশ্নটো নকৰি গৌৰীয়ে তাইক 'খকৰা-মুকুটি' এটা মৰা হ'লেও হয়তো তাইৰ অৱস্থা এনে নহ'লহেঁতেন। এই মাজ ৰাতিখন তাইৰ টোপনি ভাঙি মাতি আনি, প্ৰভুকন্যাই যে এনে এটা প্ৰশ্ন কৰিব পাৰে তাৰবাবে তাই অলপো প্ৰস্তুত নাছিল। গৌৰীয়ে নিজেই নাজানিছিল সময় বিশেষে প্ৰশ্নটোৰ গুৰুত্ব। নিজৰ ওপৰত গৌৰীৰ আৰু খং উঠিল। নাই নাই, নিজক আৰু গৌৰীয়ে কেতিয়াও ক্ষমা নকৰে— ছিঃ! অধঃপতনৰ শেষ সীমা পাইছেগৈ- মান, সম্ভ্ৰম, মৰ্যাদা সকলো পাহৰিলে নেকি গৌৰীয়ে? কি কৰিছে এইবোৰ...?

“হাঁকে কি চাইছ? কোনে মাতিছিল তোক? যা শুই থাকগৈ-” দাবি খাই মুকুতা ছিটিকি পলাল। গৌৰীয়ে একে ফুতে বন্তিগছ নুমাই বিছনাৰ জাপৰ তলত সোমাই মূৰটো ঢাকি পেলালে। উশাহ নাপালেও আৰু মূৰ নুলিয়ায়- গৌৰী দৃঢ়প্ৰতিজ্ঞ।

Scanned with CamScanner

।। নৱম অধ্যায় ।।

ছাঁয়াৰ মায়া

ভৰদুপৰীয়া ৰূপালীপামৰ পদূলিমূৰ পায়েই দেখো, গৌৰীৰ বাগী বৈ আছে। তাৰপৰাই চকুত পৰিল ওপৰ মহলাৰ খিৰিকীৰ ওচৰতে বহি আছে উমা আৰু গৌৰী। দিনদিয়েক আগতে বৰ উগ্ৰভাৱেই গৌৰীৰ লগত এখুন্দা লগাত উমাই বাধ্য হৈয়ে দুয়োকে দুফালে আঁতৰাই নিছিল। বোধকৰো গৌৰীৰ খং এতিয়াও মাৰ যোৱা নাই, কাৰণ উমাক বোলে কৈছেই মোক এইখন ঘৰলৈ অহা দেখিলে গৌৰী আৰু এটা মুহূৰ্তও কাষত নাথাকে। দেখিলেই ওলাই যাব। ইয়াৰ আগৰকেইদিন বোধকৰো গৈছিলও যেহেতু মই গৌৰীক আৰু দেখা নাই।

ভাবিলো আজি কি কৰিব? মই ছিৰিৰ ওচৰ পোৱাৰ লগে লগেই দেখিলো ওপৰৰপৰা গৌৰী নামি আহিছে। প্ৰথমে ভাবিলো আগভেটি ধৰো, কিন্তু নধৰিলো। গৌৰীয়ে মোক নেদেখাৰ ভাও জুৰি মোৰ ওচৰেদিয়েই পাৰ হৈ বাগীত উঠিলগৈ, আৰু বাগীৰ ৰূপৰ বালাত টান মাৰি মোৰ ফালৰ পৰ্দাখন পেলাই দিলে। ছিৰিৰ দুটামান ঢাপ উঠি এবাৰ গৌৰীলৈ ঘূৰি চালো। চকুত পৰিল, পৰ্দাৰ ফাঁকেৰে গৌৰীয়ে মোলৈ চাইছে। ধৰা পৰি পৰ্দাখন আৰু ভালকৈ টানি দিলে গৌৰীয়ে। অলপ ৰং চাবৰ মনেৰে বাগীৰ যি দাঁতিয়ে তেতিয়ালৈকে পৰ্দাকেইখন পেলোৱা নাছিল সেইফালে আগুৱাই গৈ আকৌ গৌৰীক দেখা দিলো। খঙত গৌৰীয়ে এখন এখনকৈ আটাইবোৰ পৰ্দা মোৰ মুখৰ আগতে পেলাই দি গৰ্জি উঠিল- "জয়ৰাম!"

জয়ৰাম অলপ দূৰত আছিল, ওচৰ চাপি আহি সুধিলে, "আইদেউ, ঘৰলৈ নে আন ক'ৰবালৈ নিব লাগিব?"

"ঘৰলৈ-" চাৰি পৰ্দাৰ মাজৰপৰাই গৌৰীয়ে আদেশ দিলে।

"ভাল আইদেউ।"

জয়ৰাম বাগীত উঠিব খুজিছিল, কিন্তু হঠাৎ মই তাক নিঃশব্দে বাধা দি তাৰ কাণে কাণে মনে মনে থাকিবলৈ কৈ গৌৰীয়ে ধৰিব নোৱাৰাকৈয়ে বাগীৰ সমুখৰ জয়ৰামৰ আসনত বহি পৰিলো; আৰু এটা মুহূৰ্তও অপেক্ষা নকৰি, পূৰ্ণ বেগেৰে

Scanned with CamScanner

বাগী চলাই একেবাৰে ৰঙাআলি উঠিলোহি। গৌৰীয়ে একো গম নাপালে। ভাবি ললে হয়তো জয়ৰামেই বাগী চলাইছে।

ৰঙাআলিতো বাগীৰ গতিবেগ অলপো নকমাই ভালেমান বাট আহিলো। শেষত এবাৰ চকুত পৰিল সমুখত বকুলপুৰলৈ যোৱা নিৰ্জন আলিটো। একো নভবাকৈয়ে ৰঙাআলি এৰি ললো সেই আলি। বাগীৰ ফালে ঘূৰি চাই দেখো, গৌৰীয়ে দাঁতিৰ পৰ্দাবোৰ তেতিয়াও তোলা নাই, গতিকে ধৰিবও পৰা নাই বাগীয়ে যে প্ৰকৃত বাট এৰি গৈছে।

কিন্তু ভয় হ'ল অলপ পাছতে বকুলপুৰৰ ওখ আলিৰে যাবলৈ হ'লে ধৰা যে পৰিব লাগিব তাত কোনো সন্দেহ নাই। সেইদেখি কমল-সৰোবৰৰ ঘাট পোৱাৰ লগে লগেই তৎক্ষণাত বাগী ৰখাই, গৌৰীয়ে পৰ্দা তুলি চোৱাৰ আগতেই নামি গৈ পানীৰ কাষৰ শেষ ছিৰিটোৰ ওচৰতে আঁৰ হৈ বহি পৰিলো। তাৰেপৰা লুকাই লুকাই গৌৰীয়েনো কি কৰে চাই দেখিলো, গৌৰীয়ে পৰ্দা তুলি নামি আহিব খুজিয়েই থমকি ৰ'ল। হয়তো ভাবিছিল ৰঙাটিলা পালেহি, কিন্তু জয়ৰামে এয়া ক'লৈ আনিলে? নামি আহি জয়ৰামৰ আসনলৈ চাই গৌৰী আচৰিত হৈ গ'ল চিঞৰিলে-

"জয়ৰাম! জয়ৰাম!"

কিন্তু কোনো ফালৰেপৰা জয়ৰামৰ উত্তৰ নাহিল। গৌৰীয়ে ইফালে সিফালে চাই আকৌ চিঞৰিলে। এইবাৰো কিন্তু জয়ৰামে উত্তৰ নিদিলে, তাৰ পৰিৱৰ্তে দিলো মই— মাত কথাৰেও নহয়, গীতেৰে।

মোৰ গীত শুনি আলিৰ কাষচাপি আহিল গৌৰী। ওপৰৰ প্ৰথম ছিৰিটোৰপৰাই মোক দেখিলে। সকলো বুজিলে, এটা শিলগুটিও হাতত তুলি ললে। ভাবিছিলো মোৰ গালৈ মাৰি পঠিয়াব, কিন্তু ক'ব নোৱাৰো কিয় নামাৰিলে। গৌৰী আঁতৰিও নগ'ল, নামিও নাহিল।

নেদেখা ভাও জুৰি মই গীতৰ কলিবোৰ আপোন মনে গাই গ'লো। কিমান পৰ তাকো ক'ব নোৱাৰো; কিন্তু এবাৰ হঠাৎ বাগীৰ চকাৰ ঘৰ্ ঘৰ্ শব্দ শুনি মুখৰ গীত মুখতে থাকি গ'ল। জাঁপ মাৰি ঘূৰি চাই দেখো গৌৰীয়ে অহা বাটেৰে নিজেই কোবেৰে বাগীখন চলাই নিছে। ইমান পৰ ভাবিছিলো গৌৰী ছিৰিটোত তেনেদৰেই থিয় দি আছে। কিন্তু ইয়াৰ ভিতৰতে যে কোন সময়ত একো শব্দ নকৰাকৈ বাগী ঘূৰাই মোক এনেভাৱে জব্দ কৰি যাব তাক এবাৰ কল্পনাও কৰা নাছিলো।

বিপদ বুজি প্ৰাণপণ শক্তিৰে বাগীৰ পাছে পাছে দৌৰ ধৰিলো। গৌৰীয়ে মোক দৌৰা দেখি আৰু কোবেৰে বাগী এৰিছে। তথাপি ভালেমান বাট দৌৰিলো। কিন্তু

Scanned with CamScanner

সকলো মিছা হ'ল। শেষত গৌৰীক ধৰাৰ কোনো আশা নেদেখি মাজ বাটত ৰৈ পৰিলো।

কিন্তু এতিয়া কি কৰো? তাৰপৰা কি ৰূপালীপাম, ৰঙাটিলা, চম্পাৰ নিজৰা আটাইবোৰেই ঢেৰ দূৰত। ইমান দূৰ বাট খোজ কাঢ়ো কেনেকৈ? গৌৰীয়ে নজনাকৈ ইয়ালৈ আনি ভাবিছিলো আজি বৰ জিকিলো, কিন্তু এনেভাৱে যে বুদ্ধিৰ যুদ্ধত গৌৰীয়ে মোক হৰুৱাই যাব ভবা নাছিলো।

বহুত দূৰৰপৰা গৌৰীয়ে মোলৈ ঘূৰি চালে। হয়তো মোৰ অৱস্থা দেখি নিশ্চয় এতিয়া হাঁহিছে। কিছুদূৰ গৈ এঠাইত ৰৈ গৌৰীয়ে মোলৈ আকৌ ঘূৰি চালে। বোধকৰো মোক লোভ দেখুৱাইছে যাতে মই আকৌ এবাৰ দৌৰো কিন্তু গৌৰীক আৰু বিশ্বাস নাই। মোক দৌৰা দেখিলেই বাগীও যে সমানে চলিব সি ধুৰুপ।

লাহে লাহে আগবাঢ়িলো। দেখিলো বাগীও আগবাঢ়িছে। মই ৰ'লেই গৌৰীও ৰৈ পৰে, মই খোজ ললে গৌৰীও যাবলৈ আৰম্ভ কৰে, একো উপায় দেখা নাই।

বহুত ভাবি ভাবি এটা বুদ্ধি বিচাৰি পালো। আলিটোৰ আগলৈ যি কেইটামান দীঘল দীঘল পাক আছে, তাৰ পাৰ হৈ ৰঙাআলি উঠিবলৈ গৌৰীৰ নিশ্চয় যথেষ্ট সময় লাগিব। কিন্তু মই যদি ধাননি আৰু হাবি এড়ৰাৰ মাজেদি পোনে পোনে খোজ লওঁ, তেন্তে গৌৰীতকৈ আগতেই হয়তো ৰঙাআলি উঠিব পাৰিম। কিন্তু এতিয়া তাকে কৰিবলৈ হলে গৌৰী প্ৰথমেই মোৰ আঁৰ হ'ব লাগিব।

গতিকে আৰু কিছুদূৰ বাগীৰ পাছে পাছে গ'লো। শেষত যেতিয়া গৌৰী মোৰ আঁৰ হ'ল, তৎক্ষণাত আলি এৰি ধাননিত নামিলো, আৰু লুকাই লুকাই যিমান সোনকালে পাৰো সকলো পাৰ হৈ আহি ৰঙাআলিৰ দাঁতিতে থকা ডাঙৰ গছ এডালৰ আঁৰত ভালকৈ লুকাই পৰিলোহি।

বেছি সময় নহ'ল, দূৰৈত গৌৰীক দেখিলো নিশ্চিত হৈ গীত গাই আহিছে। মাজে মাজে মাথোঁ পাছলৈ চাই লৈছে। গৌৰীৰ বাগী মোৰ ওচৰেদি পাৰ হৈ যোৱাৰ লগে লগেই, মই পাছফালৰপৰা অলপ কষ্টেৰে গৌৰীয়ে উমান নোপোৱাকৈ বাগীৰ ভিতৰত সোমাই বহিলো।

মোক হৰুৱাই দিয়াৰ আনন্দত গৌৰীয়ে এতিয়া গুণ-গুণকৈ গীত গাইছে, হাঁহিছে, ঘোঁৰা দুটাৰ লগত কথা পাতিছে, আকৌ সিহঁতকে সুধিছে গীতটোৰ দ্বিতীয় কলিটো কেনেকৈ গায়-বাৰে বাৰে চেষ্টা কৰিছে, কিন্তু পৰা নাই!

সকলো মনে মনে শুনি আহিছো। শেষত এবাৰ গৌৰীয়ে অশুদ্ধ কৰি গোৱা গীতৰ কলিটো শুধৰাই দিবলৈ, গৌৰীৰ লগে লগেই বাগীৰ ভিতৰৰপৰা গীত জুৰিলো। ধৰিব নোৱাৰি প্ৰথমে গৌৰীয়ে বাগীখন কোবেৰে চলাই নিছিল, কিন্তু

Scanned with CamScanner

যেতিয়া বুজিলে যে মই বাগীৰ ভিতৰত, তেতিয়া গৌৰীৰ হাঁহি-আনন্দ সকলো বন্ধ হৈ গ'ল।

খন্তেকতে বাগী ৰখাই গৌৰী নামি আহিল আৰু মোৰ সমুখৰ আসনখনত ধপকৈ বহি পৰিলহি। আকৌ হাৰি যোৱাত গৌৰীৰ খং উঠিছে।

দুয়ো দুয়োৰে মুখলৈ চাই মনে মনে বহি আছো। গৌৰীয়ে নকলেও বুজিছো, বাগীখন এতিয়া চলাই নিয়া ভাৰ মোৰ। মনে মনে ঠিক কৰিলো মই নচলাওঁ, দেখা যাওক গৌৰীয়েনো কি কৰে।

ভালেমান বেলিৰ মূৰত এবাৰ গৌৰীয়ে খঙেৰে ক'লে-

"এতিয়া এনেকৈ থাকিলে হ'ব নেকি? মানুহে দেখিলে কি বুলিব?" গৌৰীয়ে ঠিকেই কৈছে, সেই ভয় মোৰো আছে। বাগীৰপৰাই চাৰিওফালে চাই ক'তো কাকো নেদেখি কলো, "দেখিলে দেখক মই কি কৰিব লাগে? যেনেকৈ গৈছিল ঠিক তেনেকৈ চলাই নিলেইতো হ'ল..."

"মোৰ গৰজ পৰিছে... মোক নবৌৰ ওচৰৰপৰা কোনে ইয়ালৈ আনিবলৈ কৈছিল? তৎক্ষণাত মোক আকৌ তাত থৈ আহিব লাগিব..."

"মই নোৱাৰো, দৌৰি মোৰ ভাগৰ লাগিছে..."

চকু দুটা মুদি বাগীত ভালকৈ আঁউজি বহা দেখি গৌৰীয়ে প্ৰায় চিঞৰি উঠিল "বেছ হৈছে ভাগৰ লাগিছে, হয় মোক থৈ আহিব লাগিব, নহয় বাগীৰপৰা নামি যাব লাগিব..."

"থৈ আহিবও নোৱাৰো, নামিবও নোৱাৰো.... আনোতে মই আনিছিলো। এতিয়া নিয়াৰ পাল আনৰ...."

নিৰ্লিপ্ত হৈ আকৌ চকু মুদিলো। উপায় নেপাই গৌৰীয়ে মনে মনে থাকিল। দুয়ো নিঃশব্দে বহি আছো, কিন্তু মাজবাটতে বাগী ৰখাই আমাক তেনেকৈ থকা কোনোবাই দেখে বুলি গৌৰী ব্যস্ত হৈ উঠিছে।

চকু দুটা অলপকৈ মেলি গৌৰীৰ মুখলৈ চালো। গৌৰীয়ে আনফালে মুখ ঘূৰালে।

এবাৰ ভাবিলো, সকলো সংকোচ এৰি, মোৰ বাহিৰৰ আৱৰণখন গুচাই অন্তৰৰ

Scanned with CamScanner

ধৰা পৰিছো। তাক গৌৰীয়ে জানে, ময়ো জানো আৰু বোধকৰো বহুতেই জানে। কিন্তু তথাপি আমাৰ জেদ, সেই প্ৰথম দিনাই ঘোষণা কৰা যুদ্ধখনৰ পৰিসমাপ্তি আজিলৈকে হৈ নুঠিল। কি কুক্ষণত যে তাৰ আৰম্ভ হৈছিল.....

পৰাজয় মানি ধৰা দিয়াত মোৰ আপত্তি আছে। গৌৰীয়েও পৰাজয় স্বীকাৰ নকৰে। ফলত সেই প্ৰথম দিনাৰ দৰেই আজিও সমানে চলিয়েই আছে আৰু হয়তো থাকিবও, কিমান দিনলৈ কেনেকৈ কওঁ।

কিন্তু সময়ে সময়ে গৌৰীক মই বুজি নাপাওঁ। আজিকালি উমা বা আন কাৰোবাৰ লগত মই যেতিয়া কথাত মগ্ন থাকো, লক্ষ্য কৰি দেখিছো গৌৰীয়ে অনুসন্ধিৎসুৰ নতুন দৃষ্টিৰে মোৰ চকুলৈ চাই থাকে- হয়তো তাত কিবা বিচাৰে। মই ধৰিব নোৱাৰো গৌৰীয়ে কি জানিব খোজে? মোক সম্পূৰ্ণৰূপেই চিনি পাইছে, তথাপি যেন সেই দৃষ্টি সন্দেহৰ। মোক যেন সম্পূৰ্ণৰূপে বিশ্বাস কৰিব পৰা নাই। কিন্তু কিয়?

বহুত সময়ৰ মূৰত এবাৰ হঠাৎ বহাৰপৰা উঠি গৈ গৌৰীয়ে নিজেই আকৌ বাগীখন চলাবলৈ আৰম্ভ কৰিলে। লাহে লাহেও নহয়, একেবাৰে উন্মাদৰ দৰে কোবাই কোবাই ঘোঁৰা দুটাকো উন্মাদ কৰি বাগীখন বিজুলী বেগেৰে এৰিছে।

বাগীৰ ভিতৰত থাকিবলৈ ভয় হ'ল। কিছুদূৰ এনেভাৱে গ'লে যে বাগীৰ সৈতে কোনোবা খাৱৈত পৰি চূৰমাৰ হম সি নিঃসন্দেহ—

ভিতৰৰপৰাই গৌৰীক বাধা দিবৰ চেষ্টা কৰিলো, কিন্তু গৌৰীয়ে ভ্ৰূক্ষেপ নকৰাত বাধ্য হৈয়ে বাগীৰ দাঁতি বগাই কোনোমতে গৌৰীৰ ওচৰলৈ আহি হাতৰপৰা লাগামডাল কাঢ়ি ললো। ঘোঁৰা দুটাকো অলপ সংযত কৰিলো। গৌৰীয়ে সেই অৱস্থাতে নামি আহিব খোজাত সকলো সংকোচ এৰি গৌৰীক এহাতেৰে সাৱটি ধৰিলো।

খঙত, লাজত গৌৰীৰ গাল দুখন টিকটিকীয়া ৰঙা হৈ উঠিল। মোক বাধা দিয়াৰ আগতে চাৰিওফালে এবাৰ চাই ললে, কোনোবাই দেখিছে নেকি? আমাৰ কপাল ভাল, ওচৰত কি দূৰৈত আজি ৰঙাআলিত কেও ক'তো নাই-

কঁকালৰপৰা গৌৰীয়ে মোৰ হাতখন জোৰ কৰি আঁতৰাই দিয়াত কলো- "বাৰু হাত নিছো, কিন্তু নামিব খুজিলেই আকৌ... মনত থাকে যেন-"

চালকৰ সৰু আসনখনত দুয়ো ওচৰা-উচৰিকৈ বহি আহিছো। এনে পৰিস্থিতিত পৰি গৌৰীয়ে কি ভাবিছে ক'ব নোৱাৰো, কিন্তু মোৰ নিজৰে ভাল লগা নাই। হাজাৰ হওক, মই কমল-নগৰৰ তৃতীয় ৰাজবিষয়া- এজন সন্মানিত ব্যক্তি। আমি দুয়ো হৈছো কমল-নগৰৰ আটাইতকৈ আদৰণীয় ডেকা-গাভৰু। কোনোবাই আমাক

Scanned with CamScanner

দেখে বুলি ভয় কৰিয়েই, মানুহ-দুনুহ নথকা নিৰ্জন বাট এটাৰে বাগীখন ঘূৰাই লৈ পুনৰ ৰূপালীপামলৈকে লাহে লাহে গৈ আছো। আকৌ ধৰো বুলি গৌৰীয়ে নামি যাবলৈকো ভয় কৰিছে অথচ শাস্তিৰে বহি থাকিবলৈকো টান পাইছে।

এবাৰ মুহূৰ্তলৈ কেৰাহিকৈ মোৰ ফালে চাই ক'লে, "অসহায় কৰি সুবিধা লোৱাকে বীৰত্ব নকয়..."

তৎক্ষণাত উত্তৰ দিলো— "নিশ্চয় নকয়।"

"মৰ্যাদাবোধ, আত্মসন্মান আনৰ থাকক নাথাকক মোৰ আছে। মানুহে এনে অৱস্থাত আমাক দেখিলে কি ভাবিব....?"

"ভাবিব সংসাৰৰ যিটো চিৰন্তন ৰীতি তাক আমি অৱহেলা কৰা নাই-"

"হৈছে, হৈছে"... মোক বাধা দি গৌৰীয়ে বিদ্ৰূপ কৰি উঠিল— "নিজৰ বিচাৰেই সংসাৰৰ বিচাৰ নহয়; তাক দাবী কৰিবলৈ সামৰ্থ্যৰ প্ৰয়োজন। প্ৰবৃত্তিটো ইমান দিন উচ্চ বুলিয়েই মোৰ ধাৰণা আছিল-"

"ঠিকেই ধাৰণা আছিল, আচলতে প্ৰবৃত্তি মোৰ উচ্চই, মাথোঁ মাজে মাজে সংগদোষত পৰি যদি মোৰ অধোগতি হৈ থাকে, তাৰ বাবে দায়ী মই নহয়, আন..."

তাচ্ছিল্যৰ সুৰত গৌৰীয়ে ক'লে— "তেন্তে আনবোৰৰ ওচৰলৈ গলেইতো হয়, মোৰ ওচৰত কিয়?"

"যেহেতু সেই 'আনবোৰ' মোৰ ওচৰতে, মোৰ উপায় কি...?"

"কি?" গৌৰীয়ে গৰ্জি উঠিল— "স্পৰ্দ্ধাৰো এটা সীমা আছে.. নামি যাওক মোৰ ওচৰৰপৰা। যি এই নিৰ্লজ্জতা ভাল পায়, যিজনে তাকে পাবলৈ বৈ থাকে, তেওঁৰ ওচৰলৈ গলেই মই বেছি সুখী হম..."

উচাৎ মাৰি গৌৰীয়ে আনফালে মুখ ঘূৰালে। মই স্পষ্ট ধৰিব নোৱাৰিলো গৌৰীয়ে কাৰ কথা কৈছে? কিন্তু যাৰে কথাই কওক লাগিলে সি নিশ্চয় এনেয়ে কোৱা নাই। দেখিছো আমাৰ ভালপোৱাৰ মাজত কোনোবা এজন থকা সম্বন্ধে

মনত পৰিছে। কিন্তু ভাবি নাপালো কোন হ'ব পাৰে সেইজন, যি আমাৰ মাজলৈ আহি গৌৰীৰ অশান্তিৰ কাৰণ হৈ উঠিছে।

ৰূপালীপাম পায়েই দেখিলো ছিৰিয়েদি যদুখুৰা নামি আহিছে। অলপ আচৰিত হলো, খুৰাক ঘৰৰ বাহিৰ হোৱা খুব কমেই দেখো। বোধকৰো আতৈ আজি লগত নাই।

আমাক বাগীৰপৰা নমা দেখি খুৰাই সুধিলে— "এই আবেলিখননো তহঁতহাল ক'ৰপৰা আহিলি?"

অপ্রস্তুত নহৈ তৎক্ষণাত গৌৰীক দেখুৱাই খুৰাক হাঁহি কলো— "বুজিছে খুৰাদেউ..কমল-সৰোবৰৰ পাৰেদি অলপ ফুৰাই আনিবলৈ আজি কেইবাদিনৰে পৰা মোক ধৰি আছিল, আজি বতৰটোও ভাল..সেই দেখি..."

"হয় নেকি গৌৰী?" খুৰাই হয়তো কথাটো এনেয়ে সুধিলে, কিন্তু এনেভাৱে উত্তৰৰ প্ৰত্যাশা কৰি গৌৰীৰ মুখলৈ চালে, গৌৰীয়ে এটা উত্তৰ দিবলৈ বাধ্য হ'ল। খন্তেক মোৰ চকুলৈ চাই ক'লে— "হয় খুৰাদেউ.."

হাজাৰ হওক, খুৰাৰ আগততো আৰু গৌৰীয়ে নিজৰ মূৰ্তি ধৰিব নোৱাৰে. অকল খুৰাই নহয়, একমাত্ৰ উমাৰ বাহিৰে প্ৰায় সকলো মানুহৰ আগতেই আমি দুয়ো বন্ধুতাৰ অভিনয় কৰিবলগীয়া হয়; তাক গৌৰী, মই দুয়ো আমাৰ কৰ্তব্য বুলিয়েই জানো। পৰা হ'লে এই মুহূৰ্ততে গৌৰীয়ে মোক ভস্ম কৰি পেলালেহেঁতেন খুৰাই নেদেখাকৈ ওঁঠ দুটা দাঁতেৰে কামুৰি ঘৰৰ ওপৰ মহলালৈ উঠি যাবলৈ আগবাঢ়িল।

খুৰাই মোক সুধিলে— "চন্দন, আতৈক বাটত দেখিছিলিনে?"

"নাই দেখা খুৰাদেউ-"

গৌৰী উঠি গৈছিল। ফৰ্ ফৰ্ কৰি নামি আহিল। এইবাৰ মোক দেখুৱাই খুৰাক হাঁহি হাঁহি ক'লে— "বুজিছে খুৰাদেউ.. মোৰ আগত আজি বৰ গৰ্ব কৰি কৈছিল আপোনাক বোলে হেলাৰঙে পাশা খেলত হৰুৱাব পাৰে। ....আতৈ নাই যেতিয়া এবাৰ জুখি চাওকচোন..."

গৌৰীৰ কথা শেষ হোৱাৰ আগতেই বিপদ বুজি গৌৰীৰ দাঁতিয়েদিয়েই পলাব খুজিছিলো, কিন্তু গৌৰীয়ে আগচি ধৰিলে আৰু লগে লগে খুৰাই ধৰিলেহি হাতত। গৌৰীক হৰুৱাই নিজৰ বিপদৰ কথা এবাৰো ভবা নাছিলো। আকৌ গৌৰীৰ ওচৰত হাৰি গলো। প্ৰতিশোধ যে এনেভাৱে এই ফালৰপৰা লব মূৰত সোমোৱা নাছিল। খুৰাক কাবৌ কৰিলো, গৌৰীয়ে কোৱা কথাবোৰ সম্পূৰ্ণ অস্বীকাৰ কৰিলো, কিন্তু খুৰাই নামানিলে। মোক হাতত ধৰি লৈ গ'ল।

Scanned with CamScanner

মনত পৰিল সেই প্ৰথম দিনৰ কথা। তাৰ পাছতো কেইবাদিনো খুৰাৰ সমুখত পৰি এনে অৱস্থা হৈছে। অতি কৰুণ মিনতি লৈ গৌৰীৰ মুখলৈ চালো, কিন্তু নিষ্ঠুৰা গৌৰীৰ অলপো দয়া নহ'ল। হাঁহিত উজ্জ্বল হৈ উঠা মুখখনৰপৰা মাথোঁ এটা অস্ফুট শব্দ আহিল— "এতিয়া কেনে?"

এঘণ্টাৰো ওপৰ খুৰাৰ লগত বহি যন্ত্ৰণা ভোগ কৰিছো। খুৰা কিন্তু ইমানতো তৃপ্ত নহয়। ওচৰৰ কোঠাৰপৰা কাৰোবাৰ অস্ফুট হাঁহিৰ গুঞ্জন কাণত পৰিছেহি; সেয়া নিশ্চয় উমা আৰু গৌৰী। মোৰ এই নিৰুপায় অৱস্থা দেখি যে খুব উপভোগ কৰিছে তাত সন্দেহ নাই। লাহে লাহে অসহ্য হৈ উঠিছো, খুৰাই কিন্তু নেৰে। শেষত আন একো উপায় নেদেখি, কেইবাৰমান 'উস্' 'আস্' কৰি হঠাৎ এবাৰ সমুখৰ পাশাৰ ঢালৰ ওপৰতে ঢলি পৰি চিঞৰি উঠিলো, "উস্ নবৌ মৰিলো.."

"কি হ'ল? কি হ'ল?" খুৰাই ব্যস্ত হৈ সুধিলে। কেঁকাই গেঁথাই কলো, "উস্ পেট...."

"পেট? কি পেট?"

"ওঁ পেট! পেটটো ভয়ংকৰ কামুৰিছে উস্... আইও নবৌ!"

ওচৰৰ কোঠাৰপৰা উমা আৰু গৌৰী সোমাই আহিল— "কি হ'ল চন্দন? পেট কামুৰিছে? আই-ঐ দেহি, চাওঁ চাওঁ...."

গৌৰী উমা দুয়ো হাঁহিছে। খুৰাই ঠিক ধৰিব নোৱাৰিলেও মোক যাবলৈ এৰি নিদি উমাক এবাটি নেমুটেঙাৰ চৰ্বত আনিবলৈ ক'লে। কিন্তু গৌৰীয়ে উমাক বাধা দি কৈ উঠিল— "তুমি ওচৰত থাকা নবৌ, ময়ে আনি দিওঁ...."

গৌৰী গ'ল আৰু অলপ সময় পাছতে চৰ্বত বাটি লৈ ওচৰত থিয় দিলেহি। মই উঠি অতি আগ্ৰহেৰে গৌৰীৰ হাতৰপৰা বাটিটো লৈ এঢোক খোৱাৰ লগে লগেই কিন্তু বিশ্বব্ৰহ্মাণ্ড চকুৰ সমুখত আন্ধাৰ দেখিলো। ডিঙিটো হাতেৰে চেপা মাৰি ধৰি প্ৰাণপণ শক্তিৰে আকৌ চিঞৰিলো— "নবৌ বিহ বিহ, মৰিলো...."

বাটিটো পেলোৱাৰ আগতেই গৌৰীয়ে কাঢ়ি নি প্ৰতিবাদ কৰিলে— "মিছা কথা খুৰাদেউ, আচলতে এয়া খাবৰ মন নাই, আৰু পেটো কামোৰা নাই। যদি সঁচাই কামুৰি থাকে এইখিনি খালেই ভাল হৈ যাব, খাবলৈ কওক..."

গৌৰীয়ে বাটিটো খুৰাক দেখুৱালে— ওপৰত নেমুটেঙাৰ গুটি দুটামান ভাহি আছে সঁচা, কিন্তু আচলতে সেই গোটেই বাটিতেই নিম পাতৰ ৰস, তাৰ লগত প্ৰায় আধাবাটিমান লোণ দি গুলি আনিছে- দেখিছো গৌৰীয়ে মোক শেষ কৰো বুলিয়েই লাগিছে, বাকীখিনিও খুৱাইহে এৰিব।

Scanned with CamScanner

খুৰাই খাবলৈ কোৰাৰ আগতেই কলো, "আৰু নালাগে খুৰাদেউ; মোৰ ভাল হৈ গ'ল..."

"বাৰু বাৰু, ভাল হৈ গ'ল যদি ভালকৈ উঠি বহ। সেইবোৰ লৈ যা মোৰ আই, আকৌ যদি দৰকাৰ হয় দিবি... আমি পুনৰ নতুনকৈ খেলখন আৰম্ভ কৰো..."

খুৰাৰ কথাত গতি বিষম দেখি আকৌ পেটত হেঁচা মাৰি ধৰিলো—

"উস্..."

"কি হ'ল? ভাল পোৱা নাই?"

"বোধকৰো নাই পোৱা... মই অলপ শোওঁগৈ খুৰাদেউ।"

উঠি যোৱাৰ আগতেই খুৰাই ধৰিলেহি। গৌৰীও ওচৰ চাপি আহি ক'লে— "এইখিনি খাই লৈ শুলেই বেছি ভাল হ'ব- খুৰাদেউ আপুনি কওক আকৌ, নহ'লে যে মোৰ কথা নুশুনে-"

খুৰাই খাবলৈ হুকুম কৰিলে। বাটিটো পেলাই দিওঁ বুলি গৌৰীয়ে সম্পূৰ্ণ এৰি নিদি নিজেই মোৰ মুখৰ আগত ধৰিলেহি। বাধ্য হৈ আৰু এঢোক চকু মুদি গিলিলো... গোটেই নেলুটো জ্বলি গ'ল। ছল বুজি গৌৰীৰ হাতৰপৰা বাটিটো একটীয়াকৈ পেলাই দি কোঠাৰপৰা দৌৰি ওলাই আহিলো; আৰু ক'তো নিৰাপদ নেদেখি ওৰে বাটটো খুৰাই খুৰাই একেবাৰে পদূলিমূৰত থকা মোৰ ঘোঁৰাজনীৰ ওপৰত উঠি বহিলোহি- উমাই পাছে পাছে চিঞৰি আহিল, "চন্দন নাযাবা! কাবৌ কৰিছো আহা! ঘূৰি আহা চন্দন!"

মই মুখেৰে নামাতিলো, ঘূৰিও নাচালো, ৰূপালীপাম এৰি খন্তেকতে ৰঙাআলিত উঠিলোহি।

।। দশম অধ্যায় ।।

চম্পাৰ সাঁথৰ

“... সোণৰ ধৰাত সোণৰ মানুহ
আশা ভৰা প্ৰাণ,
বৈতৰণীৰ পাৰত আমি
গাওঁ তাৰেই গান...।”

কোনে গায়? অতি পৰিচিত গীতৰ সুৰটো কাণত পৰাত নিজৰাৰ পদূলিমূৰতে থমকি ৰলো। জীৱন-ইতিহাসৰ পাতবোৰ ফৰ্-ফৰ্কৈ উৰি আহি মানস চকুৰ আগতে ভাঁহি উঠিল তাৰ প্ৰথমছোৱা।

বকুলপুৰৰ নিৰ্জন ধুনীয়া হাবিডৰাৰ মাজত থকা সৰু এটা জলপ্ৰপাত....। বিৰাট দুৰ্ঘোৰ ক'লা দুছটা শিলৰ ওপৰেদি বৈ অহা ৰূপোৱালী এধাৰ পানীৰ মালা- ঠিক যেন ক'লা মেঘৰ বুকুত জিলিকি থকা অনন্ত বিজুলীৰ এডাল সৰল ৰেখা। .....কৈশোৰৰ কোমল চকুত সিয়েই আছিল বৰ ডাঙৰ। নাম দিছিলো তাৰ বৈতৰণী! সেই বৈতৰণীৰ পাৰত নিতৌ দুপৰীয়া শুকুলাই ঘাঁহ খাই চৰি ফুৰে। শিল দুছটাৰ ওপৰত মই আৰু চম্পা। চম্পাৰ কোঁচত একোঁচ বনৰীয়া ফুল-তাৰে এপাহ এপাহ পানীত এৰি দিওঁ। লাহে লাহে সি উটি যায় দূৰলৈ.... বহুত দূৰলৈ, আৰু লগে লগে উটি যায় আমাৰ দুয়োৰে অতি হেঁপাহৰ সেই গীতৰ সুৰ....

“সোণৰ ধৰাত সোণৰ মানুহ
আশা ভৰা প্ৰাণ....”

আজি বৈতৰণী ওচৰত নাই। কৈশোৰৰ সেই মধুময় দিনবোৰ কেতিয়াবাই অতীতৰ বুকুত ঢাক খাই গৈছে। কিন্তু চম্পাৰ গীতৰ সুৰে মাতি আনিছে সেই হেৰাই যোৱা কৈশোৰৰ সুমধুৰ স্মৃতি।

সোমাই আহি দেখিলো, ভিতৰ চোতালৰ পিৰালিত বহি চম্পা-চম্পাৰ কোঁচত সেয়া বনৰীয়া ফুল নহয়, একোঁচ ধান। গীতৰ মাজে মাজে এমুঠিকৈ চোতাললৈ ছটিয়াই দিছে। গোটেই চোতাল জুৰি আছে অজস্ৰ পাৰ চৰাই। চম্পাৰ চাৰিওকাষে

কেইবাটাও সৰু-বৰ বাঁহৰ সজা- এটাত এহাল ভাটৌ, এটাত গোটাদিয়েক মইনা চৰাই, বাকীবোৰত সৰু-বৰ, জনা নজনা, নানা জাতৰ, নানান ৰঙৰ চৰাই। চোতালৰ এমূৰে শিলেৰে বন্ধা কৃত্ৰিম সৰু পাহাৰ এটাৰ গাঁতে গাঁতে ভালেমান শহাপহু। বিপৰীত ফালে মান ভঞ্জনৰ ৰাধা-কৃষ্ণৰূপী এহাল বৰ ধুনীয়া ম'ৰা চৰাই। দূৰৰ পুখুৰীটোৰ পাৰত এজাক গাখীৰৰ দৰে বগা ৰাজহাঁহ, গোটাদিয়েক পানীত।

চম্পাৰ সম্পূৰ্ণ গৃহস্থালিখন এবাৰ চকু ফুৰাই চাই ললো। এই পক্ষী জগতৰ মাজত চম্পাৰ মনটোও ডৌকা মেলি উৰি গীতৰ সুৰত মাতি আনিছে কৈশোৰ স্মৃতিৰে ভৰা আমাৰ মধুৰ দিনবোৰ। চম্পাৰ মাতটো বৰ মিঠা, শুনি থাকিবৰ মন যায়।

শাৰী পূৰাই চম্পাৰ ওচৰতে বহি পৰিলো। অলপকৈ হাঁহি ইংগিতেৰে হুকুম কৰিলে 'গোৱা।'

গীতৰ শেষত চম্পাৰ মুখলৈ একেথৰে বহুত পৰ চালো। নিজৰ গাটোত এবাৰ চকু ফুৰাই চম্পাই প্ৰশ্ন কৰিলে, "কি চাইছা ইমান।"

চম্পাৰ গাত অতি সাধাৰণ পোছাক। ....অলপ অসংযত মুগাৰ মেখেলাখন গধূলিৰ শেষ পোহৰকণ পৰি চিক্‌মিক্ কৰিছে। ৰঙা আঁচুৰ ৰিহাখনৰ আগ এটা কঁকালৰ খোচনিৰপৰা মুক্ত হৈ মুক্তিৰ আনন্দত চঞ্চল। বাউসীলৈকে উদং চোলাটোৰ বহল ডিঙিটো পিঠিৰ ফালে বেছিকৈ হাউলি পৰিছে। শুভ্ৰ কোমল ডিঙিৰ তলতে তন্দ্ৰাৰ আবেশত মুকুতা মণিধাৰ নিশ্চল হৈ পৰি আছে। পাছফালে গল্‌ধনৰ ওপৰত ভাগি পৰা খোপাটো, তললৈ মূৰ কৰি ওলমি থকা তাৰ ফুলকেইপাহ, 'এই পৰে, এই পৰে' ভাবত। কপালৰ ওপৰত অবাধ্য চুলিৰ আগ এডাল, বাৰে বাৰে স্থানচ্যুত হৈ চম্পাক আমনি কৰিছে।

"কি চাইছা ইমান?"

"তোক- ইমান ধুনীয়া তই কেতিয়া হলি চম্পা?"

খন্তেক অবাক হৈ মোৰ মুখলৈ চাই পাছ মুহূৰ্তত চম্পাই মুক্তকণ্ঠে হাঁহি উঠিল, "হয় নেকি? আই-ঐ দেহি মোক ইমান দিন কোৱা নাছিলা কেলৈ...?"

"কোৱাৰ একো প্ৰয়োজন নাছিল-"

"আজি বা হঠাৎ প্ৰয়োজনটো কেলৈ হ'ল?"

"প্ৰয়োজন বুলি নহয় এনেয়ে মন গ'ল-"

"মন গ'ল? ওঁহো, লক্ষণটো ভাল নহয়..... মই ইমান দিন কুৰূপা আছিলো, আজি হঠাৎ তোমাৰ চকুত ধুনীয়া হৈ উঠিলো..."

Scanned with CamScanner

মনটোৰ লগে লগে শৰীৰটোও যে চঞ্চল হৈ উঠিছে ক'ব পৰা নাছিলো। শান্তিৰে বহি থাকিবলৈ টান পাইছো। গৌৰীৰ ওচৰত আজি বাৰে বাৰে হাৰি গলো; তথাপি মনতে ভাব হৈছে যেন ময়েই জিকিলো। ভাবি নাপাওঁ দেখাদেখি হ'লেই দুয়ো দুয়োকো নিষ্ঠুৰভাৱে আক্ৰমণ কৰো কিয়। শত্ৰুক জব্দ কৰি পোৱা তৃপ্তি আনন্দৰ কাৰণেই ইমান উৎসাহ? নে অন্তৰৰ অন্তৰতম প্ৰদেশত থকা সুকীয়া সত্তাক দাবী কৰাৰ দ্ব্যৰ্থক প্ৰকাশ?

চম্পাই মোৰ ফালে তীক্ষ্ণভাৱে চাইছে। ওঁঠত খেলি থকা দুষ্ট হাঁহিটোৰ তীব্ৰতা সহ্য কৰিব নোৱাৰি একো নভবাকৈয়ে হঠাৎ কলো— "চম্পা, এবাটি খোৱা পানী আনচোন!"

হাঁহিটো ওঁঠত লৈয়ে চম্পাই লাহেকৈ সুধিলে— "সঁচাই পিয়াহ লাগিছে..."

"নাই লগা-"

"তেন্তে?"

"বোধকৰো গৰম হে লাগিছে.. বিচনী এখনকে আন-"

"বিচনী? ইমান জাৰত? সঁচাই কোৱাচোন কি লাগে?"

একো উত্তৰ বিচাৰি নাপাই মনে মনে থাকিলো। চম্পাই মোৰ গাতে আঁউজি কাণৰ কাষলৈ মুখখন নি ফুচফুচাই সুধিলে— "ঠিক কৰিব পৰা নাই নহয়, কি লাগে? ...থাওক বাৰু আচলতে তোমাকতো আৰু সেইবোৰ একো নালাগে। দেখিছো তোমাৰ একেবাৰে শেষ অৱস্থা.... কিন্তু কোৱাচোন মোক, হঠাতে আজি তোমাক কিহে পালে?"

"জানো ক'ব পৰা নাই কিহে-"

"মই পাৰো ক'মনে কিহে?"

"ক-"

"তোমাক আজি ভূতে পাইছে-"

উচাপ খাই উঠাৰ ভাও ধৰি প্ৰশ্ন কৰিলো— "ভূতে? কি ভূত?"

প্ৰশ্ন কৰিলো— “নতুন আমদানি?”

“ভুল, তোমাৰ একেবাৰে ভুল, সি পুৰণা অনাদি কালৰ পুৰণা, মাথোঁ নতুনকৈ তাৰ আৱিৰ্ভাব। পুৱাৰ আকাশৰ দৰে সদায়ে নতুন- সদায়েই পুৰণা। পুৰণা আকাশত নতুনকৈ গজি উঠা গধূলিৰ তৰাবোৰৰ দৰে সদায়েই নতুন, অথচ চিৰকালৰ পুৰণা। সেই অতি পুৰণা ভূতেই পৃথিৱীৰ জন্মৰেপৰা প্ৰতিটো মানুহৰ জীৱনত নতুন কৰি আৱিৰ্ভাব হয়, ঠিক আজি তোমাৰ জীৱনলৈ সি যেনেকৈ আহিছে...”

হাঁহি কলো— “কিন্তু ভূতে পোৱা যেনতো নিজক লগা নাই চম্পা?”

“নালাগিবৰে কথা-জোনবাইৰ পোহৰ পাই জাপ খাই থকা কুবলয়ৰ সুপ্ত পাপৰি কিয় যে উন্মুক্ত হৈ যায়, তাকতো আৰু সি নুবুজে যে তাক সেই ভূতেই পাইছে... অৱশ্যে দিনৰ পোহৰৰ দৰে সি স্পষ্ট নহয়। জোনাকৰ দৰে সি সদায়ে অস্পষ্ট কিন্তু সুন্দৰ-”

“বাৰু তোৰ কথা মানিলো, কিন্তু মানুহৰ অন্তৰৰ সেই পৱিত্ৰ, সুন্দৰ, নিৰ্মল অনুভূতিটোক এনেকুৱা এটা অপৱিত্ৰ নাম দিলি কেলৈ?”

চম্পাই হাঁহি উত্তৰ দিলে— “ভূত নাম থোৱাত তুমি বেয়া পাইছা নহয়? কিন্তু দাদা, পাহৰি গৈছা কিয়, ৰূপালী আধলিটোৰ দুয়ো পিঠিত যে আন্ধাৰ আৰু পোহৰ দুটা বিপৰীত অৱস্থা ওচৰা-উচৰি হৈ আছে। তাৰ এটাৰো ওপৰততো তোমাৰ, মোৰ বা আন কোনো মানুহৰে জোৰ নাথাকে। তাৰে যি কোনো এটাই যে আমাৰ জীৱনলৈকো আহিব পাৰে; যদি সি পোহৰ ভাগ নহৈ, আন্ধাৰ ভাগ হয়, তেতিয়া?”

অলপ সময় মনে মনে থাকি কলো, “ঠিকেই কৈছ চম্পা, তেতিয়াৰ সেই অৱস্থা ভূতে পোৱাৰ লগতে তুলনা কৰিব পাৰি। কিন্তু মোক এটা কথা কচোন....। তাৰ লগত তোৰ পৰিচয় কেনেকৈ হ'ল-?”

“যিহেতু ময়ো যে এই পৃথিৱীৰে মানুহ, মোৰ জীৱনতো যে তাৰ আৱিৰ্ভাব হ'ব পাৰে তাক...”

চম্পা ৰৈ গ'ল....। হঠাৎ, ক'ব নোখোজা কথাখিনিও যেন ভুলতে মুখ ফুটি ওলাই আহিল। আচৰিত হৈ চম্পাৰ মুখলৈ চালো, কিন্তু তাৰ আগতেই চম্পাই নিজক সংযত কৰি আগৰ দৰেই হাঁহি ক'লে- “কিয়? তুমি জানো পাহৰি গৈছিলা, যে ময়ো মানুহ..।”

চম্পাৰ মুখলৈ চাই মই বুজিব নোৱাৰো চম্পাই ধেমালি কৰেনে সঁচা কথাই

কয়? সুধিলো “বাৰু মানিলো- পিছে ৰূপোৱালী আধলিটোৰ কোনটো ভাগ তই পালি চম্পা?”

“এটাও নাপালো-”

“কিয়? এইমাত্র ক'লি দেখোন তোৰ জীৱনতো তাৰ আৱিৰ্ভাব হৈছিল, তেন্তে এটাও নোপোৱাৰ কাৰণ?”

“কাৰণ অলপ অদ্ভুতভাৱেই সি মোৰ ওচৰলৈ আহিছিল। ...উগ্র উত্তেজনাত প্ৰথম প্ৰথম ভাবিছিলো আধলিটোৰ পোহৰভাগেই পাইছো- বৰ আনন্দ হৈছিল; কিন্তু অলপ থিৰ হৈ চালো। দেখিলো পোহৰভাগ নহয়, আন্ধাৰ ভাগ হে... বৰ দুখ হ'ল- গোসাঁই-ঘৰলৈ দৌৰি গৈ দীঘলদি পৰিলো- তাত ত্ৰিভংগ মূৰতি মুৰলীধৰক সুধিলো— “ভগৱান কিয় এনে হ'ল? মই ক'ত ভুল কৰিলো? মইতো বিচৰা নাছিলো, কিয় মোৰ ভাগত আন্ধাৰ ভাগ পৰিল....?”

মুৰলীধৰে হাঁহি মাৰি মোক ক'লে— “চম্পা শুন, তই বৰ উত্তেজিত হৈ আছ সেইদেখি ভালকৈ দেখা নাই, আকৌ চা, -ভালকৈ চাই তেতিয়াহে দেখিলো...”

ব্যগ্র হৈ সুধিলো— “কি দেখিলি?”

“দেখিলো আধলিটোৰ দুয়োটা পিঠিয়েই মোৰপৰা সমান আঁতৰত।”

“তাৰমানে?”

“মানে সি চেপেটা হৈ নপৰি থিয় হৈ থাকিলে... অকল থকাই নহয়, জগন্নাথৰ ৰথৰ চকৰীটোৰ দৰে সি মোৰ বুকুত ইমূৰৰপৰা সিমূৰলৈকে পৰম আনন্দত ঘূৰি ঘূৰি ফুৰিছে-”

আকৌ প্ৰশ্ন কৰিলো- “তাৰ তলত কি লিখা আছে?”

“লিখা স্থানৰ বৰ অভাৱ, গতিকে একো নাই, চিৰশূন্য...”

“শূন্য? কিন্তু শূন্য যে সীমাহীন চম্পা! আৰু ঘূৰি থকা চকৰীটোৱে যে তোৰ কোমল বুকুত দাগ কাটি যাব! তোৰ কষ্ট নহয়?”

“প্ৰথম প্ৰথম হৈছিল এতিয়া আৰু গাড়ীৰ ‘লিকৰ’ দৰে হৈ পৰিছে, তাৰ আৰু নতুন দাগ নপৰে- অভ্যাস হৈ গৈছে দেখি আৰু কষ্টও নহয় অলপো...”

চম্পাৰ হাতত ধৰি মিনতি কৰিলো- “চম্পা কাবৌ কৰিছো, আৰু সাঁথৰ নহয়, মোক সকলো স্পষ্ট কৰি কচোন-”

চম্পাই হাঁহি উত্তৰ দিলে— “তুমিও ভাল দাদা, যিটো বস্তুৰ অস্তিত্বই অস্পষ্ট তাক বাৰু মই কেনেকৈ স্পষ্ট কৰি কওঁ...”

“তথাপি-”

“শুনা তেন্তে... আন্ধাৰ বাটে বাটে মই অকলে গৈ আছিলো, হঠাৎ দেখিলো

দূৰৈত এটা সোণ-ৰূপ, মণি-মুকুতাৰে সজা বিৰাট প্ৰাসাদ। তাত হাজাৰ হাজাৰ বন্তি জ্বলি গোটেই প্ৰাসাদটোৱেই আন্ধাৰৰ মাজত তিৰ্‌বিৰ্ কৰি জিলিকি আছে। সোমাবৰ বৰ মন গ'ল, তোমাৰো গ'লহেঁতেন.... কিন্তু প্ৰাসাদলৈ যোৱাৰ মাথোঁ দুটা বাট। আগ্ৰহৰ আতিশয্যত উচিত বাটটো এৰি ললো ভুল বাটটো। প্ৰাসাদ সোমাব লাগিছিল সমুখৰ দুৱাৰে, মই সোমালো পাছ দুৱাৰেৰে। গতিকে প্ৰাসাদৰ ভিতৰত প্ৰতিটো বস্তুৰে দেখিলো কুৎসিত পাছফালবোৰ। নিজৰ ভুলত বঞ্চিত হ'লো সমুখৰ সকলো সৌন্দৰ্যৰপৰা... আকৌ মুৰলীধৰৰ ওচৰ পালোহি। মুৰলীধৰে ক'লে 'সেই প্ৰাসাদ মোৰ কাৰণে নহয়'- বুজিলা?''

ক'বলৈ বাধ্য হলো— ''এইবাৰো নুবুজিলো চম্পা-!''

''কিয়? শুনা তেন্তে, আৰু সহজ কৰি কওঁ, জীৱন পথত আগবাঢ়ি গৈ আছিলো, বোধকৰো তোমাৰ দৰেই চকু মেলি শুই শুই। কিন্তু হঠাৎ এটি সোণালী পুৱা সাৰ পাই উঠি দেখো, পৃথিৱীখন ৰঙীণ সপোনেৰে ভৰা, যিফালেই চকু ফুৰাই চাওঁ সেইফালেই সজীৱ-নিৰ্জীৱ প্ৰত্যেকটো বস্তুৱেই দেখো অতি ধুনীয়া, অতি মনোমোহা... সৰি পৰা শেৱালি, তলত এটা এটাকৈ প্ৰতিপাহ ফুল কোঁচত বুটলি লৈছো। ....শুনিবলৈ পালো ওচৰৰ মন্দিৰৰপৰা উঠি অহা বীণাৰ স্বৰ্গীয় সুললিত ঝঙ্কাৰ- নিচা লাগিল। প্ৰথম যৌৱনৰ উগ্ৰ নিচাত মতলীয়া হৈ মন্দিৰলৈ দৌৰ দিলো। মন্দিৰৰ দুৱাৰ ডলিত চঞ্চল উত্তেজনাৰে দুৱাৰত ঢকা দিলো- ভুল হৈ গ'ল... দুৱাৰখন টানি খোলে, মই কিন্তু হেঁচা দিলো। গতিকে মোৰ অসাৱধানতাৰ কাৰণে দুৱাৰৰ ভিতৰ ফালৰ খিলিটো পৰিগৈ দুৱাৰখন হৈ গ'ল সম্পূৰ্ণ বন্ধ। মন্দিৰৰ দুৱাৰ সেই একেখনেই, পৰিণামত চিৰদিনৰ কাৰণে মই ৰৈ গলো মন্দিৰৰ বাহিৰত। কি কৰিম! চকুলো টুকি টুকি আকৌ উভতি আহিলো সেই অগতিৰ গতি মুৰলীধৰৰ ওচৰলৈ, কোঁচৰ ফুলখিনি মুৰলীধৰৰ চৰণতে ঢালি দি মুখলৈ চালো। মুৰলীধৰে হাঁহি ক'লে— 'চম্পা তোৰ চকুত পানী? কিন্তু তই ভুল কৰিছ, ভালকৈ শুনচোন বীণ ক'ত বাজিছে।' অলপ পাছতে বুজিলো। মোৰ ভুলৰ প্ৰায়শ্চিত্ত কৰিবৰ একমাত্ৰ পথ, সেই বীণৰ সুৰৰ মাজত চিৰদিনলৈ নিজক ডুবাই ৰখা, সি যে মুৰলীধৰৰ মুৰলীৰপৰাই ওলাইছে। মোৰ মুখ লাহে লাহে উজ্জ্বল হৈ উঠিল- মুৰলীধৰে আকৌ ক'লে 'চম্পা, ৰূপোৱালী আধলিটো পৃথিৱীত চন্দন, গৌৰী, উমাৰ দৰে সাধাৰণ মানুহৰ কাৰণেই, তোৰ দৰে অসাধাৰণ জীৱনৰ কাৰণে নহয়...''

হাঁহি হাঁহি চম্পাই কথাবোৰ ক'লে, মই কিন্তু হাঁহিব নোৱাৰিলো। মোৰ মুখৰ

Scanned with CamScanner

ভাব দেখি তাই কথাবোৰ উৰাই দিয়াৰ ভাৱতে ক'লে— 'তুমিও ভাল দাদা! মই কোৱা কথাবোৰ যে মনে গঢ়া সাধুকথা তাকো বুজা নাইনে?''

সঁচাই, চম্পাৰ কথাবোৰৰ দৰে তায়ো মোৰ চকুত এটা জীৱন্ত সাঁথৰ- মোৰ সাধ্য নাই এই হাঁহি থকা চম্পাৰ আন এটা মূৰ্তি কল্পনা কৰো। তথাপি সন্দেহ হয়, এই চম্পাৰ মাজত আৰু এজনী চম্পাৰ উপস্থিতি। সি চম্পাৰ নিজস্ব আন এখন জগতত। য'ত হয়তো চম্পা একেবাৰে অকলশৰীয়া, বোধকৰো একমাত্ৰ মুৰলীধৰৰ বাহিৰে।

অতি মৰমেৰে তাইক সুধিলো— ''বাৰু চম্পা, সঁচা কথা কচোন, তোৰ মনত একো দুখ নাই...?''

হাঁহিত তাই ফাটি পৰিল— ''মোক নকন্দুৱাবা দাদা! তোমাক গৌৰীয়ে নিশ্চয় বলিয়া কৰিলে, নহ'লে কমল-নগৰৰ চম্পাক কোনেও দুখ থকা বুলি নকয়, ক'ব নোৱাৰে, ভাবিবও নোৱাৰে। সকলোৱে জানে কমল-নগৰৰ আটাইতকৈ সুখী প্ৰাণীটি হৈছে চম্পা। চম্পাই হাঁহিলে কমল-নগৰৰ সকলোৱে হাঁহে। চম্পাৰ মাতত, চম্পাৰ কথাত, চম্পা যি বাটে যায় তাৰ চাৰিওফালে উঠে হাঁহিৰ তুফান- দুখ কৰিবৰ সময় ক'ত? বাৰু তোমাৰতো কোনো দুখ নাই, তেন্তে হাঁহাচোন ঠিক মোৰ দৰে? প্ৰাণ খুলি! পাৰিবা?''

চম্পাৰ চকুত দুফোঁট পানী।

"হাঁহিৰে সুখক প্ৰমাণ কৰে সঁচা, আৰু তোৰ দৰে কোনেও চকুৰ পানী ওলোৱাকৈ হাঁহিবও নাজানে সিও সঁচা চম্পা! আমিও হাঁহো কিন্তু তোৰ হাঁহিৰ ওচৰত সি তোৰ হাঁহিৰেই প্ৰতিধ্বনি যেন লাগে। সেই বুলি তাত গৰ্ব কৰিবৰ কিটো আছে? সি হয়তো তোৰ মাতটো বৰ মিঠা দেখি। কিন্তু তোৰ হাঁহিৰ তলত মনৰ আচল কথাটো ঢাকি ৰাখি আমাক ফাঁকি দিবি কেনেকৈ? সেই হাঁহিত বোধকৰো বিষাদৰ প্ৰলেপ আছে দেখিয়েই সি শুনিবলৈ হয় ইমান মিঠা?"

"তোমাৰ মূৰ..." মোক বাধা দি চম্পাই কৈ উঠিল— "মোৰ দৰে সাজি কথা ক'ব নাজানা যদি কোৱা কেলৈ? আৰু কিয় তুমি সন্দেহ কৰিছা... বনৰীয়া পখী, -ভুল কৰি বন্দী হলো সোণৰ সজাত। ভৰিত মোৰ ৰূপৰ শিকলিৰ বন্ধন। মুক্তি বিচাৰিলো- মুৰলীধৰে মোক মুক্ত কৰিলে ছিন্ন কৰি ৰূপৰ শিকলি। তাৰে এডোখৰ বৈ গ'ল ভৰিৰ লগত। সময়ে সময়ে সি মোক সোঁৱৰাই দিয়ে মোৰ বন্দী জীৱনৰ কথা। কিন্তু দাদা সি মোৰ দুখৰ শিকলি নহৈ সুখৰ নূপুৰোতো হ'ব পাৰে..."

"এইবোৰো তোৰ মনে গঢ়া সাধু কথা?"

Scanned with CamScanner

"নিশ্চয়, তুমি কি বুলি ভাবিছা?"

মই কি বুলি ভাবিছো চম্পাক ক'ব নোৱাৰিলো। ....ভাবিছো কোন আহিছিল চম্পাৰ জীৱনলৈ? কাক চম্পাই পায়ো হেৰুৱালে? ভুল বাটেৰে গৈ চম্পাই কাক বিচাৰিছিল?

এদিনৰ কথাকেইযাৰ বাৰে বাৰে মনত পৰে। চম্পাই কৈছিল "মই যে তোমাৰ ভনী হওঁ দাদা, নহ'লে কোনো গৌৰীক তোমাৰ ওচৰলৈ আহিবলৈ নিদিলোহেঁতেন.."

ইও কি চম্পাৰ মনে গঢ়া সাধুকথা? চম্পাক সুধিলে কি উত্তৰ দিব? মাজে মাজে সন্দেহ হয়, কিন্তু কি জানো সম্ভৱ? চম্পাই হয়তো মোক লাজ দি ক'ব, "তুমিও ভাল দাদা! জানাই নহয়, তুমি মোৰ বৰ মৰমৰ, সেইবুলি তোমাকতো মই আৰু তেনেকৈ বিচাৰিব নোৱাৰো- নিবিচাৰোও; কিন্তু যেতিয়া দেখো তোমাক আন এজনে মোৰ ওচৰৰপৰা কাঢ়ি নিব খুজিছে, তেতিয়া ভয় হয় তুমি জানোচা মোৰ পৰ হৈ যোৱা...."

ভাবি ভয় লাগে। সন্দেহ হয়, চম্পাই ঠিক তাকেই ক'লেহেঁতেননে?

মোক আৰু ভাবিবলৈ সময় নিদি তাই কৈ উঠিল— "কি হ'ল? কি ভাবিছা ইমান? দেখিছো তুমি অলপো ধেমালি নুবুজা দাদা! ভগৱানে মানুহৰ মুখ দিছে, গোটেই জীৱন ভৰি কথা ক'বলৈ, হাঁহিবলৈ, মাজে মাজে কান্দিবলৈ, কিন্তু তুমি যদি তাৰ প্ৰত্যেকটোকে ওজন কৰি মূল্য দিবলৈ যোৱা বৰ ঠগ্ খাবা হ'লে..."

ভাবিলো, ঠিকেইতো, মই যি ভাবিছো সি হয়তো ভুল, চম্পাৰ কথাত হয়তো বেছি মূল্য দিছো-

কৌতুক-হাঁহিৰে উপচি থকা চম্পাৰ ধুনীয়া মুখখনলৈ চালো। ...সাঁথৰ সাঁথৰ হৈয়ে থাকি গ'ল- সান্ত্বনা দিলো মনক- চম্পা অতি বুদ্ধিমতী, তাই ইমান ডাঙৰ ভুল এটা কেতিয়াও নকৰে।

অলপ সময় মনে মনে থকাৰ পাছত হঠাৎ এবাৰ চম্পাই জাঁপ মাৰি উঠিল- "ইস...চোৱাচোন সন্ধ্যা লাগিল, গোসাঁইঘৰত চাকি দিবৰ হ'ল, অথচ মই তোমাৰ.."

চম্পা ছিটিকি মোৰ ওচৰৰপৰা আঁতৰি গ'ল...

ঘৰৰ পিৰালিত বহি মই চম্পাৰ প্ৰতিটো খোজ অনুসৰণ কৰিছো। এটা এটাকৈ চম্পাই নিজৰ গৃহস্থালিৰ প্ৰাণীবোৰক নিপুণ হাতেৰে নিজৰ নিজৰ ঠাইত তুলি থলে। দুই-এটাক ডবিয়ালে, দুটা-এটাক আদৰ কৰিলে, দুই-এটাক বেলেগ বেলেগ নামেৰে মাতিলে।

সুধিলো, "সিহঁতৰ একো একোটা নাম থৈছ নেকি।"

"নিশ্চয়-"

Scanned with CamScanner

"গোটেইবোৰৰে-"

....মনে মনে লিখি চালো, সিহঁতৰ সংখ্যা শৰো ওপৰত।

"ইমানবোৰ নাম, মনত থাকে কেনেকৈ?"

"কিয়? মোৰ হে নালাগে সিহঁতেও জানে কাৰ কি নাম-"

"মোৰ বিশ্বাস নহয়-"

"সঁচাই নে? তেনে চোৱা...." চম্পাই কেইটামান নাম মাতি গ'ল আৰু মই চাই থাকোঁতেই উক্ত নামৰ গৰাকীবোৰ উৰি আহি তাইৰ গাত পৰিলেহি— বিজয়ীৰ গৌৰৱ লৈ তাই মোৰ ফালে চাই হাঁহি ক'লে, "এতিয়া বিশ্বাস হ'লনে? কিন্তু চোৱাচোন মোৰ কথাবোৰ অবিশ্বাস কৰিলে কেনেকৈ মোৰ কাম দুগুণ বাঢ়ে-"

'কথাবোৰ'? তাইৰ পকোৱা কথাবোৰলৈ কাণ নকৰি ভাবিলো, চম্পাক অকল মানুহেই নহয় পশু-পক্ষীয়েও ভাল পায়। শহাবোৰৰ ওচৰলৈ গৈ তাৰে এটাক কোলাত তুলি লৈ মোক সুধিলে "এইৰ নাম কি ৰাখিছো জানা?"

"নক'লে কেনেকৈ জানিমনো?"

"বেয়া নেপাবা দেই, এইৰ নাম ৰাখিছো গৌৰী-"

প্ৰশ্ন কৰিলো— "কিয় বা?"

তাইৰ পিঠিত হাত বুলাই বুলাই ক'লে— "কাৰণ এই বেটীৰ বৰ ভেম। কোলাত বহুৱাই মৰম কৰি নুখুৱালে নাখায় একো আৰু তানে খুৱালেও নহয়, মই বান্দীয়েহে খুৱাব লাগে..." আলফুলকৈ শহাজনীক তাইৰ গাঁতত নমাই থৈ চম্পাই ক'লে— "এইবাৰ শুই থকা দেই ৰাজকুঁৱৰী, মই সোণকালেই তোমাৰ ৰাজকোঁৱৰৰ ব্যৱস্থা কৰিম!"

ধেমালি কৰি সুধিলো— "ৰাজকুঁৱৰী গৌৰীক যেনিবা দেখিলো, কিন্তু ৰাজৰাণী চম্পা কোনগৰাকী?"

ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ লগে লগেই চম্পাই কৈ গ'ল, "সেয়া, আকৌ ভুল কৰিলা তুমি! ইহঁতৰ মাজত চম্পাক পাবা কেনেকৈ? চম্পাৰ জন্ম ইহঁতৰ

আইদেউতাই সাধুকথাৰ অফুৰন্ত ভাণ্ডাৰ খুলি সোধে— “কোনটো সাধু?” মই কওঁ তিনিমূৰীয়া দৈত্যৰ। চম্পাই মোক বাধা দি কয়— “নহয়” সেই সপোনপুৰীতে ৰাজকুঁৱৰী বন্দী হোৱাটো-।

অসংলগ্ন ভাববোৰ মনৰ দাপোণত এটা এটাকৈ প্ৰতিফলিত হৈ আকৌ আঁতৰি গৈছে। পশ্চিম আকাশৰ ফালে চালো— অস্তগামী সূৰুযৰ শেষ ৰশ্মিকণো অলপ আগতে মাৰ গৈছে। ইমানপৰ আনৰ পোহৰত জয় পৰি থকা ম্লান তৰাটোৱে এই সুযোগ পাই উঠি পৰি প্ৰমাণ কৰিছে যে তাৰো এটা নিজস্ব মৰ্যাদা আছে। -নিজৰ দীপ্তিতে নিজেই দীপ্ত হৈ উঠিবৰ তাৰো সামৰ্থ্য আছে। বোধকৰো পূব আকাশত জোন উঠিছে, -মই দেখা নাই, কিন্তু গছৰ আগৰ পাতবোৰত তাৰ মায়াবী পৰশৰ চিন পাইছো।

আন্ধাৰ আৰু পোহৰৰ এই মিলন-সন্ধিক্ষণত হাতত বন্তি লৈ চোতালৰ এমূৰে থকা তুলসী ভেটিৰ সমুখত চম্পা। ইয়াৰ ভিতৰতে চম্পাই হাতমুখ ধুই নতুন এসাজ পৰিষ্কাৰ বগা কাপোৰ পিন্ধিছে। হাতৰ ধূনাৰ মলাৰপৰা ওপৰলৈ উৰি যোৱা সুগন্ধি ধোঁৱাৰ বা পাই, ঠাইডোখৰ হৈ পৰিছে নিৰ্মল, পবিত্ৰ- মাজে মাজে বিচি দিয়া মলাৰ জ্বলা অঙঠাৰ ৰঙা আভা, শুভ্ৰ বসন পৰিহিতা চম্পাৰ গালত পৰিছেহি।

ই এক চম্পাৰ নতুন ৰূপ- শান্ত সৌম্য লক্ষ্মী প্ৰতিমা চম্পাৰ দুয়ো কাষৰ বস্তুবোৰৰ ওপৰেদি যেন শান্তিৰ নিজৰা এটাহে বৈ গৈছে। অলপ আগতে চম্পা আছিল, চঞ্চল পানীৰ সোঁতত, বতাহত হালিজালি নাচি থকা চঞ্চল ৰক্তকমল- আৰু এতিয়া হৈ পৰিছে, ধীৰ-স্থিৰ পানীৰ সুশীতল আসনত বহি ধ্যান-মগ্না পূৰ্ণ প্ৰস্ফুটিত শুভ্ৰকমল!

গোটেই ঘৰটোৰ প্ৰতিটো কোঠাত ঘূৰি ঘূৰি চম্পাই ধূনাৰ ধোঁৱাৰ জাল সৃষ্টি কৰি, দুৱাৰডলিবোৰত পানী সিঁচি দিছে। নীলা আকাশত উৰি ফুৰা শুকুলা মেঘে বাৰে বাৰে আঁৰ কৰি দিয়া জোনৰ দৰে ধূনাৰ ধোঁৱাৰ মাজত চম্পাৰ মুখখনো মাজে মাজে আঁৰ হৈছে, আকৌ মুকলি হৈ পৰিছে।

চম্পা ইমান পৰ নিজৰ কামতে মগ্ন। এবাৰো মোক মতা নাই, এবাৰ ঘূৰিও মোৰ ফালে চোৱা নাই। নিজৰ সকলো কৰ্তব্য শেষ কৰি লৈ মোৰ ওচৰলৈ আহি মোক জোৰেৰে এটা ঠেলা মাৰিলে, “কি হ'ল? এই ভৰসন্ধিয়া পিৰালিত এনেকৈ বহি থাকিলে যে ঘৰলৈ অলক্ষ্মী আহে... চাওঁ চাওঁ, উঠা....”

ক'ব পৰা নাছিলো যে তেতিয়ালৈকে পিৰালিতে বহি আছো- তাইৰ ঠেলা

খাই উঠিবলৈ বাধ্য হলো— "চম্পাা ভয় কৰিছ কেলৈ? যিখন ঘৰে তোৰ দৰে লক্ষ্মী প্ৰতিমাৰ পৰশ পাই থাকে সেই ঘৰলৈ অলক্ষ্মী সোমাব কোন বাটে?"

"হৈছে হৈছে, এতিয়া সেইবোৰ এৰা, বৰঞ্চ ঘৰৰ ভিতৰলৈ সোমাই নিজেই প্ৰমাণ কৰি দিয়া অলক্ষ্মী কোন বাটেৰে সোমায়- একেবাৰে 'জাগ্ৰত অলক্ষ্মী'— মোৰ মুখলৈ ঘূৰি চাই হাঁহি সুধিলে— "পিছে 'দেৱী' দেখিহে নামটো 'অলক্ষ্মী' 'দেৱ' হলে কি নাম হ'ব....?"

তৎক্ষণাত কলো— "নিশ্চয় অলক্ষ্মা... কিন্তু এইবাৰ তোৰ 'জাগ্ৰত অলক্ষ্মীৰ' ঢেৰ দেৰি হ'ল চম্পা, মই ঘৰলৈ যাওঁ নহলে ঘৰ পাওঁগৈ মানে বহুত নিশা হ'ব...."

মুহূৰ্ততে চম্পাৰ মুখৰ হাঁহি মাৰ গ'ল। আচৰিত হৈ প্ৰশ্ন কৰিলে— "ঘৰলৈ মানে? বকুলপুৰলৈ....?"

ময়ো অলপ আচৰিত হৈয়ে কলো, "নহ'লে আৰু ক'লৈ?"

চম্পাই মুখেৰে একো নামাতি কিছু সময় মোৰ চকুলৈ একেথৰে চাই লৈ লাহে লাহে আনফালে মুখখন ঘূৰাই নিলে— "বেছ যোৱা... মই ভাবিছিলো আজি থাকি যাবা...."

মই কি কৰিম ভবাৰ আগতেই ভিতৰৰপৰা আইদেউতাক চিঞৰি কোৱা শুনিলো... চম্পা! চন্দন যাব খুজিছে নেকি? তাক ক আজি আৰু ঘৰলৈ যাব নালাগে-"

ব্যস্ত হৈ ক'লো— "আইদেউতা, মই যে মাক কৈ আহিবলৈ নহ'ল..."

"হৈছে হৈছে... নকৈছো মোৰ বোপাইৰ মাতৃভক্তি? এই নিশা আৰু বাটকুৰি বাই ঘৰলৈ নগ'লেও হ'ব- ইয়াতে থাক! চম্পা বৃন্দাক ক খোৱা-লোৱাৰ দিহা কৰিবলৈ..."

আইদেউতা বোধকৰো আকৌ ৰামায়ণৰ মাজত ডুবি গ'ল, কাৰণ আৰু একো নক'লে। মোৰ প্ৰতিবাদ কৰা নিৰৰ্থক। প্ৰায়ে চম্পাই বাধা দিয়া সত্ত্বেও জোৰ কৰিয়েই ইয়াত থাকি যাওঁ, আজি ঘৰত অলপ কাম আছিল।

চম্পাই আকৌ ক'লে, বেছ "যোৱা, মই ভাবিছিলো আজি তুমি থাকি যাবা।"

আমাৰ ওচৰতে যে কৰিব পাৰে, কিন্তু কোনোদিনেই কৰা নাই। আজি ভুলতে মোৰ ওচৰত কৰি পেলাইছিল, হয়তো সেই দেখিয়েই নিজকে ঠাট্টা কৰিছে।

দুয়ো আইদেউতাৰ কোঠালৈ সোমাই গলো। মই প্ৰায় আইদেউতাৰ গাৰ ওচৰতে বহি আব্দাৰ কৰিলো— "আইদেউতা, তেন্তে সাধু কোৱা।"

নাকৰ আগৰ বিট্‌চকুযোৰ কপাললৈ তুলি দি আইদেউতাই ক'লে— "বুঢ়াগৰু এতিয়া যে তই কমল-নগৰৰ বিষয়া হলি, সাধুকথা শুনাৰ জানো বয়স আৰু আছে... চাওঁ আহ-"

আইদেউতাই দুয়ো হাতৰ মাজত মোৰ মূৰটো টানি ললে। মই বুজো, মুখেৰে বুঢ়াগৰু ক'লেও আইদেউতাৰ চকুত আজিও মই আৰু চম্পা দুয়ো সেই তাহানিখনৰ শিশুৰেই হৈ আছো... পাছফালৰপৰা চম্পাই আইদেউতাৰ ডিঙিত সাৰটি ধৰি কাণৰ ওচৰলৈ মুখখন নি ফুচ্ ফুচাই সুধিলে, "পাছে আইদেউতা এইবাৰ তোমাৰ 'বুঢ়াগৰুক' সোধাচোন,. মই তেওঁলৈ কোনবিধ দানা সিজাব লাগে?"

আইদেউতায়ো চম্পাৰ দৰে একে সুৰতেই ফুচ্ ফুচাই ক'লে, "তই অন্নপূৰ্ণাই যি দানাই মুখৰ আগত তুলি ধৰিবি সিয়েই হৈ পৰিব অমৃত... চিতল মাছৰ কোলঠিখিনি আছে নহয়, তাৰে সৈতে বিলাহী বেঙেনাৰ এখন টেঙা কৰিবি- বুঢ়াগৰুৱে বৰ ভাল পায়..." চম্পা যাব খোজাত এইবেলি স্বাভাৱিক হৈ ক'লে—

"তই পাৰিবি নে নোৱাৰ? বেয়া কৰাতকৈ বৰঞ্চ বৃন্দাকে ক ৰান্ধিবলৈ-"

"সেয়া আইদেউতা; তুমি নিজেই ক'লা দেখোন, মই যিটো বস্তুৱেই হাত দিওঁ সিয়েই হৈ পৰে অমৃত... সেই দেখিয়েইতো পৰাপক্ষত ৰান্ধনি ঘৰত নোসোমাওঁ, কাৰণ ভয় হয়... এবাৰ অমৃতৰ জুতি পালে তোমাৰ বু...ৱে কিজানি মোৰ পাছ নেৰাই হয়... আৰু কি কি দাদা?"

মোৰপৰা আহাৰৰ লিষ্টিখন মুখে মুখে লৈ চম্পা ৰান্ধনি ঘৰত সোমালগৈ।

খোৱা-বোৱা শেষ কৰি যেতিয়া শোৱনি কোঠাত সোমাওঁ তেতিয়া ওচৰ-চুবুৰীয়া সকলো টোপনিত অচেতন। খিৰিকীৰে চাই দেখিলো তুলসী তলৰ বন্তিগছ তেতিয়াও টিমিক-টামাককৈ জ্বলি আছে। এইখন ঘৰত থাকিলে মই সদায়েই এই আহল-বহল কোঠা ব্যৱহাৰ কৰো। ইয়াত মোৰ কাৰণে সদায়েই এখন বিছনা থাকে।

কোঠাটোৰ ডাঙৰ ডাঙৰ খিৰিকীকেইখনৰ পৰ্দাবোৰ তুলি দি চাকিটোও নুমাই দিলো- বাহিৰত নিৰ্মল জোনাক। আকাশখনৰ ক'তো এফোঁট ডাৱৰ নাই। এচমকা জোনাক কোলাত লৈ মায়াবী বিছনাখনে মোক আহ্বান কৰিছে। ময়ো শৰীৰটোক ঢালি দিছো সেই মায়াবীৰ কোলাত।

Scanned with CamScanner

টোপনি অহা নাই- সোনকালে নাহেও। এনে এটা সুন্দৰ, স্তব্ধ শীতল জোনাকৰ কিৰণত উজ্জ্বল হৈ থকা নিশাৰ সৌন্দৰ্যৰ মাজলৈ নিদ্ৰাদেৱীক মাতি আনিবলৈ ইচ্ছা যোৱা নাই।

পিঠিৰ চুলিকোছা সমুখলৈ টানি আনি ভাগ ভাগ কৰি বেণী গুঁঠি গুঁঠি ধীৰ মন্থৰ গতিত চম্পা কোঠাটোলৈ সোমাই আহিল। ...আধা আন্ধাৰ আধা পোহৰত ডুবি থকা মায়াময় কোঠাটোত অলসভাৱে ঘূৰি ঘূৰি চম্পাই বেণী গুঁঠিছে। মুখত গুণ গুণ কৰি গোৱা গীতৰ সুৰ। ক'লা চুলিৰ মাজে মাজে খেলি ফুৰা চম্পাৰ ধুনীয়া ধুনীয়া জেতুকাৰ বোল সনা আঙুলিবোৰৰ অপূৰ্ব ভংগী- বাহিৰৰ আকাশত তিৰ্‌বিৰ্‌কৈ জ্বলি থকা গধূলিৰ সেই দাম্ভিক তৰাটো- গছৰ ছাঁয়ে ছাঁয়ে কঁপি কঁপি ফুৰা শুক্লা চতুৰ্দশী চন্দ্ৰৰ ৰূপোৱালী পোহৰৰ ঢৌ। ...আন্ধাৰৰ কোলাই কোলাই টিপ্ টিপ্ কৰি ধৰা দিও ধৰা নপৰা জোনাকীবোৰৰ উলাহৰ মেলা। ...সন্দেহ হ'ল চম্পাহঁতৰ ঘৰটো ৰাতিপুৱা যিডোখৰ ঠাইত আছিল এতিয়াও ঠিক তাতেই আছেনে? নে কোনোবা মায়াবিনীৰ অদৃশ্য পৰশত মায়া হৈ উটি আহিল কোনোবা অজান দেশলৈ?

চম্পাৰ মাতত বুজিলো, নাই অহা। চম্পাই মোক ডবিয়াইছে- "টেল্‌-টেল্‌কৈ চকু মেলি কি চাইছা? শুই নেথাকা কেলৈ?"

শুই থকাৰ পৰিৱৰ্তে টেলটেল্‌কৈ চকু মেলিয়েই উঠি আহিলো। বিছনাখনৰ এটা মূৰ তুলি ধৰি আনটো মূৰ ধৰিবলৈ কলো- চম্পাই থমকি ৰৈ সুধিলে— "কি হ'ল আকৌ? বিছনাখন ক'লৈ নিয়া?"

"সৌ খিৰিকীৰ আৰু দাঁতিলৈ-"

"তাত শুলে যে তোমাৰ ঠাণ্ডা লাগিব-"

"নালাগে, নালাগে, আহ..."

বাধ্য হৈ চম্পাই ধৰিলেহি। খিৰিকীৰ পৰ্দাকেইখন এইবাৰ সম্পূৰ্ণ তুলি দি

Scanned with CamScanner

ৰজাৰ ল'ৰাৰ টোপনি আহিব! কেইটা জীৱন তপস্যা কৰি মোৰ নিচিনা বান্দী এজনী পাব পৰা শুনোচোন?"

"বান্দী নহয়, বান্দী নহয় ঔ মোৰ আই; লক্ষ লক্ষ জীৱন তপস্যাৰ পুণ্য ফলত পাইছো তোৰ নিচিনা এজনী সাদৰী ভনী। মোৰ এই জীৱনৰ সবাতো বৰ সম্পদ, সবাতো শ্ৰেষ্ঠ সোণৰ সোলেং... গা আকৌ..."

মোৰ মূৰশিতানতে বহি চম্পাই গীত গালে- এটা, দুটা, তিনিটা.... দূৰৰ আকাশলৈ চাই পৰি আছো। লাহে লাহে চকুৰ আগৰ বস্তুবোৰ অস্পষ্ট হৈ আহিছে- সৌ দূৰৰ আকাশখন, গছবোৰ, জোনাকৰ পোহৰবোৰ একাকাৰ হৈ আন্ধাৰৰ মাজলৈ আঁতৰি গৈছে। চকুৰ দৃষ্টিশক্তিৰ আগত, মায়ামঞ্চৰ প্ৰদীপবোৰ ক্ষীণ হৈ আহিছে। সেই অস্পষ্ট পোহৰবোৰ আগত- মঞ্চৰ যৱনিকা লাহে লাহে পৰি গৈ শেষত এবাৰ মোক আন্ধাৰৰ মাজত ডুবাই দিলে- মোৰ টোপনি আহিল।

অক্লান্ত কৰ্মী মনটোৰ কিন্তু টোপনি নাই- সি জানো কেতিয়াবা শোৱে? তাৰ অসংলগ্ন ভাববোৰ জুকিয়াই লৈ এতিয়া সি সৃষ্টি কৰিছে এখন নতুন জগত। সপোন দেখিলো... চম্পাই মোৰ মূৰৰ শিতানত তেনেকৈয়ে বহি একেথৰে মোৰ মুখলৈকে চাই আছে। তাই এতিয়া- আৰু গীত গোৱা নাই। অদ্ভুত কৰুণা লাগিছে চম্পাৰ মুখখন। তাইৰ এই বিষাদভৰা মুখখন কেতিয়াও দেখা নাই- কোনোদিনা কল্পনাও কৰা নাই। কমল-নগৰৰ আটাইতকৈ ৰাংঢালী গাভৰুৰ এনে এখন মুখ কোনে বাৰু কল্পনা কৰিব পাৰে? কিন্তু আজি মই দেখিলো চম্পাৰ সেই কৰুণ মূৰ্তি। বুজিছো চম্পাৰ নিজস্ব যিখন জগত আছে, য'ত তাই সদায়েই অকলশৰীয়া, সেই জগতৰ চম্পাই মোক আজি দেখা দিছে মোৰ সপোনত। .....কিন্তু ভাবি নাপালো তাইৰ কিহৰ ইমান দুখ?

লাহে লাহে চম্পা বহাৰপৰা উঠি বিছনাৰ কাপোৰখনেৰে মোক আৰু অলপ ভালকৈ ঢাকি দিলে। চম্পাৰ চকু দুটা চলচলীয়া- এতিয়া প্ৰায় পানীৰে উপচি পৰিছে। অলপ পাছতে চাগে পাৰ ভাঙি বৈ আহিব।

লাহে লাহে চম্পা মোৰ কোঠাৰপৰা ওলাই গ'ল। ভাবিলো শুবলৈ গৈছে কিন্তু ভুল- চম্পাই নিজৰ শোৱাকোঠালৈ নগৈ, ঘৰৰপৰা ওলাই আহি গোসাঁইঘৰ পালেহি। ইমান বেলি চম্পাই ধৈৰ্য ধৰি আছিল, এইবাৰ মূৰলীধৰক দেখি সকলো ধৈৰ্যৰ বান্ধ ভাঙি গ'ল। ...দৌৰি আহি আছাৰ খাই পৰিলেহি মূৰলীধৰৰ ভৰিত।

কমল-নগৰৰ এটি প্ৰাণীয়েও আজিলৈকে যাৰ মুখত সামান্যতমো দুখৰ ছাঁ দেখা নাই, যাৰ চকুত ভুলতো এফোঁট পানী দেখা নাই, সেই হাঁহিৰ নিজৰা চম্পাই

আজি মোক স্তম্ভিত কৰি কান্দিছে...উচুপি উচুপি কান্দিছে। থাকি থাকি তাইৰ গোটেই দেহাটো কঁপি কঁপি উঠিছে।

ভালেমান পৰলৈ চম্পাই তেনেকৈয়ে পৰি কান্দিলে ঃ শেষত যেতিয়া চকুৰ পানী শেষ হ'ল, চম্পাই লাহে লাহে মূৰটো তুলি মুৰলীধৰৰ মুখলৈ চালে। চম্পাৰ গোটেই মুখ চকুলোৰে তিতি গৈছে।

....ভগৱান মোক শক্তি দিয়া, মই যে বৰ দুৰ্বল... কেলৈ মই ইমান ভুল কৰি ভাল পাবলৈ শিকিলো। পাহৰি যাবলৈ মোক শক্তি দিয়া। মই কিয় ইমান দুৰ্বল? দুৰ্বল মুহূৰ্তত ক'ব নলগা কথাবোৰ আজি কেলৈ কৈ পেলালো? ...কেলৈ এবাৰ অভিমান কৰি দেখুৱালো... কেলৈ? কেলৈ তুমি মোক এনেকৈ ভাল পাবলৈ শিকালা? মই পাহৰি যাব খোজো- মই আঁতৰি যাব খোজো, কিন্তু পাৰো ক'ত... মই জানো, মই দুখত পৰিলে, মোৰ চকুত পানী দেখিলে তুমি আচৰিত হ'বা! তোমাৰ কষ্ট হ'ব। কিন্তু তোমাৰ কষ্ট দেখিলে যে মোৰ দুগুণ কষ্ট হয়! সেই দেখিয়েইতো তোমাক কষ্ট দিব নোখোজো- সেই দেখিয়েই মুখ ফুটাই একো ক'ব নোৱাৰো। শুনিলে তুমি কি ভাবিবা? মানুহে কি ভাবিব? গৌৰীয়ে কি ভাবিব? সেই দেখিয়েইতো চোৰৰ দৰে পলাই ফুৰো। হাঁহিৰ ঢাকনিৰ তলত ঢাকি ৰাখো মোৰ পৰাজয়, মোৰ মনৰ কলুষ-মোৰ পাপ। ....তুমি মোক ঘিণ নকৰিবা, তুমিয়েই যে মোৰ সকলো- তুমি আঁতৰি নাযাবা, নহ'লে কোনে মোক সান্ত্বনা দিব.... ?

ভাবি নাপালো তুমি তুমি বুলি চম্পাই কাক সম্বোধন কৰিছে? মুৰলীধৰ নে মুৰলীধৰৰ মাজত দেখা আন কোনোবা? চম্পায়ো হয়তো নিজৰ ভুল ধৰিব পাৰি ব্যগ্ৰ হৈ মুৰলীধৰৰ ভৰিত পৰি চিঞৰি উঠিল— "মই এইবোৰ কি কৈছো? মোক ক্ষমা কৰা, -ক্ষমা কৰা..."

উঠিব খুজি চম্পা হঠাৎ মূৰ্চ্ছিত হৈ মাটিত পৰি গ'ল। মই আৰু থিৰেৰে থাকিব নোৱাৰিলো ঃ "চম্পা! চম্পা!" দৌৰি গৈ চম্পাক কোলাত তুলি লবৰ চেষ্টা কৰিলো...

কিন্তু মই ক'ত? সপোন ভাগিল, টোপনিও ভাগিল- সাৰ পাই বিছনাত উঠি বহিছো। বোধকৰো টোপনিত বৰকৈ চিঞৰি উঠিছিলো, কাৰণ সিটো কোঠাৰপৰা আইদেউতা আৰু চম্পা উঠি আহিছে মোৰ ওচৰলৈ— "কি হৈছে চন্দন...!" ব্যস্ত হৈ আইদেউতাই সুধিলে।

"কি হৈছিল দাদা? সপোন দেখিছিলা?"

উত্তৰ দিয়াৰ আগতে চকু দুটা এবাৰ মোহাৰি ললো। অনুভৱ কৰিলো মোৰ চকুত পানী- অলপ বেছিকৈয়ে মোহাৰিলো যাতে শুকাই যায়।

Scanned with CamScanner

"বৰ বেয়া সপোন এটা দেখিছিলো।"

চম্পাই সুধিলে— "বাঘে খেদিছিল?"

"নাই খেদা কিন্তু তাতোকৈ ভয়ানক..."

"কি দেখিছিলি কচোন.." আইদেউতাই আকৌ সুধিলে— "এতিয়াই নুশুনিলে আৰু মোৰ টোপনি নাহে- ক আমাক..."

দুয়ো মোৰ ওচৰতে বহি পৰিল; কিন্তু কি ক'ম মই? আইদেউতাক কেনেকৈ কওঁ! চম্পাকে বা কেনেকৈ কওঁ কি দেখিছিলো?

বাধ্য হৈ লৰালৰিকৈ এটা সাজি ক'লো ঃ "দেখিছিলো- মোৰ এজনী বৰ ধুনীয়া হৰিণা পোৱালি আছিল। বৰ মৰমৰ। নিৰ্জন বননিত তাইৰে সৈতে নিতৌ উমলি ফুৰো। সেউজীয়া হাবিৰ দাঁতিত, ফুটুকা-ফুটুকী তাইৰ ফুলাম চোলাটোৰে সৈতে তাইক দেখিবলৈ হয় মনোৰম। মনৰ আনন্দত আমি দুয়ো পানীৰ দাঁতিয়ে দাঁতিয়ে দৌৰা-দৌৰি কৰি খেলি ফুৰোতে আজি তাই হঠাৎ পানীত পৰি গ'ল। মই দৌৰি গৈ তাইক তুলিব খুজিলো কিন্তু নোৱাৰিলো- কোনোবা অদৃশ্য শক্তিয়ে মোৰ যেন হাত-ভৰি টানকৈ বান্ধি থৈছে। মই মুকলি হবলৈ ইমান চেষ্টা কৰিছো, সিফালে হৰিণাজনী উটি গৈছে- ডুবি গৈছে, অথচ মই মোৰ হাত-ভৰিৰ বান্ধ খুলিব পৰা নাই- নিৰুপায় হৈ চিঞৰি উঠিলো.."

চম্পাই হাঁহি প্ৰশ্ন কৰিলে— "চম্পা! চম্পা! বুলি মোক চিঞৰিছিলা কিয়? বান্ধ খুলি দিবলৈ?"

মুখ ফুটাই তাইক ক'বৰ মন গ'ল— "চম্পা, সেই বান্ধ খোলাৰ সাধ্য তোৰ ক'ত? সি যে ঠিক তোৰ সেই বন্ধ হৈ যোৱা 'মন্দিৰ-দুৱাৰ'... নিয়তিৰ ভুলৰ নিষ্ঠুৰ বন্ধন, তই বা মই খুলিম কেনেকৈ?"

দীঘলকৈ উশাহ এটা লৈ অস্ফুট মাতেৰে কলো— "ভাগ্যে কি স্বপ্ন-।"

।। একাদশ অধ্যায় ।।

পশ্চিমৰ ক'লা মেঘ

প্ৰথম মাঘৰ বিহুটো পুৰণা কৰি নতুন আনন্দেৰে উপচি দ্বিতীয়টো আহিল- লাহে লাহে সিও পুৰণা হৈ গ'ল। ভাবিছিলো আজি আৰু কমল-নগৰলৈ নাযাওঁ, পুৱাৰপৰা দুপৰীয়ালৈকে ঘৰতে কটালো, কিন্তু আবেলি হৈ অহাৰ লগে লগে মনে আৰু নামানিলে- যাবলৈ ওলালো। তাকে দেখি মাই ক'লে- "যাবৰ মন আছিল যদি আগতে নগৈছিলি কেলৈ? এতিয়া গৈ উভতিবি কেতিয়া?"

"বেছি সময় নকৰো মা, গৈয়েই উভতি আহিম..."

"কিবা কাম আছে?"

"নাই বিশেষ তেনে একো নাই..."

মাই একো নামাতিলে। কিছুপৰ মোৰ মুখলৈ চাই লাহে লাহে কোঠাৰপৰা ওলাই গ'ল। হঠাৎ ধাৰণা হ'ল, বহুত দিনৰ মূৰত হে যেন আৰু আজি নতুনকৈ দেখিলো। ভাবিলো, মাই জানোচা মই এনেকৈ সদায় কমল-নগৰলৈ যোৱা ভালপোৱা নাই। আৰু পায়েই বা কেনেকৈ? সেই ৰাজধানীৰপৰা আহিবৰ দিন ধৰি আজি প্ৰায় ডেৰ বছৰে মাৰ ওচৰতনো কিমান পৰ আছো। ৰাতিটোৰ বাহিৰে প্ৰায় গোটেই দিনটো কমল-নগৰত কটাওঁ। তাৰ উপৰিও বহুত নিশা উমাহঁতৰ ৰূপালীপামত, নহয় চম্পাৰ ওচৰত কটাইছো। কোনো দিন এটা মুহূৰ্তলৈকো ভবা নাই মায়ে যে দুখ পাব পাৰে। নিজ প্ৰয়োজনৰ সময়তে কেৱল মাক বিচাৰিছো। যেতিয়াই যিটোৰ প্ৰয়োজন হয়, মাৰ ওচৰতে হাত পাতিছো- মাৰ বুকুৰ অমৃত, মাৰ চেনেহৰ শীতল ছাঁৰ তলতে জীৱনৰ চৌবিছটা বছৰ কটাইছো। কেতিয়াও এটা মুহূৰ্তৰ কাৰণেও একোৰে অভাৱ অনুভৱ কৰা নাই। দুখ-কষ্ট পোৱা দূৰৰ কথা, সকলো আপদ বিপদৰ- মাজতো মোৰ গাত এটা মাখিও পৰিবলৈ দিয়া নাই। বুকু উজাৰ কৰি, গোটেই জীৱন ভৰি চেনেহ-মৰমেই দিছে। অথচ আজিলৈকে এবাৰো মাৰ মুখলৈ ঘূৰি চোৱা নাই। এবাৰো ভবা নাই, মাৰো যে এখন অন্তৰ আছে, হেঁপাহ আছে, আকাংক্ষা আছে। নিজৰ একমাত্ৰ সন্তানৰ ওচৰত বহি অলপ

Scanned with CamScanner

আনন্দ কৰিবৰ যে মাৰো ইচ্ছা থাকিব পাৰে তাক কোনো দিন কল্পনাও কৰা নাই। মোৰ বাহিৰে মাৰ কোন আছে? মাৰ আশা, মাৰ ভৰসা, মাৰ যথাসৰ্বস্ব যে অকল ময়েই। আগতে মোৰ লগত মাই কেনেদৰে হাঁহিমাতি কথা কৈছিল, ধেমালি কৰিছিল- ক'তা? আজিকালিতো যেনে একো নকৰে; মাৰ ইচ্ছা নাযায় নে গলেও মই তাৰ সুযোগ নিদি মাক সেই সকলো আনন্দৰপৰা বঞ্চিৎ কৰিছো?

ভাবি নাপালো কেনেকৈ ইমান অকৃতজ্ঞ হলো। মই এতিয়া ডাঙৰ হৈছো, মাৰ প্ৰতি মোৰ কৰ্তব্য আছে, অথচ তাক সম্পূৰ্ণভাৱে অৱহেলা কৰিছো। কিহে মোক মোৰ কৰ্তব্যৰ কথা পাহৰাই দিছে? কিহৰ আকৰ্ষণে মোক মাৰ ওচৰৰপৰা দূৰলৈ আঁতৰাই নিছে?

জন্মভূমিক ভালপাওঁ দেখিয়েই জানো কমল-নগৰলৈ দৌৰি যাওঁ? তাৰ বাহিৰে জানো আন একো আকৰ্ষণ নাই বুলি আনক ফাঁকি দিব পাৰো, কিন্তু নিজক কেনেকৈ দিম?

গৌৰী! এই নামটোৱেই ঘূৰি ঘূৰি মনলৈ আহে কিয়? গৌৰী মোৰ কোন? গৌৰী জানো মোৰ মাতকৈয়ো ডাঙৰ?

অকলে থাকিবলৈ ভয় হ'ল— যোৱাৰ কথা পাহৰি মাৰ ওচৰলৈ দৌৰি গৈ ভৰিৰ ওচৰতে বহি পৰিলো।

মাই মুঢ়া এটাত বহি কিবা এটা গুঁঠি আছিল, মোক তেনেকৈ বহি পৰা দেখি আচৰিত হৈ মোৰ মুখলৈ চালে ঃ "কি হ'ল চন্দন?"

মই একো উত্তৰ নিদিলো। কৈশোৰৰ দিনবোৰৰ দৰে মাৰ কোঁচত মূৰটো থৈ মনে মনে পৰি ৰলো। আজি হঠাৎ মোৰ এনে পৰিৱৰ্তন দেখি মা সঁচাকৈয়ে বিচলিত হৈ উঠিল। লৰালৰি কৰি হাতৰ কাম আঁতৰাই থৈ মোৰ মুখখন কোঁচৰপৰা তুলি ব্যগ্ৰ হৈ সুধিলে— "কি হ'ল! কি হ'ল চন্দন....?"

সন্তানৰ অমংগল আশংকা কৰি মাৰ ভয় লাগিছে। মোৰপৰা একো উত্তৰ নাপাই নিশ্চয় ধৰি লৈছে কিবা এটা ঘটিছে— "কি হ'ল চন্দন? নকৰ কিয়? চাওঁ চাওঁ মোৰফালে চাচোন..."

"একো নাই হোৱা মা-"

"তেন্তে এনেখন কৰিছ কিয়?"

উত্তৰ নিদি মাৰ মুখলৈ চালো- সঁচাকৈয়ে মোৰ চকুত আজি মাক নতুন লাগিছে। সেই পুৰণা দিনৰ গোসাঁনীৰ নিচিনা এয়া মোৰ মা নহয়। মাৰ বয়স বাঢ়িছে— চকুৰ দাঁতিত ক্লান্তিৰ ছাঁ, কাণৰ ওপৰৰ, কপালৰ ওচৰৰ চুলিবোৰৰ বৰণ আৰু

Scanned with CamScanner

আগৰ নিচিনা ক'লা নহয়। অথচ এই পৰিৱৰ্তন ইমানদিন মোৰ চকুত পৰা নাছিল কিয়? আচৰিত কথা চকু থাকিও দেখা নাছিলো, মনতে এবাৰ ভবাও নাছিলো যে মাৰো পৰিৱৰ্তন হ'ব পাৰে।

মনত পৰিল সৰুতে গোসাঁইঘৰত মাৰ ওচৰত বহি থকাৰ কথা। তেতিয়াৰ সেই মা... কি সুন্দৰ হয় মাক দেখিবলৈ। থাপনাত থকা গোসাঁনীক এৰি ঘূৰি ঘূৰি মাৰ মুখলৈকে একেথৰে চাই থাকো, মাই সেৱা কৰিবলৈ ক'লে ভুল কৰি বাৰে বাৰে মাকেই সেৱা কৰো। সৰু বয়সৰ সৰু অন্তৰখনেৰে কল্পনা কৰো গোসাঁনীবোৰো চাগে দেখিবলৈ ঠিক মাৰেই নিচিনা... সেই গোসাঁনীবো যে বয়স বাঢ়ে, বুঢ়া হ'ব পাৰে কোনো দিনেই ভাবি চোৱা নাছিলো। ভাবিছিলো গোটেই জীৱন মোৰ মা মায়েই থাকিব, অনন্ত কাললৈকে মা মোৰ সেই গোসাঁনী হৈয়ে থাকিব। কিন্তু আজি মাক দেখি, নিষ্ঠুৰ বাস্তৱৰ নিৰ্মম কঠোৰতাক প্ৰথমবাৰলৈ উপলব্ধি কৰি স্তব্ধ হৈ গলো। ভাবিলেও বুকু কঁপি উঠে- মা এদিন বুঢ়ী হ'ব, তাৰ পাছত এদিন হয়তো....

বুকখন টন্‌টনাই উঠিল- হেৰুওৱাৰ ভয়ত মাৰ ৰিহাৰ আগটোত জোৰেৰে খামুচি ধৰিছো। মাই ধৰিব পৰা নাই মোৰ কি হৈছে, কিন্তু মাৰ মুখ দেখি বুজিছো মাই ভয় খাইছে- হেৰুওৱাৰ ভয় যে মোৰা আছে।

"কি হৈছে নকৰ কিয় চন্দন?"

"তই ওচৰৰপৰা গুচি অহাত, হঠাৎ মোৰ মনটো কেনেবা হৈ গ'ল..."

"ওচৰৰপৰা গুচি অহাত? কিয় কমল-নগৰলৈ যাব খুজিছিলি নহয়...?

"আৰু নাযাওঁ-"

"আৰু নাযাৱ? কিয়?"

"নাযাওঁ- নালাগে মোক ৰাজবিষয়াৰ উচ্চ সন্মান আৰু কোনোদিনেই তোৰ ওচৰৰপৰা ক'লৈকো নাযাওঁ-"

"মোৰ ওচৰৰপৰা নাযাৱ? কিন্তু মোৰ ওচৰৰপৰা যাবিয়েই বা কিয়? তইনো এইবোৰ কৈছ কি? তোক যাবলৈকে বা দিম কিয়?-"

"তেন্তে ইমান দিন তই মোক বাধা দিয়া নাছিলি কিয়? ক'তা আজিও তো মই যাবলৈ ওলাওঁতে তই মুখেৰে মতা নাই, অথচ তই চাগৈ মনে মনে দুখ পাৱ মই তোক এৰি গ'লে-"

মাই মোৰ মুখলৈ খন্তেক চাই হাঁহিলে- হয়তো মোক অলপ বুজিছে- 'অ' এই কথা? অলপ সময়লৈ মোক এৰি থকা আৰু মোক এৰি গুচি যোৱা জানো

Scanned with CamScanner

একে কথা আঁকৰা? -আৰু তোকনো কোনে ক'লে তই কমল-নগৰলৈ গ'লে মই দুখ পাওঁ বুলি-?''

''নাই কোৱা কোনেও, কিন্তু সঁচাই তই দুখ নাপাব?''

''কিয় পাম? মোৰ প্ৰতি তোৰ যেনে এটা কৰ্তব্য আছে, তোৰ দেশমাতৃকাৰ কাৰণেও তেনে এটা আছে। আজি তই উপযুক্ত হৈছ দেখিয়েই কমল-নগৰৰ মানুহে তোক সিহঁতৰ এজন বিষয়া কৰি এই সন্মান দিছে। তোৰ নিচিনা ইমান কোমল বয়সতে কমল-নগৰৰ কোনেও এই সন্মান পোৱা নাছিল। এই সন্মানৰ মৰ্যাদা নাৰাখি, তোক মই মোৰ ওচৰতে বা পৰি থাকিবলৈ দিম কিয়? নিশ্চয় যাবি... পাহৰি নাযাবি কমল-নগৰ তোৰ জন্মভূমি! যিডোখৰ মাটিত তোৰ দেউতাৰে বুকুৰ তেজৰ আহুতি দি সমৃদ্ধিৰ বন্তিগছ জ্বলাই গ'ল, সেই বন্তিক চিৰদিনৰ কাৰণে যে তয়েই জ্বলাই ৰাখিব লাগিব চন্দন! সেয়ে মোৰ আশা, সেয়ে মোৰ হেঁপাহ, সেয়ে মোৰ গৌৰৱ- এদিন তই ডাঙৰ মানুহ হবি, তোক সকলোৱে ভাল পাব, সকলোৱে সন্মান কৰিব, চাওঁ উঠ, কিয় নাযাবি, ব'ল মই তোক আগবঢ়াই থৈ আহোঁ-''

মোৰ হাতত ধৰি মাই মোক লৈ আহিল। মুখ ফুটাই মাক এবাৰো ক'ব নোৱাৰিলো যে মই মোৰ কৰ্তব্য অৱহেলা কৰা নাই... কিন্তু....

দুয়ো ওলাই আহি পদূলিমূৰ পালোহি। মাৰ আদেশত ঘোঁৰাৰ ওপৰত উঠি বহিলো।

''যা, চন্দন, আৰু শুন, যদি নিশা বেছি হয় অকলে নাহিবি, উমা বা চম্পাৰ ওচৰতে নিশাটো থাকিবি-''

মই আগবাঢ়িলো।

''চন্দন আৰু এটা কথা...''

চকুত প্ৰশ্ন লৈ মাৰ চকুলৈ চোৱাত মাই ক'লে— ''তাইলৈকো বৰ মনত পৰিছে.. এবাৰ খবৰ কৰি আহিবি ঃ তায়ো বেচেৰি বৰ অকলশৰীয়া...''

''কোন? চম্পা?''

''নহয়, গৌৰী-''

হঠাৎ মাৰ মুখত গৌৰীৰ নাম শুনি বৰ আচৰিত হ'লো। গৌৰীৰ কথা মাই কোনো দিনে মোক কোৱা নাই, মাথোঁ মাঘৰ বিহুৰ সেই প্ৰথম দিনা উভতি আহোঁতে মাই মোক মাত্ৰ এবাৰলৈ সুধিছিল— ''চন্দন, গৌৰীক দেখিছিলিনে?'' তাৰপৰা আজিলৈকে এই ডেৰ বছৰৰ ভিতৰত এবাৰো গৌৰীৰ নাম মোৰ সমুখত মাই উচ্চাৰণ কৰা নাই।

Scanned with CamScanner

মই উত্তৰ দিয়াৰ আগতেই মাই আকৌ ক'লে "....আৰু শুন, কবি, পাৰিলে এবাৰ যেন মোৰ ওচৰলৈ আহে, তাইক মই বহুত দিন দেখা নাই, এবাৰ চাবৰ মন গৈছে, বুজিছ...."

"বুজিছো, কিন্তু ইয়ালৈ....?"

গৌৰীক বকুলপুৰত আৰু বিশেষকৈ আমাৰ ঘৰত? কোনো দিন ভাবি চোৱা নাছিলো। মই বুজিলো, মাই আচৰিত হৈছে। ক'লে— 'ইয়ালৈকে চন্দন, তই যেতিয়া ইয়াত নাছিলি তেতিয়া গৌৰী মোৰ ওচৰলৈ চম্পাৰ লগত প্ৰায়ে আহিছিল, কেতিয়াবা লক্ষ্মীনাৰায়ণৰ লগতো আহিছিল। আজি ভালেমান দিন তাই অহা নাই সেই দেখিয়েই কৈছো..."

মাই কিবা ভাবি অলপ হাঁহিলে— "শুন, তই নিজে যদি গৌৰীক ক'বলৈ টান পাৱ, উমা বা চম্পাকে কবি- কালিলৈ পুৱাতে চম্পা মোৰ ওচৰলৈ অহাৰ কথা আছে, পাৰে যদি তায়েই লগত লৈ আহিব- এইবাৰ যা তই, তোৰ বেলি হৈছে-"

মাই মোক বিদায় দিলে। একো নকৈ মাথোঁ এবাৰ মাৰ মুখলৈ চাই ঘোঁৰা চেকুৰাই দিলো। মাৰ হাঁহি থকা মুখখন দেখি, মনলৈ ভাব আহিল, মা যেন আকৌ সেই আগৰ দিনবোৰৰ দৰে হৈ পৰিছে-। বহুত দূৰৰেপৰা আকৌ এবাৰ মাৰ ফালে ঘূৰি চালো। দেখিলো জপনামুখত তেনেদৰেই থিয় দিয়া মাই মোৰ ফালে চাই আছে। মুখৰ সুন্দৰ হাঁহিটোও অলপো মাৰ যোৱা নাই। পাছমুহূৰ্তত আলিটো ঘূৰাৰ লগে লগেই মাও মোৰ চকুৰ আঁৰ হৈ গ'ল।

ওৰে বাটটো মাৰ কথাই ভাবি ভাবি লাহে লাহে গৈ আছো। ঘোঁৰাত কোনোকালেই মই লাহে লাহে নাযাওঁ। ইয়াৰ বাবে মাৰ ওচৰত, উমাৰ ওচৰত কিমান বকনিও খাইছো, তথাপি অভ্যাসটো এৰিব পৰা নাই। ক'ব নোৱাৰো কিয়, আজি কিন্তু লাহে লাহে গৈ ভাল লাগিছে। ভাবি পোৱা নাই মাই কিয় গৌৰীৰ কথা আজি হঠাৎ মোক ক'লে? অলপ হাঁহিছিলেই বা কিয়? সন্দেহ হ'ল মাই হয়তো আমাৰ সকলো কথা জানে— কিন্তু কেনেকৈ জানিলে? কোনে ক'লে মাক? খন্তেকতে চম্পাৰ মুখখন চকুৰ আগত ভাঁহি উঠিল, কিন্তু পাছমুহূৰ্ততে চম্পাক তল পেলাই আগত দেখা দিলেহি উমাই— তাকেইতো, ইয়াৰ ভিতৰতে বহুত দিন উমাক দেখিছো, ইয়ালৈ আহি মাৰে সৈতে গল্প কৰি থকা, আৰু মই ওচৰলৈ গ'লেই কথা বন্ধ কৰি মোক আঁতৰি যাবলৈ কোৱা। .....উমা আৰু মাৰ এই গল্পৰ উৎস তেন্তে মই আৰু গৌৰী? যদি সিয়েই হয়.....

Scanned with CamScanner

ছিঃ ছিঃ উমাই এয়া কি কৰিলে? মাৰ আগত মই আকৌ কেনেকৈ ওলাম?

নিজৰ ভাবত ইমানেই মগ্ন হৈ আহিছিলো যে কেতিয়ানো কমল-নগৰ পালোহি.... কেতিয়ানো ৰঙাআলিত উঠিলোহি ক'ব পৰা নাছিলো, কিন্তু কমল-নগৰৰ উত্তৰ সীমাৰপৰা ৰাজধানীলৈ যোৱা বাটেদি এজন অশ্বাৰোহীক বিজুলী বেগেৰে মোৰ ফালে অহা দেখি আলিৰ কাষতে ৰৈ পৰিলো। কৌতূহল হ'ল কমল-নগৰত মোৰ নিয়মে এনেভাৱে ঘোঁৰা চেঁকুৰাই আহিছে, কোন এই অশ্বাৰোহী?

অলপ সময়ৰ ভিতৰতে মানুহজন মোৰ ওচৰ পালেহি, আৰু মোক দেখিয়েই হবলা ৰৈ পৰিল। পাছমুহূৰ্তত স্বৰগ পৰা মানুহৰ দৰেই খন্তেকলৈ নিৰ্বাক শিলৰ মূৰ্তিত পৰিণত হৈ গলো। মুখফুটি এটা কথাও নোলাল। কমল-নগৰৰ প্ৰধান ৰাজবিষয়া লক্ষ্মীনাৰায়ণক এনেভাৱে ধূলি-বালিত লুতুৰি-পুতুৰি হৈ অহা দেখিবলৈ পাম বুলি সপোনতো ভবা নাছিলো।

মোৰ মুখলৈ চাই প্ৰথমে লক্ষ্মীনাৰায়ণেই কথা ক'লে— "চন্দন মইনা! মোৰ অৱস্থা দেখি যে আচৰিত হৈছা তাক মই বুজিছো, কিন্তু পোন্ধৰ বিছ দিনৰ বাট পাঁচ দিনত আহিলে এনে হ'বই..."

"এনে কি ঘটিছে যাৰ কাৰণে আপোনাৰ এনেভাৱে আহিবৰ প্ৰয়োজন হ'ল; লাহে ধীৰে অহা হ'লেওতো একো ক্ষতি নাছিল...!"

"ক্ষতি?" লক্ষ্মীনাৰায়ণে অদ্ভুতভাৱে হাঁহি উঠিলে— "শুনা, আমাৰ বেছি সময় নাই, মই কি কওঁ ধৈৰ্য ধৰি শুনা, ভয় নাখাবা..."

"ভয়?" আচৰিত হৈ লক্ষ্মীনাৰায়ণৰ মুখলৈ চালো। চিৰদিনৰ গম্ভীৰ, শান্ত, অমায়িক লক্ষ্মীনাৰায়ণক ইমান অচিনাকি কেতিয়াও লগা নাছিল।

"চন্দন মইনা, ৰাজধানীলৈ কিয় মোক এই অসময়ত মাতি নিছিল ক'ব পাৰা?"

"নোৱাৰো, আপোনাৰ ওচৰত তাকেই শুনিম বুলি..."

মোক বাধা দি লক্ষ্মীনাৰায়ণে উত্তেজিত হৈ ক'লে "শুনা, সি কিন্তু বৰ শুভ নহয় অতি ভয়ানক বাতৰি; আজি আমাৰ সমুখত বিপদ উপস্থিত হৈছে- ঘোৰ বিপদ! শত্ৰু! শত্ৰু আহিছে, মহা পৰাক্ৰমী শত্ৰু আহিছে আমাৰ দেশ আক্ৰমণ কৰিবলৈ..."

"কি কৈছে?" বিনা মেঘে বজ্ৰপাত হোৱা কাক বোলে আজি যেন অনুভৱ কৰিলো। ইমানপৰ কল্পনা কৰি অহা মোৰ আৰু গৌৰীৰ ভৱিষ্যত জীৱনৰ ৰাঙলী সপোন এই আকস্মিক নিৰ্মম আঘাতত চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল- শত্ৰু আহিছে....!

Scanned with CamScanner

বোধকৰো অতিমাত্ৰাই বিচলিত হৈ পৰিছিলো, মোক সংযত কৰিবলৈকে লক্ষ্মীনাৰায়ণেই আকৌ ক'লে—

"ইমান উতলা নহ'বা চন্দন মইনা! এতিয়া আৰু উতলা হ'বৰ সময় নহয়!.... শুনা, পৰ্বত প্ৰমাণ শত্ৰুৰ দলটো কেইবা ভাগো হৈ, ৰাজধানীৰ উত্তৰ, পশ্চিম আৰু পূবফালে থকা প্ৰতিখন নগৰকে আক্ৰমণ কৰিছে। আটাইতকৈ মৰ্মান্তিক খবৰ হৈছে তাৰ এটা শক্তিশালী দল আহিছে তোমাৰ মোৰ এই সোণৰ কমল-নগৰৰ ফালে। শত্ৰুৰ শেন দৃষ্টিৰপৰা এই নিৰ্জনত থকা অকলশৰীয়া কমল-নগৰো বাদ নপৰিল। আৰু কি শুনিলো জানা? ৰাজকীয় সৈন্যবাহিনীৰ এনে কোনো সামৰ্থ্য নাই যে আমাক এটা সৈন্য দিও সাহায্য কৰিব পাৰে। ৰাজধানী আৰু ৰাজধানীৰ ওচৰৰ নগৰবোৰ ৰক্ষা কৰিবলৈকে সি পৰ্যাপ্ত নহয়। তেনে অৱস্থাত শ শ মাইল দূৰৈত থকা কমল-নগৰক কি দিব পাৰে? স্বৰ্গদেউ, ৰাজপাৰিষদবৰ্গ, প্ৰধান সেনাপতি, সকলোৰেই ব্যস্ত হৈ উঠিছে ৰাজধানী ৰক্ষা কৰিবলৈ..."

"তেন্তে আমাৰ কি হ'ব!" ভয়-দুখ-হতাশাত দশোদিশ চকুৰ সমুখত আন্ধাৰ হৈ উঠিল।

"ভগৱানে জানে! এইবোৰ কথা আৰু বাটত নহয়, তুমি এটা কাম কৰা- তৎক্ষণাত তুমি অশোকক লগত লৈ ৰঙাটিলালৈকে আহা, যি হয় পৰামৰ্শ এটা কৰি দিহাদিহি এই মুহূৰ্তৰেপৰাই আমি কামত লাগি যাব লাগিব। এটা ক্ষুদ্ৰ মুহূৰ্তও আৰু অথলে যাবলৈ দিব নোৱাৰি.. যোৱা..."

লৰালৰিকৈ ক'লো— "মই অশোকৰ ওচৰলৈকে যাবলৈ ওলাইছিলো, আপুনিও নহ'লে তালৈকে বলক, ওচৰ যেতিয়া...."

"নহয়, মই এই অৱস্থাত তালৈ নাযাওঁ চন্দন মইনা! তাৰ উপৰিও গৌৰী তাতেই আছে, উমাহঁতো আছে। মই কিন্তু কথাটো এতিয়াই ৰাষ্ট্ৰ কৰিব নোখোজো। তাতকৈ আগতে আমি তিনিও সকলো বিষয় সকলো ফালে ভাবি-চিন্তি বিবেচনা কৰি যি হয় সম্পূৰ্ণ আঁচনিখনেই দেৱমন্দিৰত বৰকাঁহ বজাই ৰাইজক জনাব খোজো— বোধকৰো সেয়ে ভাল হ'ব। তুমি যোৱা আৰু দেৰি নকৰিবা..."

পাছমুহূৰ্তত দুয়ো দুফালে বিজুলী বেগেৰে ঘোঁৰা চেঁকুৰাই দিলো। ৰূপালীপাম যে কেনেকৈ পালোহি ক'ব নোৱাৰো। বোধকৰো বাটৰ মানুহে মোক বলিয়া বুলি ভাবিছিল। জীৱনত কেতিয়াও ইমান বেগেৰে ঘোঁৰা চলোৱা নাই।

পদূলিমূৰত সম্পূৰ্ণভাৱে ঘোঁৰাজনী ৰখোৱাৰ আগতেই জাঁপ মাৰি নামি ঘৰৰ ফালে দৌৰিলো। ওপৰৰ কোঠাৰপৰা উমা আৰু গৌৰীয়ে যে মোলৈ চাইছে মন

কৰিবলৈ নহ'ল। ছিৰিৰ প্ৰথম ঢাপটোৰ ওপৰতে মতিক পাই, তৎক্ষণাত অশোকৰ ঘোঁৰা সাজু কৰিবলৈ হুকুম দি, প্ৰতি খোজত তিনি-চাৰিটা ছিৰি দেওমাৰি ওপৰ মহলালৈ উঠি গলো।

ছিৰিটোৰ শেষ ঢাপত দেখিলো, পকা পকা লিচু একোঁচ একোঁচ লৈ আৰতি আৰু মণি। সিহঁতে মোক চিঞৰি মাতিলে, মই কিন্তু তালৈ ভ্ৰূক্ষেপ নকৰি সোমালোহি উমাৰ জিৰণি কোঠাৰ ভিতৰত। তাতো দেখিলো উমা আৰু গৌৰীয়েও ঠিক আৰতি মণিৰ দৰেই এপাচি লিচু দুয়োৰে মাজত লৈ খাইছে, গল্প কৰিছে। মই সোমোৱাৰ লগে লগেই দুয়ো ঘূৰি চালে।

প্ৰথমে ময়েই ব্যগ্ৰ হৈ সুধিলো— "নবৌ, অশোক ক'ত?"

মোৰ কথাৰ উত্তৰ দিয়াৰ পৰিৱৰ্তে উমাই মোক ডবিয়াই উঠিল— "চন্দন! তোমাক মই সদায়েই কওঁ নহয়, ইমান কোবেৰে ঘোঁৰা নদৌৰাবা। কেলৈ নুশুনা বাৰু? তোমাৰ ভয় নালাগিব পাৰে, কিন্তু মোৰ যে ভয় লাগে সেইটো কেলৈ নুবুজা?"

"অশোক ক'ত নবৌ?"

"ঔ আই একেবাৰে ধুমুহাহে যেন; আছে, আগতে আহা আমাৰ ওচৰত বহাহি... লিচু খাবা....?"

"নাখাওঁ, আগেয়ে কোৱাচোন অশোক ক'ত?"

আচৰিত হৈ উমা মোৰ ওচৰলৈ উঠি আহিল ঃ "তোমাৰ হ'ল কি চন্দন? এনেকৈ..."

লৰালৰিকৈ উমাক বাধা দি কলো— "ক'তা একো হোৱা নাই, কি হোৱা দেখিলা? কোৱা আকৌ নবৌ অশোক ক'ত?"

উমাই কিছু সময় থৰ লাগি মোৰ মুখলৈ চাই পাছত লাহেকৈ ক'লে— "শোৱনি কোঠাত-"

উমাক এৰি তৎক্ষণাত অশোকৰ ওচৰ পালোগৈ। সকলো শুনি অশোকে চোলাটো পিন্ধাৰ লগে লগেই ক'লে— "মতিক কচোন মোৰ ঘোঁৰা..."

"মতিক মই আহোঁতেই কৈ আহিছো-"

দুয়ো অলপ পাছতেই ওলাই আহিয়েই দেখো উমাই মই এৰি যোৱা অৱস্থাতে থৰ লাগি থিয় হৈ আছে- একো নকৈ দুয়ো যাব খুজিছিলো, কিন্তু কোঠাটো পাৰ হোৱাৰ আগতেই উমাই মাত দিলে, "শুনা চন্দন...!" মোৰ ওচৰলৈ আহি মৰমেৰে সুধিলে— "মই তেনেকৈ তোমাক ডাবি দিয়াত বেয়া পালা?"

হাঁহি কলো— "তুমি বলিয়া হৈছা নবৌ?"

"নাই হোৱা, কিন্তু আমাৰ ওচৰৰপৰা তুমি যেনেদৰে গ'লাগৈ কোনো দিনাইতো তেনেদৰে নোযোৱা...! মই ভাবিছিলো তোমাৰ চাগৈ মোৰ ওপৰত খং উঠিছে-"

"খং? তোমাৰ ওপৰত? ইমান দিনে মোক ইয়াকেহে চিনিলা নবৌ? শুনা, ভুল নুবুজিবা, মই এতিয়া বিশেষ ব্যস্ত, কি কৰিছো কি নাই কৰা তাক ভাবিবৰ মোৰ সময় নাই। অশোক আৰু মই এই মুহূৰ্ততে ৰঙাটিলালৈ যাব লাগিব, ৰাজধানীৰপৰা লক্ষ্মীনাৰায়ণ ডাঙৰীয়াই বৰ জৰুৰী বাতৰি লৈ উভতি আহিছে.."

"দেউতা উভতি আহিল...?"

উমাই উত্তৰ দিয়াৰ আগতেই গৌৰী বহাৰপৰা উঠি মোৰ ওচৰলৈ দৌৰি আহি একেবাৰে হাতত ধৰিলেহি। উৎসাহত, আনন্দত গৌৰীৰ মুখখন উজ্জ্বল হৈ উঠিছে। ক'ব নোৱাৰে, ভাবিও চোৱা নাই যে জীৱনত এই প্ৰথমবাৰ নতুন সুৰে মোক সম্বোধন কৰিছে, পাহৰণিত পৰম আত্মীয়ৰ দৰে মোৰ হাতত ধৰিছেহি। মই উত্তৰ দিয়াৰ আগতেই মোৰ চকু দুটা আপোনা-আপুনি মোক ধৰি থকা গৌৰীৰ হাতলৈ গ'ল। তৎক্ষণাত গৌৰীয়ে নিজৰ হাত আঁতৰাই নিলে। উত্তৰ নিৰৰ্থক জানি অশোকক কলো, "ব'ল অশোক, আৰু বেলি কৰিব নোৱাৰি..."

দুয়ো দুৱাৰৰ ওচৰ পালোহি, গৌৰীয়ে আকৌ মাতিলে— "অশোক দাদা, খন্তেক ৰবা ময়ো যাওঁ তোমাৰ লগত..."

লৰি গৈ গৌৰীয়ে বহা ঠাইৰপৰা চাদৰখন তুলি লোৱা দেখি কলো— "নালাগে, নালাগে পাছত... আমাৰ বেলি হৈছে..."

গৌৰী দপ্‌কৈ জ্বলি উঠিল— "কিয়? মই দেউতাৰ ওচৰলৈ যাব বিচাৰিলেও কাৰোবাৰপৰা হুকুম লব লাগিব নেকি?"

"মোৰ পৰা লাগিব..." হঠাৎ বৰ খং উঠিল। গৌৰীক দুগুণে ডবিয়াই কলো— "নবৌ, তোমাৰ ৰাজকুঁৱৰীক কৈ দিয়া যে লক্ষ্মীনাৰায়ণ ডাঙৰীয়াৰ এতিয়া আদৰৰ জীয়াৰীক কোলাত লৈ মৰম কৰিবৰ অৱসৰ নাই, তাতকৈ ঢেৰ ডাঙৰ কামত তেখেত এতিয়া ব্যস্ত, বুজিছা?"

পাছমুহূৰ্ততে দুৱাৰৰ বাহিৰ ওলাই দুৱাৰখন জপাই দিলো। কাৰণ মই কথা কোৱাৰ লগে লগেই দেখিছিলো, খৰাহিৰপৰা ডাঙৰ লিচু এটা গৌৰীয়ে তুলি লোৱা- উদ্দেশ্য মোৰ গালৈ মৰা। দুৱাৰ জপোৱাৰ লগে লগেই লিচুটো শব্দ কৰি দুৱাৰত লাগিলেহি।

উমাই সকলো চকুৰ আগতে দেখিও বাধা দিবৰ এটা মুহূৰ্তও সময় নাপালে।

Scanned with CamScanner

কি কৰিব উমাই? লাহে লাহে গৌৰীৰ ওচৰলৈ গৈ গৌৰীৰ পাছফালে থিয় দিলেগৈ। (তাৰ পিছত কি হ'ল, শুনিছিলো...)

গৌৰীয়ে দুয়ো হাতেৰে মুখখন ঢাকি অসহায় হৈ বহি কান্দিছে। এই ডেৰ বছৰে উমাই আমাক দুয়োকে লৈ বাস্তৱিকতে ভাগৰি পৰিছে। আজি অলপ খঙো উঠিছে। গৌৰীক কোলালৈ টানি আনি অতি ক্লান্ত হৈয়ে ক'লে— 'উস্ আৰু নোৱাৰো গৌৰী! বাৰু কচোন, খন্তেকতে তহঁতক কি ভূতে পায়? কি হয় তহঁতৰ? জানো পাই, ভাল পোৱাৰনো এইটো কেনে ধৰণৰ ৰীতি ক'ব নোৱাৰো। ....গোটেই জীৱনটো তহঁতে এনেকৈয়ে কটাবি নেকি?''

চকু মচি মচি গৌৰীয়ে ক'লে— ''কিয়? কিয় বাৰু মোৰ পাছত সদায় এনেকৈ লাগি থাকে? মই কি কৰিলো?''

বেজাৰ দুখত আজি গৌৰীয়ে চকুলো ৰাখিব পৰা নাই; উমাই সান্ত্বনা দিলে, ''নাকান্দিবি... সঁচাই চন্দনৰ বৰ অন্যায়। তোৰ সতে এনে ব্যৱহাৰ কৰা অলপো উচিত হোৱা নাই। আজি আহক সি... আৰু তয়ো জানো কম? তয়োতো অলপো সহ্য নকৰ...''

''তুমিতো দেখিছা নবৌ মোক সদায়েই য'তে ত'তে কেনেকৈ অপমান কৰে। আজি চোৱাচোন অশোক দাদাৰ আগতে কেনেকৈ ডবিয়ালে। আৰু তুমি কোৱা মই সহ্য নকৰো... যিমানেই হেঁপাহ কৰি ওচৰলৈ যাওঁ সিমানেই আঘাত দি মোক দূৰলৈ পঠিয়াই দিয়ে। মই-মই ইমানেই হেয়?''

উমা ব্যস্ত হৈ উঠিল। আজিৰ দৰে কোনো দিনেই গৌৰীয়ে নিজক ইমান দুৰ্বল কৰি প্ৰকাশ কৰা নাই।

গৌৰী! তই ভুল বুজিছ, মোৰ সমুখত কোনে তোক অপমান কৰিব পাৰে? কেলৈ তই হেয় হবি? চন্দনে তোক অপমান নকৰে, হয়তো তোৰ লগত সি এনে ব্যৱহাৰ কৰে তোৰ খং তুলি ৰং চাবলৈ— তয়ো যে তাকেই কৰ...''

অবুজৰ দৰেই গৌৰীয়ে কৈ উঠিল— 'কিন্তু মোৰ পাছতেই বা কিয় ইমাকৈ লাগে? খং তুলি ৰং চাবলৈ জানো আন কোনো নাই?''

উমাই গৌৰীৰ ইংগিতটো নুবুজি ক'লে— 'আছে, কিন্তু তোৰ পাছত লগাৰ কাৰণ হ'ল যেহেতু তোকেই যে চন্দনে আটাইতকৈ বেছি ভাল পায়-''

''মিছা কথা, মই বিশ্বাস নকৰো-''

উমাই হাঁহিলে। ''বাৰু তই ভাল পাব নে নাপাব?''

গৌৰীয়ে মুখেৰে নামাতিলে।

Scanned with CamScanner

"মই জানো গৌৰী! তহঁত দুয়োৰে দুয়োলৈকে কিমান হেঁপাহ। অথচ ভাবি নাপাওঁ কিয় তহঁতে এনে ব্যৱহাৰ কৰ। সেই প্ৰথম দিনৰেপৰা আজিলৈকে বাহিৰত তহঁতৰ এধানমানো পৰিৱৰ্তন নহ'ল, কিন্তু থাওক এইবোৰ কথা, মই ইয়াৰ ব্যৱস্থা সোনকালেই কৰিম, মোৰ অসহ্য লাগিছে..."

"কি ব্যৱস্থা কৰিবা?"

"অলপ দিনৰ ভিতৰতে বুজিবি..."

বাধা দি গৌৰীয়ে ক'লে— "মই এতিয়াই বুজিছো তোমাৰ ব্যৱস্থাৰ কথা, কিন্তু সি হ'ব নোৱাৰে...."

উমা অবাক হৈ গ'ল— "কিয় হ'ব নোৱাৰে... মোৰ ইমান দিনৰ হেঁপাহ, ইমান দিনৰ আশা... কচোন তোৰ কিহত আপত্তি?"

"আপত্তি যে মোৰ ফালৰপৰা তাক তুমি কেনেকৈ জানিলা?"

উমা আৰু আচৰিত হৈ গ'ল— "তেন্তে চন্দনৰ আপত্তি? তোক কোনে ক'লে? সি মিছা কথা।"

গৌৰীয়ে এইবাৰ মূৰ তুলি তীক্ষ্ণভাৱে উমালৈ চাই ঘূৰি প্ৰশ্ন কৰিলে— "মিছা কথা? তেন্তে মোক চোৱাচোন...?"

কিন্তু গৌৰীৰ প্ৰশ্ন মুখতেই থাকি গ'ল, কাৰণ সেই মুহূৰ্ততে কেতেকীয়ে লগত তিলকক লৈ কোঠালৈ সোমাই আহিল ঃ "আইদেউ, বকুলপুৰৰপৰা তিলক আহিছে, আপোনাক বোলে লগ পাব খোজে, বৰ জৰুৰী..."

উমাই তিলকৰ মুখলৈ চাই— "কি হ'ল তিলক?"

তিলকে উমাৰ হাতত চিঠি এখন দি ক'লে— "আমাৰ আইদেউৱে এই চিঠিখন আপোনালৈ পঠাইছে, কৈছে বৰ জৰুৰী..."

"জৰুৰী!" উমাই ব্যস্ত হৈ চিঠিখন খুলি ললে ঃ

চেনেহৰ উমা আইদেউ,

[illegible]

দিছো সেইটোৱেই হাতৰপৰা সৰি পৰিছে. ভগৱানে জানে কিয় এনে হৈছে, কাৰ এনে অমঙ্গলৰ দিন আহিছে।

কি কম উমা! মোৰ একেটাই সন্তান। সেই দেখিয়েই হ'বলা ঘূৰি ঘূৰি তালৈকে মনত পৰিছে আৰু পৰিছে চম্পালৈ। মোক স্বাৰ্থপৰ বুলি নাভাবিবা, তুমিও মা হৈছা, তুমি হয়তো বুজিবা-

এইবোৰ ভাবি হয়তো মিছাতে ভয় খাইছো, তথাপি আকৌ সিহঁতহালক নেদেখালৈকে মনটোক অলপো সান্ত্বনা দিব নোৱাৰিম। চন্দন বোধকৰো তোমাৰ তাতেই আছে, তাক সোনকালে চম্পাক লগত লৈ মোৰ ওচৰলৈ পঠাই দিবা, আৰু শুনা... সিহঁতৰ লগত দুটা বা এটা মানুহ পঠাবা, আপত্তি কৰিলেও অকলে আহিবলৈ নিদিবা- তোমালোকৰ সকলো বাতৰি লগতে পঠাবলৈকো নাপাহৰিবা.... মোৰ অনুৰোধ-।

ইতি-
পাৰ্বতী।

চিঠি পঢ়াৰ লগে লগেই উমাৰ মুখখনো শেঁতা পৰি আহিল। অন্তৰখনো যেন কিবা অজান আশংকাত এবাৰলৈ কঁপি উঠিল। ওচৰৰ আটাইৰে মুখলৈ চাই অস্ফুট শব্দৰে নিজকেই যেন প্ৰশ্ন কৰিলে "অমংগল!" এনে কি 'অমংগল...?"

গৌৰীয়ে উমাৰ মুখৰ পৰিৱৰ্তন লক্ষ্য কৰি নিজৰ দুখো পাহৰি গৈ ওচৰলৈ লৰি আহি ব্যগ্ৰ হৈ সুধিলে— "নবৌ কি অমংগল? কাৰ অমংগল!".

গৌৰীৰ প্ৰশ্নৰ উত্তৰ দিলে দেৱ-মন্দিৰৰ কৰকাঁহখনে। সেই মুহূৰ্তত্তে কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে কঁপনি তুলি শব্দ হৈছে ঢং-ঢং-ঢং

কোঠাটোৰ আটাইবোৰেই একলগে উচাপ খাই উঠিল। কমল-নগৰৰ ইতিহাসত আজি প্ৰথমবাৰলৈ এই বৰকাঁহ বাজি উঠা কমল-নগৰৰ মানুহে শুনিবলৈ পালে। উমাৰ কঁপি থকা হাতৰপৰা চিঠিখন মাটিত সৰি পৰিল....।

ঢং-ঢং- আৰতি মণি লৰি আহি ভয়ত মাকক সাৱটি ধৰিলেহি।

এই ঢং-ঢং শব্দৰ লগে লগেই কমল-নগৰৰ প্ৰতিটো মানুহৰে কোটিকলীয়া জীৱনধাৰা জীৱনৰ কাৰণে সম্পূৰ্ণ বেলেগ হৈ গ'ল।

Scanned with CamScanner

।। দ্বাদশ অধ্যায় ।।

যজ্ঞায়োজন

উমা আৰু গৌৰীক এৰি, অলপ সময়ৰ ভিতৰতে মই আৰু অশোক ৰঙাটিলা পালোহি। লক্ষ্মীনাৰায়ণে আমাৰ কাৰণেই অপেক্ষা কৰি আছিল। তিনিও তৎক্ষণাত জিৰণি কোঠাত বহিলোগৈ। যিকণ শুনিবলৈ বাকী আছিল এইবাৰ সকলো শুনিলো।

হতাশ হৈ অশোকে সুধিলে— "তেন্তে ৰাজধানীৰপৰা সঁচাকৈয়ে একো সহায় পোৱাৰ আশা নাই?"

"নাই অশোক বোপা, সহায়ৰ ভিতৰত মাথোঁ দুগাড়ী বাৰুদ, দুটা বৰটোপ আৰু অলপ-অচৰপ অস্ত্ৰ-শস্ত্ৰ পাম। তাকো বহুত বাক্‌বিতণ্ডা, তৰ্কাতৰ্কিৰ মূৰতেহে দিবলৈ স্বীকাৰ কৰিছে। বোধকৰো কালি-পৰহিৰ ভিতৰতে সকলো কমল-নগৰ পাবহি। ইয়াৰ বাহিৰে আৰু একো কাৰোপৰাই আশা কৰিব নোৱাৰো। কমল-নগৰৰ ভাগ্য আজি কমল-নগৰৰ মানুহৰ ওপৰতে নিৰ্ভৰ কৰিছে। যি থাকক কপালত; আমাৰ সকলো শক্তিৰে কমল-নগৰ ৰক্ষা কিৰবই লাগিব। আমাৰ প্ৰথম আৰু প্ৰধান কাজ হৈছে আমাৰ মানুহৰ ভিতৰৰপৰাই এটা সৈন্যবাহিনী গঢ়ি তোলা- তাৰ ভাৰ থাকিল তোমাৰ ওপৰত। তুমি এই মুহূৰ্তৰেপৰা মানুহ গোটোৱাত লাগি যোৱা। কমল-নগৰৰ প্ৰতিটো চুবুৰিৰ প্ৰতিজন বৰমূৰীয়াকে আদেশ কৰা যাতে আজি নিশাতে নিজৰ নিজৰ চুবুৰিৰ পোন্ধৰৰপৰা পঞ্চল্লিছ বছৰ বয়সৰ যিমান মানুহ আছে, সকলোকে লৈ তোমাৰ ওচৰত যেন হাজিৰ হয়হি। তুমিয়েই সিহঁতক শত্ৰু নহালৈকে, যি দুই-এদিন সময় পোৱা তাৰ ভিতৰতে যুদ্ধৰ ৰীতি-নীতি শিক্ষা দি একো একোটা আদৰ্শ সৈনিক কৰি গঢ়ি তুলিব লাগিব। আৰু শুনা... তাৰে ভিতৰত কুৰিজনমান সাহসী ডেকাক মোৰ এতিয়াই প্ৰয়োজন। এই ডেকাকেইজনক মই এতিয়াই দুভাগ কৰি দুফালে পঠাব খোজো-"

হঠাৎ লক্ষ্মীনাৰায়ণে বহাৰপৰা উঠি গৈ কোঠাটোৰ এমূৰে থকা ডাঙৰ এখন শৰাইৰ তলৰপৰা এখন সাঁচিপাত আৰু কাপ-মহি লৈ ওচৰত বহিলহি। প্ৰশ্ন কৰিলো— "শত্ৰুৱে আমাক বাৰু কোন ফালৰপৰা আক্ৰমণ কৰিব বুলি আপুনি অনুমান কৰে?"

Scanned with CamScanner

"ঠিক তাকেই মই তোমালোকক আঁকি দেখুৱাব খুজিছো চন্দন মইনা..."

লক্ষ্মীনাৰায়ণে কিছুসময় সাঁচিপাতত একান্ত মনে আঁকি গ'ল। তাৰ পাছত আমাৰ আগত ছবিখন থৈ ক'লে : "...আমাক শত্ৰুৱে আক্ৰমণ কৰিব পাৰে মাথোঁ তিনি ফালৰপৰা- প্ৰথম হৈছে ৰাজধানীৰপৰা কমল-নগৰলৈ অহা বাটেৰে, দ্বিতীয় হৈছে নদীয়েদি..কাঞ্চনমতীৰে উজাই আহি, আৰু তৃতীয় বাট হৈছে খেলমাটিৰ দক্ষিণ দাঁতিত থকা ওখ পৰ্বত দুটাৰ মাজেদি অহা পৰিত্যক্ত হাবিতলীয়া বাটটোৰেদি। মই যিমানদূৰ ভাবি পাইছো প্ৰথম আৰু দ্বিতীয়তকৈ তৃতীয়টোৰেই সম্ভাৱনা আটাইতকৈ বেছি। যদি ৰাজধানীৰ ফালৰপৰা আমাক আক্ৰমণ কৰিব খোজে, তেতিয়া হ'লে প্ৰথম ৰাজধানী আৰু কাষৰ প্ৰতিখন নগৰকে শত্ৰুৱে জয় কৰিব লাগিব, কিন্তু সি বৰ্তমান অসম্ভৱ। দ্বিতীয়তে, নদীয়েদি, সিও দেখিছো অসম্ভৱ, যেহেতু আমাৰ পশ্চিমলৈ কেইবাখনো সমৃদ্ধিশালী নগৰ কাঞ্চনমতীৰ দুয়ো পাৰেই আছে। সেই সকলো নগৰ জয় নকৰাকৈ শত্ৰুৱে আমাক আক্ৰমণ কৰিব নোৱাৰে। কিন্তু তৃতীয় বাটেদি যদি শত্ৰু আহে তেনেহ'লে বাটত শত্ৰুৱে কাৰোপৰাই অলপো বাধা নাপায়, কাৰণ আমাৰ দক্ষিণলৈ আৰু এখনো নগৰহে নালাগে সৰু গাঁও এখনো নাই। এনে কোনো ডাঙৰ নদীও নাই যে পাৰ হ'বলৈ অসুবিধা হ'ব পাৰে। এই বাটেদি নিৰ্বিঘ্নে শত্ৰু আহি আমাৰ বুকুৰ ওপৰত জঁপিয়াই পৰিব পাৰিব। গতিকে শত্ৰু যে এই বাটেদিয়েই আহিব সেই বিষয়ে মই নিঃসন্দেহ। আমাৰ সকলো শক্তি লৈ এইফালেই শত্ৰুক বাধা দিব লাগিব।

"পানীয়েদি অহা হ'লে আমি সিহঁতক বাধা দিবলৈ বেছি সুবিধা পালোহেঁতেন, এই বাটেদি সিমান সুবিধা নাপাওঁ। তথাপি এইকণেই আমাৰ আশা যে বাটটোৰ দুয়ো দাঁতিৰ পৰ্বত দুটা ওখ। পৰ্বতৰ গা বগাই আহিব নোৱাৰে, আহিলে বাটেদিয়েই আহিব লাগিব। ...আমি যদি বাটটোৰ মখত ওখ গড় বান্ধি ভেটা দিওঁ তেতিয়া হ'লে শত্ৰুক বাধা দিবলৈ বহুত সুবিধা পাম। মই ভাবিছো চন্দন মইনাক লগত লৈ মই নিজেই এই মুহূৰ্তৰেপৰা গড় বান্ধিবলৈ মানুহ লগাই দিম। মাত্ৰ দুই-চাৰি দিন হাতত সময় পাম, ইয়াৰ ভিতৰতে গড় বান্ধি উলিয়াব লাগিব-"

আপুনি যি কৰিব খুজিছে সেয়ে দেখিছো আটাইতকৈ ভাল ব্যৱস্থা হৈছে আৰু তেন্তে দেৰি কৰাৰ একো প্ৰয়োজন নাই... বাৰু, শত্ৰু ইয়াৰপৰা কিমান আঁতৰত আছে বুলি আপোনাৰ অনুমান হয়...?"

"সঠিক ক'ব নোৱাৰো- ৰাজধানীতে শুনা কথা-বতৰাৰপৰা এয়ে অনুমান হ'ল

Scanned with CamScanner

যে ইয়াৰপৰা পাঁচ-ছদিনৰ বাটতে সিহঁত আছে। তাকেই সঠিক জানিবলৈ মই সেই কুৰিজন ডেকাৰ কথা কৈছিলো। আজি নিশাতে মই সিহঁতৰ এভাগক কাঞ্চনমতীয়েদি ভটীয়াই যাবলৈ আৰু আন ভাগক এই পৰ্বতীয়া বাটেদি গৈ শত্ৰুৰ গতিবিধি সম্পৰ্কে আগ-বাতৰি আনিবলৈ পঠাব খোজো। শত্ৰুৰ বিষয়ে আগতেই জানিব পাৰিলে আমাৰ যে কিমানখিনি সুবিধা হ'ব তাক হয়তো বুজিছা। কাঞ্চনমতীয়েদি পঠিয়াবৰ একো প্ৰয়োজন নাছিল, তথাপি, সাৱধান হোৱা উচিত। ....এইবাৰ উঠা যাওক, বৰ্তমান এইখিনিকে আমি কৰো, তাৰ পাছত সময় বুজি আন আন সৰু বিষয়বোৰ আলোচনা কৰিব পাৰিম। চন্দন-মইনা তুমি আগবাঢ়ি গৈ দেৱমন্দিৰৰ বৰকাঁহখন বজাবলৈ আদেশ কৰাগৈ, আমিও তালৈকে গৈছো-”

তিনিও তৎক্ষণাত উঠিলো।

মই যেতিয়া দেৱমন্দিৰৰ সন্মুখ পাওঁগৈ তেতিয়া সন্ধ্যা লাগিছে। মন্দিৰৰ ভিতৰত সন্ধ্যা-আৰতি হৈছে— ধূপ-ধূনাৰ পৰিত্ৰ সৌৰভেৰে শঙ্খ-ঘণ্টাৰ ধ্বনিৰে চৌদিশ বিয়পি পৰিছে।

মন্দিৰলৈ উঠি যোৱা ওখ-বহল খটখটিটোৰ এদাঁতিয়ে, আছুতীয়াকৈ থোৱা ওখ বেদীৰ ওপৰত বৰকাঁহখন ত্ৰিশঙ্কুৰ দৰে শ শ বছৰ ধৰি ওলমি আছে। কোনো দিনেই তাৰ ব্যৱহাৰ হোৱা নাছিল...।

আনক বজাবলৈ আদেশ দিয়াৰ পৰিৱৰ্তে নিজেই তাৰ ওচৰত থকা কাঠৰ ডাঙৰ হাঁতুৰীটো তুলি লৈ গাৰ গোটেই শক্তিৰে কোব দিলো- ঢং! কাণ তালমাৰি যোৱা ভয়ংকৰ শব্দটো দূৰৈৰ পৰ্বতবোৰত খুন্দা খাই কঁপি কঁপি প্ৰতিধ্বনি কৰি উঠিল। মন্দিৰৰ ভিতৰত চম্পাৰ হাতৰ আৰতিৰ পঞ্চপ্ৰদীপ মাটিত পৰি ঝন্ ঝন্ শব্দ কৰি ভাঙি চূৰমাৰ হৈ গ'ল।

আজি বৃহস্পতিবাৰ- প্ৰতি বৃহস্পতিবাৰেই চম্পাই লগত ৰমা-বাধাহঁতক লৈ মন্দিৰত সন্ধ্যা আৰতি কৰেহি।

কৰকাঁহৰ শব্দত পুৰোহিতকে আদি কৰি গোটেইবোৰেই মন্দিৰৰ বাহিৰলৈ ওলাই আহিল। মই কিন্তু কোনোফালেই ভ্ৰূক্ষেপ নকৰি সমানে কোবৰ পাছত কোব দিছো— ঢং-ঢং-ঢং-। কিন্তু পাছমুহূৰ্ততে মোৰ হাতত ধৰি এজনে বাধা দিলেহি ঃ “দাদা, এয়া তুমি কি কৰিছা?”

“কোন? চম্পা!” পুনৰ হাতুৰীটো তুলি লৈ মৰাৰ আগতেই চম্পাই আকৌ বাধা দি চিঞৰি উঠিল— “দাদা! তোমাক কিহে পালে? তুমি জানো নাজানা যে অকল কমল-নগৰৰ বিপদৰ সময়তে এই বৰকাঁহ বজাব লাগে?”

Scanned with CamScanner

"জানো চম্পা, আজি কমল-নগৰৰ সেই বিপদ দেখিয়ে বজাইছো। চাওঁ তই অলপ আঁতৰত থাক, এতিয়াই সকলো শুনিবলৈ পাবি।"

আকৌ কোবৰ পাছত কোব দিছো— ঢং-ঢং-ঢং-

অলপ পাছতে অশোক আৰু লক্ষ্মীনাৰায়ণো পালেহি। আৰু মই চাই থাকোঁতেই গোটেই কমল-নগৰৰ আকাশ-বতাহ মানুহৰ খলকনিত, কোলাহলত মুখৰিত হৈ উঠিল। সকলোবোৰেই উধাতু খাই লৰি আহিছে মন্দিৰৰ সন্মুখলৈ সকলোৰে মুখত একেটাই প্ৰশ্ন, কি হৈছে? কি হৈছে?

অলপ সময়ৰ ভিতৰতে মন্দিৰৰ চাৰিওকাষৰ বহল চোতালবোৰ কমল-নগৰৰ নাগৰিকৰে ভৰি পৰিল। বুঢ়াৰপৰা সৰু সৰু ল'ৰা-ছোৱালীলৈকে, কোঁচত কেঁচুৱা লৈ কি তিৰোতা, কি আলৰ বুঢ়া কোনোৱেই নহাকৈ নাথাকিল।

মোক আৰু অশোকক লগত লৈ লক্ষ্মীনাৰায়ণ ডাঙৰীয়াক মন্দিৰৰ খট্‌খটিৰ সবাতোকৈ ওখ ঢাপটোত থিয় হোৱা দেখি মুহূৰ্ততে চাৰিওফালৰ গুঞ্জন ধ্বনি বন্ধ হৈ গ'ল। কাঁহপৰি জীণ যোৱা নিস্তব্ধতাৰ মাজত সকলোৱে শুনাকৈ লক্ষ্মীনাৰায়ণে যিখিনি কথা ক'লে তাক শুনি, চিৰআনন্দত মতলীয়া কমল-নগৰৰ প্ৰতিখন অন্তৰেই ভয়, দুঃচিন্তা, হতাশাত স্তব্ধ হৈ গ'ল। তথাপি লক্ষ্মীনাৰায়ণে সকলোকে ভৰসা দিলে। অশোকে উদগনি দিবলৈ চিঞৰি চিঞৰি ক'লে—

"কমল-নগৰৰ সন্মুখত আজি ঘোৰ বিপদ- শত্ৰুৱে আমাক আক্ৰমণ কৰিবলৈ আহিছে। ...শ শ বছৰ শান্তিত থকা আমাৰ এই সোণৰ জন্মভূমিক যি শত্ৰুৱে অশান্তিত জ্বলাই তুলিব খুজিছে তাক আমি আমাৰ বুকুৰ তেজ দি হ'লেও প্ৰতিৰোধ কৰিব লাগিব। আমাৰ সহায় নাই, সাৰথি নাই। তথাপি আমি শত্ৰুক বিনা বাধাত কমল-নগৰত সোমাবলৈ দি আমাৰ জন্মভূমিক অপবিত্ৰ কৰিবলৈ কেতিয়াও নিদিওঁ। আমি যুঁজ দিম- আমি শৰীৰত শেষ বিন্দু তেজ থকালৈকে যুঁজিম। বিদেশীৰ দাসত্বতকৈ মৃত্যু লক্ষ গুণে শ্ৰেয়। শত্ৰু আমাতকৈ পৰাক্ৰমী হ'ব পাৰে, কিন্তু সিহঁতে নাজানে কমল-নগৰৰ কি ল'ৰা, কি ছোৱালী সকলোৰে তেজৰ শক্তি কিমান- কি দুৰ্জেয় মনৰ সাহ! সিহঁতকো আমি উচিত শিক্ষা দিম। ...যিডোখৰ মাটিৰ অমৃত পান কৰি জন্মৰপৰা আমি বাঢ়ি উঠিছো, সেই মাটিৰ সন্মান আমি আমাৰ জীৱন দিও ৰক্ষা কৰিম- এয়ে আমাৰ প্ৰতিজ্ঞা। ...ইমান দিন আমি সুখনিদ্ৰাত মগ্ন আছিলো, এইবাৰ সাৰ পাই উঠিবৰ হ'ল। আমাৰ সন্মুখৰ এই ঘোৰ বিপদত আমাৰ কৰ্তব্য সকলোৱে কঁকালত টঙালি বান্ধি এই মুহূৰ্তৰেপৰা ভাগে ভাগে কামত লাগি যোৱা; আমাৰ নিজৰ জন্মভূমিক আমি ৰক্ষা নকৰিলে

Scanned with CamScanner

কোনে কৰিব? মই জানো, আমি সকলোৱে আমাৰ সোণৰ কমল-নগৰক প্ৰাণতকৈয়ো বেছি ভাল পাওঁ। সেই ভালপোৱাৰ মৰ্যাদা ৰাখিবৰ সময় আহিছে আজি। কি পুৰুষ, কি নাৰী, কি ল'ৰা, কি ছোৱালী, আশী বছৰীয়া বুঢ়াৰপৰা দহ বছৰীয়া ল'ৰালৈকে সকলোৱে সকলো ৰকমৰ সুখ-আৰাম পৰিহাৰ কৰি এতিয়াৰেপৰা নিজ নিজ কামত লাগি যাওক। আৰু এটি মুহূৰ্তও অবাবতে নষ্ট কৰিব নোৱাৰি। মই, লক্ষ্মীনাৰায়ণ ডাঙৰীয়া, আৰু চন্দন তিনিও এতিয়াই কমল-নগৰৰ প্ৰতিটো চুবুৰিৰ বৰমূৰীয়াসকলৰ যোগেদি আমি কি কৰিব খোজো আৰু প্ৰত্যেকৰে কাৰ কি কৰ্তব্য জনাই দিম...।"

অশোকে কোৱা মতেই বৰমূৰীয়াসকলক লগত লৈ আমি তিনিও অতি সুশৃঙ্খলভাৱেই সকলোৰে মাজত বিবিধ কাৰ্যভাৰ ভগাই দিলো। প্ৰত্যেকেই নিজৰ নিজৰ কাম বুজিলৈ আৰু এখন্তেকো অপেক্ষা নকৰি দিহাদিহি, মতা-তিৰোতা সকলোৱেই দলে দলে ভাগ হৈ ওলাই গ'ল।

মাত্ৰ অধাঘণ্টাৰ আগতে যি মন্দিৰৰ চাৰিওদিশ, হেজাৰ হেজাৰ মানুহৰে ঠাহ খাই উঠিছিল, মই চাই থাকোঁতেই, কমল-নগৰৰ বুকলৈ নামি অহা আন্ধাৰৰ মাজত, কৰ্মব্যস্ততাত চঞ্চল হাজাৰ হাজাৰ মৌ-মাখিৰ দৰে মানুহৰ হাতৰ বন্তিৰ পোহৰে চৌদিশ বিয়পি গ'ল।

মন্দিৰ এৰি সকলোৱেই, আনকি অশোকো গ'ল নিজৰ কামলৈ, মাথোঁ তেতিয়ালৈকে তেনেভাৱেই ছিৰিৰ ওপৰত থিয় হৈ ৰলো মই, লক্ষ্মীনাৰায়ণ আৰু চম্পাকে আদি কৰি কেইবাগৰাকী গাভৰু।

লক্ষ্মীনাৰায়ণৰ ফালে চাই কলো— "এইবাৰ আমিও যাওঁ বলক..."

লক্ষ্মীনাৰায়ণে কিন্তু মুখেৰে নামাতি মাথোঁ একেথৰে মোৰ মুখলৈ চাই ৰ'ল। ভাবিলো হয়তো মোক কিবা ক'ব খোজে, কিন্তু বহুত সময়ৰ নিস্তব্ধতাৰ পাছতো যেতিয়া একো নক'লে বাধ্য হৈ আকৌ ময়েই সুধিলো— "মোক কিবা ক'ব খোজে?"

তথাপি লক্ষ্মীনাৰায়ণে মুখেৰে নামাতিলে, মোৰ মুখলৈ একেভাৱে চাই ৰ'ল। কি হ'ল। কি ভাবিছে লক্ষ্মীনাৰায়ণে? কিন্তু পাছমুহূৰ্ততে হঠাৎ মোক দুটা শক্তিশালী বাহুৰে আঁকোৱালি ধৰি মোৰ মুখখন টানি নিলে নিজৰ বুকুলৈ। বিমূঢ় হৈ গলো, বাধা দিয়া দূৰৰ কথা, লাজত মূৰটো ঘূৰাই যোৱা যেন লাগিল। ইমানবোৰ গাভৰুৰ সন্মুখতে মোক যে লক্ষ্মীনাৰায়ণ ডাঙৰীয়াই এনেভাৱে অপ্ৰস্তুত কৰিব, তাৰ বাবে অলপো প্ৰস্তুত নাছিলো। ভাবি নাপালো হঠাতে কি হ'ল? কমল-নগৰৰ এই

বিপদৰ সময়ত মোৰ প্ৰতি লক্ষ্মীনাৰায়ণে দুৰ্বলতা প্ৰকাশ কৰি এনেকৈ সময় নষ্ট কৰাৰ কি হেতু থাকিব পাৰে? কিন্তু ইয়াৰ মাজতো এবাৰ নভবাকৈ থাকিব নোৱাৰিলো, অলপ আগতে কন্দুৱাই থৈ অহা গৌৰীয়ে আমাক এই অৱস্থাত দেখা হ'লে কি ভাবিলেহেঁতেন?

মই যে চম্পাহঁতৰ আগতে এই অৱস্থাত পৰি লাজ পাইছো তাক নাভাবি লক্ষ্মীনাৰায়ণে মোৰ মূৰত হাত বুলাই ভঙা ভঙা মাতেৰে কৈ গ'ল ঃ "...তোমাক মই কি কম চন্দন মইনা! আজি বাৰে বাৰে মোৰ মনত পৰিছে তোমাৰ দেউতাৰালৈ.... এই কমল-নগৰ তেখেতেই মোৰ হাতত তুলি দি গৈছিল। অন্তিম সময়ত দেউতাৰাৰ হাতত ধৰি মই প্ৰতিজ্ঞা কৰিছিলো কমল-নগৰৰ সৌন্দৰ্য, কমল-নগৰৰ সমৃদ্ধি, কমল-নগৰৰ হাজাৰ হাজাৰ নৰ-নাৰীৰ সুখ-শান্তি চিৰদিনলৈ ৰক্ষা কৰিম। আজি কিন্তু মোৰ ভয় লাগিছে। পৰ্বত প্ৰমাণ শক্তিশালী বিজতৰীয়া শত্ৰুক মই কিহেৰে বাধা দিম। কেনেকৈ মোৰ সোণৰ কমল-নগৰক- তাৰ সুন্দৰ সুন্দৰ প্ৰাণীবোৰক ৰক্ষা কৰিম? নিজক আজি ইমান অসহায় লাগিছে, আজি যদি তোমাৰ দেউতাৰা ওচৰত থাকিলহেঁতেন!"

ব্যস্ত হৈ লক্ষ্মীনাৰায়ণক বাধা দিলো— "সেইবোৰ কথা আপুনি ভাবিছে কেলৈ? দেউতাৰ পৰিৱৰ্তে আজি আপোনাৰ ওচৰত মই আছো, অশোক আছে আৰু আমাৰ দৰে কমল-নগৰৰ প্ৰতিজন মানুহেই আপোনাৰ সহায়, মাথোঁ আপুনি আদেশ কৰক আমি কি কৰিব লাগে....।"

"মই জানো চন্দন মইনা, কমল-নগৰৰ প্ৰতিটো প্ৰাণীয়েই নিজৰ জন্মভূমিক ভালপায় তাৰ কাৰণে সকলোৱেই যেই কোনো কষ্টৰে সন্মুখীন হ'বলৈ প্ৰস্তুত। তথাপি ভাবিলে বুকু কঁপি উঠে, খেলমাটিৰ যিডোখৰ ঠায়ে এদিন মাথোঁ ম'হৰ তেজেই দেখিছিল সেই ঠায়েই তোমাৰ নিচিনা কুমলীয়া তৰুণৰ বুকুৰ তেজেৰে ৰাঙলী হৈ উঠিব..."

"আপুনি মিছাতে সেইবোৰ ভাবিছে- আৰু সঁচাই যদি সেয়ে হয় তাত ক্ষতি কি? নিজৰ জন্মভূমিৰ কাৰণে, কমল-নগৰৰ সন্মানৰ অৰ্থে প্ৰকৃত বীৰৰতো সেয়ে ধৰ্ম। ....ব'লক, এইবোৰ কথা পতাৰ সময়ো নহয় উচিতো নহয়..."

লাহে লাহে মোক মুক্ত কৰি লক্ষ্মীাৰায়ণে ক'লে— "ঠিকেই কৈছা চন্দন মইনা, ব'লা, এতিয়াৰেপৰা তুমি মোৰ ওচৰে ওচৰে থাকিবা, তোমাৰ গাত তোমাৰ দেউতাৰাৰ তেজ আছে সিয়েই মোক প্ৰেৰণা দিব, মনত বল পাম, তাৰ বাহিৰেও চন্দন, তোমাক মই হেৰুৱাব নোখোজো। তোমাৰ ওপৰত মোৰ বহুত আশা, বহুত ভৰসা, আৰু অশোক... থাওক বাৰু সেইবোৰ, ব'লা-"

মোৰ হাতত ধৰি লক্ষ্মীনাৰায়ণে খট্‌খটিয়েদি নামি আহিল, কিন্তু আকৌ বাধা পৰিল ঃ

"শুনা চন্দন।"

পাছফালে ঘূৰি চাই দেখো আমাৰ নিচেই ওচৰতে উমা। অকল উমাই নহয়, গৌৰী, চম্পা, ৰাধা সকলোবোৰেই আমালৈকে চাই আছে। অলপ আগতে যি ভাবছিলো সেয়েই হ'ল। সকলোৰে লগত সঁচাকৈয়ে গৌৰীয়েও মোক তেনে অৱস্থাতেই দেখিলে। আমাৰ সকলো কথা হয়তো শুনিলেও।

"চন্দন, তুমি আগতে এবাৰ ঘৰৰপৰা আহাগৈ। তোমাকে চম্পাকে সোনকালে ঘৰলৈ যাবলৈ মাহীদেৱে লিখি পঠাইছে..."

"নবৌ, তুমি বলিয়া হৈছা নেকি? এতিয়া মইনো বাৰু ঘৰলৈ কেনেকৈ যাব পাৰো? যাব নোৱাৰো বুলি তুমি আকৌ লিখি পঠোৱা..."

"নহয়, নহয় চন্দন। মই জানো আমাৰ সকলোৰে এতিয়া আৰু এটা মুহূৰ্তও নষ্ট কৰা উচিত নহয়, তথাপি তুমি এতিয়াই এবাৰ ঘৰৰপৰা আহাগৈ। গোটেই দিনটো মাহীদেৱে বৰ চিন্তাত কটাইছে, আৰু তাৰ উপৰিও এতিয়াই এবাৰ গৈ নাহিলে পাছত হয়তো যাবলৈ সময়েই নাপাবা..."

"নাপালে নাপাম, সেইবুলি মই এতিয়া ঘৰলৈ যাব নোৱাৰো-" ঘূৰি লক্ষ্মীনাৰায়ণক কলো— "ব'লক আমি যাওঁ-"

লক্ষ্মীনাৰায়ণে কিন্তু যোৱাৰ আগ্ৰহ অলপো নেদেখুৱালে, "নহয় ৰবা, উমা আয়ে ঠিকেই কৈছে। মই সেই কথা একেবাৰেই পাহৰিছিলো, তুমি এবাৰ মাৰাক দেখা কৰি অহাই উচিত হ'ব..."

উমাই তৎক্ষণাত চিঠি এখন লক্ষ্মীনাৰায়ণৰ হাতত দি ক'লে, "আপুনিয়েই কওকচোন, এইখন চিঠি পাই মইনো বাৰু কেনেকৈ চন্দনক থাকিবলৈ ক'ব পাৰো?"

চিঠিখন পঢ়ি লক্ষ্মীনাৰায়ণে খন্তেকলৈ স্তব্ধ হৈ ৰ'ল।

"...আচৰিত; আমাৰ বিপদৰ কথা আমি কোনেও এবাৰ ভবাৰ আগতেই বকুলপুৰত থাকিও পাৰ্বতীয়ে জানিব পাৰিছে। চন্দনৰ মাজত কমল-নগৰৰে অমংগল দেখিছে..."

Scanned with CamScanner

“যাম, তোমাৰ কাৰণে নহ’লেও মোৰ নিজৰ কাৰণেই মই যাব লাগিব। ভাবিছিলো কাইলৈ পুৱাতে যাম, কিন্তু আজি এই বাতৰি পাই আৰু এটা মুহূৰ্তও ৰব নোৱাৰি। এতিয়াই যাব পাৰিলে কালি পুৱাৰ ভিতৰতে বকুলপুৰৰ সকলো শক্তি গোটাই লৈ উভতি আহিব পাৰিম। কাম যে এতিয়া আমাৰ বহুত বাঢ়িল দাদা! ইয়াতো— বকুলপুৰতো..বকুলপুৰত যিটো ডাঙৰ বৰটোপ্ আছে তাক অনাবলৈ দিহা কৰিব লাগিব। তাত যিমানবোৰ ডেকা ল’ৰা আছে, যিমান ৰকমৰ অস্ত্ৰ-শস্ত্ৰ আছে, সকলো গোটাই-মেলি আনিব লাগিব। মোৰ সমবয়সীয়া যিমানবোৰ ছোৱালী আছে সিহঁতকো লগতে আনিব লাগিব। এই সকলো কাম মই অকলেই পাৰিম, কিন্তু তথাপি তুমি যোৱা আৰু মই যোৱা দুয়োটা একে নহয় দাদা, অন্ততঃ জেঠাইদেউৰ ওচৰলৈ। তাতকৈ আমি দুয়ো বৰঞ্চ একেলগেই যাওঁ ব’লা, তোমাৰ দৰে যে আমাৰো ঢেৰ কাম এতিয়া বাঢ়িল.....”

আশা কৰি চম্পাক অনুৰোধ কৰিলো, কিন্তু তায়ো ঘূৰি যাবলৈকে কোৱাত খঙেৰেই কলো, “কি তোৰ এনে ঢেৰ কাম আছে চম্পা?”

“কিয়? ইস্ তুমি যেনেকৈহে কথা কৈছা যেন কমল-নগৰখন অকল তোমালোকৰে। তাৰ কাৰণে তোমালোকে শত্ৰুৰ লগত যুঁজ কৰিবা আৰু আমি হাত সাৱটি বহি থাকিম? শুনা, আমাৰ কৰ্তব্য হৈছে তোমালোকে সময়মতে সদায় যিবোৰ ঘৰুৱা কাম কৰি আহিছিলা এতিয়াৰেপৰা যে সেই সকলোবোৰ আমিয়েই কৰিব লাগিব। তাৰ উপৰিও তোমালোকক সময়মতে আহাৰ যোগোৱা, যেতিয়াই যিটো বস্তুৰ দৰকাৰ তাক হাতত তুলি দিয়া, বিপদৰ সময়ত সহায় কৰা, শুশ্ৰূষা কৰা, প্ৰয়োজন হলে যুঁজৰ ঠাইতো তোমালোকৰ কাষত থিয় দিয়া— সেই সকলো কামৰ কাৰণেই এতিয়াৰেপৰা আমিও যে প্ৰস্তুত হ’ব লাগিব.... ব’লা যাওঁ, আৰু বেলি কৰি লাভ নাই নহয়নে উমা বাইদেউ....?”

“নিশ্চয় চম্পা, দাদাৰক এবাৰ কোৱাচোন যে মাকৰ প্ৰতিও সন্তানৰ এটা কৰ্তব্য আছে, বিশেষকৈ যি গৰাকী মাকৰ একেটিয়েই সন্তান....”

মোলৈ চাই ক’লে— “সঁচাকৈয়ে কৈছো চন্দন, বকুলপুৰৰপৰা সোনকালে ঘূৰি আহি তুমি নিজেই নিশ্চিন্ত হৈ কামত লাগি যাব পাৰিবা। এতিয়াই এবাৰ নগ’লে সকলো সময়তে মনটোত এটা খু-দুৱনি লাগিয়েই থাকিব, আৰু সিফালে মাহীদেৱেও অবাবতে কষ্ট পাব....”

“দেশ মাতৃতকৈ এগৰাকী মাতৃৰ কষ্টটোহে ডাঙৰ দেখিলা নবৌ?”

“নাই দেখা, কিন্তু সেই সকলোৰে সুখৰ কাৰণেইতো দেশ, নহ’লেনো কাৰ কাৰণে...”

Scanned with CamScanner

চেনেহৰ নাগপাশত বন্দিনী অন্ধ উমাৰে সৈতে তৰ্ক কৰা বৃথা; দেখিলো আমাক এৰি লক্ষ্মীনাৰায়ণে চম্পাৰ কাষলৈ গৈ তাইৰ মূৰত হাতখন থলে।

“চম্পা আই মোৰ, তয়েই ধন্য; এই বিপদৰ মাজত তোৰ ধৈৰ্য, তোৰ দূৰদৰ্শিতা দেখি তোৰ ওচৰত মোৰ মূৰ দোঁৱাবৰ মন গৈছে। যিবোৰ কথা আমি এতিয়ালৈকে ভাবিব পৰা নাই অথচ ভবা আটাইতকৈ বেছি প্ৰয়োজন, তই তাক সকলো কথা এৰি প্ৰথমেই ভাবিছ... বৰটোপৰ কথা, অস্ত্ৰ-শস্ত্ৰৰ কথা, দেখিছা চন্দন মইনা, তুমি, অশোকে মোক যি দিব নোৱাৰিছিলা তাক মই পাইছো চম্পাৰ ওচৰত, মোৰ আৰু অলপো ভয় নাই চম্পা।”

লাজ পাই চম্পা ব্যস্ত হৈ উঠিল— “নাই, নাই, আপুনি মোক মিছাতে প্ৰশংসা কৰিছে, এতিয়া প্ৰশংসাৰ সময় নহয়... যিদিনা শত্ৰুক জয় কৰি বিজয়ৰ গৌৰৱ লৈ যুঁজৰ ঠাইৰপৰা আপোনালোক উভতি আহিব সেইদিনালৈ সকলো তুলি থওক, এতিয়া বৰঞ্চ দাদাক কওক মোক বকুলপুৰলৈ লৈ যাবলৈ....”

“বাৰু আই সেয়ে হওক, ভগৱানে যেন সেই দিন দিয়ে। চন্দন মইনা, তুমি আৰু পলম নকৰিবা, মই যাওঁ, তুমি নহালৈকে ময়েই সকলো দিহা দিওঁগৈ যোৱা।”

উমাই মাত লগালে— “তিলক!”

“আইদেউ।”

“মতি ক’ত তিলক? মই তাক সাজু হৈ আহিবলৈ কৈছিলো নহয়?”

“মই সাজু হৈয়ে আহিছো আইদেউ....” আন্ধাৰ হৈ থকা পদূলিমূৰৰপৰা মতিয়ে দেখা দিলেহি।

“তহঁত দুয়ো চম্পা আইদেউ আৰু চন্দন বোপাৰ লগত যা....”

সুধিলো— “মতিক আকৌ কেলৈ?”

“দৰকাৰ আছে, সিও তোমালোকৰ লগত যাব...”

তৰ্ক নিৰৰ্থক জানি চম্পালৈ ঘূৰি চালো ঃ “চম্পা, তই পিছে কিহত যাবি?”

Scanned with CamScanner

এই আয়োজন মোৰ অলপো মনপুতঃ হোৱা নাই, তথাপি আৰু আপত্তি কৰিব নোৱাৰি। উমাক হাঁহি কলো— "নবৌ, তোমালোকৰ আজিয়েই যি মন যায় কৰি লোৱা, কালিলৈ পুৱাৰপৰা মই আৰু কাকো অনুৰোধ নকৰো, আদেশ কৰিম, মনত ৰাখিবা-"

পাছমুহূৰ্তত ঘোঁৰাৰ ওপৰত উঠি হাত মেলি চম্পাকো তুলি ললো। "ভালকৈ ধৰিবি আৰু শুন, বাটত পৰি গ'লে আকৌ তুলি লবলৈ সোঁৱৰাই দিবি, বুজিছ....!"

চম্পাই হাঁহি মোক সাৱটি ধৰি ক'লে— "বাৰু সেয়ে হ'ব, এতিয়া ব'লা যাওঁ..."

চকু দুটা আপোনা আপুনি এবাৰ গৌৰীৰ মুখলৈ গ'ল। মন কৰিলো চম্পায়ো গৌৰীলৈকে চাইছে, গৌৰীয়েও আমালৈকে চাইছে, বাকী সকলোবোৰেই চাইছে, তথাপি তাৰ মাজত যেন অলপ পাৰ্থক্য থাকি গ'ল।

খন্তেকতে সকলোৰে চকুৰ আঁৰ হৈ আমি চাৰিও আন্ধাৰৰ লগত মিলি গলো। উমাই মোক চিঞৰি কোৱা শুনিলো— "চন্দন, অলপ সাৱধানে যাবা, আন্ধাৰ বাট.... আৰু চম্পাক নেপেলাবা..."

কমল-সৰোবৰ নোপোৱালৈকে মনে মনেই আহিলো। মতি আৰু তিলক আমাৰ অলপ আগে আগে গৈছে। ক্ৰমাৎ ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিছো, বাধ্য হৈয়ে কোবেৰে যাব পৰা নাই, চম্পা পাছফালে আছে। তায়ে প্ৰথম কথা আৰম্ভ কৰিলে "বেচেৰি উমা বাইদেউৰ কাৰণে বেয়া লাগে.... আমাক লৈ কিমান চিন্তা; ইমান নিঃস্বাৰ্থভাৱে কেনেকৈ বাৰু সকলোকে এনেদৰে ভালপাব পাৰে....? মুখেৰে নামাতিলো, অলপ সময় মনে মনে থাকি তাই আকৌ কৈ গ'ল ঃ "আমাক এনেকৈ অহাত আন কোনেও একো নাভাবিলেও এজনে যে ভাবিছে সি সঁচা-"

"কি ভাবিছে-?"

"তোমাৰ পাছফালে বহি তোমাক এনেকৈ ধৰিবৰ মোৰ অধিকাৰ আছে নে নাই তাক-"

"কোনে বাৰু?"

"প্ৰশ্নটো নিজকে সুধি চোৱা, নে আনৰ মুখত নামটো শুনি বেছি ভাল লাগে?"

"তই বৰ দুষ্ট; কোনে কেতিয়া কি ভাবিছে তই হব পায় সেইবোৰেই বেছিকৈ চাৱ?"

"মই বাৰু দুষ্ট দেখি চাইছিলো, কিন্তু তুমি চাইছিলা কিয়?"

"তই কেনেকৈ জানিলি-"

"ঠিক তুমি যেনেকৈ মোৰটো জানিলা-"

মনে মনে থাকিলো। খন্তেক পাছত নিজক কোৱাৰ দৰেই চম্পাই কৈ গ'ল— "মানুহৰ মনবোৰ সঁচাই কি অদ্ভুত। তুমি মোক তুলি লোৱাৰ লগে লগে মই প্ৰতিখন মুখ লক্ষ্য কৰিছিলো, কি দেখিলো কম? ঠিক সেই মুহূৰ্তত মই যি ভাবিছিলো, লক্ষ্মীনাৰায়ণ ডাঙৰীয়া আৰু উমা বাইদেউৰ বাহিৰে বাকী সকলোৱে তাকেই ভাবিছিল। উমা বাইদেউৱে ভবা নাছিল যিহেতু সেই সময়ত জেঠাইদেউৰ কাৰণেই বেছি ব্যস্ত আছিল। লক্ষ্মীনাৰায়ণে তাতোকৈ ডাঙৰ কথা এটা ভাবিছিল, কিন্তু গৌৰী, ৰমা, ৰাধা আনকি তুমিও, মই যি ভাবিছিলো তাকেই ভাবিছিলা-"

"কি?" প্ৰশ্ন কৰিলো।

"থাওক, সেই কথা মোৰ মুখত নুশুনিলাই যেনিবা, আৰু সি ভনীয়েকে ককায়েকক কোৱা কথাও নহয়" ....অলপ ভাবি আকৌ ক'লে "দেশ এখনৰ মানুহবোৰৰ ওপৰত আধিপত্য কৰিবলৈ যেনেকৈ এজন ৰজা থাকে আৰু এই ৰজাৰ ওপৰত আধিপত্য কৰিব পৰা ভগৱানো থাকে, ঠিক তেনেকৈ মানুহৰ সকলো অংগ-প্ৰত্যংগৰ ওপৰত- প্ৰত্যেক ৰিপুৰ ওপৰত আধিপত্য কৰিবলৈ আন এজন ৰজাও থাকে। ...মানুহৰ মনটোৱেই হ'ল মানুহৰ দেহটোৰ ৰজা, কিন্তু এই ৰজাৰ ওপৰত আধিপত্য কৰিব আনকি ভগৱানেও নোৱাৰে। কি ভাল কি বেয়া, সকলোৰে সীমা পাৰ হৈয়ো ভাবিব পৰা অবাধ স্বাধীনতা তাৰ সীমাহীন- তাৰ ওপৰত কৰ্তৃত্ব কৰিব পৰা শক্তি তোমাৰ নাই, মোৰ নাই, কাৰোৱেই নাই....?"

"বলিয়াৰ দৰে কি বলকিছ...?"

মোৰ কথা ভ্ৰূক্ষেপ নকৰি চম্পাই কৈ গ'ল— "...মোৰ বোধেৰে তাৰ বাবে মনটোক দায়ী কৰা উচিত নহয়, সি মনৰ স্বাভাৱিক ধৰ্ম-তাত আমি লাজ পাবৰে বা কি আছে? তুমি হয়তো মনটোক ডবিয়ালা- 'ছি সেইবোৰ ভবা মোৰ অন্যায়, সি মাথোঁ নিজক সান্ত্বনা দিবলৈ- অৱশ্যে এই সকলোবোৰ ঘটে কেইটামান মুহূৰ্তৰ কাৰণে। পাছলৈ মনত এটা ক্ষুদ্ৰ দাগো নাথাকে, অকল তোমাৰেই নহয়- ৰমা, ৰাধা সকলোৱে লগত মোৰো। প্ৰভেদ মাথোঁ তোমালোকে অব্যক্ত ৰাখা নিজক প্ৰতাৰণা কৰিবলৈ আৰু মই স্পষ্ট ব্যক্ত কৰিবলৈ লাজ নাপাওঁ..."

মনৰ এই সত্য অনুভূতিবোৰক ইমান স্পষ্টভৱে চম্পাই কৈ পেলোৱাত বিবুদ্ধি হৈ আকৌ ডবিয়ালো "এইবোৰ কাৰ মূৰ বলকিছ চম্পা?"

মোৰ কথা আওকাণ কৰি তাই বেলেগ কথাৰ অৱতাৰণা কৰিলে, "দাদা, তোমাক মই হেৰুৱাব নোখোজো, তোমাৰ ওপৰত মোৰ বহুত আশা, বহুত ভৰসা..."

Scanned with CamScanner

এই এইবোৰ কয় কি? চম্পালৈ ঘূৰি চোৱাত তাই হাঁহি উঠিল ঃ

"...... মোৰ নহয়, লক্ষ্মীনাৰায়ণে কিয়নো তোমাক তেনেকৈ কৈছিল তাৰ কথাহে কৈছো-"

"জানো মোৰ আই, মই ক'ব নোৱাৰো, আৰু সকলোৰে সন্মুখত মোক তেনেভাৱেই বা কিয় ধৰিছিল ভাবি পোৱা নাই। হয়তো দেউতাৰ কথা মনত পৰি-"

"সি আংশিক সঁচা, কিন্তু আশা-ভৰসা কি নুবুজিলা? মই কিন্তু বেছ বুজিছো-"

"তইতো সকলোৰে মনৰ সকলো কথাই বেছ বুজ দেখিছো-"

"সকলোৰে কথা মই কোৱা নাই, কৈছো লক্ষ্মীনাৰায়ণৰ কথা। তেখেতৰ কথাখিনি মোৰ ভাষাত আৰু অলপ স্পষ্ট কৰি ক'লে ঠিক কেনে হ'ব শুনিবানে? নে মোৰ ভাষাও নুবুজা তুমি।"

"বুজো, যেতিয়ালৈকে সি ভাষা হৈ থাকে, কিন্তু যেতিয়াই গোবৰ হৈ যায় তেতিয়াই নুবুজো-"

চম্পাই হাঁহিলে— "শুনা, তেখেতে ক'লেহেঁতেন... 'চন্দন মইনা, মোৰ একেটিয়েই সন্তান গৌৰী, তাইক তোমাৰ হাতত তুলি দি নিশ্চিত হ'ম, সেয়ে মোৰ আশা; কিন্তু আজি এই ঘোৰ সমস্যাই দেখা দিয়াত মোৰ ভয় হৈছে জানোচা মোৰ আশা পূৰ্ণ নহয়... কমল-নগৰৰ ভাগ্যৰ লগত যদি মোৰ নিজৰ জীৱনো যায় ক্ষতি নাই, কিন্তু তোমাৰ কাৰণেই মোৰ বেছি ভয়... মানে তুমিও যদি মৰি যোৱা...."

"চম্পা আৰু যদি কিবা কৱ ঠিক ঠেলা মাৰি পেলাই দিম। দেখিছো মই সোনকালে মৰিলেই তই ভাল পাৱ, নহয়?" তাৰ উত্তৰত চম্পাই মোক আৰু অলপ জোৰেৰে সাৱটি ধৰিলে। কিন্তু মুখেৰে ক'লে "পাওঁ।" হাঁহি সুধিলো— "কিয়?"

"কাৰণ সোনকালে মৰিলে সোনকালেই আকৌ জনম লব পাৰিবা, কিন্তু তোমাক এতিয়াই হলে সোঁৱৰাই থলো দাদা, এইবাৰ জনম ললে আকৌ..."

"কি আকৌ?"

"আকৌ মোৰ দাদা হৈয়ে যেন নোলোৱা, কাৰণ দাদা হোৱাৰ তুমি সম্পূৰ্ণ অযোগ্য-"

"কিহৰ কাৰণেনো যোগ্য? বন্দী নে বেটী...?"

গম্ভীৰ হোৱাৰ ভাও ধৰি চম্পাই ক'লে— "ওঁহো তুমি সেইবোৰৰ কাৰণেও অযোগ্য, ৰ'বা ভাবি চাওঁ..."

Scanned with CamScanner

খন্তেক অপেক্ষা কৰি সুধিলো— "ভাবি কি পাইছ?"

"ভাবি পাইছো, মুঠতে তুমি কোনো এটাৰ কাৰণেই যোগ্য নোহোৱা। ....থম্থম্ মদন গোপাল হৈ মাথোঁ মোৰ চকুৰ আগত বহি থকা কিবা এটাৰ যদি প্ৰয়োজন মোৰ কেতিয়াবা হয় তেন্তে তাকেই...পাইছো ৰ'বা"-

"কি?"

"শুনা, এইবাৰ জনম ললে তুমি যেন মোৰ মুৰলীধৰ হৈয়ে জনম লোৱা-"

চম্পাৰ কথাত বহুত সময়লৈকে মুখেৰে মাতিব নোৱাৰিলো। মনত পৰিল সেইদিনা পিৰালিত বহি কোৱা কথাবোৰ, আৰু মনত পৰিল সেই নিশাৰ সপোনৰ কথা। ধেমালিৰ চলেৰে চম্পাই ঢেৰ কথা কয়। ভাবি ভয় লাগে সি সঁচাই ধেমালি নে তাৰ মাজত সত্যৰো ছাঁ থাকে।

বোধকৰো মোৰ মনৰ অৱস্থা বুজিয়েই চম্পাই মাত দিলে— "ভাবিব নালাগে দাদা, ই ধেমালিয়েই হওক বা সঁচাই হওক, জীৱনত ইয়াৰ কাৰণে হা-হুতাশ কৰা অভ্যাস মোৰ কেতিয়াও নহয়। ...মূৰৰ ওপৰত থকা সৌ নীলা আকাশৰ লক্ষ লক্ষ তৰাবোৰলৈ চাই এই বিৰাট বিশ্বব্ৰহ্মাণ্ডক কল্পনা কৰি ভাবাচোন তোমাৰ মোৰ ক্ষুদ্ৰ মানুহ জীৱনৰ কথা! কিমান তুচ্ছ, কিমান ক্ষণস্থায়ী আমি। ইয়াৰ ভিতৰত হা-হুতাশ কৰিবৰ সময় ক'ত? ...বাৰু যি দুটা পৰ্বতৰ মুখত গড় বান্ধিব খুজিছা তাৰ টিঙলৈ উঠিবৰ সুবিধা আছে নে নাই?"

স্বীকাৰ কৰিবলৈ বাধ্য, চম্পাক মই বুজি নাপাওঁ। মনৰ অসংলগ্ন ভাববোৰ লৈ ইমান জঁপিয়াই জঁপিয়াই আগবাঢ়ে যে তাৰ পাছে পাছো যোৱাটো মোৰ পক্ষে অসম্ভৱ হৈ উঠে। কলো— "কমল-নগৰৰ ভিতৰফালৰপৰা উঠিবলৈ সুবিধা আছে, বাহিৰৰফালৰপৰা নাই। আলিটোৰ দুয়ো কাষেই থিয় গৰা কিন্তু পৰ্বতৰ টিঙত উঠিয়েই বা তই কি কৰিব খোজ চম্পা?"

"ৰিঙিয়াই স্বৰ্গত থকা ভগৱানক মাতিব খোজো- যিহেতু মই বিচাৰপ্ৰাৰ্থী, মোক বিচাৰ লাগে... গোসাঁইঘৰৰ মুৰলীধৰ অক্ষম, সেইদেখি..বাৰু দাদা তুমি ঠিক জানা? শত্ৰু যি বাটেদি আহিব সেই বাটেদি সেই থিয় গৰাবোৰৰ ওপৰলৈ উঠিব নোৱাৰে?"

"বতাহেদি উৰি নাহিলে উঠিব নোৱাৰে বুলিয়েইতো মোৰ বিশ্বাস-"

"শুনি সুখী হলো- বাটটো একেবাৰেই পোন নে অঁকোৱা-পকোৱা?"

ভাবি নাপালো চম্পাক কিয় ইমানবোৰ খবৰ লাগে? তাৰ উপৰিও মই নিজেই ভালকৈ নাজানো। লক্ষ্মীনাৰায়ণে অঁকা ছবিখন মনত পেলাই কলো— "বাটটো অঁকোৱা-পকোৱা আৰু বোধকৰো ঠায়ে ঠায়ে বহল, ঠায়ে ঠায়ে নিচেই ঠেক-"

Scanned with CamScanner

চম্পাই উৎসাহেৰে কৈ উঠিল- "সুন্দৰ হ'ব, মই যি বিচাৰিছিলো ঠিক তাকেই পাইছো, শুনা দাদা..."

তাৰ পাছত এঘণ্টা ধৰি চম্পাই যিখিনি কথা ক'লে সি চম্পাৰ কথা নহয়, তাইৰ সাঁথৰো নহয়, মোৰ কথা নহয়, গৌৰীৰ বিষয়েও নহয়- সি এক অভিনৱ উপায়েৰে শত্ৰু অহা বাটত ফান্দ পাতি শত্ৰুৰ পূৰা দলটোক বিছিন্ন কৰি দুৰ্বল অকৰ্মণ্য কৰি দিয়াৰ অপূৰ্ব কৌশল। মোৰ পিঠিত আঙুলিৰে আঁকি আঁকি চম্পাই মোক বুজাই দিলে। আলিটোৰ প্ৰতিটো পাকত ঠেক্ ঠাই চাই চাই দুটা চাৰিটা ডাঙৰ খাল খান্দি কৌশলেৰে খালবোৰৰ ওপৰত কৃত্ৰিম চাং বান্ধি মাটিৰে ঢাকি এনেভাৱে ৰাখিব লাগিব যাতে শত্ৰুৰ চকুত সি ধৰা নপৰে আৰু ওপৰেদি পাৰ হৈ গ'লেও একো বুজিব নোৱাৰে। চাংবোৰ দীঘল দীঘল পঘাৰে সৈতে বন্ধা থাকিব আৰু তাক হাবিৰ মাজে মাজে লুকুৱাই একেবাৰে পৰ্বতৰ টিঙলৈকে নি গছত বান্ধি থোৱা হ'ব। প্ৰতিখন চাঙৰ প্ৰায় পোনে পোনে দুয়ো পাৰৰে ওখ গৰাৰ ওপৰত ডাঙৰ ডাঙৰ শিল সাজু কৰি থব লাগিব...."

চম্পাক শেষ কৰিবলৈ নিদি অতি বুদ্ধিমানৰ দৰেই কলো— "তোৰ কথা মই বুজিছো চম্পা, কিন্তু দুটা বা চাৰিটা খাল খান্দি আৰু ওপৰৰপৰা শিল পেলাই পেলাই কেইটা শত্ৰু বধ কৰিব পাৰিবি...?"

মোক বাধা দি চম্পাই ক'লে— "প্ৰথমে শুনি লোৱাচোন মই কি ক'ব খুজিছো; তুমি এই বুদ্ধি লৈয়ে যুঁজ কৰিবলৈ যাব খুজিছা নহয়? শুনা, খাল আৰু শিলবোৰৰ প্ৰকৃত উদ্দেশ্য মানুহ মৰা নহয়, অৱশ্যে তাত যদি মৰিও থাকে আমাৰেই লাভ। আচল কথা হৈছে, শত্ৰু যেতিয়া আমাৰ গড়ৰ ফালে আগবাঢ়ি আহিব তেতিয়া আমি বাধা নিদিওঁ। ....ধৰা, যিখিনি শত্ৰুক আমাৰ সৈন্যই হেলাৰঙে বধ কৰিব পাৰিব ঠিক সিমানখিনি শত্ৰুৰ অংশ এটাক আমি পাৰ হৈ আহিবলৈ দিয়েই তৎক্ষণাত যিখন শেষ চাং তাৰ পঘা কেঁইডাল ওপৰত কাটি পেলাম। চাঙে সৈতে খালত পৰি যিবোৰ মৰে মৰিল, কিন্তু খালটোৰ প্ৰকৃত উদ্দেশ্য হৈছে, তাৰ দ্বাৰাই শত্ৰুৰ পূৰা দলটোক আমি দুভাগ কৰি পেলাব পাৰিম- শিলবোৰৰ প্ৰয়োজন এই কাৰণেই হ'ব যদি সন্মুখৰ অংশটোৰ লগত খালৰ সিপাৰে থকা অংশটো আকৌ যোগ হ'বৰ চেষ্টা কৰেহি আমি দুয়োটাৰে মাজত শিলবোৰ বগৰাই বাধা দিব পাৰিম আৰু লগে লগে শিলবোৰেৰেই বাটটো ভেটা দিয়া হৈ পৰিব। এতিয়া পাৰ হৈ অহা শত্ৰুৰ অংশটো আৰু কোনো ফালেই পলাবলৈ সুবিধা নাপাব। সিহঁতৰ সন্মুখত থাকিব আমাৰ গড়। দুয়ো দাঁতিয়ে ওখ গৰা পাছফালে খাল,

Scanned with CamScanner

আৰু যাব ক'লৈ? মুহূৰ্ততে আমাৰ দুগুণ সৈন্যই সিহঁতক ধ্বংস কৰি পেলাব পাৰিব। আলিটো অঁকোৰা-পকোৰা হোৱাত দূৰৈৰপৰা বৰটোপ লাগিও শত্ৰুৱে আমাক একো কৰিব নোৱাৰিব। ইফালে খাল্‌ৰ সিপাৰে শিল পেলাই সিহঁতক মাৰিব পাৰিম। এনেকৈ প্ৰতিখন চাং ভাঙি ভাঙি গড় পোৱালৈকে কিমান শত্ৰুক আমি ধ্বংস কৰিব পাৰিম ভাবি চোৱা...''

মই মুখেৰে মাতিব নোৱাৰিলো। এই অতি সাধাৰণ সহজসাধ্য কৌশলটো যে ইমান অমূল্য হ'ব পাৰে ভবাও নাছিলো। চম্পাৰ তীক্ষ্ণ বুদ্ধিৰ ওচৰত হাৰ মানিলো। মোৰ কৰ্তব্যৰ কথা সোঁৱৰাই বকুলপুৰলৈ আহিব নুখুজিছিলো, এতিয়া ভাবি লাজ লাগিছে, এনে এটা সময়োপযোগী অপূৰ্ব কৌশল হাজাৰ চেষ্টা কৰিও উলিয়াবৰ ধৈৰ্য মোৰ নহ'লহেঁতেন।

মোৰপৰা উত্তৰ নাপাই চম্পাই আকৌ সুধিলে— ''কি দাদা? বুদ্ধিটো বেয়া হব?''

বেয়া হ'ব? হাতত থকা দিন কেইটালৈ চাই চম্পাৰ এই আৱিষ্কাৰ অমূল্য-মুগ্ধ হৈ গলো। মুখেৰে উত্তৰ নিদি, নিঃশব্দেই ঘোঁৱাজনী ৰখাই চম্পাক বুকুৰ মাজলৈ টানি ললো। চম্পাই আচৰিত হৈ খন্তেক মোৰ মুখলৈ চাই পাছমুহূৰ্তত মোৰ এই উচ্ছ্বাসটোক দস্তুৰমতে অপমান কৰি লৰালৰিকৈ এবাৰ কপালেৰে মোৰ ওঁঠ দুটা স্পৰ্শ কৰি লাহেকৈ হাঁহিলে— ''বছ হ'ব দাদা! জানাই নহয় ভ্ৰাতৃত্বৰ দাবীৰ এয়ে শেষ সীমা; আৰু মই ইয়াৰ যোগ্য হয় নে নহয় তাকো আজিলৈকে শ্ৰীমন্ত ভগৱানে বিচাৰ কৰি...''

চম্পাৰ কথা কাণত নোসোমাল, গ্ৰাহ্য কৰিবৰ অৱসৰ নাই। তাইৰ কৌশলটোৱেই কেৱল মূৰত ঘূৰিছে— ''চম্পা, আজি যদি তই মোৰ ভনী নহৈ ভাই হলিহেঁতেন, তোক আমি আমাৰ সেনাপতি পাতি তোৰ ওচৰত অৱনত মস্তকে আদেশৰ প্ৰতিক্ষা কৰিবলৈকো অলপো লাজ নাপালোহেঁতেন....।''

''হয় নেকি? ক'ব নোৱাৰো মই সেনাপতি হোৱা হ'লে তোমালোকৰনো কিমান সুবিধা হ'লহেঁতেন; কিন্তু মই পুৰুষ হোৱা হ'লে তোমাৰেই যে সকলোতকৈ বেছি অসুবিধা হ'ব....''

''অসুবিধাৰ কাৰণ?''

''কাৰণ গৌৰী! আজি ডেৰ বছৰে তুমি যি কৰিব নোৱাৰিলা মই ডেৰ মাহৰ ভিতৰতে তাকে কৰি ললোহেঁতেন। ...'তৰুণ চম্পাৰ' ওচৰত 'তৰুণী গৌৰীয়ে' নিজৰ দম্ভ, অহংকাৰ, মান-অভিমান কাঞ্চনমতীৰ পানীত উটাই দি তাৰ পাৰতে মিলনৰ মধুৰ কুঞ্জবন ৰচনা কৰিবলৈ তৎ নাপালেহেঁতেন...?''

তাইৰ কথা ভ্ৰূক্ষেপ নকৰি সুধিলো— "বাৰু চম্পা, তই গৌৰীক ভাল পাৱ?"

কৃত্ৰিম গাম্ভীৰ্য এৰি চম্পাই এইবাৰ ক'লে— "পাওঁ দাদা, কিন্তু মাজে মাজে পদমৰ্য্যদাৰ দম্ভ দেখুৱালে মোৰ বৰ খং উঠে। বোধকৰো গৌৰীক গৌৰী বুলি নামাতি যিদিনা নবৌ সম্বন্ধ ধৰি মাতিবলৈ পাম, সেইদিনাৰপৰাই সম্পূৰ্ণৰূপে গৌৰীক ভাল পাবলৈ আৰম্ভ কৰিম। ...এতিয়া অনুগ্ৰহ কৰি হাত দুখন আঁতৰাই নিয়াচোন যদি নিজৰ ভাল বিচাৰিছা। এনে অৱস্থাত গৌৰীয়ে আমাক দেখিলে নিৰ্ঘাত আৰু ডেৰ বছৰলৈ তোমাৰ আশা পিছুৱাই যাব, তেনেহ'লে তোমাৰ এই উচ্ছ্বাস যিমানেই নিৰ্মল, যিমানেই পবিত্ৰ নহওক। ...পাহৰিলা মন্দিৰৰ সন্মুখত আমালৈ কেনেকৈ চাইছিল?"

"নাই পাহৰা-" চম্পাক মুক্ত কৰি ঘূৰি বহিলো।

"ভাল কথা, দেখিছো সুমতি হৈছে!"

"দুৰ্মতি সন্দেহ কৰিছিলি নেকি।"

"কৰিব পৰা হ'লে সুখী হ'লোহেঁতেন, কিন্তু মনৰ কথা... কৈছিলো নহয়, তাৰ ওপৰত বিধাতাৰো হাত নাই-"

মুখেৰে নামাতি যাবলৈ আৰম্ভ কৰিছো। বকুলপুৰলৈ আৰু অলপ বাট আছে। চম্পাৰ কৌশলটোৰ কথা যিমানেই ভাবি গৈছো সিমানেই আশা হৈছে শত্ৰুক জব্দ কৰিবলৈ, ই অতি মাত্ৰাই কাৰ্যকৰী হ'ব। চম্পাই মোৰ পিঠিত মূৰটো থৈ মনে মনে পৰি আছে। কিনো ভাবিছে তায়েই জানে। বহুত সময়লৈ মাত বোল নকৰাত সুধিলো— "চম্পা শুলি নেকি?"

"নাই শোৱা দাদা-"

"তেন্তে কি ভাবিছ?"

"ভাবিছো আমাৰ কৈশোৰৰ দিনবোৰৰ কথা। সেই দিনবোৰ যদি আকৌ ঘূৰি আহিলহেঁতেন! ঠিক এনেকৈয়ে সদায় ঘোঁৰাত উঠি কিমান ঘূৰি ফুৰিছিলো- তোমাৰ মনত আছে?"

লাহেকৈ উত্তৰ দিলো— "আছে-"

"কিন্তু আজি ঠিক তেনেকুৱা লগা নাই কিয়?"

চম্পাৰ ভাবৰ গতিটো ঘূৰাবৰ কাৰণে কলো— "বোধকৰো আজি আমাৰ সন্মুখত বিপদ দেখিয়েই তেনে লগা নাই..."

চম্পাই মুখেৰে নামাতি মাথোঁ অলপ হাঁহিলে। চম্পাক নুবুজিলেও তাইৰ সেই হাঁহিটোক মই খুব ভালকৈয়ে বুজো।

Scanned with CamScanner

ঘৰৰ পদূলিমূৰ যেতিয়া আমি পাওঁহি তেতিয়া দুপৰ নিশা। কিন্তু ইমান নিশাও জপনামুখত মা আৰু বকুলীক থিয় হৈ থকা দেখি অতি মাত্ৰাই আচৰিত হ'লো। চম্পাক নমাই দিয়াৰ লগে লগেই মাই আহি তাইৰ হাতত ধৰিলেহি— "আহ চম্পা, তইঁতে বহুত পলম কৰিলি, তথাপি ভগৱানক কোটি কোটিবাৰ সেৱা-"

মাই আমাক দুয়োকে দুহাতে ধৰি ঘৰৰ ভিতৰলৈ খোজ ললে। বুজিলো, আমাক সুস্থ দেখি আনন্দত মাৰ মুখৰ মাতো কমি গৈছে।

অলপ সময়ৰ ভিতৰতে আমাৰ বিপদৰ কথা গোটেই বকুলপুৰতে ৰাষ্ট্ৰ হৈ পৰিল। আমাক ভালেৰেই ঘূৰি অহা দেখি যেনেকৈ মাৰ আনন্দত মুখৰ মাত হৰিছিল, এতিয়া দুৰ্ভাৱনাত তেনেকৈয়ে মুখৰ মাতো নাইকিয়া হ'ল। কথাটো শুনিয়েই যি গোসাঁই ঘৰত সোমাইছে আৰু ওলোৱা নাই।

সুবিধাই পালো। বাকী নিশাটো নুশুই তিলক আৰু মতিক লগত লৈ মই চম্পা আৰু মোমাইদেৱে মিলি আমাৰ সকলো আয়োজন ৰাতিৰ ভিতৰতে শেষ কৰি পুৱতি নিশাই বৰটোপ আৰু অস্ত্ৰ-শস্ত্ৰ লৈ সকলো ডেকাকে কমল-নগৰলৈ ৰাওনা হবলৈ কৈ মাৰ ওচৰত বিদায় লবলৈ গলো। বোধকৰো যুদ্ধ শেষ নোহোৱালৈকে আৰু বকুলপুৰলৈ উভতি অহাৰ আশা নাই।

দেখিলো, গোসাঁইঘৰৰ দুৱাৰ ভিতৰ ফালৰপৰা বন্ধ। দুবাৰমান মাক মাতিও কোনো উত্তৰ নোপোৱাত ব্যগ্ৰ হৈ দুৱাৰত ঢকিয়াই চিঞৰিলো... "মা মা, দুৱাৰ খোল..."

কিছু সময়ৰ পাছত দুৱাৰ খুলি মাই আগত দেখা দিলেহি। মাৰ মুখলৈ চাই দেখিলো, চকু দুটা জবা ফুলৰ দৰে ৰঙা। বোধকৰো গোটেই নিশাটো থাপনাৰ সন্মুখত পৰি মাই কান্দিছে। মোৰ ফালে চকু পৰাৰ লগে লগেই এবাৰ কঁপি উঠিল। মোৰ গাত সম্পূৰ্ণ যুঁজৰ সাজ। কঁকালৰ এফালে তৰোৱাল, আন দাঁতিয়ে মোৰ সেই হাতী দাঁতৰ নালৰ সৰু ছুৰীখন। এহাতে ঢাল, মূৰত টানকৈ বন্ধা পাগ, ভৰিত হাতত ঘঁৰিয়ালৰ ছালৰ বৰ্ম। এই সাজেৰে কোনো কালেই মাৰ সন্মুখলৈ অহা নাই, আৰু আহিবৰো প্ৰয়োজন কোনো কালেই হোৱা নাছিল; আজি হৈছে।

"মোৰ যাবৰ সময় হ'ল মা-" .

আশীৰ্বাদ লবলৈ মাৰ আগত আঁঠু ললো। ভাবিছিলো মাই আকৌ কান্দি পেলাব কিন্তু মাৰ মুখৰ অলপো ভাবান্তৰ নহ'ল। কান্দিলে মাৰ কাষত থকা বকুলীয়ে। বকুলী মাৰ সমবয়সীয়া, মাৰ বান্দী। এই বকুলীয়েই মোকে চম্পাকে সৰুৰেপৰা বোকোচাত-পিঠিত তুলি ডাঙৰ-দীঘল কৰিছে।

Scanned with CamScanner

"বকুলীবাই, মাৰ মৰম লৈ মাৰ দৰেই তই আমাক ডাঙৰ-দীঘল কৰিলি, আজি কান্দিলে যে আমাৰেই অমংগল, ...চাওঁ চকুলো মচি পেলা-"

"নাই নাই মই কন্দা নাই সোণ..." তৎক্ষণাত ৰিহাৰ আগেৰে বকুলীয়ে চকুলো মচিলে। মাই মুখেৰে একো নামাতিলে, মাথোঁ লাহে লাহে মোৰ মূৰত হাতখন থৈ মনে মনে ভগৱানৰ ওচৰত কি প্ৰাৰ্থনা কৰিলে তাক ভগৱানেই জানে। নিজৰ অতি চেনেহৰ তিনিটা সম্পদ- মই, মোমাইদেউ আৰু কমল-নগৰক একেলগতে হেৰুওৱাৰ দুৰ্ভাৱনাই মাক মূক-স্তব্ধ কৰি পেলাইছে। কি অসীম শক্তিৰে যে মাই নিজক এতিয়ালৈকে সংযত ৰাখিছে তাক মই বুজিছো।

মোক খন্তেক অপেক্ষা কৰিবলৈ কৈ মা বৰঘৰৰ ভিতৰলৈ সোমাই গ'ল, আৰু অলপ পাছতে ৰূপৰ খাপেৰে সৈতে তৰোৱাল এখন আনি মোৰ হাতত তুলি দিলে— "হেঁা ধৰ, এইখন দেউতাৰৰ আছিল, ইয়াৰ সন্মান ৰাখিবি।"

হাজাৰ চেষ্টা কৰিও মোৰ মুখলৈ চাই মাই কথাকেইটা ক'ব নোৱাৰিলে। হয়তো নিজক আৰু বিশ্বাস কৰিব পৰা নাই। ক'লা মেঘে ঢাকি থোৱা বাৰিষাৰ আকাশখনৰ নিচিনাই মাৰ মুখখনত এতিয়াও প্ৰতিজ্ঞা— মোৰ সন্মুখত মাই নাকান্দে, অন্ততঃ মই চকুৰ আঁৰ নোহোৱালৈকে নিজক সংযত ৰাখিব, তাৰ পাছত....

দুয়ো হাত মেলি তৰোৱালখন লৈ এবাৰ কপালত স্পৰ্শ কৰি মোৰ নিজৰখনৰ ঠাইত বান্ধি ললো। তাৰ পাছত নিস্তব্ধতাৰ মাজতেই যাবলৈ ঘূৰি দেখো সন্মুখত চম্পা। তাই হাঁহি ক'লে— "ৰ'বাচোন দাদা, অলপ থিয় হোৱা, এবাৰ ভালকৈ তোমাক চাই লওঁ-"

শিল্পীৰ চকুৰে ভৰিৰপৰা মূৰলৈকে তাই মোক এবাৰ চাই ললে— "বাঃ! সঁচাই দাদা, এই বেশত তোমাক আজি দেখিবলৈ যে কি সুন্দৰ হৈছে। এৰা, এয়েহে তোমালোকৰ প্ৰকৃত বেশ... নহয় নে জেঠাইদেউ..?"

এটা উদ্দেশ্য লৈয়ে হয়তো চম্পাই কথাটো কৈছিল, কিন্তু মাই কৰুণভাৱে হাঁহিলে— "তয়ো মোক সান্ত্বনা দিয় চম্পা?"

লাজ পাই চম্পাই মাৰ ওচৰ চাপি গৈ মাক সেৱা কৰিলে- অবাবতে বকুলীৰ হাতত ধৰি গালত এটা চুমা খাই ঘূৰি মোক ক'লে— "তুমি যোৱা দাদা, তিলক আৰু মতি তোমালৈ বৈ আছে। মই আৰু মোমাইদেৱে লগৰ ছোৱালীবোৰক লৈ অলপ পাছতে ৰাওনা হম, আৰু তোমাৰ প্ৰয়োজনীয় সকলো বস্তু ময়েই লগত লৈ যাম। যোৱা, আৰু দেৰি নকৰিবা-"

মাৰ ওচৰত বিদায় লোৱা এই মুহূৰ্তটোৰ কাৰণে পেটে পেটে ভয় কৰিছিলো কৌশলেৰে চম্পাই তাক অতি সহজ কৰি দিয়াত নিশ্চিন্ত হৈয়ো ৰাওনা হলো।

Scanned with CamScanner

"মোৰ ওচৰলৈ আহ চম্পা..." দূৰৈৰপৰা ঘূৰি চাই দেখো, মাই চম্পাক বুকুৰ মাজত সাৱটি ধৰিছে। ...চম্পা মাৰ নিজৰ জী নহয়, আনকি ওচৰ সম্বন্ধীয়াও নহয় তথাপি কোনো মাকে জীয়েকক এনেদৰে ভাল পাব পাৰে বুলি নধৰিলে। কোনো জীয়েকেও হয়তো মাকক চম্পাৰ দৰে ভাল পাব, ভক্তি কৰিব নাজানিলে। ....আজি মাই বুজিছে, চম্পায়ো হয়তো বুজিছে, যদি মই যুঁজৰপৰা আৰু কেতিয়াও ঘূৰি নাহো, তেনেহ'লে মাৰ সংসাৰত মোৰ শূন্য ঠাই পূৰাব লাগিব চম্পাই।

তাৰ ঠিক দুঘণ্টা পাছত মই খেলমাটিত। ৰাতিৰ ভিতৰতে গড় বন্ধা কাম বহুতখিনি আগবাঢ়িছে। খন্তেক পাছতে চম্পাৰ কৌশলটোৰ কথাও কাৰো জানিবলৈ বাকী নাথাকিল। লক্ষ্মীনাৰায়ণ, অশোক আৰু মই তিনিও তাকেই আৰু উলপ উন্নত কৰি, চাৰি পাঁচশ ডেকাক দিহা দি সেই মুহূর্তৰপৰাই কামত লগাই দিলো।

Scanned with CamScanner

।। ত্ৰয়োদশ অধ্যায় ।।

প্ৰলয়ৰ সূচনা

তাৰ পাছৰ তিনিটা দিন কেনেকৈ যে গ'ল ক'ব নোৱাৰো। ল'ৰাৰপৰা বুঢ়ালৈকে কি পুৰুষ কি নাৰী সকলোৱেই ক্ষুদ্ৰ মুহূৰ্তও অথলে যাবলৈ দিয়া নাই। দিন-ৰাতি সমানে প্ৰত্যেকেই নিজৰ কামত ডুবি গৈছে। ভাগৰ নাই বিশ্ৰাম নাই, পূৰ্ণোদ্যমেৰে অবিৰাম কৰি গৈছে নিজ নিজ কৰ্তব্য— ই এক কমল-নগৰৰ নতুন ৰূপ। এই তিনিদিন মই নিজে প্ৰতিটো মুহূৰ্ত সমানে খাটিছো। নিজৰ কাম কৰা শক্তি দেখি নিজেই আচৰিত হৈ গৈছো, তাতোকৈ বেছি হৈছো আৰু এজনাৰ কাম কৰা শক্তি দেখি। সেইজনা চম্পা। সকলোৱে জানে চম্পা মোৰ ভনী। তাইক লৈ সদায়েই গৰ্ব বোধ কৰিছিলো, আজি আৰু বেছি কৰিছো। চম্পাই অকল মুখেৰেই কোৱা নাছিল, হাতে-কামে কৰি দেখুৱাই দিছে প্ৰতিটো কাম কিমান সুশৃঙ্খলভাৱে, কিমান সহজতে অতি কম সময়ৰ ভিতৰত কেনেকৈ পৰিচালনা কৰিব পাৰি। অকল বৰ্তমান এৰি দুদিন পাছৰ কথাও ভাবিবলৈ পাহৰা নাই চম্পাই।

উমা-গৌৰী-ৰমা আদি লগৰ সকলো ছোৱালীক লৈ চম্পাইঁতে এটা নাৰীবাহিনী খুলিছে। বয়সীয়াবোৰো বাদ যোৱা নাই। সকলোকে ভাগ ভাগ কৰি লগাইছে বেলেগ বেলেগ কামত। এভাগক লগাইছে সকলো ৰকমৰ আহিলাপাতি যোগাৰ কৰাত যাতে গড় বন্ধা আদি সকলো ৰকমৰ কামত যেই কোনো বস্তুৰ অভাৱত কাম বন্ধ কৰিবলগীয়া নহয়। নিজেই দেখিছো, যেতিয়াই কৰ্মীবোৰৰ যি বস্তুৰে প্ৰয়োজন হৈছে তাক চম্পাৰ বাহিনীয়ে তৎক্ষণাত হাতত তুলি দিছে। আন এভাগক লগাইছে খেলমাটিত কৰ্মীবোৰৰ সুবিধাৰ কাৰণে শাৰী শাৰী টৌ-খুটি পুতি ৰন্ধা-বঢ়াত। এভাগক সময় মতে প্ৰতিটো কৰ্মীৰে হাতত আহাৰ তুলি দিবলৈ- সিহঁতৰ জিৰণি লবৰ কাৰণে শোৱা-মেলাৰ ব্যৱস্থা কৰিবলৈ।

গৌৰীৰ লগত আন এভাগক দিছে ৰঙাটিলাৰ ভাৰ। কমল-নগৰৰ প্ৰতিটো ঘৰৰপৰা সকলো ৰকমৰ অস্ত্ৰ-শস্ত্ৰ বিচাৰি ৰঙাটিলাত গোটোৱা। ৰাজধানীৰপৰা অহা বাৰুদৰ গাড়ীবোৰ খালী কৰাৰ ব্যৱস্থা কৰা। উমাই ভাৰ পাইছে ৰূপালীপামৰ

Scanned with CamScanner

তলৰ মহলাৰ প্ৰত্যেক কোঠাতে আহত সৈন্যৰ শুশ্ৰূষাৰ কাৰণে সকলো ৰকমৰ আয়োজন কৰা। মন্দিৰৰ বহল চোতাল জুৰি গঢ়ি তোলা বিৰাট সেৱাশ্ৰমৰ ভাৰ লৈছে চম্পাই নিজে। বেমাৰ-আজাৰ, কটা-ছিঙা আদি সোনকালে ভাল কৰিব পৰা নবৈৰ বছৰীয়া জেতুকীবাইকো বকুলপুৰৰপৰা চম্পাই লগত লৈ আহিছে।

অকল দেৱ-মন্দিৰত লিপ্ত থাকিয়েই চম্পাই কিন্তু শান্তি পোৱা নাই। কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে ইটো-সিটো কৰি তাই ছিটিকি ফুৰিছে। কমল-নগৰৰ প্ৰত্যেক প্ৰাণীয়েই চম্পাৰ দৰে আপ্ৰাণ শক্তিৰে নিজৰ কৰ্তব্য কৰিছে, চম্পাৰ দৰেই খাটিছে তাত সন্দেহ নাই, কিন্তু তাইৰ সৰ্ব-প্ৰধান দান হৈছে সকলোকে উপস্থিত ভয়-দুৰ্ভাৱনাৰ কথা পাহৰাই ৰখা।

চম্পা য'তে থাকে, কি ছোৱালীবোৰৰ লগত, কি দুঃচিন্তাগ্ৰস্ত তিৰোতাবোৰৰ মাজত বা খেলমাটিৰ ল'ৰা-বুঢ়াবোৰৰ মাজত, সেই সকলোৱেই তেতিয়া পাহৰি যায় যে সিহঁতে এখন ভয়াৱহ যুদ্ধৰ কাৰণে প্ৰস্তুত হৈছে। চম্পা আৰু চম্পাৰ নিচিনা ৰাংঢালী গাভৰুবোৰৰ উপস্থিতিত সকলোৰে ধাৰণা হয় যেন সিহঁতে যুদ্ধৰ পৰিৱৰ্তে এখন অভিনৱ উৎসৱৰহে আয়োজন কৰিছে।

ইয়াৰ মাজত হুলস্থূল কৰি উফৰি ফুৰা চম্পালৈ চাই চাই ময়ো ভাবো, এই তিনি দিনৰ ভিতৰতে চম্পা যেন আকৌ আমাৰ কৈশোৰৰ বনৰীয়া জীৱনলৈ উভতি গৈছে। সেইদিনা সংগী আছিলো অকল মই- আজি হৈছে গোটেই কমল-নগৰৰ ল'ৰাৰপৰা বুঢ়ালৈকে সকলো।

নগৰৰ মাজত সিহঁতৰ কাম কিমান দূৰ আগবাঢ়িছে, নাজানো, কাৰণ এই তিনি দিনৰ ভিতৰত খন্তেকৰ কাৰণেও খেলমাটি এৰি এখোজো আঁতৰি অহা নাই। কৰ্মী আৰু বৰমূৰীয়া প্ৰায় সকলোৱেই খোৱা-শোৱাৰ যোগাৰ খেলমাটিতেই আছে। মোৰ নাই যদিও কাম এৰি আহিব পৰা নাই। তাৰ উপৰিও তাৰেপৰা দুমাইল আঁতৰত চম্পাৰ নিজৰা। উমাৰ ৰূপালীপাম আৰু দূৰৈত, নৈৰ সিপাৰে। গতিকে ইচ্ছা থাকিলেও ক'লৈকো অলপ সময়ৰ কাৰণেও আহিব পৰা নাই। মোৰ দৰেই অশোকহঁতেও খেলমাটি এৰি আহিব পৰা নাই। মাথোঁ দুপৰীয়াৰ ভাতসাজ খাবলৈ লক্ষ্মীনাৰায়ণ, অশোক আৰু দুই-এজন বৰমূৰীয়া নিজৰ নিজৰ ঘৰলৈ যায়। বাকী সকলোবোৱেই তাতেই ইফালে সিফালে সিঁচৰতি হৈ খাবলৈ বহে। মোৰ দুপৰীয়াৰ সাজৰ কাৰণেও ঘৰলৈ অহাৰ প্ৰয়োজন নহয়, যেহেতু ঠিক খোৱাৰ সময় হলেই মই য'তেই থাকো লাগিলে, চম্পাৰ মুখৰ দুটা শব্দ কাণত পৰেহি— "দাদা আহা-"

খোৱা বস্তু তাত যথেষ্ট পৰিমাণে থকা সত্ত্বেও ঘৰৰপৰা লগত হৈ অহা দেখি

Scanned with CamScanner

ক'বলৈ বাধ্য হওঁ, "চম্পা তই এনেকৈ এইবোৰ কৰিয়াই অনাতকৈ দেখো মই নিজেই ঘৰলৈ যাব পাৰো, কিয় মোক নক'ৰ?" চম্পাই হাঁহি উত্তৰ দিয়ে— "ঘৰততো আমি সদায়েই খাওঁ দাদা! কিন্তু মাজে মাজে এনেকৈ মুকলি ঘাঁহনিত বহি খাবলৈ বৰ ভাল লাগে... তোমাৰ ভাল নালাগে?"

"লাগে, কিন্তু কিহৰ কাৰণে আমি প্ৰস্তুত হৈছো তাৰ কথা ভাবিলে বনভোজৰ সকলো আনন্দ যে শেষ হৈ যায়-"

"যাবলৈ নিদিলেই হয়... প্ৰতিকাৰৰ অৰ্থে শক্তি অনুযায়ী সকলো কৰিছো অনাগত দিনবোৰে লগত সুখ লৈ আহক, দুখ লৈ আহক, মাথোঁ ভাবি ভাবিয়েইতো তাক ভেটা দি ৰাখিব নোৱাৰো, পাৰিবা জানো? কৈছিলো নহয়, জীৱনটো ক্ষণস্থায়ী গতিকে কাইলৈৰ কাল্পনিক দুখেৰে আজি দিনটোৰ আনন্দখিনিক কিয় ম্লান কৰি দিবা? আহা..."

দুয়ো আন মানুহবপৰা আঁতৰত গছৰ ছাঁ পৰি থকা মুকলি ঘাঁহনিত বহি হাঁহি গল্পৰ মাজত খোৱা সময়কণ কটাওঁ। সেই সময়কণৰ ভিতৰতে আমি দুয়ো সম্পূৰ্ণৰূপে পাহৰি যাওঁ আমি ক'ত। মনতে ধাৰণা হয় দুয়ো যেন আকৌ বকুলপুৰৰ হাবি পালোহি। ইয়াত বৈতৰণী নাই, কিন্তু কাষৰ সেউজীয়া পৰ্বতৰ নামনিত ভৰি থকা সুন্দৰ হাবিখনেই তাৰ অভাৱ পূৰাই দিয়ে। পাহৰি যাওঁ ওচৰৰ দূৰৰ চৌপাশে ভৰা মানুহবোৰৰ কথা। চম্পা আৰু মোৰ মুক্ত হাঁহিৰ শব্দ শুনি সকলোৱেই ঘূৰি ঘূৰি আমালৈ চায় যদিও আমাৰ ভাব হয়, সিহঁত কোনো যেন জীৱন্ত নহয়, কিছুমান নিৰ্জীৱ পুতলাহে, মাথোঁ একমাত্ৰ সজীৱ জীৱন্ত যদি কোনোবা আছে সেয়া মই আৰু চম্পা।

খোৱা-বোৱাৰ পাছত চম্পাই সদায় নিজৰ কৌশলটোৰ কাম কিমানখিনি আগবাঢ়িছে চাই যায়। আনে নুশুনাকৈ হাঁহি কয়— "দাদা এই বুদ্ধিটোৱে যদি সঁচাকৈয়ে কাম দিয়ে তেতিয়া হ'লে ইয়াৰ কৃতকাৰ্যতাৰ গৌৰৱ আধা হ'ব তোমাৰ আধা মোৰ, নহয়?"

"আধা মোৰ? কেতিয়াও নহয়, ইয়াৰ কৃতকাৰ্যতা সম্বন্ধে মই নিঃসন্দেহ, আৰু তাৰ সকলো গৌৰৱৰ অধিকাৰিণী হ'ব এধানমানি চম্পা; আন কোনো নহয়..."

চম্পাই হাঁহি মোৰ ওচৰৰপৰা আঁতৰ হৈ যোৱাৰ লগে লগেই কৈ যায়, "চম্পাৰ হ'লে যে তোমাৰে হয়, নাজানা জানো? আৰু তোমাৰ হলেই গৌৰীৰ, গৌৰীৰ হলেই লক্ষ্মীনাৰায়ণৰ আৰু লক্ষ্মীনাৰায়ণৰ হলেই গোটেই কমল-নগৰৰ-সিটো জনা কথা..."

Scanned with CamScanner

চম্পা আঁৰ হৈ যায়গৈ। গোটেই দিনটোৰ ভিতৰত মাত্র এইকণ সময়েই চম্পাক ওচৰত পাওঁ।

চতুর্থ দিনা পুৱাই চম্পাৰ কৌশলটোৰ কামখিনি সম্পূর্ণ হ'ল, আৰু সেই দিনাই গধূলিৰ লগে লগে গড় বন্ধাও প্রায় শেষ হ'ল। ৰাজধানীৰপৰা অহা বৰটোপ দুটা গড়ৰ দুয়ো দাঁতিয়ে আৰু বকুলপুৰৰটো সোঁমাজত থোৱা হ'ল। কমল-নগৰৰ পুৰণা দুটাৰ এটা থোৱা হ'ল দেৱ-মন্দিৰৰ সন্মুখত আৰু আনটো উত্তৰ পাৰে বগাদলঙৰ গুৰিত।

নিশা হোৱাৰ লগে লগেই আন কৰিবলগীয়া সৰু-বৰ সকলো কাম বহুতখিনি আগবাঢ়িল। শত্রু কেতিয়া কোন মুহূর্তত পায়হি কোনেও নাজানে- সেই মুহূর্ততো হ'ব পাৰে, দহ দিনৰ পাছতো হ'ব পাৰে। গতিকে শত্রুৱে অকস্মাতে কৰিব পৰা আক্রমণ প্রতিৰোধ কৰিবৰ কাৰণে সকলোৱেই প্রস্তুত হৈ ললে। প্রত্যেক কর্মীয়েই গধূলিৰ ভিতৰতে ৰূপান্তৰিত হৈ গ'ল একো একোজন সৈনিকলৈ। যুঁজৰ সাজ পিন্ধি গাইপতি ঢাল-তৰোৱাল নিজৰ নিজৰ কাষত লৈ কেইবাদিনৰো পাছত শান্তিৰে অলপ জিৰাবলৈ ললে। তাৰে কিছুমানে পাল পাতি থাকিল পহৰাত।

এইকেইদিন সকলো কামৰ মাজত মই খন্তেকৰ কাৰণেও চকু মুদিবলৈ অৱসৰ পোৱা নাছিলো, আজি কিন্তু ৰাতি হৈ অহাৰ লগে লগেই ভাগৰত অৱশ হৈ পৰিছো। টোপনিত চকু মুদ খাই আহিছে। আনকি থিয় দৈ থাকিবৰো শক্তি পোৱা নাই। তাকে দেখি লক্ষ্মীনাৰায়ণ আৰু অশোকে মোক অলপ শুই লবৰ কাৰণে ঘৰলৈ যাবলৈ ক'লে। আগৰ কেইদিনো কৈছিল; কাণ কৰা নাছিলো, আজি কিন্তু তৎক্ষণাত শুনিলো। তাৰ উপৰিও মোৰ সকলো পোছাক-পৰিচ্ছদ, অস্ত্র-শস্ত্র আছে চম্পাৰ ওচৰত, গতিকে সময় নষ্ট নকৰি খোজ ললো। লক্ষ্মীনাৰায়ণ ডাঙৰীয়াই পাছফালৰপৰা মাত লগালে—

"চন্দন মইনা, চম্পাহঁতৰ ঘৰলৈ যাবলৈ হ'লে বহুত দূৰ পৰিব। তুমি বৰঞ্চ ৰঙাটিলালৈকে যোৱা ওচৰ হ'ব, আৰু তাতে গৌৰীয়ে সকলো সুবিধা কৰি দিব পাৰিব বুজিছা? আৰু মই মাতি নপঠিওৱালৈকে আহিব নালাগে। এইকেইদিন তুমি এটা মুহূর্তও শোৱা নাই, যোৱা আজি অলপ শুই লোৱাগৈ..."

টোপনি ইমান ধৰিছে যে প্রতিবাদ কৰিবলৈকো এলাহ হ'ল- মুখেৰে একো নামাতি টলি টলি আগবাঢ়িলো। ৰঙাটিলাৰ পদূলিমূৰ পাই ভাবিলো কি কৰো? মোৰ পৰিৱর্তে অশোক বা আন যেই কোনো এজন অহা হ'লে গৌৰীয়ে অলপো আচৰিত নহ'লহেঁতেন। এইকেইদিন যিয়ে য'তে পাইছে আপোনপৰ নাভাবি ত'তেই অলপ শুই লৈছে, খোৱা-বোৱা কৰিছে। কি গৃহস্থী কি অতিথি সকলোৱে

Scanned with CamScanner

ওচৰত সি হৈ পৰিছে স্বভাৱিক- সাধাৰণ কথা। কিন্তু যিখন ঘৰত গৌৰী আছে তালৈ মোৰ যোৱাটো আনৰ চকুত নহ'লেও গৌৰীৰ কাৰণে সি হৈ উঠিব অস্বাভাৱিক। গৌৰীয়ে বুজিব মোৰ ফালৰপৰা আমাৰ প্ৰতিদিনৰ উগ্ৰ অথচ মধুৰ খণ্ডযুদ্ধৰ পৰিসমাপ্তি বিচাৰিছো- যিটোৰ মানে পৰাজয় স্বীকাৰ কৰি লোৱা। কল্পনা কৰিলো, উমাক কোৱাৰ দৰে যদি মই গৈ গৌৰীক কওঁ... "গৌৰী, মোৰ বৰ টোপনি ধৰিছে, শুবলৈ এখন বিছনা দিয়া..." তেতিয়া হ'লে গৌৰীয়ে কি কৰিব? সেই প্ৰথমদিনাৰপৰা এই ডেৰ বছৰে সম্বোধন কৰা দূৰৰ কথা ভদ্ৰভাৱে এষাৰ কথাও হোৱা নাই। তেনেস্থলত আজি মোৰ মুখত যুদ্ধ ঘোষণাৰ পৰিৱৰ্তে শান্তিৰ বাণী শুনিলে প্ৰথমে হয়তো গৌৰী আচৰিত হৈ যাব, পাছমুহূৰ্তত বিজয়ত মুখখন হাঁহিৰে উপচি উঠিব....হয়তো মোৰ ওচৰলৈ আহি কৈ পেলাব- 'কেনে? আজি তেওঁ মোক ধৰা দিলাহি কোৱা মই জিকিলো আৰু তুমি হাৰি গ'লা..' মই তাকেই স্বীকাৰ কৰিলে আনন্দত গৌৰীয়ে হয়তো নিজৰ বিছনাখনেই দান কৰি ক'ব- 'তুমি এইবাৰ শোৱা, মই চম্পাৰ দৰে সুন্দৰকৈ এটা গীত গাওঁ'...?

ঠাঁচকৈ গালত এটা চৰ সোধালো। গৌৰীক নহয়, নিজে নিজৰ গালত। এই দুপৰনিশা লোকৰ পদূলিমূৰত থিয় দৈ টোপনিৰ জালত কাৰ মূৰ ভাবিছো?

ঘূৰি দৌৰ দিলো নিজৰালৈ। ....তাত মোৰ শোৱাকোঠাত সোমাই দেখো বিছনাখন নাই। আইদেউতাৰ কোঠা পালোহি। মোৰ বিছনা তাত- ওচৰত আইদেউতাৰ। চম্পাৰ বিছনাখন ক'তো নেদেখিলো। মনত পৰিল চম্পাই প্ৰতি ঘৰৰপৰা দুই-এখন বিছনা যোগাৰ কৰি দেৱ-মন্দিৰত সেৱাশ্ৰম খুলিছে। নিজৰখনো বোধকৰো প্ৰথমেই দান কৰি এতিয়া ফষ্টি মাৰি শুই আছে মোৰ বিছনাত।

চিঞৰ-বাখৰ কৰি তাইক জগাব খুজিলো। চম্পাৰ দুৰ্ঘোৰ টোপনি, সাৰ নাপালে, সাৰ পালে আইদেউতাই ঃ "কেলৈ জগাইছ চন্দন? তাইক শুবলৈ দে, তই মোৰ ওচৰলৈ আহ.."

আইদেউতাৰ কথা ভ্ৰূক্ষেপ নকৰি চম্পাৰ গাত ঠেলা দি চিঞৰিলো— 'উঠ, উঠ, চম্পা..!"

"আস আমনি নকৰিবা...!" বিৰক্তিৰে তাই আনফালে ঘূৰি আকৌ শুলে।

"কি আমনি নকৰিবা?" নিষ্ঠুৰভাৱে তাইক তুলি বহুৱাই দিয়াত চম্পাই খঙেৰে চিঞৰি উঠিল— "আ-স্ কেলৈ? কেলৈ বাৰু তুমি মোক এনেকৈ জ্বলাই মাৰা? গোটেই জীৱনটো জ্বলাই মাৰিছা তেওঁ হেঁপাহ পলোৱা নাইনে? অলপ যদি শান্তি..."

বাধা দি ময়ো সমানে চিঞৰিলো— "বেছ কৰিছো জ্বলাই মাৰিছো, তোক জ্বলাই নামাৰি আৰু কাক মাৰিব লাগে? মোৰ আছে কোন?"

Scanned with CamScanner

"হৈছে হৈছে, মোলৈ যে তোমাৰ ঢেৰ মৰম বুজা আছে.... মাথোঁ প্ৰয়োজনৰ সময়তহে তাক মনত পৰে..."

অতি নীৰস নিৰ্লিপ্ত কণ্ঠেৰে কথাকেইটা কৈ চম্পাই আনফালে মুখ ঘূৰালে। মই শুই পৰিছিলো, আকৌ উঠি বহিলো। চম্পাৰ কথাত, ব্যৱহাৰত বৰ আঘাত পালো। কোনোদিনে তাই এনেদৰে কথা নকয়, আজি ইচ্ছা কৰিয়েই মোক কষ্ট দিছে। চম্পাই জানে, নিজৰ অতি চেনেহৰ আপোনজনক কাৰো মুখ ফুটাই ক'বৰ প্ৰয়োজন নহয়... 'মা তোক মই ভালপাওঁ চম্পা তোক মই ভালপাওঁ...'

চম্পাৰ মুখলৈ চালো। আইদেউতাই মাত লগালে— "তোক মই কৈছিলো নহয় তাইক নজগাবি। বেচেৰী এইকেইদিন এটা মুহূৰ্তও শোৱা নাই, আজি তেওঁ শুবলৈ আহিল তই আকৌ তুলি দিলি-"

মই স্তব্ধ হৈ গলো- এবাৰো ভবা নাছিলো যে চম্পাও এইকেইদিন নোশোৱাকৈয়ে আছে। পেটে পেটে বৰ লাজ পালো। ই মোৰ অন্যায়, কিন্তু কি কৰিম? মুখেৰে একো মাতিব নোৱাৰিলো। চম্পাই মোৰ ফালে কেৰাহিকৈ চাই আইদেউতাক ক'লে— "আইদেউতা, হ'ল হ'ল আৰু নক'বা, এবাৰ চোৱাচোন মুখখন! তোমাৰ 'বু'ৱে কি জানি এইবাৰ মোৰ দুখত ভেঁকৈ কান্দি পেলাব... ইস্ মুখখন আনফালে ঘূৰোৱা দেও, বৰ বেঙা বেঙা দেখি..."

তাইৰ কথালৈ কাণ নকৰি অলপ অভিমান কৰি দেখুৱালো— "মোৰেই দোষ আইদেউতা, মই নাজানিছিলো... তই শো বাৰু চম্পা, মই যাওঁ..."

বিছনাৰপৰা উঠি দুৱাৰৰ ফালে খোজ ললো। মই ভালকৈয়ে জানো যে চম্পা দৌৰি আহিব, কিন্তু তাইৰ কথা শুনি মূৰটো ঘূৰি গ'ল ঃ ...যোৱা যোৱা, ভাবিছা বান্দী গৈ কাবৌ কৰি আনিব? মোৰ গৰজ..."

চম্পা আকৌ শুই পৰিল। মহা বিপদতে পৰিলো, কি কৰো? নিজৰ কথাৰ মৰ্যাদা ৰাখিবলৈ ৰবও নোৱাৰিলো। কিন্তু দুৱাৰখন পাৰ হৈয়ে লাহে লাহে খোজ লৈছো। আইদেউতাই চিঞৰিলে, মই দুপ্ দাপ্ শব্দ কৰি গুচি অহাৰ ভাও ধৰিছো আৰু মনে মনে ভাবিছো, আজি সঁচাই চম্পা নাহে নেকি?

অলপ পাছতে কিন্তু চম্পা আহি মোৰ গাৰ ওপৰত পৰিলহি— 'ইস্ নকৈছো, অভিমান কি চাবা? একো ক'বকে নোৱাৰি! আন গুণ থাকক নাথাকক নবাবৰ খঙটি হ'লে পূৰামাত্ৰাই আছে। ভেম্ দেখুৱাই ক'তনো মৰিবলৈ যোৱা?"

"য'তে মৰো লাগিলে, তোক কিয়? চাওঁ আগৰপৰা গুচ..."

"হ'ল হ'ল ঢেৰ বাহাদুৰি কৰিলা, এতিয়া ভালে ভালে উভতি ব'লা!"

"নোভতো যা-"

Scanned with CamScanner

“সঁচানে?”

চম্পাৰ মুখলৈ চাই হাঁহি দিলো— “উভতিম চম্পা, তই অহালৈকে যে বাট চাই আছো- সঁচাই বৰ টোপনি ধৰিছে-”

“মই জানো, দুপ্ দাপ্ শব্দ শুনিয়েই বুজিছো যে শব্দটো যিমান হৈছে খোজটো তাতকৈ ঢেৰ কম হৈছে, ব'লা...”

আকৌ শুলোহি। চম্পাক ওচৰত বহুৱাই সুধিলো— “তই ইমান খং কৰি দেখুৱাইছিলি কিয়?”

“বেছ কৰিছিলো, কিন্তু তাক ৰাখিব জানো পাৰিলো? পৰা হলেতো বাচি গলোঁহেঁতেন...”

“বাচি গলোহেঁতেন?”

“চুপ্ চাপ্, শুই থাকা, আৰু নজ্বলাবা মোক?”

“আইদেউতা, শুনিছা চম্পাই মোক কৈ কৈছে?”

আইদেউতাই মাত দিলে— “শুনিছো, ভালেই কৈছে, এতিয়া মনে মনে শুই থাক।”

হতাশ হৈ কলো, “মোৰ কপাল; দেহি ঐ আজি চাৰি দিনৰ মূৰত অলপ শুবলৈ আশা কৰাৰ এয়ে পৰিণাম; চম্পা তোক হে মই জ্বলালো...?” দীঘল দি পৰি চকু মুদিলো। চম্পাই মোৰ মুখৰ ওচৰলৈকে মুখখন আনি ফুচ্‌ফুচাই ক'লে— “তাকেইতো, মোকে যদি তুমি নজ্বলোৱা আৰু নো কাক জ্বলাবা, নহয়নে?”

চকু মেলি মোৰ মুখৰ নিচেই ওচৰতে থকা চম্পাৰ ধুনীয়া মুখখনলৈ চাই কলো— “আৰু বেছি নজ্বলাওঁ চম্পা, দুই-এদিনতে যুঁজ আৰম্ভ হ'বই, আৰু মোৰ মৰণো বোধকৰো তাতেই হ'ব..”

বৰ উৎসাহ দেখুৱাই তাই ক'লে— “বৰ ভালেই হ'ব দাদা, তেওঁ মই অলপ শান্তি পাম...”

“তইঁতহালে মনে মনে থাকিবি নে নাথাক?” আইদেউতাই দুয়োকে ডবিয়াই উঠিল— “মৰাৰ বাহিৰে আন কথা নাই...?”

“কেলৈ নাই! ঢেৰ আছে...।” ওচৰৰ চাদৰ এখন গাত ভালকৈ লৈ চম্পা যাবলৈ ওলাল— “শুনা আইদেউতা, মই এবাৰ দেৱ-মন্দিৰৰপৰা আহোঁগৈ, বহুত কাম পৰি আছে। তোমাৰ ‘বু'ৰ কৃপাততো মোৰ শোৱা ভালকৈয়েই হ'ল, এইবাৰ যাওঁ, এতিয়া আৰু মোৰ টোপনি নাহে...”

ব্যগ্ৰ হৈ বিছনাত উঠি বহিলো : “চম্পা, থাকক তোৰ ঢেৰ কাম, এতিয়া

Scanned with CamScanner

নালাগে যাব, মোৰ ওচৰলৈ আহ, নহ'লে ঠিক কৈছো ময়ো নোশোওঁ সঁচাই উঠি যাম...''

দুৱাৰমুখৰেপৰা ঘূৰি চাই চম্পাই ভেকাহি মাৰি উঠিল— "তোমাৰ নিচিনা আপদীয়া মানুহ যদি সংসাৰত এটা আছে। শুবলৈকো নিদিলা যাবলৈকো নিদিবা, কি কৰিব লাগে মই?"

খন্তেক মনে মনে থাকি আকৌ ক'লে— "এইবাৰ বোধকৰো ওচৰত বহি গীত গাবৰ হুকুম হব...?"

ব্যস্ত হৈ কলো— "নহয় নহয়, গীত গাবৰ হুকুম নকৰো চম্পা। বৰঞ্চ আহ তই শোহি, ময়ো লাগিলে তোৰ শিতানত বহি গীত গাম, আৰু গুণ-গুণকৈয়ো নহয়, একেবাৰে প্ৰাণ খুলি চিঞৰি চিঞৰি এটাৰ ঠাইত কুৰিটা, আহ আকৌ..."

"হৈছে ধন্যবাদ, থাওক কুৰিটা গীত আৰু তোমাৰ কষ্ট কৰি নাগালেও হ'ব, যেহেতু গীত আৰম্ভণিৰ লগে লগে তোমাৰ কণ্ঠধ্বনিৰ মাধুৰ্যত জীৱন বস্তি মোৰ নুমাই যোৱাৰে সম্ভাৱনা বেছি..."

উভতি আহি আইদেউতাৰ ওচৰত বহি আকৌ সুধিলে— "বাৰু আইদেউতা, ক'ব পাৰানে, মানুহক বাৰু ইয়াৰ বাহিৰে কেনেকৈ জ্বলাই মাৰে?"

গহীন হৈ আইদেউতাই উত্তৰ দিলে— "পাৰো, অকল জ্বলোৱা হে নালাগে একেবাৰে কেনেকৈ ছাই কৰি দিয়ে তাকো দেখুৱাই দিব পাৰো। শোহি আহি... চন্দন তয়ো শো, চম্পা বাৰু নাযায়..."

তাৰ পাছত চম্পা শুলে নে নাই ক'ব নোৱাৰো, মোৰ কিন্তু তৎক্ষণাত টোপনি আহিল।

Scanned with CamScanner

।। চতুৰ্দশ অধ্যায় ।।

প্ৰলয় হুংকাৰ

কিমানপৰ শুইছিলো ক'ব নোৱাৰো। চম্পাৰ চিঞৰত হঠাৎ চক্ খাই টোপনি ভাগি গ'ল। চম্পাই মোৰ গাত ধৰি জোকাৰিছে আৰু চিঞৰিছে— "দাদা! উঠা উঠা পালেহি,- শত্ৰু আহি পালেহি, উঠা সোনকালে..."

এক জাঁপে উঠি আহিলো— "মোৰ তৰোৱালখন? তৰোৱাল.."

শান্তিৰ সুকোমল কোলাত, গভীৰ টোপনিত অচেতন হৈ আছিলো। অপ্ৰত্যাশিত কথাকেইটা কাণত পৰাত ধৈৰ্যৰ বান্ধ ভাগি গ'ল। মূৰটোৰ ভিতৰখন তোলপাৰ কৰি উঠিল। জ্ঞান, বিবেক-বুদ্ধি সকলো হেৰুৱাই আন্ধাৰত খেপিয়াই খেপিয়াই কি যে বিচাৰিছো নিজেই ক'ব নোৱাৰো। চম্পাৰ হাঁহিৰ শব্দ শুনি আৰু গোলমাল লাগি গ'ল। একো বুজিব নোৱাৰি আকৌ চিঞৰিলো— "চম্পা, চম্পা, মোৰ তৰোৱালখন ক'ত?"

চম্পাই মোক চোঁচোৰাই আনি পুনৰ বিছনাত বহুৱাই দিলেহি— "আছে, পাছত দিম, এটা কথাতে যিহে তোমাৰ মূৰৰ অৱস্থা দেখিছো, এতিয়াই হাতত দি দিলে শত্ৰু বুলি লাগিলে মোৰ বুকুতেই সুমুৱাই দিবা- তাতকৈ আগতে কাপোৰ-কানিখিনি পিন্ধাচোন, এই উলঙ্গ মূৰ্তিৰেই যুঁজলৈ যাবা নেকি?"

নিজৰ গাৰ ফালে চাই দেখিলো, সম্পূৰ্ণ উলঙ্গ নহ'লেও মাথোঁ, কঁকালৰ চুৰিয়াখনৰ বাহিৰে গাত একো নাই। পাহৰিছিলো, শোৱাৰ আগতে যে চোলা-

মুখ ধোৱাৰ একো দৰকাৰ নাছিল, যেহেতু এতিয়া পৰিষ্কাৰকৈ ভাবিব পাৰিছো তেও মুখখন ধুই লৈ চম্পাক সুধিলো... "হাতত ঢেৰ সময় আছে মানে? কি কৈছ তই চম্পা? আগতে কলি শত্ৰু আহি পালেহি, তেন্তে...?"

"পোৱাহি নাই, কিন্তু পাবহি... আহাচোন মোৰ লগত..."

চম্পাই মোক বিছনাৰপৰা তুলি আন এটা আন্ধাৰ কোঠাৰ খিৰিকী এখনৰ ওচৰলৈ টানি নিলে। ...তাৰেপৰা দেখিলো আমাৰ দক্ষিণফালে থকা পৰ্বতবোৰৰ সিপাৰে বহুত দূৰৈত ৰাতিৰ আকাশখন ৰঙা হৈ উঠিছে। সি যে জুইৰ পোহৰ আৰু আগবাঢ়ি অহা শত্ৰুৰ তাত অলপো সন্দেহ নাই।...

বুকুখন কঁপি উঠিল! খন্তেকতে মনটো শূন্য হৈ গ'ল। দূৰণিৰ ৰঙা আকাশখন চকুত অতি ভয়াবহ হৈয়ে দেখা দিলে। অজ্ঞাতে বুকু ভেদি ওলাই অহা এটা হতাশাৰ হুমুনিয়াহ কোনোমতেই ৰোধ কৰিব নোৱাৰিলো। ...তেন্তে সঁচাকৈয়ে শত্ৰু আহিল? আহিব বুলি সন্দেহ কৰিছিলো, তথাপি মনত আশা আছিল হয়তো এই দূৰণিৰ পৰ্বতৰ মাজত থকা আমাৰ অকলশৰীয়া সোণৰ সৰু দেশখন শত্ৰুৰ চকুত নপৰিবও পাৰে! আজি কিন্তু সেই সকলো আশা ভাগি চূৰমাৰ হৈ গ'ল। কোনে জানে আমাৰ কপালত কি আছে! আমি কোনেও কেতিয়াও যুঁজ কৰি পোৱা নাই। শত্ৰুৰ তুলনাত আমাৰ শক্তি কিমান ক্ষুদ্ৰ! ঈশ্বৰে জানে আমাৰ কি হ'ব? আমি পুৰুষবোৰ হয়তো সকলো মৰিম, তাৰ পাছত?

চম্পাৰ মুখলৈ চালো— বিজয়ী উন্মত্ত পশুবোৰৰ হাতত চম্পাৰ নিচিনা গাভৰুবোৰৰ, তিৰোতাবোৰৰ, সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ কি অৱস্থা হ'ব? কোনে সিহঁতক ৰক্ষা কৰিব? কোনে অভয় দিব? সান্ত্বনা দিব? নিজক অতি অসহায় বোধ কৰিলো। সকলো হেৰুওৱাৰ ভয়ত বুকুখন তোলপাৰ কৰি উঠিল।

চম্পাই মোৰ মুখৰ পৰিৱৰ্তন লক্ষ্য কৰি লাহেকৈ সুধিলে— "কি হ'ল দাদা?"

চেষ্টা কৰিও মুখেৰে একো মাতিব নোৱাৰি নিঃশব্দে মাথোঁ চম্পাক বুকুৰ মাজলৈ টানি ললো। আগৰ দিন হোৱা হ'লে তাই হয়তো ছিটিকি আঁতৰি গৈ মোক ঠাট্টা কৰি হাঁহিলেহেঁতেন। আজি কিন্তু মুখেৰে নামাতিলে, বৰঞ্চ ভয়, দুৰ্ভাৱনা, নিৰাশাত আশাৰ একমাত্ৰ অৱলম্বন পাই যেন নিশ্চিন্ত হৈ গ'ল। বাহিৰত চম্পাই যিমানেই হাঁহি দেখুৱাওক অন্তৰত কিন্তু ভয় খাইছে- তায়ো বুজিছে আৰু আমাৰ হাঁহি-ধেমালিৰ দিন নাই। কেতিয়াও দেখা নাই যদিও যুদ্ধ এখনৰ ভয়াবহতা উপলব্ধি কৰাৰ বয়স চম্পাৰ হৈছে।

খিৰিকীৰে দেখা বাহিৰৰ আন্ধাৰত, পুৱতি নিশাৰ নিদ্ৰিত কমল-নগৰৰ শান্ত ৰূপটো নিঃশব্দেই দুয়ো চাই ৰলো। ...এইখনেই আমাৰ মৰমৰ দেশ-কোনে জানে তাৰ ভাগ্যত কি লিখা আছে?

Scanned with CamScanner

ভালেমান বেলিৰ মূৰত বুকুৰপৰা মূৰ তুলি চম্পাই মোৰ মুখলৈ চালে— "তোমাৰ ভয় লাগিছে দাদা?"

চম্পাৰ দুৰ্ভাৱনা দেখি অতি দুখতো হাঁহি উঠিলো। তাইৰ পিঠিত হাত বুলাই ক'লো— "ভয় হওঁতে লাগিছে চম্পা, তহঁতবোৰৰ কাৰণেই। মোৰ মনে কৈছে মই যেন সকলো হেৰুৱাম। ঈশ্বৰে নকৰক, যদি আমাৰ কিবা এটা হয় তেতিয়া তহঁতে কৰিবি কি চম্পা? তহঁতৰ যে কি হ'ব ভাবিলেও অন্তৰাত্মা কঁপি উঠে। শত্ৰুক বাধা দিয়াৰ সামৰ্থ্য যদি আমাৰ আৰু নাথাকে তেতিয়া বিজতৰীয়া পশুবোৰে চাগে তহঁতৰ গাত হাত দিবলৈকো অলপো কুণ্ঠিত নহ'ব..."

"আমাৰ কাৰণে চিন্তা নকৰিবা। সিহঁতৰ সাধ্য কি আমাক স্পৰ্শ কৰে? এয়া দেখিছা? চকুৰ পচাৰতে চম্পাই নিজৰ গাৰ কাপোৰৰ মাজৰপৰা যিটো বস্তু উলিয়াই দেখুৱালে, আন্ধাৰতো তাৰ চিক্‌মিকনি চকুত আহি লাগিলহি— "মনত আছে এইখন তুমিয়েই এদিন মোক উপহাৰ দিছিলা...!"

মনত পৰিল, ৰাজধানীত থাকোতে তাৰ ভাল কমাৰৰ ওচৰত দুখন হাতী দাঁতৰ নাল লগোৱা ছুৰী গঢ়াইছিলো এখন মোৰ কাৰণে, আনখন চম্পাক দিবলৈ। -বকুলপুৰৰ নিৰ্জন হাবিত চম্পাৰে মোৰে বনৰীয়া জীৱনত সি বহুত কামত লাগিছিল। কিন্তু তাক আজি চম্পাৰ হাতত দেখি বাধ্য হৈ কলো— "চম্পা, যুদ্ধখন আমাৰ বৈতৰণীপাৰৰ হাবি নহয় মনত ৰাখিবি! যিবোৰক আমি হয়তো গড় বান্ধি বৰটোপ মাৰিও ভেটা দিব নোৱাৰিম, তাক তই বাধা দিবি এই এধানমানি অস্ত্ৰেৰে?"

"প্ৰয়োজন হলে নিশ্চয় দিম, কিন্তু তাৰ একো প্ৰয়োজন নহয় দাদা! তুমি মিছাতে ইমান ভাবিছা, যুঁজত আমি হাৰিম কেলৈ? আজি কমল-নগৰৰ ল'ৰাৰপৰা বুঢ়ালৈকে সকলোৱে যি অক্লান্ত পৰিশ্ৰম কৰিছে সি কেতিয়াও অথলে নাযায়। গাৰ শক্তি নহ'লেও মনৰ শক্তি শত্ৰুতকৈ আমাৰ বহুত বেছি। চাই থাকিবা আমি তাৰেই যুদ্ধ জিকিম। ...আহা এতিয়া, আমাৰ বেয়াটো ভবাতকৈ যুঁজৰ সাজ-পোছাক পিন্ধাহি। তাক পিন্ধাৰ লগে লগেই দেখিবা তোমাৰ মনটোও সম্পূৰ্ণ ঘূৰি গৈছে- আহা দাদা, আজি তোমাক মই নিজ হাতেৰে সজাই দিম, অতীতৰ মহাভাৰতত যুঁজৰ আগতে যোদ্ধাসকলক তেওঁলোকৰ আপোনজনে ঠিক যেনেকৈ সজাই দিছিল তেনেকৈ... আৰু মই কি পিন্ধিছো তাকো চাবা, ইয়াত আন্ধাৰত তুমিতো ধৰিব পৰা নাই, আহা..."

দুয়ো আকৌ আগৰ কোঠালৈ আহিলো। তাত চাকিৰ পোহৰত চম্পাক দেখি মনৰ ভয় দুৰ্ভাৱনাৰ কথা পাহৰি গৈ আচৰিত হৈ সুধিলো— "চম্পা, এয়া তোৰ যুঁজৰ সাজ?"

Scanned with CamScanner

তাই হাঁহি ক'লে— "কিহৰ বুলি ভাবিছা? মোৰ সয়ম্বৰৰ?"

মনে মনে থাকিলো। সয়ম্বৰ কেতিয়াও দেখা নাই, তাৰ কাৰণে কেনোবাই ইতায়কৈয়ো যদি সুন্দৰৰূপে সাজি-কাছি থাকে ক'ব নোৱাৰো কিন্তু চম্পা সঁচাই অদ্ভুত, তাইক বুজিব নোৱাৰো- ভাবিও নাপালো আজিৰ দিনত চম্পাই কিয় নিজক এনেদৰে সজাইছে? অপৰ্যাপ্ত পৰিমাণে একো পিন্ধা নাই, তথাপি ৰাতিৰ আন্ধাৰত ক'লা হৈ দেখা ঘোৰ সেউজীয়া বৰণৰ পাটৰ ৰিহা, মেখেলা, চোলাৰে চম্পাই নিজক ভৰিৰপৰা মূৰলৈকে ঢাকি পেলাইছে। মাথোঁ মুখখন আৰু হাতৰ দীঘল আঙুলিবোৰ আৱৰণৰ বাহিৰত মুক্ত। গোটেই সাজটোত গুণাৰে বছা অসংখ্য সৰু সৰু ফুল ঢাকিব ক্ষীণ পোহৰত তিৰবিৰ্ কৰিছে। তৰাৰে ভৰা ৰাতিৰ আকাশখনেৰে হে যেন চম্পাই নিজৰ সাজটো গঢ়ি লৈছে. গাত লিপিত খুৰাই পিন্ধা ৰিহাৰ আঁচলটো টানি টানি কঁকালত মেৰিয়াই লোৱাত সি মুঠিৰ ভিতৰতে সোমাই পৰিব পৰা যেন হৈ উঠিছে। ভাগি যায় ভাগি যায় যেন দেখিছো। মোক সজাবলৈ ইটো-সিটো কৰি থকা চম্পাক অৱলম্বনহীন লেতু-সেতু, বগা বগা ফুলেৰে ভৰা সেউজীয়া লতা এডালৰ নিচিনা লাগিছে।

ভাবি আচৰিত লাগে, এই আলসুৱা লতাডালেই কমল-নগৰৰ আটাইতকৈ সাহসী, বুদ্ধিমতী, দূৰদৰ্শী আৰু আটাইতকৈ ধুনীয়া ৰাংঢালী গাভৰু! কিন্তু তেওঁক কোনেও, আনকি ময়ো আজিলৈকে বুজি নাপালো। ভাবি নাপাওঁ চম্পাৰ মনটোৰ ভিতৰত কি আছে? অলপ আগতে আন্ধাৰ কোঠাটোত, মোৰ বুকুত শান্ত হৈ পৰি থকা চম্পাক পাই ভাবিছিলো আজি চম্পাক চিনিছো; কিন্তু পোহৰলৈ অহাৰ লগে লগে মোৰ চকুত চম্পাই আকৌ দেখা দিলে প্ৰতিদিনৰ মায়াবিনী হৈ।

"হাঁ-কৈ কি চাই আছা?" হঠাৎ তাই মোৰ চকুলৈ চাই প্ৰশ্ন কৰিলে। একেথৰে চম্পাৰ মুখলৈ চাই আছিলো, কলো— "তই জাননে চম্পা, মোৰ বৰ চাবৰ মন যায়..."

"বৰ চাবৰ মন যায়? কি?"

"তোৰ বুকুখন খুলি-"

নিজৰ বুকুখনৰ ওপৰত এবাৰ চকু ফুৰাই আচৰিত হৈ সুধিলে— "বুকুখন খুলি? তাৰ মানে?"

ভুলটো শুধৰাই কলো— "মানে তোৰ অন্তৰখন দুফাল কৰি চাবৰ মন যায়, তাৰ ভিতৰত কি আছে।"

মুখত এমোকোৰা হাঁহি লৈ চম্পাই ক'লে— "তোমাৰ চাবৰ মন যায়? আই-ঐ-দেহি! মোৰো জানো কম হেঁপাহ তোমাক দেখুৱাবলৈ, কিন্তু তাৰ একো উপায় নাই যেতিয়া কিনো কৰিবা?"

চম্পাৰ কথাত আকৌ সেই পুৰণা সুৰ। বেজাৰ কৰি কলো— "চম্পা, আজিৰ দিনটোত অন্ততঃ মোৰ দৰে তই কথা কচোন। তোক সদায়েই কওঁ নহয়, তোৰ ভাষা মই নুবুজো-"

"নুবুজা? সঁচাকৈয়েনে?"

"সঁচা, আৰু মোৰ লগত তেনেদৰে কথা ক'বলৈ এৰি দে..."

"সেয়া, মইনো আৰু কেনেকৈ এৰো? আৰু এৰো বুলিয়েই জানো এৰিব পাৰি? অভ্যাসটো লগতে লৈ আহিছো হয়তো লগতেই লৈ যাব লাগিব-"

"ক'ব নোৱাৰো বিধাতাইনো তোক কি ধাতুৰে গঢ়িলে!"

"ধাতু?" চম্পাৰ হাঁহি উঠিল— "ধাতু নহয় দাদা! একেবাৰে খাটি কেঁচা তেজ আৰু মঙহেৰে... সেই দেখিয়েইতো ইমান অশান্তি। ধাতুৰে গঢ়া হলেতো কথাই নাছিল। সুখ-দুখেৰে ভৰা অন্তৰখনেই যে মোৰ তেতিয়া নাথাকিলেহেঁতেন আৰু তোমাকো জ্বলাই নামাৰিলোঁহেঁতেন, ময়ো জ্বলি জ্বলি নমৰিলোহেঁতেন..."

"তাৰ মানে?"

"সকলো কথাৰ মানে বুজিবলৈ হ'লে লগত এখন অভিধান লৈ ফুৰিবা..."

"কিন্তু তোৰ অভিধান যে আজিলৈকে কোনেও নিলিখিলে..!"

"মই লিখিছো... অসীমৰ সীমাহীন মহাশূন্যৰ বুকুত বুকুৰ তেজেৰে জীৱনৰ প্ৰতিটো মুহূৰ্তৰ প্ৰতিটো কথা সমানে লিখি গৈছো..."

"মই দেখা নাই, মোক দেখুৱাই দিবিনে?"

"একো লাভ নহ'ব, মোৰ ভাষাটো তুমি নুবুজা!"

"চম্পা!"

"সেয়া শুনা" ...হঠাৎ মন্দিৰৰ বৰকাঁহকন ঢং-কৈ বাজি উঠাত জাঁপ মাৰি উঠিলো। তাই লৰালৰিকৈ মোক বহুৱাই দিলে— "তুমি বহা, বহা সেয়া তোমাৰ কাৰণে নহয়..."

"মোৰ কাৰণে নহয়?"

"নহয়, যিহেতু কাঁহখন বজাবলৈ ময়েই হুকুম দি আহিছিলো..."

"তই? কিহৰ কাৰণে? আৰু হুকুম দিলিয়েই বা কেতিয়া? অথনিৰেপৰা দেখো তই মোৰ ওচৰতে আছ?"

"আছো, হয়তো তোমাৰ লগত-। তোমাৰ সপোনৰ মাজত, আৰু এতিয়াও। কিন্তু শুনা, সঁচা কথা কওঁ- তোমাৰ আৰু আইদেউতাৰ টোপনি আহিলতেই মই মনে মনে উঠি গলো। মন্দিৰত মোৰ কাম আছিল, কিন্তু সৌ কোঠাটো পাৰ হৈ যাওঁতে হঠাৎ খিৰিকীৰে দেখিলো দূৰণিৰ সেই ৰঙা আকাশখন- তৎক্ষণাত

Scanned with CamScanner

বুজিলো সেয়া কিহৰ পোহৰ। তোমাক জগাবলৈ লৰি আহিলো, কিন্তু জগাবৰ সত নহ'ল। চাৰি দিনৰ মূৰত তুমি অলপ শুইছা। বিপদ ওচৰত হোৱা হ'লে জগালোহেঁতেন, কিন্তু শত্রু এতিয়াও আমাৰপৰা আধা দিনৰ আঁতৰত দেখি তোমাক শুবলৈ সময় দি অকলে ওলাই গলো। মন্দিৰৰপৰা দিহাদিহি মানুহ পঠিয়াই চাৰিওফালে খবৰ দিয়ালো। লক্ষ্মীনাৰায়ণ, অশোক, লগৰ ছোৱালীবোৰৰ নিমিত্তেই। সিহঁতক মন্দিৰলৈ আহিবলৈ সংকেত দিছো। অলপ পাছতে আকৌ এটা শুনিবা, সেইটো তোমালোকৰ নিমিত্তে। ...লক্ষ্মীনাৰায়ণৰ লগত সকলো ঠিক কৰি আহিছো, যাতে ভাগে ভাগে প্ৰতিজন সৈনিকেই মন্দিৰলৈ আহি দেৱতাৰ প্ৰসাদ আৰু নিৰ্মালি লগত লৈ যুঁজলৈ যাব পাৰে, বুজিছা দাদা?"

"বুজিছো চম্পা, মাথোঁ এইটোৱেই নুবুজিলো যে ভগৱানে মোক তোৰ নিচিনা ভনী এজনীৰ দাদা হোৱাৰ যোগ্যতাখিনিৰপৰা কিয় বঞ্চিত কৰিলে-"

চম্পাই হাঁহি হাঁহি ক'লে— "মই বেছ বুজিছো, আৰু সেই দেখিয়েই হ'বলা ভনীয়েকৰ সন্মান ৰাখিব পৰা উপযুক্ত দাদা হিচাপে তোমাক আজিলৈকে লব নোৱাৰিলো..."

"অনুপযুক্ত যদিও মোক দাদা বুলি মাত, সেয়ে মোৰ ভাগ্য চম্পা।"

"মোৰ কিন্তু দুৰ্ভাগ্য যিহেতু মাতিব লগা হয়..."

চিৰকলীয়া হাঁহিটো চম্পাৰ ওঁঠত লাগিয়েই আছে। মোক সজোৱা সম্পূৰ্ণ কৰি ক'লে— "এইবাৰ উঠা, তোমাৰ যাবৰ সময় হ'ল। আইদেউতাৰ ওচৰৰপৰা এবাৰ আহিবা?"

হঠাৎ আইদেউতালৈ মনত পৰিল। তাকেইতো, বিছনাত দেখোন নাই?

"আইদেউতা ক'ত?"

"বৃন্দাৰ লগত আছে, পুৱাৰ লগে লগেই বকুলপুৰলৈ যাব, তাৰেই যোগাৰ কৰিছে?"

"হঠাৎ বকুলপুৰলৈ কিয়?"

"আবেলি জেঠাইদেউৰপৰা চিঠি পাইছো, তৎক্ষণাত পঠিয়াই দিবলৈ লিখিছে বুঢ়ী মানুহ, ইয়াত থকাটো অলপো নিৰাপদ নহয়, তাৰ উপৰিও আইদেউতা সেইখিনি পালেই ঘৰখন হাতত দি জেঠাইদেউ ইয়ালৈ আহিব পাৰিব..."

আচৰিত হৈ সুধিলো— "মা ইয়ালৈ আহিব?"

"আহিব, পাছে তোমাৰ আৰু মোৰ লগত নাথাকে। উমা বাইদেউহঁতৰ ঘৰত খোলা সেৱাশ্ৰমৰ ভাৰ জেঠাইদেৱে নিজেই গাত লৈছে, তাতেই থাকিব। ব'লা..."

দুয়ো আইদেউতাৰ ওচৰ পালো। দেখিলো আইদেউতা বাকচ এটাৰ ওপৰত বহি আছে। অলপ দূৰত বৃন্দা। দুয়োকে ইমান গম্ভীৰ হৈ থকা আৰু কেতিয়াও দেখা নাই। অকল গম্ভীৰেই নহয়, অলপ আগতে আইদেউতা আৰু বৃন্দাই যে

Scanned with CamScanner

কান্দিছিল তাত কোনো সন্দেহ নাই, আৰু সি বকুলপুৰলৈ যাবলগীয়া হোৱাত সিও হয়তো নহয়। ...দুৱাৰমুখৰপৰা মাত দিলো— 'আইদেউতা!'

আইদেউতাই মোৰ ফালে এবাৰ চায়েই আকৌ চকুত কাপোৰ দিলে, ওচৰলৈ গৈ সেৱা কৰিলো, "আইদেউতা, আশীৰ্বাদ কৰা আকৌ, যুঁজলৈ যাওঁ নহয়।..."

আশীৰ্বাদ কৰি গালত দুটা চুমাও দিলে আইদেউতাই ঃ "যা চন্দন..." মোৰ দৰে চম্পাকো চুমা খাই ক'লে— "কিমান দুখত যে তহঁতহালক এনেকৈ এৰি যাব লগাত পৰিছো তাক ঈশ্বৰেহে জানে... দুয়ো খুব সাৱধানে থাকিবি চম্পা...."

বৃন্দাৰ ফালে চাই মাত লগালো। -"বৃন্দা যাওঁ দেই...."

"যোৱা বোপাদেউতা..." চকুপানী টুকি টুকি বৃন্দাই বিদায় দিলে।

"ৰ'বা দাদা...." আগবাঢ়ি ওলাই আহিব খুজিছিলো। চম্পাৰ আহ্বানত থমকি তাইৰ মুখলৈ চালো। আকৌ এবাৰ চকুৰ পচাৰতে চম্পাই কঁকালৰ খোচনিৰপৰা অস্ত্ৰপাট উলিয়াই নিজৰ হাতৰ আঙুলি এটাত আঘাত কৰিলে। আঙুলিৰ মূৰত বিৰিঙি উঠা তেজৰ টোপালটোৰে তাই মোৰ কপালত আঁকি দিলে তিলক। হঠাৎ কপালখন পুৰি যোৱা যেন লাগিল। কিন্তু তাৰ লগে লগেই অপূৰ্ব আনন্দত মনটোও ভৰি উঠিল। মাথোঁ এফোট তেজ! অথচ এই এফোট তেজৰ মাজত লুকাই থকা তাৰ অসীম প্ৰভাৱ- মনৰ ওপৰত বিস্তাৰ কৰিব পৰা শক্তিৰ পৰিচয় পাই মুগ্ধ হৈ গলো। এয়া আন কাৰো নহয়, চম্পাৰ তেজ।

কঁকালত ওলমি থকা তৰোৱালৰ মুঠিত টানকৈ খামুচি ধৰি কলো— "চম্পা, তই হয়তো ভাবিবও নোৱাৰ মোক কি দিলি... আজি যুঁজত শত্ৰুৱে বুজিব চম্পাৰ শৰীৰৰ একবিন্দু তেজৰ মূল্য কিমান! চাই থাকিবি, তোৰ এই উপহাৰৰ অসন্মান কেতিয়াও নহয়। ...আৰু শুন, মৃত্যুক মই ভয় নকৰো চম্পা! আজি যদি যুঁজৰপৰা বিজয়ী হৈ উভতি অহাৰ সৌভাগ্য মোৰ কপালত নাথাকেও তথাপি ঠিক জানিবি তোৰ তেজৰ সন্মান ৰাখিয়েই হাঁহিমুখে মৰণক বৰণ কৰিছো..."

"দাদা, নক'বা! নক'বা..." হঠাৎ আৰ্তনাদ কৰি সেউজীয়া লতাডালে দৌৰি আহি মোৰ ডিঙিত মেৰাই ধৰিলেহি। চম্পাৰ মনটো যে কেতিয়াবা এনেকুৱা কৰুণ হ'ব পাৰে ভবা নাছিলো। বিস্ময়ত স্তব্ধ হৈ গলো। আজি চম্পাই মোক আচৰিত কৰিলে। খন্তেক আগতেও চম্পাই হাঁহিছিল, কিন্তু এতিয়া মোক আচৰিত কৰি তাই কান্দিছে। ...কৈশোৰ এৰি বাকী গোটেই জীৱনটোৰ ভিতৰত আজি এই প্ৰথম দেখিলো চম্পাক কন্দা। অতি অসহায় হৈ দুয়ো হাতেৰে মোৰ ডিঙিত ইমান জোৰেৰে সাৱটি ধৰিছে যে মই দুখ পাইছো...ভয়! ভয়! চম্পাৰ ভয় লাগিছে- সমুখত মৰণৰ ছাঁ দেখি চম্পাৰ ভয় লাগিছে মোক জানোচা হেৰুৱায়।

লাহেকৈ তাইৰ মুখখন তুলি ধৰি তাইৰ মুখলৈ চালো। চকুলোৰে গালখন তিতি গৈছে... হঠাৎ মনত পৰিল আৰু এনিশাৰ দৃশ্যটোৰ কথা, সেই নিশা সেই জোনাক ৰাতিৰ সপোনত মুৰলীধৰৰ সমুখত পৰি চম্পাই ঠিক এনেকৈয়ে মুৰলীধৰৰ মুখলৈ চাই কান্দিছিল। মনটো বিষাদেৰে ভৰি গ'ল। তথাপি সান্ত্বনা দিবলৈকে তাইৰ পিঠিত মৰমেৰে হাত বুলাই কলো, "মই যুঁজত এৰি যাওঁ বুলি তোৰ দুখ লাগিছে নহয়? কিন্তু মইতো মৰা নাই, মাথোঁ সম্ভাৱনা এটাৰ কথাহে কৈছো..."

মোক বাধা দি তাই চিঞৰি উঠিল— "নক'বা, নক'বা সম্ভাৱনা যদিও তাৰ নিষ্ঠুৰতাক মই সহ্য কৰিব নোৱাৰো। ...মৰণৰ কথা মুখলৈ নানিবা! ....মনত ৰাখিবা, আজি গধূলি যুঁজৰ পাছত যদি তোমাক আকৌ মোৰ ওচৰলৈ ঘূৰি অহা নেদেখো, তেন্তে ঠিক জানিবা, দাদা, চম্পাকো আৰু কালিলৈ কমল-নগৰৰ কোনেও নেদেখে-"

"ছি ছি চম্পা, তই এইবোৰ কি কৈছ?"

ঘূৰি আইদেউতাক সুধিলো— "আইদেউতা তুমি বাৰু ক'ব পাৰানে মই এনে কি পুণ্য কৰিছিলো যাৰ কাৰণে ভগৱানে মোক চম্পাৰ নিচিনা ভনী এজনী দিছে? ... চম্পা, তই বাৰু মোক কিয় ইমান ভাল পাৱ? অথচ অলপ আগতে কৈছিলি মই তোৰ দাদা হোৱাৰ অনুপযুক্ত... ভাল পোৱা, মৰম-চেনেহে উপযুক্ততা-অনুপযুক্ততা বিচাৰ নকৰে নহয়? মই জানো, মই তোক যিমানে ভাল পাওঁ, চেনেহ কৰো তই তাতকৈয়ো ঢেৰ বেছি কৰ। কিন্তু সেইবুলি আজিতো আমাৰ চকুপানী টুকিবৰ সময় নহয়- চাওঁ, মুচি পেলা চকুলো; তয়ে দেখোন অলপ আগতে অতীত মহাভাৰতৰ সুন্দৰ আদৰ্শৰ কথা কৈ নিজেই মোক যুঁজৰ কাৰণে সজাই দিছ- কচোন বাৰু, এই গোটেই পৃথিৱীৰ মাজত এনে এখন দেশ ক'ত আছে য'ত তহঁতৰ নিচিনা আপোনজনেই, নিজৰ মৰমৰ দেশখনৰ কাৰণে- পৱিত্ৰ জন্মভূমিৰ কাৰণে, মাতৃ হৈ সন্তানক, পত্নী হৈ পতিক, ভগ্নী হৈ ভ্ৰাতৃক নিজ হাতেৰে সজাই পৰাই যুঁজলৈ- মৃত্যুৰ মুখলৈ হাঁহিমুখে আগবঢ়াই দিব পাৰে? তহঁতৰ সেই ত্যাগ, সেই মহত্ত্ব, সিয়েই যে আমাৰ আটাইতকৈ ডাঙৰ গৌৰৱ চম্পা..."

"মই জানো, মই জানো দাদা... তুমি নুবুজা, তুমি পুৰুষ, তুমি কেনেকৈ জানিবা তাৰ কাৰণে যে আমাৰ জাতিটোৱে কিমানখিনি মূল্য দিব লাগে..."

"মই বুজো চম্পা, কিন্তু কি কৰিবি, পৃথিৱীৰ এয়ে নিয়ম। মানুহে সুখ-শান্তি বিচাৰে, কিন্তু এই মানুহেই আকৌ অশান্তিৰ দাবানলো জ্বলাই তোলে। তাৰে ফলত হয় যুদ্ধ- সেই অনাদিকালৰপৰা এনে যুদ্ধ চলি আহিছে, আজিও চলিছে,

Scanned with CamScanner

ভৱিষ্যতেও চলি থাকিব, যিমান দিনলৈকে মানুহে মানুহৰ মাজত থকা পশুত্বখিনিৰপৰা মুক্ত হৈ প্ৰকৃত, সম্পূৰ্ণ মানুহ হৈ উঠিব নোৱাৰে, সিমান দিনলৈ। আমিও মানুহ, আমাৰ শান্তি ভাঙিবলৈ অহা শত্ৰুবোৰ সিহঁতো মানুহ অথচ আমি মানুহবোৰেই গৰ্ব কৰি ক'বলৈ অলপো লাজ নাপাওঁ যে আমিয়েই ভগৱানৰ শ্ৰেষ্ঠ সৃষ্টি..."

চম্পাৰ চকুৰ পানী মুচি দি আকৌ কলো— "তোৰো যে চকুত এদিন পানী দেখিব লগা হব ভবা নাছিলো, কোনেও ভাবিব নোৱাৰে। কাঞ্চনমতীৰ পানীবোৰ আজি পূবৰপৰা পশ্চিমৰ পৰিৱৰ্তে, পশ্চিমৰপৰা পূবলৈ যদি ববলৈ আৰম্ভ কৰে, তাক দেখি কমল-নগৰৰ মানুহবোৰ যিমান আচৰিত হ'ব তাতকৈ বেছি আচৰিত হ'ব তোক এই অৱস্থাত দেখিলে- তোৰ চকুত পানী দেখিলে...। ব'ল যাওঁ চম্পা! তোক কথা দিছো... আজি গধূলি যুঁজৰ শেষত বিজয়ৰ গৌৰৱ লৈ আকৌ তোৰ ওচৰলৈ মই ঘূৰি আহিম, মৃত্যুৰ সাধ্য কি তোৰ এই কোমল প্ৰাণৰ বিমল চেনেহক অৱমাননা কৰে?"

চম্পাই লাহে লাহে মোৰ ডিঙিৰপৰা হাত দুখন নমাই আন এটা কোঠাত সোমালগৈ। আইদেউতাৰ মুখলৈ চালো- আইদেউতাই চম্পাৰ লগতে নতুনকৈ এবাৰ কান্দি লৈছিল, চকু মচি মচি অসহায়ভাৱে মোৰ মুখলৈ চালে।

"আইদেউতা, চম্পাকো তোমাৰ লগত বকুলপুৰলৈ লৈ যোৱা। হয়তো সেয়ে ভাল হব..."

"মই তাইক কৈছিলো চন্দন, কিন্তু তাই মান্তি নহ'ল। এবাৰ তয়ে কৈ চা বোপাই; যদি বা তোৰ কথা শুনেই..."

খন্তেক ভাবি কলো— "মই কোনোকালে চম্পাক আজিৰ দৰে দুৰ্বল দেখা নাই, সেই দেখি কৈছো, কিন্তু মই যাবলৈ ক'লেই জানো তাই মোৰ কথা শুনিব?"

"নুশুনে-" উত্তৰটো দুৱাৰমুখৰপৰা আহিল।

দুয়ো তৎক্ষণাত ঘূৰি চাই দেখো, দুৱাৰমুখত আকৌ সেই পুৰণা দিনৰ চম্পাই থিয় দি আছে। -খন্তেকৰ ভিতৰতে যে মানুহৰ এনে এটা পৰিৱৰ্তন সম্ভৱ, তাক কল্পনাও কৰিব নোৱাৰি। চম্পাৰ মুখত 'কন্দা-চম্পাৰ' ক্ষুদ্ৰতমো চিন চাব নেদেখিলো।

"ব'লা দাদা, ঢেৰ ল'ৰাধেমালি কৰিলো, তথাপি মই জানো তুমি মোক যাবলৈ কৈ কেতিয়াও অপমান নকৰা। গোটেই কমল-নগৰৰ মানুহ আজি পলাই গ'লেও চম্পা নাযায়, চম্পা অকলে হ'লেও থাকিব..."

হঠাৎ চম্পাৰ মুখৰ মাত বন্ধ কৰি মন্দিৰৰ বৰকাঁহখন আকৌ এবাৰ বাজি উঠিল। চম্পাই একেজাঁপেই মোৰ ওচৰলৈ আহি হাতত ধৰিলেহি, "আহা আহা,

Scanned with CamScanner

আমাৰ যাবৰ সময় হ'ল। আইদেউতা তোমালোক সাজু হৈ থাকিবা, মই অলপ পাছতে আকৌ তোমালোকক বিদায় দিবলৈ আহিম, ব'লা...”

চম্পাই মোক টানি লৈ গ'ল। পদূলিমূৰৰপৰাই দেখিলো, অলপ আঁতৰত থকা মন্দিৰৰপৰা প্ৰতিজন সৈনিকেই হাতে হাতে প্ৰসাদ আৰু নিৰ্মালি লৈ দলে দলে খোজ লৈছে যুঁজৰ ঠাইলৈ। দুয়ো বেগাবেগিকৈ আগবাঢ়িলো মন্দিৰৰ পদূলিমূখতে মোক এৰি চম্পা মন্দিৰৰ ভিতৰ সোমালগৈ। তাইৰ পাছ নলৈ সকলো সৈনিককে যাবলৈ বাট এৰি দি তাতেই অপেক্ষা কৰি থাকিলো। তাৰেপৰাই চকুত পৰিল, মন্দিৰলৈ উঠা ছিৰিটোৰ দুয়ো দাঁতিয়ে শাৰী শাৰী ছোৱালী- প্ৰত্যেকৰে হাতত থকা পাত্ৰৰপৰা প্ৰতিজন সৈনিকক হয় কোনোৱে পূজাৰ প্ৰসাদ দিছে, কোনোৱে নিৰ্মালি, কোনোৱে ফোট দি বিদায় দিছে। চম্পাৰ সাজ দেখি আচৰিত হৈছিলো, এতিয়া চম্পাৰ নাৰী-বাহিনীৰ প্ৰধান কেইগৰাকীক দেখি আৰু আচৰিত হলো। প্ৰায় প্ৰত্যেকেই চম্পাৰ নিচিনাকৈ এনে ধৰণৰ একে সাজ-পোছাক পিন্ধিছে- মাথোঁ ৰঙৰ প্ৰভেদ। বোধকৰো তাইৰ নিৰ্দেশ মতেই সকলোৱে নিজক তেনেভাৱেই সজাইছে।

মন্দিৰলৈ উঠা ছিৰিটোৰ প্ৰথম ঢাপটোত গৌৰী- গাত হেঙুলীয়া বৰণৰ সাজ। হাতত থকা পাত্ৰৰপৰা প্ৰতিজনৰ কপালত আঁকি দিছে একো একোটা চন্দনৰ ফোট। গৌৰীৰ পাছতে আৰু দুটা ঢাপ ছিৰিৰ ওপৰত ৰমা- গাত ঘোৰ নীলা বৰণৰ সাজ। মন্দিৰৰ একেবাৰে ওপৰৰ ছিৰিটোত থকা ৰাধাক তাইৰ টিক্-টিকীয়া ৰঙা সাজেৰে সৈতে একুৰা জুইৰ দৰেই দেখিবলৈ হৈছে- তাইক দেখি বেয়া লাগিল। বেচেৰী এনেয়ে লাজতে মৰে, তাতে আকৌ চম্পাই তাইক সেই ৰঙা পোছাকসাজ পিন্ধিবলৈ কৈ যথেষ্ট বিপদতে পেলাইছে। প্ৰতিজন মানুহেই সমুখত নিৰ্মালি লবলৈ থিয় দিয়াৰ লগে লগেই তাইৰ মুখখনো প্ৰতিবাৰেই আৰু ৰঙা হৈ উঠিছে। মতা মানুহৰ কথাই নকওঁ, লগৰ সমনীয়া ছোৱালীয়েও ৰাধাৰ মুখৰফালে এবাৰ চালেই বিনা কাৰণতে ৰাধাৰ মুখখনো যে সেন্দূৰৰ দৰেই ৰঙা হৈ পৰে। চম্পাই ৰাধাৰ নাম দিছে 'লাজুকী-লতা' ঃ মাতে 'লতা' বুলি- সৰুফুটীয়া আজলী ৰাধা সকলোৰে বৰ মৰমৰ সম্পদ।

হঠাৎ পাছফালৰপৰা কোনোবাই মোৰ কান্ধত হাত এখন থলেহি। আত্মীয়তাৰ দাবীসনা পৰশ পাই ঘূৰি চাই দেখো অশোক ওচৰত। মোৰ দৰেই যুঁজলৈ সাজু হৈ আহিছেঃ “চন্দন, তোক এবাৰ উমাই বিচাৰিছিল, পাছে, যাব পাৰিবি জানো...?”

“তাকেইতো অশোক...” খন্তেক ভাবি কলো— “মোৰ যাবৰ বৰ মন আছিল, কিন্তু আজিতো আৰু সময় নহ'ব... বৰ আশা আছিল আমাৰ সকলো কাম শেষ কৰি এবাৰ নবৌক দেখা কৰি আহিম, কিন্তু হঠাৎ শত্ৰুৰ উপস্থিতিয়ে সকলো

Scanned with CamScanner

ওলট-পালট কৰি দিলে। দেখা যাওক, যুঁজৰপৰা যদি উভতি আহিব পাৰো নিশ্চয় যাব লাগিব...''

অশোকে মোৰ মুখলৈ চাই হাঁহিলে— ''বেছ যি ভাল দেখ; আহ তেনে সেৰাটো কৰি লওঁগৈ; আমি সোনকালেই খেলমাটিলৈ যোৱাটো উচিত, কাৰণ ক'বতো নোৱাৰি কোন মুহূৰ্তত শক্ৰুৱে আহি দেখা দিয়েহি। তাৰ উপৰিও আমি গৈ নোপোৱালৈকে লক্ষ্মীনাৰায়ণ ডাঙৰীয়াও ইয়ালৈ আহিব নোৱাৰিব।''

দুয়ো ছিৰিয়েদি উঠি গৈ মন্দিৰৰ ভিতৰত প্ৰথমেই বিগ্ৰহৰ আগত আঁঠু লৈ সেৰা কৰি ওলাই আহিলো। চম্পাই অশোকক যগুৰ ফোঁট, ৰমাই প্ৰসাদ, ৰাধাই নিৰ্মালি আৰু গৌৰীয়ে চন্দনৰ ফোঁট দিলে। মই প্ৰথমেই ৰাধাৰ সমুখলৈ গৈ থিয় দিলো। ৰাধাই লাজতে প্ৰায় চকু মুদিয়েই এপাহ ফুল মোৰ ফালে আগবঢ়াই দিলে। কিন্তু মই ইচ্ছা কৰি হাত নাপাতি তাইৰ মুখলৈ চোৱাত বেচেৰী খন্তেকতে ঘামি উঠিল। আৰু অলপ ৰং চাবলৈ হঠাৎ সকলোৰে শুনাকৈ মাত দিলো.. 'লতা..!'

আজলী লতাৰ মুখখন এইবাৰ নিজৰ পোছাকৰ লগত একেবাৰে একাকাৰ হৈ গ'ল। -''আই ঐ দেহি, এই পোছাকটো তোমাক কোনে পিন্ধিবলৈ ক'লে লতা? ইয়াৰ মাজত যে তোমাৰ মুখখন কোনডোখৰত মই বিচাৰিয়েই পোৱা নাই...''

সকলোৱে একেলগে হাঁহি উঠাত লতা একেবাৰে মুছকঁছ গ'ল। নিৰ্মালিৰ থালখন নধৰা হ'লে হাতৰপৰা পৰিয়েই গৈছিল। বেচেৰীক ইমানতে এৰি নিৰ্মালি লৈ আগবাঢ়িলো। বাকীবোৰৰ ওচৰৰপৰা মোৰ প্ৰাপ্যখিনি লৈ শেষত থিয় দিলোহি গৌৰীৰ সমুখত। খন্তেকলৈ মোৰ চকুলৈ চাই গৌৰীয়ে চকু নমাই নিলে। ...ঠিক ধাৰণা কৰিব পৰা নাই গৌৰীয়ে কি কৰিব? আনৰ সমুখত এনে অৱস্থাত আজিলৈকে আমি পৰা নাই। সাধাৰণ এটা ফোট, শ শ মানুহক গৌৰীয়ে দিছে, কিন্তু সি অসাধাৰণ হৈ উঠিছে মোক দিবলগীয়া হোৱাত। উঠো উঠো কৰিও হাতখন মোৰ কপাললৈ উঠিব পৰা নাই। গৌৰীয়ে ভাবিছে সাধাৰণ এটা চন্দনৰ ফোটেই চন্দনৰ ওপৰত গৌৰীৰ পৰাজয়ৰ কাৰণ হৈ উঠিল। অথচ আজি ডেৰ বছৰে এই পৰাজয়ৰ হাতৰপৰা অতি যতনেৰে গৌৰীয়ে নিজক বচাই ৰাখিছে। মন লৈ খেলা খেলখনৰ সৌন্দৰ্যখিনিৰ পৰিসমাপ্তি ইমান সোনকালে শেষ কৰি দিবলৈ গৌৰীয়ে নিবিচাৰে। অন্ততঃ নিজৰ ফালৰপৰা আগতে ধৰাদি। প্ৰণয়ৰ শ্ৰেষ্ঠ মধুময় পৰিণতিক গৌৰীয়ে আৰু সুদৃঢ়, আৰু সৰ্বাংগ সুন্দৰ কৰি গঢ়ি তুলিব খোজে সময়ৰ অলংকাৰেৰে। কিন্তু আজি বিপদ ঘটাইছে এই ফোটটোৱে। কি

Scanned with CamScanner

কাৰণ ঠিক কৰিব পৰা নাই। হয়তো মোৰ ওঁঠত দেখা বিজয়ীৰ ক্ষীণ হাঁহিটোৱে গৌৰীৰ হাতখন আধা বাটতে ত্ৰিশংকুৰ দৰেই শূন্যত ৰখাই থৈছে। সি নামি যাবও পৰা নাই, মোৰ কপাললৈ উঠিবও পৰা নাই।

সময় পাৰ হৈ গৈছে। সকলোৰে চকু আমাৰ ওপৰত। গৌৰীৰ মনৰ দ্বন্দ্ব মোৰ বাহিৰে বোধকৰো আন কোনেও ধাৰণা কৰিব পৰা নাই। মই ভালদৰেই বুজিছো, আজি গোটেই দিনটো গৌৰীৰ সমুখত থাকিলেও গৌৰীয়ে আৰু মোক ফোট দিব নোৱাৰে। গতিকে শেষ ফোটটো অসমাপ্ত ৰাখিয়েই ঘূৰি খোজ ললো। গৌৰী চঞ্চল হৈ উঠিল, কিন্তু মই আৰু সুবিধা নিদিলো। মই আৰু অশোক অহা বাটটোৰ ফালে গৌৰীয়ে মাথো অসহায়ভাৱে চাই ৰ'ল- কিন্তু ভুল বুজি হঠাৎ চম্পাই গৰ্জন কৰি উঠিল— "গৌৰী? কিয়? কিয়? দাদাক এনেকৈ অপমান কৰিবলৈ তোমাৰ কি অধিকাৰ আছিল? আজিৰ দিনটোও পাহৰি থাকিব নোৱাৰানে? তুমি... তুমি..."

"চম্পা!..." গৌৰীৰ কৰুণ মিনতিত চম্পাৰ মুখৰ মাত বন্ধ হৈ গ'ল। গৌৰীৰ চকু দুটা পানীৰে উপচি পৰিছে। চম্পা আচৰিত হৈ গ'ল। লাহে লাহে নামি আহিল গৌৰীৰ সমুখলৈ-পাছমুহূৰ্তত দুয়ো দুয়োকে সাৱটি ধৰিলে। অস্ফুট শব্দেৰে গৌৰীয়ে ক'লে— "চম্পা তুমি নুবুজা..."

নিজৰ ভুলত অনুতপ্ত চম্পাই অতি মৰমেৰে উত্তৰ দিলে— "আগতে নুবুজিছিলো, এতিয়া বুজিছো গৌৰী, মোক ক্ষমা কৰা..."

চকুলোৰ মাজতেই গৌৰীয়ে চম্পাৰ গালত চম্পাক আচৰিত কৰি হঠাৎ এটা চুমা খালে। চম্পায়ো গৌৰীক আজি সম্পূৰ্ণৰূপে আপোন বুলি লৈ নিজেও এটা চুমা দি, আৰু প্ৰতিটো চুমাৰ মাজত দূৰৈত থকা আজলী ৰাধাৰ মুখখন এবাৰ ৰঙা পৰিল আনবাৰ বগা হৈ উঠিল।

খেলমাটি নোপোৱালৈকে বাকী গোটেই বাটটোৰ ভিতৰত অশোকে মাথোঁ একেষাৰেই ক'লে— "তহঁত হালেই অদ্ভুত চন্দন..."

"অদ্ভুত? কোন?"

"তই আৰু গৌৰী-!"

।। পঞ্চদশ অধ্যায় ।।

দানবীয় পৰিচয়

খেলমাটি পায়েই প্ৰথম শুনিলো, শত্ৰুৰ সম্ভেদ লবলৈ পঠিওৱা ডেকাকেইটা অলপ আগতে উলটি আহিছে। সিহঁতৰ মুখে সকলো শুনি অন্তৰাত্মা শুকাই গ'ল। হাজাৰ হাজাৰ পদাতিক সৈন্য, অশ্বাৰোহী সৈন্য, অলেখ বৰটোপ লগত লৈ শত্ৰু একেবাৰে ওচৰ পাইছেহি। অতি কম সময়ৰ ভিতৰত শত্ৰু যে ইমান ওচৰ পাবহি ভবা নাছিলো। সময় নষ্ট নকৰি প্ৰত্যেকেই নিজৰ নিজৰ ঠাই ললো। তাৰ আগতেই প্ৰতিটো সৈন্যকে সিহঁতৰ নিৰ্দিষ্ট কৰ্তব্যৰ কথা বুজাই দিয়া হ'ল।

গড়ৰ সমুখৰ অঁকোৱা-পকোৱা আলিটোৰ যিখন চাং শত্ৰুৱে প্ৰথমে পাবহি তাৰ সমানে সমানে দুয়ো দাঁতিৰ পৰ্বতৰ টিঙত, এফালে থাকিল কিছু সৈন্য লৈ অশোক, বিপৰীত ফালে মোমাইদেউ। লগত অশোৰ দৰেই কিছু সৈন্য। গড়ৰ ভিতৰ ফালে প্ৰধান সৈন্যবাহিনী লগত লৈ লক্ষ্মীনাৰায়ণ নিজে; আৰু মই আটাইতকৈ চোকা প্ৰথম দলটো লৈ থাকিলো গড়ৰ বাহিৰত শত্ৰুক আগভেটি ধৰিবলৈ। মোৰটোৱেই আটাইতকৈ বিপদৰ কাম। মোৰ দলটোত দুহেজাৰতকৈয়ো বেছি চফল ডেকা। আমি আগবাঢ়ি গৈ প্ৰথম চাংখনৰপৰা অলপ আঁতৰতে আত্মগোপন কৰি থাকিলো- আঘাত কৰিবৰ সময় হ'লেই পৰ্বতৰ টিঙত থকা অশোকৰপৰা সংকেত পাম।

মই যি ঠাইত আছো তাৰেপৰা মাথোঁ অশোকৰ মূৰটো দেখিছো। ওচৰৰ দূৰৰ সকলো মানুহ লুকাই আছে। ঠাইখন অদ্ভুত নিস্তব্ধ-ক'তো এটা ক্ষুদ্ৰতমো শব্দ নাই। অথচ হাজাৰ হাজাৰ মানুহেৰে চাৰিও দিশ ভৰি আছে।

মোৰ নিচেই ওচৰত থকা এদাঁতিৰ সৈনিকটোৰ মুখলৈ চালো- নিচেই ল'ৰামানুহ। হয়তো সোতৰ কি ওঠৰ বছৰ বয়স হ'ব- তথাপি চকু দুটা তাৰ জ্বলিছে। বেছ ধুনীয়া ল'ৰাটো; কেতিয়াবা দেখিছো বুলিও মনত নপৰিল।

"তোমাৰ নাম কি?"

ল'ৰাটোৱে প্ৰথমে উচপ খাই উঠি পাছত হাঁহি ক'লে— "আনন্দ..."

Scanned with CamScanner

আনন্দ! আনফালে মুখ ঘূৰালে। চকুত পৰিছিল, তাৰ কপালত মোৰ দৰেই এটা ৰক্ত তিলক! কোনে জানে হয়তো মোৰ দৰেই তাৰো এজনী ভনী আছে, আৰু আজি হয়তো তায়ে ককায়েকক সজাই-পৰাই, তাইৰ এধানি হাতৰ সৰু আঙুলিৰ তেজৰ ফোঁট দি, চকুলোৰ মাজত চেনেহৰ ককায়েকক মৰণৰ মুখলৈ ঠেলি দিছে।

মোৰ ইদাঁতিয়ে থকা আনটো ডেকাৰ ওপৰত এইবাৰ চকু পৰিল। মোৰ সমবয়সীয়া হ'ব। তাকো চিনি নাপালো- নামতো জানিবৰ ইচ্ছা হ'ল, আকৌ সুধিলো— "তোমাৰ নাম কি?"

ডেকাই মোৰ মুখলৈ চাই অলপকৈ হাঁহি উত্তৰ দিলে— "মোৰ নাম শুনি অলপো আনন্দ নাপাব... মোৰ নাম বিষাদ..."

মনে মনে থাকিলো- দ্বিতীয় কথা আৰু মোৰ মুখ ফুটি নোলাল। নামৰ পাৰ্থক্য দেখি আচৰিত হ'লো; ভাবিলো- এফালে 'আনন্দ' আনফালে 'বিষাদ' আজি কমল-নগৰৰ ভাগ্যত কোনফাল আছে...!"

হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি দশোদিশ কঁপাই একেলগেই এজাক বৰটোপে গৰ্জন কৰি উঠিল। উচপ খাই আনন্দই জাঁপমাৰি উঠিছিল। লৰালৰিকৈ বহুৱাই দিলো। সেয়া শত্ৰুৰ আগজাননী। দুৰ্বলৰ ওপৰত সবলৰ প্ৰবল হুঙ্কাৰ। দেখা নাই যদিও স্পষ্ট অনুমান কৰিব পাৰিছো- এডাল কালান্তক সাপৰ দৰে ফেঁট তুলি, শত্ৰুৰ দল, অঁকোৰা-পকোৰা আলিটোৰে আগবাঢ়ি আহিছে।

উশাহ বন্ধ কৰি অপেক্ষা কৰি আছো.. অলপ পাছতে প্ৰথম দৰ্শন পালো। শত্ৰু আহি প্ৰথম চাংখনৰ ওচৰ পাইছেহি। সিহঁতৰ মূৰ্তি দেখি জীৱ উৰি গ'ল..... কুৎসিত অসুৰৰ আকৃতি প্ৰতিটোৰ। তৰোৱালৰ মুঠিটো টানকৈ ধৰি অপেক্ষা কৰিছো অশোকৰ ইংগিতলৈ।

মহাবিক্ৰমে শত্ৰুৰ প্ৰথম দলটো চাংখন পাৰ হৈ আহিছে। আমাৰ ফালে এতিয়াও সম্পূৰ্ণ নিস্তব্ধ। বতাহত গছৰ পাত এখিলা লৰাৰো শব্দ নাই। এটা এটা মুহূৰ্ত এটা এটা যুগ যেন লাগিছে। আৰু প্ৰতি মুহূৰ্তেই সিহঁতৰপৰা আমাৰ দূৰত্বৰো ব্যৱধান কমি আহিছে। লাহে লাহে একেবাৰে ওচৰ পাইছেহি... আৰু ওচৰ.... আৰু...

গুৰুম, গুৰুম শব্দ কৰি বিশ্বব্ৰহ্মাণ্ড কঁপাই একেলগেই আমাৰ তিনিওটা বৰটোপে গৰ্জন কৰি উঠিল। শত্ৰুৰ দলটো থমকি ৰ'ল। সিহঁতৰ প্ৰথম বৰটোপটো ঠিক চাংখনৰ ওচৰ পাইছিলহি... আমাৰ বৰটোপৰ শব্দ জিন যোৱাৰ আগতেই

ভয়ংকৰ শব্দ কৰি, কিছু সৈন্য আৰু বৰটোপটো লগত লৈ চাংখন অতল গহ্বৰত ডুবি গ'ল। শত্রুসৈন্য দুভাগ হোৱাৰ লগে লগেই খালৰ সিপাৰে থকা সিহঁতৰ প্রধান দলটোৰ ওপৰত গিৰ্ গিৰ্ শব্দ কৰি বিৰাট বিৰাট শিলবোৰ ওপৰৰপৰা বাগৰি পৰিলহি। আচম্বিতে কৰা আমাৰ আক্রমণত আক্রান্ত হৈ দুয়ো পাৰৰে শত্রুক বিভ্রান্ত কৰি দিলে।

এইবাৰ মোৰ পাল। সুযোগ বুজি মোৰ দলটোক সংকেত দি, আলিৰ দুয়ো কাষৰপৰা বজ্রহুঙ্কাৰে সিহঁতৰ ওপৰত জঁপিয়াই পৰিলোঁগৈ...

তাৰ পাছত আৰম্ভ হ'ল বৰ্ণনা কৰিব নোৱাৰা মহা প্রলয়। মানুহে মানুহৰ জীৱন লৈ যে এনেকৈ হেঁতালি খেলিব পাৰে সি মোৰ কল্পনাতীত আছিল। মোৰ ওচৰৰ আনন্দই প্রথমেই সমুখৰটোক দুছোৱা কৰিলে। তাৰ কুৎসিত দেহাৰপৰা ওলোৱা তপত তেজ চকুত পৰিল, খন্তেকলৈ একো ক'ব নোৱাৰা হৈ গলো। মানুহৰ ইমান তেজ একেলগে কেতিয়াও দেখা নাই। হঠাৎ মোৰ গাটো ছিটিকি দূৰৈত পৰিলগৈ। কাৰ তৰোৱালৰ আগত ক'ব নোৱাৰো, কিন্তু সি অলপ তলেৰে যোৱা হ'লে নিশ্চয় মূৰটোও লগতে লৈ গ'লহেঁতেন। ইমানপৰ মানুহ হৈ আছিলো, এইবাৰ হৈ পৰিলো উন্মত্ত পশু- চকুৰে একো স্পষ্ট দেখা নাই। ঢাল তৰোৱালৰ সংঘৰ্ষত সকলো আন্ধাৰ হৈ গৈছে। গাৰ গোটেই শক্তিৰে বিকট আৰ্তনাদ কৰি কৰি মাথোঁ অস্ত্র চলাইছো। তৰোৱালৰ আগেৰে সমুখৰ বাট ক্রমাৎ মুকলি কৰি নিছো।

অদ্ভুত শব্দৰ সংমিশ্রণত- উন্মাদ পশুৰ তাণ্ডব নৃত্যৰ মাজত, নিজৰ জ্ঞান, বিবেক-বুদ্ধি, অনুভূতি সকলো লুপ্ত হৈ গৈছে। মাথোঁ এটা নিষ্ঠুৰ যন্ত্রৰ দৰে কেৱল আঘাতৰ পাছত আঘাত কৰি গৈছো। কিমান সময়- এটা মুহূৰ্ত নে এটা দিন নে এটা বছৰ, তাক ধাৰণা কৰিবৰ সেই শক্তিকণো লুপ্ত হৈ গৈছে।

তাৰ পাছত- কিমানপৰ পাছত ক'ব নোৱাৰো- ঠিক যেনেকৈ এই মৰণ অগনি 'দপ'কৈ জ্বলি উঠিছিল, ঠিক তেনেকৈয়ে অসময়ত আকৌ 'দপ'কৈয়ে নুমাই গ'ল! লাহে লাহে চেতনা ঘূৰাই পালো- দেহৰ প্রতিটো ইন্দ্রিয় ক্রমাৎ সজাগ হৈ উঠিল। বুজিলো মই মৰা নাই। যুদ্ধক্ষেত্র নিস্তব্ধ- প্রায় গধূলি হৈ আহিছে। এজাক মৰাশৰ মাজত থিয় দি আছো। চাৰিওফালেই ডোঙা ডোঙা তেজ-মানুহৰ তেজ; গাৰ নোম শিয়ঁৰি উঠা নাৰকীয় দৃশ্য... কিছুমানৰ মূৰ নাই, কিছুমানৰ হাত নাই, ভৰি নাই- ইফালে সিফালে সিঁচৰতি হৈ পৰি আছে, কাৰোবাৰ এখন হাত, কাৰোবাৰ এখন ভৰি-বিকৃত কিছুমান মূৰ, ঢাল, তৰোৱাল...নাই, আৰু চাব নোৱাৰি- নগ্ন, বীভৎস মানুহৰে এই ভয়াবহ পৰিণতি চাই থকা সাধ্য মোৰ নাই।

Scanned with CamScanner

দুয়ো হাতেৰে মুখখন ঢাকি ধৰিলো। কোনোবাই মোৰ কান্ধত হাত এখন থলেহি। লাহে লাহে ঘূৰি চাই দেখো, অশোক মোৰ ওচৰত ঃ "চন্দন আহ যাওঁ..." মুখৰ মাত নোলাল। অশোকৰ লগত মৰাশবোৰৰ মাজে মাজে গড়ৰ ফালে উভতি আহিলো। অশোকে হঠাৎ সুধিলে— "চন্দন, এটা কথা কচোন, আজি এই দানৱৰ শক্তি তই ক'ত পাইছিলি? এটা মানুহে হাতত মাত্ৰ এখন তৰোৱাল লৈ যে এনেকুৱা ভয়ংকৰৰূপে শত্ৰুক ধ্বংস কৰিব পাৰে তাক নিজ চকুৰে নেদেখা হ'লে কেতিয়াও বিশ্বাস কৰিব নোৱাৰিলোহেঁতেন...!"

স্পষ্ট ভাবিব পৰা নাই প্ৰথমৰেপৰা শেষলৈকে মই কি কৰিছিলো। এতিয়াতো সন্ধ্যা হৈছে অথচ যুদ্ধ আৰম্ভ হৈছিল সেই পুৱাতে। গোটেই দিনটো যে কেনেকৈ গ'ল মোৰ একো ধাৰণা নাই।

"মোক কি কৰা দেখিছিলি?"

অশোকে কৈ গ'ল— "প্ৰথমবাৰ আক্ৰমণৰ সময়ত তোক দেখি আচৰিত হৈছিলো, যদিও সি মাত্ৰ এঘণ্টা হে আছিল। কিন্তু শত্ৰুৰ দ্বিতীয় আক্ৰমণত আমি যেতিয়া দ্বিতীয় চাংখনো কাটি পেলালো, তাৰ পাছৰপৰাই তোক দেখি সকলোৰে তবধ মানিছিল। সংহাৰ মূৰ্তি ধৰি তই আৰু তোৰ দলটোৱে শত্ৰুক এফালৰপৰা পিহি নিলি। সিপাৰে থকা শেষ শত্ৰুটোকো নিৰ্মূল কৰি প্ৰথম আৰু দ্বিতীয় চাঙৰ মাজত থকাবোৰৰ ওপৰত জঁপিয়াই পৰিলিগৈ। তাতেই হ'ল আটাইতকৈ ভয়াবহ ৰণ....মোৰ সঁচাকৈয়ে বৰ ভয় লাগিছিল চন্দন! তোৰ তেনেদৰে খাল পাৰ হৈ যোৱাটো উচিত নাছিল। শত্ৰুৱে যি পৰাক্ৰমেৰে তহঁতক প্ৰথমে বাধা দিছিল ভাবিছিলো তহঁতৰ বিপদ হ'ব, তাৰ উপৰিও সিহঁতৰ ঘাই দলটো মাত্ৰ খালটোৰ সিপাৰে। মৰাশ আৰু শিলেৰে তাক প্ৰায় পুতি পেলাইছিল- কিন্তু ঈশ্বৰক ধন্যবাদ, আৰু ধন্য চম্পাৰ বুদ্ধি- আমি ওপৰৰপৰা বগৰাই দিয়া শিল আৰু ধেনু-কাঁড়ৰ প্ৰতাপত সিহঁত পাৰ হৈ অহা দূৰৰ কথা, পাচ-হুঁহকি পলাবলৈ তৎ নাপালে- আৰু তয়ো ধন্য চন্দন! তোৰ তৰোৱালৰ শক্তিও ধন্য।"

"...এইবাৰো শেষ শত্ৰুটো থকালৈকে তোৰ তৰোৱাল অবিশ্ৰান্তভাৱে চলিয়েই আছিল। এনে অপূৰ্ব অস্ত্ৰ শিক্ষা তোক কোনে দিছিল? ক'ত শিকিছিলি চন্দন? শত্ৰুৱেও বোধকৰো সিহঁতৰ জীৱনত নিশ্চয় এনে শিক্ষা আৰু কেতিয়াও পোৱা নাই। যদি কালিলৈ আকৌ আমাক আক্ৰমণ নকৰি নিজ দেশলৈ সিহঁত গুচি যায়গৈ, তথাপি মই অলপো আচৰিত নহওঁ....। তই আৰু তোৰ দুযোৰ ডেকাৰ হাতত সিহঁতে খুব কমেও আমাৰ গোটেই সৈন্যবাহিনীতকৈয়ো বেছি সৈন্য হেৰুৱালে, দুটা বৰটোপ হেৰুৱালে মাত্ৰ এদিনৰ যুঁজত..."

Scanned with CamScanner

"অশোক! আমাৰ কিমান গ'ল?"

"নিচেই সামান্য- কিছু আহত হৈছে, সিহঁতক মন্দিৰলৈ আৰু ৰূপালীপামলৈ শুশ্ৰূষাৰ কাৰণে পঠিওৱা হৈছে..."

দীঘলকৈ তৃপ্তিৰে এটা উশাহ ললো। মনটো আনন্দত ভৰি গ'ল। ঘূৰি ঘূৰি এজনী চম্পা হঠাৎ এশজনী হৈ চকুৰ আগত যেন দেখা দিলেহি। আজি মই যদি কিবা অসাধ্য সাধন কৰি থাকো, সি চম্পাৰ গুণ-চম্পাৰ সেই চকুপানী আঙুলিৰ এফোঁট তেজ, হয়তো তাৰেই অদৃশ্য শক্তি আহিছিল মোৰ গালৈ।

তুমুল জয়ধ্বনিৰ মাজত গড়ৰ ভিতৰ সোমালোহি। ...আকাশে বতাহে মাথোঁ একেটাই নাম। প্ৰতিটো সৈনিকৰ মুখত হাঁহি, ওঁঠৰ আগত একেটা কথা- 'চম্পা ধন্য! ধন্য চম্পাৰ বুদ্ধি...' সঁচাকৈয়ে, আজি আমাৰ এই বিজয় অকল চম্পাৰ কৌশলৰ জোৰতে হৈছে, নহ'লে শত্ৰুৰ আধাক ধ্বংস কৰি বাকীবোৰক খেদি পঠিয়াবলৈ আমাৰ কি সাধ্য আছিল।

লক্ষ্মীনাৰায়ণে মোক আঁকোৱালি ধৰিছেহি। মোৰ দলৰ প্ৰতিজন সৈনিকক গড়ৰ ভিতৰত থকাসকলে আলিংগন কৰি জয়ধ্বনি দিছে। মোৰ আৰু চম্পাৰ গৌৰৱত মোমাইদেউ চঞ্চল হৈ উফৰি ফুৰিছে। গোটেই কমল-নগৰত এদিন আগৰ ভয়াবহ নিস্তব্ধতা ভাঙি এতিয়া গোটেই নগৰবাসী আনন্দ-উৎসৱত মগ্ন হৈ উঠিছে।

"ব'লা চন্দন! তোমালৈ আৰু তোমাৰ লগৰবোৰৰ কাৰণে দেৱ-মন্দিৰত সকলো ৰৈ আছে, ব'লা..."

একো বুজিব নোৱাৰি আচৰিত হৈ লক্ষ্মীনাৰায়ণৰ মুখলৈ চালো। "ৰৈ আছে? কোন ৰৈ আছে আমাৰ কাৰণে? আৰু কিয়?"

লক্ষ্মীনাৰায়ণে হাঁহিলে— "তোমালোকক নগৰৰ পুৰনাৰীসকলে অভিনন্দন দিবলৈ, তোমাৰ আৰু তোমাৰ দলৰ সকলোৰে বীৰত্বৰ কথা চাৰিওফালে ৰাষ্ট্ৰ হৈ পৰিছে আহা..."

বৰ সংকোচ হ'ল। বাধা দি কলো— "কিন্তু ইয়াত?"

উত্তৰ দিলে অশোকে— 'ইয়াৰ কাৰণে একো চিন্তা নকৰিবি। সকলো ব্যৱস্থা আমি কৰি থৈছো তাৰ উপৰিও মই আৰু মোমাইদেউকে আদি কৰি সকলো ইয়াতে থাকিম। তই যা, তোৰ দলৰ সৰহ ভাগ আগতেই গ'ল..."

মই মুখেৰে মতাৰ আগতেই মোৰ হাতত ধৰি লক্ষ্মীনাৰায়ণে খোজ ললে। আপত্তি নকৰিলো, কাৰণ চম্পাক কথা দিছিলো বিজয়ী হৈ উভতিম। চম্পা মোলৈ

Scanned with CamScanner

ৰৈ আছে। ভগৱানক কৌটি কৌটিবাৰ সেৱা কৰিলো। চম্পাৰ উপযুক্ত ভ্ৰাতৃ হৈ তাইৰ সমুখত থিয় দিবলৈ ভগৱানে মোক আজি এই সুযোগ দিলে।

দেৱ-মন্দিৰৰ পদূলিমূৰ পাই শংখ-ঘণ্টা উৰুলি ধ্বনিৰ মাজত ৰৈ পৰিবলৈ বাধ্য হলো। জীৱনত এনে এটা পৰিস্থিতিৰ সমুখীন কেতিয়াও হোৱা নাছিলো। পদূলিমূৰৰেপৰা মন্দিৰৰ ভিতৰলৈকে যোৱা বাটটোৰ দুয়ো দাতিয়ে শ শ ল'ৰা-ছোৱালী, গাভৰু, বয়সীয়া তিৰোতাৰ মাজত পৰি গৈ হঠাৎ ৰাধাৰ দৰেই ৰঙা হৈ উঠিলো। সকলোৱে কোঁচৰ ফুলবোৰ আকাশ ছাটি আহি মোক প্ৰায় ডুবাই দিলে ফুলৰ মাজত। চিনাকি অচিনাকি সকলোৱে এই পৱিত্ৰ প্ৰীতি-চেনেহে-সন্মানে অন্তৰখন পুলক-আনন্দত ভৰাই তুলিলে। ভাবি নাপালো, মই এনে কি কৰিলো যাৰ কাৰণে মোৰ জীৱনৰ এই গধূলিটো এই ছোৱালীবোৰে স্বৰ্গীয় সৌন্দৰ্যৰে চিৰস্মৰণীয় কৰি ৰাখিব খুজিছে।

হঠাৎ তাৰ মাজৰেপৰা এধানিমান ছোৱালী এজনী ডাঙৰ এপাহ ফুলৰ দৰেই দৌৰি আহি ওচৰত পৰিলেহি- তাইৰ হাততো এথোপা ফুল। আনন্দত তাই চিঞৰি উঠিল— "দাদা।" মোৰ ওচৰতে থকা সৈনিকৰ ডিঙিত তাই সাৱটি ধৰিছেহি। সৈনিকেও তাইৰ সৰু দেহাটো দুয়ো হাতৰ মাজত সাৱটি ধৰিছে...। মুখলৈ চালো-যুঁজত মোৰ ওচৰতে থকা ধুনীয়া ল'ৰাটো— 'আনন্দ'। দুয়ো হাঁহিছে, দুয়োৰে চকুত আনন্দৰ চকুলো। ভাই-ভনীৰ এই স্বৰ্গীয় মিলন দৃশ্য দেখি মুগ্ধ হৈ চাই ৰ'লো- কি সুন্দৰ হৈছে সিহঁতহালক দেখিবলৈ। মোৰ মুখলৈ চাই আনন্দই তাইৰ পৰিচয় দিলে— "মোৰ ভনী।"

অন্তৰখন হাহাকাৰ কৰি উঠিল নিজৰ ভনীজনীৰ কাৰণে- চম্পা ক'ত? চাৰিওফালে চালো। নাই, চম্পা ইয়াৰ মাজত নাই। আকৌ চালো আন এজনাৰ আশাত- চকু বিযাই উঠিল, তথাপি নেদেখিলো...নাই, গৌৰীও নাই ক'তো। জনা-নজনা সকলোবোৰেই ইয়াত আছে- নাই মাথোঁ চম্পা আৰু গৌৰী!

সিহঁত দুজনাৰ কাৰণে মনটো হাঁহাকাৰ কৰি উঠিল। অন্তৰৰ গোটেইখিনি চেনেহ, গোটেইখিনি প্ৰণয়, ভালপোৱা সিহঁতহালকে সঁপি দি ৰিক্ত হৈ গলো, অথচ মোৰ জীৱনৰ এই মধুৰ মুহূৰ্তত সিহঁতেই মোক বঞ্চিত কৰি গ'লগৈ।

"চন্দন...।"

উচপ্ খাই উঠি দেখো, মোৰ ওচৰত উমা, হাতত বৰ বৰ দুথোপা ফুল। উমাক ওচৰত দেখি চম্পা-গৌৰীক নোপোৱাৰ দুখ মুহূৰ্ততে পাহৰি গলো।

Scanned with CamScanner

ফুলখিনি মোৰ হাতত তুলি দি উমাই হাঁহিলে— "ধৰা, এইথোপা মোৰ আৰু এইথোপা মাহীদেৱে তোমালোক সকলোলৈকে পঠিয়াই অভিনন্দন জনাইছে-"

"মা কেতিয়া পালেহি নবৌ?"

"দুপৰীয়া-"

উমাৰ হাতৰপৰা ফুল দুথোপা লৈ তাৰে এথোপা আনন্দক দিলো- সন্তানৰ ওচৰলৈ মাতৃৰ অভিনৰ অভিনন্দন ঃ "নবৌ, চম্পা ক'ত?"

"ক'ব নোৱাৰো, চন্দন, তাই আজি সকলোৰে ওচৰৰপৰা পলাই ফুৰিছে। তাইৰ লাজ, সকলো মানুহৰপৰা পোৱা ইমান প্ৰশংসা বোলে তাইৰ অসহ্য হৈ উঠিছে। চম্পাই কৈ ফুৰিছে সকলোৱে হেনো ইচ্ছা কৰিয়েই তাইক লাজ দিছে। যিহেতু সকলো প্ৰশংসা প্ৰকৃততে তোমাৰ আৰু তোমাৰ দলটোৰহে প্ৰাপ্য- তাইৰ নহয়। ...সঁচাই চন্দন! তোমালোক দুয়ো ধন্য; যেনে ভাই তেনে ভনী, আজি গৰ্বেৰে মোৰ অন্তৰখন ভৰি উঠিছে..."

বাধা দি কলো— "হ'ল, নবৌ, তুমিও আৰু মোক লাজ নিদিবা। মই চম্পাক বিচাৰি যাওঁ..."

সকলোকে তাতে এৰি থৈ খোজ ললো। মন্দিৰৰ চাৰিওফালে চম্পাক বিচাৰি ফুৰিলো। আহত সৈন্যবোৰৰ ওচৰৰপৰাও এবাৰ ঘূৰি আহিলো, ক'তো নাই।

ঘূৰি ফুৰোতে ফুৰোতে হঠাৎ এবাৰ মন্দিৰৰ নিৰ্জন কোঠা এটাত গৌৰীৰ সমুখতে পৰিলোহি। দুয়োৰে মাজত এটা গোল ডাঙৰ খুটা। মজিয়াৰেপৰা মন্দিৰৰ মূধচ পাইছেগৈ। খুটাটোৰ গুৰিত ওলমি আছে কাৰোবাৰ এসাজ ৰিহা-মেখেলা। ঠিক ৰাধাই পিন্ধা সাজৰ দৰেই টিকটিকীয়া ৰঙা, দূৰৰেপৰা হঠাৎ খুটাটো দেখিলে ৰাধাই থিয় দি আছে বুলি ভ্ৰম হয়।

তাৰ দাঁতিয়েদি দুয়ো দুয়োৰে চকুলৈ চালো। গৌৰী আঁতৰি নগ'ল, ময়ো নগলো। খুটাটো দুয়োৰে মাজত লৈ বহু সময়লৈকে দুয়ো মনে মনে ৰলো। গৌৰী মোৰ ওচৰত- ইমান ওচৰত যে হাত মেলিলেই গৌৰীক স্পৰ্শ কৰিব পাৰো। এনে নাটকীয় পৰিস্থিতিৰ মাজত গৌৰীক কেতিয়াও পোৱা নাছিলো। আজি পাই ঠিক কৰিব নোৱাৰিলো কি কৰিম! আমি বুজিছো আজি আমাৰ শান্তি প্ৰতিষ্ঠাৰ দিন। এতিয়াও বোধকৰো দুয়ো একেটা কথাই ভাবিছো- প্ৰথমেই কোনে আজি ডেৰ বছৰে খেলা খেলখন শেষ কৰি প্ৰথমে কথা ক'ব? ধৰা দিব? বুজিছো গৌৰী আঁতৰি নাযায়, কিন্তু প্ৰথমে কথাও নকয়। আঁতৰি যোৱা শক্তি মোৰো নাই, কিন্তু কোনোবাই আমাক এই অৱস্থাত দেখিলে কি ভাবিব?

Scanned with CamScanner

বহুত বেলিৰ মূৰত হঠাৎ সকলো সংকোচ কাটি কৰি ৰাধাৰ মেখেলা-চাদৰ পিন্ধি থকা নিৰ্জীৱ খুটাটোকে অন্তৰৰ গোটেইখিনি কোমলতা ঢালি সম্বোধন কৰিলো, “ৰাধা’ মোৰ গোটেই জীৱনৰ এই অপূৰ্ব সুন্দৰ দিনটোত সকলোৰেপৰাই ঢেৰ অভিনন্দন পালো, কিন্তু যাৰ মুখৰ একেষাৰ মাত, এটি সৰু হাঁহিক মই মোৰ আটাইতকৈ ডাঙৰ সম্পদ বুলি ললোহেঁতেন, তেওঁৰ ওচৰত জানো মোৰ পাবলৈ আজি একোৱেই নাই...?”

গৌৰীয়ে ৰাধাৰ আঁচলৰ আঁৰত মুখ লুকুৱাই অস্ফুট মাতেৰে উত্তৰ দিলে— “ৰাধা, তুমি নোকোৱা কেলৈ? যাক মোৰ গোটেই অন্তৰখন সঁপি দিলো তেওঁক মুখ ফুটাই যেনিবা অভিনন্দন নিদিলোৱেই...”

তৃপ্তিৰ মধুৰ আৱেশত ৰঙীণ হৈ উঠা মোৰ নতুন পৃথিৱীৰ আজি মোৰ এয়ে শ্ৰেষ্ঠ উপহাৰ। কিন্তু মোৰ দুৰ্ভাগ্য, কোনোবা আপদীয়া বুঢ়ী এজনীয়ে সকলো মাটি কৰি দিলে। গৌৰীক এবাৰ সম্বোধন কৰিবলৈ নাপালো এবাৰ মুহূৰ্তলৈ হাতখন স্পৰ্শ কৰিবৰ সুযোগ নহ’ল। ...বুঢ়ীয়ে কোনোবা অদৃশ্য এক ‘তিলোত্তমাক’ আহ্বান কৰি কোঠাটোত সোমালহি- হয়তো জীয়েক, নহয় বুঢ়ীৰ নাতিনীয়েক। যেয়ে হওক, হাতৰ কাষত উক্ত তিলোত্তমাক পোৱা হ’লে?

গৌৰী আৰু মই দুফালে ছিটিকি পলালো। নিৰ্জীৱ ৰাধায়েই বুঢ়ীক অভ্যৰ্থনা কৰিলে। সজীৱ ৰাধাৰতো কথা কোৱা দূৰৰ কথা মুখলৈ চোৱাৰ শক্তি নাই, গতিকে নিৰ্জীৱ ৰাধাই আমাৰ প্ৰথম শক্তিৰ মিলন মুহূৰ্তত এনে উপদ্ৰব সহ্য কৰিব নোৱাৰি হয়তো বুঢ়ীক তিৰস্কাৰ কৰিলে— “ছি ছি, বুঢ়ী আইতা তুমি বাৰু কিয় ইমান নিষ্ঠুৰ...?”

গৌৰী কেনি গ’ল নেদেখিলো। মই আন কোনেও নেদেখাকৈ পাছবাৰীয়েদি পলাই আহি ঘৰ পালোহি।

ঘৰত জনপ্ৰাণী নাই। চাৰিওফালেই আন্ধাৰ। চম্পা, বৃন্দা, আইদেউতা সকলোকে চিঞৰি মাতিও মাত নাপালো। হয়তো আইদেউতা আৰু বৃন্দা বকুলপুৰলৈ গ’লগৈ। কিন্তু চম্পা ক’ত? বাৰদিয়েক আকৌ চম্পাক চিয়ঁৰি হতাশ হৈ ঘৰলৈ উঠি যোৱা ছিৰিটোৰ ঢাপ এটাত বহি পৰিলো।

আন্ধাৰত অকলে বহি আছো। চাৰিওফালেই নিস্তব্ধ। মন্দিৰৰ কোলাহল ৰিণি ৰিণি কাণত পৰিছেহি-

এবাৰ সমুখৰ আলিৰে কোনোবা যোৱা যেন পাই মাত দিলো— “সেয়া কোন? চম্পা নেকি?”

Scanned with CamScanner

উত্তৰ আহিল— "নহয়, মই ৰমা..."

"ৰমা, চম্পাক দেখিছিলানে?"

"নাই দেখা, ময়ো চম্পাকে বিচাৰি ফুৰিছো... কিন্তু আপুনি তাত আন্ধাৰে-মুন্ধাৰে তেনেকৈ বহি কি কৰিছে?"

"চম্পাক বিচাৰি নাপাই বাট চাইছো। তুমি বাৰু যোৱা ৰমা, তাইক পালেই পঠিয়াই দিবা দেই..."

"ভাল-" ৰমা গ'লগৈ। বৰ আচৰিত হ'লো। ৰমা আৰু চম্পা দুয়ো ঘৰৰ বাহিৰ হ'লেই সদায় সকলো সময়তে একলগেই থাকে। চম্পাকে ৰামাকে এৰা-এৰিকৈ ফুৰা কমেই দেখিছো। কিন্তু আজি হ'ল কি? ৰমাই চম্পাক বিচাৰি ফুৰিছে? তেন্তে চম্পা গ'ল ক'লৈ? ক'ব নোৱাৰো কিয় হঠাৎ বৰ ভয় লাগিল। চম্পাই কৈছিল "আজি গধূলি যদি যুঁজৰ পাছত চম্পাৰ ওচৰলৈ ঘূৰি নাহো তেন্তে চম্পাকো আৰু কোনেও নেদেখে..." কিন্তু সি জানো সম্ভৱ? যুঁজৰ সকলো বাতৰি তাই নিশ্চয় শুনিছে।

তথাপি শান্তিৰে বহি থাকিব নোৱাৰিলো। ঘৰটোৰ প্ৰতি কোঠাত ঘূৰি ঘূৰি, ভিতৰ চোতাললৈ গৈ চিঞৰি মাতিলো— "চম্পা! চম্পা!"

উত্তৰ নোপোৱাত ক্ৰমাৎ যে চিঞৰৰো মাত্ৰা বেছি হৈ গৈছিল ক'ব নোৱাৰিছিলো; কিন্তু এসময়ত মুখৰ মাত বন্ধ হৈ গ'ল। কাৰোবাৰ কোমল হাত এখনে মুখত সোপা দি ধৰিলেহি, 'ইও! কিহে পাইছে এনেকৈ বলিয়াৰ দৰে চিঞৰিবলৈ? শুনিলে মানুহে ভাবিব চম্পা হয়তো সঁচাকৈয়ে মৰি গ'ল..."

মোৰ মুখলৈ চাই চম্পাই হাঁহিছে, মই কিন্তু হাঁহিব নোৱাৰিলো ঃ

"...এবাৰ বুকুখনত হাতদি চাচোন চম্পা! ইমান পৰ ক'ত আছিলি? হাবাথুৰি খাই তোক বিচাৰি ফুৰিছো আৰু তই হাঁহিছ?"

"নাহাঁহি কি কৰিম কোৱা? দাপোণত তোমাৰ মুখ দেখিলে তুমি নিজেও হাঁহিবা..."

"ক'ব নোৱাৰো... সঁচাই যিটো ভয় খাইছিলো..."

"কিয়? মই মৰিলো বুলি?"

"মোক নমৰাকৈ জানো তই মৰিবি? কেৌলৈ বাৰু ইমান ভয় খুৱাৰ, কাৰণ বিচাৰি নাপাওঁ?"

"হ'ল, হ'ল বাৰু, এতিয়াতো মোক পালা। আহা ঘৰৰ ভিতৰলৈ....। যাহওক মোলৈ তেন্তে অলপ মৰম আছে..."

Scanned with CamScanner

"মৰম? তোমালৈ? নাই... অলপো নাই...।"

দুয়ো ঘৰৰ ভিতৰত সোমালোহি। চাকিৰ পোহৰত চম্পাই মোক এবাৰ ভৰিৰপৰা মূৰলৈকে ভালকৈ চাই লৈ শাসনৰ সুৰত তাহানি কালৰ মাৰ মাতটো অনুকৰণ কৰি ক'লে— "সেয়া দেখিছানে বাৰু, মই ইমান যতনেৰে আজি সজাই-পৰাই দিলো, আৰু তুমি পোছাকটোৰ এই অৱস্থা কৰিলা নহয়?"

ধূলি লৈ লেতেৰা হোৱা সন্তানৰ প্ৰতি মাকৰ চেনেহৰ শাসন। চম্পাৰ কথাৰ ভংগীয়েই তেনেকুৱা। ৰিণি ৰিণি মনত পৰে শৈশৱৰ দিনবোৰত মাৰ শাসনৰ কথা। দুয়ো হাতযোৰ কৰি ময়ো তেতিয়াৰ দৰেই উত্তৰ দিলো, "আইমাতৃ, আজিৰপৰা আৰু কেতিয়াও ধূলি লৈ ধেমালি নকৰো-"

"বাৰু মনত থাকে যেন..." চম্পাৰ স্মৃতিশক্তি বৰ বেছি। মাই শুনা হ'লে অবাক হৈ গ'লহেঁতেন। ওচৰলৈ আহি ক'লে— "এবাৰ চোৱাচোন ভালকৈ নিজৰ অৱস্থাটো!"

যুদ্ধ আৰম্ভ হোৱাৰপৰা এতিয়ালৈকে নিজৰ ফালে চাবৰ অৱসৰ হোৱা নাছিল। চম্পাৰ কথাত চাই দেখিলো... বাওঁহাতৰ বাউসীৰপৰা কিলাকুটিলৈকে চোলাটো দুফাল হৈ নগ্ন হাতখন দেখা দিছে। তাৰ এঠাইত পোৱা আঘাত এটাৰপৰা অলপ অলপকৈ তেজ বিৰিঙি ওলাই আছে। গাৰ ঠায়ে ঠায়ে চোলাটো ফটা, গোটেই গা জুৰি তেজৰ চেকা। চুৰিয়াখনৰ এফালে আঁঠুৰপৰা তলছোৱা নাই। আন দাঁতিৰ আগটো মাটিত চুঁচৰি ফুৰিছে। ঘঁৰিয়ালৰ ছালৰ বৰ্মখনো ভৰিত নাই। মূৰৰ বিশৃঙ্খল চুলিবোৰৰ মাজে মাজে লাগি আছে ভগা ভগা ফুলৰ পাহিবোৰ।

ভাবি আচৰিত লাগিল এই অৱস্থাৰে কেনেকৈ ইমানবোৰ মানুহৰ আগত ওলাইছিলো- বিশেষকৈ গৌৰীৰ? কিন্তু কাৰো চকুৰ দৃষ্টিত মোৰ এই অৱস্থাৰ সম্ভেদ নাপালো কিয়?

চম্পাই হাতৰ আঘাতটো ভালকৈ পৰীক্ষা কৰি কৈ উঠিল "তুমিও যেনে,

চম্পাই কটাডোখৰত দৰব দি বান্ধি দিয়াৰ লগে লগেই ক'লে— "দাদা, তুমি বৰ হিংসাকুৰীয়া; দুই-এজনে চাগৈ ভুলতে মোৰ নাম মুখত ললে, তাকো তোমাৰ সহ্য হোৱা নাই নহয়? অথচ ফুলৰ মাজত ডুবাই আটায়ে তোমাক অভিনন্দন দিলে, তথাপি..."

বাধা দি কলো— "তয়েই বাৰু কচোন চম্পা, সহ্য হয় কেনেকৈ? সেই পুৱাৰেপৰা সন্ধিয়ালৈকে সমানে তৰোৱাল ঘূৰাই ঘূৰাই হাজাৰ শত্ৰু বধ কৰিলো, নিজৰ গাৰ ইমানবোৰ তেজ গ'ল, অথচ তাৰ সকলো মূল্য দিলে তোক..."

"তাৰ মানে?"

"মানে আচলতে ফুলৰ মাজত ডুবাই অভিনন্দন মোকতো দিয়া নাছিল, দিছিল তোক। তোৰ এই এধানি আঙুলিৰ সেই ফোঁটা তেজক, তাৰ মাজত লুকাই থকা তাৰ অদৃশ্য শক্তিক..." চম্পাৰ হাতৰ ধুনীয়া আঙুলিবোৰ টানি আনি এটা চুমা দি কলো- "চম্পাৰ তেজৰ ওচৰত চন্দনৰ তেজৰনো মূল্য আৰু কোনে দিব...?"

বৰ দৰদীৰ ভাও ধৰি চম্পাই সুধিলে— "আই-ঐ-দেহি; বেজাৰ লাগিছে?"

"লাগিছেতো আকৌ, আনকি তয়ো নিদিলি...?"

"দেহি ঐ। বাৰু বাৰু বেজাৰ নকৰিবা, আনে নিদিলে নালাগে দিব, মই তোমাক তোমাৰ বীৰত্বৰ পুৰস্কাৰ..."

"তই নিদিলেনো আৰু কোনে দিব? যুঁজৰপৰা তোৰ ওচৰলৈকে দৌৰি আহিছো। দে চম্পা! যি পুৰস্কাৰেই দিয় দুয়ো হাতেৰে বুটলি লম..."

চম্পাই খন্তেক মোৰ মুখলৈ চাই হাঁহি ক'লে— "ৰবা বাৰু, ভাবি চাওঁ কি দিব পাৰো- মোৰ ইমানবোৰ দিবলৈ আছে যে তাৰ ভিতৰত কোনটো এৰি কোনটো দিওঁ বাছি উলিয়াবকে পৰা নাই..."

"পৰা নাই যদি কষ্ট কৰিব লাগিছে কিয়? গোটেইবোৰেই দি নিদিয় কিয়?"

"ওঁ-হো, গোটেইবোৰ দি দিলে যে মোলৈ একো নাথাকিব। তাৰ উপৰিও গোটেইবোৰ তোমাৰ দুয়ো হাতত নধৰিবও, আৰু তাৰ ভৰো ইমান বেছি হ'ব যে সেই ভৰত তুমি সোপাকে লৈ একেবাৰেই অতল সাগৰত ডুবি তলি পাবাগৈ। নাই গৌৰীক ইমানটো আঘাত দিব নোৱাৰি...। তাতকৈ বৰঞ্চ তুমি ইয়াতেই শান্ত হৈ বহি থাকা। তোমাৰ যিটো বস্তুৰ এতিয়া আটাইতকৈ বেছি প্ৰয়োজন, মই তাকেই আনি দিওঁ, উঠি নাহিবা..."

মোৰ ওচৰৰপৰা চম্পা গ'লগৈ, আৰু অলপ পাছতেই মাত দিলে— "দাদা আহা..."

চম্পাৰ ওচৰ পালোগৈ। কোঠাটোত দেখিলো, মজিয়াত আসনৰ সমুখত বহল বান্‌কাঁহী এখনৰ ওপৰত নানা তৰহৰ খোৱা বস্তু ধুনীয়াকৈ সজোৱা। ওচৰৰ আন এখনত ফল-মূল বানবাটিত গৰম গাখীৰ...

বুজিবলৈ বাকী নাথাকিল গোটেই দিনটো চম্পা কিয় পলাই ফুৰিছিল? আজিৰ আনন্দ-উৎসৱৰপৰা নিজক সম্পূৰ্ণৰূপে বঞ্চিত কৰি চম্পাই ইয়াত অকলে অকলে বহি আপোন মনে এইবোৰেই কৰিছে, যাতে যুঁজৰপৰা উভতি অহা মাত্ৰকে মোৰ আগত তুলি দিব পাৰে।

...আনৰ দৰে চম্পাই নাভাবে। বাহ্যিক আড়ম্বৰেৰে সৈতে জাকজমকৰ মাজত, পৃথিৱীক জনাই সকলোৱে মোক সন্মান দিলে; কিন্তু চম্পাৰ অব্যক্ত অভিনন্দন অন্তৰৰ গোটেইখিনি চেনেহ ঢালি দি যতনেৰে কৰা এই বস্তুখিনিৰ মাজতে পাইছো। মুখ ফুটাই কোনোদিনেই চম্পাই একো নকয়। বৰফৰ আবৰণত ঢাক খাই থকা নদীৰ তলৰ প্ৰখৰ সোঁতৰ দৰে চম্পায়ো ঢাকি ৰাখে মোৰ প্ৰতি চেনেহ-মৰমৰ সোঁত। মই জানো; গোটেই জীৱন চম্পাৰ চেনেহজালৰ মাজত নিজক ঋণী কৰিয়েই তুলিছো। প্ৰতি খোজত তাই দান কৰিয়েই গৈছে কোনো দিনে প্ৰতিদান বিচৰা নাই। আজি মোক দিয়াৰ দৰে চম্পাকো সকলোৱে সন্মান যাচি আনন্দৰ মাজত ডুবাই দিবলৈ বিচাৰিছিল, কিন্তু চম্পাই সকলো ত্যাগ কৰি, পলাই আহি নিৰলে ইয়াত ৰৈ আছে মোলৈ... মই আহিম- চম্পাই মোক খাবলৈ দিব।

আনন্দত, সুখত বুকুৰ কোনোবা এঠাইত টন্ টন্‌কৈ উঠিল।

মুখ ফুটাই একো মাতিব নোৱাৰিলো। বোধকৰো চকু দুটাও চলচলীয়া হৈ উঠিছিল। চম্পা ওচৰলৈ আহি হাতত ধৰিলেহি— "দাদা। কি হ'ল? তোমাক লৈ দেখিছো আৰু নোবাৰো-ছোৱালীৰ দৰে কোমল নহ'বাচোন। আহা-" নিজক সংযত কৰি আসনত বহিলোহি ঃ "মইতো মানুহ, তোৰ মৰমে যে শিল চেপিও পানী উলিয়াব পাৰে।" হাঁহিবৰ চেষ্টা কৰি কলো— "ধন্যবাদ দি আৰু তোক অপমান নকৰো..."

"তই বাৰু কেনেকৈ ক'ব পাৰ মোক কেতিয়া লাগে, মই কেতিয়া সুখত হাঁহো, কেতিয়া দুখত হাঁহো, মোৰ মুখলৈ চাই মই কোৱাৰ আগতেই তই কৈ দিয় মই কি ক'ব খুজিছো, কি ভাবিছো। কেনেকৈ বাৰু মোক ইমান স্পষ্ট বুজি পাৰ কচোন?"

"তোমাৰ লগত সেই সৰুৰেপৰা একেলগেই একেডাল গছৰ ছাঁতে ডাঙৰ দীঘল হলো। তোমাকে যদি আৰু নুবুজিলো তেন্তে কাক বুজিম কোৱা।"

"মই কিন্তু তোক আজিও বুজি নাপালো চম্পা।"

"নালাগে আৰু মোক বুজিব, এতিয়া খোৱা। আৰু কিবা দিম?"

কাঁহীখনলৈ চাই অবাক হৈ গলো। ইমানবোৰ বস্তু প্ৰথমে দেখি ভবাই নাছিলো যে শেষ কৰি আকৌ খুজিব লাগিব ঃ "চম্পা, গোটেইবোৰ ময়েই খালো নে?"

চম্পাই হাঁহিলে— "নাই, ময়ো খাইছিলো..."

চম্পাই আৰু আনি দিলে।

"তই চাগৈ ভাবিছ মই কি ৰাক্ষস! তোৰ ভাগৰখিনি দিলি হ'ব পায়? আৰু..." হঠাৎ মনত পৰি বৰ সংকোচ হ'ল, তাইক এৰি কোনো কালেই অকলে নাখাওঁ। চম্পাই মোৰ মুখলৈ চাই আকৌ হাঁহিলে— "যাহওঁক বৰ মনত পৰিলে মোলৈ। বাৰু খোৱা, সংকোচ কৰিব নালাগে। মই আজি খোৱা হ'লেও একেলগে নাখালোহেঁতেন। সদায়েতো খাওঁ, আজি যদি তোমাক খুৱায়েই তৃপ্তি পাওঁ ক্ষতি কি?"

তাৰ ঠিক তিনি ঘণ্টামান পাছত চক্‌মক্ খাই উঠি বহিলো। খোৱাৰ শেষত নোশোওঁ বুলিয়েই মূঢ়া এটাত বহি জিৰাইছিলো। ৰাতিয়েই যুঁজৰ ঠাইলৈ উলটি যোৱাৰ কথা। মনত পৰিল, চম্পাই কৈছিল "তুমি অলপ জিৰোৱা, মই এতিয়াই আহিছো।" ভাবি নাপালো বিছনালৈ কেতিয়া আহিলো। আন্ধাৰত ভালকৈ একো দেখা নাই? একো ধৰিব নোৱাৰি নিজকে নিজে প্ৰশ্ন কৰিছো— "মই ক'ত? মই...?"

"তুমি এতিয়া বিছনাত।" কোঠাটোৰ এটা আন্ধাৰ চুকৰপৰা চম্পাৰ উত্তৰ আহিল, লগে লগে কোনোবাই হাঁহি উঠিল।

চকু দুটা মোহাৰি ললো। বোধকৰো ডাঙৰ ডাঙৰকৈ ভাবিছিলো চম্পাই শুনিলে; কিন্তু হাঁহিলে কোনে? ওচৰৰ কোঠাৰপৰা অলপ অলপ পোহৰ আহিছে।

"চম্পা, তই নে আন কোনোবাই হাঁহিছিল?"

চম্পা মোৰ ওচৰ চাপি আহিল— "যেয়ে হাঁহক লাগিলে, তোমাক কৈলৈ লাগিছে? উঠা আৰু শুব নালাগে। নোশোওঁ বুলি কৈছিলা নহয়? উঠা, সোনকালে ওলোৱা, মোৰ লগত এতিয়াই যাব লাগিব-"

Scanned with CamScanner

"চম্পা, চন্দন, মাহীদেউৰ ওচৰলৈ ব'লা। মই তোমালোকৰ কাৰণেই ৰৈ আছো।" মাৰ ওচৰ পালোহি। আমাক দেখি মাই মাতিলে— "আহ"। দুয়ো মাৰ ওচৰত বহিলো। অলপ পাছতে মাই মোক সুধিলে, "বেছিকৈ কাটিছে?"

মই চম্পাৰ চকুলৈ চালো, চম্পায়ো মোলৈকে চাইছে।

"নাই কটা মা! সামান্য।" মা মনে মনে ৰ'ল। অলপ পাছতে আকৌ ক'লে- এইবাৰ চম্পাক— "চম্পাইতো এতিয়াই যাব হ'ব পায়, তই বৰঞ্চ আজি মোৰ লগতে..." মাৰ কথা শেষ হোৱাৰ আগতেই হঠাৎ আমি দুয়ো একেলগেই হাঁহি উঠিলো। চেষ্টা কৰিও হাঁহিটো বন্ধ কৰিব নোৱাৰিলো। মাই আচৰিত হৈয়ে আমাৰ মুখলৈ চালে। চম্পাই কোৱামতে তাই মাৰ ডিঙিত সাৱটি ধৰাত মাই সুধিলে— "কি হ'ল চম্পা?"

চম্পাই মাৰ কাণে কাণে কি ক'লে.. 'নুশুনিলো'। মাই কিন্তু তাৰ উত্তৰত আকৌ অলপকৈ হাঁহি ক'লে... "হয় নেকি? বাৰু বাৰু, তহঁত এতিয়া যা ঢেৰ ৰাতি হ'ল, আৰু উমা! চন্দনৰ হাততে অশোকলৈ খোৱাবস্তু যি দিয় পঠিয়াই দে। মই যাওঁ..." যোৱাৰ আগতে মাই সঁচাকৈয়ে চম্পাৰ কপালত এটা চুমা খাই নামি গ'ল ঘৰৰ তলৰ কোঠাত থকা আহত সৈন্যকেইটাক চাবলৈ। মুখেৰে আৰু এটা কথাও নক'লে, আমালৈ ঘূৰিও নাচালে।

মাক ভাবি আচৰিত লাগে। চম্পাক ভাবি আৰু আচৰিত লাগে। চম্পাৰ দৰেই মাকো মই আজিলৈকে নিচিনিলো। কিন্তু চম্পাই কেনেকৈ মাক ইমান ভালকৈ চিনিলে? ভাবিলো মাই চম্পাক চিনিছে নে নাই? কোনে জানে হয়তো চিনিছেই। কিন্তু মোৰ চকুত দুয়ো এটা এটা সাঁথৰ। প্ৰভেদ মাথোঁ চম্পাই বৰ বেছি কথা কয়- মাই একেবাৰেই নকয়।

তাৰ আধাঘণ্টা পাছত দুয়ো উভতি ঘৰ পালোহি। ঘৰৰ পদূলিমূৰত বাগীৰপৰা নামিয়েই শুকুলাৰ পিঠিত উঠি বহিলো— "মই যাওঁ দেই চম্পা।"

"বাৰু যোৱা।" চম্পাই ঘৰৰ ভিতৰলৈ খোজ লৈছিল, অলপ গৈয়েই ঘূৰি আহিল ঃ "এটা কথা শুনি যোৱা।"

"কি কথা?"

"মোৰ আলহীক এবাৰ চাই নোযোৱা?"

"মোৰ ওচৰত লুকুৱাই ৰাখিয়েই যদি তোৰ আনন্দ, মইনো আকৌ কেলৈ চাবলৈ বিচাৰি নিজক দুখ দিওঁ-"

"মোৰ তোমাক দুখ দিয়াৰ অলপো ইচ্ছা নাছিল দাদা। কিন্তু কি কৰিবা,

তোমাৰ কপাল। গৌৰীয়েই সকলো মাটি কৰি দিলে-"

একো বুজিব নোৱাৰি চম্পাৰ মুখলৈ চালো— "গৌৰীয়ে?"

"এৰা গৌৰীয়েই মোৰ আলহী। আজি ৰাতি মোৰ লগত থাকিব। তায়ো মোক শপত দি মান্তি কৰাইছে- যাতে মই তোমাক একো নকওঁ-"

"তেন্তে কেলৈ ক'লি?"

"সহ্য কৰিব নোৱাৰিলো দাদা। মোৰ আশা আছিল, আজি তোমালোক দুয়োকে মই নিজেই ৰান্ধি খুৱাম... আৰু..."

"আৰু কি?"

"আৰু কি হ'ব? বহুতদিন তোমালোকে অবাৰতে ছটফটাই আছা দেখি মোৰ কষ্ট হৈছিল। আজি দুয়োৰে বুকুলৈ শান্তি আনি দিব খুজিছিলো। ...মইতো জানো বিৰহ অগনিৰ তাপ কিমান...!"

চম্পাই হাঁহি ক'লে— "মইনো পৃথিৱীৰ কি নাজানো...? ...আহা এতিয়া-"

চম্পাক বাধা দি কলো— "থাকক চম্পা, মই এতিয়া আৰু নাযাওঁ, মোৰ বেলি হৈছে-"

পাছমুহূৰ্ততে চম্পাক আন্ধাৰতে এৰি থৈ ময়ো আন্ধাৰৰ মাজতে অদৃশ্য হৈ গলো।

Scanned with CamScanner

।। ষষ্ঠদশ অধ্যায় ।।

আহুতি

প্ৰায় শেষ নিশা যুঁজৰ ঠাই পালোহি। কিন্তু অশোকৰ কথা শুনি মনটো একেবাৰে মৰহি গ'ল। আশা আছিল শত্ৰুৱে আকৌ আমাক আক্ৰমণ নকৰি হয়তো নিজৰ দেশলৈ উভতি যাব, কিন্তু সিহঁত নগ'ল; বৰঞ্চ আমাক ভুৱা দিবলৈ বহুত দূৰৈত একুৰা জুই ধৰি ৰাতিৰ আন্ধাৰত গা ঢাকি আগবাঢ়ি আহিল আৰু আমাৰ সকলো ৰকমৰ বাধা ব্যৰ্থ কৰি, যথেষ্ট ক্ষতি স্বীকাৰ কৰিও প্ৰথম আৰু দ্বিতীয় চাঙৰ খাল দুটাও পুতি পেলালে। একোপধ্যেই সিহঁতক নিৰস্ত কৰিব নোৱাৰিলো।

আমাৰ একমাত্ৰ আশা, একমাত্ৰ সম্বল শেষ চাংখন এতিয়াও আছে, তাৰ পাছতে গড়। গতিকে সকলো শক্তিৰে শত্ৰুক বাধা দি ৰাখিলো- যাতে ৰাতিৰ ভিতৰতে সেইখন চাঙৰ অস্তিত্ব সিহঁতৰ চকুত ধৰা নপৰে।

পুৱতি নিশাৰ লগে লগেই ঠিক আগৰ দিনাৰ নিয়মেই আকৌ যুদ্ধ আৰম্ভ হ'ল। আজি বিবেচনা কৰিয়েই বেছি সৈন্য পাৰ হ'বলৈ দিলো। আজি মই অকলেই নহয়, অশোক, মোমাইদেউ দুয়ো আমাৰ ওচৰে ওচৰে আৰু দুটা দল লগত লৈ যুঁজ কৰিছে।

সময়ৰ লগে লগে যুদ্ধৰ উগ্ৰতা ক্ৰমাৎ বাঢ়ি আহি কম সময়ৰ ভিতৰতে ভয়ংকৰ মৃত্যুযজ্ঞত পৰিণত হৈ উঠিল। তুচ্ছহৈ গ'ল আজিৰ তুলনাত আগদিনাৰ যুঁজৰ ভয়াবহতা। প্ৰতি মুহূৰ্ত বৰটোপৰ গৰ্জনত থাকি থাকি কমল-নগৰৰ চৌদিশ কঁপি উঠিছে। কিমান শত্ৰু যে ধ্বংস হৈছে তাৰ হিচাপ নহ'ল। আজি কিন্তু অকল শত্ৰুৱেই নহয় আমাৰো অলেখ সৈন্য ৰণত পৰিল। তথাপি প্ৰায় দুপৰীয়ালৈকে যুঁজৰ অৱস্থা আমাৰ অনুকূলেই আছিল। কিন্তু আবেলিৰ লগে লগে হঠাৎ যুঁজৰ অৱস্থা সম্পূৰ্ণ ঘূৰি গ'ল। যুঁজৰ মাজতে চল বুজি শত্ৰুৱে তৃতীয় খালটোও পুতি পেলাই সিহঁতৰ পূৰা দলটোৱেই আমাৰ ওপৰত পৰিলহি।

চাই থাকোতেই মোৰ দলৰ প্ৰায় সকলোবোৰেই গ'ল। আমাক সিহঁতে মুহূৰ্তও অৱসৰ নিদি, ইজাকৰ পাছত সিজাক আহি আঘাতৰ পাছত আঘাত কৰিছেহি। আমাৰ বাকী দলবোৰৰ এভাগ এভাগ আহিছে- আপ্ৰাণ শক্তিৰে যুঁজিলে, কিন্তু খুব কমেই আকৌ উভতি গ'ল।

Scanned with CamScanner

গছৰ সমুখৰ ঠাইডোখৰ হাজাৰ হাজাৰ মৰা শৱে ভৰি উঠিছে। চাৰিওফালৰ অবিশ্ৰান্ত, ভয়াবহ বজ্ৰগৰ্জনৰ মাজত প্ৰাণপণ শক্তিৰে বাকী দলকেইটা লৈ আমিও যুঁজিছো। এবাৰ শত্ৰু আগুৱাই আহিছে- আনবাৰ আমি সিহঁতক কিছু দূৰলৈ খেদি নিছো। প্ৰতিবাৰেই দুয়োদলৰ শ শ সৈন্য- যিবোৰ মাটিত এবাৰ পৰি গৈছে, সিহঁত আৰু দুনাই উঠা নাই। সকলো মৰিছে।

গধূলি হোৱাৰ বহুত আগতেই আমাৰ প্ৰধান প্ৰধান সকলোবোৰকেই এজন এজনকৈ হেৰুৱালো। তাৰ ভিতৰত গ'ল মোৰ চেনেহৰ মোমাইদেউ। ...মোৰ চকুৰ আগতে সকলো দেখিও এবাৰলৈ সামান্যতম সাহাৰ্য্যও কৰিব নোৱাৰিলো। উন্মাদৰ দৰেই মোমাইদেউ শত্ৰুৰ মাজত সোমাই পৰিছিল। মই আছিলো বহুত পাছত। ...সমুখত থকাবোৰক লৈ মোমাইদেউ পৰিশ্ৰান্ত হৈ পৰিছিল। কেইবাবাৰো মই দূৰৰেপৰা পাছৰবোৰৰ কথা কৈ চিঞৰি চিঞৰি সাৱধান কৰি দিছিলো। কিন্তু ওচৰ চাপিব পৰা নাছিলো, যিহেতু মোৰ সমুখতো এজাক। ইটোৰ পাছত সিটোক বধ কৰিছো, কিন্তু সিহঁত শেষ নহয়। যিমানেই মাৰিছো তাৰ দুগুণ আহি আগুৰি ধৰিছেহি।

বহুত কষ্টত শেষত যেতিয়া মোমাইদেউৰ ওচৰ চাপিলোগৈ তেতিয়া সকলো শেষ-মোমাইদেউ আৰু এই জগতত নাই। তেজৰ মাজত গোটেই শৰীৰটো ডুবি আছে...। অলপ বেজাৰ কৰিবলৈ, এফোটা চকুলো টুকিবলৈকো অৱসৰ নাপালো। আঘাত-মাথোঁ আঘাত কৰিছো- আঘাত লৈছো আৰু তাৰ লগে লগেই অচিৰে গধূলিৰ আন্ধাৰ নমাই আনিবলৈকে ভগৱানৰ ওচৰত শত কোটিবাৰ মিনতি জনাইছো...

কিন্তু আন্ধাৰ সোনকালে নানামিল। ...ক্ৰমাৎ আমাৰ সৈন্য সংখ্যা কমি আহিছে। অশোকক মাজে মাজে দেখিছো। মূৰৰপৰা তেজ বৈ আহিছে। মাজে মাজে ওচৰা-উচৰি হৈ যাওঁ-অশোকে মোক সাৱধান কৰি দিয়ে। কেইবাবাৰো মই মোমাইদেউৰ অৱস্থাত পৰিছো। কপালৰ গুণে প্ৰাণে মৰা নাই। যুঁজৰ মাজে মাজে কেৱল এটা কথাই ভাবিছো- 'চম্পাক আজিয়েই বকুলপুৰলৈ পঠাব লাগিব। আৰু ইয়াত নহয়', গৌৰীৰ কথা এবাৰো ভবা নাই। মাথোঁ, চম্পাকে মনত পৰিছে. ..''তাইক পঠিয়াই দিব লাগিব... আন্ধাৰ এতিয়াও নহ'ল কিয়...?''

তৰোৱাল ঘূৰাই ঘূৰাই জুকিয়াই একো ভাবিবৰ শক্তি পোৱা নাই। জ্ঞান, বিবেক-বুদ্ধি, সকলো হেৰুৱাই অতি নিৰ্দয় হৈয়ে সমুখত যাকেই পাইছো তাকেই শেষ কৰিছো, দয়া কৰা নাই- দয়া বিচৰাও নাই।

তাৰ বহুত পাছত হয়তো শেষলৈ ভগৱানৰ দয়া হ'ল। লাহে লাহে সন্ধ্যা

Scanned with CamScanner

নামি আহিল- কমি আহিল যুঁজৰ উগ্ৰতা। শত্ৰুৰ দল কিছু দূৰলৈ পিছুৱাই গ'লগৈ। আমাৰ অৰ্ধমৃত ক্লান্ত সৈন্যবাহিনীয়ে ভগৱানক অশেষ ধন্যবাদ জনাই গড়ৰ ভিতৰত আশ্ৰয় ললেহি।

কিন্তু বিশ্ৰামৰ সময় নাই। সৈন্যসংখ্যা এতিয়া দহ ভাগৰ এভাগো নাই। ৰাতিটো যে শত্ৰুৱে আমাক নিশ্চিত হৈ থাকিবলৈ দিব তাৰো আশা দেখা নাই। সকলো অৱশ হৈ পৰিছে, তথাপি এটি প্ৰাণীৰো উপায় নাই এক মুহূৰ্ত জিৰাই লবলৈ। ইয়াৰ মাজতে নগৰৰ ভিতৰত কান্দোনৰ ৰোল উঠিছে। আমি দুপৰীয়াৰেপৰা যুঁজৰ বাতৰি পঠিয়াবলৈ বন্ধ কৰিছিলো, তথাপি তাক সম্পূৰ্ণ বন্ধ কৰি ৰাখিব পৰা নাই। আহত সৈন্যৰে দেৱ-মন্দিৰ, ৰূপালীপাম ভৰি পৰিছে। কিন্তু কি হ'ব, চম্পাহঁতৰ সকলো শুশ্ৰূষা ব্যৰ্থ কৰি তাৰ বেছিভাগেই মৰিছে। আৰু বা কিমান মৰিব কোনে জানে? যিবোৰে এতিয়াও কথা ক'বৰ শক্তি ৰাখিছে, সিহঁতৰ মুখেই যুঁজৰ সকলো বাতৰি সকলোৱে পাইছে। যিটো সৈনিকেই প্ৰয়োজনত নগৰৰ মাজলৈ গৈছে তাকেই চাৰিওফালৰপৰা বেঢ়ি ধৰিছেহি পুৰবাসীয়ে। প্ৰশ্ন কৰিবৰ প্ৰয়োজন হোৱা নাই- তাৰ মুখতে লিখা আছে সকলো প্ৰশ্নৰ উত্তৰ! কিন্তু আচৰিত কথা, কোনো ছোৱালী, কোনো নাৰীয়েই নিজৰ আপোনজনক চকুৰ আগতে মৰা দেখিও নিজৰ কৰ্তব্য অৱহেলা কৰা নাই। আপ্ৰাণ শক্তিৰে সকলো কৰি গৈছে। আনকি গৌৰীয়েও একমুহূৰ্ত বিশ্ৰাম লোৱা নাই। মাজে মাজে যুঁজৰ ঠাইৰপৰা ইটোৰ পাছত সিটো সৈনিক-কৰ্মী আহিয়েই আছে, আন নহ'লেও বৰটোপৰ বাৰুদ নিবলৈ- গৌৰীয়ে প্ৰতিবাৰেই দিছে।

এবাৰ মতি গৈছিল। সুধিলে যুঁজৰ বাতৰি। মতি কিন্তু মনে মনে থকাত গৌৰীয়ে প্ৰথমবাৰলৈ অধৈৰ্য হৈ তাৰ গাত ধৰি জোকাৰি চিঞৰি উঠিল— "যুঁজৰ বাতৰি কি মতি?"

উত্তৰ দিবলৈ বাধ্য হ'ল মতি... "ভাল নহয় আইদেউ-"

স্পষ্ট বাতৰি পাই মুহূৰ্তলৈ গৌৰীয়ে পাহৰি পেলালে নিজৰ কৰ্তব্যৰ কথা। লাহে লাহে সুধিলে— "দেউতা-?"

মতিয়ে গৌৰীৰ ভয় বুজি ক'লে— "তেখেতৰ ভাল আইদেউ।"

"অশোক দাদা?"

"মূৰত অলপ আঘাত পাইছে-"

"আৰু আৰু... বাকীবোৰ...? চেষ্টা কৰিও গৌৰীয়ে নামটো মুখত আনিব নোৱাৰিলে। গৌৰীৰ ভয় মতিৰ এটা কথাত সকলো নিৰ্ভৰ কৰিছে গৌৰীৰ। মতিৰ কিন্তু অপেক্ষা কৰিবৰ সময় নাই— "মই যাওঁ আইদেউ। মোক এৰি দিয়ক...।"

Scanned with CamScanner

গৌৰীয়ে মতিক ধৰি আছিল, এৰি দিলে। মতি গ'লগৈ। কিন্তু গৌৰীয়ে থিৰেৰে থাকিব নোৱাৰি খন্তেক পাছতে মতিৰ পাছে পাছে লৰি গ'ল— "মতি! মতি!"

দুয়ো হাতেৰে মতিৰ হাতত খামুচি ধৰি ব্যগ্ৰ হৈ অস্পষ্ট মাতেৰে সুধিলে— "কালিৰ প্ৰথম দলটো মতি?"

"সকলো শেষ হৈ গ'ল আইদেউ-" গৌৰীয়ে আৰ্তনাদ কৰি উঠিল— "সকলো? সকলো? তেন্তে তহঁতৰ চন্দন বোপাদেউতা...?"

"ক'ব নোৱাৰো, তেখেতক মই দেখা নাই। বোধকৰো, ভালেই আছে নহ'লে খবৰ পালোহেঁতেন" ...মতিয়ে গৌৰীৰ মুখলৈ চাই আকৌ ক'লে— "আপুনি চিন্তা নকৰিব আইদেউ, বোপাদেউতাৰ একো নহয়-।" গৌৰী অলপ শান্ত হ'ল। অস্ফুট মাতেৰে ক'লে— "সেয়ে যেন হয় মতি!"

মতি গ'লগৈ। গৌৰীয়ে শিলৰ মূৰ্তিৰ দৰে ৰঙাআলিৰ মাজবুকুত স্তব্ধ হৈ ৰ'ল। যুঁজৰ হাই-উৰুমি তাৰেপৰা স্পষ্ট শুনা যায়। সেইফালে গৌৰীয়ে চাই পঠিয়ালে। মাজে মাজে বৰটোপৰ ধোঁৱাৰ বাহিৰে একো দেখা নাযায়। কোনে জানে সেই ধোঁৱাৰ তলত মানুহবোৰৰ কি অৱস্থা হৈছে! গৌৰীয়ে ভাবিবও নোৱাৰে যুদ্ধক্ষেত্ৰৰ আচল ৰূপটো কেনেকুৱা, কেনেকৈ যে মানুহে মানুহক এনেকৈ বিনা কাৰণত কাটিব-মাৰিব পাৰে, তাক গৌৰীয়ে বুজি নাপায়।

"গৌৰী!"

কোনোবাই এবাৰ দূৰৰেপৰা গৌৰীক মাতিলে। কিন্তু সি গৌৰীৰ কাণলৈ নগ'ল।

"গৌৰী!" "গৌৰী!-"

এইবাৰ গৌৰীয়ে ঘূৰি চালে। দূৰৈত চম্পা আৰু ৰমা। ...লৰি গৈ গৌৰীয়ে চম্পাৰ হাতত ধৰিলে- "চম্পা...!"

চম্পা আজি গম্ভীৰ, প্ৰতিদিনৰ সুন্দৰ হাঁহিটো আজি আৰু চম্পাৰ ওঁঠত নাই।

"তুমি ইয়াত এনেকৈ থিয় দি কি কৰিছা গৌৰী?"

গৌৰীয়ে তাৰ উত্তৰ নিদি চম্পাৰ মুখলৈ চালে— "চম্পা, আমাৰ কি হ'ব? যুঁজৰ অৱস্থা অলপো ভাল নহয়..."

চম্পাই হাঁহিলে— "মই জানো গৌৰী, সেইবুলি আজি আমাৰ অবাবতে সময় নষ্ট কৰা উচিত নহয়। তোমাৰ বাগীখন ক'ত আছে?"

"ঘৰতে আছে, কেলৈ...?"

"প্ৰয়োজন হৈছে, তুমি তেন্তে এটা কাম কৰা; তোমাৰ প্ৰয়োজনীয় গহনা-গাঁঠৰি আৰু মুকুতাক লগত লৈ এতিয়াই ৰূপালীপামলৈ যোৱাগৈ। এইকেইদিন তুমি তাতেই থাকিব লাগিব। জেঠাইদেৱে মাতি পঠাইছে..."

"মাতি পঠাইছে? কিয় চম্পা?"

"তাত ঢেৰ কাম। জেঠাইদেউ, উমা বাইদেউ আৰু কেতেকীহঁতে কৰি উঠিব পৰা নাই। আহত সৈন্যৰে ঘৰ ভৰি পৰিছে। তোমালোকে গৈ সহায় কৰিব পাৰিবা।"

"তেন্তে ৰঙাটিলাত কোন থাকিব? আৰু দেউতা...?" বাধা দি চম্পাই ক'লে— "সেইকাৰণে তুমি ভাবিব নালাগে গৌৰী। মই তাৰ সকলো দিহা কৰিছো। আহা, ওলোৱাহি, আৰু পলম নকৰিবা..."

"আৰু তুমি?"

"মই, ৰমা, সকলো দেৱ-মন্দিৰতেই থাকিম।"

"নহয় চম্পা, তুমিও ব'লা মোৰ লগত।" অতি অসহায় দৃষ্টিৰে গৌৰীয়ে চম্পাৰ মুখলৈ চালে।

"সি নহ'ব! ...এতিয়া কামৰ সময়, সেইবোৰ এৰ। ইয়াত মই নাথাকিলে নহ'ব..." গৌৰীক আৰু একো ক'বলৈ সময় নিদি চম্পাই ৰঙাটিলাৰ ভিতৰলৈ লৈ গ'ল।

ৰমাই চল বুজি, গৌৰীয়ে নুশুনাকৈ এবাৰ চম্পাক সুধিলে— "চম্পা, তই বাৰু গৌৰীক তেনেকৈ কিয় ফাঁকি দিলি? জেঠাইদেৱে গৌৰীক সঁচাকৈয়ে মাতি পঠাইছে জানো?"

চম্পাই আকৌ এবাৰ সৰুকৈ হাঁহিলে— "সময়ত কেতিয়াবা কেতিয়াবা দুই এটা ফাকি নিদিলেও নহয় ৰমা। তেনেকৈ নোকোৱা হ'লে গৌৰীয়ে যাবলৈ আপত্তি কৰিলেহেঁতেন। মই কিন্তু নিবিচাৰো গৌৰী আৰু এক মুহূৰ্তলৈও অকলে ইয়াত থাকক। সেই দেখিয়েই মন্দিৰৰ কাম পেলায়ো ইয়ালৈ লৰি আহিছো-"

"কিন্তু গৌৰীয়ে যদি ৰূপালীপাম পায়েই জানিব পাৰে এই সকলো মিছা, তেতিয়া?"

"তাৰ ভয় নাই; কাৰণ মই জেঠাইদেউলৈ অলপ আগতে এখন চিঠি পঠিয়াই সকলো জনাই থৈছো..."

খন্তেকলৈ ৰমা মৌন হৈ ৰয়— "চম্পা, বিপদ যদি এই পাৰে হয়, তেন্তে ৰূপালীপামনো নিৰাপদ হ'ল ক'ত?"

"নিৰাপদ ঠাই ক'তো নাই ৰমা, সি সঁচা...তথাপি মাজত নদীখন আছে। তাৰ দলঙৰে পাৰ হোৱাৰ সময়ত শত্ৰুক অন্ততঃ কিছু সময়ৰ কাৰণে বাধা দি জব্দ কৰিবৰ সুবিধা হব পাৰে।"

"বাৰু মানিলো। গৌৰীৰ ব্যৱস্থাতো কৰিলি, কিন্তু তোৰ নিজৰ?"

"তাৰ প্ৰয়োজন হ'লেই কৰিব...তোৰ মোৰ সকলোৰে একেলগেই! কিন্তু মুৰলীধৰক খাটিছো যেন তাৰ একো প্ৰয়োজন নহয়, আহ যাওঁ..."

দুয়ো গৌৰীৰ ওচৰলৈ গ'ল, আৰু অলপ সময়ৰ পাছতে মুকুতা আৰু গৌৰীক লগত লৈ বাগীত উঠিলেহি। পাছমুহূৰ্তত ৰঙাআলিৰ বুকুত গৌৰীৰ বাগী অদৃশ্য হৈ গ'ল।

"উঠ উঠ চন্দন!"

গড়ৰ দাঁতিত পৰি থকা কাঠ এডালৰ ওপৰত বহি আছো। মতিয়ে অশোকৰ মূৰৰ কটাডোখৰ নতুনকৈ বান্ধি দিছে। মোৰ ওচৰত লক্ষ্মীনাৰায়ণ। মই অশোকৰ কথা ভ্ৰূক্ষেপ নকৰাত লক্ষ্মীনাৰায়ণে ক'লে— "চন্দন মইনা! উঠা, এনেকৈ থাকিলে কি হ'ব? উঠা আৰু সময় নাই। ৰাতিৰ ভিতৰতে এটা দিহা নকৰিলে কালিলৈ কি কৰিবা? কাক লৈ যুঁজ কৰিবা..."

মুখেৰে নামাতিলো। ...মোৰ গাত ভাৰ পৰিছে নগৰলৈ গৈ যি পাৰো সৈন্য সংগ্ৰহ কৰাৰ; যিবোৰক বয়স কম বুলি, বুঢ়া বুলি এৰিছিলো, সিহঁতকে গোটাই আনি কোনো ৰকমে সৈন্য সংখ্যা বঢ়াই, কালিলৈ যাতে আকৌ ৰণ দিব পাৰো তাৰ- কিন্তু মই যাওঁ কেনেকৈ?

অধৈৰ্য হৈ অশোকে আকৌ হুকুম দিলে— "চন্দন উঠ! যা যা, তই আৰু বেলি নকৰিবি..."

"নোৱাৰো। নোৱাৰো মই অশোক, আন কাৰোবাক পঠিয়া। ...মই কোনখন মুখেৰে নগৰত সোমাম? প্ৰতি ঘৰৰ সকলোকে শেষ কৰাৰ পাছত, কেনেকৈ আকৌ মাকৰ বুকুৰপৰা তাইৰ শেষ সন্তানক, বায়েকৰ কোলাৰপৰা ভায়েকক কাঢ়ি আনি নিশ্চিত মৰণৰ মাজলৈ ঠেলি দিম? নোৱাৰো মই..."

নিজক সংযত ৰাখিব নোৱাৰি দুয়ো হাতেৰে মুখখন ঢাকি ধৰিলো। লক্ষ্মীনাৰায়ণে ওচৰলৈ আহি কান্ধত মৰমেৰে হাতখন থলেহি— "আজি আৰু সংকোচ কৰিবৰ সময় নাই চন্দন মইনা। যোৱা, কমল-নগৰৰ ভাগ্যত যদি সেয়ে থাকে, কি কৰিবা? আমাৰ কৰ্তব্য আমি কৰি যাওঁ। আমি সকলো মৰিও যদি শত্ৰুক ৰাখিব পাৰো- পৰাস্ত কৰিব পাৰো সিও মংগল। হয়তো চম্পা, গৌৰী, উমাহঁতৰ নিচিনা সকলোৰে সম্ভ্ৰম ৰক্ষা হ'ব... যোৱা যোৱা, সময় বেছি নাই..."

শেষত বাধ্য হৈ উঠিব লগাত পৰিলো। তাৰ পাছত দুটামান মানুহ লগত লৈ নগৰৰ ভিতৰলৈ খোজ ললোঁ। যি থাকে আমাৰ কপালত। নিজক লুকুৱাই, কমল-নগৰৰ ইমূৰৰপৰা সিমূৰলৈকে চালি-জাৰি, যিমান পাৰো ল'ৰা-বুঢ়া গোটাই

Scanned with CamScanner

লৈ, দল বান্ধি নপঠিয়াই এজনদুজনকৈ যুঁজৰ ঠাইলৈ পঠিয়ালো, যাতে কোনো ছোৱালী, কোনো তিৰোতাই সন্দেহ নকৰে আমাৰ অৱস্থা, এনেকুৱা হৈছে যে আকৌ সৈন্য সংগ্ৰহ কৰিবলৈ বাধ্য হৈছো।

এই নীচ মনোবৃত্তিৰ কাৰণে নিজক সহস্ৰবাৰ ধিক্কাৰ দিলো। কিন্তু কি কৰিব পাৰো মই। প্ৰতি ঘৰৰে প্ৰায় সকলোবোৰ ডেকাই শেষ হ'ল। এইবাৰ বুঢ়ালৈকে আৰু কোনো বাদ নাযায়। কমল-নগৰৰ ভৱিষ্যত পুৰুষজনক কলিতে ছিঙি নি যে জ্বলা জুইত আহুতি দিবলৈ লৈ গৈছো তাক মই কি সাহসত সকলোকে জনাম।

সময় নাই। সেয়ে যিমান সোনকালে পাৰো মোৰ কৰ্তব্য শেষ কৰি দৌৰিলো চম্পাৰ ওচৰলৈ- বিদায় লবলৈ। ...নিজক প্ৰবঞ্চনা কৰিলে কি হ'ব; কালিলৈ যে আকৌ ঘূৰি আহিব পাৰিম তাৰ আশা আৰু নাই।

সকলো শক্তি লৈ দৌৰিছো। মন্দিৰৰ ফালৰপৰা মোৰ দৰেই আন কোনোবা এজন দৌৰি আহিছিল- আন্ধাৰত একো নেদেখি দুয়ো বিষম জোৰে খুন্দা খাই দুফালে ছিটিকি পৰিলো। দুপাক ঘূৰি কথমপি নপৰাকৈ টলি টলি পিচমুহূৰ্তত ওচৰলৈ গৈ সিজনকো দিলো। ...সেয়া চম্পা। এৰি নিদি তাইক বুকুৰ ওচৰলৈ টানি ললো— "ক'ৰবাত দুখ পালি?" নাকটো মোহাৰি মোহাৰি হাঁহিলে যুঁজৰ ঠাই এৰি ইয়াত মানুহৰ নাক ভাঙি ফুৰিছাহি দেখোন? ...তুমি ক'ৰবাত দুখ পালা?"

"নাই পোৱা; দাঁত কামোৰ খালো"-

আগৰ দিন হোৱা হ'লে দুয়ো প্ৰাণভৰি হাঁহিলোহেঁতেন, আজি কিন্তু তালৈ অৱসৰ নাই- উৎসাহো নাই।

"চম্পা!"

চম্পাৰ পৰিৱৰ্তন হ'ল। আনফালে চাই লাহেকৈ সুধিলে— "কি?"

তৎক্ষণাত মুখেৰে একো মাতিব নোৱাৰিলো। কি ক'ম? কেনেকৈ ক'ম চম্পাক? চম্পাই জানে মই কি ক'ব খুজিছো। ময়ো জানো আজি চম্পাৰ-মোৰ-কমল-নগৰৰ প্ৰত্যেক প্ৰাণীৰে অৱস্থা-খন্তেক পাছত চম্পাই লাহেকৈ সুধিলে— "দাদা! সঁচা কথা কোৱাচোন, যুঁজৰ বাতৰি কি?"

"তই জানো নাজান?"

"জানো, তথাপি তোমাৰ মুখত শুনিব খোজো, কোৱা?"

"তোক কি ক'ম। ভাল নহয়... অকল ভালেই নহয় চম্পা, আমাৰ অৱস্থা একেবাৰে শোচনীয় হৈ উঠিছে..."

চম্পাই মুখেৰে নামাতিলে। আন্ধাৰ পদূলিমূৰত দুয়ো বহুত সময়লৈকে মনে মনে থিয় দি ৰলো ঃ "চম্পা! এতিয়াৰ এই আন্ধাৰৰ দৰেই চকুৰ সমুখত কমল-

Scanned with CamScanner

নগৰৰ ভৱিষ্যত আন্ধাৰ হৈ উঠিছে। আজিৰ যুঁজত এজন এজনকৈ সকলো গ'ল। মই যে কেনেকৈ তিষ্ঠি ৰলো তাক ভগবানেই জানে। যুঁজৰ অৱস্থা দেখিয়েই তোৰ ওচৰলৈ আহিছো বিদায় লবলৈ...। হয়তো কালিলৈ তোক আৰু নেদেখিবও পাৰো চম্পা...''

''দাদা! অস্ফুট আৰ্তনাদ কৰি চম্পাই মোক আকোঁৱালি ধৰিলে। হঠাৎ মনত পৰি গ'ল আনন্দলৈ, আজি মোৰ চকুৰ আগতেই আনন্দও গ'লগৈ। যুঁজৰ শেষলৈকে মোৰ লগে লগেই আছিল, কিন্তু শেষ মুহূৰ্তত নিষ্ঠুৰ পশু এটাৰ তৰোৱাল এখন বুকু ভেদি পিঠিয়েদি ওলাই গ'ল। মই খেদি খেদি দুগুণ শাস্তি দি পশুটোক বধ কৰিলো, কিন্তু আনন্দক আৰু ঘূৰাই নাপালো। মোৰ কোলাতেই ধুনীয়া ল'ৰাটোৰ ৰাঙলী দেহাটো ধৰি ৰাখিলো, কিন্তু ধৰি ৰাখিব নোৱাৰিলো তাৰ সৰু প্ৰাণটো। মৰাৰ আগতে মাথোঁ এটা কথা মুখ ফুটি ওলাইছিল- ''মোৰ ভনী...!''

কোনে জানে, আগনিশাৰ সেই এধানিমানি ছোৱালীজনীয়ে আজিও হয়তো মন্দিৰৰ ছিৰিত, হাতত এথোপা ফুল লৈ ৰৈ আছেহি। আশা আনন্দ আজিও আহিব, তাই 'দাদা' বুলি দৌৰি গৈ সাবটি ধৰিব..!

বুকুখন তোলপাৰ কৰি উঠিল; আজি যদি আনন্দৰ পৰিবৰ্তে মই মৰিলোহেঁতেন তেন্তে চম্পাই কি কৰিলেহেঁতেন...?

''চম্পা!'' মূৰ তুলি চম্পাই মোৰ চকুলৈ চালে।

''চম্পা মোৰ কথা এটা ৰাখিবি?''

''কি কোৱা।''

''তই বকুলপুৰলৈ আজিয়েই যাগৈ চম্পা! ইয়াত আৰু নাথাকিবি...''

''নক'ব, নক'বা...'' চম্পাই আৰ্তনাদ কৰি উঠিল 'দাদা' মোক সেইটো নধৰিবা, আন যি কৰিবলৈকে কোৱা মই তাকেই কৰিম, মাথোঁ যাবলৈ নক'বা...''

পিঠিত হাত বুলাই তাইক বুজাবৰ চেষ্টা কৰিলো— ''নুবুজ কিয় চম্পা! তই গলেগৈ মই যে কিমান নিশ্চিত হৈ আকৌ যুঁজলৈ উভতিব পাৰিম তাক ভাবি নাচাৱ কিয়? ইয়াত তই থাকিলে যুদ্ধক্ষেত্ৰতো মই এক মুহূৰ্তও পাহৰি থাকিব নোৱাৰো। বাৰে বাৰে তোৰ কথাই মনত পৰি মোৰ ভয় লাগে। সঁচাই কৈছো, আজি মোৰ ভয় হৈছে চম্পা! আমাৰ কেতিয়া কি হয় ক'ব নোৱাৰো। তই মোৰ কথা শুন, তই যাগৈ- মোক অলপ তেও নিশ্চিত হ'বলৈ দে...''

চম্পাই চিঞৰি উঠিল— ''নহয় নহয়, সি হ'ব নোৱাৰে- কেতিয়াও হ'ব নোৱাৰে; ...মোক নক'বা যাবলৈ। মই বেছ থাকিব পাৰিম; তোমাক কাৰো কৰিছো

লৈ, দল বান্ধি নপঠিয়াই এজনদুজনকৈ যুঁজৰ ঠাইলৈ পঠিয়ালো, যাতে কোনো ছোৱালী, কোনো তিৰোতাই সন্দেহ নকৰে আমাৰ অৱস্থা, এনেকুৱা হৈছে যে আকৌ সৈন্য সংগ্ৰহ কৰিবলৈ বাধ্য হৈছো।

এই নীচ মনোবৃত্তিৰ কাৰণে নিজক সহস্ৰবাৰ ধিক্কাৰ দিলো। কিন্তু কি কৰিব পাৰো মই। প্ৰতি ঘৰৰে প্ৰায় সকলোবোৰ ডেকাই শেষ হ'ল। এইবাৰ বুঢ়ালৈকে আৰু কোনো বাদ নাযায়। কমল-নগৰৰ ভৱিষ্যত পুৰুষজনক কলিতে ছিঙি নি যে জ্বলা জুইত আহুতি দিবলৈ লৈ গৈছো তাক মই কি সাহসত সকলোকে জনাম।

সময় নাই। সেয়ে যিমান সোনকালে পাৰো মোৰ কৰ্তব্য শেষ কৰি দৌৰিলো চম্পাৰ ওচৰলৈ- বিদায় লবলৈ। ...নিজক প্ৰবঞ্চনা কৰিলে কি হ'ব; কালিলৈ যে আকৌ ঘূৰি আহিব পাৰিম তাৰ আশা আৰু নাই।

সকলো শক্তি লৈ দৌৰিছো। মন্দিৰৰ ফালৰপৰা মোৰ দৰেই আন কোনোবা এজন দৌৰি আহিছিল- আন্ধাৰত একো নেদেখি দুয়ো বিষম জোৰে খুন্দা খাই দুফালে ছিটিকি পৰিলো। দুপাক ঘূৰি কথমপি নপৰাকৈ টলি টলি পিচমুহূৰ্তত ওচৰলৈ গৈ সিজনকো দিলো। ...সেয়া চম্পা। এৰি নিদি তাইক বুকুৰ ওচৰলৈ টানি ললো— "ক'ৰবাত দুখ পালি?" নাকটো মোহাৰি মোহাৰি হাঁহিলে যুঁজৰ ঠাই এৰি ইয়াত মানুহৰ নাক ভাঙি ফুৰিছাহি দেখোন? ...তুমি ক'ৰবাত দুখ পালা?"

"নাই পোৱা; দাঁত কামোৰ খালো"-

আগৰ দিন হোৱা হ'লে দুয়ো প্ৰাণভৰি হাঁহিলোহেঁতেন, আজি কিন্তু তালৈ অৱসৰ নাই- উৎসাহো নাই।

"চম্পা!"

চম্পাৰ পৰিৱৰ্তন হ'ল। আনফালে চাই লাহেকৈ সুধিলে— "কি?"

তৎক্ষণাত মুখেৰে একো মাতিব নোৱাৰিলো। কি ক'ম? কেনেকৈ ক'ম চম্পাক? চম্পাই জানে মই কি ক'ব খুজিছো। ময়ো জানো আজি চম্পাৰ-মোৰ-কমল-নগৰৰ প্ৰত্যেক প্ৰাণীৰে অৱস্থা-খন্তেক পাছত চম্পাই লাহেকৈ সুধিলে— "দাদা! সঁচা কথা কোৱাচোন, যুঁজৰ বাতৰি কি?"

"তই জানো নাজান?"

"জানো, তথাপি তোমাৰ মুখত শুনিব খোজো, কোৱা?"

"তোক কি ক'ম। ভাল নহয়... অকল ভালেই নহয় চম্পা, আমাৰ অৱস্থা একেবাৰে শোচনীয় হৈ উঠিছে..."

চম্পাই মুখেৰে নামাতিলে। আন্ধাৰ পদূলিমূৰত দুয়ো বহুত সময়লৈকে মনে মনে থিয় দি ৰলো ঃ "চম্পা! এতিয়াৰ এই আন্ধাৰৰ দৰেই চকুৰ সমুখত কমল-

Scanned with CamScanner

নগৰৰ ভৱিষ্যত আন্ধাৰ হৈ উঠিছে। আজিৰ যুঁজত এজন এজনকৈ সকলো গ'ল। মই যে কেনেকৈ তিষ্ঠি ৰলো তাক ভগৱানেই জানে। যুঁজৰ অৱস্থা দেখিয়েই তোৰ ওচৰলৈ আহিছো বিদায় লবলৈ...। হয়তো কালিলৈ তোক আৰু নেদেখিবও পাৰো চম্পা...''

''দাদা! অস্ফুট আৰ্তনাদ কৰি চম্পাই মোক আকোঁৱালি ধৰিলে। হঠাৎ মনত পৰি গ'ল আনন্দলৈ, আজি মোৰ চকুৰ আগতেই আনন্দও গ'লগৈ। যুঁজৰ শেষলৈকে মোৰ লগে লগেই আছিল, কিন্তু শেষ মুহূৰ্তত নিষ্ঠুৰ পশু এটাৰ তৰোৱাল এখন বুকু ভেদি পিঠিয়েদি ওলাই গ'ল। মই খেদি খেদি দুগুণ শাস্তি দি পশুটোক বধ কৰিলো, কিন্তু আনন্দক আৰু ঘূৰাই নাপালো। মোৰ কোলাতেই ধুনীয়া ল'ৰাটোৰ ৰাঙলী দেহাটো ধৰি ৰাখিলো, কিন্তু ধৰি ৰাখিব নোৱাৰিলো তাৰ সৰু প্ৰাণটো। মৰাৰ আগতে মাথোঁ এটা কথা মুখ ফুটি ওলাইছিল- ''মোৰ ভনী...!''

কোনে জানে, আগনিশাৰ সেই এধানিমানি ছোৱালীজনীয়ে আজিও হয়তো মন্দিৰৰ ছিৰিত, হাতত এথোপা ফুল লৈ ৰৈ আছেহি। আশা আনন্দ আজিও আহিব, তাই 'দাদা' বুলি দৌৰি গৈ সাৱটি ধৰিব..!

বুকুখন তোলপাৰ কৰি উঠিল; আজি যদি আনন্দৰ পৰিৱৰ্তে মই মৰিলোহেঁতেন তেন্তে চম্পাই কি কৰিলেহেঁতেন...?

''চম্পা!'' মূৰ তুলি চম্পাই মোৰ চকুলৈ চালে।

''চম্পা মোৰ কথা এটা ৰাখিবি?''

''কি কোৱা।''

''তই বকুলপুৰলৈ আজিয়েই যাগৈ চম্পা! ইয়াত আৰু নাথাকিবি...''

''নক'ব, নক'বা...'' চম্পাই আৰ্তনাদ কৰি উঠিল ''দাদা' মোক সেইটো নধৰিবা, আন যি কৰিবলৈকে কোৱা মই তাকেই কৰিম, মাথোঁ যাবলৈ নক'বা...''

পিঠিত হাত বুলাই তাইক বুজাবৰ চেষ্টা কৰিলো— ''নুবুজ কিয় চম্পা! তই গলেগৈ মই যে কিমান নিশ্চিত হৈ আকৌ যুঁজলৈ উভতিব পাৰিম তাক ভাবি নাচাৱ কিয়? ইয়াত তই থাকিলে যুদ্ধক্ষেত্ৰতো মই এক মুহূৰ্তও পাহৰি থাকিব নোৱাৰো। বাৰে বাৰে তোৰ কথাই মনত পৰি মোৰ ভয় লাগে। সঁচাই কৈছো, আজি মোৰ ভয় হৈছে চম্পা! আমাৰ কেতিয়া কি হয় ক'ব নোৱাৰো। তই মোৰ কথা শুন, তই যাগৈ- মোক অলপ তেও নিশ্চিত হ'বলৈ দে...''

চম্পাই চিঞৰি উঠিল— ''নহয় নহয়, সি হ'ব নোৱাৰে- কেতিয়াও হ'ব নোৱাৰে; ...মোক নক'বা যাবলৈ। মই বেছ থাকিব পাৰিম; তোমাক কাবৌ কৰিছো

Scanned with CamScanner

দাদা, ...গোটেই জীৱন তোমাৰ কথা শুনি আহিছো, কেতিয়াও অবাধ্য হোৱা নাই। আজি মোক অবাধ্য কৰি নুতুলিবা; ....তুমি মোক নাজানা, তুমি মোক নুবুজা, তুমি নুবুজিবা কিয় মই যাব নোৱাৰো। মোক ওচৰত থাকিবলৈ দিয়া, দূৰলৈ যাবলৈ নক'বা দাদা! সুখৰ মাজত চিৰদিন তোমাৰ ওচৰত থাকিলো, আজি দুখৰ সময়ত তোমাক এৰি মৰিলেও মই নাযাওঁ- যাব নোৱাৰো- কেতিয়াও নোৱাৰো। তোমাৰ কথা মই নুশুনো! নুশুনো...!"

হঠাৎ চম্পাই দুয়ো হাতেৰে মুখখন ঢাকি মোৰ ওচৰৰপৰা ঘৰৰ ভিতৰলৈ লৰ মাৰিলে। বজ্ৰাহতৰ দৰেই খন্তেক স্তব্ধ হৈ শেষত চম্পাৰ পাছে পাছে ময়ো খোজ ললো।

কোঠা এটাৰ খিৰিকী-কাষত চম্পা থিয় দি আছে। নিজক সংযত কৰি লাহে লাহে তাই মোলৈ ঘূৰি চালে।

"তোৰ যদি দুখ হয়, মই তোক আৰু যাবলৈ নকওঁ চম্পা! কিন্তু মোৰ দুখ, কিয় তোক যাবলৈ কিছো তই নুবুজিলি। শত্ৰুৰ কথা-বতৰা এই দুদিনতে ভালকৈ জানিছো। -সিহঁত মানুহ নহয়, পশু, পশু চম্পা, সিহঁতৰ হাতত আমাৰ ভৱিষ্যত কল্পনাও কৰিব নোৱাৰো। সেই দেখিয়েই কৈছো, তই নুবুজ কিয়?"

"মই বুজো দাদা, কিন্তু কেলৈ বাৰু তুমি মোৰ কথাই ইমান ভাবিছা? মোৰ সহ্য নহয়... আৰু নাভাবিবা। মোৰ বাহিৰে আনৰ কথা নাভাবা কেলৈ? গৌৰীৰ কথা মোতকৈয়ো আগতে তোমাৰ ভবা উচিত আছিল, ক'তা এবাৰলৈ ভাবিছা জানো?"

"নাই ভবা, কাৰণ মোৰ বাহিৰেও গৌৰীৰ কথা ভাবিবলৈ আন মানুহ আছে, কিন্তু তোৰ কোন আছে? আৰু মোৰেই বা তাৰ বাহিৰে আন কাৰ ওপৰত অধিকাৰ আছে? তোৰ মংগল চিন্তা কৰাই এতিয়া মোৰ প্ৰধান কৰ্তব্য-"

"ইমান অকৃতজ্ঞ নহ'বা দাদা, মনত ৰাখিবা গৌৰীয়ে তোমাক ভালপায়। আজি গোটেইদিন তোমাৰে চিন্তাত বেচেৰী আধামৰা হৈছে, অথচ তুমি মোৰ কথাই মিছাতে ভাবিছা, ই তোমাৰ অন্যায়। গৌৰীয়ে কি দোষ কৰিলে?"

"দোষ গুণৰ কথা হোৱা নাই চম্পা আৰু অকল গৌৰীয়েই যে মোক ভালপায় সি নহয়, তই জান গৌৰীক ময়ো ভালপাওঁ। গৌৰীৰ কথা ভাবিবৰ মোৰ অধিকাৰ আছে সঁচা, কিন্তু এটা ব্যৱস্থা কৰিবৰ অধিকাৰ মোৰ ক'ত? মই জানো, গৌৰীক এৰি মই সম্পূৰ্ণ নহওঁ, কিন্তু তোক এৰি মই আৰু অসম্পূৰ্ণ হৈ যাওঁ-তহঁত দুয়ো মোৰ প্ৰাণ, তহঁতক এৰি মোৰ বেলেগ সত্তা একো নাথাকে। সঁচাই কৈছো মই মৰি যাম, তহঁত এজনীৰ ক্ষুদ্ৰতম অমংগলেই মোৰ মৰণৰ কাৰণ হৈ উঠিব।

Scanned with CamScanner

তথাপি গৌৰীৰ কাৰণে আজি মই একো কৰিব নোৱাৰো। কিন্তু তোৰ কাৰণে পাৰো। তই অকল মোৰেই নহয় চম্পা; তই যে মাৰো। মাৰ কথা পাহৰি নাযাবি। মোৰ অবিহনে মাৰ ওচৰত তই অকল চম্পাই নাথাক, মোৰ অভাৱো তয়েই পূৰাব লাগিব, মনত ৰাখিবি। মোৰ আৰু সময় নাই, মই এতিয়াই যাব লাগিব, এটা কথা ৰাখ মোৰ; তই বকুলপুৰলৈ নাযাব নালাগে, অন্ততঃ মাৰ ওচৰলৈ এতিয়াই যাগৈ চম্পা...”

চম্পাই এইবাৰ হাঁহিলে— “বাৰু দাদা, তোমাক কথা দিছো অলপ বিপদ দেখিলেই মই মাৰ ওচৰলৈ নিশ্চয় যামগৈ। তুমি চিন্তা নকৰিবা, অকল মোৰ কাৰণেই নহয়, গৌৰীৰ কাৰণেও। গৌৰী বৰ্তমান তাতেই আছে, জেঠাইদেৱে আগতেই মতাই নিয়াইছে...”

আচৰিত হৈ সুধিলো— “মাই তোক এৰি অকল গৌৰীক মতাই নিয়াইছে? তোক যাবলৈ কোৱা নাই?”

“জেঠাইদেউ তোমাৰ নিচিনা অবুজ নহয়, জানে যে মোৰ ইয়াত ঢেৰ কাম। তালৈ গলে এইবোৰ কোনে কৰিব?”

“তথাপি তোক এবাৰ যাবলৈ নক’লে?”

চম্পাই ফাঁকি দিলে— “কৈছিল দাদা, মইহে পাছত যাম বুলি কৈছো... কিন্তু অথনিৰেপৰা তুমি আমাৰ কথাই কৈছা, তোমাৰ নিজৰ...?”

“মই নিজৰ কাৰণে ভবা নাই চম্পা, তাৰ একো প্ৰয়োজন দেখা নাই...।” মোৰ আৰু ওচৰলৈ আহি চম্পাই মুখলৈ চালে— “কিন্তু তাৰ প্ৰয়োজনেই যে মোৰ ওচৰত আটাইতকৈ বেছি, তোমাৰ নিজৰ কাৰণে নহ’লেও আমাৰ দুজনীৰ কাৰণেই। ...তুমিও মোৰ এটা কথা ৰাখা দাদা! মোক দুৰ্বল নাভাবিবা, যদিও তাক কোৱাৰ কোনো মূল্য নাই, হাঁহি উঠা কথা, তথাপি তুমিও অলপ সাৱধানে থাকিবলৈ চেষ্টা কৰিবা। যুঁজত তোমাৰ কিবা এটা হ’লে নাভাবিবা যে অকল তুমিয়েই শেষ হৈ গ’লা। তোমাৰ লগতে তোমাৰ মুখ চাই যিবোৰ জীয়াই আছে সিহঁতো যে মৰি যাব তাক নাপাহৰিবা...”

“বাৰু বাৰু, মোৰ মনত থাকিব চম্পা, মই নাপাহৰো কিন্তু এইবাৰ মই যাওঁ...”

“ৰ’বা, এই ফুলৰ বাজুধাৰ পিন্ধি যোৱা।...” চম্পাই নিজৰ হাতত থকা শেৱালি ফুলৰ মালা এধাৰ খুলিব খুজিলে।

“সেয়া আকৌ কিয়?”

চম্পাই হাঁহি উত্তৰ দিলে— “এয়া মুৰলীধৰৰ ওচৰত পোৱা মৃত্যুঞ্জয় কৱচ; হাতত থাকিলে কোনেও তোমাক মাৰিব নোৱাৰে-”

Scanned with CamScanner

সি চম্পাৰ ধেমালি যদিও নোকোৰাকৈ থাকিব নোৱাৰিলো— “কিন্তু চম্পা মৃত্যুঞ্জয় কৱচ যেতিয়া তই তাক নিজৰ ওচৰত নাৰাখি মোক কিয় দিছ?”

“দিছো কাৰণ ইয়াৰ প্ৰয়োজন মোতকৈ তোমাৰেই বেছি... গৌৰী নিৰাপদ। গৌৰীৰ কাৰণে চিন্তা নাই, ময়ো যথেষ্ট নিৰাপদ, মোকো নালাগে, গতিকেই তোমাৰ হাততেই থাকক...”

তলমূৰ কৰি চম্পাই সৰু সূতাৰ গাঁঠিটো খোলাত ব্যস্ত। কিন্তু খন্তেক পাছতে হঠাৎ মোৰ চকুত পৰিল চম্পাৰ কঁকালৰ ৰিহাৰ আগত বান্ধি থোৱা সৰু এটা বস্তুলৈ। তৎক্ষণাত বুজিলো সেয়া কি! নিমিষতে পৃথিৱীখন চকুৰ সমুখত আন্ধাৰ হৈ গ'ল। সৰ্বনাশ! চম্পাই কিয় কঁকালত বিহ লৈ ফুৰিছে? শুনিছো ইয়াৰ ভিতৰতে নগৰৰ বহুত ছোৱালী-নাৰীয়ে সন্তানৰ শোকত, স্বামীৰ শোকত, ভ্ৰাতৃৰ শোকত বিহ খাই আত্মহত্যা কৰিছে...।

চম্পাই শেৱালি ফুলৰ মালাধাৰ খুলি মোৰ হাতত পিন্ধাই দিছে। চম্পাক আঁতৰি যাবলৈ নিদি সাৱটি ধৰিলো। ক'ব নোৱাৰো মুখেৰে কি কৈছো। পিঠিত হাত বুলোৱাৰ চলেৰে লাহে লাহে তাক নমাই নিলো কঁকালৰ ওচৰলৈ। তাইক বুজিবলৈ নিদিলো মোৰ উদ্দেশ্য কি?...

“দাদা! কি হ'ল তোমাৰ? ভয় লাগিছে?”

উত্তৰ কি দিলো ক'ব নোৱাৰো, খন্তেকত চম্পাই অলপো গম নোপোৱাকৈ গাঁঠিটো খুলি, বস্তুটো হাতত লৈয়ে তাইক এৰি ঘূৰি দৌৰ দিলো ঃ “চম্পা চাওঁ দেই, বিদায়...”

শিলৰ মূৰ্তিৰ দৰে চম্পা থিয় দিয়েই থাকিল।

Scanned with CamScanner

।। সপ্তদশ অধ্যায় ।।

কালনিশা

এটা দুঃস্বপ্নৰ দৰেই ৰাতিটো শেষ হ'ল। পুৱতি নিশাই এবাৰ ঘূৰি চালো মোৰ পাছফালে থকা সৈন্যবাহিনীলৈ। -চকু ফাটি পানী ওলাই আহিল। শাৰী শাৰী তেৰ-চৈধ্য বছৰীয়া ল'ৰাবোৰ-সিহঁতৰ মাজে মাজে আদহীয়া, বুঢ়া কোনো বাদ পৰা নাই। যিবোৰ বয়সত ডেকা সিহঁত প্ৰায় প্ৰত্যেকেই আগৰ দিনাৰ যুঁজত আহত হোৱা। কিছুমানৰ গাত আনকি থিয় হৈ থকা শক্তিকণো নাই। জোৰ কৰিয়েই নিজক থিয়কৈ ৰাখি মাথোঁ মৃত্যুৰ অপেক্ষা কৰিছে।

এশাৰীত দেখিলো বিধবা জয়াৰ তেৰ বছৰীয়া ৰাম। ওচৰত যদু খুৰা। এই বুঢ়া বয়সতো এহাতত তৰোৱাল, এহাতত ঢাল, কাষলতিৰ তলত সেয়া বোধকৰো লাৰু কৰি লোৱা পাশাৰ ঢালখন। এই মৃত্যুৰ বিভীষিকাৰ মাজতো পাশা-ঢালৰ সংগ এৰিব পৰা নাই। খুৰাৰ ওচৰত একে সাজেৰেই আতৈ! ...চকু ঘূৰালো। আৰু নোৱাৰি চাব সেইফালে। ভালকৈয়ে জানো, ইহঁতৰ এটি প্ৰাণীও আৰু ঘূৰি নাযায়। আজিৰ মৰণ যজ্ঞতে সকলোৱে নিজৰ জীৱন আহুতি দি শত্ৰুৰ প্ৰথম আক্ৰমণতেই শেষ হৈ যাব। তাৰ পাছত? তাৰ পাছৰ কথা আৰু নাভাবো! যি হয় হওক, চাবলৈ নাথাকো, সেয়ে ভাগ্য।

লাহে লাহে পোহৰ হ'ল। বেলিও ওলাল। হয়তো এয়ে কমল-নগৰৰ বুকুত শেষ বেলিৰ উদয়; আজি সন্ধিয়া সি মাৰ যোৱাৰ লগে লগেই আমাৰ চেনেহৰ দেশখনো হয়তো চিৰদিনৰ কাৰণেই আন্ধাৰ হৈ যাব। আকৌ পোহৰৰ মুখ দেখিব নে নেদেখে কোনে জানে?

সময় পাৰ হৈ গৈছে। বেলিটোও ক্ৰমাৎ উজ্জ্বল হৈ আকাশৰ ওপৰলৈ উঠি আহিছে...কিন্তু কি হ'ল? শত্ৰুৰ এতিয়াও দেখা-দেখি নাই কিয়? আগৰ দুদিন দোকমোকালিতে সিহঁতৰ আক্ৰমণ আৰম্ভ হৈছিল। আজি কিন্তু সম্পূৰ্ণ নিস্তব্ধ। পলাই গ'ল নেকি? 'সেয়ে যেন হয়! সেয়ে যেন হয়!' ভগৱানক শতকৌটিবাৰ প্ৰাৰ্থনা কৰিলো।

Scanned with CamScanner

অলপ পাছতে কিন্তু চোৰাংচোৱাৰ মুখে শুনিলো শত্ৰু পলাই যোৱা নাই কিন্তু দূৰৈত সিহঁতৰ গৱেষণা চলিছে। সিহঁতৰ অৱস্থাও যে আমাৰ দৰেই হৈছে তাক অলপ ধৰিব পাৰিছো। এই দুদিনতে আমাতকৈ চাৰি-পাঁচ গুণে সৈন্য হেৰুৱাইছে, তথাপি এতিয়াও সিহঁতৰ শক্তি আমাতকৈ বহুত গুণে বেছি। আমাৰ এই সৰু সৰু ল'ৰাবোৰক-বুঢ়াবোৰক সিহঁতে যে হেলাৰঙে বধ কৰিব পাৰিব তাত কোনো সন্দেহ নাই। কিন্তু ভাবি নাপালো তাকেই সোনকালে কৰা নাই কেলৈ? কিহৰ গৱেষণা কৰিছে? ইচ্ছা হ'ল হঠাৎ অপ্ৰস্তুত অৱস্থাত চাৰিওফালৰপৰা আচম্বিতে আক্ৰমণ কৰি সিহঁতক শেষ কৰি দিওঁ। কালিৰ সৈন্যবাহিনী থকা হ'লে কোনো কথাই নাছিল; নিশ্চয় তাকেই কৰিলোহেঁতেন। কিন্তু আজি এই ল'ৰাবোৰক লৈ সেই সাহ নহ'ল। গড়ৰ ওচৰৰপৰা আগুৱাই যোৱা মানেই নিৰ্ঘাত মৃত্যু। যি হয় অপেক্ষা কৰিবই লাগিব। যিমান সময়লৈকে শত্ৰুৱে নিজে দেখা নিদিয়েহি সিমান পৰলৈ।

চাই থাকোতেই বেলি মূৰৰ ওপৰ পালেহি। তাৰ পাছত লাহে লাহে পশ্চিম আকাশলৈ আগবাঢ়ি গ'ল। সৰু সৰু ল'ৰাবোৰ চঞ্চল হৈ উঠিল। অদম্য কৌতূহল অচিৰস্থায়ী আশা লৈ ইটোৱে সিটোক সুধিছে, 'যুদ্ধ আজি নহয় নেকি?' ভাবি আচৰিত লাগিল সিহঁতৰ যুদ্ধ কৰা আগ্ৰহ দেখি। কেনেকৈ সিহঁতৰ ইমান উৎসাহ-এনে সাহ এতিয়াও আছে?...হয়তো মাক, বুঢ়ীমাকৰ মুখত সৰুৰেপৰা শুনি আহিছে দেশৰ কাৰণে যুঁজ কৰি প্ৰাণ দিয়াই প্ৰকৃত বীৰৰ ধৰ্ম। আজি সিহঁতেও সেই বীৰধৰ্ম পালন কৰিবলৈকে হয়তো উৎসুক হৈ উঠিছে।

দুখ হ'ল, সিহঁতে বুজা নাই যুদ্ধৰ ভয়াবহতা। সিহঁতে নাজানে-দেখা নাই তপত তেজৰ বীভৎস নগ্নতা। তথাপি ইমান দুখতো এই সৰু সৰু ল'ৰাবোৰৰ সাহ দেখি গৌৰৱ বোধ কৰিলো। ইচ্ছা হ'ল-ঐশ্বৰিক শক্তি থকা হ'লে এই মুহূৰ্ততে সিহঁতক সিহঁতৰ সাহ অনুযায়ী একো একোটা অসুৰৰ শক্তি দি গঢ়ি তোলো।

সময় পাৰ হৈ গৈছে। ...দুপৰীয়া শেষ হৈ আবেলি হোৱাৰ লগে লগেই এই প্ৰথমবাৰ হঠাৎ পাছফালৰপৰা লক্ষ্মীনাৰায়ণৰ সাৱধান বাণী কাণত পৰিলহি। বুজিলো সি কিহৰ সংকেত।

Scanned with CamScanner

প্ৰথম প্ৰথম আৰম্ভ হ'ল মাথোঁ বৰটোপৰ যুদ্ধ! গড়ৰ আঁৰত গুপ্তভাৱে থকা আমাৰ তিনিটা বৰটোপ সমানে ঘণ্টাৰ পাছত ঘণ্টা ধৰি গৰ্জন কৰিলে। মুক্ত হৈ থকা সিহঁতৰ কেইবাটাও বৰটোপ আমাৰ আঘাতত অকৰ্মণ্য হৈ গ'ল। তাৰ পাছত কিছু সময় চলিলে ধেনুকাঁড়ৰ যুঁজ। মাজে মাজে সৰু সৰু খণ্ডযুদ্ধও হ'ল। শেষলৈ আকৌ আৰম্ভ হ'ল সমুখ সমৰ। লাহে লাহে সি ভীষণ আকাৰ ধাৰণ কৰিলে। দুয়ো দলেই আজি উন্মাদ হৈ উঠিলো। দুয়ো দলেই ভালকৈয়ে বুজিছো, আজিৰ যুদ্ধই শেষ যুদ্ধ! আজি গধূলিৰ আগে আগেই পৰাজয়ৰ কলংক-নহয় বিজয়ৰ গৌৰৱ; কাৰ কপালত কি উঠিব তাৰ বিচাৰ হৈ যাব।

সৰু সৰু ল'ৰাবোৰৰ আৰ্তনাদ, বুঢ়াবোৰৰ বিকট চিঞৰ, বাকীবোৰৰ হুংকাৰ; সকলো মিলি চৌদিশে প্ৰলয়ংকৰী তাণ্ডৱনৃত্য চলিল। এজন এজনকৈ আমাৰ প্ৰায় সকলো শেষ হৈ গ'ল। আতৈ গ'ল, যদু খুৰাও গ'ল, আৰু এইবাৰ দেখিলো ৰামো গ'ল। তাৰ ঠিক লগে লগে অভাৱনীয়ভাৱে গড়ৰ চাৰিওকাষে বিয়পি পৰা যুঁজৰ মাজলৈ দৌৰি আহিল সৰু এটা ল'ৰা- হাতত এখন নলীয়া-কটাৰী— সেয়া শ্যাম। ককায়েকক মৰা দেখি, চিঞৰি চিঞৰি কোনেও মন কৰাৰ আগতেই যুঁজৰ মাজলৈ লৰ দিলে- "ৰাম! ৰাম!"

কিন্তু ৰামৰ ওচৰ পোৱাৰ আগতেই শত্ৰুৰ নিষ্ঠুৰ বল্লম এপাটৰ আগত নবছৰীয়া শ্যাম প্ৰায় ন'হাত শূন্যলৈ উঠি আকৌ মাটিত আছাৰ খাই পৰিলেহি। মুখেৰে এবাৰো চিঞৰিবলৈকে নাপালে। বিধবা জয়াৰ দুই সন্তানে একে লগেই একে সময়তে প্ৰাণ দিলে। বুজি নাপালো শ্যাম যুঁজৰ মাজলৈ কেনেকৈ আহিবলৈ পালে।

যদু খুৰাৰ মৃত্যু আৰু দুখৰ; যুঁজৰ আগতে পাশাৰ ঢালখন গড়ৰ চেপা এটাত থৈ ৰণ কৰিছিল। হঠাৎ দেখিলে বৰটোপৰ আঘাত লাগি ওচৰৰ গড়ৰ এছোৱা উৰি গৈ ঢালখন মাটিত পৰি গৈছে। তাৰ ওচৰতে কেইটামান শত্ৰু। -আৰ্তনাদ কৰি খুৰাই ঢালৰ ওচৰত থকা শত্ৰুটোক বধ কৰি ঢালখন ধৰিবলৈ গ'ল। কিন্তু পাছফালৰপৰা আন এটাই খুৰাক আঘাত কৰিলে। খুৰাই ঘূৰি প্ৰতি আঘাত কৰিবলৈ উঠিব খুজিছিল কিন্তু আৰু নোৱাৰিলে। জীৱনৰ চিৰসংগী সেই ঢালৰ ওপৰতে মুখ থেকেচা খাই খুৰা পৰি গ'ল-চিৰজীৱনৰ কাৰণে।

গধূলি হোৱাৰ লগে লগেই আমাৰ পৰাজয়ো স্পষ্ট হৈয়ে দেখা দিছে। আগৰ দুদিন আন্ধাৰ হোৱাৰ লগে লগেই যুঁজৰ মাজলৈ শিথিলতা নামি আহিছিল। আজি কিন্তু ক্ৰমাৎ তাৰ উগ্ৰতা উঠিছে। শত্ৰুৱে বৰটোপৰ আঘাতত অলপ অলপকৈ

Scanned with CamScanner

গড়ৰ এফাল ভাঙি নিছে। আৰু যদি কিছু সময়লৈ তাক ৰক্ষা কৰিব নোৱাৰো তেনেহ'লে আমাৰ ধ্বংস অনিবাৰ্য। সিহঁতে বুজিছে আৰু বেছি নাই...

শত্ৰুৰ এটা দুৰ্দ্ধৰ্ষ দলপতিয়ে অলপ দূৰৈত থিয় দি যুদ্ধ পৰিচালনা কৰিছে। তাৰ সৈন্যবোৰক সময় বুজি আমাৰ দুৰ্বল অংশ আক্ৰমণ কৰিবলৈ সংকেত দিছে, উৎসাহ দিছে।-

চল বুজি অশোকক মই ইংগিত কৰিলো আৰু খন্তেক পাছতে দুফালৰপৰা আমি দুয়ো অলপ অলপকৈ তাৰ ওচৰলৈ আগবাঢ়িলো। শত্ৰুৱে বুজি নাপালে আমাৰ উদ্দেশ্য। বহুত কষ্টত, বহুত আঘাত কৰি আৰু আঘাত লৈ শেষত এবাৰ তাৰ কাষ পাই, অশোক আৰু মই দুয়ো একেলগেই তাক আঘাতৰ পাছত আঘাত কৰি বধ কৰিলো।

দলপতিৰ মৃত্যুত খন্তেকলৈ শত্ৰুৰ মাজত হুৱা-দুৱা লাগি গ'ল। তাৰ পাছত লাগে লাহে পাছ হুহঁকিল। কিছু সময় ৰণৰ মাজলৈ আকৌ নামি আহিল শিতিলতা। বোধকৰো সিহঁতে এই বাতৰি বহুত পাছত থকা সিহঁতৰ প্ৰধান প্ৰধান সেনাপতিবোৰক দিবলৈ পাছুৱাই গ'ল।

আজি অশোক আৰু মোৰ দৰেই লক্ষ্মীনাৰায়ণ ডাঙৰীয়ায়ো সমানে যুঁজ কৰিছে। খন্তেকলৈ যুঁজ বন্ধ হোৱাত মোৰ ওচৰলৈ আহি আকৌ এই ভয়ংকৰ আদেশ দিলে। যুঁজৰপৰা আঁতৰি গৈ-যাকে য'তে পাওঁ গোটাই লৈ মন্দিৰৰ আগত থকা বৰটোপটো নি দলঙৰ উত্তৰ পাৰে থকাটোৰ সৈতে যোৰপাতি শত্ৰুক নদী পাৰ হ'ব খুজিলে বাধা দিব পাৰো তাৰেই সমুচিত উপায় কৰিব লাগিব। লক্ষ্মীনাৰায়ণ, অশোক, দুয়োৰে নিঃসন্দেহে ধাৰণা, গড় আৰু ৰক্ষা কৰিব নোৱাৰে। -লগতে ইয়ো আদেশ হ'ল দক্ষিণপাৰে থকা ল'ৰা-ছোৱালী, নাৰী-শিশুকে আদি কৰি মন্দিৰৰ সকলো আহত সৈন্যকে যেন তৎক্ষণাত উত্তৰ পাৰলৈ নিয়াৰ আদেশ দিওঁগৈ।

আজিও বাধা দি আন মানুহৰ ওপৰত এই ভাৰ দিবলৈ কলো। লগৰ সৰু ল'ৰাবোৰ, অশোক, লক্ষ্মীনাৰায়ণ সকলোকে এৰি মই যাওঁ কেনেকৈ? কিন্তু মোৰ কথাত অশোকে গৰ্জন কৰি উঠিল— "এই মুহূৰ্ততে তই যা চন্দন, ই মোৰ অনুৰোধ নহয়, আদেশ-"

কি কৰিম? মাথোঁ এবাৰ নিৰুপায় হৈ দুয়োৰে মুখলৈ চালো। অনুৰোধ কৰাৰ, অভিমান কৰাৰ সময় নহয়। পাছমুহূৰ্তত ল'ৰা কেইটামানক লগত লৈ আহিবলৈ বাধ্য হলো। অলপ আঁতৰতে মোৰ ঘোঁৰাজনী বন্ধা আছিল। নিমিষতে তাইৰ

পিঠিত উঠি লৈ ল'ৰাকেইটাক ভাগে ভাগে চাৰিওফালে খবৰ দিবলৈ কৈ ঘোঁৰা চেকুৰাই দিলো।

মন্দিৰৰ ওচৰত যাকে য'তে পালো সকলোকে গোটাই, ধৰি মেলি-বৰটোপটো লগত লৈ বগা-দলঙৰ মূৰত বেহু ৰচনা কৰিলোহি। উত্তৰ পাৰে তেতিয়াও যে দুই-চাৰিজন খুৰাৰ বয়সীয়া, ৰামৰ বয়সীয়া মানুহ আছিল, সিহঁতকে চাৰিওফালৰপৰা বিচাৰি আনি দলঙৰ মূৰত সাজু কৰিলোহি।

কামৰ শেষ নাই; নিজে উফৰি ফুৰিলো ইপাৰ-সিপাৰ কৰি। ইয়াৰ মাজতে দেখিলো দুই-চাৰিগৰাকী মানুহক পাৰ হৈ যোৱা। আহত সৈন্যবোৰক কিছুক গৰুগাড়ীৰে, কিছুক দোলাত ছোৱালীবোৰে পাৰ কৰি নিলে। কিন্তু বাকী প্ৰায় সকলোবোৰেই এতিয়াও পাৰ হৈ যাব পৰা নাই। খন্তেকৰ ভিতৰতে চাৰিওফালে খবৰ দিয়াটো সম্ভৱ নহয়। সেই ল'ৰাকেইটায়ে যি খবৰ দি ফুৰিছে। মই নিজৰ কামত ব্যস্ত হৈ ঘূৰিছো-পিয়াহত, ভোকত অণ্ঠ-কণ্ঠ শুকাই গৈছে। ৰূপালীপামৰ সমুখেদি কেইবাৰ যে আহিছো, গৈছো, অথচ মুহূৰ্তলৈ আহৰি পোৱা নাই। - প্ৰথমে কৰ্তব্য, সহায় কৰিবলৈ অশোক ওচৰত নাই, লক্ষ্মীনাৰায়ণ নাই। উত্তৰপাৰ ৰক্ষা কৰাৰ ভাৰ মোৰ ওপৰত। গতিকে মোৰ কৰ্তব্য সম্পূৰ্ণ নোহোৱালৈকে ডিঙি শুকাই চৌ-চিৰ হৈ ফাটি গ'লেও উপায় নাই। কেইটামান কুমলীয়া ল'ৰা দুই-চাৰিটা অকৰ্মণ্য বুঢ়া, দুটা পুৰণা বৰটোপ আৰু সামান্য অস্ত্ৰ-শস্ত্ৰেৰে নিজক সাজু কৰিছো উত্তৰ পাৰ ৰক্ষা কৰিবলৈ।

বগা-দলঙৰ সিপাৰে বেহু ৰচনা কৰিবলৈ মোক পঠায়েই অশোক আৰু লক্ষ্মীনাৰায়ণে গড়ৰ ভাগি যোৱা অংশটোক কোনোমতে বান্ধি ৰাখিবৰ চেষ্টা কৰিলে। দূৰৈৰপৰা শত্ৰুৱে সেইডোখৰ ঠাইতে বাৰে বাৰে বৰটোপেৰে আঘাত কৰি ক্ৰমাৎ ভাঙি নিছে। উদ্দেশ্য-সেইফালেই বাট উলিয়াই যাতে গড়ৰ ভিতৰফালে সোমাই পৰিব পাৰে। অশোকহঁতে সকলো বিপদ অগ্ৰাহ্য কৰি আপ্ৰাণ শক্তিৰে চেষ্টা কৰিছে গড় বচাবলৈ।

কিন্তু এবাৰো কোনেও ভবা নাছিল, সিহঁতৰ অভিশপ্ত মূৰৰ ওপৰত যে নিষ্ঠুৰ বজ্ৰ এপাট উদ্ধত কৰি নিয়তিয়ে হাঁহিছে। লক্ষ্মীনাৰায়ণে গড়ৰ ওপৰত উঠি সকলোকে নিৰ্দেশ দি আছিল। হঠাৎ আকস্মিকভাৱে অহা শত্ৰুৰ অব্যৰ্থ বৰটোপৰ গুলী এটাই ডিঙি আৰু বাউসীৰ এছোৱা উৰাই লৈ গ'ল। ওপৰৰপৰা ঘূৰি ঘূৰি আহি লক্ষ্মীনাৰায়ণ মাটিত পৰিলহি। অশোক ওচৰলৈ দৌৰি গ'ল। অতি কষ্টেৰে নিজক সংযত কৰি প্ৰাণপণ শক্তিৰে চিঞৰিলে— "মতি! মতি! দৰব...দৰব..."

Scanned with CamScanner

মতি নিৰুপায়। সৈন্যবাহিনীৰ লগে লগে থকা শুশ্ৰূষাকাৰীসকলৰ হাতত এফোটা দৰবো বাকী নাই। সকলো বহুত আগতে শেষ হৈ গৈছে। অশোকে হুকুম দিলে দেৱ-মন্দিৰলৈ যাবলৈ-যদি তাত নাই তেন্তে ৰূপালীপামৰেপৰা হওক বা য'ৰেপৰা হওক, তুৰন্তে দৰব আনিবলৈ; লক্ষ্মীনাৰায়ণক বচাব লাগিব-যেনে তেনে বচাই ৰাখিবই লাগিব।

মতি যোৱাৰ আগতেই লক্ষ্মীনাৰায়ণে লাহে লাহে চকু মেলি চালে; "অশোক মোৰ কাৰণে ব্যস্ত নহ'বা। মোক বৰঞ্চ ৰঙাটিলালৈকে দুজনমানৰ লগতে পঠাই দি তুমি তোমাৰ কাম কৰি যোৱা। মানুহবোৰক নিৰুৎসাহ হ'বলৈ নিদি উদগনি দিয়া! মোৰ জীৱনতকৈয়ো তোমাৰ কৰ্তব্য ডাঙৰ..."

"ভাল, মই তাকেই কৰিছো...। মতি, তই যা আৰু এক মুহূৰ্তও পলম নকৰিবি-"

মতিয়ে প্ৰাণপণ শক্তিৰে নগৰৰ মাজলৈ লৰ ধৰিলে। দেৱ-মন্দিৰত দৰব বিচাৰিলে, কিন্তু দুৰ্ভাগ্য, তাতো এফোটা নাই। আহত সৈন্যবোৰৰ লগত সকলো দৰব-পাতি ৰূপালীপামলৈ পঠাই দিয়া হৈছে। ওলাই আহি কোনোফালে ভ্ৰূক্ষেপ নকৰি মতিয়ে আকৌ সমানে দৌৰিলে ৰূপালীপামলৈ।

অশোকে লক্ষ্মীনাৰায়ণক ৰঙাটিলালৈ পঠোৱাৰ ব্যৱস্থা মাথোঁ কৰিছিল কিন্তু লক্ষ্মীনাৰায়ণে আকৌ বাধা দিলে- "অশোক, থাকক সেইবোৰ...মই বেছ বুজিছো সি বৃথা পৰিশ্ৰম মাথোঁ হ'ব। মই ৰঙাটিলা আৰু কেতিয়াও নাপাওঁগৈ-নেদেখোও? ...এবাৰ মোৰ কাষলৈ আহা..."

অশোকেও বুজিছে লক্ষ্মীনাৰায়ণক বচাই তোলা আৰু কাৰো সাধ্য নাই। ওচৰত বহি লক্ষ্মীনাৰায়ণৰ মূৰটো কোলাত তুলি ললে।

"...অশোক, মোৰ সময় হৈ আহিল-এই সোণৰ কমল-নগৰৰ সুন্দৰ সুন্দৰ জীৱনবোৰ! আমাৰেই ভাই-বন্ধু যিবোৰক এই কেইদিনতে হেৰুৱালো সেই সকলোৰে লগত আকৌ লগ লাগিবলৈ যাত্ৰা কৰিছো। তুমি থাকিলা-এবাৰ শেষ

Scanned with CamScanner

মোৰ আশা তুমিয়েই পূৰণ কৰি গৌৰীক চন্দনৰ হাতত তুলি দিবা। পাৰ্বতী, উমা সকলোৰে সেয়ে ইচ্ছা, মোৰ আশীৰ্বাদ তোমালোক সকলোকে এতিয়াই দিলো...”

লক্ষ্মীনাৰায়ণৰ মুখৰ মাত ক্ৰমাৎ ক্ষীণ হৈ শেষত এবাৰ সম্পূৰ্ণ বন্ধ হৈ গ'ল। মূৰটো অশোকৰ কোলাত ঢলি পৰিল। কমল-নগৰক পিতৃহীন কৰি কমল-নগৰৰ শ্ৰেষ্ঠ পুৰুষ লক্ষ্মীনাৰায়ণ অনন্ত পথৰ যাত্ৰী হ'ল।

অশোকৰ মূৰত স্বৰগ ভাগি পৰিল। সেই প্ৰথম দিনাৰেপৰা এই মুহূৰ্তলৈকে হাজাৰ বিপদৰ মাজতো অশোকৰ এইকণ ভৰসা আছিল যে অসহায় অৱস্থাতো মুখলৈ চাবলৈ— কমল-নগৰৰ সম্পূৰ্ণ দায়িত্ব লবলৈ তেওঁৰ মূৰৰ ওপৰত এজনা আছিল, আজি তাৰো শেষ হৈ গ'ল।

লক্ষ্মীনাৰায়ণৰ মৃত্যুৰ লগে লগেই যি দায়িত্বৰ ভাৰ, সহায়-সম্বলহীন অশোকৰ কান্ধত আহি পৰিলহি তাৰ গুৰুভাৰ বহন কৰা শক্তি অশোকৰ ক'ত? হতাশাত দশোদিশ আন্ধাৰ দেখিলে। কিন্তু ইমানতো শান্তি নাই। আকৌ শত্ৰু কাষ চাপিছেহি। আজি যুদ্ধ আৰু ক্ষান্ত নহয়। অশোক উঠিবলগীয়া হ'ল। আকৌ সৈন্যবোৰক উদগনি দিলে গড় ৰক্ষা কৰিবলৈ। শক্তিৰে শেষবাৰলৈ নিজক যুঁজৰ মাজত ডুবাই দিলে অশোকে। শত্ৰুৱে গড়ৰ ভঙা বাটটোৰ মুখত আঘাতৰ পাছত আঘাত কৰি এফালৰপৰা ভাঙি নিছে। অলপ পাছতে হয়তো তাক সম্পূৰ্ণ ভাঙি কমল-নগৰৰ মাটিত ভৰি দিবহি। তাৰ পাছত?

...উধাতু খাই মতিয়ে ৰূপালীপামৰ পদূলিমূৰৰেপৰা চিঞৰি চিঞৰি ঘৰৰ ভিতৰলৈ সোমাই আহিল ঃ “আইদেউ! আইদেউ সৰ্বনাশ হ'ল! সোনকালে মোক অলপ দৰৱ দিয়ক, বেছি সময় নাই... মোক নিবলৈ পঠাই দিছে-”

ব্যস্ত হৈ উমাই সুধিলে— “দৰৱ কাৰ কাৰণে মতি? কোনে নিবলৈ পঠাইছে?”

“দেউতাই, লক্ষ্মীনাৰায়ণ ডাঙৰীয়াই ডিঙিত আঘাত পাইছে, তেখেতৰ কাৰণেই...” উমাৰ হাতত থকা বস্তুটো মাটিত পৰি গ'ল।

বিবৰ্ণ মুখেৰে সুধিলে— “বৰ বেছিকৈ পাইছে নেকি মতি? তেখেত এতিয়া ক'ত?”

“মই অহাৰ সময়ত তেখেত যুঁজৰ ঠাইতে আছিল, কিন্তু ৰঙাটিলালৈ নিয়াৰ ব্যৱস্থা কৰাৰ কথা শুনি আহিছো। বোধকৰো এতেপৰে ৰঙাটিলা পালেগৈ-”

দৰৱ আনিবৰ কাৰণে কোঠাৰপৰা ওলাই গ'ল উমা। উমাৰ ওচৰত গৌৰীও আছিল। সকলো শুনিও মুখেৰে এটা শব্দও নকৰিলে। কিন্তু পাছমুহূৰ্ততে উমাৰ আগেদিয়েই দৌৰি তললৈ নামি আহি নিজৰ বাগীত বহিলেহি। তাৰ পাছত খন্তেকো

Scanned with CamScanner

অপেক্ষা নকৰি, কোনোবাই বাধা দিয়াৰ আগতেই পূৰ্ণ বেগেৰে বাগী চলাই ৰূপালীপামৰ পদূলিমূৰ পাৰ হৈ গ'লগৈ। উমাই উন্মাদিনীৰ দৰেই চিঞৰি চিঞৰি পাছে পাছে নামি আহিল— "গৌৰী, গৌৰী! ...মতি, মতি! ...দৌৰি, দৌৰি যা...গৌৰীক, ওভোতাই আনগৈ..."

দৰবৰ কথা পাহৰি মতিয়ে হুকুম মতেই বাগীৰ পাছে পাছে সকলো শক্তি লৈ লৰ ধৰিলে! কিন্তু কোবাই কোবাই উন্মাদ কৰা বাগীৰ ঘোঁৰা দুটাৰ লগত মতিৰ সাধ্য কি ফেৰ মাৰে? ...বগা দলঙৰ মূৰলৈকে গৈ মতি আকৌ ঘূৰি আহিবলৈ বাধ্য হ'ল। মনত পৰিল দৰব নিয়াৰ কথা। ...গৌৰী তাৰ বহুত আগতেই দলং পাৰ হৈ গৈছিল।

চম্পাই মন্দিৰৰ শেষ আহত সৈন্যকেইটাক ৰূপালীপামলৈ পঠিওৱাৰ ব্যৱস্থা কৰি দি এবাৰ ঘৰলৈ গ'ল। লগত ৰমা। তাত দুয়ো মিলি গোটেইবোৰ পাৰচৰাইক বাহৰপৰা উৰুৱাই দিলে। শহাবোৰক, ধুনীয়া ম'ৰাহালক মুকলি কৰি বাৰীৰ ফালে খেদি দিলে। সজাৰ চৰাইবোৰক এটা এটাকৈ মুক্ত কৰি আকৌ উভতি আহিল। আৰু বেছি সময় নাই। চম্পাই কথা দিছিল, বিপদ দেখিলেই জেঠাইদেউৰ ওচৰলৈ গুচি আহিব।

ঘৰৰপৰা ৰঙাআলিত ভৰি দিয়েই দুয়ো উত্তৰ পাৰলৈ বুলি দৌৰিবলৈ আৰম্ভ কৰিলে। দুয়ো নিজৰ নিজৰ চেনেহৰ ঘৰখনৰ মায়া-মোহ সকলো বিসৰ্জন দি কোনো ফালে ভ্ৰূক্ষেপ নকৰি সমানে দৌৰিছে। বগা দলং পাওঁ পাওঁ হৈছে; ঠিক এনেতে চকুত পৰিল, ওচৰেদিয়েই গৌৰীয়ে বাগীখন লৈ পূৰ্ণ বেগেৰে পাৰ হৈ গ'ল। গধূলিৰ প্ৰথম আন্ধাৰত গৌৰীয়ে চম্পাহঁতক দেখিলে নে নাই ক'ব পৰা নগ'ল, কিন্তু চম্পাই গৌৰীক স্পষ্ট দেখিলে। খন্তেকলৈ চম্পা বিবুদ্ধি হৈ থমকি ৰ'ল। ভাবি নাপালে গৌৰী কলৈ যায়, কিয় যায়।

"গৌৰী! গৌৰী!"

সমানে দৌৰিছে। চম্পাৰ মুখৰপৰা একেষাৰ কথাই বাৰে বাৰে ওলাই আহিছে— "বমা, গৌৰীক যেনে তেনে বচাব লাগিব... গৌৰীক যেনে তেনে বচাব লাগিব।"

"...নবৌ, এবাটি পানী... পানী..."

ঘোঁৰাৰপৰা নামি তলৰ মহলাৰপৰাই নবৌক মাতি মাতি ওপৰলৈ উঠি গলো। উমাই নিঃশব্দে বান্ধনি ঘৰলৈ সোমাই গ'ল। আকৌ চিঞৰিলো— "নবৌ, সোনকাল কৰা, আৰু কিবা আছে যদি..."

মোৰ কথা শেষ নহ'ল, তাৰ আগতেই উমাই থাল এখনত অলপ জলপান আৰু এবাটি পানী লৈ মাত্ৰ মোৰ ওচৰ পালেহি। বহি খাবলৈ অপেক্ষা নকৰি উমাৰ হাতৰপৰা থালখন লৈ একামোৰ মাৰিছো এনেতে ফোপাই-জোপাই মতি কোঠাৰ ভিতৰলৈ সোমাই আহিল- "আইদেউ, ধৰিব নোৱাৰিলো-"

"কি মতি? কি ধৰিব নোৱাৰিলা?"

মতিয়ে উত্তৰ দিলে—"গৌৰী আইদেউ বগা দলং পাৰ হৈ ৰঙাটিলালৈ গ'লগৈ-"

উচপ খাই উঠিলো— "নবৌ! এয়া তুমি কি কৰিলা? কেলৈ যাবলৈ দিলা...?" পাছমুহূৰ্তত হাতৰ থালখন নমাই থৈ, একে শোহাই পানী বাটি শেষ কৰি চকুৰ পচাৰতে তললৈ নামি আহিলো।

"চন্দন! চন্দন!..." উমাক কথা ক'বলৈ সময় নিদি ঘোঁৰাত উঠি বহাৰ লগে লগেই কলো- ব্যস্ত নহবা নবৌ, আহি খামহি তেনেকৈয়ে থৈ দিয়া..."

বিজুলী বেগেৰে ৰঙাআলিৰ বুকু ফালি ঘোঁৰা এৰিলো। ক'ব নোৱাৰো কেতিয়া যে বগাদলং পাৰ হৈ আহিলো। কিন্তু হঠাৎ চকু পৰিল দূৰৈত জুইৰ পোহৰ। খন্তেকলৈ মাজবাটতে ৰৈ পৰিলো।

সকলো আশা শেষ হৈ গ'ল। বুজিলো, শত্ৰুৱে গড় ভাঙি নগৰত সোমাইছেহি। দূৰত এটা-দুটাকৈ গধূলিৰ আন্ধাৰত ঘৰবোৰ জ্বলি উঠিছে। তথাপি উভতি গৈ দলং ৰক্ষা কৰাৰ কথা মনত নাথাকিল। গৌৰী অকলে ৰঙাটিলাত; আৰু ভাবিবৰ সময় নহ'ল। আকৌ ঘোঁৰা এৰি দিলো। ৰঙাআলিয়েদি নগৈ বাট ললো ঘৰবোৰৰ মাজে মাজে, বাৰীৰ পাছফালে, যি ফালেই ৰঙাটিলালৈ চমু হয়, সেই বাটেৰেই পূৰ্ণ বেগেৰে আগুৱাই গলো।

ৰঙাটিলা পায়েই গৌৰীয়ে বাগীৰপৰা নামি কোনোফালে নাচাই ছিৰিয়েদি ওপৰলৈ উঠি গ'ল। কিন্তু এবাৰ অলপ দূৰলৈ চাই পঠিওৱা হ'লে দেখিবলৈ

Scanned with CamScanner

পালোহেঁতেন, চাৰিওফালে শত্ৰুৰ দল সিঁচৰতি হৈ নগৰৰ মাজলৈ সোমাই আহিছে। দুঃশ্চিন্তাত গৌৰী ইমানেই মোহাচ্ছন্ন যে সিহঁতৰ বিজয় উল্লাস-সিহঁতৰ বিকট হুংকাৰ গৌৰীৰ কাণলৈ নগ'ল।

ঘৰৰ ভিতৰত গৌৰীয়ে প্ৰত্যেক কোঠালৈ গৈ চিঞৰি চিঞৰি বাপেকক মাতিলে। কিন্তু কোনো উত্তৰ নাহিল। দ্বিতীয় মহলালৈ উঠি বাপেকৰ জিৰণি কোঠাত সোমাই চালে। তাতো বাপেক নাই। ইটোৰ পাছত সিটোকৈ বাকীবোৰ কোঠালৈকো গ'ল, তথাপি বাপেকক নেদেখিলে। শেষত গৌৰী একেবাৰে তৃতীয় মহলাৰ ওপৰত থকা নিজৰ কোঠা পালেহি— "দেউতা, দেউতা, আপুনি ক'ত?"

কিন্তু কি হ'ব; গৌৰীৰ কৰুণ আহ্বান ওচৰৰ বেৰবোৰত খুন্দা খাই আকৌ গৌৰীৰ ওচৰলৈকে ঘূৰি আহিল। উত্তৰ কোনো ফালৰপৰাই নাহিল। ৰঙাটিলাৰ ক'তো জনপ্ৰাণী এটিও নাই।

গৌৰীৰ বৰ ভয় হ'ল, জানোচা মতিয়ে ভুল কৰিলে? ঠিক সেই মুহূৰ্ততে বাহিৰৰ কোলাহল প্ৰথমবাৰলৈ গৌৰীৰ কাণলৈ গ'ল। উপলব্ধি কৰিলে নিজৰ বিপদ। উধাতু খাই গৌৰী নামি আহিল তললৈ। ...দ্বিতীয় মহলা পায়েই গৌৰীয়ে দৌৰ দিলে তললৈ। কিন্তু ছিৰিৰ ওচৰ পায়েই দেখে ছিৰিৰ শেষ ঢাপটোৰ ওপৰত কালান্তক অসুৰৰ নিচিনা কেইটামান শত্ৰু। আৰ্তনাদ কৰি গৌৰীয়ে উভতি আনফালে থকা ছিৰিটোৰে নামিবলৈ আহিল। কিন্তু সেইফালেও ছিৰিৰ মুখত শত্ৰু। কোনোফালে উপায় নাই। ঘৰৰ ওপৰৰ পৰা নামিব পৰা প্ৰত্যেক ছিৰিৰে তলে-ওপৰে শত্ৰু। বৰ্বৰ, কুৎসিত, নিষ্ঠুৰ এজাক পশু!...গৌৰীয়ে উভতি আকৌ তৃতীয় মহলাত উঠিলেগৈ! কিন্তু এতিয়া ক'লৈ যাব? পশুবোৰ চাৰিওফালৰেপৰা ক্ৰমাৎ ওপৰলৈ উঠি আহিছে। গৌৰীয়ে বুজিলে নিস্তাৰ নাই। কিন্তু কি কৰিব? কেনেকৈ নিজক এই পশুবোৰৰ হাতৰপৰা ৰক্ষা কৰিব? কোনে এটা উপায় দিব?

সিহঁত ক্ৰমাৎ ওচৰ চাপি আহিছে। আৰু ওচৰ...আৰু। পাছমুহূৰ্তত ভয়ংকৰ শব্দ কৰি গৌৰী থকা কোঠাটোৰ দুৱাৰখন খোল খাই গ'ল। দুৱাৰমুখত দেখা দিলে কেইটামান বৰ্বৰ পশুৱে...।

প্ৰাণপণ শক্তিৰে গৌৰীয়ে এবাৰ মাথোঁ চিঞৰিলে। তাৰ পাছত অজ্ঞান হৈ মাটিত পৰি গ'ল।

প্ৰায় লগে লগেই দুৱাৰমুখত গোটাদিয়েক সৈন্যসহ স্বয়ং শত্ৰুৰ প্ৰধান সেনাপতিয়ে দেখা দিলেহি। গৌৰীৰ মূৰ্ছিত দেহলৈ চাই তাৰ চকু দুটা পৈশাচিক

Scanned with CamScanner

আনন্দত জ্বলি উঠিল। তাৰ পাছত ওচৰৰ দুটা সৈন্যক গৌৰীৰ জ্ঞান ফিৰিলেই নিজৰ ওচৰলৈ লৈ যাবলৈ আদেশ কৰি কোঠাৰপৰা বাকীবোৰক লৈ ওলাই গ'ল। সকলোকে বজ্ৰহুংকাৰেৰে জনাই দিলে যেন কোনেও এই নতুন সুন্দৰী নন্দিনীক ভুল কৰি মাৰি নেপেলায়। আৰু লগে লগে নিশাটোৰ কাৰণে সকলোকে ৰঙাটিলাতে শিবিৰ পাতি বিশ্ৰাম লবলৈ নিৰ্দেশ দি গ'ল।

তাৰ পাছত। চাই থাকোতেই গোটেই ৰঙাটিলাৰ ওপৰত, তলত ঘৰৰ ভিতৰত, ঘৰৰ বাহিৰত আৰু ফুলনিবাৰীৰ চৌদিশ শত্ৰু-সৈন্যৰে ভৰি পৰিল। সকলোৰে সেনাপতিৰ আদেশ পাই, দলে দলে প্ৰায় প্ৰত্যেক কোঠাই কোঠাই, বাহিৰৰ ঘাঁহনিত বহি আনন্দ-উৎসৱত মতলীয়া হৈ উঠিল। প্ৰধান সেনাপতিয়ে নিজে তাৰ প্ৰধান প্ৰধান অমাত্যসকলক লগত লৈ মাজৰ মহলাৰ এদাঁতিয়ে থকা লক্ষ্মীনাৰায়ণৰ প্ৰকাণ্ড জিৰণি কোঠাটোত সোমাই মদৰ ভাণ্ডাৰ খুলি বহিল।

ইফালে নগৰৰ মাজত সেনাপতিৰ পূৰ্বৰ আদেশ অনুযায়ী বাকী ডাঙৰ ডাঙৰ দলবোৰে কমল-নগৰৰ গোটেই দক্ষিণপাৰ জুৰি অবাধে হত্যালীলা, লুণ্ঠন, গৃহদাহ, সকলো প্ৰকাৰ বীভৎস, নিষ্ঠুৰ, পৈশাচিক নৃত্য আৰম্ভ কৰি দিলে। চাৰিওফালে হাঁহাকাৰ হৈ উঠিল। শত্ৰুৱে অতি ক্ষিপ্ৰতাৰে নগৰৰ চাৰিওফালে এনেভাৱে বিয়পি পৰিল যে যিসকল তেতিয়ালৈকে উত্তৰপাৰলৈ যাব পৰা নাছিল, সেইসকলো শত্ৰুৰ মাজেদিয়েই দলং পাৰ হৈ যোৱাটো সম্পূৰ্ণ অসম্ভৱ হৈ উঠিল। কেনেকৈ যায়? তাত থকাবোৰৰ বেছি ভাগেই হয় আলৰ বুঢ়া-বুঢ়ী, নহয় সকলো বয়সৰ তিৰোতা, নহয় সৰু সৰু ল'ৰা-ছোৱালী।

...ঘৰে ঘৰে খণ্ডযুদ্ধ হ'ল। বিবাহিতা, অবিবাহিতা প্ৰায় সকলো গাভৰুৱেই শত্ৰুৰ হাতত পৰাৰ আগতেই ঘৰৰ মূল্যবান সম্পত্তিবোৰ কুঁৱাত পেলাই দি সেই কুঁৱাতেই জাঁপ দি আত্মহত্যা কৰিলে। বাকীবোৰে যুঁজ কৰি মৰিল-কিছুমানে কঁকালৰ গাঁঠিৰ বিহ খাই মৰিল। সৰু সৰু ল'ৰা-ছোৱালীবোৰ ক'ত কোন ছিটিকিল-গচকত, জুইত, তৰোৱালৰ আগত এটা এটাকৈ মৰিল, তাক কোনেও নেদেখিলে।

চম্পা আৰু ৰমাৰ গৌৰীক বচোৱা ন'হল, বৰঞ্চ নিজেই এই ধ্বংস-যজ্ঞৰ মাজত আচৰিত হৈ পৰি গৈ দশোদিশ আন্ধাৰ দেখিলে। চকুৰ আগতে ইমূৰৰপৰা সিমূৰলৈ গোটেই কমল-নগৰৰ দক্ষিণপাৰ জুৰি ঘৰে ঘৰে জ্বলি উঠিছে জুই।

...দুয়ো ভালেমান বাট গৌৰীৰ বাগীৰ পাছে পাছে গৈয়ো গৌৰীক ধৰিব

নোৱাৰিলে। গৌৰীৰ বাগী তাৰ বহুত আগতেই ৰঙাটিলা পাইছিলগৈ। চম্পাই তথাপি আশা এৰা নাছিল, কিন্তু হঠাৎ এবাৰ দেখিবলৈ পালে দূৰৈত ৰঙাআলিয়েদি সৰু এটা অশ্বাৰোহীৰ দল চম্পাহঁতৰফালে তীব্ৰবেগে আগুৱাই আহিছে। বিপদ বুজি দুয়ো তৎক্ষণাত সিহঁতে দেখাৰ আগতেই, ৰঙাআলি এৰি ওচৰৰ সৰু খাল এটাতে সোমাই পৰিল। অলপ সময়ৰ পাছতে চম্পাহঁতৰ আগেদিয়েই দলটো উত্তৰপাৰ অভিমুখে বিজুলী বেগেৰে অদৃশ্য হৈ গ'ল; দুয়ো লুকাই আছিল, গতিকে চিনিব নোৱাৰিলে, কিন্তু ভালকৈ লক্ষ্য কৰা হ'লে দেখিলেহেঁতেন, সেয়া অশোক আৰু তেওঁৰ লগৰে সৈন্যৰ সৰু দল এটা।

গড় ভাগি যোৱাৰ পাছত যেতিয়া যুদ্ধ কৰা সম্পূৰ্ণ নিৰৰ্থক হৈ উঠিল তেতিয়া অশোকে সকলো সৈন্য মৰাৰ আগতেই যিবোৰক ওচৰত পালে লৰালৰিকৈ গোটাই লৈ পিছুৱাই আহিল। ...বগাদলঙত এবাৰ শেষ চেষ্টা কৰি চাব; অন্ততঃ কমল-নগৰৰ উত্তৰ পাৰটো যাতে ৰক্ষা কৰিব পাৰে।

...চম্পাহঁতে লুকাই থকা ঠাইৰপৰা লাহে লাহে ওলাই আহি চুলিৰ আগত জীৱটো বান্ধি লৈ আপ্ৰাণ শক্তিৰে দৌৰিলে। মন্দিৰৰ ওচৰ পাবলৈ আৰু অলপ দূৰ আছে; হঠাৎ চকুত পৰিল, তাৰ সমুখত ভয়াবহ শত্ৰুৰ উন্মত্ত দল এটা! দুয়োৰে জীৱ উৰি গ'ল। এতিয়া যাব কোনফালে? চম্পাই নিজৰ ঘৰৰ ফালেই ঘূৰিছিল, কিন্তু সেই মুহূৰ্তত দেখিলে, ওচৰৰ ঘৰ এটাৰপৰা ধোঁৱা ওলাইছে। খন্তেক পাছতে সি দপ্ দপ্ কৰি জ্বলি উঠিল। সেই একেভাৱেই দূৰৰ আৰু এটা ঘৰো জ্বলি উঠা দেখিলে। এটা এটাকৈ প্ৰতিটো ঘৰতেই শত্ৰুৱে জুই দিছে।

মৰণত শৰণ দি দুয়ো চুচৰি আন্ধাৰত গা ঢাকি কোনোমতে মন্দিৰ পালেহি। মন্দিৰৰ ভিতৰত সোমোৱাৰ পৰিৱৰ্তে চম্পাহঁতে এদাঁতিয়ে থকা ফুলনিবাৰীৰ ফালে গৈ তাত থকা ডাঙৰ ডাঙৰ নানা জাতৰ ফুলৰ জোপাৰ আঁৰত লুকাই পৰিল। কিন্তু বুজিলে, সি অলপো নিৰাপদ নহয়। তাৰপৰাই দুয়ো চাৰিওফালে চাই দেখে, মন্দিৰৰ মাজৰ যিটো আটাইতকৈ ওখ দ'ল, তাৰ বাহিৰফালে গাতে লাগি আছে এখন বাঁহৰ চাং। মাটিৰপৰা প্ৰায় পোন্ধৰ হাতমান ওখত হ'ব। ওচৰৰ গছৰ ছাঁ পৰি থকা চাংখন ভালকৈ লক্ষ্য নকৰিলে চকুত নপৰে।

হঠাৎ চম্পাৰ মনত পৰিল চাংখন কৰাৰ উদ্দেশ্য চাংখনৰ দ'লৰ ওপৰৰ ভাগ কিছুদিনৰ আগৰেপৰা চাৰিওফালে বহল বহল ফাঁট মেলি প্ৰায় ভাঙি পৰাৰ অৱস্থাত আছিল। তাৰ মেৰামতিৰ কাৰণেই চাংখন সজা হৈছিল। কিন্তু হঠাৎ

Scanned with CamScanner

যুদ্ধখন আৰম্ভ হোৱাত মেৰামতিৰ কাম আৰম্ভ কৰাৰ আগতেই বন্ধ কৰিবলগীয়া হ'ল। এই কেইদিনতে আৰু বেছি ফাঁটি দ'লটোৰ এনে অৱস্থা হৈছে যে চাৰিওদাঁতিয়ে দীঘল দীঘল পঘাৰে বান্ধি-মেলিহে তাৰ মৃধচটো কোনোমতে থিয় কৰি ৰখোৱা হৈছে, নহ'লে কোন মুহূৰ্তত যে সি ভাগি পৰিব পাৰে তাৰ স্থিৰতা নাই।

ৰমাই ফুলৰ আঁৰত নিজক বৰ নিৰাপদ নেদেখি মন্দিৰৰ দাঁতিয়েদি সাৱধানে বগাই বগাই ওপৰলৈ উঠি গ'ল- চম্পাকো ধৰি-মেলি তুলি ললে। তাৰ পাছত দুয়ো অলপ অলপকৈ বহুত কষ্ট, বহুত পৰিশ্ৰমৰ মূৰত চাংখন পালেহি। তাৰপৰাই চম্পাৰ প্ৰথমেই চকুত পৰিল, নিজৰ মৰমৰ ঘৰখনৰ বুকুফালি আন্ধাৰ আকাশলৈ জিভা মেলি আগবঢ়া জুইৰ পোহৰ। দপ্‌দপ্‌কৈ জ্বলি উঠিছে চম্পাৰ ঘৰ, ৰমাৰ ঘৰ, ৰাধাৰ ঘৰ। সকলোৰে ছবিৰ নিচিনা ধুনীয়া ধুনীয়া ঘৰবোৰ।

চম্পা, ৰমাই বেজাৰ নকৰিলে, বেজাৰ কৰিবৰ সময়ো নহয়।

দুয়ো খন্তেক তাতে জিৰাই ললে। ৰমাই ভালকৈ চাই দেখিলে, মন্দিৰৰ আচল অংশটো সেইখিনিলৈকে চাৰিকোণীয়া হৈ তাৰেপৰা ক্ৰমাৎ গোল দ'লৰ আকৃতিত ওপৰলৈ উঠি গৈছে। তাৰ একেবাৰে মূৰত সোণৰ ত্ৰিশূল। তাৰপৰা অহা পথাৰ আগবোৰ ভেটিত থকা বহল গড়বোৰত বন্ধা। দ'লৰ কাষৈসিৰীয়া গুৰিটোৰ চাৰিওদাঁতিয়ে ইটাৰ গাঁথনি। তাৰ চেপাৰ মাজত আঁউজি থিয় দিলে অতি সুন্দৰকৈ সকলোৰে চকুৰপৰা সম্পূৰ্ণৰূপে আঁৰ হৈ যাব পাৰি। এবাৰ তাকে পৰীক্ষা কৰিবলৈ ৰমাই আঁউজি চাইছিল, কিন্তু পাছমুহূৰ্ততে চম্পাই একেটানেই ৰমাক আকৌ চাঙলৈ ওভতাই আনিলে। দ'লৰ গোটেই মৃধচটো কঁপিছে। পঘাবোৰে দস্তৰমতে শব্দ কৰিছে। চম্পাৰ ভয় জানোচা গোটেই দ'লটোৱেই মূৰৰ ওপৰত ভাগি পৰে।

ভয়ংকৰ দুঃশ্চিন্তাত দুয়ো ভালেমান সময় মনে মনে বহি ৰ'ল। অলপ পাছত হঠাৎ চম্পাৰ চকুত পৰিল, ওচৰৰ ফাঁটবোৰৰ মাজেদি মন্দিৰৰ ভিতৰৰপৰা পোহৰ আহিছে। অতি সাৱধানে আলফুলকৈ ধৰি চম্পাই মন্দিৰৰ ভিতৰখন চাবৰ চেষ্টা কৰিলে। ...বহল বহল ফাঁটবোৰৰ মাজেদি থাপনাৰ ওপৰত থকা বিগ্ৰহ, ওচৰত পুৰোহিতদেউকে আদি কৰি সকলো স্পষ্ট দেখিলে। পুৰোহিতদেউ ধ্যানত মগ্ন। আজি সকলোৱে সকলো ৰকমে চেষ্টা কৰিও পুৰোহিতদেউক মন্দিৰ এৰি সিপাৰলৈ নিয়াব নোৱাৰিলে। বিগ্ৰহ এৰি তেওঁ কলৈকো নেযায়। বিশ্বাস-শত্ৰুবোৰ যিমানেই পাষণ্ড নহওক, ঈশ্বৰৰ উপাসনাৰ ঠাই সিহঁতে কেতিয়াও অপবিত্ৰ নকৰে।

Scanned with CamScanner

কিন্তু শত্ৰুৰ ওপৰত চম্পাৰ সিমান আস্থা নাই। সেই কাৰণেই ভিতৰলৈ নগৈ বাহিৰত থকা চাঙৰ ওপৰত উঠিছেহি। চম্পাৰ সন্দেহ যে অমূলক নহয় তাৰ প্ৰমাণ দুয়ো অলপ পাছতেই পালে। হঠাৎ দুয়ো কাণ থিয় কৰি শুনিলে, মন্দিৰৰ পদূলিমূৰত কোলাহল। খন্তেক পাছতে দেখিলে মন্দিৰৰ দুৱাৰমুখত এদল যমদূত। দুয়োৰে ধাতু উৰি গ'ল। এই প্ৰথম দুয়ো ওচৰৰেপৰা শত্ৰুক দেখিলে। চম্পাৰ মনত পৰিল এজনীৰ মুখত আগদিনা গধূলি শুনা কথাষাৰ; সিহঁত মানুহ নহয় চম্পা, পশু! পশু...!

উশাহ বন্ধ কৰি দুয়ো ভিতৰলৈ চাই ৰ'ল। এইবাৰ কি হ'ব?

...হাতত খোলা তৰোৱাল লৈ সিহঁত আহি একেবাৰে পুৰোহিতৰ ওচৰ পালেহি। তাৰ পাছত আটাইবোৰেই একেলগেই কঁপি থকা দ'লটো দুগুণ কঁপাই হাঁহি উঠিল। বোধকৰো এই ধ্বংসলীলাৰ মাজত পুৰোহিতদেউৰ এনে ধ্যানমূৰ্তি দেখি ইতিকিং কৰিলে। পুৰোহিতে লাহে লাহে চকু মেলি চাই সিহঁতক থাপনাৰ কাষত দেখি গৰ্জন কৰি উঠিল। এনেদৰে সোমাই আহি মন্দিৰ অপৱিত্ৰ কৰা পুৰোহিতদেৱে হয়তো সহ্য কৰিব নোৱাৰিলে। কিন্তু তাতেই শেষ নহ'ল। আকৌ এবাৰ হাঁহি লৈ কেইটামানে পুৰোহিতক গ্ৰাহ্য নকৰি থাপনাৰ ওপৰত ভৰি থকা সোণ-ৰূপৰ পৱিত্ৰ মোহৰবোৰত হাত দিলেগৈ।

সিহঁতক বাধা দিবলৈ পুৰোহিতদেৱে হাতৰ কাষত থকা ডাঙৰ টিলিঙাটো লৈ কাষৰটোক প্ৰাণপণ শক্তিৰে আঘাত কৰিলে। আৰ্তনাদ কৰি সি দূৰৈত ছিটিকি পৰাৰ লগে লগেই কিন্তু বাকীবোৰে তেওঁৰ গাৰ ওপৰত একেলগেই জঁপিয়াই পৰিল। এটাই তাৰ তৰোৱালখন পুৰোহিতৰ বুকুত সুমুৱাই দি বজ্ৰহুংকাৰেৰে দশোদিশ কঁপাই দিলে।

চম্পা-ৰমাই এই দৃশ্য সহ্য কৰিব নোৱাৰি আৰ্তনাদ কৰি উঠিছিল, কিন্তু হুলস্থূলৰ মাজত সেই শব্দ হয়তো কাৰো কাণলৈ নগ'ল। পুৰোহিতদেৱে এবাৰলৈকো এটা ক্ষুদ্ৰতম শব্দ নকৰাকৈ লাহে লাহে বিগ্ৰহৰ ভৰিৰ ওপৰত ঢলি পৰিল।

তাৰ পাছত আৰম্ভ হ'ল বীভৎস কাণ্ড। পশুবোৰে থাপনাত থকা সকলোবোৰ

Scanned with CamScanner

এইবাৰ ভয়ত নহয়, খঙত; চিৰজীৱন ধৰি পূজা কৰা দেৱতাৰ প্ৰতি এনে আচৰণ, পূজনীয় পুৰোহিতৰ ওপৰত এই অমানুষিক বৰ্বৰতা চম্পাই সহ্য কৰিব নোৱাৰিলে...।

"ৰমা অসহ্য, আৰু নোৱাৰো মই। মন্দিৰৰ মূধচটো কিয় যে এতিয়াও সিহঁতৰ মূৰৰ ওপৰত ভাগি পৰা নাই তাক ভগৱানেই জানে। মই কিন্তু সিহঁতক এৰি নিদিওঁ। যি দেৱতাৰ কৰ্তব্য আছিল, তাক আমি কৰো আহ। এই পঘাবোৰ খুলি দিওঁ- যদি সঁচাই পৃথিৱীত দেৱতা আছে তেন্তে গোটেই দ'লটোৱেই যেন মূৰৰ ওপৰত ভাঙি পৰি সিহঁতক গুড়ি কৰি দিয়ে..."

চম্পাই পঘাবোৰ খুলিব খোজা দেখি ৰমাই বাধা দিলে- "চম্পা, খুলি দিলে যদি আমিও তাৰ লগতে পৰো, নাইবা দ'লটোৱেই যদি এঢলীয়া হৈ আমাৰ মূৰৰ ওপৰতে পৰে?"

"পৰে পৰক, তাৰবাবে বৰ বেছি যদি কিবা হয়, হয়তো আমিও লগতে মৰিম। কিন্তু মৰা, এদিন এনেও মৰিম তেনেও মৰিম, এই পশুবোৰৰ হাতত আমাৰ সকলো হেৰুৱাই মৰাতকৈ দেৱতাৰ মন্দিৰৰ তলত পৰি মৰিব পাৰিলেও পুণ্য হ'ব। খোল, বান্ধ খোল আৰু বেলি নকৰিবি। সিহঁতে এতিয়াও ভিতৰত মোহৰলৈ কঢ়া-আজোৰা কৰিছে। যি থাকে আমাৰ কপালত-"

তৎক্ষণাত দুয়ো চাঙৰ দুমূৰে বহি এটা এটাকৈ ওচৰৰ বান্ধবোৰ খুলি গ'ল। সকলোবোৰ খোলা শেষ হোৱাৰ আগতেই চম্পাৰ অভিলাষ পূৰ্ণ কৰি দেৱতাৰ অভিশাপ পৰিল পাপীবোৰৰ ওপৰত। দ'লৰ গোটেই মূধচটো এঢলীয়া হৈ পৰাৰ পৰিৱৰ্তে এচপৰা মাটি ফাটি-ছিটি জহি যোৱাৰ দৰেই জহি গৈ গোটেইজাক পশুকে গুড়ি কৰি পেলালে। চম্পা-ৰমা তাৰ লগতে নপৰি চাংখনৰে সৈতে বিপৰীত ফালে ডাঙৰ ফুলৰ জোপা এটাৰ ওপৰত উফৰি পৰিলগৈ। দুয়ো আচৰিতভাৱেই ৰক্ষা পৰিল। ৰমাই পৰিয়েই আকৌ জাঁপ মাৰি উঠি চিঞৰ এটা মাৰিয়েই ওচৰৰ বাৰীখনলৈ লৰ দিলে। কাৰণ চকুত পৰিছিল অলপ দূৰতে কেইটামান বিজতৰীয়া শত্ৰু।

চম্পায়ো লৰালৰিকৈ উঠি ৰমাৰ পাছে পাছে পলাব খুজিছিল, কিন্তু চাৰিওফালৰপৰা চাৰিটা কালান্তক পশুৱে চম্পাক খেদি আহিল। চম্পাও ৰমাৰ দৰেই সাৰি যায় বুলি সিহঁতে ৰমাৰ পাছ নলৈ চম্পা পলাব পৰা বাটকেইটা বন্ধ কৰি আগচি ধৰিলে। উপায় নেদেখি চম্পা স্তব্ধ হৈ ৰ'ল। এবাৰ এটা আৰ্তনাদো নকৰিলে। চম্পাৰ পাছফালে মন্দিৰৰ দেৱাল। সমুখত, সোঁৱে-বাঁৱে সিহঁত-পলায়

কোনফালে? জীৱনৰ আশা এৰি চম্পাই ঠিক কৰিলে, পশুবোৰে স্পৰ্শ কৰাৰ আগতেই আত্মহত্যা কৰিব। তৎক্ষণাত হাতখন নিলে ৰিহাৰ আগত বান্ধি লৈ ফুৰা বিহডোখৰলৈ- কিন্তু চম্পাৰ মূৰ ঘূৰি গ'ল- বিহৰ গাঁঠিটো খোলা।

চম্পাই ভালকৈয়ে জানে, জীয়াই জীয়াই সিহঁতৰ হাতত পৰিলে ভাগ্যত কি আছে? সি যে মৃত্যুতকৈয়ো মৰ্মান্তিক। পাছমুহূৰ্ততে মনত পৰিল কঁকালৰ সৰু অস্ত্ৰখনলৈ। চকুৰ পচাৰতে উলিয়াই লৈ নিজৰ বুকু লক্ষ্য কৰি দাঙিলে। শত্ৰুকেইটাই দেখে চম্পাও সাৰি যায়। সিহঁত ওচৰ পাইছিলহি। সমুখৰটোৱে চম্পাক বাধা দিবলৈকে জাঁপ মাৰি আহি চম্পাৰ হাতত ধৰিব খোজাত নিৰুপায় হৈ চম্পাই হঠাৎ নিজৰ বুকুৰ পৰিৱৰ্তে তাৰ বুকুতেই অস্ত্ৰপাট সুমুৱাই দিলে। আৰ্তনাদ কৰি মানুহটো পাছ হুহঁকি গ'ল আৰু পাছমুহূৰ্তত চম্পাৰ ভৰিৰ ওচৰত লুটি খাই পৰিল। চম্পাই আকৌ দ্বিতীয়টোক আঘাত কৰিব খোজাৰ আগতেই দুফালৰপৰা দুটাই বজ্ৰ মুষ্টিৰে দুয়োখন হাতত ধৰি বিকট গৰ্জন কৰি উঠিল।

চম্পাৰ শেষ আশাও লুপ্ত হৈ গ'ল। এইবাৰ চম্পাই বাঘিনীৰ দৰেই হাত-ভৰি এছাৰি সিহঁতৰ হাতৰপৰা মুক্ত হবলৈ সাধ্য অনুসৰি চেষ্টা কৰিলে। কিন্তু তিনিটা যমদূতৰ লগত কিমানপৰ যুঁজিব পাৰে? চম্পা অৱশ ক্লান্ত হৈ পৰিল। নিজৰ ভাগ্যৰ কথা ভাবি চম্পা ভয়ত কঁপিছে। কি কৰিব? কেনেকৈ নিজক ৰক্ষা কৰিব? আকুল হৈ চম্পাই মুৰলীধৰক মাতিছে। কোনে জানে, চম্পাৰ মিনতি মুৰলীধৰে শুনিলে নে নাই।

চম্পাৰ গোৰ লাথি খায়ো মানুহকেইটাই চম্পাক টানি লৈ গৈছে...এখোজ, দুখোজ, -প্ৰতি খোজতে চম্পাই শক্তি অনুযায়ী বাধা দিছে। কিন্তু!

...হঠাৎ সেই মুহূৰ্ততে গোটেই বিশ্বব্ৰহ্মাণ্ড কঁপাই কেইবাটাও ভয়ংকৰ শব্দ হ'ল। তাৰ লগে লগেই অলপ দূৰৈত মানুহৰ কোলাহল, আৰ্তনাদ চিঞৰ-বাখৰৰ

Scanned with CamScanner

কিন্তু উপায় বিচৰাৰ একো প্ৰয়োজন নহ'ল, যেহেতু সেই মুহূৰ্ততে চম্পাহঁতৰ পাছফালৰপৰা যে এটা ছায়ামূৰ্তি লাহে লাহে আগুৱাই আহিল তাক চম্পায়ো বুজিব নোৱাৰিলে, ধৰি থকা মানুহটোৱেও নোৱাৰিলে।

ৰমা বেছি দূৰলৈ যোৱা নাছিল। চিৰজীৱনৰ সখী চম্পাক বিপদত এৰি থৈ নিজে ৰক্ষা পৰাৰ কথা ৰমাই ভাবিব নোৱাৰে। ওচৰৰ গছ এডালৰ আঁৰত লুকাই লুকাই ৰমাই সকলো চাই আছিল। চম্পাক সিহঁতে ক'লৈ লৈ যাব? ৰমাই বা সিহঁতৰ হাতৰপৰা চম্পাক কেনেকৈ উদ্ধাৰ কৰিব? ভাবি ভাবি ৰমাই তাৰ একো উপায় পোৱা নাছিল। এতিয়া শব্দটো হৈ মানুহ দটাক আঁতৰাই নিয়াত ৰমাই উপায় বিচাৰি পালে।

ৰমা পুৰুষৰ দৰেই শক্তিশালী। নিজৰ কঁকালৰ সৰু অস্ত্ৰপাট উলিয়াই লৈ ক্ৰমাৎ অলপ অলপকৈ মানুহটোৰ ওচৰ পালেহি। তাৰ পাছত সি ঘূৰি চোৱাৰ আগতেই গাৰ গোটেই শক্তিৰে তাৰ পিঠিত আঘাত কৰিলে। অকল এবাৰেই নহয়, ওপৰা-উপৰিকৈ তিনি-চাৰিবাৰ আঘাতৰ পাছত আঘাত কৰি, তাক তাৰ ডিঙিৰ ওচৰৰ চোলাটোত ধৰি দূৰলৈ আছাৰ মাৰি পঠিয়ালে। তাৰ কি হ'ল চাবলৈ নৰৈ চম্পাৰ হাতত ধৰি পুনৰ বাৰীৰ ফালে দৌৰ দি খন্তেকৰ ভিতৰতে আন্ধাৰৰ মাজত দুয়ো অদৃশ্য হৈ গ'ল।

দুয়ো সাৰিলে। তাৰ পাছত আৰম্ভ হ'ল নিৰুদ্দেশ যাত্ৰা। যিফালেই যাব খোজে সেইফালেই মানুহ। লোকৰ বাৰীয়ে বাৰীয়ে, মাজে মাজে আলিৰে, জ্বলি থকা ঘৰবোৰৰ দাঁতিয়ে দাঁতিয়ে টাকুৰী ঘূৰাদি ঘূৰি ঘূৰি দুয়ো বহুত সময় কটালে। কেইবাৰ যে বিপদত পৰিও সাৰি গ'ল। শত্ৰুৰ মুখামুখি হৈয়ো নিজক অতি কৌশলেৰে ৰক্ষা কৰিলে তাৰ হিচাপ নহ'ল। শেষত দুয়ো উদ্‌ভ্ৰান্ত হৈ দৌৰি দৌৰি এসময়ত কেনি, কোনফালে, কেনেকৈ যে খেলমাটি ওলালগৈ তাকো ভাবি নাপালে।

...খেলমাটি সেই সময়ত জনপ্ৰাণীহীন, যদিও শ শ মৰাশৰে গোটেই খেলমাটি ভৰি আছে, তথাপি কি শত্ৰু কি মিত্ৰ জীৱন্ত মানুহ এটাও চকুত নপৰিল। জীৱনত এই প্ৰথমবাৰ এনে ভয়াবহ দৃশ্য চকুত পৰাত দুয়ো খন্তেকলৈ নিজৰ বিপদৰ কথাও পাহৰি নিস্পন্দ শিলৰ মূৰ্তিৰ দৰেই স্তব্ধ হৈ ৰৈ পৰিল। ...ভগৱানৰ সৃষ্টিৰ শ্ৰেষ্ঠ সৌন্দৰ্য্যৰ প্ৰতীক মানুহৰ জীৱনৰ এনে কৰুণ পৰিণতি নিজ চকুৰে নেদেখা হ'লে চম্পাহঁতে বিশ্বাস নকৰিলেহেঁতেন। দুয়ো অভিভূত হৈ গ'ল।

...বুকু ভাঙি ওলাই আহিব খোজা উদগত চকুলো বলেৰে সংযত কৰি, নিজৰ

Scanned with CamScanner

দেশৰে মৃত বাৰ-তেৰ বছৰীয়া কুমলীয়া বীৰবোৰক, মৰাশবোৰৰ মাজত বিচাৰি বিচাৰি এদাঁতিলৈ দুয়ো মন্ত্রমুগ্ধৰ দৰে কঢ়িয়াই নিলে। কিছুমানৰ শৰীৰ তেতিয়াও চেঁচা পৰা নাই।

সকলোকে দুয়ো শাৰী শাৰীকৈ শ্যামল ঘাঁহনিত শুৱাই দি চোলা-কাপোৰবোৰ পৰিপাটিকৈ দিলে। আঙুলিৰে মূৰৰ বিশৃংখল চুলিবোৰ ফণিয়াই দি মুখৰপৰা মচি পেলালে প্রত্যেক ফোঁটা তেজৰ চেকা। তাৰ মাজত নবছৰীয়া শ্যামৰ সৰু চেঁচা মৃত দেহটো চম্পাই এবাৰ কোলাত তুলি লৈ জাপ খাই থকা চকু দুটাত আঁকি দিলে তপত চুমাৰ কোমল পৰশ...।

"...শ্যাম! তোৰ নিচিনা শ শ ল'ৰাৰ বুকুৰ কুমলীয়া তেজৰ অমূল্য দান জানিবি কেতিয়াও বিফলে নাযায়। পশুবোৰৰ ওপৰত প্রতিশোধ লব আজি আমি নোৱাৰিব পাৰো, কিন্তু এদিন ল'ম, নিশ্চয় ল'ম। মুৰলীধৰ আমাৰ সহায়..."

চম্পাই আলফুলকৈ শ্যামক আকৌ ঘাঁহনিত শুৱাই থৈ লাহে লাহে ৰমাৰ লগত গড়ৰ এদাঁতিয়ে পর্বতৰ টিঙলৈ উঠি যোৱা বাট এটাৰে আগুৱাই গ'ল।

চম্পা আৰু ৰমা দুয়ো সাহসী, দুয়ো বুদ্ধিমতী, সেই দেখিয়েই দুয়ো নিজক সকলো বিপদৰপৰা বচাই ৰাখিবলৈ সমর্থ হ'ল। কিন্তু সিহঁত দুজনীৰ নিচিনা আৰু দুজনীয়ে শত্রুৰ হাতৰপৰা নিজক ৰক্ষা কৰিব নোৱাৰিলে।

গধূলিৰ আগৰেপৰা যেতিয়া যুদ্ধৰ অৱস্থা অতি শোচনীয় বুলি সকলোৱে বুজিলে, তেতিয়া ৰাধা আৰু ৰূপহীয়ে প্রতি ঘৰতে খবৰ কৰি সৰু সৰু ল'ৰা-ছোৱালীবোৰক সিপাৰলৈ পঠোৱাৰ ব্যৱস্থা কৰি ফুৰিছিল। গোটেই দক্ষিণপাৰৰ ইমূৰৰপৰা সিমূৰলৈকে প্রতি চুবুৰিত তাকে কৰিবলৈ যথেষ্ট সময়ৰ প্রয়োজন। কিন্তু ৰাধাহঁতে সিমান সময় পোৱা নাছিল। তথাপি দুয়ো সাধ্য অনুসৰি যিমান পাৰে সিমানক পঠিয়ালে। কিন্তু কর্তব্য শেষ হোৱাৰ বহুত আগতেই শত্রু নগৰৰ মাজত সোমালহি।

সেই সময়ত দুয়ো ৰঙাটিলাৰপৰা কিছু দূৰত আছিল। ৰঙাটিলাৰ ফালৰপৰা চিঞৰ-বাখৰ শুনি দুয়ো উত্তৰপাৰলৈ বুলি দৌৰিবলৈ ধৰিলে। বাটত জয়াৰ ঘৰৰ পদূলিমূৰ পাই দুয়ো সোমাই গ'ল জয়াক খবৰ দিবলৈ। ৰাধাহঁতে চিঞৰ-বাখৰ শুনিছিল যদিও প্রকৃততে বুজা নাছিল শত্রু কিমান দূৰৈত। ভাবিছিল হাতত ঢেৰ সময় পাব; পাইছিলো, কিন্তু সকলো বিঘিনি ঘটালে জয়াই...।

...জয়া মজিয়াত বহি আছে। ওচৰত দুখন সজাই থোৱা ভাতৰ থাল। সেই

Scanned with CamScanner

দুপৰীয়াৰেপৰা একেৰাহে একেভাৱে থাল দুখন আগত লৈ জয়া বহি আছে। ৰাম যে পুৱতি নিশাই যুঁজলৈ গৈছিল জয়াই ক'ব নোৱাৰিলে। দুপৰীয়া দুই সন্তানলৈকে ভাত বাঢ়ি ৰাম-শ্যামক মাতিলে। ৰাম কিন্তু প্রতিদিনৰ নিয়মে ওচৰলৈ নাহিল। শ্যাম আহিল যদিও ককায়েকক নেদেখি আচৰিত হ'ল। বিধবা জয়াৰ আঁচলৰ ধন, এই সন্তানহালক জয়াই প্রতিদিন, প্রতি সাজ নিজৰ দুকাযে বহুৱাই খুৱায়েই তৃপ্ত। পৰাপক্ষত চকুৰ আঁৰ হ'বলৈ নিদিয়ে। ৰাম-শ্যামেও এক মুহূর্তলৈকো মাকক এৰি নাথাকে। তেনেস্থলত ৰামক মতা সত্ত্বেও উত্তৰ নাপাই জয়াৰ মূৰত স্বৰগ ভাগি পৰিল। জয়া আৰু শ্যামে দুপৰীয়াৰেপৰা ৰামলৈ বাট চাই চাই শেষত যেতিয়া আবেলিকৈকে ৰামক অহা নেদেখিলে, শ্যামে মাকক, সুধি পদূলিমূৰলৈকে ৰামক বিচাৰি ওলাই আহিল। ইফালে সিফালে ৰামক মাতি মাতি ঘূৰি ফুৰা দেখি ওচৰৰে সৰু ল'ৰা এটাই শ্যামক জনালে, ৰাম যুঁজলৈ গ'ল।

যুঁজ সম্বন্ধে শ্যামৰ কি ধাৰণা তাক শ্যামেই জানে, মনে মনে ঘৰলৈ ঘূৰি আহি মাকে নেদেখাকৈয়ে হাতত এখন সৰু নলীয়া কটাৰী লৈ যুঁজৰ ঠাইলৈ পলাই গ'ল। তাত সকলোৰে চকুক ফাঁকি দি যে কেনেকৈ গড়ৰ ভিতৰত সোমাল তাক কোনেও নাজানিলে। তাৰ পাছত ৰামৰ লগত শ্যামো পুনৰ মাকৰ কাষলৈ উভতি অহাৰ পৰিবৰ্তে গ'লগৈ আন এখন দেশলৈ- য'ৰপৰা কোনে কেতিয়াও ঘূৰি নাহে।

তেতিয়াৰেপৰা জয়াই দুয়োলৈকে বাট চাই বহি আছে। এবাৰো উঠা নাই। জয়া মূৰ্খ নহয়, জয়াই বুজিছে ৰাম-শ্যাম আৰু উভতি নাহে। কিন্তু বিশ্বাস কৰিব পৰা নাই- প্রাণ থকালৈকে কৰিব নোৱাৰে।

ৰূপহী আৰু ৰাধাই দুফালৰপৰা জয়াক টানিছে, বুজাইছে- নিজৰ নিজৰ বিপদৰ কথা কৈছে। কিন্তু জয়া পাষাণ মূৰ্তিৰ দৰে নিশ্চল, নিৰ্বাক। কিমান সময় যে দুয়ো জয়াক লৈ নষ্ট কৰিলে তাৰ কথা এবাৰো ভবা নাছিল। কিন্তু যেতিয়া প্রথম ভাবিলে তেতিয়া তাৰ প্রতিকাৰৰ উপায় বিচাৰিবলৈ আৰু সময় নহ'ল।

ৰাধাই জয়াৰ সন্মুখত থিয় হৈ বাহিৰৰ ফালে পিঠি দি আছিল, ৰূপহী জয়াৰ এদাঁতিয়ে- সেই মুহূৰ্ততে যে দুৱাৰৰ সন্মুখত কেইটামান বৰ্বৰ আহি ৰৈছেহি তাক প্রথমে কোনেও মন কৰা নাছিল। কিন্তু ৰূপহীয়ে হঠাৎ দেখিয়েই চিঞৰি উঠিল। ৰাধাই ঘূৰি চাই পাছমুহূর্ততে ৰূপহীৰে সৈতে পলাবলৈ চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে। পশুবোৰে দুয়োকে তৎক্ষণাত বন্দী কৰি পেলালে। বাধ্য ৰূপহী এজনীয়েও আনকি কঁকালৰ গাঁঠিত থকা বিহকণো আনি মুখত ভৰাবলৈ আহৰি নাপালে।

Scanned with CamScanner

দুয়োৰে কঁকালৰ সৰু অস্ত্ৰ, বিহ কঁকালতেই থাকি গ'ল, তাৰ ব্যৱহাৰ আৰু নহ'ল। প্ৰাণপণ শক্তিৰে চিৰদিনৰ আজলী ৰাধা আৰু ৰাধাৰ দৰেই লৰনু-নিৰীহ ৰূপহীয়ে শেষ চেষ্টা কৰিলে, কান্দিলে কিন্তু মুক্তি হ'লে নেপালে।

দুখ-বেজাৰ পাহৰি জয়াই নিজক আৰু ৰাধাহঁতক মুক্ত কৰিবলৈ সিহঁতৰ ওপৰত জঁপিয়াই পৰিছিল, কিন্তু সি খন্তেকলৈ। এটা পশুৰ তৰোৱালৰ আঘাতত জয়া ছিটিকি পৰিলগৈ।

ৰাধা আৰু ৰূপহীক প্ৰাণে নেমাৰি কেইটামানে দুয়োৰে সকলো চেষ্টা বিফল কৰি বাহিৰলৈ উলিয়াই নিলে। বাকীবোৰে ঘৰ লুটপাত কৰি শেষত জুই লগাই দিলে। হু-হু শব্দ কৰি জয়াৰ ঘৰ জয়াৰ আধামৰা দেহাটো লৈয়ে জ্বলি উঠিল। কিন্তু সেই শব্দ ভেদ কৰি দূৰৈৰ আন্ধাৰৰ বুকুৰপৰা ৰাধা, ৰূপহীৰ করুণ আৰ্তনাদ, পাষাণৰো অন্তৰ গলি যোৱা বিননি, হিয়া ভগা কান্দোন বতাহত উটি উটি আহিল, আকৌ বতাহতে কঁপি কঁপি মিলি গ'ল।

...বিজুলীৰ গতিত অশোকে লগৰ অশ্বাৰোহী দলটোক লৈ বগাদলঙৰ উত্তৰ থকা বৰটোপ দুটাৰ ওচৰত ৰ'লহি। কিন্তু নিজক প্ৰস্তুত কৰিবলৈ বেছি সময় নেপালে। চাই থাকোতেই শত্ৰুৰ কেইবাটাও দল কেইবাফালৰপৰা আহি ৰঙাআলিত উঠি একেলগেই দলংখন আক্ৰমণ কৰিলেহি।

লগৰ সকলোখিনি মানুহ লৈ অশোকে প্ৰাণপণ চেষ্টা কৰি শত্ৰুক বাধা দিলে। দলঙেৰে সুবিধা নোপোৱাত শত্ৰুৱে এবাৰ নাৱেৰে পাৰ হবলৈ চেষ্টা কৰিও চালে। কিন্তু তাতো সুবিধা নহ'ল, যিহেতু তাৰ বহুত আগতেই দক্ষিণপাৰে থকা সকলো নাও সিপাৰলৈ নি থোৱা হৈছিল।

উপায় নেদেখি শত্ৰুৱে দলটো আৰু শক্তিশালী কৰি পুনৰ ভীষণ বিক্ৰমেৰে দলঙৰেই পাৰ হবলৈ চেষ্টা কৰিলে। আৰু আগতকৈ বহুতখিনি আগুৱায়ো আহিল। শেষলৈ সকলো চেষ্টা কৰিও যেতিয়া অশোকে দেখিলে যে আৰু আশা নাই, তেতিয়া গুপ্তভাৱে চাৰিটা মানুহক দুই নাও বাৰুদ আৰু শিলৰ গুলী কিছুমান লগত দি, শত্ৰুৱে নেদেখাকৈ দলঙখন উৰাই দিবলৈ আদেশ দিলে।

মানুহকেইটাই নিজৰ জীৱন দলঙৰ লগতেই যাব জানিও তৎক্ষণাত তাকে কৰিবলৈ নাৱেৰে লুকাই লুকাই আগুৱাই গ'ল। শত্ৰুৱে সিহঁতক নেদেখিলে, বুজিও নেপালে অশোকৰ উদ্দেশ্য। অলপ অলপ কৰি শত্ৰু আগবাঢ়ি আহিল। অশোকেও ইচ্ছা কৰিয়েই সিহঁতক সেই সুবিধা দি লাহে লাহে পিছুৱাই গ'ল।

Scanned with CamScanner

কিন্তু যি মুহূৰ্তত শত্ৰুৰ দলটোৰ সন্মুখৰ ভাগে ঠাহ খাই আহি দলঙৰ সোঁমাজ পাৰ হৈ আহিল, অশোকেও সংকেত দিলে। লগে লগে কেইবাটাও ভয়ংকৰ শব্দ হ'ল। পাছমুহূৰ্তত দলঙৰ ওপৰত থকা সকলোকে লৈ গোটেই দলঙখনেই দুফাল হৈ পানীত পৰি চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। শত্ৰুৰ অৱস্থা তেতিয়া বৰ্ণনাতীত। অশোকে এই সুযোগতে যিমান পাৰে সিমান অসহায় শত্ৰুৰ ওপৰত বৰটোপ দাগি প্ৰতিশোধ ললে। শত্ৰুৰ যিবোৰ সিপাৰে থকাত প্ৰাণে নমৰিল, সিহঁত হাহাকাৰ কৰি চিঞৰি প্ৰাণলৈ ৰঙাটিলাৰ ফালে পলাবলৈ ধৰিলে।

বগাদলং ধ্বংস কৰি অশোকে যে শত্ৰুৰ বেছিভাগকে বধ কৰি উত্তৰপাৰ ৰক্ষা কৰিলে অকল সেয়ে নহয়, আৰু এজনাকো এই শব্দই ৰক্ষা কৰিছিল।

...চম্পাক ধৰি যেতিয়া মানুহকেইটাই টানি নিছিল, তেতিয়া এই দলং উৰাই দিয়াৰ শব্দই মানুহ দুটাক চম্পাৰ কাষৰপৰা আঁতৰাই নিয়াইছিল। চম্পাই কিন্তু ক'ব পৰা নাছিল সেই শব্দ কিহৰ। কেনৈ বা হৈছিল?

অকল চম্পায়ে নহয়, সেই শব্দ মোৰ কাণলৈকো গৈছিল, কিন্তু মই ভাবিবও পৰা নাছিলো সি কিহৰ শব্দ।

মই তেতিয়া ৰঙাটিলাৰ পশ্চিম দাঁতিয়ে থকা সৰু হাবি এডৰাৰ মাজৰ গছ এডালৰ ওপৰত উঠি ৰঙাটিলাৰ ভিতৰ কোঠাবোৰত কি ঘটিছে তাক চাই আছিলো। গৌৰীকে উদ্ধাৰ কৰিবলৈ আহি যেতিয়া দেখিলো, ৰঙাটিলাৰ ওপৰতল শত্ৰুৰে ভৰা তেতিয়া নিৰুপায় হৈ ওচৰৰ হাবিডৰাত আশ্ৰয় ললোহি। ঘোঁৰাজনীক অলপ দূৰত এৰি আহি লাহে লাহে আন্ধাৰত লুকাই লুকাই চুঁচৰি চুঁচৰি ওচৰৰ ওখ গছ এডালৰ ওপৰত উঠি বহিলোহি। তাৰপৰা ৰঙাটিলাৰ কেইবাটাও কোঠাৰ ভিতৰখন চাকিৰ পোহৰত স্পষ্ট হৈ চকুত পৰিল।

প্ৰধান সেনাপতি, আৰু তাৰ দলপতিবোৰকে আদি কৰি প্ৰায় প্ৰতি কোঠাতে থকা সকলোকে দেখিলো। কিন্তু যিজনাক উদ্ধাৰ কৰিবলৈ আহিলো সেই গৌৰীক ক'তো দেখা নাপালো। ভাবি নাপালো গৌৰী ঘৰটোত আছে নে নাই- নে মই অহাৰ বহুত আগতেই শেষ হৈ গৈছে? কি কৰিম! গৌৰী যদি তাত থাকেও, মৃত হওক, জীৱন্ত হওক, ইমানবোৰ শত্ৰুৰ মাজৰপৰা মই যে কেনেকৈ লৈ আহিম তাৰো একো উপায় বিচাৰি নাপালো। কঁকালত থকা সৰু ছুৰীখনৰ বাহিৰে মই সম্পূৰ্ণ নিৰস্ত্ৰ।

...উমাৰ হাতৰপৰা পানী গিলাচ লবলৈ হাতৰ তৰোৱালখন ওচৰৰ বেৰত

Scanned with CamScanner

আওজাই থৈছিলো। গৌৰীৰ বাতৰি পাই লৰালৰিত দুৰ্ভাৱনাতে তাক পুনৰ তুলি লবলৈ পাহৰি নিৰস্ত্ৰ হৈয়ে এইখিনি পালোহি। তথাপি এবাৰো নিজৰ জীৱনৰ কাৰণে এতিয়া ভবা নাই; ভাবিছো কেনেকৈ গৌৰীক জীৱিত অৱস্থাত নিৰাপদ ঠাইলৈ লৈ যাব পাৰো।

ঘৰটোৰ ক'তো গৌৰীক দেখা নাই। সেইফালে চাওঁতে চাওঁতে চকু বিষাই উঠিছে; ঘৰৰ ভিতৰৰ-বাহিৰৰ প্ৰত্যেকটো মানুহেই মাতাল হৈ উঠিছে। এটা কোঠাত দেখিলো প্ৰধান সেনাপতিয়ে লগত এজাকক লৈ মদৰ ভাণ্ডাৰ সন্মুখত খুলি লৈ আনন্দত মত্ত। কোঠাটোত খুব কমেও ত্ৰিছ-চল্লিছটামান মানুহ। বোধকৰো আটাইবোৰেই সেনাপতিৰ প্ৰধান প্ৰধান সহকাৰী। সিহঁতৰ সোঁমাজত, ওখ আসনত বহি সেনাপতি নিজে। ওচৰৰ দূৰৰ প্ৰায় সকলোবোৰ কোঠাই সেই একেভাৱেই মানুহৰে ঠাহ খোৱা। সকলোবোৰেই মাতাল হৈ আনন্দ উৎসৱত কোঢ়াল কৰি চিঞৰিছে, হাঁহিছে, গান গাইছে আৰু বাটিয়ে বাটিয়ে মদ গিলিছে। চাৰিওফালে সেই একে দৃশ্য। মাথোঁ মাজে মাজে দুই-এটা কোঠা তেতিয়াও আন্ধাৰ।

ঘূৰি ঘূৰি মোৰ চকু দুটা সেনাপতি থকা কোঠাটোলৈকে গৈছে। সন্দেহ হৈছে গৌৰী যদি জীয়াই আছে আৰু সেইখন ঘৰতে আছে তেন্তে নিশ্চয় তাতেই গৌৰীক দেখা পাম। এটা মুহূৰ্তও অথলে যাবলৈ নিদি আনকি চকুৰ পিৰিকটিও নেপেলোৱাকৈ সেইফালেই চাই আছো।

গছৰ ডালত বহি কিমানপৰ যে সেই অৱস্থাত আছিলো ক'ব নোৱাৰো। একো ধাৰণাও নাই। কিন্তু এবাৰ হঠাৎ চকু গ'ল, সেনাপতি বহা কোঠাটোৰ ঠিক পোনে পোনে ওপৰ মহলাত যিটো কোঠা আছে তালৈ।

...কোঠাটো ইমানপৰ আন্ধাৰ আছিল। এতিয়া হঠাৎ পোহৰ হৈ উঠিল। ভালকৈ চাই দেখিলো দুৱাৰেদি দুটা মানুহ সোমাই আহিছে। সিহঁতৰ এটাৰ হাতত এটা চাকি, আনটোৰ হাতত পাত্ৰ এটা। খন্তেকলৈ দুয়ো হয়তো কিবা গৱেষণা কৰিলে। তাৰ পাছত এটাই পাত্ৰত যি আছিল তাকেই চল চলকৈ মজিয়ালৈ ছটিয়াইছে।

Scanned with CamScanner

গৌৰী মজিয়াত মৰাৰ দৰেই পৰি আছে। সিহঁতে গৌৰীৰ মুখত সেয়া পানী ছটিয়াইছে। দেখিয়েই বুজিলো গৌৰী সম্ভৱত এতিয়াও মৰা নাই। কিন্তু সিহঁতে গৌৰীক লৈ কি কৰিব?

ভালেমান বেলিৰ মূৰত গৌৰীয়ে জীয়াই থকাৰ চিন দেখুৱালে। লাহে লাহে চকু মেলি চাৰিওফালে এবাৰ চাই মানুহ দুটাক দেখিয়েই জঁাপ মাৰি উঠিব খুজিছিল কিন্তু সিহঁতহালে দুফালৰপৰা দুয়ো গৌৰীৰ হাতত ধৰি পেলালে।

অলপ সময়লৈ গৌৰীয়ে মুক্ত হবলৈ চেষ্টা কৰিছিল কিন্তু শেষত ভাগৰি নিজক সিহঁতৰ হাতত সমৰ্পণ কৰিবলৈ বাধ্য হ'ল। বুজিলো, অজ্ঞান হৈ পৰি থকাত গৌৰী দুৰ্বল হৈ পৰিছে। অলপ পাছতে মানুহহালে গৌৰীক ধৰি লৈ কোঠাৰপৰা ওলাই গ'ল। পাছমুহূৰ্ততে কোঠাটো আগৰ দৰেই আকৌ আন্ধাৰ হৈ উঠিল। মই চাই থাকোতেই সকলো ঘটিল। শেষত যিবা গৌৰীক দেখিলো, সিও এনেভাৱেই শেষ হৈ গ'ল।

ভালকৈ ধৰিব নোৱাৰিলো মই সপোন দেখিছোনে প্ৰকৃততে সেই সকলো সঁচা? মোৰ অৱস্থা শোচনীয় হৈ উঠিছে। কি কৰিম মই? কি কৰিব পাৰো? ডিঙি শুকাই কাঠ হৈ গৈছে। গছজোপাৰ লগত কিহবাই যেন মোক বান্ধিহে থৈছে। চেষ্টা কৰিও হাত-ভৰি লৰাব পৰা নাই। জ্ঞান, বিবেক, বুদ্ধি সকলো হেৰুৱাই মাথোঁ চাই আছো সেইফালে।

কিছু সময়ৰ মূৰত আকৌ চকু গ'ল সেনাপতিৰ কোঠালৈ। তাৰ দুৱাৰমুখত মানুহ দুটাৰে সৈতে পুনৰ গৌৰীক দেখিলো। সিহঁতে গৌৰীক আনি সেনাপতিৰ সন্মুখত থিয় কৰাই দিলেহি।

বহাৰপৰা উঠি সেনাপতিয়ে গৌৰীৰ ওচৰলৈ গৈ নাটকীয় ভংগীৰে গৌৰীৰ থুঁতৰিটোত ধৰি মুখখন তুলি চাই বিকট শব্দেৰে এবাৰ হাঁহি উঠিল। গাটো শিৰ শিৰ কৰি গ'ল। আক্ৰোশত ওঁঠ দুটা কামুৰি ধৰিলো। গৌৰী কিন্তু পাষাণ প্ৰতিমাৰ দৰে নিৰ্বাক, নিশ্চল। এবাৰো নিচিঞৰিলে, অলপো বিদ্ৰোহ নকৰিলে, কিন্তু চকুৰ পচাৰতে সেনাপতিৰ কঁকালত ওলমি থকা অস্ত্ৰপাট কাঢ়ি আনি নিজক নে সেনাপতিক বধ কৰিব বিচাৰিছিল ক'ব নোৱাৰিলো। কিন্তু গৌৰীৰ উদ্দেশ্য সিদ্ধি নহ'ল। অস্ত্ৰ ব্যৱহাৰ কৰাৰ আগতেই সেনাপতিয়ে থাপ মাৰি তাক হাতৰপৰা কাঢ়ি নি পুনৰ দগুণ শব্দ কৰি হাঁহি উঠিল। লগতে বাকীবোৰেও যোগ দিলে যেন সিহঁতে দৃশ্যটো বেছ উপভোগ কৰিছে, কিন্তু সি খন্তেকলৈ- পাছমুহূৰ্তত

Scanned with CamScanner

গৌৰীয়ে যিটো কাম কৰিলে, তাৰ কাৰণে সিহঁত কোনো প্ৰস্তুত নাছিল। নিৰুপায়, নিঃসহায় গৌৰীয়ে হাঁহি থকা সেনাপতিৰ গালত গাৰ সকলো শক্তিৰে চৰ এটা মাৰি সকলোৰে হাঁহি নিমিষতে বন্ধ কৰি দিলে।

এনে ঘটনা সিহঁতে কোনোকালে বোধকৰো দেখা নাছিল, এবাৰ ভবাও নাছিল দেখিব বুলি। নিজৰ তলতীয়াবোৰৰ সন্মুখত সেনাপতিক এনে ধৰণে অপমান বোধকৰো কোনেও কেতিয়াও কৰা নাই। খন্তেক স্তব্ধ হৈ থাকি পাছমুহূৰ্ততে গৰ্জন কৰি সেনাপতিয়ে হাতৰ অস্ত্ৰপাট তুলি ললে গৌৰীক শেষ কৰি দিবলৈ। ভয়ত অন্তৰাত্মা শুকাই গ'ল। গৌৰীৰ মুখত কিন্তু ভয়ৰ ক্ষুদ্ৰতমো নেদেখিলো। এবাৰ নকঁপিল- এখোজো আঁতৰিও নগ'ল।

ভাবিছিলো বৰ্বৰটোৱে গৌৰীক বধ কৰিব, কিন্তু নকৰিলে। সি বুজিছে এনে সুন্দৰ প্ৰাণী এটিক এনেভাৱে শেষ কৰি দিয়াটো মূৰ্খামি...

...তাৰ পাছত সি গৌৰীক লৈ কি কৰিলেহেঁতেন ক'ব নোৱাৰি, কিন্তু চিঞৰ-বাখৰ কৰি এজাক মানুহ কোঠালৈ সোমাই অহাত সেনাপতিয়ে গৌৰীক এৰি সিহঁতলৈ ঘূৰি চালে। অলপ হয়তো কথা হ'ল; আকৌ সেনাপতিয়ে বজ্ৰহুংকাৰে আদেশ কৰিলে, দেখিলো, গৌৰীক অনা মানুহ দুটাই পুনৰ গৌৰীক লগত লৈ কোঠাৰপৰা ওলাই গ'ল। ভাবি নাপালো এইবাৰ গৌৰীক লগত লৈ সিহঁতে কি কৰিব? সন্দেহ হ'ল, হয়তো আকৌ ওপৰৰ কোঠালৈকে গৌৰীক ওভোতাই আনিব। কিন্তু নানিলে।

বহুত সময় অপেক্ষা কৰিও কি গৌৰী কি মানুহ, দুটাৰ এটাকো আৰু এবাৰলৈকে নেদেখিলো। ক'লৈ নিলে? ইফালে সেনাপতিৰ কোঠালৈ মানুহ আহিয়েই আছে। সিহঁতৰ মুখত উৎকণ্ঠাৰ ভাব দেখি বুজিছো কিবা এটা ঘটিছে। সকলো মানুহেই উদ্বেগ-উত্তেজনাত ব্যস্ত। কিহৰ কাৰণে তাক সিহঁতেই জানে। মোৰ কিন্তু চকু দুটা ঘৰৰ আনফালে আন্ধাৰ আৰু পোহৰ হৈ থকা কোঠাবোৰত ঘূৰিছে। বাৰে বাৰে একেটাই প্ৰশ্ন মনলৈ আহিছে, 'গৌৰীক ক'লৈ নিলে?'

শেষলৈ নিজক আৰু থিৰেৰে ৰাখিব নোৱাৰি ঘৰৰ আন দাঁতিবোৰ চাবৰ কাৰণে গছৰপৰা লাহে লাহে নামিবলৈ যো-জা কৰিলো। ঠিক সেই মুহূৰ্ততে এদাঁতিৰপৰা আকৌ অলপ পোহৰ আহি চকুত পৰিলহি। চাই দেখিলো ঘৰৰ একেবাৰে এটা চুকত, তিনি মহলাৰ ওপৰত থকা কোঠা এটাৰ দুৱাৰ এখন মেল খাই গ'ল। সি ইমানপৰ আন্ধাৰ হৈ আছিল। এতিয়া পোহৰত দেখিলো মানুহ

দুটাই গৌৰীক আনি কোঠাৰ ভিতৰলৈ ঠেলা মাৰি সুমুৱাই দিলে। তাৰ পাছত দুৱাৰখন বন্ধ কৰি এটাই চাকিটো লৈ গুচি গ'ল, আনটোৱে দুৱাৰমুখত পহৰা দি ৰ'ল।

গৌৰীক বন্দি কৰি থোৱা কোঠাটো ভালকৈ চাই দেখিলো কোঠাঠোত এখনো খিৰিকী নাই। মাত্ৰ মোৰ সোঁহাতৰ ফালে থকা বেৰখনত জোনটোৰ সমান সৰু এটা গোল কুন্দ্ৰাক্ষ। মোৰ মুখামুখিকৈ আছে কোঠাটোৰ দুৱাৰখন, তাৰ সন্মুখত বাৰাণ্ডা। কোঠালৈ সোমোৱা সেই দুৱাৰেই হয়তো একমাত্ৰ পথ। ভিতৰফালে আন দুৱাৰ আছে যদিও মই ক'ব নোৱাৰো। মোৰ সোঁহাতলৈ থকা গোটেই ঘৰটোৰ সম্পূৰ্ণ বেৰখনেই দেখিলো মাটিৰপৰা একেবাৰেই ঘৰৰ মূধচলৈকে সমানে ইটাৰে গঁথা। এখন খিৰিকী বা দুৱাৰ ক'তো নেদেখিলো। ঘৰৰ বাহিৰতো সেই দাঁতিত কোনো মানুহ-দুনুহো চকুত নপৰিল। কিন্তু কি হ'ব, থিয় বেৰখনেৰে বগাই চাৰি হাত ওপৰলৈ উঠাই অসম্ভৱ। ক'তো ধৰিবলৈ সামান্য এটা খোপনিও নাই। সোমাবলৈ হ'লে কোঠাৰ সেই দুৱাৰেই একমাত্ৰ পথ।

অলপ চিন্তা কৰিলো কি কৰা যায়। সিহঁতে যে বহুত সময়লৈকে গৌৰীক সেই কোঠাত ৰাখিব ভৰসা কৰিব নোৱাৰিলো। মানুহবোৰে তেনেদৰে সেনাপতিক ব্যাঘাত নকৰা হ'লে হয়তো গৌৰীক কেতিয়াও আঁতৰাই নপঠিয়ালেহেঁতেন। সময় নাই অথচ ভাবি এটা বুদ্ধিও উলিয়াব পৰা নাই। ভাবিলো, কোনো উপায়েৰে ওপৰলৈ গৈ মুখামুখি মানুহটোক আক্ৰমণ কৰি হয়তো মাৰিব পাৰিম, কিন্তু সি যদি চিঞৰি সকলোকে জনাই দিয়ে? তেতিয়া যে গৌৰীক বচোৱা সকলো আশাই লুপ্ত হৈ যাব। তাৰ উপৰিও ঘৰৰ ওপৰলৈকে বা যাওঁ কেনেকৈ?

খন্তেক চিন্তা কৰি অলপ আশা হ'ল। গছৰপৰা লৰালৰিকৈ নামি লৰ দিলো হাবিৰ মাজলৈ, য'ত মোৰ ঘোঁৰাজনী এৰি আহিছিলো। তাইৰ পিঠিৰ জীন্‌খনৰ তলৰপৰা সেই পুৰণা পঘাডাল উলিয়াই ললো। এনে এডাল পঘাৰেই এদিন গৌৰীক ম'হৰ আগৰপৰা ৰক্ষা কৰিছিলো।

পঘাডাল আনি ঘৰটোৰ যি দাঁতিত মানুহ-দুনুহ নাই সেই দাঁতিলৈ চুঁচৰি চুঁচৰি আগবাঢ়িলো। কিন্তু ঘৰৰ বেৰখনৰ ওপৰলৈ চাই বুজিলো আজি পঘাডাল একো কামতেই নাহে।

গোটেই বেৰখন ইমূৰৰপৰা সিমূৰলৈ আন্ধাৰত ডুবি আছে। মাথোঁ বহুত ওপৰত গৌৰীৰ কোঠাৰ সেই সৰু কুন্দ্ৰাক্ষটোৰ অস্তিত্ব আন্ধাৰতো চকুত পৰিল। কিন্তু সেই ফুটাটোৰ পৰিৱৰ্তে তাত বিৰাট এখন খোলা দুৱাৰ থকা হ'লেও তালৈ যাবলৈ

Scanned with CamScanner

কোনো সুবিধা কোনোফালেই নেদেখিলো। নিৰুপায় হৈ বেৰৰ দাঁতিয়ে দাঁতিয়ে আগবাঢ়ি গৈ একেবাৰে সিমূৰত ওলালোগৈ। তাৰপৰা লুকাই চাই দেখো, সিদাঁতিয়ে মানুহ। একুৰা জুই ধৰি তাৰ চাৰিওদাঁতিয়ে বহি লৈ সিহঁতে আমোদ-আনন্দত মত্ত।

সিহঁতৰ ওচৰতে ঘৰৰ আনটো দাঁতিৰ বেৰখনৰ গাতে লাগি আছে বৰ এডাল ওখ আম গছ। এটা উপায় পালো। যদি কোনোৰকমে সিহঁতে নেদেখাকৈ গছৰ আগলৈ উঠিব পাৰে তেন্তে হয়তো ঘৰৰ চালৰ ওপৰে ওপৰে গৌৰী থকা কোঠাৰ ফালে যোৱাৰ এটা সুবিধা হ'ব পাৰে, যদিও সেইখিনিৰেপৰা গৌৰীৰ কোঠাটো খুব কমেও ত্ৰিছ-চল্লিছ হাত আঁতৰত।

পিছমুহূৰ্তত আৰু সময় নষ্ট নকৰি, এবাৰ চালৰ ওপৰৰপৰা যে কেনেকৈ গৌৰীৰ কোঠাত সোমাম, পহৰা দি থকা মানুহটোক লৈয়ে বা কি কৰিম সেইবোৰ একো নভবাকৈয়ে গছডালৰ ছাঁই ছাঁই এখুজি-দুখুজিকৈ অতি সাৱধানে আগবাঢ়িলো।

যিটো কাম কৰিছো তাৰ গুৰুত্বৰ কথা ভবা হ'লে হয়তো একোকে কৰিব নোৱাৰিলোহেঁতেন। কোনোবাই মুহূৰ্তলৈ মোক দেখিলেই কপালত কি আছে তাক ভালকৈয়ে জানো। মইতো শেষ হমেই, লগে লগে গৌৰীও শেষ হৈ যাব।

মোৰ প্ৰতিটো খোজতে নিৰ্ভৰ কৰিছে আমাৰ দুয়োৰে জীৱন- ক'ৰবাত এচুলিমান ভুল হৈ গ'লেই নিশ্চিত মৃত্যু। মোৰ বুকুৰ মাজত যে তেতিয়া কি প্ৰলয় চলিছে তাক একমাত্ৰ ভগৱানেই জানে।

...অশেষ পৰিশ্ৰমৰ মূৰত গছৰ ওচৰ পাই অলপো শব্দ নকৰাকৈ লাহে লাহে অলপ অলপকৈ ওপৰলৈ উঠি গলো। এটা এটা মুহূৰ্ত মনতে এটা এটা যুগ যেন লাগিছে। আশা কৰা নাছিলো যে কেতিয়াবা মই গছৰ আগ পাই ঘৰৰ চালৰ ওপৰত উঠিব পাৰিম। কিন্তু শেষত, এসময়ত গছৰপৰা লাহেকৈ জাঁপ এটা মাৰি তিনি মহলাৰ ওপৰত থকা ঘৰৰ চালত উঠিলোগৈ। মোৰ মূৰৰ ওপৰত তৰাৰে ভৰা ৰাতিৰ নীলা আকাশ। তলৰ পৃথিৱীৰ চৌদিশে কেৱল ৰঙা জুই।

...চালখন সমতল নহয়, ওখ-চাপৰ আৰু দাঁতিবোৰ তললৈ হাউলি থকা। অলপ অসাৱধান হলেই একেবাৰে ত্ৰিছ হাত তলত পৰিমগৈ।

অলপ জিৰাই লৈ আৰম্ভ কৰিলো মোৰ যাত্ৰা। অতি সাৱধানে বহুত কষ্ট, বহুত পৰিশ্ৰমৰ মূৰত আহি ঠিক গৌৰীৰ কোঠাৰ ওপৰ পালোহি। তাৰপৰা চালৰ একেবাৰে দাঁতিলৈ পেট পেলাই চুঁচৰি আহি অলপকৈ মুখখন উলিয়াই এবাৰ বাৰাণ্ডাখন চাই ললো। প্ৰহৰীটোৱে মোৰফালে পিঠি দি মদৰ নিচাত প্ৰায় বেহুঁচ।

Scanned with CamScanner

কিন্তু বেছ বুজিলো সি শোৱা নাই। কোনোফালে অলপো সুবিধা নেদেখি এবাৰ মৰণত শৰণ দি, কঁকালৰ ছুৰীখন দাঁতেৰে কামুৰি লৈ, চালৰ দাঁতিটোত দুয়ো হাতেৰে টান মুঠিত ধৰি নিঃশব্দে শূন্যত ওলমি পৰিলো।

তাৰপৰা তলৰ মাটি নেদেখি- যদি কেনেবাকৈ হাতৰ মুঠিৰ আঙুলিবোৰে পিছলি আহে তেতিয়া যে কি হ'ব ভাবি শিঁয়ৰি উঠিলো। মানুহটোলৈ চালো- সি তেতিয়ালৈকে ক'ব নোৱাৰে যে তাৰ কেইহাতমান আঁতৰতে মই চালৰ দাঁতিত ওলমি আছো। ভৰি থৰলৈ ক'তো খোপনি নেপাই সকলো শক্তিৰে দুবাৰমান দোলনা খেলা দি শৰীৰটোক অগা-পিচা কৰি শেষত হাত দুখন এৰি দিলো। মোৰ ভাগ্য ভাল- মানুহটোৰ পৰিবৰ্তে মোৰ ভৰিৰপৰা জোতা এপাট ওলাই শূন্যলৈ ছিটিকি গ'ল। আৰু মই কথমপিহে বাৰাণ্ডাৰ এদাঁতিত ৰলোহি। পাছমুহূৰ্তত মানুহটোৱে ঘূৰি চোৱাৰ আগতেই তাৰ ওপৰত জঁপিয়াই পৰি এহাতে মুখত সোপা দি আন হাতেৰে অস্ত্ৰপাট লৈ তাৰ পিঠিত সুমুৱাই একেবাৰে কঁকাললৈকে ফালি দিলো। সি আনকি ছটফট্ কৰিবলৈকো সময় নাপালে।

ময়ো সময় নষ্ট নকৰি কোঠাটোলৈ তাক চোঁচৰাই আনিলো। ভিতৰত গৌৰীয়ে মোক দেখিয়েই চিঞৰি উঠিছিল, অতি কষ্টেৰে গৌৰীৰ মুখত সোপা দিহে তাক ওলোৱাৰ আগতেই বন্ধ কৰিলো।

গৌৰীয়ে মোক সাবটি ধৰিলে। বাধা দি লৰালৰিকৈ মানুহটোৰ গাৰ দীঘল চোলাটো খুলি নিজে পিন্ধি ললো। তাৰ মূৰৰ টুপীটোও পিন্ধি তাক কোঠাৰ এটা চুকলৈ ঠেলি থৈ গৌৰীৰ হাতত ধৰি আকৌ কোঠাৰ বাহিৰলৈ ওলাই আহিলো। কিন্তু কোনফালে যাম? এটাও বাট নাই। বাৰাণ্ডাখনৰ আগছোৱা আন আন কোঠাবোৰত মিলিছেগৈ।

লাহে লাহে তাৰেই আগুৱাই গৈ ভয়ে ভয়ে এটা আন্ধাৰ কোঠাত সোমাই পৰিলো। গৌৰীক সুধি, নিজে বিবেচনা কৰি আৰু মান আন আন্ধাৰ হৈ থকা কোঠাবোৰত মাজে মাজে বহুত সময় ঘূৰিলো। প্ৰতি খোজতে ভয়, কোন মুহূৰ্তত যে সিহঁতৰ মুখৰ আগতে পৰোগৈ ক'ব নোৱাৰি।

বহুত কষ্টৰ মূৰত অশেষ পৰিশ্ৰম কৰি কোনোমতে শেষত দ্বিতীয় মহলালৈকে নামিলো। কিন্তু তাৰপৰা আৰু তললৈ নামিবৰ উপায় নাই।

তললৈ নামিব পৰা প্ৰত্যেকটো ছিৰিৰ কাষৰ কোঠাবোৰ মানুহেৰে ভৰা। আন্ধাৰ কোঠাবোৰৰ মাজে মাজে আকৌ বহুত বেলি জীৱটো চুলিৰ আগত বান্ধিলৈ ঘূৰিলো।

Scanned with CamScanner

কিছু সময়ৰ পাছত এবাৰ গৌৰীয়ে এটা কোঠা দেখুৱাই ক'লে— "যদি তালৈ যাব পাৰো তেন্তে হয়তো এটা উপায় ওলাব পাৰে। ...কিন্তু কেনেকৈ যাওঁ? আমি থকা কোঠাটোৰপৰা সেই কোঠাটোৰ মাজত বহল এখন বাৰাণ্ডা। তাৰ মাজে মাজে যে মানুহ অহা-যোৱা কৰি আছে স্পষ্ট শুনিছো।"

তথাপি ভালেমান সময় কাণ থিয় কৰি এবাৰ মানুহ-দুনুহ অহাৰ একো শব্দ নুশুনি লাহেকৈ কোঠাৰ দুৱাৰখন সামান্য খুলি অলপকৈ মূৰটো উলিয়াই বাহিৰলৈ চালো। দেখিলো, বাৰাণ্ডাখনৰ এমূৰে কোনো নাই; আনটো মূৰত দুটা মানুহে কথা পাতি আছে। তাৰে এটাৰ মুখ আমাৰ ফালে। দ্বিতীয়টোৱে পিঠি দি আছে। যদিও সিহঁত দুটা কিছু দূৰত, তথাপি পাৰ হ'বলৈ গ'লে এইফালে মুখ কৰি থকাটোৱে আমাক নিশ্চয় দেখিব। কিন্তু পাৰ হ'লোৱেই যেনিবা তাৰ পাছত? সেই কোঠাত গৌৰীয়ে কি উপায় দিব তাক গৌৰীয়েই জানে। তেও, আশা হ'ল এইটো গৌৰীৰে ঘৰ। ইয়াৰপৰা এটা বাট জানোচা গৌৰীয়ে বিচাৰি পায়েই। কিন্তু যদি নোৱাৰে? আৰু যদি মানুহ দুটাই আমাক দেখা পায় তেতিয়াতো সকলো আশাই শেষ হৈ যাব। অথচ সময়ো নাই... যি থাকে কপালত। সেই কোঠালৈকে যোৱাটো ঠিক কৰিলো। এনেও মৰিব লাগিব তেনেও মৰিব লাগিব। এই ঘৰৰপৰা দুয়ো যে কেতিয়াবা মুক্তি পাম তাৰ আশা ক্ৰমাৎ কমি আহিছে।

আকৌ এবাৰ সাৱধানে বাৰাণ্ডাখন চাই লৈ গৌৰীৰ হাত ধৰি নিঃশব্দে আগবাঢ়িলো। কোঠাৰ ওচৰ পোৱালৈকে সিহঁতে আমাক দেখা নাছিল, কিন্তু শেষ মুহূৰ্তত এটাৰ চকু মোৰ ওপৰত পৰিল। সি কথা বন্ধ কৰি আনটোক কোৱাৰ আগতেই আমি নতুন কোঠাৰ ভিতৰ সোমায়েই দুৱাৰখন জপাই দিলো।

কোঠাৰ ভিতৰখন এবাৰ চায়েই কিন্তু মোৰ মূৰ ঘূৰি গ'ল। কোনোফালে কি খিৰিকী কি দুৱাৰ একো নাই। এয়া গৌৰীয়ে ক'লৈ আনিলে? অথচ মানুহ দুটাই যে ইয়াত আমাক বিচাৰি আহিব তাত কোনো সন্দেহ নাই।

দুৰ্ভাৱনাত মই কঁপিছো। গৌৰীয়ে কিন্তু হতাশ নহৈ এদাঁতিৰ বেৰাখনত কিবা বিচাৰি ফুৰিছে।

...অলপ পাছতে 'খুট'কৈ এটা শব্দ হ'ল। লগে লগে বেৰৰে এটা অংশ ফাঁক হৈ গ'ল। সেইফালে যে এনে এটা গুপ্ত পথ থাকিব পাৰে সপোনতো ভবা নাছিলো। গৌৰীয়ে লৰালৰিকৈ মোক সেইফালে সোমাবলৈ কৈ নিজেও সোমাই পৰিল। ময়ো বেলি নকৰিলো, কাৰণ বাৰাণ্ডাৰে কোনোবা এইফালে অহাৰ শব্দ আহিছে। মই

Scanned with CamScanner

সোমোৱাৰ পাছতেই খন্তেকো অপেক্ষা নকৰি গৌৰীয়ে কৌশলেৰে পুনৰ বাটটো বন্ধ কৰি দিলে। 'খুট'কৈ আকৌ এবাৰ শব্দ হ'ল, কিন্তু সি গুপ্ত দুৱাৰ বন্ধ হৈ যোৱাৰ নে আনখন খোলাৰ তাকহে ধৰিব নোৱাৰিলো।

আমি এৰি অহা কোঠাটোত এতিয়া সেই মানুহ দুটাৰ কথা শুনিছো। এটাই আনটোক ডবিয়াইছে। বোধকৰো মদৰ নিচাত সি আমাক দেখা বুলি ভ্রম কৰি অবাবতে তাক মাতি আনিছিল।

ভালেমান সময়লৈ আমি দুয়ো মনে মনে ঘোপমৰা আন্ধাৰতে বহি ৰলো। অলপ পাছতে মানুহ দুটা গ'লগৈ। আমিও উঠিলো-গৌৰী মোৰ আগে আগে বাট বিচাৰি বিচাৰি খেপিয়াই খেপিয়াই খট্‌খটি এটাৰে তললৈ নামি গৈছে; মই ঠিক পাছে পাছে ক'লৈ গৈছো নাজানো। কোনোফালেই অলপো পোহৰ নাই, বতাহ নাই, চাৰিওফালে ভেঁকুৰা গোন্ধ;-মোৰ অৱস্থা একেবাৰে শোচনীয় হৈ উঠিছে, গাটো ঘামিছে। ভয়ত নে গৰমত নে দুৰ্ভাৱনাত তাকো ক'ব নোৱাৰো।

সেই অন্ধকূপ পাতালপুৰীৰ ৰাজবাটেদি লৈ গৈ গৌৰীয়ে যে কোনবিধ মুক্তিৰ সন্ধান দিব ভাবি পোৱা নাই। এহাত দূৰতনো কি আছে ভালকৈ দেখা নাই। মাথোঁ চাৰিওফালেই আন্ধাৰ-ঘোপ মৰা আন্ধাৰ। এই সকলোৰে মাজত একমাত্ৰ পোহৰ দেখিছো গৌৰীৰ চকু দুটাত। আন্ধাৰৰ বুকুত সি আৰু জিলিকিছে।

"উস্‌..." মোৰ সন্মুখৰ বাট পোহৰাই দিব পৰা শক্তি কিন্তু গৌৰীৰ চকুৰ জিলিকনিত নাই। এখন ভৰিৰ পাদুকাপাত আগতেই হেৰাইছিল। কিহবাত উজুতি খাই বোধকৰো নখটো ছিঙি গ'ল। দুবাৰ পৰিলো, এবাৰ মকৰাৰ জালৰ মাজত মুখখন পোত খাই গ'ল। যুঁজৰ ঠাইতো এনে বিলৈ মোৰ হোৱা নাছিল। খঙত, বিৰক্তিত কাকো দূষিব নোৱাৰি পাৰো মানে নিজকে মৰিবলৈ শাও দিছো আৰু খুন্দা-খুন্দলি খাই আগবাঢ়িছো।

মোৰ অৱস্থা দেখি গৌৰীয়ে সংযত কৰিব নোৱাৰি, এবাৰ মই লুটি খাই পৰাৰ লগে লগেই খুক-খুককৈ হাঁহি উঠিল।

প্রতি মুহূর্ত যাৰ সন্মুখত মৃত্যুৰ আশংকা, সি যে কেনেকৈ এইদৰে হাঁহিব পাৰে ভাবি আচৰিত হৈ থমকি ৰলো। গৌৰীয়ে মোৰ মনৰ ভাব বুজি আৰু একো শব্দ নকৰিলে- নাহাঁহিলেও; মাথোঁ এইবাৰ ওচৰলৈ আহি হাতত ধৰি লৈ আকৌ খোজ ললে।

কিছু সময়ৰ মূৰত ধাৰণা হ'ল যেন কোনোবা ফালৰপৰা চেঁচা বতাহ আহি

Scanned with CamScanner

মুখত লাগিছে। অলপ অলপ চকুৰেও যেন মনিব পৰা হৈছো। খন্তেক পাছতে সন্মুখৰ অস্পষ্ট পোহৰ চকুত পৰিলেহি। চাৰিওফালে চকু ফুৰাই চাই দেখো, আমি তেতিয়া এটা কোঠাৰ মাজত। কোঠাটোৰ তলখন ভালেমান কাঠৰ বাকচেৰে ভৰা। সেইবোৰৰ ওচৰত বহুত বৰটোপত ব্যৱহাৰ কৰা সৰু-বৰ শিলৰ গুলী।

বুজিলো বাকচবোৰ বাৰুদৰ। কিন্তু মানুহ থকা ঘৰৰ তলত যে কোনোবাই এনেকৈ বাৰুদ থব পাৰে কল্পনাও কৰা নাছিলো। বাকচৰ সংখ্যা দেখি শিয়ঁৰি উঠিলো। তাৰে এটামানত যদিহে কেনেবাকৈ অসাৱধানত জুই লাগে, তেনেহ'লে ৰঙাটিলাৰ এছপৰা ইটাও আৰু কোনেও দেখা নেপাব। আচৰিত হৈ সুধিলো—"এনে মতিভ্ৰম কাৰ হৈছিল যে এইবোৰ ইয়াত থোৱাবলৈ অলপো সঙ্কোচ নকৰিলে? মানুহ যে ইমান অসাৱধান, মূৰ্খ হ'ব পাৰে ভবা নাছিলো।..."

যিটো বৰ্তমান তাক নাভাবি ভাবিছো যিটো হ'লহেঁতেন। গৌৰীয়ে এছাৰ মাৰি হাতখন মোৰ হাতৰপৰা আঁতৰাই নিয়াত বুজিলো এই কীৰ্তি গৌৰীৰ। বোধকৰো মূৰ্খ বোলাত গৌৰীয়ে সহ্য কৰিব পৰা নাই। বিদ্ৰূপ কৰিয়েই ক'লে "...বাৰুদৰ ভঁৰালঘৰ ভৰি যোৱাত ঠাইৰ অভাৱ হৈছিল, সেই দেখিয়েই মই ইয়াত থবলৈ আদেশ দিছিলো। ...অৱশ্যে বাহিৰত সকলোৰে পোৱাকৈ পেলাই থোৱাই যদি বেছি বুদ্ধিমানৰ কাম হ'লহেঁতেন ক'ব নোৱাৰো।"

মুখেৰে মাতিবৰ আগ্ৰহ নহ'ল। এয়া তৰ্ক কৰিবৰ সময় নহয়। ...তাৰপৰা ওলোৱাৰ বাট পাওঁ বুলি অলপ ইফালে সিফালে ঘূৰি চালো। কোঠাটোত থকা একমাত্ৰ সৰু বিন্ধা এটাৰে আন এটা কোঠালৈ যাব পাৰি। ভালকৈ চাই লৈ সেইফালেই আগবাঢ়ি গলো।

নতুন কোঠাৰ চাৰিওফালে বিচাৰি বিচাৰি এঠাইত সৰু এখন গুপ্ত দুৱাৰ পাই তাৰ ফাঁকেৰে তীক্ষ্ণভাৱে কেউফালে চাই দেখো, বাহিৰত ৰঙাটিলাৰ উন্মুক্ত প্ৰাঙ্গণ! আমাৰ ওচৰৰপৰা কিছু দূৰৈত ঘোঁৰা-শাল। তাত কেইবাখনো শত্ৰুৰ ঘোঁৰাগাড়ী। ঘোঁৰাবোৰকো আনকি গাড়ীৰপৰা খুলি থোৱা নাই। আনফালে বহুত দূৰৈত ৰঙাআলিৰ পদূলিমূৰ।

ভাবিলো তাৰে যদি এখন গাড়ী পাওঁ...! কিন্তু গাড়ীবোৰৰপৰা অলপ দূৰৈত আৰু প্ৰায় চাৰিওফালেই জুমে জুমে শত্ৰুৰ দল ইফালে সিফালে সিঁচৰতি হৈ আনন্দ-উৎসৱত মতলীয়া। -তথাপি ঠিক কৰিলো এইটোৱেই একমাত্ৰ পথ। যদি পাৰো এইফালেই যাব লাগিব, নহ'লে এই অন্ধকূপতেই হ'ব আমাৰ জীৱন্ত সমাধি।

Scanned with CamScanner

লৰালৰিকৈ গৌৰীৰ ওচৰলৈ উভতি আহি দেখো, গৌৰী তেনেকৈয়ে থিয় দি আছে। মুখলৈ চোৱাত গৌৰীয়ে আনফালে মুখ ঘূৰালে। এতিয়াও অভিমান যোৱা নাই। ধৰো-নধৰোকৈ গৌৰীৰ হাতত ধৰিলো। মুখেৰে মতাতকৈ এইটোৱেই সহজ উপায়।

তাৰ পাছত গৌৰীক লগত লৈ আকৌ সেই গুপ্ত দুৱাৰৰ ফালে আগবাঢ়ি গলো। কিন্তু আধাবাটৰপৰা হঠাৎ উৎফুল্ল হৈ পুনৰ ঘূৰি আহি বাৰুদৰ বাকচবোৰৰ ওচৰ পালোহি। এটা বুদ্ধি মগজত খেলালে ঃ সকলো গ'ল, ৰঙাটিলানো আৰু কাৰ কাৰণে? প্ৰায় গোটেই শত্ৰুৰ দলটো ৰঙাটিলাৰ ভিতৰত আনন্দত মত্ত। যদি একেটা আঘাততে সিহঁতক সকলোকে শেষ কৰিব পাৰো, কেলৈ নকৰিম?

তৎক্ষণাত কামত লাগি গৈ নিঃশব্দে বাকচবোৰৰ সাঁফৰবোৰ খুলি পেলোৱা দেখি গৌৰীয়ে প্ৰশ্ন কৰিলে। মোৰ উদ্দেশ্যৰ কথা গৌৰীক জনোৱাত গৌৰীয়ে কিন্তু বাধা দি চিঞৰি উঠিল— "নাই, নাই, সেইটো কৰিব নোৱাৰা, মই কেতিয়াও দিব নোৱাৰো... অসম্ভৱ..."

খঙত গৰ্জি উঠিলো- কিয় নোৱাৰিম? মৰণৰ সময়তো পাৰ্থিব সম্পত্তিলৈ ইমান মোহনে?

বেজাৰ কৰি গৌৰীয়ে উত্তৰ দিলে— "সম্পত্তিৰ মোহ মোৰ নাই, সম্পত্তিৰ মোহত পৰি মই বাধা দিয়া নাই..."

"তেন্তে?"

"...যিখন ঘৰত মোৰ জন্ম, যিখন ঘৰত সৰুৰেপৰা ডাঙৰ-দীঘল হলো, যিখন ঘৰ মোৰ মাৰ স্মৃতিৰে ভৰা, সেইখন ঘৰ মোৰ ওচৰত যে কিমান মৰমৰ তাক আনে কেনেকৈ বুজিব!"

"আনে ভালকৈয়ে বুজে গৌৰী। আনৰ কাৰণেও এইখন ঘৰ মৰমৰ হ'ব নোৱাৰে জানো? ...দেউতাৰ স্মৃতিৰে ভৰা এই ঘৰ মোৰ ওচৰতো অতি মৰমৰ। এইখন ঘৰতে এদিন মোৰো জন্ম হৈছিল।

"তোমাৰ?" গৌৰী স্তম্ভিত হৈ গ'ল। হয়তো সেই কথা গৌৰীয়ে আজিলৈকে নাজানিছিল। হঠাৎ গৌৰি মোৰ ওচৰলৈ আহি হাতত ধৰি মোৰ মুখলৈ আগ্ৰহেৰে চালে- "তোমাৰ?"

কিন্তু আৰু একো মুখ ফুটাই সুধিব নোৱাৰিলে। বোধকৰো নিজৰ খন্তেকীয়া উৎসাহত নিজেই লাজ পাই হাতখন এৰি দি আনফালে মুখ ঘূৰালে। গৌৰীৰ অসোঁৱাহহীন মানসিক অৱস্থাটো লক্ষ্য কৰি কলো— "এৰা মোৰ; আজি কিন্তু

এইখন ঘৰ মোৰ ওচৰত অপৱিত্ৰ হৈ গ'ল। সেই দেখিয়েই যি পশুবোৰে ইয়াক অপৱিত্ৰ কৰিলে সিহঁতক লৈয়েই সি ধ্বংস হৈ যাওক, সেয়ে মোৰ ইচ্ছা। এনে সুযোগ হয়তো আৰু কেতিয়াও নাপাওঁ...''

''বেছ, তেন্তে মই আৰু বাধা নিদিওঁ। মোৰো বুজা উচিত আছিল যে আমাৰ দুয়োৰে মৰমৰ ঘৰখন আজি সঁচাই অপৱিত্ৰ হৈ গ'ল-''

হাজাৰ হাজাৰ বৰ্বৰ পশুৰ মাজত অসহায়, মৰণ-পথৰ যাত্ৰী হৈয়ো গৌৰীৰ অস্বাভাৱিক পৰিৱৰ্তন, ব্যৱহাৰ, মাত-কথাৰ নতুন সুৰ কাণত বাজিলহি। আগ্ৰহেৰে আকৌ মোক সুধিলে— ''মই কি সহায় কৰিব পাৰো?''

''বাৰুদ বোলোৰা দীঘল শলিতা যদি ইয়াৰ ক'ৰবাত আছে...?''

গৌৰীয়ে মোৰ ওচৰৰপৰা এটা চুকলৈ দৌৰী গৈ বিচাৰি বিচাৰি অলপ পাছতে একোছা লৈ আহি যুটীয়াবলৈ লাগি গ'ল।

তাৰ পাছত দুয়ো নিঃশব্দে ভালেমান সময় পৰিশ্ৰম কৰিলো। গৌৰীয়ে মোক সাধ্য অনুসৰি সহায় কৰিছে। গোল গোল শিলৰ গুলীবোৰ গৌৰীৰ কাৰণে যথেষ্ট গধুৰ। তথাপি গৌৰীয়ে প্ৰতিটো শিল কঢ়িয়াই আনি মোক দিছে আৰু মই প্ৰত্যেক বাকচৰ ওপৰত দুটা-দিনিটাকৈ অতি সাৱধানে সজাই গৈছো। সেয়া শেষ হোৱাত, এটা এটাকৈ প্ৰতিটো বাকচৰ বাৰুদৰ মাজত দীঘল শলিতাডালৰ এটা মূৰ ভালেমান পুতি আনটো লৈ আহিলো কোঠাৰপৰা ওলোৱা বাটটোৰ মুখলৈ।

সকলো প্ৰয়োজনীয় কাম শেষ কৰিবলৈ যথেষ্ট সময় লাগিল। গৌৰীলৈ চাই দেখো, কপালত ফোঁট ফোঁট ঘাম। ইচ্ছা হ'ল সেইবোৰ যেন মচি দিওঁ, কিন্তু নোৱাৰিলো। তাৰ পৰিৱৰ্তে গৌৰীক আনটো কোঠালৈ লৈ গলো। তাৰ পাছত আকৌ এবাৰ গুপ্ত দুৱাৰেদি বাহিৰলৈ চাই দেখো, নিচেই ওচৰত মানুহ-দুনুহ নাই। দূৰৈত আৰু পদূলিমূৰত বহুতকে দেখিলো যদিও পলাব পৰা আশা হ'ল। ঘোঁৰাগাড়ীবোৰ আছে নে নাই তাকো ভালকৈ চাই ললো। সকলো প্ৰস্তুত।

উভতি আহি আৰু এক মুহূৰ্তও অপেক্ষা নকৰি বাটটোৰ মুখলৈকে অনা শলিতাডালৰ মূৰত অলপ চেষ্টা কৰিয়েই জুই লগাই দিলো। ফৰ্ ফৰ্ কৰি সি জ্বলি গৈছে যদিও ভয় অলপো কৰা নাই। সি যথেষ্ট দীঘল। বাৰুদৰ বাকচবোৰ পায়গৈ মানে পলাবলৈ হাতত অলপ সময় পাম। সময় নষ্ট নকৰি তৎক্ষণাত দুয়ো গুপ্ত দুৱাৰৰ ওচৰ পাই লাহে লাহে দুৱাৰখন খুলি বাহিৰলৈ এবাৰ চায়েই কিন্তু পাছ-মুহূৰ্তত পুনৰ জপাই দিবলৈ বাধ্য হলো।

Scanned with CamScanner

"কি হ'ল?" অস্ফুট মাতেৰে গৌৰীয়ে প্ৰশ্ন কৰিলে। মোৰ তেতিয়া উত্তৰ দিয়া শক্তি নাই। বাহিৰত দেখিছিলো ঠিক দুৱাৰৰ ওচৰতে কেইটামান মানুহে কথা পাতিছে। নাজানো সিহঁতে মোক দেখিলে নে নাই। কিন্তু দেখক-নেদেখক এইবাৰ কি কৰিম? বুজিলো আৰু পৰিত্ৰাণ নাই। বাহিৰ-ভিতৰ এতিয়া দুয়ো ঠাইতে সেই একে মৰণ। জীৱনৰ আশা ইমান পৰলৈকে কৰিছিলো, কিন্তু এইবাৰ সকলো শেষ হৈ গ'ল।

....দুয়ো দুয়োৰে মুখলৈ চাই ভয়ত ঠক্-ঠক্কৈ কঁপিছো। উভতি গৈ শলিতাডালনো কিমানখিনি পাইছেগৈ তাকো চাবলৈ গৌৰীয়ে মোক এৰি দিয়া নাই। মোৰ ডিঙিত দুয়ো হাতেৰে জোৰেৰে সাৱটি ধৰিছে। চিৰদিনৰ সংকোচ, অহংকাৰ, ভয় কেনিবাদি যে আঁতৰি গৈছে তাক গৌৰীয়ে ক'ব নোৱাৰে।

একো ধাৰণা কৰিব পৰা নাই, কিমান সময় গ'ল। বাহিৰত মানুহৰ কথা-বতৰা লাহে লাহে অস্পষ্ট হৈ অহাত আকৌ বাচিবৰ আশাত শেষবাৰলৈ অলপকৈ দুৱাৰখন মেলি চালো। হয়, সিহঁত আঁতৰলৈ গৈছে। বোধকৰো প্ৰথমবাৰ সিহঁতে মোক দেখা নাছিল, সেয়ে আমাৰ উপস্থিতিও সিহঁতে অলপো সন্দেহ নকৰিলে।

ভগৱানৰ নাম লৈ দুৱাৰখন সম্পূৰ্ণ খুলিয়েই সুযোগ বুজি দুয়ো গাড়ীৰফালে দৌৰি গ'লো। কোনেও আমাক নেদেখিলে। খন্তেকতে তাৰ গাড়ী এখনৰ ওপৰত উঠি বহি চাৰিওফালে এবাৰ চায়েই কিন্তু বুজিলো, সকলোতে ফাঁকি দিলেও, কিছুদূৰত অকলে অকলে বহি থকা মানুহ এটাৰ চকুত ধূলি দিব দিব নোৱাৰিলো। সি আমাৰ ফালে চাই উঠি আহিল। সি কিয় যে নিচিএৰিলে তাকহে বুজি নাপালো। হয়তো মোৰ গাত সিহঁতৰ পোছাক দেখিয়েই বোধকৰো সিহঁতৰে এটা বুলি ভাবি লৈছিল। কিন্তু গৌৰীক দেখিয়েই তাৰ সন্দেহ হোৱাত আগবাঢ়ি আহিছে। ঠিক বুজিব নোৱাৰিলো গৌৰীক সি দেখিলে নে নাই...

তৎক্ষণাত একো উপায় নেদেখি গাড়ীতে পৰি থকা মলিয়ন কাপোৰ এখনেৰে গৌৰীক লৰালৰিকৈ ঢাকি শুৱাই দিলো। আমাৰ কপাল ভাল। তাৰ বাহিৰে তেতিয়ালৈকে আমাক কোনেও দেখা নাই। কোনেও এইফালে মনো কৰা নাই।

সি ওচৰ পাই সুধিলে- লগত যে আহিছিল সেয়া কোন? ক'লৈ গ'ল মদৰ নিচাত সি আধা বেহুঁচ। ভাবিছে হয়তো সিহঁতৰ দুই এটাৰ দৰেই আন লুটৰ লগত ছোৱালীও আনিছো। সি চিএৰি আনক জনোৱা নাই। আশা তাকো যদি ভাগ দিওঁ।

Scanned with CamScanner

তাৰ স্পৰ্দ্ধা দেখি জ্বলি উঠিলো, কিন্তু তাৰপৰা বিপদৰে সম্ভাৱনা বেছি জানি সংযত হৈ ইংগিতেৰে জনালো ব্যস্ত নহ'বলৈ। ভাগ সি পাব, পিছে ছোৱালী লগত নাই, পালেই তাক দিম।

সি বিশ্বাস নকৰিলে, ক'লে সি ঠিক দেখিছে। তাক উৰাই দি তাৰ দৰেই মদপীৰ ভাও ধৰি তাক বুজালো যে সেইবোৰ একেবাৰেই মিছা কথা-ভ্ৰম! সি মদৰ জালত চকুৰে নমনি মোকে হয়তো ছোৱালী বুলি ভাবিছিল। ...কিন্তু মোৰ আৰু আগবঢ়া নহ'ল, কাৰণ তাৰ দৃষ্টি অনুসৰণ কৰি ঘূৰি চাই দেখো গাড়ীত কাপোৰৰ দাঁতিয়েদি কলাফুললৈকে নগ্ন গৌৰীৰ ভৰিখন ওলাই আছে তৎক্ষণাত ঢাকি দিলো বুজিলো আৰু উপায় নাই, ভুৱা দিয়া মিছা।

সি চিঞৰিব খোজাৰ লগে লগেই সকলো ভয় মনৰপৰা আঁতৰাই তাক তাৰ ভাগটো দি দিলো...। অস্ত্ৰ ব্যৱহাৰ কৰিবৰ সময় নহ'ল। মোৰ ভৰিৰ ওচৰত থকা তাৰ মুখখনত গাৰ গোটেই শক্তিৰে এটা গোৰ সোধালো। সি তিনি পাক ঘূৰি দূৰৈত ছিটিকি পৰিলগৈ। আৰু মই কোনোফালেই ভ্ৰূক্ষেপ নকৰি মানুহবোৰৰ মাজেদিয়েই ৰঙাটিলাৰ পদূলিমূৰৰ ফালে তীব্ৰ বেগেৰে গাড়ীখন উৰাই নিলো। ওচৰৰ মানুহবোৰে চিঞৰি উঠিল, ঘৰৰ ভিতৰত মানুহবোৰৰ মাজত হুৱাদুৱা লাগি গ'ল। কিন্তু সেইসকল শব্দ ডুবাই প্ৰলয় কাণ্ড আৰম্ভ হ'ল ৰঙাটিলাৰ তলত।

ভাবিলো। কাণ দুখন মোৰ ফাটি যাব। ভূইকঁপৰ দৰে গোটেই পৃথিৱীখন কঁপিছে। এটাৰ পাছত এটা ভয়ংকৰ শব্দ হৈ দূৰৈৰ পাহাৰবোৰত বোধকৰো ফাঁট মেলিছে।

ৰঙাটিলাৰ এচপৰা ইটাও আৰু থিয় হৈ নাথাকিল। তাৰ ভিতৰৰ, বাহিৰৰ আৰু ঘৰৰ ওচৰত থকা সকলো মানুহক লগত লৈ কমল-নগৰৰ গৌৰৱ ৰঙাটিলা ধূলি হৈ গ'ল।

গৌৰীয়ে গাড়ীত মোৰ গাত খামুচি ধৰি প্ৰাণপণ শক্তিৰে আৰ্তনাদ কৰিছে। কৰিবৰে কথা; বাৰুদৰ শব্দও যে ইমান ভয়ংকৰ হ'ব পাৰে ভবা নাছিলো। বহুত পৰলৈকে সেই শব্দ চলিয়েই থাকিল। তাৰ পাছত লাহে লাহে কঁপি থকা পৃথিৱীখন এসময়ত শান্ত হ'ল।

উত্তৰপাৰলৈ বুলি গাড়ীখন যে ৰঙাআলিৰ ওপৰেদি কেনেকৈ চলাইছো ক'ব নোৱাৰো। ঘোঁৰাটোক কোবাবৰ প্ৰয়োজন হোৱা নাই। সি ভয়ত উন্মাদৰ দৰেই দৌৰিছে। চাই থাকোতেই দেৱমন্দিৰ পাৰ হৈ গলো। পাছফালে এবাৰ ঘূৰি চাই

Scanned with CamScanner

দেখো, বহুত দূৰৈত আৰু কেইবাখনো গাড়ী মোৰ পাছ লৈছে। বুজিলো, শত্ৰুৰ যিবোৰ ঘৰৰপৰা আঁতৰত থকাত প্ৰাণে নমৰিলে সিহঁতেই আমাক ধৰিবলৈ খেদিছে। আৰু বেগেৰে যাবলৈ ঘোঁৰাটোক কোবৰ পাছত কোব দি পাছলৈ ঘূৰি চাই গৈছোঁ সিহঁত কিমান ওচৰ পাইছেহি?

...কিন্তু হঠাৎ এবাৰ গৌৰীৰ আৰ্তনাদ শুনি সন্মুখলৈ চোৱাৰ লগে লগেই উশাহ বন্ধ হৈ গ'ল। প্ৰাণপণ শক্তিৰে গাড়ীখন ৰখাবলৈ চেষ্টা কৰি এনেকৈ লেগাম টানিলো যে ঘোঁৰাটোৱে শূন্যলৈ আগ ঠেং দুটা তুলি গাড়ীখন প্ৰায় উলাৰ কৰিয়েই পেলাইছিল। যি ঠাইত গাড়ীখন ৰ'লহি তাৰ মাত্ৰ দুহাত আগলৈ যোৱা হ'লেই গাড়ীৰে সৈতে মই আৰু গৌৰী দুয়ো কাঞ্চনমতীৰ পানীত ডুবি মৰিলোঁহেঁতেন।

বগা দলঙৰ চিন-চাব ক'তো নাই। মনত পৰিল গছৰ আগত বহি থাকোতে হয়তো বগাদলং উৰাই দিয়াৰ শব্দকে শুনিছিলো।

পাছলৈ এবাৰ চালো, শত্ৰুৰ দল এতিয়াও দূৰৈত যদিও অলপ পাছতে যে ওচৰ পাবহি তাত অলপো সন্দেহ নাই। কিন্তু কোনফালে যাওঁ? কেনেকৈ নদীখন পাৰ হওঁ? ক'তো এখন নাও নেদেখিলো। নাই আৰু ভাবিবৰ সময় নাই। নদী পাৰ হোৱা আশা এৰি তৎক্ষণাত গাড়ীখন ঘূৰাই লৈ আকৌ ৰঙাআলিয়েদি কিছুদূৰ উভতি আহি আন এটা সৰু বাটৰ মুখত সোমাই আন্ধাৰত বৈ পৰিলোহি। অলপ পাছতে সিহঁতৰ গাড়ীবোৰ ওচৰেদিয়েই পাৰ হৈ গ'ল। শেষ গাড়ীখন পাৰ হোৱা মাত্ৰকে পুনৰ আলিত উঠি ঘোঁৰা চেকুৰাই দিলো।

তাৰ পাছত কেইবাবাৰো ৰঙাআলি এৰিলো, আকৌ ললো-আকৌ আন আন সৰু-বৰ আলিৰে অকাই-পকাই, জুইৰ মাজে মাজে লুটপাত কৰি ফুৰা শত্ৰুৰ আগেদিয়েই কিমান যে ঘূৰিলো তাৰ একো হিচাপ নহ'ল।

শত্ৰুৰ দলবোৰৰ প্ৰায় সকলোৱেই ৰঙাটিলাৰ ফালে দৌৰিছে। দুবাৰমান কিছুমানে আমাক খেদিছিল, কিন্তু আমি সকলো বিপদৰপৰা হাত সাৰি শেষত উঠিলোহি পশ্চিমফালে যোৱা নিৰ্জন মথাউৰি এটাৰ ওপৰত। –নদীৰ পাৰে পাৰে সি কিমান দূৰলৈকে গৈছে ক'ব নোৱাৰো। মথাউৰিত উঠিও দেখিছো উপায় নাই... আগত নে পাছত কাৰোবাৰ ঘোঁৰাৰ খুৰাৰ শব্দ শুনি কোবেৰে গাড়ীখন চলাই নিলো।

লাহে লাহে মানুহৰ বসতি এৰি নিৰ্জন ঠাই পালোহি। নদীৰ দুয়ো পাৰে হাবি। তথাপি পাছফালে ঘোঁৰা অহাৰ শব্দ মাৰ নগ'ল। ভাবিলো, কোনে এই হাবিলৈকে

Scanned with CamScanner

গাড়ীখন সংযত কাৰ এইবাৰ লাহে লাহে গৈছো। ঘোঁৰাটোৱে ফোঁপাইছে। গৌৰীয়ে গাৰ কাপোৰখন আঁতৰাই থৈ মোৰ ওচৰত ভালকৈ উঠি বহিছে। দুয়ো মনে মনে গৈ আছো। কাৰো গাত কথা কোৱা শক্তিকণো নাই। দুয়ো মাথোঁ পৰম তৃপ্তিৰে দীঘলকৈ এবাৰ মুক্তিৰ উশাহ লৈ জিৰাইছো। অলপ পাছত গৌৰীয়েই প্ৰথম প্ৰশ্ন কৰিলে— "এই বাটটোৰে ক'লৈকে যাব পাৰি?"

বহুত ভাবিও মনত পেলাব নোৱাৰিলো, বাটটো ক'লৈ গৈছে? কিমানদূৰ গৈছে? বাধ্য হৈ কলো— "ক'ব নোৱাৰো।"

গৌৰীয়ে আৰু মুখেৰে নামাতিলে। ময়ো একো নকলো। আকৌ দুয়ো মনে মনে গৈ আছো। কিন্তু এবাৰ গৌৰীয়ে হঠাৎ প্ৰায় চিঞৰি উঠাত চক্ খাই উঠিলো— "কি হ'ল?"

গৌৰীয়ে নদীৰ ফালে আঙুলিয়াই দেখুৱালে...। সেইফালে চাই দেখো, আমাৰ সমানে সমানে দূৰৈৰ পানীৰ মাজত একুৰা জুই। কোনোবা মানুহে হাতত জুমুঠি লৈ নাৱেৰে গৈছে। ঠিক যোৱা নহয়, আচলতে সিপাৰৰপৰা ক্ৰমাৎ এই পাৰলৈকে আহিছে। ভাবি নাপালো কোনে এই ৰাতিখন এনেভাৱে লুকাই লুকাই এই পাৰলৈ আহিছে? এবাৰ ভাবিলো, আমাৰেই কোনোবা মানুহ। কিন্তু সন্দেহ হ'ল, এই পাৰে যদি আমাৰ দৰেই অসহায় হৈ কোনোবা আছে তেন্তে সি এই পাৰলৈ ... বিচাৰিব তেনেস্থলত...কিন্তু

Scanned with CamScanner

উপায় এটা ওলায়েই। যদি নাৱৰ মানুহবোৰ এই বাটেদিয়েই গুচি যায়গৈ তেন্তে আমি সেই নাও লৈ লুকাই লুকাই পলাব পাৰিম। নাৱৰ গৰাকীনো কোন তাক ভবাৰ প্ৰয়োজন বোধ নকৰিলো।

অলপো শব্দ নকৰাকৈ তৎক্ষণাত গাড়ীখন মথাউৰি এৰি ওচৰৰ সৰু হাবিখনৰ মাজলৈ সুমুৱাই নি তাৰপৰা লুকাই লুকাই আকৌ চালো। মথাউৰিটো পানীৰপৰা বৰ বেছি ওখত নহয়। তাৰ দাঁতিটো এঢলীয়া হৈ পানীৰ ওচৰ পাইছেগৈ।

গাড়ীৰপৰাই জুইৰ পোহৰত স্পষ্ট দেখিলো, নাৱত মুঠে তিনিটা মানুহ। সিহঁতে পাৰ পাই নাৱৰপৰা নামিছেহি। প্ৰত্যেকৰে কান্ধত এটা এটা ডাঙৰ টোপোলা। অলপ আচৰিত হলো, এই যুঁজৰ মাজত টোপোলা লৈ ইহঁত কোন?

লাহে লাহে মানুহকেইটাই নাও এৰি আমি থকা ফালেই পোনাই খোজ লৈছে। ওচৰ পাওঁতেই বুজিলো। সিহঁত কোন। গোটেই দক্ষিণ পাৰ শেষ কৰিও পশুবোৰৰ হেপাঁহ নপলাল। চুৰকৈ সিপাৰলৈ গৈ তাৰপৰাও লুট কৰি আনিছে। ...ইচ্ছা হ'ল, সিহঁতক এই মুহূৰ্তত যেন তাৰ সমুচিত শিক্ষা দিওঁ। কিন্তু ভয় হ'ল হাতত থকাৰ ভিতৰত একমাত্ৰ অস্ত্ৰ হিচাপে সৰু ছুৰীখন, তাৰে কি সাহত আগবাঢ়িম?

নিৰুপায় হৈ মনে মনে বহি ৰলো। সিহঁত মথাউৰিত উঠিলহি। আমি থকা ঠাইৰপৰা মাত্ৰ দহ-বাৰ হাতমান আঁতৰত সিহঁতক জিৰাই লবলৈ বহা দেখি জীৱ উৰি গ'ল। দুয়ো মনে মনে থাকিলেও যদি ঘোঁৰাটোৱে অলপমানো শব্দ কৰি উঠে তেতিয়া কি কৰিম? হাতৰ মুঠিত টানকৈ অস্ত্ৰপাত লৈয়ে শেষ ৰক্ষা কৰিবলৈ ভগৱানক চিন্তিলো।

জিৰাই লৈ সিহঁতে আমি অহা বাটেৰেই লাহে লাহে খোজ ললে। সিহঁত যেতিয়া আমাৰ ওচৰৰপৰা ভালেমান দূৰ পালেগৈ তেতিয়াহে মই গাড়ীৰপৰা নামি আহি নাৱলৈ যোৱা বাটটো ভালকৈ চাই ললো। দেখিলো, সেই বাটেৰে খোজকাঢ়িহে নেলাগে, একেবাৰে গাড়ীৰে সৈতেই নাৱৰ ওচৰলৈকে যাব পাৰিম। পুনৰ উভতি আহি গৌৰীক গাড়ীতে বহুৱাই লৈয়ে ঘোঁৰাৰ লেগামত ধৰি টানি লৈ গলো নাৱৰ ওচৰলৈকে।

নাওখন যথেষ্ট ডাঙৰ গতিকে গাড়ী-ঘোঁৰা সকলো লগতে নিয়াৰ উদ্দেশ্যেই ঘোঁৰাটো খুলি প্ৰথমেই তাক নাৱৰ এমূৰে তুলি দিলো আৰু অলপ পৰিশ্ৰম কৰি গাড়ীৰ চকা দুটা দুফালে ওলোমাই দি মাজডোখৰ নাৱৰ পেটত খাপ খুৱাই বহুৱাই দিলো। তাৰ ওপৰত গৌৰীক বহিবলৈ কৈ নিজেও নাৱৰ টিঙত বহি

Scanned with CamScanner

বঠাপাত হাতত লৈ নাও এৰি দিব খুজিছিলো, এনেতে গৌৰীয়ে আকৌ এবাৰ অস্ফুট শব্দ কৰি উঠাত পাৰলৈ চাই দেখো, মথাউৰিৰ ওপৰত মানুহকেইটা আগুৱাই যাবলৈ এৰি দৌৰি উভতি আহিছে। কিছুদূৰ আহি সিহঁতে আকৌ উভতি দৌৰিছে। কি হৈছে ধৰিব নোৱাৰিলো। প্ৰথমে ভাবিছিলো আমাৰ উপস্থিতি জানিব পাৰি খেদি আহিছে। কিন্তু আকৌ উভতি গ'ল কিয়? কিয় বা সিহঁতে এবাৰ ঘূৰি আহি আনবাৰ আকৌ দৌৰিছে? অকল এবাৰেই নহয়, কেইবাবাৰো সিহঁতে অগাপিচা কৰি এবাৰ এঠাইত স্থিৰ হৈ ৰ'ল। এইবাৰ অলপ ধাৰণা হ'ল, সিহঁতে যেন কিবা এটা ধৰিছে। বোধকৰো তাকে ধৰিবলৈ হয়তো সিহঁতৰ তেনেদৰে দৌৰাদৌৰিৰ প্ৰয়োজন হৈছিল।

কি ধৰিলে গৌৰীৰ তীক্ষ্ণ চকুত সি তৎক্ষণাত ধৰা পৰিল। মোৰ ওচৰলৈ আহি ব্যগ্ৰ হৈ ক'লে— “সিহঁতে কাৰোবাৰ ঘোঁৰা এটা ধৰিছে...” ভালকৈ লক্ষ্য কৰি জুইৰ পোহৰত ময়ো দেখিলো এটা ঘোঁৰা। লগে লগেই মূৰত বজ্ৰপাত হ'ল। সেয়া আন কাৰো নহয়, মোৰেই শুকুলাক সিহঁতে ধৰিছে। তাইৰ বগানোমৰ সুন্দৰ দেহাটো অতি স্পষ্ট হৈয়ে জুইৰ পোহৰত দেখা গৈছে। মনত পৰিল ওৰে বাটটো তাইৰ খুৰাৰ শব্দ শুনিয়েই ভয়ে ভয়ে আহিছিলো। কিন্তু কেনেকৈ তাই এইখিনি পালেহি ভাবি নাপালো। হয়তো ৰঙাটিলা উৰি যোৱাৰ শব্দত ভয় খাই দৌৰি এসময়ত আমাৰ দৰেই শত্ৰুৰ খেদা পাই মথাউৰি উঠিছিলহি আৰু আমাৰ গাড়ীৰ শব্দ শুনি বোধকৰো ৰবলৈ সাহ নকৰি দৌৰিয়েই আছিল...।

মানুহ তিনিটাই তাইক ধৰাৰ উদ্দেশ্যও বুজি পালো। সিহঁতৰ টোপোলাবোৰ নিজে কঢ়িয়াই নিয়া কষ্টৰ প্ৰতিকাৰ কৰিবলৈকে তাইক ধৰিছে।

আৰু থিৰেৰে থাকিব নোৱাৰিলো। ইমান সময়লৈকে তাইৰ কথা পাহৰি আছিলো, এতিয়া পশুবোৰৰ হাতত বন্দী হোৱা দেখি সহ্য নহ'ল। চম্পা আৰু মোৰ কৈশোৰৰ স্মৃতিৰে ভৰা মোৰ অতি মৰমৰ সম্পদ, পোৱালিৰেপৰা আমাৰ লগতে একেলগেই বাঢ়ি উঠিছে। তাইক আজি মোৰ চকুৰ আগতেই আনে লৈ যাব, তাক চাই মই কেনেকৈ থিৰেৰ থাকিব পাৰো?

নাৱৰপৰা নামিলো। মোৰ উদ্দেশ্য বুজিয়েই গৌৰীয়ে জাঁপ মাৰি উঠিল— “নালাগে যাব...!”

গৌৰীৰ স্বৰত আধা আদেশ আধা অনুৰোধৰ সুৰ- উত্তৰ দিলো— “যাবই লাগিব, ঘোঁৰাজনী যে মোৰ কিমান মৰমৰ তাক আনে বুজিব নোৱাৰে।”

Scanned with CamScanner

মোক বাধা দি গৌৰীয়ে গৰ্জি উঠিল— ‘‘হওক মৰমৰ ৰঙাটিলাও মোৰ মৰমৰ আছিল-’’

‘‘সেইটো মই জানো, তথাপি নিৰ্জীৱ ঘৰ এটাৰ লগত জীৱ থকা প্ৰাণীৰ তুলনা নচলে-’’

গৌৰী আকৌ বহি পৰিল। ভাবিলো, গৌৰীয়ে যদি এইবাৰ কোমল মাতেৰে অনুৰোধ কৰে অনিচ্ছাসত্ত্বেও শুকুলাক বিসৰ্জন দিব লাগিব। কিন্তু গৌৰীয়ে অনুৰোধ কৰাৰ পৰিৱৰ্তে তাচ্ছিল্যেৰ ঠাট্টাই কৰিলে— ‘‘ৰঙাটিলাৰ তলত বাৰুদ থোৱাত মই যদি মূৰ্খ হ’ব পাৰো তেন্তে সামান্য ঘোঁৰা এজনীৰ কাৰণে এনেকৈ বিপদত পৰিবলৈ যোৱাটো যে কি ভাবি নেপাওঁ। যাৰ অলপ কাণ্ড-জ্ঞান আছে সেইবোৰে কেতিয়াও মোক এনেকৈ নিৰস্ত্ৰ ৰাখি, নিজেও নিৰস্ত্ৰ হৈ বলিয়ালি কৰিবলৈ নেযায়-’’

হঠাৎ বৰ খং উঠিল— ‘‘বলিয়ালি? কিন্তু শুনাচোন কাৰ দোষত আজি গধূলিৰেপৰা এনে বলিয়ালি কৰিবলৈ বাধ্য হৈছো? ৰূপালীপামৰ শান্তিময় কোলা এৰি কোনে আগতে বিপদ মাত্তি আনিছিল? হওক বলিয়ালি, মই যামেই; ইয়াৰ বাবে কষ্ট ক্ষতি কিবা যদি হয় মোৰেই হ’ব আন কাৰোৰেইতো নহয়...।’’

‘‘নহয়।’’ সমানে সমানে উত্তৰ দিয়েই গৌৰীয়ে আনফালে মুখ ঘূৰালে। কথাৰ সুৰত গৌৰীয়ে যিমানেই কঠিনতা বজায় ৰাখক আচলতে সি কিন্তু অভিমান। বোধকৰো চকু দুটা চলচলীয়া হৈ উঠাত মোৰ ফালৰপৰা মুখ ঘূৰালে। মই কিন্তু দেখিও নেদেখিলো। দেখিলেই শুকুলাক হেৰুৱাম।

লগত থকা একমাত্ৰ অস্ত্ৰ ছুৰীখন গৌৰীৰ ভৰিৰ ওচৰলৈ দলি মাৰি দি কলো— ‘‘নাওখন সম্পূৰ্ণ নিৰাপদ তথাপি প্ৰয়োজন হ’লে সি কামত আহিব পাৰে। আৰু মোৰ কাৰণে অপেক্ষা কৰিবলৈ ইচ্ছা নাথাকিলে মই কাকো বৰকৈ নকওঁ। মোৰ ঘূৰি অহা দেৰি হ’ব পাৰে, ক’ব নোৱাৰো হয়তো অতি দেৰিয়েই হ’ব পাৰে...।’’

নাও আৰু গাড়ীখনত আন অস্ত্ৰ-শস্ত্ৰ পাওঁ বুলি ভালকৈ বিচাৰি চালো। ঢাল-তৰোৱাল একো নাপালো। পালো এখন ধেনু আৰু কেইপাটমান কাঁড়- তাকে লৈ নাৱৰপৰা নামিয়েই নিঃশব্দে মথাউৰিৰ ওপৰলৈ দৌৰ দিলো। গৌৰীয়ে একেজাঁপেই উঠি চিঞৰিলে, ‘‘নেযাবা, নেযাবা, কাবৌ কৰিছো, মোৰ কথা শুনা...শুনা।’’

অৱশ্যে অভিমানত মুখ ফুটাই গৌৰীয়ে কথাকেইটা ক’ব নোৱাৰিলে, কিন্তু

... আৰু হাবিয়ে হাবিয়ে কোবেৰে ...
মানে সমানে ৰৈ আকৌ সাৱধানে বাটটোৰ কাষলৈ চাপি আহি গছ এডালৰ আঁৰত লুকাই সিহঁতলৈ চালো মানুহকেইটা মোৰ ওচৰৰপ... হাতমান আঁতৰত। সিহঁতে দুটা টোপোলা বন্ধা শেষ কৰি তৃতীয়টো বান্ধিবৰ ...জা কৰিছে।

অলপ সময় চিন্তা কৰিলো কেনেকৈ আৰম্ভ কৰো। খন্তেক পাছত এটাক দেখিলো হঠাৎ সি অহা বাটেৰে পানীলৈ চাই খোজ লৈছে। ...বৰ ভয় লাগিল, নাৱত অকলশৰে গৌৰী। ইহঁতে কিবা বুজিলে নেকি? বাকী দুটাক চাবলৈ নহ'ল। মানুহটো দূৰলৈ যোৱাৰ আগতেই ভালকৈ লক্ষ্য কৰি কাঁড় এৰিলো। সি আৰ্তনাদ কৰি আলিৰ দাঁতিত লুটি খাই পৰিল। বাকী দুটাই চক্ খাই চিঞৰ-বাখৰ কৰি কঁকালৰ তৰোৱাল উলিয়াই লৈ এটা দৌৰি গ'ল প্ৰথমটোৰ ওচৰলৈ। কিন্তু সি সেইখিনি পোৱাৰ আগতেই তাকো গাঁঠি পেলালো দ্বিতীয়পাট কাঁড়েৰে। কিন্তু তৃতীয়টোৱে সন্দেহ কৰি মই থকা ঠাইডোখৰলৈ আগুৱাই অহা দেখি লৰালৰিকৈ তাক বধ কৰিব খুজিছিলো, কিন্তু অসাৱধানতাৱশতঃ হাতৰপৰা কাঁড়পাত পৰি গ'ল। তাক পুনৰ তুলি লৈ ধেনুত জুৰি লোৱাৰ লগে লগেই দেখিলো মানুহটোৱে মাত্ৰ তিনিহাত আঁতৰৰপৰা মোক আঘাত কৰিবলৈ হাতৰ তৰোৱালখন তুলিছে। আমাৰ মাজত সৰু গছডাল নথকা হ'লে মই সাৰিবলৈ সময়ো নেপালোহেঁতেন। খন্তেকতে পাছলৈ জাঁপ এটা দি চিধা তাৰ বুকুলৈ লক্ষ্য কৰি আকৌ কাঁড় এৰিলো। গোটেই কাঁড়পাট তাৰ বুকু ভেদি পিঠিয়েদি ওলাই গ'ল। সি কিছু সময় থৰ লাগি থিয় দি ৰ'ল, পাছমুহূৰ্তত গছডালৰ গুৰিতে লাহে লাহে ঢলি পৰিল। ... সাৰিবৰপৰা আলিলৈ ওলাই ...ছে, নিশ্চিন্ত ...লা।

Scanned with CamScanner

পিঠিৰ এদাঁতিয়ে যেন জুই একুৰাহে সোমাই গ'ল। গোটেই হাবিখনতে প্ৰতিধ্বনি তুলি মৰণ যন্ত্ৰণাত চিঞৰি উঠিলো— "চম্পা! চম্পা!"

কিয় যে চম্পাৰ নামটো ওঁঠৰ আগলৈ আহিল, তাকো ক'ব নোৱাৰো। সকলো শক্তিৰে ঘোঁৰাজনীৰ ওপৰত থাকিবলৈ চেষ্টা কৰিও নোৱাৰি পিছপাক ঘূৰি মাটিত থেকেচা খাই পৰিলো। অতি কষ্টেৰে মোৰ পিঠিৰ এদাঁতিয়ে সোমাই সোঁহাতৰ কাষলতিৰ ওচৰেদি সৰকি অহা অস্ত্ৰপাট নিজেই টানি উলিয়ালো। পৰি থকা মানুহ দুটাৰ ফালে চকু গ'ল। এটাই উঠি বহিছিল, মই চোৱাৰ লগে লগেই আকৌ শুই পৰিল। সকলো বুজিলো। মৰা বুলি ভাবি সিহঁতক এৰি দিছিলো কিন্তু তাৰে এটা মৰা নাছিল, মই তাৰফালে পিঠি দি থকাৰ পুৰা সুবিধা লৈ প্ৰতিশোধ ললে।

আঘাতৰ লগে লগেই সোঁহাতখন অৱশ, শক্তিহীন হৈ যোৱাত থকা তৰোৱালখন মুঠিৰপৰা সুলকি পৰিছিল। তাক পুনৰ তুলি ল'বলৈ চেষ্টা কৰিও নোৱাৰি, বাওঁহাতেৰেই তৰোৱালখন লৈ টলি টলি তাৰফালে আগবাঢ়ি গলো- মৰাৰ আগতে অন্ততঃ আৰু এটাক মাৰি যাওঁ। সি উঠি পলাব খুজিছিল, কিন্তু নোৱাৰিলে। ইটোৰ পাছত সিটো আঘাত কৰি খুব কমেও তাক তিনিডোখৰ কৰি পেলালো।

তাৰ পাছত কেনেকৈ যে শুকুলাক লৈ নাৱৰ ওচৰ পালোহি ক'ব পৰা নাছিলো। নাৱৰ গুৰিত খন্তেকলৈ চেতনা পাই আৰু ভাবিবলৈ নৰলো। শুকুলাক নাৱত তুলি লৈ গাৰ শেষ শক্তিকণেৰে পানীৰ মাজলৈ নাওখন ঠেলা মাৰি নিজেও উঠি ললো। সোঁতত নাওখন লাহে লাহে উটি গ'ল।

মোৰ গোটেই পিঠিখন তেজেৰে তিতি গৈছে। গৌৰীয়ে নেদেখাকৈ ৰাখিবৰ উদ্দেশ্যে সেইফালে পিঠি নিদি গাড়ীৰ দাঁতিত ধৰি মেলি থিয় দি থাকিবলৈ চেষ্টা কৰিলো।

গৌৰী ঠক্ ঠক্‌কৈ কঁপিছে। উত্তেজনাত নিজৰ ডিঙিটোত দুয়ো হাতেৰে চেপি ধৰি ওলাই আহিব খোজা আৰ্তনাদটো কোনোমতেই ৰোধ কৰিব পৰা নাই। মোৰ মুখত মৰণৰ ছাঁ দেখি ভয়ত, দুখত, চকুৰ পানীৰ মাজত আধা ভঙা, আধা কন্দা একেটা কথাই অস্পষ্ট হৈ গৌৰীৰ ডিঙিৰপৰা ওলাই আহিছে— "কি হ'ল? কি হ'ল তোমাৰ? মোক নোকোৱা কেলৈ...?"

ক'বলৈ চেষ্টা কৰিলো 'একো নাই হোৱা', কিন্তু সি মুখ ফুটি ওলাল নে

নোলাল ক'ব নোৱাৰিলো। হয়তো তাৰ আগতেই নিজক আৰু থিৰেৰে ৰাখিব নোৱাৰি, সন্মুখৰ পানীত নে নাৱত নে গৌৰীৰ দুখন হাতৰ মাজত ঢলি পৰিলো।

ৰঙাটিলাৰ ভগ্ন-স্তূপৰ মাজৰপৰা অশেষ কষ্ট কৰি সেনাপতিৰ বিকৃত দেহটো মুকলিলৈ উলিয়াই আনিলে- যিকেইটা দূৰৈত থকাত প্ৰাণে মৰা নাছিল সিহঁতে। তাৰ অলপ আগতেই নগৰৰ ভিতৰত সিঁচৰতি হৈ থকা লুণ্ঠনকাৰী শত্ৰুবোৰ উভতি আহি সেনাপতিৰ চাৰিওকাষে থূপ খাই সিহঁতৰে দুৰ্জেয় বীৰৰ শেষ পৰিণতি নিজ চকুৰেই শেষবাৰলৈ চাই ললে।

সেনাপতিৰ এখন হাত, এখন ভৰি শৰীৰৰপৰা নিঃচিহ্ন হৈ ক'লৈ যে গ'ল তাক সিহঁতে বিচাৰি নাপালে; তথাপি সেনাপতি তেতিয়ালৈকে মৰা নাছিল। মৰাৰ আগতে সিও এবাৰ চকু মেলি গোটেইবোৰকে চাই ললে। সকলোৱে দেখিলে, তাৰ চকুত দুফোঁট পানী; কিন্তু সি শাৰীৰিক কষ্টৰ নে অনুশোচনাৰ তাকহে ক'ব নোৱাৰিলে। বজ্ৰহুংকাৰ কৰা শক্তি আৰু তাৰ গাত নাই। অতি ক্ষীণ মাতেৰে সি কৈ গ'ল ঃ “ভগৱানক কোনোকালে বিশ্বাস কৰা নাছিলো; আজি বুজিছো ভগৱান আছে। অন্যায়ৰ প্ৰতিকাৰ মানুহে যেতিয়া কৰিব নোৱাৰে, তেতিয়া ভগৱানে নিজ হাতেৰেই তাক সমাধা কৰে। পাপ কৰিছিলো, নিষ্ঠুৰ অত্যাচাৰ কৰিছিলো, তাৰ ফল আজি হাতে হাতেই পালো...”

স্বেচ্ছাচাৰী বৰ্বৰ পশুটোৱেও আজি মৰণৰ পূৰ্ব মুহূৰ্তত এবাৰ মানুহৰ দৰেই কথা ক'বলৈ শিকিলে ঃ “নিৰপৰাধ, নিঃসহায় এই শান্তিময় সুন্দৰ দেশখনক, তাৰ সুন্দৰ সুন্দৰ প্ৰাণীবোৰক বিনাদোষত কাটি-মাৰি জ্বলাই-পুৰি ছাৰ্‌খাৰ কৰি দিলো, আৰু তাকে কৰিবলৈ গৈ আমাৰ বিৰাট দুৰ্জেয় সৈন্যবাহিনী এটা ধ্বংস হৈ গ'ল। হেজাৰ হেজাৰ ভাই-বন্ধুক এমুঠি মানুহৰ হাতত হেৰুৱালো...বিনিময়ত কি পালো? সিহঁতৰ দেশখন ধ্বংস কৰিলো সঁচা, কিন্তু তাৰ মানুহবোৰকতো জয় কৰিব নোৱাৰিলো। নেজানো এই ক্ষুদ্ৰ দেশখনে ইমান শক্তি ক'ত পালে? সিহঁতে ভালদৰেই জানিছিল, সিহঁতৰ মৰমৰ দেশখনক আৰু ৰক্ষা কৰিব নোৱাৰে। তথাপি শেষ মুহূৰ্তলৈকে ক্ষুদ্ৰ ক্ষুদ্ৰ ল'ৰাবোৰেও আনকি অসীম সাহসেৰে যুঁজিছিল। ...আজি বুজিছো, এটা ল'ৰা বা এজনী ক্ষুদ্ৰ ছোৱালীয়েও বাচি থকালৈকে আমাক বাধা দিব-যুঁজ কৰিব। কেতিয়াও পৰাজয় বৰণ নকৰে। মোৰ প্ৰথম দিনাৰ যুঁজতেই বুজা উচিত আছিল যে এই দেশ অজেয়, ইয়াৰ মানুহবোৰে অজেয়। কোনো শত্ৰুৱেই ইহঁতক দাসত্বৰ শিকলি পিন্ধাব নোৱাৰে। সিহঁতে মৰিবলৈ ভয় নকৰে।

Scanned with CamScanner

কি পুৰুষ; কি নাৰী সকলো সমান। নহ'লেনো আমাৰ হাজাৰ হাজাৰ মানুহৰ মাজত বন্দী হৈয়ো মাত্ৰ এহাল অসহায় ডেকা-গাভৰুৱে কেনেকৈ এই ঘৰটো ধ্বংস কৰি আমাকো ধ্বংস কৰি প্ৰতিশোধ ললে? মোৰ পূৰা বিশ্বাস, যিকেইটা এতিয়াও বাকী আছে, সেইকেইটা কেতিয়াও ক্ষান্ত নহয়। যিমান সময়লৈকে সিহঁত জীয়াই থাকিব সিমান সময়লৈকে তহঁতক শান্তিৰে থাকিবলৈ নিদিয়ে। নিজে ধ্বংস হোৱাৰ আগতে তহঁতকো ধ্বংস কৰিহে যাব। সেই ভাবিয়েই মই তহঁতক মোৰ শেষ আদশে কৰিছো, তহঁত পলা! যিমান সোনকালে পাৰ এই দেশৰ বাহিৰ হৈ যাগৈ। নহ'লে বিপদত পৰিবি- সিহঁতে আমাৰ এই অৱস্থাৰ বাতৰি নিশ্চয় পাইছে- এই সুযোগ কেতিয়াও নেৰে। তহঁত পলা... পলা...''

সেনাপতিৰ মুখৰ মাত লাহে লাহে বন্ধ হৈ যোৱাৰ লগে লগেই তাৰ পশু জীৱনৰো শেষ হৈ গ'ল। সেনাপতিৰ অনুমান যে সঁচা তাৰ প্ৰমাণ সকলোৱে পাছমুহূৰ্তেতে পালে। দূৰৈত বৰটোপ এটাই গৰ্জন কৰি উঠিল, আৰু সেইফালৰপৰাই মানুহৰ কোলাহল লাহে লাহে ওচৰ চাপি আহিল...।

অশোকে দলং ভাঙি যোৱাৰ পাছত যেতিয়া চন্দনক বিচাৰ কৰিবলৈ গৈ আনৰ মুখে শুনিলে চন্দন গৌৰী দুয়ো ৰঙাটিলাত, তেতিয়া নিশ্চিত হৈ আৰু থাকিব নোৱাৰি আকৌ লগৰ সৰু দলটোক পুনৰ সজ্জিত কৰি নাৱেৰে এই পাৰলৈ উভতি আহিল। তাৰ বহুত আগতেই অশোকে শুনিছিল দক্ষিণ পাৰত হোৱা সেই ভয়ংকৰ শব্দ। কিন্তু তেতিয়া বুজা নাছিল। পাছত এই পাৰলৈ আহি সকলো দেখি শুনি অশোকৰ মনটো মৰি গ'ল। ৰঙাটিলাৰ ধ্বংসযজ্ঞৰ মাজৰপৰা চন্দন-গৌৰীয়েও যে প্ৰাণ লৈ পলাব পাৰিছে তাক কোনোমতেই বিশ্বাস কৰিব নোৱাৰিলে। তথাপি অশোকে লগৰ দলটোক লৈ পুনৰ শত্ৰুক আক্ৰমণ কৰিবলৈ ৰঙাটিলাৰ ফালে আগুৱাই আহিল।

কমল-নগৰৰ সকলো গ'ল- অশোকে নোৱাৰিলে ৰক্ষা কৰিব! যদি ইয়াৰ লগত চন্দন-গৌৰীও শেষ হৈ গৈছে কি কৰিব পাৰে অশোকে? নিজৰ জীৱনটো মাথোঁ বাকী। তাকেই দিবলৈ লাহে লাহে অশোকে আগবাঢ়ি আহিল।

হঠাৎ আকৌ এবাৰ বৰটোপ গৰ্জি উঠাৰ শব্দ হ'ল। এইবাৰ খেলমাটিত। খন্তেকলৈ অশোকে একো বুজিব নোৱাৰিলে-কোনে কাৰ ওপৰত তাক বৰ্ষিছে? আকৌ ইটোৰ পাছত সিটোৰ শব্দ আহিল— 'গুৰুম! গুৰুম! গুৰুম!'

অশোকে ভাবি নাপালে শত্ৰুৱে তাক ব্যৱহাৰ কৰিবলৈ এই পাৰে অশোকহঁতৰ

Scanned with CamScanner

কোনো মানুহ নাই? তেন্তে? পাছমুহূৰ্তত মনত পৰিল চন্দনলৈ-গৌৰীলৈ। কিন্তু দুটা প্ৰাণীক বধ কৰিবলৈ কেতিয়াও শত্ৰুৱে বৰটোপ ব্যৱহাৰ নকৰে। তেন্তে কোনে কৰিছে...?

হঠাৎ অশোকৰ মুখখন আনন্দত উজ্জ্বল হৈ উঠিল। নিশ্চয় সেয়া চন্দন আৰু গৌৰী!... আৰু এক মুহূৰ্তও সময় নষ্ট নকৰি অশোকে লগৰ দলটোক লৈ খেলমাটিৰ ফালে কোবেৰে আগুৱাই গ'ল।

অশোকে ঠিকেই ভাবিছিল। খেলমাটিত সেই বৰটোপ শত্ৰুৱে ব্যৱহাৰ কৰা নাই; কিন্তু চন্দন-গৌৰীয়েও তাক ব্যৱহাৰ কৰা নাছিল- ব্যৱহাৰ কৰিছে পলৰীয়া শত্ৰুৰ ওপৰত চম্পা আৰু ৰমাই।

মন্দিৰৰ ওচৰৰপৰা পলাই আহি চম্পা আৰু ৰমাই গড়ৰ দাঁতিয়েদি পৰ্বতৰ টিঙলৈ উঠিব খুজিছিল। অলপ দূৰ বগাই উঠিছিলো কিন্তু হঠাৎ চক্ খাই পাছপাকতে চুঁচৰি আহি তলত ৰ'লহি...। সেই মুহূৰ্ততেই ৰঙাটিলাৰ তলে-ওপৰে যি ধ্বংস-লীলা আৰম্ভ হ'ল, আৰু তাৰ ওপৰৰ আকাশ ছাটি যোৱা সহস্ৰ ইটাৰ ৰাঙলী ফিৰিঙতিৰ লগত, কাণ ফাটি যোৱা শব্দ সহ্য কৰিব নোৱাৰি দুয়ো দুয়োকে সাৱটি ধৰি প্ৰাণপণ শক্তিৰে কিছু সময় চিঞৰিলে। প্ৰথমতে দুয়ো ধৰিব পৰা নাছিল হঠাৎ কি হ'ল? পাছত যেতিয়া ভৰিৰ তলৰ পৃথিৱীখন আৰু গাৰ কঁপনি মৰিল তেতিয়া দুয়ো ৰঙাটিলাৰ ফালে চাই বুজিলে কিটো ঘটিছে; কিন্তু ভয়ত, দুৰ্ভাৱনাত চম্পাৰ মুখ শেঁতা পৰি উঠিল...। গৌৰীও যে ৰঙাটিলাত আছিল; যদি গৌৰীৰো কিবা হৈ থাকে?

চম্পাই ভাবি নাপালে এই কাম কোনে কৰিলে? ঘৰৰ তলত বাৰুদ থোৱাৰ কথা চম্পাই জানে। কিন্তু কোনে সেই বাৰুদত জুই দিলে? শত্ৰুৱে? চম্পাৰ মনে নামানিলে। শত্ৰুৱে সেই বাৰুদৰ কথা নাজানে আৰু জানিলেও আনবোৰ ঘৰ জ্বলাই দিয়াৰ লগতেই তাকো জ্বলালেহেঁতেন। সিমান পৰলৈকে কেতিয়াও থৈ নিদিয়ে। তেন্তে...?

চম্পাৰ সন্দেহ হ'ল, নিশ্চয় কমল-নগৰৰ কোনোবাই সেই কাম কৰিছে। কিন্তু

Scanned with CamScanner

চম্পাৰ মনৰ দ্বন্দ্ব সমাধান নহ'ল। নিজেও ভাবি নাপালে, ৰমায়ো দিব নোৱাৰিলে। কিমান সময় যে দুয়ো স্তম্ভিত হৈ একেথৰে চূৰ্ণ-বিচূৰ্ণ হৈ যোৱা ৰঙাটিলাৰ ফালেই চাই আছিল ক'ব নোৱাৰিলে, কিন্তু হঠাৎ এবাৰ ৰমাৰ চকুত পৰিল কিছুমান মানুহ খেলমাটিৰ ফালে দৌৰি আহিছে। আন কথা নাভাবি চম্পাক একে টানেই লগত লৈ দুয়ো লুকাই পৰিল। চম্পাই প্ৰথমে দেখা নাছিল- এতিয়া দুয়ো লুকাই লুকাই চাই দেখিলে মানুহবোৰে একেৰাহে দৌৰি দৌৰি গড় পাৰ হৈ চাই থাকোতেই হাবিতলীয়া বাটটোৰ আন্ধাৰৰ মাজত অদৃশ্য হৈ গ'ল। চম্পা-ৰমা দুয়ো দুয়োৰ মুখলৈ চালে। কোন সিহঁত? আৰু কি কাৰণেই বা এনেভাৱে গ'লগৈ? ক'লৈ গ'ল? একো বুজি নাপালে।

দুৰ্ভেদ্য কাৰণটো স্পষ্ট হোৱাৰ আগতেই আকৌ দেখিলে আৰু এদল মানুহ ঠিক একেভাৱেই আহি আগৰবোৰৰ দৰেই গ'লগৈ। মানুহবোৰৰ উদ্বেগপূৰ্ণ ভাব দেখি ধাৰণা হ'ল যেন সিহঁতে পাছফালৰপৰা বিপদৰ আশংকা কৰি ব্যস্ত হৈ পলাইছে।

হঠাৎ চম্পাই জাঁপ মাৰি উঠিল। মুহূৰ্ততে এই মানুহবোৰ পলোৱাৰ সকলো ৰহস্য চম্পাৰ ওচৰত স্পষ্ট হৈ গ'ল। ৰঙাটিলা উৰাই দিয়াৰ কাৰণটোও সুন্দৰকৈ বুজিলে।

চাৰিওফালে এবাৰ তীক্ষ্ণ দৃষ্টিৰে চাই লৈ ৰমাক টানি আনিলে গড়ৰ এৰ্দাঁতিয়ে গুপ্ত ঠাইত থকা বৰটোপটোৰ ওচৰলৈ।

"...ৰমা আহ, দুঘণ্টা আগতে যিবোৰ পশুৱে বিজয়ীৰ গৰ্বত মত্ত হৈ কমল-নগৰ সোমাইছিলহি ঠিক দুঘণ্টাৰ পিছতে সিহঁতেই এতিয়া চোৰৰ দৰে পলাইছে! নিজৰ দেশলৈ ঘূৰি যোৱাৰ আগতে সিহঁতে এবাৰ ভালকৈ বুজি যাওক, নিৰপৰাধ দেশ এখনক এনেদৰে জ্বলাই পুৰি ছাই কৰি যোৱাৰ পৰিণাম। ...শুন! তই বৰটোপটো ব্যৱহাৰ কৰিবি আৰু মই সিদাঁতিয়ে থকাটো কৰোঁগৈ। এতিয়াও সিহঁতৰ বহুত আহিবলৈ বাকী আছে বিপদ হ'লে পলাবি, ময়ো পলাম..."

পাছমুহূৰ্তত চম্পাই ৰমাক এৰি ছিটিকি আন্ধাৰৰ মাজত ডুবি গ'ল। ৰমাই কথা এটা ক'বলৈকো সময় নাপালে।

তাৰ অলপ পিছৰপৰাই ৰমা, চম্পা দুয়ো গড়ৰ দুমূৰে থকা গুপ্ত ঠাইৰপৰা পলৰীয়া শত্ৰুৰ ওপৰত বৰটোপ বৰষিবলৈ আৰম্ভ কৰিলে। শত্ৰুৰ বিশৃঙ্খল দলপতিহীন সৰু সৰু দলবোৰে প্ৰতি-আক্ৰমণৰ কথা নাভাবি কোনোফালে ঘূৰি নাচাই সমানে আৰ্তনাদ কৰি কৰি নিজৰ দেশলৈ দৌৰিছে।

Scanned with CamScanner

কিন্তু তাৰ ভিতৰতো বহুতে হাতে হাতে- কিছুমানে ঘোৰাগাড়ীৰে, কিছুমানে অকল ঘোঁৰাৰ পিঠিত লুণ্ঠিত সম্পত্তি লৈ বৰটোপৰ আগেদিয়েই পলাল। দুই এখন সাৰিল, দুই এখন অকৰ্মণ্য হৈ যোৱাত এৰি থৈ গ'ল।

ইয়াৰ মাজতে যে চম্পাই এবাৰ গৌৰীৰ বাগীখনো টোপৰ আগত ঘোঁৰা দুটাৰে সৈতে আগছোৱা উৰুৱাই পঠিয়ালে তাক মন কৰিবলৈ সময় নাপালে। ইজাকৰ পাছত সিজাক আহিছে, চম্পা-ৰমাই সিহঁতৰ আধাক মাৰিছে, আধাক আৰ্তনাদ কৰি পলোৱা দেখিছে। আনন্দ-উত্তেজনাত অধীৰ হৈ মাজে মাজে চাইছে পলৰীয়া বীৰবোৰেনো কেনেদৰে প্ৰাণ লৈ দৌৰিছে।

কিন্তু হঠাৎ তাৰ মাজতে গৌৰীৰ বাগীখনো এঢলীয়া হৈ পৰি থকা চকুত পৰাত চম্পাৰ বুকু কঁপি উঠিল। এয়া চম্পাই কি কৰিলে! পশুবোৰৰ লগতে চম্পাই গৌৰীকো হয়তো ভুলতে বধ কৰিলে; সিহঁতে যদি লুণ্ঠিত বস্তুৰ লগত গৌৰীকো বাগীত বন্দী কৰি নিছে?

চম্পাৰ মূৰ ঘূৰি গ'ল। কি কৰিব কি নকৰিব একো ভাবি নাপালে। গৌৰীৰ কাৰণে দুৰ্ভাৱনাত, অনুশোচনাত, শত্ৰুৰ কথা, ভয়ৰ কথা, সকলো পাহৰি ক'বও নোৱাৰিলে কেতিয়া যে নিজেই গুপ্ত ঠাইৰপৰা ওলাই আহি বাহিৰত আত্মপ্ৰকাশ কৰিছে।

চম্পাই নিজৰ কথা ভাবিবলৈ পাহৰি গ'ল ঃ ভাবিছে গৌৰীৰ কথা যদি তাইৰ দোষতে গৌৰীৰ কিবা হৈ থাকে তেন্তে তাই 'দাদাৰ' ওচৰত আকৌ কেনেকৈ মুখ দেখুৱাব? কিহে পাইছিল চম্পাক এই কাম কৰিবলৈ...?

চম্পাই আগ-পাছ নাভাবি বাগীখনৰ ফালে দৌৰ দিলে; কিন্তু চম্পাৰ আৰু যোৱা নহ'ল-মাত্ৰ এখোজ নে দুখোজ আগবাঢ়িছিলহে এনেতে বতাহ ফালি সোঁ-সোঁ শব্দ কৰি অহা শত্ৰুৰ অব্যৰ্থ কাঁড় এপাট চম্পাৰ বুকুত সোমালহি। হিয়া ভঙা আৰ্তনাদ এটা মাথোঁ চম্পাৰ মুখৰপৰা ওলাই আহিল— 'উস দাদা...! দা-দা..."

...কোনে জানে, হয়তো সেই সময়ৰ ঠিক একেটা ক্ষণতে নদীৰ পাৰত ময়ো আঘাত পাই চম্পাকে চিঞৰি উঠিছিলো।

Scanned with CamScanner

কিন্তু চম্পাৰ আৰ্তনাদ বমাৰ বৰটোপৰ শব্দৰ আঁৰত কাৰো কাণলৈ নগ'ল। চম্পা দুখোজ পাছলৈ আহি কোনোমতে নপৰাকৈ খন্তেক বৰটোপৰ গাতে ধৰি ৰ'ল। চকুত পৰিছিল পলাবলৈ এৰি মানুহ দুটামানে চম্পাক ধৰিবলৈ খেদি আহিছে। চম্পাই এহাতে বুকুখন খামুচি ধৰি আন হাতেৰে সিহঁতলৈ লক্ষ্য কৰি সকলো শক্তিৰে আৰু এবাৰলৈ বৰটোপত জুই দিলে। শব্দ হ'ল 'গুৰুম!'

হয়তো কমল-নগৰত সেয়ে শেষ বৰটোপৰ ধ্বনি।

মানুহকেইটাৰ কি হ'ল চম্পাই নেদেখিলে। তাৰ আগতেই ওচৰৰ ঘাঁহনিৰ ওপৰত মুখ থেকেচা খাই চম্পা পৰি গ'ল। আৰু পৰিলেও সেই একেডোখৰ ঘাঁহনিত- য'ত যুঁজৰ দুদিন আগতে চম্পা-চন্দন দুয়ো হাঁহি-আনন্দৰ মাজত দুপৰীয়াৰ আহাৰ কৰিছিল।

শত্ৰু শেষ হোৱাত বমায়ো বৰটোপ মাৰিবলৈ এৰিলে। দূৰৈত মানুহৰ চিঞৰ শুনি মাতত বুজিলে সেয়া শত্ৰু নহয়- নিজৰ মানুহৰ? তথাপি অশোকহঁত আহি গড় নোপোৱালৈকে কিন্তু নিজৰ ঠাইৰপৰা বমা ওলাই নাহিল। যেতিয়া ওলাই আহিল তেতিয়া অশোকহঁত গৌৰীৰ আধা ভঙা বাগীৰ ওচৰত।

বাগীৰ ভিতৰত অশোকহঁতে যি দুজনাক দেখিলে, তেওঁলোকক তাত দেখিবলৈ পাব বুলি এবাৰ কল্পনাও কৰা নাছিল।

বাগীত বন্দিনী অৱস্থাত ৰাধা আৰু ৰূপহী। দুয়োৰে হাত বাগীৰ খুটাৰ লগত বন্ধা। ৰাধা-ৰূপহীৰ এই পৰিণতি দেখি বমা, অশোক সকলো স্তম্ভিত হৈ গ'ল। একমাত্ৰ গৌৰীৰ বাহিৰে যে কোনোবা ছোৱালী এই পাৰে বৈ গ'ল তাক অশোকে এই মুহূৰ্তলৈকে এবাৰো ভবা নাছিল।

লৰালৰি কৰি দুয়োৰে হাতৰ বান্ধ খুলি দিলে। ৰূপহী এদাঁতিয়ে ঢলি পৰিল। অশোকে ৰাধাৰ মূৰটো কোলাত তুলি লোৱাত ৰাধাই খন্তেকলৈ চেতনা পাই চকু মেলি বাধা দিবলৈ এবাৰ চেষ্টা কৰিলে। কিন্তু নিজক আঁতৰাই নিয়াৰ শক্তি আৰু ৰাধাৰ নাই।

Scanned with CamScanner

মাৰিছিলো। পশুবোৰে তহঁতক এই অৱস্থা কৰি লৈ যাব বুলি যদি আগতে জানিলোহেঁতেন...”

অতি ক্ষীণ মাতেৰে ৰাধাই লাহে লাহে কৈ গ'ল— “আমাৰ দুয়োৰে কাৰণে তোমালোকে বেজাৰ নকৰিবা ৰমা! তোমালোকে আমাক মৰা নাই। বহুত আগতেই দুয়ো বিহ খাইছো... যদি তাৰো আগতে খাব পাৰিলোহেঁতেন তেতিয়া হ'লে আৰু অলপো দুখ নাছিল। কিন্তু নোৱাৰিলো। সিহঁতে আমাক এনেভাৱে হঠাৎ ধৰিলেহি যে আত্মহত্যা কৰিবলৈ অলপো সময় নাপালো। ...ৰমা সিহঁত মানুহ নহয়, পশু! পশু!... অশোক দাদা, মৰাৰ আগতে মোৰ এয়ে আনন্দ যে যিটো পশুৱে মোৰ সৰ্বনাশ কৰিলে; তাক মই নিজ হাতেৰে বধ কৰিছো। আপোনালোকে দুখ নকৰিব। সিহঁত হাবি কমল-নগৰৰপৰা পলাই গ'ল। মই মৰাৰ আগতেই জানি গলো যুঁজত আমাৰেই জয় হ'ল। আমাৰ যিবোৰ মোতকৈ আগতে গ'লগৈ, সেই সকলোকে মই স্বৰ্গত ক'বগৈ পাৰিম যে আমাৰ মৃত্যু অথলে যোৱা নাই। সেয়ে মোৰ আটাইতকৈ ডাঙৰ সৌভাগ্য- ৰূপহীকে-মোকে নিবলৈ পশুবোৰে বিচাৰিছিল, কিন্তু নোৱাৰিলে। আজি এয়ে মোৰ তৃপ্তি, এয়ে শান্তি যে নিজৰ দেশৰ কাৰণে আনবোৰৰ দৰেই মই, ৰূপহী দুয়ো নিজৰ দেশৰ কোমল মাটিতেই মৰিবলৈ পালো। ...অশোক দাদা!... ৰমা...মই...”

ৰাধাই হয়তো আৰু কিবা ক'বলৈ চেষ্টা কৰিছিল, কিন্তু মুখ ফুটি কথাও নোলাল। তাইৰ সৰু প্ৰাণটিয়ে দেহা এৰি দূৰণিলৈ গুচি গ'লগৈ। তথাপি মৰাৰ আগতে জন্মাৱধি লাজকুৰীয়া আজলী ৰাধাই এবাৰ মানুহৰ চকুলৈ চাই, এবাৰ ৰঙা নপৰাকৈ শেষ কথাখিনি কৈ গ'ল। নাৰী জীৱনৰ শ্ৰেষ্ঠ সম্পদ হেৰুৱাই মাথোঁ চকুলোৱেই নুটুকিলে। ...ৰাধাই তাইৰ এধানমানি হাতখনো প্ৰতিশোধৰ তেজেৰে ৰাঙলী কৰি গ'লগৈ।

কাপোৰেৰে লাহেকৈ ৰাধাৰ মুখখন ঢাকি দিলে অশোকে। ৰাধাৰ মৃতদেহটো সাৱটি ধৰি ৰমাই কান্দিছে। অশোক আৰু দলৰ প্ৰতিটো মানুহেই যেন মূক হৈ গ'ল।

বহুত বেলিৰ মূৰত অশোকে ৰমাৰ কান্ধত মৰমেৰে হাতখন থলে ঃ “উঠা ৰমা, আৰু কান্দিলে কি হব...?” চকু মুচি মুচি ৰমা উঠিল।

“বৰটোপ কোনে নাৰিছিল? তুমি...?”

“মই আৰু চম্পা...” চম্পাৰ নাম ওঁঠলৈ অহাৰ লগে লগেই ৰমাৰ চম্পালৈ মনত পৰিল। ৰাধা-ৰূপহীৰ অৱস্থা দেখি ৰমাই সম্পূৰ্ণৰূপে চম্পাৰ কথা পাহৰি

Scanned with CamScanner

গৈছিল। চাৰিওফালে চাই চম্পাক নেদেখি চিঞৰিলে— "চম্পা! চম্পা!" আন্ধাৰ ফালি ওচৰৰ পৰ্বতৰ বুকুত তাৰ প্ৰতিধ্বনি হ'ল। কিন্তু উত্তৰ কোনেও নিদিলে।

"চম্পা ক'ত আছিল?"

ৰমাই অশোকৰ প্ৰশ্নৰ উত্তৰ নিদি গড়ৰ ইদাঁতিলৈ লৰ ধৰিলে। পিছে পিছে গ'ল বাকীবোৰ।

...অকলশৰে চম্পা ঘাঁহনিত পৰি আছে। বুকুখন তেজেৰে ৰাঙলী।

"আইদেউ! আইদেউ!" চম্পাৰ ভৰিৰ ওচৰত আছাৰ খাই পৰি তিলকে ধৰ্‌ফৰাবলৈ ধৰিলে। ৰাধাৰ দুখত অলপ আগতে ৰমাই কান্দিছিল। এইবাৰ কিন্তু কান্দিবও নোৱাৰিলে। নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই কি দেখিছে। অশোকে নিজক আৰু সংযত কৰি ৰাখিব নোৱাৰি আৰ্তনাদ কৰি চম্পাৰ ওচৰত বহি পৰিল। চম্পাক এনে অৱস্থাত দেখিবলৈ অশোকহঁত কোনো প্ৰস্তুত নাছিল। ৰাধাহঁতৰ কাৰণে সকলোৰেই প্ৰাণে কান্দিছিল, কিন্তু চম্পা কমল-নগৰৰ প্ৰাণ-সকলোৱে জানে, চম্পা নহ'লে কমল-নগৰ জীয়াই নাথাকে; মৰি যাব। কমল-নগৰৰ চিৰআনন্দৰ নিজৰা চম্পাৰ বুকুৰ কেঁচা তেজ দেখি সকলো বজ্ৰাহতৰ দৰে থৰ লাগিল, আনকি দেহাটো তুলি ধৰিবলৈকো পাহৰি গ'ল।

চম্পাক এৰি বাকীবোৰৰ চকু আপোনা আপুনি গৈছে তিলকৰ ফালে। বাণ-বিদ্ধ আধামৰা জন্তু এটাৰ দৰেই সি ধৰ্‌ফৰাইছে। সি যে কষ্ট পাইছে তাক সকলোৱেই অতি দুখেৰেই উপলব্ধি কৰিছে।

চম্পাৰ লগতে সিও সেই সৰুৰেপৰা একেলগেই ডাঙৰ-দীঘল হৈ উঠিছে। চম্পা-চন্দন তাৰ প্ৰভু যদিও ঘাতমাউৰা তিলকৰ এই পৃথিৱীত চম্পা-চন্দনেই আছিল একমাত্ৰ আপোনজন।

ৰমাই যেন স্বপ্নৰ মাজত হে চম্পাৰ মূৰটো কোলাত লৈ মাতিলে— "চম্পা। চম্পা।"

চম্পা মৰা নাছিল। লাহে লাহে চকু মেলি চালে। কাৰো মুখত মাত নাই। সকলোৱে উশাহ বন্ধ কৰি চম্পাক বেঢ়ি ধৰিলে। আটাইৰে মুখলৈ এবাৰ এবাৰ চাই, পাছত নিজৰ ৰাঙলী বুকুখনত চকু পৰাত অতি ক্ষীণকৈ চম্পাই হাঁহিলে ঃ "ৰমা!"

"কি চম্পা?"

"বাগীখনত গৌৰী আছিল?"

ৰমাই মূৰ জোকৰাত চম্পাই বৰ শান্তিৰে দীঘলকৈ এটা উশাহ ল'লে ঃ "মোৰ

বৰ ভয় লাগিছিল ৰমা, ভাবিছিলো গৌৰীক হয়তো আমি ভুলতে মাৰি পেলালো...” অশোকলৈ চাই পুনৰ প্ৰশ্ন কৰিলে— “দাদা ক'ত?”

অশোক মনে মনে থকাত চম্পাই হঠাৎ আৰ্তনাদ কৰি উঠিল— “দাদা ক'ত? দাদা ক'ত? অশোক দাদা নকয় কেলৈ? কওক, বেয়া খবৰ হ'লেও মই শুনিম, মোক কওক অশোক দাদা...”

উত্তেজনাত চম্পাক উঠি বহা দেখি অশোকো ব্যস্ত হৈ উঠিল— “চম্পাময়ো নেজানো চন্দন ক'ত। শুনিছিলো গৌৰীৰ পাছে পাছে ৰঙাটিলালৈ গৈছিল। তাৰ পাছৰপৰা চন্দন-গৌৰীৰ বাতৰি আৰু কোনেও পোৱা নাই...”

লাহে লাহে চম্পা শান্ত হ'ল— “দাদাও তেন্তে আমাৰ দৰেই গৌৰীৰ পাছে পাছে গৈছিল? ...ৰমা, মই এতিয়াহে বুজিছো...”

“কি?”

চম্পাই কিন্তু উত্তৰ নিদি মনে মনে থাকিল। তাৰ পাছত তিলকৰ মূৰত হাতখন থৈ হাঁহি ক'লে— “তিলক তই কান্দিছ কেলৈ? নাকান্দিবি! মই মৰা নাই নহয়; আৰু নমৰোও। মই জানো, মোৰ মনে কৈছে দাদা আৰু গৌৰীও মৰা নাই, তই নেকান্দিবি? তাতকৈ বৰঞ্চ মতিহঁতক লগত লৈ ৰঙাটিলাৰ কাষৰ হাবিত বিচাৰি চাগৈ। দাদাহঁতক নিশ্চয় তাতেই পাবি। উঠ তিলক! ...অশোক দাদা মই জেঠাইদেউৰ ওচৰলৈ যাম, মোক লৈ ব'লক...সোনকালে...মই...”

কিন্তু অশোকৰ উত্তৰ শুনাৰ আগতেই চম্পা আকৌ ৰমাৰ কোলাতে অচেতন হৈ পৰিল।

...তাৰ কেইবাঘণ্টাৰ পাছত মাজনিশা প্ৰথমবাৰলৈ চম্পাই আকৌ চকু মেলি চালে। চম্পাক কোলাত লৈ মা পাষাণ মূৰ্তিৰ দৰে স্তব্ধ হৈ বহি আছে। ওচৰত উমা, ৰমা, আৰতি আৰু মণিকে আদি কৰি সকলো।

“জেঠাইদেউ...!”

চম্পাৰ মাতত শিলৰ মূৰ্তিৰ মাজলৈ প্ৰাণৰ স্পন্দন আহিল। লাহে লাহে মাই

Scanned with CamScanner

ভৰা ৰাতিৰ আকাশখন। তলৰ পানীত তাৰেই কঁপি কঁপি থকা প্ৰতিবিম্ব। ...কাঞ্চনমতীৰ প্ৰথম সোঁতত দুয়ো উদ্দেশ্যহীনভাৱে উটি গৈ আছো। হিমালয় দুহিতা, শিৱধ্যান-মগ্না গৌৰীৰ দৰে, গৌৰীয়েও মোৰ মৃবটো কোলাত লৈ একেথৰে নাৱৰ আগে আগে বৈ যোৱা ৰাতিৰ মেঘ বৰণীয়া পানীবোৰলৈ চাই আছে। ক'ব নোৱাৰে ক'লৈ গৈছে। নদীৰ দুয়ো পাৰে অটব্য অৰণ্যৰ বাহিৰে আৰু ক'তো একো চকুত নপৰিলে; বেউলাৰ এই অনন্ত যাত্ৰা গৌৰীয়ে যে ক'ত শেষ কৰিব নাজানো।

হঠাৎ গৌৰীয়ে ধ্যান ভাঙি মোৰ চকুলৈ এবাৰ চায়েই পাছমুহূৰ্তত আন্ধাৰতো দুয়ো হাতেৰে নিজৰ বুকখন ঢাকিবলৈ চেষ্টা কৰিলে। ...গৌৰীৰ গাত ৰিহাখন নাই; নাওখনৰ ইফালে সিফালে চাই দেখিলো অলেখ টুকুৰা-টুকুৰ ফটা-কানি আমাৰ চাৰিও দাঁতিয়ে সিচঁৰতি হৈ পৰি আছে। প্ৰতিডোখৰেই তেজেৰে ৰঙা। মোৰ আঘাতটোৰপৰা অবিশ্ৰান্তভাৱে ওলাই থকা তেজ বন্ধ কৰিবলৈ নাৱত ব্যৱহাৰ কৰিব পৰা সকলো কাপোৰেই শেষ হৈ যোৱাত উপায়হীন গৌৰীয়ে নিজৰ গাৰ ৰিহাখনেই ডাঙৰ পাগুৰী এটাৰ দৰে মোৰ বাউসীটোত বান্ধি থৈছে। মোৰ অজ্ঞান অৱস্থাত গৌৰীয়ে নিজৰ কথা ভবা নাছিল, কিন্তু এতিয়া গৌৰী দ্বিধাত পৰিছে। গাত গোটেই দেহাটো ঢাকি ধৰা যুঁজৰ প্ৰথম দিনাৰ চোলাটোও নাই। বহুদিন আগতে চম্পাক ঠিক এনে এটা চোলাৰেই দেখা মনত পৰিল। সেইদিনা গধূলি চম্পাই পিৰালিত বহি পাৰ চৰাইবোৰক লগত লৈ গীত গাই থকা দৃশ্যটো চকুৰ আগত ভাঁহি উঠিল।

গৌৰীৰ কোলাৰপৰা উঠিবলৈ চেষ্টা কৰি পাছমুহূৰ্তত আকৌ আগৰ দৰেই শুই পৰিলো। যন্ত্ৰণাত মূৰৰপৰা ওলাই আহিল কাতৰোক্তি। লাজৰ ঠাইত হঠাৎ গৌৰীৰ মুখত ফুটি উঠিল উৎকণ্ঠা— "তোমাৰ কষ্ট হৈছে.....।"

"একো নাই হোৱা-"

ফাঁকি দি জোৰ কৰিয়েই উঠি বহিলো। অনুভৱ হ'ল নতুনকৈ হে যেন কোনোবাই আকৌ মোক আঘাত কৰিছে। চাই দেখো, গৌৰীৰ মেখেলাখনৰ এছোৱা তেজেৰে ৰঙা। তাৰ পাছত চাৰিওফালে এবাৰ চকু ফুৰাই প্ৰশ্ন কৰিলো— "এয়া তুমি মোক ক'লৈ আনিলা? কিমান সময় আমি এনেভাৱে উটি আহিছো?"

স্বপ্নাৱস্থাৰ মাজতহে যেন বৈ যোৱা পানীবোৰলৈ চাই চাই কৈ গ'ল : "ক'ব নোৱাৰো, মোৰ একো ধাৰণা নাই। হয়তো এটা বছৰ, নহয় এটা যুগ। সেইবোৰ ভবাৰ শক্তিও আৰু মোৰ নাই। মই পাহৰি গৈছো মই কোন। তুমি কোন। ক'ত

আমাৰ জন্ম হৈছিল। ক'ত ডাঙৰ দীঘল হৈছিলো। ক'তেবা আমি দুয়ো আগতে আছিলো আৰু কিয় বা দুয়ো এনেদৰে উটি আহিছো...''

গৌৰীয়ে মোৰ প্ৰশ্নৰ উত্তৰ দিয়া নাই। নিজৰ মনত উদয় হোৱা ভাববোৰকে মাথোঁ ডাঙৰ ডাঙৰকৈ কৈ গৈছে। গৌৰীয়ে নকলেও মই কিন্তু ধৰিব পাৰিছো, চাৰি-পাঁচ ঘণ্টাৰ ব্যৱধান-সেই সময়খিনিৰ ভিতৰত আমি যে কমল-নগৰৰপৰা কিমান দূৰ উটি আহিলো তাৰ সঠিক হিচাপ কৰাৰ সাধ্য মোৰ নাই।

দুৰ্ভাৱনাত অন্তৰাত্মা শুকাই গ'ল। এতিয়া কেনেকৈ উভতিম? পানীয়ে পানীয়ে উজাই অহা শক্তি আমাৰ নাই। কোনে নাও চলাব? ঘোঁৰা দুটা, গাড়ীখন আছে কিন্তু পানীত সিহঁতে বা কি কৰিব? একমাত্ৰ উপায় বামেৰে যোৱা। কিন্তু তালৈকে এই অটব্য অৰণ্যৰ মাজত পথ ক'ত?

ক্ৰমাৎ দুৰ্বল হৈ আহিছো যদিও স্মৃতিশক্তি সম্পূৰ্ণ লুপ্ত হৈ যোৱা নাই। হঠাৎ মনত পৰিল যদু খুৰাৰ মুখত শুনা এদিনৰ কথাখিনি ঃ পশ্চিমৰ নগৰবোৰৰ ৰাজধানীলৈ যোৱা আলি এটা কমল-নগৰৰপৰা ত্ৰিছ-পঁয়ত্ৰিছ মাইল পশ্চিমেদি আৰু মাজে মাজে কাঞ্চনমতীৰ দাঁতিয়েদি ক্ৰমাৎ পূবলৈ গৈছে। যদি সেই আলিটো কেনেবাকৈ বিচাৰি পাওঁ, হয়তো তাৰেই ৰাজধানীলৈ যোৱা কমল-নগৰৰ আলিটোও পাব পাৰো। অলপ আশা হ'ল। গৌৰীৰ লগত পৰামৰ্শ কৰি দুয়ো তাকেই উলিয়াবৰ চেষ্টাত নৈৰ দাঁতিয়ে দাঁতিয়ে নাও উটাই গৈ আছো।

কত শতবাৰ যে নাও চপাই দুয়ো পাৰলৈ হতাশ হৈ উভতি আহিছো তাৰ হিচাপ নহ'ল। ভোক-পিয়াহত, পিঠিৰ যন্ত্ৰণাত অৱস্থা মোৰ শোচনীয় হৈ উঠিছে। ভালকৈয়ে অনুভৱ কৰিছো আৰু বেছি পৰলৈ মই নেথাকো। শৰীৰৰ শক্তি শেষ হৈ আহিছে। গৌৰীয়ে বুজিছে সকলো। পাছলৈ মোক নাৱত থাকিবলৈ অনুৰোধ কৰি নিজেই অকলে নৈৰ পাৰত পথৰ সন্ধান কৰিবলৈ যাব বিচাৰিছে। কিন্তু গৌৰীক অকলশৰে যাবলৈ এৰি দিব পৰা নাই। অশেষ কষ্টত প্ৰতিবাৰেই নিজৰ দেহাটো টানি লৈ ফুৰি ক্ৰমাৎ নিৰুৎসাহ হৈ পৰিছো। কিন্তু গৌৰী হতাশ নহৈ নতুন উদ্যমেৰে মোক সান্ত্বনা দিছে, উৎসাহ দিছে। আশা, আলি এটা নিশ্চয় গৌৰীয়ে বিচাৰি পাব।

গৌৰীৰ মনত জোৰ আছে। হয়তো সি ভগৱানৰ দয়া। এবাৰ গৌৰীৰ আশা ফলৱতী হ'ল। দুয়ো শেষত সেই আলিৰ দৰ্শন পালো; কিন্তু আলিৰ দুয়ো কাষৰ দুৰ্গম অৰণ্য দেখি ভয়ত বুকু কঁপি উঠিল। ৰাতিৰ আন্ধাৰত আৰু ক'লা হৈ দেখা দিয়া, বনৰীয়া হিংস্ৰ জন্তুৰে ভৰা এই ভয়াবহ হাবিখনৰ মাজেদি এই দুপৰ

Scanned with CamScanner

নিশা আমি দুয়ো যাম কেনেকৈ? আৰু এই আলিটোৰেই যে আমি বিচৰাটো তাকেই বা কোনে কৈ দিব।

গৌৰীয়ে কিন্তু উৎসাহত একো ভ্ৰূক্ষেপ নকৰি, ঘোঁৰা দুটাৰ সহায়েৰে গাড়ীখন আলিলৈকে নিয়ালে। মোৰ সাধ্য নাই গৌৰীক সাহায্য কৰো। গৌৰীয়ে বিচৰাও নাই। গৌৰীক বিপদত নেপেলাবলৈ ধৈৰ্য ধৰি মাথোঁ ভগৱানক খাটিছো, মোক যেন এই সময়ত আকৌ অজ্ঞান কৰি নেপেলায়। মোৰ মুখলৈ চাবলৈ গৌৰীয়ে ভয় কৰিছে। প্ৰতি মুহূৰ্তে ভাবিছে, মই এতিয়াই গৌৰীৰ সন্মুখতেই হয়তো মৰি যাম। মোক একো কৰিব দিয়া নাই মাথোঁ মুখেৰে প্ৰবোধ দিছে— “আৰু অলপ, আৰু অলপ আছে, অলপ সময় কষ্ট কৰি থাকা দেই...”

যি গৌৰীৰ প্ৰতি খোজতে দুই-তিনিজনী লিগিৰীয়ে ওচৰে-পাজৰে থাকি সকলো কৰি দিছিল, যি দুখন কোমল হাতেৰে আনকি ৰূপচৰ্চা, নিজক সজোৱাৰ কষ্টকণো কৰিবলগীয়া নহৈছিল, সেই গৌৰীয়েই এতিয়া অকলে অকলে দুপৰ ৰাতি এই অৰণ্যৰ মাজত নিজৰ গাড়ীত ঘোঁৰা জুৰিছে। শুকুলাক গাড়ীৰ পাছফালে বান্ধি দিছে। গাড়ীত থকা অলপ-অচৰপ ধানখেৰ গোটাই লৈ মোৰ বিছনা ৰচি দিছে।

গৌৰী নিজৰ কামত ব্যস্ত। মই গাড়ীৰ দাঁতিত ধৰি কোনোমতে নিজক থিয় কৰি ৰাখিছো, হঠাৎ ভয়ংকৰ চক্ খাই উঠিলো। অলপ আঁতৰতে হোৱা বাঘৰ গৰ্জনত গোটেই হাবিখন কঁপি উঠিছে। গৌৰীৰ মুখ ক'লা পৰি গ'ল। ঘোঁৰা দুটাই জঁপিয়াইছে।

নাৰলৈ উভতি যোৱাৰ কথা মনত নেখেলালে। গৌৰীয়ে লৰালৰিকৈ মোক ধৰি-মেলি গাড়ীৰ ওপৰত তুলি তৎক্ষণাত শুৱাই দিলে। নিজেও ওচৰত বহি হাতৰ ওচৰত সৰু ছুৰীখন থৈ এহাতে লেকাম ধৰি আন হাতত বেত এডাল লৈ কোবাই গাড়ীখন বিজুলী বেগেৰে এৰি দিলে।

বহুত সময়লৈকে বাঘৰ গোজৰণি শুনিলো। মাজে মাজে নাইকিয়া হ'ল, মাজে মাজে আকৌ শুনিলো। গৌৰীয়ে কোনোফালেই ঘূৰি চোৱা নাই। তীক্ষ্ণভাৱে সন্মুখৰ বাটলৈ লক্ষ্য ৰাখি গাড়ীৰ গতিবেগ মুহূৰ্তলৈকো কমিবলৈ নিদি সমানে গাড়ী এৰিছে।

...সন্মুখৰ বাটত দুয়ো কাষৰপৰাই নতুন নতুন বন্যজন্তুৰ ভয়ংকৰ চিঞৰৰ কাণত পৰিছেহি। কিন্তু তাক শুনিও তাৰপৰা হব পৰা বিপদৰ কথা মই ভবা নাই। ভাবিছো-ভোক, পিয়াহ আৰু গাড়ীৰ থেকেচনিত দুগুণকৈ তেজ ওলোৱা কটাডোখৰৰ যন্ত্ৰণাত আধামৰা হৈ উঠা দেহাটো লৈ ঘৰ পামগৈ জানো? যদি তাৰ আগতেই এই বাটতেই মৰো তেন্তে গৌৰীৰ কি গতি হ'ব?

Scanned with CamScanner

– সাধ্য অনুসৰি মৰণক দূৰলৈ ঠেলি থৈ নিজক সজ্ঞানে সাৰে ৰাখিবলৈ চেষ্টা কৰি গৈছো। গৌৰীক এৰি মৰা দূৰৰ কথা, শুবলৈকো ভয় হৈছে। সেয়ে দুই এটা কথা কৈ গৌৰীক জনাবৰো চেষ্টা কৰিছো, অভয় দিছো, যে মই এতিয়াও মৰা নাই; শোৱাও নাই।

কিন্তু বেছিদূৰ আৰু তেনেকৈ থাকিব নোৱাৰিলো। এসময়ত ক'ব নোৱাৰিলো মোৰ কি হৈ গ'ল।

চম্পাৰ কথামতেই তিলকে চকুপানীৰ মাজত সিহঁতক লগত লৈ ৰঙাটিলাৰ চাৰিওকাযে আৰু গোটেই দক্ষিণপাৰৰ চাৰিচুক তন্ন তন্ন কৰি বিচাৰিও গৌৰী-চন্দনক কিন্তু দেখা নাপালে। এঠাইত এঘৰৰ চোতালৰ এমূৰে দেখিলে, এটা ছাগলী পোৱালি লগত লৈ এহাল কেঁচুৱা ল'ৰা-ছোৱালী টোপনিত অচেতন। কমল-নগৰৰে এজন বৰমূৰীয়াৰ একমাত্ৰ জীয়েকৰ সন্তান দুয়ো।

এই মহাপ্ৰলয়ৰ মাজত এই তিনিটা প্ৰাণী যে কেনেকৈ ৰক্ষা পৰিল তাক ভগৱানেই জানে।

মাকে সন্তানক কোলাত সাৱটি ধৰি ধকাৰ দৰেই, চাৰি বছৰীয়া বায়েকৰ কোলাত তাইৰে এধানিমান সৰু ভায়েক- এদাঁতিয়ে ছাগলী পোৱালিটো। হয়তো সিহঁতৰ খেলাৰ লগৰী। তিনিওৰে কাষত ঘৰৰ পকী নাদটো। সকলোৱে বুজিলে- আত্মহত্যা কৰাৰ আগতে সেই দুৰ্ভগীয়া কোমলপ্ৰাণ মাতৃয়ে বুকুৰ অমৃত দি গঢ়ি তোলা নিজৰ সন্তানহালক হয়তো নিজৰ লগতে লৈ যাবলৈ শক্তি নাপালে। ভগৱানৰ হাতত হালকে সঁপি থৈ অকলেই গ'লগৈ। বোধকৰো তেতিয়াৰেপৰা মাতৃহাৰা সন্তানহালে তেনেকৈয়ে বহি কান্দি কান্দি এসময়ত শুই পৰিছে। দুয়োৰে সৰু সৰু কোমল গাল দুখনত শুকাই যোৱা চকুলোৰ দাগ।

মতিহঁতে ধৰা-মেলা কৰি সিহঁতক কোলাত তুলি লৈ খোজ ললে উত্তৰ পাৰলৈ। তিলকে লগত দুটা মানুহ লৈ আকৌ, এই শেষবাৰলৈ ৰঙাটিলাৰ ফালে আগবাঢ়ি আছিল, আশা যদিবা গৌৰী চন্দনক পাওঁতেই।

Scanned with CamScanner

।। অষ্টাদশ অধ্যায় ।।
নৱ-প্ৰভাত

পুৱতি নিশাৰ লগে লগেই সাৰ পাই চকু মেলিলো। বহুত পৰলৈ পৰিষ্কাৰ কৰি একো ভাবিব পৰা নাই মই ক'ত? গৌৰীৰ ফালে চাই দেখিলো, গাড়ীৰ সন্মুখৰ কাঠছটাত মূৰটো থৈ শুই পৰিছে। গাড়ী চলোৱা হাতৰ বেতডাল তেতিয়াও হাতৰ মুঠিত। ...বুজিলো, গোটেই ৰাতি গৌৰীয়ে গাড়ী চলাই আহিছে। গৌৰীৰ তন্দ্ৰা-অচেতন ক্লান্ত মুখখনলৈ চাই মনত পৰিল দুদিন আগৰ সেই ননীৰ পুতলা, আভিজাত্যৰ গৰ্বত গৰ্বিতা ৰাজ-দুহিতা, কমল-নগৰৰ সৰ্বসন্মানিত প্ৰধান গাভৰু লিগিৰী-পৰিবৃতা ৰাজকুঁৱৰী গৌৰীলৈ। আৰু আজি? নিয়তিৰ কি কঠোৰ পৰিহাস। ইচ্ছা হ'ল সেই ক্লান্ত চকু দুটিত এটি চুমা দিওঁ। কিন্তু জগাই তুলিবৰ সৎ নগ'ল। শোৱক- যি খন্তেক পাৰে শুই লওক সকলো পাহৰি থাকক...।

...মূৰটো তুলি আলিটোৰ দুয়োফালেই এবাৰ চাই ললো। অপূৰ্ব সুন্দৰ ঠাইডোখৰ। আলিৰ দুয়ো দাঁতিয়ে ডাঙৰ সৰু নানা আকাৰৰ, নানা বৰণৰ গছবোৰ নৱ-বসন্তৰ নতুন সাজত সজ্জিত। তাৰ অলপ দূৰত পুখুৰীৰ আকাৰে ঠায়ে ঠায়ে পানী। সিপাৰলৈ পানীতে ওলমি পৰা সৰু সৰু গছকেইজোপাৰ ডালবোৰ অলেখ বনৰীয়া ফুলেৰে ভৰা। পাৰৰ শ্যামল ঘাঁহনিডৰা লাহে লাহে ডাঠ হৈ অটব্য অৰণ্যৰ ওচৰ পাইছেগৈ।

পুৱতি অৰুণৰ পোহৰ পৰি ওচৰৰ দূৰৰ প্ৰতিজোপা গছৰ প্ৰতিটো পাতত ওলমি থকা নিয়ৰৰ টোপালবোৰ মুকুতাৰ দৰেই জিলিকিছে। ঠাইডোখৰৰ আৰু জেউতি বাঢ়িছে নানা ৰঙৰ, নানা জাতৰ বনৰীয়া চৰাই, মতলীয়া ভোমোৰাৰ মহা-আনন্দৰ প্ৰভাতী আৰতিত। সোঁফালে পানীৰ সিপাৰে দেখিলো, সেউজীয়া ঘাঁহনিৰ বুকুত এহাল ধুনীয়া ম'ৰা চৰাই। তাৰে এটা শুই, আনটো থিয় দি আছে। কি সুন্দৰ হৈছে সিহঁতক দেখিবলৈ।

প্ৰকৃতিৰ লীলাভূমি এই সুন্দৰ দেশখনৰ সৌন্দৰ্য কিন্তু বেছি পৰলৈ উপভোগ কৰিব নোৱাৰিলো। পিঠিৰ কটাডোখৰে নিষ্ঠুৰভাৱে মোক সোঁৱৰাই আছে তাৰ

Scanned with CamScanner

উপস্থিতিৰ কথা। বাধ্য হৈ আকৌ আগৰ দৰেই শুই পৰিলো। শুই শুয়েই যিমান পাৰো উপভোগ কৰি লওঁ।

চকুৰ ওপৰৰ নীলা আকাশখন সময়ৰ লগে লগে আৰু উজ্জ্বল হৈ উঠিছে। গৌৰীৰ ফালে বহুত সময় চোৱা নাছিলো। সেইফালৰপৰা অলপ শব্দ অহাত কেৰাহিকৈ চাই দেখিলো, গৌৰীয়ে সাৰ পাই দুয়ো হাতেৰে চকু মোহাৰি মোহাৰি উঠি বহিছে। এইবাৰ বোধকৰো মোৰফালে চাব। কিয় ক'ব নোৱাৰো, লৰালৰিকৈ চকু মুদি টোপনিৰ ভাও ধৰিলো। নাজানো গৌৰীয়ে মোৰফালে চালে নে নাই, যদি চাইছিল তেন্তে নিশ্চয় মোৰ টোপনি বুলিয়েই ভাবি লৈছিল।

অলপ পাছত গৌৰীৰ ফালৰপৰা এটা চিনাকি উক্তি শুনিলো। অবাক হৈ যোৱা মনৰ ভাব গৌৰীয়ে ব্যক্ত কৰিছে। বুজিছো। নিশ্চয় সেই ধুনীয়া ম'ৰাহাল দেখি, ৰঙীণ চৰাইবোৰ দেখি, তাতোকৈ বেছি ঠাইডোখৰৰ অপূৰ্ব সৌন্দৰ্য দেখি...। ভয়াবহ এটা ৰাতিৰ পাছত প্ৰকৃতিৰ এই মনোমোহা ৰূপ দেখি গৌৰী মুগ্ধ হৈ গৈছে।

কিছুদূৰ গৈ হঠাৎ এবাৰ গৌৰীয়ে গাড়ীখন ৰাখিলে। ভাবিছিলো গৌৰী গাড়ীৰপৰা নামিব খুজিছে। কিন্তু বহুত পৰলৈকে নমাৰ একো লক্ষণ নেদেখি আচৰিত হলো।

গৌৰীৰ ফালৰপৰা একো শব্দ নাপাই ধৰিব নোৱাৰাকৈ অলপ চুৰ কৰি চাই দেখো, গৌৰীয়ে ভাবত বিভোৰ হৈ গাড়ীৰ খুটা এটাত আঁউজি নিৰ্দিষ্ট মনে কাষৰ গছ এডালৰ আগলৈ চাই আছে। কৌতূহল হ'ল, কিহে গৌৰীক এনেকৈ আকৰ্ষণ কৰিছে?

গাল আৰু খুটাৰ মাজেদি সৃষ্টি হোৱা এধানমান বাটটোৰে লক্ষ্য কৰি দেখিলো, আমাৰ বাওঁফালে হালি পৰা পত্ৰবিহীন গছৰ ডাল এটাত এহাল বনৰীয়া চৰাই। নতুন বসন্তৰ নতুন কুমলীয়া পাতৰ ৰঙৰ দৰেই সিহঁতৰ গাৰ বৰণ। ৰঙা ৰঙা সৰু ঠোঁট, ধুনীয়া চকুহালৰ মাজেদি পৱিত্ৰ চন্দনৰ ৰেখাৰ দৰেই এডাল এডাল বগা আঁচ। ডিঙি আৰু বুকুৰ কেঁইৰাধাৰো মালাৰ দৰেই পতি মুহূৰ্ততে বৰণ

টুকুৰিয়াই টুকুৰিয়াই তাক আমনি কৰিছে...। ঠিক আমনিয়েই কৰিছে নে পখী জীৱনৰ প্ৰণয়ৰ চুমাই আঁকি দিছে ক'ব নোৱাৰিলো; কাৰণ পখী জীৱনৰ প্ৰণয়ৰ ধাৰা মই নুবুজো- অন্ততঃ কমল-নগৰৰ আঁতৰত থকা এই অচিনাকি হাবিৰ বনৰীয়া চৰাইহালৰ।

সিহঁতক একেথৰে গৌৰীয়ে চাই আছে। পাছফালৰপৰা গৌৰীৰ মুখখন মই ভালকৈ দেখা নাই। বুকুৰ ভাব মুখত কেনেকৈ ফুটি উঠিছে তাকো দেখা নাই; কিন্তু মই জানো গৌৰীয়ে কি ভাবিছে। অলপো শব্দ নকৰাকৈ চকু মুদি আগৰ দৰেই পৰি আছো। কাৰণ পৰি থাকিবলৈ মই বাধ্য- যেহেতু মোৰ টোপনি। অন্ততঃ গৌৰীয়ে বুজক মোৰ টোপনি বুলি।

অপেক্ষা কৰি আছো গৌৰীয়ে এইবাৰ কি কৰিব? শুনিলো, গৌৰীয়ে কথা কৈছে- খুব অস্পষ্ট ভাষা। কাণ থিৰ কৰি শুনি বুজিলো, কথা মোৰে সৈতে নহয়... চৰাইহালৰ সাৰ পাই থকাজনীক সম্বোধন কৰিছে-

"সেউজী পখী...!"

সেই অজান হাবিৰ বনৰীয়া চৰাইহালৰ নাম নিশ্চয় 'সেউজী' নহয়। কিন্তু গৌৰীয়ে সেই নামেৰেই মাতিছে ঃ "সেউজী পখী, তই নাজান তহঁত দেখিবলৈ কিমান ধুনীয়া-"

গৌৰীৰ প্ৰশংসা শুনি সিহঁতেনো কেনেভাৱে কৃতজ্ঞতা প্ৰকাশ কৰিলে মই নেদেখিলো কিন্তু অলপ পাছতে গৌৰীৰ কথা আকৌ কাণত পৰিল— "তোৰ লগৰীৰো টোপনি সেউজী? ...মোৰ"

সম্পূৰ্ণ কথাখিনি গৌৰীয়ে ফুটাই নক'লে। চকুমেলি এবাৰ চাবলৈ বৰ লোভ হৈছিল, কিন্তু ভয় হ'ল কাৰণ মই বেছ বুজি পাইছো, গৌৰীয়ে এতিয়া আৰু সেউজীৰ ফালে চোৱা নাই। অনুভৱ কৰিছো গৌৰীৰ চকু মোৰ মুখত। তাতোকৈ বেছি অনুভৱ কৰিছো, গৌৰী এতিয়া আগৰ ঠাইতো বহি থকা নাই; মোৰ একেবাৰে কাষ পাইছেহি। গৌৰীৰ কোমল বুকুৰ তেজৰ গৰম বা মোৰ বুকুতো আহি লাগিছেহি। কল্পনাৰ দৃষ্টিৰে দেখিবলৈ পাইছো, প্ৰতিটো উশাহৰ সৈতে উঠা-নমা কৰা গৌৰীৰ বুকুৰ শাৰীৰিক ভংগী- চকুৰ অস্বাভাৱিক উজ্জ্বলতা।

হঠাৎ অনুভৱ কৰিলো গৌৰীয়ে মোক স্পৰ্শ কৰিছে। সন্দেহ হৈছিল প্ৰথম পৰশত গৌৰীৰ হাতখন যেন মুহূৰ্তলৈ কঁপি উঠিছিল। আউল-বাউল হৈ মোৰ কপালত পৰি থকা চুলিকেইডাল আলফুলকৈ গৌৰীয়ে আকৌ পৰিপাটিকৈ থলে।

Scanned with CamScanner

তাত আছে ক'ব নোৱাৰো, কিন্তু গোটেই

হঠাৎ গৌৰীয়ে মোৰ কপালৰপৰা হাতখন আঁতৰাই নিলে। নুবুজিলো তাৰ কাৰণ কি! মই সাৰ পাই উঠো বুলি ভয় কৰি? ভাবিলো, হয়তো ইমানেই মোৰ প্ৰাপ্য!... কিন্তু কিয় গৌৰীয়ে এইকণেই দান কৰি ৰিক্ত হৈ গ'ল? কিয় বুজা নাই যে মই এতিয়াও তৃপ্ত নহয়...।

মোৰ ভুল ভাগিল। গৌৰী নিজেও হয়তো ইমানতে তৃপ্ত নহয়। গৌৰীৰ উপচি পৰা যৌৱন-বানৰ ঢল এধানি সৰু কপালত আঙুলি বুলাই ভেটা দিব নোৱাৰি। গৌৰীয়ে তাতোকৈ ডাঙৰ সাহসৰ পৰিচয় দিব খুজিছে।

লাহে লাহে মই অনুভৱ কৰিছো, গৌৰীৰ মুখৰ গৰম উশাহ মোৰ মুখতো লাগিছেহি। প্ৰথমে দূৰৰপৰা, তাৰ পাছত লাহে লাহে ওচৰলৈ... আৰু ওচৰলৈ।

অধৈৰ্য হৈ উঠিলো ঃ গৌৰীয়ে ইমান বেলি কৰিছে কেলৈ?

গৌৰীৰ এতিয়াও ভয়? নে লাজ? নে লাজ পোৱাৰ ভয়?

ভাবিবৰ ধৈৰ্য মোৰ শেষ হৈ গ'ল। শেষত মনৰ ওপৰত থকা সকলো সংযম হেৰুৱাই লাহে লাহে চকু মেলি মোৰ মুখৰ নিচেই ওচৰত থকা গৌৰীৰ চকুযোৰলৈ চালো। তাত কি দেখিলো ক'ব নোৱাৰো। হয়তো ৰাজ্যৰ লাভ, নহয়তো নিজক বিলাই দিয়াৰ তৃপ্তিত আনন্দ, কিন্তু পাছমুহূৰ্তত-?

অহ্ মই ভাবিছিলো...

কথাযাৰ শেষ নকৰি উচাট মাৰি গৌৰী উঠি

Scanned with CamScanner

দৰে তোমাৰ লগৰীও শুই আছে নহয়? পিছে ভুল? কি মানুহ কি পক্ষী আচলতে লগৰী দুটিৰ এটিয়েও শোৱা নাছিল। সৌৱা চোৱা-"

চকুত পৰিছিল শুই থকা চৰাইটো সম্পূৰ্ণ সাৰ পাই উঠি বহিছে। সিও হয়তো মোৰ দৰেই চুৰ কৰি মৰম লোৱাৰ হেঁপাহ কৰিছিল?

গৌৰীয়ে কিন্তু মূৰ নুতুলিলে। সুনিবিড় তৃপ্তিত, নিশ্চিন্ত আৰামত মোৰ বুকুৰ ওপৰতে পৰি আছে। নিথুৰভাৱেই পৰি আছে। এবাৰো ভাবি চোৱা নাই- বেচেৰী আনন্দত ইমানেই মগ্ন, তৃপ্তিত ইমানেই আত্মহাৰা যে মই মোৰ পিঠিৰ ঘাডোখৰত দুখ পাব পাৰো বুলিও পাহৰি পেলাইছে।

দুয়ো বহুতপৰ শান্ত হৈ পৰি আছো? গৌৰী নিমাত। গৌৰীয়ে কিয় ইমান মনে মনে আছে? উশাহ লৈছে নে নাই তাকো ধৰিব পৰা নাই।...তপত দেহৰ পৰশত পোৱা এই অপূৰ্ব মধুৰতা গৌৰীয়ে নিশ্চয় এটি মুহূৰ্তৰ কাৰণেও অথলে যাবলৈ নিদিয়ে? তাক গৌৰীয়ে দেহৰ প্ৰতি অণু, প্ৰতি পৰমাণুৰে সৈতে উপভোগ কৰিছে!... স্বপ্নত গঁথা তৃপ্তিৰ জালখন, -ধীৰ শান্ত পানীৰ বুকুত আকাশৰ স্পষ্ট প্ৰতিবিম্বটোৰ দৰেই মাথোঁ এটি শব্দ- এছাটি বতাহে ভাঙি চূৰ্ণ কৰি পেলোৱাৰ নিচিনাকৈ, অলপ লৰিলে বা এষাৰি কথা ক'লেই যেন গৌৰীৰ সপোন ভাগি যাব।

কিন্তু লগতে সন্দেহো হ'ল হয়তো সেইবোৰ একোৱেই নহয়! মোৰ কল্পনা? ...গৌৰীৰ হয়তো টোপনি আহিল? কিন্তু মোৰ যে বহুত কথা ক'বলৈ আছে... শুনিবলৈ আছে। লাহেকৈ মাতিলো- গৌৰীয়ে লাহেকৈ উত্তৰ দিলে।

"কি?" গৌৰীয়ে লাহেকৈ উত্তৰ দিলে।

আৰু একো ক'বৰ প্ৰয়োজন নহ'ল। গৌৰীয়ে বুজিছে মই কি ক'ব খুজিছো। অন্তৰত যেতিয়া আগ্ৰহে জুমুৰি দি ধৰে তেতিয়া ভাষা হৈ পৰে দুৰ্বল। কিন্তু মোৰ একেষাৰি মাততে গৌৰীয়ে বুজিলে মোৰ অন্তৰৰ কথা, আশা হেঁপাহ- বুকু উজাৰ কৰি দিব খোজা প্ৰণয়। ময়ো পাইছো গৌৰীৰ এধানমানি উত্তৰতেই মই বিচৰা সকলো।

গৌৰীৰ মুখখন বৰ চাবৰ মন গৈছে। ঢাকি থৈছে কৌলৈ?

Scanned with CamScanner

লাজত ৰঙচুৱা পৰা গৌৰীৰ মুখখন ঠিক যেন মোৰ এই নতুন জীৱনৰ প্ৰথম প্ৰভাতৰ ৰাঙলী সুৰুয- গৌৰী...!''

হাতৰ কটা ঘাৰ সকলো কষ্ট পাহৰি দুয়ো হাতৰ মাজত গৌৰীৰ মুখখন তুলি ধৰি মোৰ টোপনিৰ সুযোগ লৈ চুৰ কৰিব খোজা লোভকণক প্ৰাণ দিলো গৌৰীৰ ৰাঙলী মুখৰ তাতোকৈ ৰাঙলী ওঁঠত ৰূপ দি।

হঠাৎ পাখিৰ শব্দ শুনি ঘূৰি চাই দেখো চৰাইহালৰ লগৰীটো উৰা মাৰিলে। গৌৰীয়েও দেখিলে. লগৰীটো উৰি গ'লগৈ।

''আস্!''

গৌৰীক যেন কোনোবাই আঘাত হে কৰিলে। লক্ষ্য কৰি দেখিলো লাহে লাহে গৌৰীৰ মুখৰ পৰিৱৰ্তন। অলপকৈ নিজক মোৰ বাহুৰ মাজৰপৰা মুক্ত কৰি লৈছে। মোৰ মুখৰ ফালে আৰু চোৱা নাই, আনফালে মুখ ঘূৰাইছে- তথাপি মোৰ বুজিবলৈ বাকী নাথাকিল। এয়া আকৌ সেই আগৰ, মোৰ অতি পৰিচিতা প্ৰথম দিনাৰ গৌৰী- আভিজাত্যৰ গৌৰৱত গৰ্বিতা, প্ৰধান ৰাজবিষয়াৰ অভিমানিনী দাম্ভিকা দুহিতা গৌৰী! মোৰ সপোন ভাগিল; কিন্তু গৌৰীৰ চকু দুটা যেন বিষাদেৰে ভৰা।

গৌৰীৰ ব্যৱহাৰত অবাক হৈ গৈছিলো, নিজক সংযত কৰি স্বাভাৱিক মাতেৰে সুধিলো- ''হঠাতে কি হ'ল গৌৰী? লগৰী উৰি গ'ল সেই দেখি?''

সন্দেহ হৈছিল পুৰণা দিনবোৰৰ দৰেই গৌৰীৰপৰা এটা ৰূঢ় উত্তৰ পাম। কিন্তু আচৰিত হলো গৌৰীৰ কোমল বিষাদেৰে ভৰা উত্তৰ শুনি।... গৌৰীৰ কিহৰ ইমান দুখ? গৌৰীয়ে কৈ গ'ল— ''...ওঁ উৰি গ'ল দেখি- খন্তেকীয়া দুৰ্বলতাত মই সকলো পাহৰিছিলো, কিন্তু এনে এটা যে এদিন ঘটিব সেইটো সদায়েই জানিছিলো... আৰু জানিছিলো যে এদিন মোৰ লগৰীও তেনেকৈয়ে মোক এৰি গুচি যাব। মোৰতো লগৰী নাই-''

''নাই...?''

মই বুজিব পৰা নাই গৌৰীয়ে কি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে? আৰু এই গৌৰী? এই গৌৰীকতো মই চিনি নেপাওঁ। ...মোক অৱহেলা কৰাৰ ভাব দেখুৱা, মোৰ ওপৰত খং কৰি ৰঙা কৰা মুখ, মোক আঘাত কৰিবলৈ। জব্দ কৰিবলৈ, ঠাট্টা কৰিবলৈ প্ৰস্তুত হৈ থকা গৌৰীৰ মুখখন দেখাত মই অভ্যস্ত কিন্তু এই মুখ? মুহূৰ্তৰ আগতে গৌৰীৰ যি পৰিৱৰ্তন হৈছিল সি তেন্তে সাময়িক দুৰ্বলতা? কিন্তু যদি সেয়ে হয় তেন্তে গৌৰীৰ মুখত অনুতাপৰ পৰিৱৰ্তে বিষাদ কিয়? সন্দেহ হ'ল ইমানদিন মনৰ মাজত যি লৈ আছিলো সি তেন্তে ভুল?

Scanned with CamScanner

কঁপা ওঁঠৰ আগত জীৱটো লৈ সুধিলো— “লগৰী নাই?”

“নাই।”

বিৰক্ত হলো। নিষ্ঠুৰভাৱে গৌৰীক আঘাত কৰিবৰ মন গ'ল ঃ তেন্তে ইমান পৰ মোৰ লগত এনেকৈ প্ৰতাৰণা কৰিছিলা কেলৈ?

“প্ৰতাৰণা মই কৰা নাই, তুমিয়েইতো কৰিছা।”

“মই...!”

গৌৰীৰ কথা শুনি অবাক হৈ গলো। মুখ ফুটি কথা ওলোৱাৰ আগতেই গৌৰীয়ে লাহে লাহে কৈ গ'ল— “আজি এই মুহূৰ্তত নিজক পাহৰি তুমি মোৰ লগৰী হৈছা, কিন্তু কমল-নগৰ পোৱাৰ লগে লগেই তুমিতো আৰু মোৰ হৈ নেথাকিবা; তোমাৰ প্ৰকৃত লগৰীয়ে তোমাক যে মোৰ ওচৰৰপৰা কাঢ়ি লৈ যাব। তেতিয়া...?”

কিবা হেৰুওৱাৰ দুখত যেন শেষৰ ফাললৈ গৌৰীৰ মাতটো কঁপি উঠিছে। কিন্তু কিহৰ কাৰণে? ‘প্ৰকৃত লগৰী’ বুলি গৌৰীয়ে কিহৰ ইংগিত কৰিছে। গৌৰীয়ে তেন্তে সঁচাকৈয়ে মোক সন্দেহ কৰে?

প্ৰশ্ন কৰিলো— “মোৰ লগৰী? কোন মোৰ লগৰী...?”

গৌৰী নিমাত। আৰু ব্যগ্ৰ হৈ সুধিলো— “নোকোৱা কিয়, কোন মোৰ লগৰী...?”

মোৰফালে নোচোৱাকৈয়ে গৌৰীয়ে উত্তৰ দিলে— “কিয়? এদিনতো আমাক বৰ দম্ভ কৰিয়েই কৈছিলা...”

“কি কৈছিলো?”

“কৈছিলা পৃথিৱীৰ ভিতৰত কাক আটাইতকৈ বেছি ভাল পোৱা। সেইজনাতো মই নহয়...”

আচৰিত হৈ সুধিলো— “কোন তেন্তে?”

“কোন? ভাও নধৰিবা, শুকুলাৰ কথা ইমান সোনকালেই পাহৰি গ'লানে...?”

“শুকুলা...?”

বহুত পৰ উশাহ বন্ধ কৰি থকাৰ পাছত দীঘলকৈ উশাহ লবলৈ পালে যি তৃপ্তি আছে তেনে তৃপ্তিৰেই এবাৰ দীঘলকৈ উশাহ ললো। বুকুছাটি ধৰা বিষাদৰ ডাৱৰবোৰ যেন কোনোবাই এক ফুটে উৰুৱাই নি একেবাৰে মুকলি কৰি পেলালে। এতিয়াহে বুজিছো গৌৰীৰ দুখৰ উৎস ক'ত? গৌৰীৰ ভুল কোনখিনিত। বাধা কোন।

মই সপোনতো ভবা নাছিলো, এবছৰ আগতে উমাইঁতৰ আগত ধেমালিতে

Scanned with CamScanner

কোৱা সেইদিনাৰ সেই কথাষাৰ, এনেভাৱে যে আজিও গৌৰীয়ে জীয়াই ৰাখিছে। সেই কথা মই তাৰ দুদিন পাছতেই পাহৰি গৈছিলো, হয়তো উমায়ো পাহৰি গৈছিল; কিন্তু গৌৰীয়ে পাহৰা নাই। আজিহে বুজিছো, মাজে মাজে গৌৰীৰ মুখত দেখা সেই সন্দেহ কালিমাৰ প্ৰকৃত কাৰণ। মোৰ সেইদিনাৰ সুন্দৰ অভিনয় বুজিব নোৱাৰি গৌৰীয়ে সঁচাকৈয়ে ভাবি লৈছে নিশ্চয় শুকুলা কোনোবা ছোৱালী- যাক মই ভাল পাওঁ।

লাহেকৈ গৌৰীৰ হাত এখন নিজৰ মুঠিত তুলি ললো— "চাওঁ, মোৰ ফালে চোৱাচোন...!"

অভিমান কৰি গৌৰীয়ে জোৰ কৰিয়েই মুখখন আনফালে ঘূৰাই ৰাখিলে। পৰাজয়ৰ গ্লানি লৈ বাৰু কেনেকৈ মোৰ ফালে চায়? আৰু চাওঁ চাওঁ বুলিও যে চাব পৰা নাই- ব্যথাৰ অবুজ অশ্ৰুক গৌৰীয়ে যে বিশ্বাস কৰিব পৰা নাই, জানোচা মোৰফালে চালেই দুগুণে ওলায়।

নিজৰ ওপৰত ধিক্কাৰ জন্মিল, কেলৈ বাৰু অবাবতে নিষ্ঠুৰভাৱে গৌৰীৰ চকুলৈ চকুলো টানি আনিছো? ক্ষমা খোজাৰ সুৰতেই কলো— "গৌৰী! এটা কথা কোৱাচোন, তুমি জানো সঁচাই নাজানা শুকুলা কোন?"

"তুমি শুকুলাক ভালপোৱা, তাৰ বেছি জানি মোৰ কি লাভ?"

"মানিলো লাভ নহ'ব পাৰে, কিন্তু পৰিচয় জনাত ক্ষতি কি?"

"ক্ষতি এয়ে যে পৰিচয় বিচাৰিও পৰিচয় নাপালো-"

"আচৰিত কথা। বাৰু নবৌক সুধিছিলা?"

"সুধিছিলো।"

"কি ক'লে?"

"একো নক'লে মাথোঁ হাঁহি কথা ঘূৰালে..."

"সঁচাই? দেখিছা নবৌৰ কি অন্যায়। নহয় গৌৰী। অন্যায় তেওঁৰ নহয় মোৰেই, মোৰ কথা ৰাখিবলৈকে নবৌৱে তোমাৰ লগতো চতুৰালি কৰিলে। অথচ তোমাক কিমান ভাল পায়- বাৰু, আৰু কাক সুধিছিলা?"

গৌৰীয়ে একো উত্তৰ নিদিয়াত বুজিলো নিজৰ মনৰ দুৰ্বলতা প্ৰকাশ পায় বুলি আৰু কাকো সুধিবলৈ গৌৰীয়ে সাহ কৰা নাছিল।

লক্ষ্য কৰিছো মোৰ কথাত, মোৰ ব্যৱহাৰত গৌৰী অলপ দোধোৰ-মোধোৰত পৰিছে। নিজৰ ওচৰলৈ হাতখন আৰু অলপ আকৰ্ষণ কৰি কলো— "তুমি শুকুলাক দেখিছা গৌৰী?"

Scanned with CamScanner

'নাই দেখা' বুলি মুখ ফুটাই নকলেও গৌৰীৰ মুখৰ সেয়ে ভাব।

"মই কৈছো তুমি সঁচাকৈয়ে দেখিছা, মাথোঁ চিনি লব জনা নাই- মই ভালকৈয়ে জানো, দেখুৱাই দিলে তুমি ঠিক চিনিবা- চাবা?"

গৌৰীৰ চকুত প্ৰশ্ন 'কেতিয়া'?

"যেতিয়াই তোমাৰ মন যায় ইচ্ছা হ'লে এতিয়াই দেখুৱাব পাৰো-"

"এতিয়াই?" গৌৰীয়ে এইবাৰ পূৰ্ণ দৃষ্টিৰে মোৰ মুখলৈ চালে। দেখিলো ডুবৰিত নিয়ৰৰ টোপালৰ দৰেই গৌৰীৰ চকুৰ পাহিত এতিয়াও চকুলো।

"ওঁ এতিয়াই... চাবা? সৌৱা চোৱা কোন মোৰ শুকুলা-"

গাড়ীৰ পাছে পাছে আহি থকা শুকুলাক সম্বোধন কৰিলো— "এই শুকুলা, চাচোন তোক গৌৰীয়ে এবাৰ চাব খুজিছে..."

শুকুলাই বুজিছে যে তাইৰ বিষয়েই আমি কথা পাতিছো। মই মতা শুনি মোৰফালে এবাৰ চাই লৈ চকুৰে এটা টিপ্ মাৰিলে, কুৎসিত-দাঁত পাৰিও এবাৰ দেখুৱালে- ভাবতো এয়ে যেন তায়ো গৌৰীৰ এই ভ্ৰম বেছ উপভোগ কৰিছে। গৌৰীয়ে এবাৰ মোলৈ, আনবাৰ শুকুলালৈ তীক্ষ্ণভাৱে চাইছে...মই ঠাট্টা কৰা নাইতো?

"ঠাট্টা নহয় গৌৰী সঁচা কথা। আজি আৰু তোমাৰ লগত যে মই ঠাট্টা কৰিব নোৱাৰো তাক তুমি নিশ্চয় জানা..."

মোৰ কথা গৌৰীয়ে হয়তো বিশ্বাস কৰিলে কিন্তু তথাপি নিৰুপায় হৈয়ে কথাৰ ওপৰত জোৰ দি ক'লে— "মিছা কথা।"

"বেছ, মিছা যদি আকৌ নবৌক সুধিবা, চম্পাক সুধিবা, অশোকক সুধিবা, যদি তাতো বিশ্বাস নহয় তেন্তে গোটেই কমল-নগৰৰ মানুহকে সুধিবা। সকলোৰে হয়তো জানে শুকুলা কোন! মাথোঁ তোমাৰ বাহিৰে। তুমিও জানিলাহেঁতেন, কিন্তু লাজ পোৱাৰ ভয়তে কাকো সুধিবলৈ সাহ নকৰি নিজেই তুমি হাৰি গ'লা গৌৰী-"

গৌৰীৰ মুখৰপৰা বিষাদৰ ছাঁ লাহে লাহে আঁতৰি গ'ল।

"...মোৰ ওচৰলৈ আহা-"

গৌৰীয়ে এইবাৰ মোক বাধা নিদিলে, কিন্তু অভিমান কৰি ক'লে, "কি সুখত বাৰু শুকুলাৰ বিষয়ে মোক এনেকৈ ভুৱা দিলা? তাৰপৰা তুমি নবৌ দুয়ো এনে কিনো আনন্দ পাইছিলা যে মোৰ কষ্টৰ কথাও তোমালোকে এনেকৈ পাহৰি গ'লা..."

ব্যস্ত হৈ বাধা দি কলো— "বিশ্বাস কৰা গৌৰী! তোমাৰ যে সঁচাই কষ্ট হ'ব সেইটো ভবাই নাছিলো-"

Scanned with CamScanner

কোৱা সেইদিনাৰ সেই কথাষাৰ, এনেভাৱে যে আজিও গৌৰীয়ে জীয়াই ৰাখিছে। সেই কথা মই তাৰ দুদিন পাছতেই পাহৰি গৈছিলো, হয়তো উমায়ো পাহৰি গৈছিল; কিন্তু গৌৰীয়ে পাহৰা নাই। আজিহে বুজিছো, মাজে মাজে গৌৰীৰ মুখত দেখা সেই সন্দেহ কালিমাৰ প্ৰকৃত কাৰণ। মোৰ সেইদিনাৰ সুন্দৰ অভিনয় বুজিব নোৱাৰি গৌৰীয়ে সঁচাকৈয়ে ভাবি লৈছে নিশ্চয় শুকুলা কোনোবা ছোৱালী- যাক মই ভাল পাওঁ।

লাহেকৈ গৌৰীৰ হাত এখন নিজৰ মুঠিত তুলি ললো— "চাওঁ, মোৰ ফালে চোৱাচোন...!"

অভিমান কৰি গৌৰীয়ে জোৰ কৰিয়েই মুখখন আনফালে ঘূৰাই ৰাখিলে। পৰাজয়ৰ গ্লানি লৈ বাৰু কেনেকৈ মোৰ ফালে চায়? আৰু চাওঁ চাওঁ বুলিও যে চাব পৰা নাই- ব্যথাৰ অবুজ অশ্ৰুক গৌৰীয়ে যে বিশ্বাস কৰিব পৰা নাই, জানোচা মোৰফালে চালেই দুগুণে ওলায়।

নিজৰ ওপৰত ধিক্কাৰ জন্মিল, কেলৈ বাৰু অবাবতে নিষ্ঠুৰভাৱে গৌৰীৰ চকুলৈ চকুলো টানি আনিছো? ক্ষমা খোজাৰ সুৰতেই কলো— "গৌৰী! এটা কথা কোৱাচোন, তুমি জানো সঁচাই নাজানা শুকুলা কোন?"

"তুমি শুকুলাক ভালপোৱা, তাৰ বেছি জানি মোৰ কি লাভ?"

"মানিলো লাভ নহ'ব পাৰে, কিন্তু পৰিচয় জনাত ক্ষতি কি?"

"ক্ষতি এয়ে যে পৰিচয় বিচাৰিও পৰিচয় নাপালো-"

"আচৰিত কথা। বাৰু নবৌক সুধিছিলা?"

"সুধিছিলো।"

"কি ক'লে?"

"একো নক'লে মাথোঁ হাঁহি কথা ঘূৰালে..."

"সঁচাই? দেখিছা নবৌৰ কি অন্যায়। নহয় গৌৰী। অন্যায় তেওঁৰ নহয় মোৰেই, মোৰ কথা ৰাখিবলৈকে নবৌৰে তোমাৰ লগতো চতুৰালি কৰিলে। অথচ তোমাক কিমান ভাল পায়- বাৰু, আৰু কাক সুধিছিলা?"

গৌৰীয়ে একো উত্তৰ নিদিয়াত বুজিলো নিজৰ মনৰ দুৰ্বলতা প্ৰকাশ পায় বুলি আৰু কাকো সুধিবলৈ গৌৰীয়ে সাহ কৰা নাছিল।

লক্ষ্য কৰিছো মোৰ কথাত, মোৰ ব্যৱহাৰত গৌৰী অলপ দোধোৰ-মোধোৰত পৰিছে। নিজৰ ওচৰলৈ হাতখন আৰু অলপ আকৰ্ষণ কৰি কলো— "তুমি শুকুলাক দেখিছা গৌৰী?"

Scanned with CamScanner

'নাই দেখা' বুলি মুখ ফুটাই নকলেও গৌৰীৰ মুখৰ সেয়ে ভাব।

"মই কেছো তুমি সঁচাকৈয়ে দেখিছা, মাথোঁ চিনি লব জনা নাই- মই ভালকৈয়ে জানো, দেখুৱাই দিলে তুমি ঠিক চিনিবা- চাবা?"

গৌৰীৰ চকুত প্ৰশ্ন 'কেতিয়া'?

"যেতিয়াই তোমাৰ মন যায় ইচ্ছা হ'লে এতিয়াই দেখুৱাব পাৰো-"

"এতিয়াই?" গৌৰীয়ে এইবাৰ পূৰ্ণ দৃষ্টিৰে মোৰ মুখলৈ চালে। দেখিলো ডুবৰিত নিয়ৰৰ টোপালৰ দৰেই গৌৰীৰ চকুৰ পাহিত এতিয়াও চকুলো।

"ওঁ এতিয়াই... চাবা? সৌৱা চোৱা কোন মোৰ শুকুলা-"

গাড়ীৰ পাছে পাছে আহি থকা শুকুলাক সম্বোধন কৰিলো— "এই শুকুলা, চাচোন তোক গৌৰীয়ে এবাৰ চাব খুজিছে..."

শুকুলাই বুজিছে যে তাইৰ বিষয়েই আমি কথা পাতিছো। মই মতা শুনি মোৰফালে এবাৰ চাই লৈ চকুৰে এটা টিপ্ মাৰিলে, কুৎসিত-দাঁত পাৰিও এবাৰ দেখুৱালে- ভাবতো এয়ে যেন তায়ো গৌৰীৰ এই ভ্ৰম বেছ উপভোগ কৰিছে। গৌৰীয়ে এবাৰ মোলৈ, আনবাৰ শুকুলালৈ তীক্ষ্ণভাৱে চাইছে...মই ঠাট্টা কৰা নাইতো?

"ঠাট্টা নহয় গৌৰী সঁচা কথা। আজি আৰু তোমাৰ লগত যে মই ঠাট্টা কৰিব নোৱাৰো তাক তুমি নিশ্চয় জানা..."

মোৰ কথা গৌৰীয়ে হয়তো বিশ্বাস কৰিলে কিন্তু তথাপি নিৰুপায় হৈয়ে কথাৰ ওপৰত জোৰ দি ক'লে— "মিছা কথা।"

"বেছ, মিছা যদি আকৌ নবৌক সুধিবা, চম্পাক সুধিবা, অশোকক সুধিবা, যদি তাতো বিশ্বাস নহয় তেন্তে গোটেই কমল-নগৰৰ মানুহকে সুধিবা। সকলোৱে হয়তো জানে শুকুলা কোন! মাথোঁ তোমাৰ বাহিৰে। তুমিও জানিলাহেঁতেন, কিন্তু লাজ পোৱাৰ ভয়তে কাকো সুধিবলৈ সাহ নকৰি নিজেই তুমি হাৰি গ'লা গৌৰী-"

গৌৰীৰ মুখৰপৰা বিষাদৰ ছাঁ লাহে লাহে আঁতৰি গ'ল।

"...মোৰ ওচৰলৈ আহা-"

গৌৰীয়ে এইবাৰ মোক বাধা নিদিলে, কিন্তু অভিমান কৰি ক'লে, "কি সুখত বাৰু শুকুলাৰ বিষয়ে মোক এনেকৈ ভুৱা দিলা? তাৰপৰা তুমি নবৌ দুয়ো এনে কিনো আনন্দ পাইছিলা যে মোৰ কষ্টৰ কথাও তোমালোকে এনেকৈ পাহৰি গ'লা..."

ব্যস্ত হৈ বাধা দি কলো— "বিশ্বাস কৰা গৌৰী। তোমাৰ যে সঁচাই কষ্ট হ'ব সেইটো ভবাই নাছিলো-"

"ভবাই যদি নাছিলা তেন্তে কি কাৰণে তাক কৈছিলা?"

"কাৰণ? কাৰণো বিশেষ যেন একো নাছিল। ...এই ধৰা এটা সাময়িক খেয়াল; অলপ লোভ..."

"লোভ?"

"হওঁতে লোভেই। মনত পৰেনে গৌৰী!... মাঘৰ বিহুৰ সেই ম'হ যুঁজৰ মেলাত তোমাক প্ৰথম দেখিবৰ মুহূৰ্ততে মোৰ অন্তৰত সদায় জাপ খাই থকা দুৱাৰ এখন হঠাতে খোল খাই গ'ল। তাত দেখিলো- তাত শুনিবলৈ পালো, মন্দিৰৰ আৰতিৰ শঙ্খ-ঘণ্টাৰ মাজত, বন্দী হৈ থকা অন্তৰত মোৰ নিদ্ৰিত মনৰ মুক্তিৰ আৰতি-জাগৰণত শুনিবলৈ পালো তোমাৰ মনৰ কথা- এবাৰ শুনিবলৈ পালো দেখিয়েই শুনিবলৈ আৰু লোভ হ'ল গৌৰী-"

"কিন্তু নবৌ!"

"নবৌ? নবৌৱেও তোমাক কষ্ট দি শুকুলাই এনেভাৱে তোমাৰ অন্তৰত যে ঘৰ বান্ধিব তাকতো ভবা নাছিল, মাথোঁ মোৰ কথা ৰাখিবলৈকে তোমাক হয়তো একো নজনালে। ...তুমিতো বুজা তোমাৰ দৰেই মাকো নবৌৱে যে ভাল পায়-"

"জানো... কিন্তু এইবোৰ কিহৰ কাৰণ নবৌৱে জানে?"

"নিশ্চয়, নবৌৰ ওচৰত অজানা কি আছে? কি তোমাৰ কি মোৰ সকলো কথাইতো জানে। মোৰ মনৰ কথাও তুমি নিজে শুনাৰ বহুত আগতেই নবৌৱে শুনিছিল। আমি নিজক বঞ্চিত কৰি দুয়োকে জেদ কৰি ভুলতো ধৰা নিদিছিলো। তাকে দেখি নবৌৱে বেছ উপভোগ কৰিছিল আৰু বেছি আনন্দ এই দেখিয়েই পাইছিল যে আমি দুয়োৰেই নবৌৰ অতি চেনেহৰ আপোনজন। ...আমাৰ এই মন লৈ খেলা 'কুক্-ভা' খেলত আৰু অলপ আনন্দৰ লোভ কৰি যদি নবৌৱে যোগ দিও থাকে তাতনো নবৌ বা মোৰেই কি এনে এপৰাধ হ'ব পাৰে গৌৰী?"

অলপকৈ হাঁহি গৌৰীয়ে উত্তৰ দিলে— "অপৰাধ হ'ব নে নহয় ক'ব নোৱাৰো, কিন্তু তুমিতো বুজা লোভ বস্তুটো ভাল নহয়। শাস্ত্ৰত কৈছে লোভেই পাপ আৰু পাপেই মৃত্যু..."

হঠাৎ শাস্ত্ৰজ্ঞ হৈ উঠা গৌৰীলৈ চাই হাঁহি কলো— "মৃত্যু? মৃত্যুৰ পাছত যদি স্বৰ্গপ্ৰাপ্তি হ'ব বুলি জানিব পাৰো তেন্তে সেহ মৃত্যুৰ ক্ষতি কি?"

"ক্ষতি?..." দুষ্টালিৰ হাঁহিৰে গৌৰীয়ে ক'লে— "ইস... মোৰ মনৰ কথানো এনে কি শুনিলো যাৰ কাৰণে, স্বৰ্গপ্ৰাপ্তি আশা কৰিছো..."

Scanned with CamScanner

“কি শুনিলো?” মুহূর্ততে কৃত্রিম গাম্ভীর্যৰে আঙুলিৰে বুকুৰ ওপৰত দুবাৰ টুকুৰিয়াই কলো— “সুধি চোৱা।”

মোক দেখি গৌৰীয়েও গম্ভীৰ হৈ মহা আড়ম্বৰেৰে সৈতে মোৰ বুকুত আকৌ মূৰ থলে! ভাৱটো এই যেন সঁচাই কিবা শুনিব। অলপ পাছত সুধিলো— “কি শুনিছা?”

“কি শুনিছো? ৰ’বা...ওঁহো, ভাষাটো বুজা নাই। বোধকৰো সৃষ্টিৰ আদিম ভাষা... অনাদিকালৰ পুৰণা...কি কৈছে এইবোৰ...?” চকু দুটা ডাঙৰ ডাঙৰকৈ মেলি গৌৰীয়ে মোৰ চকুলৈ চালে। পাছমুহূর্তত গাম্ভীর্য এৰি দুয়ো শব্দ কৰি হাঁহি উঠিলো। সেই হাঁহিৰ লগত গৌৰীৰ মনৰ সকলো সন্দেহ, কালিমা উটি গ’ল। ডাৱৰে আবৰি থকা গৌৰীৰ মনটো এতিয়া একেবাৰেই ফৰকাল হৈ পৰিছে।

মূৰটো নোতোলাত আকৌ সুধিলো— “ভাষা বুজাই নাই যদি ইমান কিনো শুনিছা?”

গৌৰীয়ে লাহে লাহে ক’লে— “শুনা নাই, ভাবিছো, সেউজীৰ লগৰীয়ে কেনৈ বাৰু উৰা মাৰিলে? আৰু মাৰিলে যদিও আকৌ কিয় উভতি নাহিল?”

মই উত্তৰ দিয়াৰ আগতেই দেখিলো এহাল চৰায়ে ঠিক আমাৰ মূৰৰ ওপৰতে শূন্যত আনন্দৰ কিৰিলি পাৰি ঘূৰি ঘূৰি উৰি ফুৰিছে। গৌৰীক দেখুৱাবৰ প্ৰয়োজন নহ’ল- সিহঁতৰ কিৰিলিৰ শব্দত গৌৰীয়েও মূৰ তুলি সিহঁতৰ ফালে চাইছে। চৰাইহালক চিনিবলৈ সময় নালাগিল। সেয়া গৌৰীৰ সেউজী পখী আৰু তাইৰে লগৰীটো।

“ইস আনন্দ চোৱা? কিৰিলিত মোৰ কাণ তাল মাৰি গৈছে-”

“চৰাইৰ কিৰিলিত কাৰো কাণ তাল মাৰি নাযায়।”

কথাটো গৌৰীয়ে নেহাৎ কিবা ক’ব লাগে দেখিয়েই ক’লে; আচলতে মুখত ফুটি উঠা আনন্দৰ উজ্জ্বলতা মোৰ চকুত ধৰা পৰি যায় বুলি গৌৰীৰ লাজ। গৌৰীৰ কাণৰ ওচৰলৈ মুখখন নি কলো— “সিহঁতৰ আনন্দৰ সেই কিৰিলিৰ মাজত মই কি শুনিছো জানা গৌৰী?...সেয়া যেন চিৰবাঞ্ছিত শান্ত সৌন্দর্যৰে উপচি পৰা আমাৰ মিলন মুহূর্তত দেৱদূতৰ মঙ্গল উৰুলি।”

শুকুলাৰ ফালৰপৰা শব্দ আহিছে। তাই বোধকৰো গৌৰীৰ কাণ্ড দেখি বিচূৰ্তি খাইছে। গৌৰীক তেনেকৈ মোৰ গাৰ ওপৰত পৰি থকা আৰু একেবাৰে তাইৰ চকুৰ সন্মুখতেই দেখি শুকুলাই লাজ পাইছে। বোধকৰো আমাৰ ৰুচিক শুকুলাই

Scanned with CamScanner

ভদ্ৰতাৰ শ্ৰেণীত ধৰিবলৈ টান পাইছে। আমাৰ নিৰ্লজ্জতাত তাই বিৰক্ত হৈ বাৰে বাৰে নাকেৰে শব্দ কৰি আপত্তি জনাইছে। আমি দুয়ো তাইৰ ফালে ঘূৰি চোৱাত তাই আকৌ দাঁতকেইটা উলিয়াই আমাক চিঞৰিলে।

গৌৰীৰ এনেয়ে শুকুলাৰ ওপৰত খং...হঠাতে উঠি গাড়ীত থকা বেতডাল তুলি লৈ নিষ্ঠুৰভাৱেই তাইৰ মুখত দুকোব এৰি দিলে। ব্যস্ত হৈ বাধা দিলো— "আহ কি কৰা? তাই বেচাৰী যে একেবাৰেই নিৰ্দোষ..."

বেতডাল পেলাই গৌৰীয়ে গহীন হোৱাৰ ভাও ধৰি ক'লে— "তাই মোক বৰ দুখ দিলে...।"

পোৱাৰ আনন্দৰ প্ৰথম উচ্ছ্বাসটো লাহে লাহে শান্ত হৈ আহিছে। শৰীৰটোও বৰ ক্লান্ত অনুভৱ কৰিছো। পেটত যেন কিহবাই চিকুটি,আছে। গৌৰীৰ শৰীৰৰ ভৰটোও যেন বৰ গধুৰ হৈ উঠিছে আৰু বহুত সময়ত পাহৰি থকা পিঠিৰ ঘাডোখৰো যেন এতিয়া বেছিকৈ বিষাবলৈ আৰম্ভ কৰিছে।

হঠাৎ ধৰ্‌ফৰাই উঠি গৌৰীয়ে মোৰ মুখলৈ চাই চিঞৰি উঠিল— "কি অন্যায়! মোৰ কি অন্যায়। তোমাৰ চাগৈ কিমান কষ্ট হৈছে। তোমাৰ যে পিঠিত ঘা, অথচ মই..."

সেই পুৱাৰেপৰা এই প্ৰথমবাৰলৈ মোৰ পিঠিৰ ঘাডোখৰৰ কথা গৌৰীৰ মনত পৰিল আৰু সিও ঠিক মই ভবাৰ লগে লগেই।

নিজৰ অন্যায়ত অনুতপ্ত গৌৰীৰ কৰুণ মুখখন মুগ্ধ হৈ চাই ৰলো।

"তুমিওতো মোক সোঁৰৰাই দিব পাৰিলাহেঁতেন..."

অভিমানৰ সুৰ। যেন দোষটো মোৰেই। আলফুলকৈ মোৰ সোঁহাতখন তুলি, যোৱানিশা নিজেই বান্ধি দিয়া কটাডোখৰ চাই গৌৰীয়ে আকৌ এবাৰ চিঞৰি উঠিল— "কি হ'ল?"

মূৰটো তুলি চালো- কটাডোখৰ ঠিক পিঠি আৰু হাতৰ সন্ধিস্থলত। সেয়ে ভালকৈ চকুত নপৰিল। কিন্তু চকুত পৰিল তাৰ তলত থকা গোটেই ধানখেৰখিনি তেজেৰে ৰাঙলী হৈ উঠিছে। ইমান তেজ...! অনুমান হৈছে, মোৰ কটাডোখৰ নিচেই সাধাৰণ হয়তো নহয়। যোৱা নিশাৰেপৰা তেজ বন্ধ হোৱা নাই। আৰু এতিয়ালৈকে গৌৰীৰ অপৈণত হাতেৰে বন্ধা বান্ধটো ভেদি তেজ বিৰিঙি ওলায়েই আছে।

বিষত যে মোৰ কষ্ট হোৱা নাই এনে নহয়, কিন্তু গৌৰীৰ মুখৰ ফালে চাই

Scanned with CamScanner

মোৰ নিজৰ কথা পাহৰি গলো। ভয়, দুশ্চিন্তা, অনুশোচনাত বেচেৰীৰ মুখখন একেবাৰে বিৱৰ্ণ হৈ গৈছে। মিনতিৰ চলচলীয়া চকুৰে মোৰ ফালে চাই বাৰে বাৰে নিজকেই দুষিছে; যেন ইয়াৰ বাবে গৌৰীয়েই অকল দায়ী। অলপ সান্ত্বনা দিবলৈকে কলো— "তুমি ইমান ব্যস্ত হৈছা কিয় গৌৰী? অলপ তেজ গৈছে, দুদিনতেই ভাল হৈ যাব, ভয় কৰিছা কেলৈ?" কিন্তু পেটে পেটে বেছ বুজিছো যে ভয় কৰিবৰ যথেষ্ট কাৰণ আছে। বিষ যে ক্ৰমাৎ বাঢ়িছে তাক বেছ ধৰিব পাৰিছো। শৰীৰৰ লগত হাতখন লাগি আছে নে নাই তাকো ঠিক অনুভৱ কৰিব পৰা নাই। গৌৰী উতলা হৈ পৰিছে, মোৰ কথাত অলপো সান্ত্বনা পোৱা নাই। চকুৰ আগত দেখা তপত তেজৰ আতংকই গৌৰীক ব্যাকুল কৰি তুলিছে। আৰু বেছি ব্যাকুল সেই এজনাৰ তেজ দেখি, যাক গৌৰীয়ে ভাল পায়।

"....তোমোৰ চাগৈ ইমান কষ্ট হৈছে..."

বাৰে বাৰে গৌৰীৰ মুখৰ সেই একেষাৰ কথা শুনি, গৌৰীৰ চলচলীয়া চকুযোৰ দেখি, মোৰ কাৰণে যে আৰু এখন কোমল হিয়াও কাতৰ জানি ইমান দুখতো অপূৰ্ব গৌৰৱত অন্তৰখন মোৰ ভৰি উঠিছে।

গৌৰীক পাহৰাবলৈ কথাষাৰ ঘূৰাবৰ কাৰণে ফাঁকি দিলো। "কষ্ট হৈছে সঁচা গৌৰী, পিঠিৰ ঘাত নহয়, পেটত; ভোকত পেটৰ নাড়ী ডাল ডাল হৈ গৈছে। আজি দুদিনতো পেটত খুদকণ এটাও নাই, মোৰ বিষৰ কথা পাহৰি কিবা খাবলৈ আছে যদি দিয়া..."

মুহূৰ্তৰ কাৰণে ভাবিছিলো মোৰ কষ্ট সফল হৈছে। গৌৰীয়ে মোৰ ঘাৰ কথা, কষ্টৰ কথা পাহৰিছে। মোৰ কাৰণে কিবা এটা কৰিবলৈ পাই যেন কৃতাৰ্থ হৈ গৈছে। কিন্তু পাছমুহূৰ্ততে মোৰ ভুল ভাগিল। এটাৰপৰা বচাবলৈ গৈ মই ভুলতে হয়তো গৌৰীৰ বুকুৰ কোমলতম প্ৰদেশত দুগুণে আঘাত দিলো। দুগুণে শেঁতা পৰিল। প্ৰথম উপলব্ধি কৰিলো গৌৰী সেই মুহূৰ্তত ক'ত? মোৰ কাৰণে কিবা এটা কৰাৰ আশাও খন্তেকতে লুপ্ত হৈ গ'ল। অসহায় দৃষ্টিৰে এবাৰ মোৰফালে চাই সন্মুখলৈ চালে এবাৰ পাছলৈ চালে, সোঁৱে-বাঁৱে চাৰিওফালে চালে।

চকুৰে মনিব পৰা দূৰৰ হবিৰ ত্ৰিসীমাৰ ভিতৰত একো নাই। লোকালয় বৰ্জিত এই নিৰ্জন অৰণ্যৰ মাজত আশাৰ এটি ক্ষীণ শিখাও গৌৰীয়ে নেদেখিলে। কাক খুজিব? কোনে দিব গৌৰীক মোৰ মুখত তুলি দিবলৈ এমুঠি আহাৰ? নিৰুপায়, নিঃসহায় গৌৰীয়ে হঠাৎ দুয়ো হাতেৰে মুখখন ঢাকি কান্দি পেলালে।

Scanned with CamScanner

এয়া মই কি কৰিলো? শেষৰ কথাখিনি কোৱাতো মোৰ উদ্দেশ্য নাছিল। অথচ অসতৰ্ক মুহূৰ্তত কেনেকৈ অতৰ্কিতে কথাখিনি ওলাই গ'ল। আৰু ওলালেও সেই ৰূঢ় সত্য কথাখিনিয়েই। অন্ততঃ মোৰ বুজা উচিত আছিল যে গাড়ীখনত খোৱা বস্তু একো নাই। সময় বিশেষে, স্থান বিশেষ, তাক পোৱাৰ আশা কৰাটোও যে সম্পূৰ্ম অসংগত হৈছে। ক'ৰপৰা গৌৰীয়ে মোক খাবলৈ দিব? কিহে পাইছিল মোক?

...চকুৰ আগতে বহি গৌৰীক কন্দা চাইছো। সান্ত্বনা দিবলৈ ভয় হৈছে, জানোছা আকৌ ভুল কৰো। গৌৰীৰ চকুলোৰ মাজত সন্ধান পাইছো, গৌৰীৰ আন সকলো পৰিচয়ৰ ভিতৰত যিটো মুখ্য, যিটো সত্য পৰিচয় সেইটো। গৌৰীও নাৰী। নাৰীৰ লগত পুৰুষৰ যিয়েই সম্বন্ধ নাথাকক, ভোকৰ সময়ত নাৰীয়ে পুৰুষৰ আগত আহাৰ দাঙি ধৰাটোৱেই ৰীতি, নাৰীৰ আটাইতকৈ ডাঙৰ তৃপ্তি- সেই অন্নপূৰ্ণাৰ বেশত নাৰীৰ লগত পুৰুষৰ তেতিয়া মাথোঁ একেটিয়েই সম্বন্ধ থাকে। সন্তানে যেতিয়া ভোকত মাতৃৰ ওচৰত হাত পাতে, তাক পূৰণ কৰিব নোৱাৰিলে মাতৃৰ প্ৰাণত যি কষ্ট হয়, তাক আজি উপলব্ধি কৰিছো সন্মুখত থকা গৌৰীক দেখি।

...মালৈ মনত পৰিল, চম্পালৈ মনত পৰিল, উমালৈ মনত পৰিল আৰু এই গৌৰী! এই চাৰিওৰে ভিতৰত পাৰ্থক্য কোনখিনিত? মোৰ লগত বেলেগ বেলেগ সম্বন্ধ লৈ চাৰিও মোৰ জীৱনলৈ আহিছে, অথচ 'মা' ৰূপে 'পাৰ্বতীক', ভগ্নীবেশে চেনেহী 'চম্পাক',- বন্ধু বেশে 'উমাক' আৰু প্ৰেয়সীৰ বেশত এই গৌৰীক এই মুহূৰ্তত মই যেন বাছি উলিয়াব পৰা নাই- বেলেগ বেলেগ কৰি ভাবিব পৰা নাই। চাৰিও যেন একাকাৰ হৈ মোৰ সন্মুখত সেই অপ্ৰতিম চিৰন্তন মাতৃৰূপেই দেখা দিছে। ...গৌৰীও যে সেই বিশাল মহীয়সী মাতৃত্বৰে এটি ফিৰিঙটি। গৌৰীৰ মাজত সেই মহিমাময়ী নাৰীৰ অন্তৰৰ গুপুত সৌন্দৰ্যখিনিৰ স্বৰ্গীয় জেউতি দেখি সকলো পাহৰি মুগ্ধ হৈ চাই ৰলো গৌৰীৰ মুখলৈ। ইয়াৰ আগতে নানা সময়ত ন্যানান বেশত গৌৰীক দেখি মুগ্ধ হৈছিলো, কিন্তু এতিয়া সন্মুখৰ যোড়শ মাতৃকাৰ মূৰ্ত প্ৰতীক এই বিষাদ প্ৰতিমা গৌৰীক ইমান সুন্দৰ আৰু কেতিয়াও দেখা নাছিলো।

কালিৰেপৰা মোৰ দৰেই গৌৰীৰ পেটলৈকো একো যোৱা নাই। নিজৰো যে ভোক-পিয়াহত কষ্ট হৈছে সেই কথা গৌৰীয়ে হয়তো এবাৰো ভবা নাই, ভাবিছে মোৰ কথা, মই অসুস্থ, মই অভুক্ত, আহাৰৰ কাৰণে গৌৰীৰ ওচৰত হাত পাতিছো, অথচ গৌৰীয়ে দিব পৰা নাই; ইমান দুখ গৌৰীয়ে থয় ক'ত?

হঠাৎ নতুনকৈ অনুভৱ কৰিলো গাড়ীখন গৈ আছে। মনত পৰিল সেই প্ৰথম

Scanned with CamScanner

পুৱাতে সেউজী আৰু তাইৰ লগৰীক দেখি গৌৰীয়ে গাড়ীখন ৰখাইছিল। তাৰ পাছতনো ঘোঁৰাটোৱে নিজ ইচ্ছাৰে কেতিয়াৰপৰা যাবলৈ আৰম্ভ কৰিছিল তাক আমাৰ দুয়োৰে ভিতৰত কোনেও মন কৰা নাছিলো। -কিমান সময় বৈ আছিলো, কিমান দূৰ আহিলো আৰু বা কমল-নগৰ পাবলৈকে কিমান দূৰ আছে নাজানো। স্পষ্ট একো ভাবিবও পৰা নাই। আলিৰ দুয়োপাৰৰ এই অনন্ত হাবিখনৰ যে শেষ ক'ত হ'ব, আৰু হ'ব নে নহয়, তাকো ভাবিবৰ শক্তি হেৰুৱাই মনে মনে গৈ আছো।

গৌৰীয়ে এঘণ্টামান মোৰফালে আৰু চোৱা নাই। খন্তেক আগৰেপৰা কান্দিবলৈ এৰিছে। আহাৰৰ কাৰণে লোকালয়ৰ আশা এৰি গৌৰীয়ে ফল-মূলৰ আশাত আলিৰ দুয়ো কাষৰ প্ৰতিডাল গছকে তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি আহিছে।

এবাৰ হঠাৎ গাড়ীখন ৰখাই গৌৰী গাড়ীৰপৰা নামি গ'ল। গৌৰী ক'লৈ যায়? কি কৰে? চাই দেখিলো গৌৰীয়ে আলি এৰি হাবিৰ ফালে খোজ লৈছে।

ব্যস্ত হৈ মাতিলো— "গৌৰী ক'লৈ যোৱা...?"

মোৰফালে ঘূৰি নোচোৱাকৈয়ে গৌৰীয়ে উত্তৰ দিলে— "অলপ ৰ'বা এতিয়াই আহিছো-"

হাবিত গৌৰীয়ে কি দেখিছে তাক গৌৰীয়েই জানে। কিন্তু গৌৰী সঁচাই বলিয়া হৈ গ'ল নেকি? উন্মাদ নহ'লে কোনো সেই অটব্য অৰণ্যত সোমাবলৈ নাযায়। বৰ খং উঠিল গৌৰীৰ ওপৰত। অলপো বিবেচনা কৰি চোৱা নাই, ভাবি চোৱা নাই কি কাম কৰিছে! এটা বিপদ হ'বলৈ কিমান পৰ? গৌৰীৰ বুজা উচিত হাবিৰ প্ৰতিটো জন্তুৱেই অহিংস নহয়, অথচ...

আকৌ চিঞৰিলো— "গৌৰী ঘূৰি আহা! অকলে নাযাবা ঘূৰি আহা...গৌৰী! গৌৰী!.."

গৌৰীয়ে মোৰ মাত শুনিলে নে নাই, নে শুনিও আওকাণ কৰিলে ক'ব নোৱাৰিলো কাৰণ পাছমুহূৰ্ততে গছৰ মাজত গৌৰী অদৃশ্য হৈ গ'লগৈ।

ভয়, উত্তেজনাত গাড়ীৰপৰা কেতিয়া নামি যে গৌৰীৰ পাছ ললো ক'ব পৰা নাছিলো, কিন্তু অলপ দূৰ গৈয়েই গছ এডালৰ গাত ধৰি বৈ যাবলৈ বাধ্য হলো। মূৰটো বৰকৈ ঘূৰাইছে, গাত অলপো শক্তি পোৱা নাই। ...মাথোঁ এটা নিশাৰ ভিতৰত মানুহ যে ইমান দুৰ্বল হৈ যাব পাৰে ভবা নাছিলো। দুখোজমান আকৌ আগবাঢ়িলো...উস্! প্ৰতি খোজতে জীৱটো ওলাই যায় যায় যেন দেখিছো। চিঞৰি

Scanned with CamScanner

গৌৰীক মাতিবলৈকো গাত এধানমানো শক্তি পোৱা নাই, অথচ প্ৰতিটো মুহূৰ্ত যোৱাৰ লগে লগে গৌৰীক ফিৰাই অনাৰ আশাও কমি আহিছে।

...নাই, এনেকৈ নহ'ব, যি থাকে কপালত। ঠিক কৰিলো এবাৰ দৌৰ দি চাম। গৌৰী আঁৰ হৈ যোৱা ঠাইডোখৰ ভালকৈ চাই লৈ চকু মুদিয়েই দৌৰ দিলো। গাৰ শেষ শক্তিকণ থকালৈকে দৌৰিলো, তাৰ পাছত টলি টলি কিছুদূৰ গছৰ গায়ে গায়ে ধৰি আগবাঢ়ি আকৌ ৰলো।

মূৰটো বৰ বেছিকৈ ঘূৰিব ধৰিছে। চকুৰে ভালকৈ একো মনিব পৰা নাই। মনত ধাৰণা হৈছে যেন মোৰ লগে লগে সন্মুখৰ আকাশখন ঘূৰিছে, গছবোৰ ঘূৰিছে, গোটেই পৃথিৱীখনেই ঘূৰিছে। কিন্তু কিয়? কি হ'ল? প্ৰলয়? নিশ্চয়-গোটেই পৃথিৱী জুৰি মহাপ্ৰলয়ত সকলো, এই মুহূৰ্ততে হয়তো শেষ হৈ যাব?

লৰালৰিকৈ হাতৰ কাষত থকা গছডালৰ গাত সাৰটি ধৰিবৰ চেষ্টা কৰি প্ৰাণপণ শক্তিৰে এবাৰ চিঞৰিলো— "গৌৰী!"

পাছমুহূৰ্ততে চকুৰ সন্মুখৰ ক্ষীণ পোহৰটোও যেন দপ্‌কৈ নুমাই গ'ল, আৰু মই চিৰ-অন্ধকাৰৰ অটল তলিত বিলীন হৈ গলো।

।। ঊনবিংশতি অধ্যায় ।।
শ্মশানৰ বিননি

"...এইবোৰ পেলাই দিওঁগে আইদেউ...?"

ভৰদুপৰীয়া কোঠাটোলৈ সোমাই আহি পঞ্চমবাৰলৈ কেতেকীয়ে একেটা প্ৰশ্নকে উমাক আকৌ কৰিলে। ...আগদিনা গধূলিৰেপৰা মই এৰি অহা জলপানৰ থালখন একেভাৱে একে ঠাইতে এতিয়ালৈকে আছে। উমাই তাক পেলাই দিবলৈ দিয়া নাই, ছুবলৈকো দিয়া নাই। নিজৰ কাম-বনৰ ফাঁকে ফাঁকে এবাৰ এবাৰ চাই চাই গৈছে, যেনেভাৱে মই থৈ দিবলৈ কৈছিলো ঠিক তেনেভাৱে আছে নে নাই!

কেতেকী উভতি গ'ল।

"উমা...!"

কোঠাটোৰ আন দাঁতিৰ দুৱাৰমুখত থিয়দি অশোক। তিনি-চাৰি দিনৰ মূৰত দুয়ো এই প্ৰথমবাৰলৈ খন্তেকৰ কাৰণে নিৰলে মুখামুখি হৈছে। এইকেইদিন উমাৰ কাণলৈ অশোকৰ কণ্ঠস্বৰ যোৱা নাছিল। অশোকৰ অৱসৰ নাছিল- উমাৰো আহৰি নাছিল। আজি বেদনাৰে ভৰা অশোকৰ আহ্বান শুনি উমাৰ অন্তৰখন তোলপাৰ কৰি উঠিল। অশোকৰ ওচৰ চাপি গৈ নিঃশব্দে চকুযোৰ তুলি মুখলৈ চালে।

...খোলা খিৰিকীৰে শ্মশান হৈ যোৱা দক্ষিণপাৰৰ ফালে- উদাস দৃষ্টিৰে অশোকে চাই আছে। তাৰ বহুত ঘৰৰেই জুই এতিয়াও নুমুৱা নাই। তাৰপৰা ওলোৱা নীলা ধোঁৱাবোৰ, দুপৰীয়াৰ ৰ'দেৰে ভৰা গোটেই কমল-নগৰৰ আকাশখন ছাটি ধৰি অতি মৰ্মান্তিক হৈয়ে দুয়োকে দেখা দিছে।

"উমা!"

"কি?"

"কেতেকীক সেইবোৰ পেলাই দিবলৈ কোৱা। তুমি ভালকৈয়ে জানা সি আৰু কেতিয়াও উভতি নাহে..."

উমাৰ চকু দুটা চলচলীয়া হৈ উঠিল। বাগৰি আহিব খোজা চকুলোক সকলো শক্তিৰে বাধা দি ক'লে— "...জানি-শুনি জীৱনত কোনো দিন অলপো পাপ

Scanned with CamScanner

কৰা নাই, নাজানো কি দোষত ভগৱানে আমাক এই শাস্তি দিছে। ...আজি আমাৰ সকলো গ'ল। গোটেই কমল-নগৰৰ হাজাৰ হাজাৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলো। ৰাধা গ'ল, ৰূপহী গ'ল, চম্পা...? নহয়! নহয়! ইয়াৰ উপৰিও চন্দন-গৌৰীক কেতিয়াও ভগৱানে মোৰ ওচৰৰপৰা কাঢ়ি নিনিয়ে..."

অতি দুখৰ করুণ হাঁহিটোৰে অশোকে উমালৈ চালে— "ৰঙাটিলাৰ ভগ্নস্তূপৰ মাজৰপৰা তিলকে লগত কি বিচাৰি আনিছে তুমিতো দেখিছা; তথাপি কিয় নিজক এনেকৈ প্ৰবঞ্চনা কৰিছা উমা?"

চকুলো মচি মচি উমাই উত্তৰ দিলে— "প্ৰবঞ্চনা কৰা নাই, ই মোৰ বিশ্বাস, মোৰ মনে কৈছে সিহঁত দুয়ো আকৌ মোৰ ওচৰলৈ উভতি আহিব। নিশ্চয় দুয়োকো আকৌ মই দেখিবলৈ পাম। যদি সেয়ে নহয় বুজিম পৃথিৱীত ভগৱান নাই, অন্তৰৰ নিঃস্বাৰ্থ মৰম-চেনেহৰ একো মূল্য নাই- সকলো মিছা! কিন্তু মোক নিৰাশ কৰি নিদিব। ভগৱানৰ ওপৰত মই বিশ্বাস হেৰুওৱা নাই...কেতিয়াও নেহেৰুৱাওঁ, সেই বিশ্বাসৰ জোৰতেই সিহঁতহালক মই আকৌ ঘূৰাই পাম। তিলক-মতিহঁত পুনৰ ৰঙাটিলাৰ ফালে গৈছে। এইবাৰ সিহঁত উভতি আহিলে নিশ্চয় সকলো বাতৰি লগত আনিব..."

উমাই নাজানে যে অশোকেও পুৱাৰেপৰা গোটেই দক্ষিণপাৰ তন্ন-তন্নকৈ পলাই পলাই ফুৰিছে।

একো মুখেৰে নামাতি অশোকে লাহে লাহে কোঠাৰপৰা ওলাই আহিল। আজি অশোকে আৰু মানুহৰ মুখলৈ চাব পৰা নাই। সকলোৰে ওচৰৰপৰা মনে মনে আঁতৰি গৈ, নিৰ্জন বাৰীৰ এদাঁতিয়ে থকা গছ এডালৰ ছাঁত নিৰলে বহিলগৈ। নৈৰাশ্যৰ যি প্ৰবল ধুমুহা অশোকৰ অন্তৰত চলিছে তাক কোনেও ধাৰণা কৰিব পৰা নাই। সহায়-সম্বলহীন অশোকৰ চকুৰ সন্মুখত আজি সকলো আন্ধাৰ-দুৰ্ঘোৰ আন্ধাৰ। কমল-নগৰৰ আন্ধাৰ ভৱিষ্যতৰ মাজত আশাৰ এখুদমান পোহৰ, আকৌ গঢ়ি তোলাৰ এধানিমান বন্তিগছো জ্বলাই তুলিবলৈ, অশোকক সহায় কৰোঁতা আজি কোনো নাই। নাৰী, শিশু, বৃদ্ধ, অৰ্দ্ধমৃত, যিবোৰ এতিয়াও বাচি আছে সেই সকলোৱে অশোকৰ মুখলৈকে চাইছে। সিহঁতৰ বিশ্বাস অশোকে এটা ব্যৱস্থা কৰি দিব। কিন্তু কি কৰিব পাৰে অশোকে?

"অশোক!"

হতভাগ্য সন্তানৰ ওচৰত সান্ত্বনাৰ জীৱন্ত প্ৰতিমূৰ্তিৰ দৰেই মাই নিঃশব্দে অশোকৰ কান্ধত হাতখন থলেহি। আন কোনেও লক্ষ্য নকৰিলেও মাৰ চকু

Scanned with CamScanner

অশোকৰ ওপৰত। সকলোৰে আজি আশা একমাত্ৰ অশোক, কিন্তু মাই বুজিছে অশোক কিমান অসহায়।

মাৰ সান্নিধ্যত অশোক নিঃসহায় শিশুৰ দৰেই হৈ পৰিল। পৃথিবীত অশোকৰ আজি এইজনাই আছে, যাৰ মুখলৈ অলপ সান্ত্বনাৰ আশা কৰি এবাৰ চাব পাৰে।

"...মাহীদেউ, এই অৱস্থাত পৰাতকৈ যুঁজত মৰি যোৱাও যে সহস্ৰ গুণে সহজ আছিল..."

"তেনে কথা কৈলৈ কৈছ অশোক! ধৈৰ্য ধৰ, লক্ষ্মীনাৰায়ণৰ অবিহনে আজি কমল-নগৰৰ তয়েই সকলো। অতি দুৰ্ভগীয়া যিবোৰ এতিয়াও বাচি আছে, সেই সকলোৰে একমাত্ৰ আশা তই-ৰক্ষাকৰ্তা, শান্তিদাতা। ...তই যদি এনেদৰে হতাশ হৈ যাৱ তেন্তে কোনে সিহঁতক সান্ত্বনা দিব? কোনে সিহঁতক অভয় দি নিচুকাব? কোনে চকুৰ পানী মচি দিব?... উঠ, ইয়াত এনেকৈ বহি থাকি আন্ধাৰ হৈ উঠা কমল-নগৰক আৰু আন্ধাৰ কৰি নুতুলিবি! আহ মোৰ লগত, আমি আমাৰ কৰ্তব্য কৰি যাওঁ।"

অশোকক হাতত ধৰি মাই ঘৰৰ ফালে খোজ ললে।

...চেতনা পাই লাহে লাহে চকু মেলি চালো- মই গাড়ীত শুই আছো। দেখিলো, গৌৰীয়ে মোৰ মুখলৈকে একেথৰে চাই আছে। বহুতপৰ স্পষ্ট একো মনত পৰা নাই। এবাৰ ভাবিলো, হয়তো শুই পৰিছিলো আৰু টোপনিৰ মাজত সপোন দেখিছিলো...গৌৰীক একে উশাহতে কেইবাটাও প্ৰশ্ন কৰি পেলালো। মোৰ প্ৰশ্নৰ উত্তৰৰ পৰিবৰ্তে মোৰ গালত এবাৰ হাত ফুৰাই চকুলৈ চালে : "এতিয়া অলপ ভাল পাইছা? পানী খাবানে...?"

মোৰ পিয়াহ লাগিছে বুলি গৌৰীয়ে কেনেকৈ জানিলে?

পানীটোপা পেটত পৰাত বৰ শান্তি অনুভৱ কৰিছো। এবাৰো ভবা নাই গৌৰীয়ে পানী ক'ত পালে? কেনেকৈ গোটালে? চকু মুদি আকৌ পৰি আছো। গৌৰী কিবা কামত বৰ ব্যস্ত। চাবৰ মন গৈছে, কিন্তু শৰীৰটো ইমান দুৰ্বল হৈ পৰিছে যে চকু মেলিবলৈকো কষ্ট হৈছে।

অলপ পাছতে মোৰ কপালত আকৌ গৌৰীৰ কোমল হাতৰ পৰশ অনুভৱ কৰিলো— "চাওঁ, অলপ মূৰটো তোলাচোন। পাৰিবা? মোৰ ডিঙিত ভালকৈ ধৰা..." মোক আলফুলকৈ ধৰি গৌৰীয়ে গাড়ীৰ দাঁতিত আঁউজি থাকিব পৰাকৈ বহুৱাই দিলে।

চকু ফুৰাই গৌৰীকে আদি কৰি গোটেই গাড়ীখনতে এটা পৰিবৰ্তন লক্ষ্য

Scanned with CamScanner

কৰিলো। ...দুছটা কাঠ আৰু ধানখেৰেৰে সৈতে গঢ়া এখন অভিনৱ বিছনাত মই আঁউজি বহিছো। বাউসীৰ বান্ধটো সম্পূৰ্ণ নতুন। তেজেৰে ৰাঙলী হোৱা ধানখেৰবোৰৰ চিন-চাব ক'তো নাই। গাড়ীৰ এদাঁতিয়ে দেখিলো, সোণৰ দৰেই জিলিকি থকা কাঁহৰ চৰিয়া এটাত পৰিষ্কাৰ নিৰ্মল পানী। ওচৰত গোটাদিয়েক ফুলবছা ধুনীয়া বানবাটি-তাতো পানী। ...বুজিলো গৌৰীৰ এই নতুন সংসাৰৰ আহিলা-পাতিবোৰ লুট কৰি নিব খোজা শত্ৰুৰ টোপোলাৰ মাজত গৌৰীয়ে আৱিষ্কাৰ কৰি তাকেই ব্যৱহাৰ কৰিছে। ভৰি পথানৰ ফালে দেখিলো, শুকুলাই মুখৰ সন্মুখত থকা কেঁচা ঘাঁহৰ মাজত মুখখন সুমুৱাই পৰম তৃপ্তিত চকু মুদি চোবাই চোবাই গাড়ীৰ লগে লগে আহি আছে।

হঠাৎ মোৰ ফালে ঘূৰি মোৰ সন্মুখত এখন তামৰ থাল গৌৰীয়ে তুলি ধৰিলে। থালত ভালেখিনি কাক উলিওৱা পকা বেল।

লাহে লাহে মোৰ মুখলৈ চকু দুটা তুলি ক'লে "খোৱা।"

গৌৰীৰ মুখলৈ চালো- তাত বিজয়ৰ গৌৰৱ নাই, আছে বিষাদ, মুখত তৃপ্তিৰ এটি ক্ষীণ আভা, অলপ লাজ, অলপ কুণ্ঠা। এই অতি সামান্য, অতি সাধাৰণ খোৱা বস্তুকণ আমাৰ এই অৱস্থাতো মোৰ ফালে আগবঢ়াই দিবলৈ গৌৰীয়ে সংকোচ কৰিছে। অথচ ইয়াৰ কাৰণেই কি কৰা নাছিল? মোক নকলেও মই বুজিছো, কি অসীম ধৈৰ্যৰে সৈতে সেই তেতিয়াৰেপৰাই প্ৰতিটো মুহূৰ্তত গৌৰীয়ে নিজৰ কৰ্তব্য কৰি গৈছে। তাৰ পৰিচয় পাইছো মোৰ গাত, গাড়ীখনত থকা বস্তুবোৰত- আনকি ঘোঁৰা দুটাও গৌৰীৰ শুশ্ৰূষাৰপৰা বাদ যোৱা নাই।

ভাবি আচৰিত লাগিল ননীৰ দৰেই সুকোমল গৌৰীয়ে এই অসীম শক্তি পালে ক'ত? গৌৰীৰ কথা মোৰ কাণলৈ যোৱা নাই। কৰুণাময়ী গৌৰীৰ মুখলৈ মুগ্ধ হৈ চাইছো, দেখিছো আন এটা নতুন ৰূপ।

ক'ব নোৱাৰো কিয়যে অবাবতে মোৰ চকু পানীৰে ভৰি পৰিল। লৰালৰিকৈ আনফালে মুখ ঘূৰালো। সুখৰ হওক, দুখৰ হওক, মই ইচ্ছা নকৰো গৌৰীয়ে মোৰ চকুত পানী দেখক- হাজাৰ হওক মই যে পুৰুষ। চকুলো গৌৰীৰ চকুতে শোভা পায়।

কি কম মই গৌৰীক? এনে কোনো ভাষা নাই, এনে কোনো শক্তি নাই, নাৰীৰ অন্তৰৰ মাজত আত্মগোপন কৰি থকা এই মধু ভাণ্ডাৰৰ ৰূপ-সৌন্দৰ্যক প্ৰকাশ কৰিব পাৰো। থাওক সি, তাৰ চানেকি ভাষাৰে ব্যক্ত কৰি আৰু তাক অপমান নকৰো।

Scanned with CamScanner

এটা সামান্য ধন্যবাদো গৌৰীক নিদিলো।

"খোৱা আকৌ...।" গৌৰীৰ ফালে লাহে লাহে ঘূৰি চাই অলপ হাঁহিবৰ চেষ্টা কৰি সুধিলো— "তোমাৰ?"

"মোৰ হ'ব বাৰু তুমি খোৱাচোন।"

"নহয় গৌৰী। খালে দুয়ো একেলগেই খাম...।"

গৌৰীয়ে আপত্তি নকৰিলে। হাঁহি ক'লে— "বাৰু সেয়ে হ'ব, খোৱা...।"

অমৃত কেতিয়াও খোৱা নাই, দেখাও নাই, তাৰ সোৱাদ কেনে তাকো নাজানো। কিন্তু যিটো বস্তু দুদিন সম্পূৰ্ণ লঘোণৰ পাছত মুখত তুলি ললো তাক কেৱল সেই অমৃতৰ লগতে ৰিজাব পাৰি। থালখনত থকা তাৰ শেষ কণিকাটোলৈকে বাদ নিদিলো।

গধূলিৰ শেষ পোহৰকণৰ মাজত, ধূলি-বালিত লুতুৰি-পুতুৰি হৈ তেজে-বিযে জৰ্জৰিত, অৱশ শৰীৰটোত প্ৰবল জ্বৰ লৈ প্ৰায় অৰ্দ্ধমৃত অৱস্থাত ৰূপালীপামৰ পদূলিমুখ পালোহি। সন্মুখত ভূত দেখিলে মানুহৰ যি অৱস্থা হয় ওচৰৰ মানুহখিনিৰ ঠিক সেই অৱস্থাই হ'ল।

...এখন অতি নিকৃষ্ট বিদেশী ঘোঁৰাগাড়ীৰ ধানখেৰৰ ওপৰত পৰি থকা- প্ৰায় যেন মৰিশালিৰ চাণ্ডীৰপৰা সদ্যে সদ্যে উঠি অহা এহাল মানুহক এনেভাৱে সন্মুখত দেখিবলৈ পাব বুলি সিহঁতে আশা কৰা নাছিল। যি দুজনাক ভাবিছিল মৃত, সেই সুন্দৰী কমল-নগৰৰ ৰাজকুঁৱৰী গৌৰী আৰু সিহঁতৰে আটাইতকৈ সন্মানিত সুবেশ ডেকা বিষয়াৰ ভগ্নাৱশেষ যদিও তেওঁলোকেই যে হঠাৎ জীৱন্ত হৈ এনেভাৱে আগত ওলাবহি তাক হয়তো কোনেও কল্পনাও কৰা নাছিল।

খন্তেক পাছতে চাৰিওফালে হুলস্থূল লাগি গ'ল। অশোক, মা, আৰতি-মণিকে আদি কৰি ঘৰৰ ভিতৰত থকা সকলোবোৰেই দৌৰি আহিল আমাৰ ওচৰলৈ। কিন্তু মই যিজনাক আটাইতকৈ আগতে দেখিবলৈ পাম বুলি আশা কৰিছিলো, সেইজনাক নেদেখি আচৰিত হলো।

"মা, নবৌ ক'ত?"

"আছে, বোধকৰো, তহঁতক দেখিয়েই হ'বলা প্ৰথমেই ভগৱানক কৃতজ্ঞতা জনাবলৈ গৈছে গোসাঁইঘৰলৈ... গৌৰী, আহ মোৰ আই, তহঁতক যে আকৌ ঘূৰাই পাইছো যি কেৱল ...

Scanned with CamScanner

উমা উধাতু খাই ছিৰিয়েদি নামি আহিছে। জগতত উমাৰ সেই চিঞৰৰ মাজত লুকাই থকা সৌন্দৰ্যখিনিৰ তুলনা নাই। আমাৰ ওচৰ পোৱাত এবাৰ উমাৰ মুখলৈ চালো। আনন্দাশ্ৰুত চকু দুটা টল-মল কৰিছে। মুখত ফুটি উঠা ক্ষীণ হাঁহিটো মোৰ বাউসীৰ বান্ধটোলৈ চকু যোৱাৰ লগে লগেই কিন্তু মাৰ গ'ল।

মাৰ দৰেই এবাৰ কপালত হাতখন দি উমাও শিয়ঁৰি উঠিল— "চন্দন, তোমাৰ জ্বৰ!... নাই নাই, ইয়াত আৰু নহয়, ব'লা ওপৰলৈ ব'লা। খোজ কাঢ়িব পাৰিবা নে কঢ়িয়াই নিম...?"

"ব্যস্ত নহবা নবৌ! মই নিজেই পাৰিম, নোৱাৰিলে বাৰু ধৰিবা। কিন্তু আগতে মোক কোৱাচোন, কালি থৈ দিবলৈ কোৱা জলপানখিনি থৈছা নে পেলাই দিলা?"

"তুমি যেনেভাৱে থৈ গৈছিলা ঠিক তেনেকৈয়ে আছে, মই মাথোঁ মাজে মাজে তপতাই থৈছো, আহা..."

ভাবিছিলো নিজেই খোজকাঢ়ি ওপৰলৈ উঠিব পাৰিম, কিন্তু সাধ্য নহ'ল। উমাহঁতেই ধৰামেলা কৰি মোক ওপৰলৈ তুলি আনিলে। উমাক হাঁহি কলো— বুজিছা নবৌ, আজি পুৰা চকু মেলিবৰেপৰা বাৰে বাৰে গোটেই দিনটো কালিৰ সেই জলপানৰ থালখনৰ কথাই মনত পৰিছিল! গৌৰীক কৈছিলো, নিশ্চয় আমাৰ দুয়োৰে কাৰণে তুমি তাক নেপেলাই থি দিবা, এতিয়া দেখিছো সি কিমান সঁচা কথা।"

গোটেইবোৰে আমাক বেঢ়ি ধৰিছে। সামান্য পৰিচৰ্য্যাৰ পাছত, গৌৰী আৰু মই দুয়ো প্ৰথমেই খাবলৈ বহিলো। আমাক লৈ ব্যস্ত হৈ পৰা উমাই, মোৰ কথা শুনি সুধিলে— "বৰ ভোক লাগিছিল..."

"বৰ, বৰ ভোক নবৌ...! তাৰ কাৰণে গৌৰীয়ে কি অসাধ্য সাধন কৰিছিল শুনিবা?"

"শুনিম; পাছত সকলো শুনিম; আগতে খোৱা। বাওঁহাতেৰে পাৰিবা জানো?"

"পাৰিম।" ইয়াৰ ভিতৰতে মাই মোৰ বাউসীৰ কটাডোখৰ দৰব-জাতি দি নতুনকৈ বান্ধি দি গৌৰীৰ ওচৰত বহিছেগৈ। গৌৰীৰ বিশৃঙ্খল চুলিবোৰ পৰিপাটিকৈ দি মৰমেৰে পিঠিত হাত বুলাইছে।

...মাই কথা কম কয়। অতি চেনেহৰ আপোনজনৰ লগতো কথা ভাঙি ভাঙি মাই মৰম নকৰে। যি নিজৰ আপোন যাক নিজৰ আপোনজন বুলি গ্ৰহণ কৰে তাক ঠিক এনেকৈয়ে প্ৰকাশ কৰে। মাৰ এই নিঃশব্দ পৰশেই মাৰ অন্তৰৰ কথা কয়।

মাকে গৌৰীকে এই পৰিৱেশৰ মাজত দেখি হঠাৎ মোৰ মনত পৰিল ঠিক এনেভাৱেই মোৰ ওচৰত আৰু এজনাক দেখাৰ কথা। সেয়া চম্পা। চম্পা?

Scanned with CamScanner

...মুখলৈ তুলি নিয়া জলপানৰ গড়াটো হঠাৎ আধাবাটতে ৰৈ গ'ল। চম্পা ক'ত? ইয়াৰ মাজত চম্পা নাই কিয়? সকলোকে প্ৰায় ভয় খুৱাই চিঞৰি উঠিলো— "মা, চম্পা ক'ত?"

মাই মোৰ মুখলৈ চাই মুখ ঘূৰাই নিলে। নিমিষতে কোঠাটোত থকা সকলোৰে মুখৰ মাত বন্ধ হৈ গ'ল।

"নবৌ চম্পা ক'ত? উমাৰ মুখলৈ চালো, অশোকৰ মুখলৈ চালো, এবাৰ এবাৰ প্ৰত্যেকৰে মুখলৈ চালো, কিন্তু কোনেও মোক মোৰ প্ৰশ্নৰ উত্তৰ নিদিলে। আকৌ মাৰ মুখলৈ চালো— "মা, নকৰ কেলৈ চম্পা ক'ত?"

মাই লাহেকৈ ক'লে— "অস্থিৰ হৈছ কেলৈ? আগেয়ে খাচোন, চম্পা আছে...।"

"আছে যদি নকৰ কিয় চম্পা ক'ত আছে?"

সকলোৰে এই ব্যৱহাৰ দেখি ভয় লাগিল। ভোক-পিয়াহৰ কথা পাহৰি সন্মুখৰ কাঁহীখন ঠেলা মাৰি আঁতৰাই থিয় দি উঠি উমাৰ হাতত ধৰিলোহি— "কাবৌ কৰিছো, তুমি কোৱা চম্পা ক'ত আছে? কোৱা, কোৱা চম্পা সঁচাই আছে নে নাই...? আৰতি, মণি, তহঁতে মোক কচোন চম্পা ক'ত...?"

উমাই মোক স্থিৰেৰে ৰাখিবৰ চেষ্টা কৰি ক'লে— "চন্দন সঁচাই কৈছো, চম্পা ইয়াত আছে। তুমি আগতে খাই লোৱা, তাৰ পাছতো চম্পাৰ ওচৰলৈ যাবা। তাইৰ অসুখ, এতিয়া শুইছে-"

"চম্পাৰ অসুখ? ভাবি নাপালো, চম্পাৰ কি অসুখ। কালিও চম্পা ভালে আছিল, আজি কেনেকৈ অসুখ হ'ব পাৰে? ক'ব নোৱাৰো কিয় কোঠাটোৰ আটাইৰে ওপৰত বৰ খং উঠিল- চম্পাৰ অসুখ অথচ আমাক লৈয়ে সকলো ব্যস্ত।

উমাৰ হাতৰপৰা জোৰ কৰি মুক্ত হৈ টলি টলি উমাৰ শোৱনি কোঠাত সোমালোহি।

...হয়, সৌৱা চম্পা; উমাৰ প্ৰকাণ্ড পালেংখনৰ মাজত এধানিমানি ছোৱালী এজনীৰ দৰে চম্পা শুই আছে। বতাহৰ আঘাতত অসময়ত সৰি পৰা প্ৰস্ফুটিত শেৱালি ফুল এপাহ, দূবৰিৰ শ্যামল কোলাত হে যেন পৰি আছে। মই সোমোৱাৰ লগে লগেই চম্পাই চকু মেলি চালে।

"চম্পা...!"

"উস্...দাদা..." মোৰফালে হাত দুখন চম্পাই মেলি ধৰিছে। কিন্তু চম্পাৰ মাতটো ইমান অস্পষ্ট। উধাতু খাই হাতত ধৰিলোগৈ— "চম্পা!"

"দাদা! আহা, মই যে তোমালৈকে বাট চাই আছো..."

"তোৰ অসুখ কেনেকৈ হ'ল...?"

মাৰ যোৱা বেলিৰ শেষ ৰশ্মিৰ নিচিনাই ক্ষীণ হাঁহিটো চম্পাৰ মুখত ফুটি উঠিল। ডিঙিত ওলোমাই থোৱা মোৰ হাতৰ বান্ধটোলৈ চাই চম্পাই উত্তৰ দিলে— "ঠিক তোমাৰ যেনেকৈ হ'ল। মোৰ ওচৰত বহা..."

মই বহিলো। চম্পাই নোকোৱা হ'লেও বহিলোহেঁতেন। থিয় দি থকা শক্তি মোৰো শেষ হৈ আহিছে। ব্যগ্র হৈ প্রশ্ন কৰিলো— "ক'ত? কোনডোখৰত চম্পা?"

চম্পাই হাঁহিলে— "বুকুত; চোৱা... এদিন মোৰ বুকুৰ মাজত কি আছে চাব খুজিছিলা নহয়! তাত বঢ়িয়া দুৱাৰ এখন শত্রুৰ শৰে খুলি গৈছে, তাৰে ভালকৈ আজি চাই পঠিওৱা..."

আলফুলকৈ চম্পাৰ বুকুৰ ওপৰৰ কাপোৰখন তুলি চাই পাছমুহূর্তত আর্তনাদ কৰি আনফালে মুখ ঘূৰালো। চম্পাক এৰি নিজৰ বুকুখন খামুচি ধৰিলো জানোচা চৌছিৰ হৈ ফাটি যায়?

"কোনে? কোনে তোৰ এই অৱস্থা কৰিলে চম্পা...?"

আকৌ চম্পাই হাঁহিলে— "খেলমাটিত তপত তেজৰ সোঁত বৈ যোৱা দেখিও মোৰ বুকুৰ এই অকণমান তেজৰ কাৰণে কেলৈ ইমান উতলা হৈছা দাদা..."

"কেলৈ হৈছো? তই কেনেকৈ বুজিবি চম্পা! খেলমাটিৰ তেজ আৰু তোৰ কোমল বুকুৰ তেজ একে হোৱা হ'লে পৃথিৱীখন আজি মৰুভূমি হৈ গ'লহেঁতেন। খেলমাটিত শত্রুৰ তেজো আছিল..."

চম্পাই মোক বাধা দি উঠিল— "হ'ল হ'ল দাদা, মৰণৰ দুৱাৰডলিত বৈ আজি আৰু মই তেজৰ কথা শুনিব নোখোজো। গৌৰী ক'ত?"

"এয়া তোমাৰ ওচৰতে চম্পা..."

চক খাই একে লগেই ঘূৰি চালো। পালেংখনৰ চাৰিও দাঁতিয়ে অকল গৌৰীয়েই নহয়, সকলোবোৰেই আছে। বোধকৰো প্রথমৰপৰাই আছে, কিন্তু ক'ব পৰা নাছিলো। ভাবিছিলো কোঠাটোত মই আৰু চম্পাৰ বাহিৰে আন কেও নাই।

গৌৰীয়ে চম্পাৰ হাত এখন নিজৰ দুয়ো হাতৰ মাজত লৈ মূৰ শিতানতে বহি পৰিল। চম্পাই এবাৰ মোৰ মুখলৈ, আনবাৰ গৌৰীৰ মুখলৈ চালে- সৰুকৈ হাঁহিলে। তাৰ পাছত লাহে লাহে প্রতিটো কথা বৈ বৈ কৈ গ'ল— "জানা গৌৰী, সকলোৱেই তোমালোক দুয়োৰে আশা এৰি দিছিল। ভাবিছিল ৰঙাটিলাৰ লগতে তোমালোকো ধ্বংস হৈ গ'লা, কিন্তু উমা বাইদেউৰ দৰেই মোৰো মনে কৈছিল

তোমালোক দুয়ো আকৌ আহিবা- সেই আশাতেই মই তোমালোককৈ বাট চাই আছো। ...মোৰ হেঁপাহ আছিল তোমালোক দুয়োকে ঠিক এনেকৈ একেলগে এদিন দেখিম। ....আজি মোৰ সেই আশা পূৰণ হ'ল গৌৰী। এইবাৰ মই খুব আনন্দেৰে, বৰ শান্তিৰেই যাবগৈ পাৰিম। মোৰ আৰু অলপো দুখ নাই...”

গৌৰীয়ে আৰু থিৰেৰে থাকিব নোৱাৰিলে, “...নক'বা, আৰু নক'বা চম্পা তেনেকৈ ক'লে আমাৰ যে কিমান কষ্ট হয় তুমি জানো নুবুজা? কোনে তোমাক যাবলৈ এৰি দিব খুজিছে? তুমি আকৌ ভাল হৈ উঠিবা, আমাক এৰি তুমি...তুমি কেতিয়াও যাব নোৱাৰা... মৰিব নোৱাৰা...”

চম্পাক সান্ত্বনা দিবলৈ গৈ গৌৰীয়ে নিজেই কান্দি পেলালে। সান্ত্বনা দিলে চম্পাই— “তোমাক কোনে ক'লে মই মৰিম বুলি? মই কেতিয়াও নমৰো। মোৰতো মৰণ নাই! অকল মোৰেই নহয়, কমল-নগৰৰ কাৰো কোনো দিনেই মৰণ নহয়- মৰণ কাক কৈছা? নিজৰ দেশৰ কাৰণে যুঁজ কৰি কৰি জীৱন দিলে দেখিয়েইতো সকলোৱেই মৰণ জয় কৰি আকৌ বাচি উঠিল। ...শুনা গৌৰী, আমি কোনো নমৰো, আমি যে মৃত্যুহীন। ...আমাৰ প্ৰকৃত মৰণ হ'ব সেইদিনা, যিদিনা পৃথিৱীৰ মৃত্যু হ'ব, যিদিনা আত্মাৰ মৃত্যু হ'ব। কিন্তু আমি জানো আত্মা অমৰ, আত্মা চিৰকালৰ, গতিকে আমিও অমৰ, আমিও চিৰকালৰ...পুৱাৰপৰা গধূলিলৈকে দিনটোৰ ভিতৰত আমি দহবাৰ বেলেগ পোছাক সলালেও সেই পোছাকৰ মাজত থকা আমি আমিয়েই হৈ থাকো। সেয়ে কৈছো গৌৰী! আমাৰ আত্মায়ো যদি এই তেজ-মঙহৰ পোছাকটো সলায়, তাত দুখ কৰি আমি কান্দিম কেলৈ?”

গৌৰীয়ে কিন্তু উচুপি কান্দি উঠিল... “চম্পা, মোক নালাগে সেইবোৰ কথা। মোক তোমাক লাগে, আমাৰ সকলোৰে মাজত। আমাক এৰি তুমি কেতিয়াও ক'লৈকো যাব নোৱাৰা-”

“...সেয়া এৰি যামেইবা কেলৈ যিডোখৰ মাটিৰ অমৃত পান কৰি আমি সদায় আনন্দৰ মাজত আছিলো, যিডোখৰ মাটিৰ মৰ্যাদা ৰাখিবলৈ আমি আমাৰ জীৱন

দৰে মই ভাবিব নোৱাৰো আৰু ভাবিব নোখোজোও- যাক মই ভাল পাওঁ, মোৰ ওচৰত বিচাৰো তাক নেদেখাকৈ তুমি থাকিব পাৰা, মই নোৱাৰো চম্পা! মোক লাগে চকুৰ আগত দেখিবলৈ, হাতেৰে স্পৰ্শ কৰিবলৈ-”

চম্পাই লাহে লাহে ক'লে— “মইতো তাকেই তোমাক ক'ব খুজিছো... যাক তুমি ভাল পোৱা যাক তুমি বিচৰা, যাক তুমি চাব খোজা, তাকতো তুমি সদায়েই সকলো সময়তে চাব পাৰা। তেজ-মঙহৰ পোছাকটোত থকা বাহ্যিক চকু দুটাৰে তুমিনো পৃথিৱীৰ কিমানখিনি দেখিবা? কিন্তু অন্তৰ-দৃষ্টিৰে তুমিতো সকলোকে নিজৰ মাজতেই বিচাৰি পাবা। তোমাৰ চেনেহৰ, তোমাৰ হেঁপাহৰ প্ৰিয়জনতো তোমাৰ অন্তৰৰ মাজতেই আছে; অন্তৰতেই পাবা তেওঁলোকৰ আত্মাৰ সকলো পৰিচয়— সান্নিধ্য। তুমি জানা গৌৰী আমাৰ অন্তৰতেই হয় আত্মাৰ পূৰ্ণ বিকাশ! আজি তুমি যেনেকৈ ভাবিছা, ময়ো এদিন ঠিক তেনেকৈয়ে ভাবিছিলো- মই যাক বিচাৰিছিলো তাক যে অন্তৰৰ মাজত জন্ম-জন্মান্তৰলৈ বন্দী কৰি থলো সেইদিনা বুজা নাছিলো কিন্তু যিদিনাৰেপৰা নিজৰ অন্তৰক দেখিবলৈ শিকিলো, সেইদিনাই হেৰুওৱা সকলো আকৌ ঘূৰাই পালো, তুমি তোমাৰ প্ৰিয়বো প্ৰিয়ক যেতিয়াই, যেনেকৈ যি বেশতে যিভাৱেই বিচৰা ঠিক তেনেভাৱেই তাক পাব পাৰা গৌৰী! বিধাতাই দিয়া ইয়াতকৈ আৰু সুন্দৰ বিধান আমাৰ কি থাকিব পাৰে?”

গৌৰীয়ে গাৰুৰপৰা মূৰ তুলি উত্তৰ দিলে— “মই ক'ব নোৱাৰো চম্পা। এই মাটিৰ পৃথিৱীৰ মানুহ- বিধাতাৰ সেই বিধান মোক নালাগে। মোক লাগে উপায়, মোক লাগে শক্তি, যি শক্তিৰে মই এই মুহূৰ্তত মোৰ বুকুৰ তেজ দি হ'লেও তোমাক ভাল কৰি তুলিব পাৰো মোক তাকে কোৱা...”

“বুকুৰ তেজ দি? পাৰিবা? -মই জানো গৌৰী, তোমাৰ বুকুৰ তেজ অমূল্য, সেই দেখিয়েই ময়ো তাকেই বিচাৰিছো, কিন্তু তুমি যেনেকৈ দিব খুজিছা তেনেকৈ নহয়...”

“তেন্তে কেনেকৈ?”

“তোমাৰ বুকুৰ তেজৰ দ্বাৰাই যাৰ সৃষ্টি হয়। সেই স্বৰ্গীয় মানৱ শিশুকেই মোক লাগে, তেনেকুৱা বহুত শিশুকেই আজি আৰু ভৱিষ্যত কমল-নগৰৰ আটাইতকৈ বেছি প্ৰয়োজন...”

বেজাৰেৰে গৌৰীয়ে ক'লে— “বৰ্তমানেই যাৰ নাই সি ভৱিষ্যত ভাবিব কোন সাহেৰে? আৰু তোমাক হেৰুৱাই আমাক কমল-নগৰেই বা কেলেই লাগিছে? কাৰ নিমিত্তে?”

“আমাৰ নিমিত্তেই গৌৰী! আমাৰ পৃথিৱীত থকাবোৰৰ নিমিত্তে, মহাশূন্যত

থকাবোৰৰ নিমিত্তে, অসীমত থকাবোৰৰ নিমিত্তে।'' চম্পাই হাঁহি হাঁহি কৈ গ'ল— ''সেইবোৰ কথা এতিয়া যাবলৈ দিয়া, তাতকৈ বৰঞ্চ সেই অসীমলৈ যোৱাৰ আগতে মোক খন্তেকলৈ এবাৰ পৃথিৱীখনক ভালকৈ চাই লবলৈ দিয়া। চাওঁ হাতখন...''

চম্পাই নিজৰ আঙুলিৰপৰা অতি কষ্টেৰে আঙঠি এটা খুলি গৌৰীৰ আঙুলিত পিন্ধাই দি আকৌ হাঁহিলে— ''মই গুচি যোৱাৰ পাছত তুমি মোক তোমাৰ অন্তৰত চাবলৈ ইয়েই বাট দেখুৱাই নিব গৌৰী-'' ইমান দুখ-কষ্টৰ মাজতো চম্পাৰ বুকুত সেই চিৰকলীয়া কৌতুকৰ হাঁহি।

''আমাৰ প্ৰথামতে সমাজে মাতিবলৈ অধিকাৰ দিয়ালৈকে মই হয়তো নাথাকিম, সেই দেখি আজিয়েই তোমাক গৌৰী বুলি নামাতি 'নবৌ' বুলি মাতিছো-''

চকুলোৰ মাজতো গৌৰীৰ মুখখন ৰঙা পৰি উঠিল। চম্পাৰ বাহিৰে সকলোৰে চকুত পানী। চম্পাই মোৰফালে এবাৰ চাই হাঁহি হাঁহি গৌৰীক কৈ গ'ল, ''...দাদা মোৰ অতি মৰমৰ; ইমান দিন মোৰ আছিল, আজি তোমাৰ হাতত দিছো। দাদাক ভালকৈ চাবা দেই। দাদাহঁতেই আকৌ কমল-নগৰ গঢ়ি তুলিব লাগিব। তেওঁলোকৰ মাজত থাকিব গঢ়ি তোলা শক্তি, সেই শক্তিক প্ৰাণ দিবা তুমি। ...তোমালোক দুটাই যেনেকৈ বাৰুদেৰে ৰঙাটিলাৰ লগত শত্ৰুক চূৰ্ণ-বিচূৰ্ণ কৰি দিলা, সেই বাৰুদৰ শক্তিয়েই পাবা দাদাহঁতৰ গাত- ধ্বংসকাৰী শক্তি নহয়, দাদাহঁত হ'ব গঢ়ি তোলা বাৰুদ- সৃষ্টি কৰা বাৰুদ আৰু সেই বাৰুদত জুই দিবা তুমি। তোমাৰ ওচৰত মোৰ সেয়ে আশা, সেয়ে মোৰ অনুৰোধ, এতিয়া উঠা! তোমাৰ মলিন মুখ, মলিন বেশ দেখিলে মোৰ অলপো আনন্দ নহয়। যোৱা, সদায় মোৰ চকুৰ আগত তুমি সুন্দৰ হৈয়ে দেখা দিছিলা, এতিয়াও মই তোমাক সেই ধুনীয়া বেশতেই চাব খোজো- চম্পাৰ 'নবৌ' হোৱা উপযুক্ত বেশতেই তুমি সকলোৰে আগত ওলাব লাগিব মনত ৰাখিবা, জানাই নহয় নবৌ, মই সুন্দৰৰ পূজাৰিণী- পৃথিৱীত যিয়েই ধুনীয়া, যিটোৱেই আটাইতকৈ সুন্দৰ মই তাকেই ভাল পাওঁ। দাদাৰ কাষত, পৱিত্ৰ হোমৰ জুইৰ আগত যিটো বেশত তুমি বহিবা, তাক চাবলৈ যে মোৰ কিমান হেঁপাহ আছিল কি কম! ভাবিছিলো সেইদিনা মই তোমাক নিজ হাতেৰেই সজাই-পৰাই দিম। কেনেদৰে কোৱাচোন...?''

চম্পাই আবৃত্তি কৰাৰ দৰে নিজেই কৈ গ'ল— ''আকাশ সিঁচি লৈ অনা ৰাতিৰ তৰাবোৰকেই যেন নতুনকৈ গঢ়ি দিলোহেঁতেন তোমাৰ কপালৰপৰা ঘূৰি ঘূৰি গাললৈ নামি অহা পৱিত্ৰ চন্দনৰ বিন্দুৰে। তোমাৰ চকুৰ পল্লৱত থাকিলহেঁতেন

Scanned with CamScanner

অঞ্জন, কপালত কুম্-কুম্, হাতৰ সুকোমল আঙুলিৰ মূৰত ৰঙা জেতুকাৰ ৰাঙলী বোল। সোণচৰা বাছকবনীয়া ৰিহা-মেখেলা, মুকুতাৰ মণিৰে ভৰা দুগ্-দুগী, গামখাৰু, কেৰু, বালা। উস্ আৰু যে কত অলংকাৰেৰে, কত শত চিক্‌মিকীয়া অমূল্য সম্পদেৰে তোমাক সজালোহেঁতেন তুমি তাক কল্পনাও কৰিব নোৱাৰা। তোমাক এনে এটা বেশত মানুহৰ আগলৈ উলিয়াবৰ মন আছিল যে তোমাক দেখাৰ লগে লগেই সকলোৱে মুগ্ধ হৈ কৈ উঠিলেহেঁতেন— "ধন্য ধন্য এই ৰূপ আৰু ধন্য সেই ৰূপৰ পূজাৰিণী যি এই ৰূপক এনেভাৱে সজাই দিছে। বুজিছা গৌৰী সেই দেখিয়েই তোমাৰ এই বেশে মোক কষ্ট দিছে..."

"...এইবাৰ তুমি যোৱা গৌৰী! আৰু লগত সকলোকে লৈ যোৱা, মাথোঁ দাদা মোৰ ওচৰত থাকিব, নহয় ময়েই দাদাৰ ওচৰত থাকিম, যিহেতু দাদাৰ অৱস্থাও যে মোৰেই নিচিনা! সকলোৰে লগত কথা পাতিলো, এইবাৰ দাদাৰ লগত পাতিম। দাদাৰ লগত যে মোৰ বহুত, বহুত কথা, বহুত গল্প কৰিবলৈ আছে! তোমালোক যোৱা দেই; কিন্তু আকৌ সোনকালে ঘূৰি আহিবা। মই তোমাক চাবলৈকে বাট চাই থাকিম-"

চম্পাৰ মাত যিমানেই সৰু হওক, অস্পষ্ট হওক তাক অৱহেলা কৰাৰ শক্তি কাৰো নাই। চকুপানী মচি মচি গৌৰী উঠিল।

...গৌৰীৰ হাত এখন নিজৰ মুঠিত লৈ মাই চম্পাৰ মুখলৈ চালে, "বাৰু চম্পা, আমি যাওঁ কিন্তু তই আৰু বেছি কথা নকবি। অলপ শুবৰ চেষ্টা নকৰ কিয়? অথনিৰেপৰা ঢেৰ কথা কলি। নিজৰ শৰীৰটোলৈকে চাবি চম্পা..."

চম্পাই হাঁহি উত্তৰ দিলে— "জেঠাইদেউ, গোটেই জীৱন ধৰি নিজৰ শৰীৰটোলৈকে যে মই আটাইতকৈ বেছি চাইছিলো। সেই দেখিয়ে হয়তো মোৰ মুৰলীধৰে নসহিলে..."

"হুঁ! ময়ো নসহিম যদিহে নিজৰ শৰীৰটোক অকল নিজৰ বুলিয়েই ভাব; তাৰ ওপৰত অত্যাচাৰ কৰি পোৱা কষ্টখিনি যে ঘূৰি মোৰ বুকুতো লাগেহি সেইটো যেন মনত ৰাখ..."

চম্পাৰ মূৰত হাত বুলাই মাই অলপ হাঁহিলে। কিন্তু সেয়াতো হাঁহি নহয়; সেয়া যেন কান্দোনৰে এটা ৰূপ। তথাপি মাৰ চকুত পানী নাই। ভাবি আচৰিত লাগে, মাৰ কি হ'ল?

...ঘৰটোৰ তলৰ কোঠাত গঢ়ি উঠা আহত সৈন্যৰ সেৱাশ্ৰমত সেৱা-শুশ্ৰূষা কৰি নিজৰ কোলাতে শ শ ল'ৰা, ডেকা বুঢ়াৰ চকুলৈ অনন্ত নিদ্ৰা নামি অহা

Scanned with CamScanner

দেখি, মাৰ অন্তৰৰ সকলো কোমল দৰ্বলতাই কি মৰি গ'ল? নে প্ৰায় বুঢ়ো বুঢ়ো নাওখনৰ ভগ্নোৎসাহী, দুৰ্বল, হতাশ নাৱৰীয়াকেইটাক শেষ উদগনি দিবলৈ, প্ৰেৰণা যোগাবলৈ, সান্ত্বনা দিবলৈ গুৰিত বঠা ধৰি থিয় দিয়া নতুন ৰূপ?

গৌৰীক লগত লৈ মা প্ৰথমেই কোঠাৰপৰা ওলাই গ'ল। লাহে লাহে এজন এজনকৈ সকলোবোৰেই মাহঁতৰ পিছ ললে। উমাই যোৱাৰ আগতে মই ভালকৈ আউজি বহিব পৰাকৈ পিঠিৰফালে দুটা গাৰুও দি গ'ল।

সকলো দুৱাৰেদি আঁৰ হৈ যোৱাৰ পিছতো চম্পাই বহুত সময় সেইফালেই চাই ৰ'ল। তাৰ পাছত ঘূৰি মোৰ মুখলৈ চালে। লাহে লাহে নিজৰ হাতখন মোৰ হাতৰ ওপৰত থৈ অলপকৈ হাঁহিলে। চম্পাৰ অৱশ, শক্তিহীন হাতখন মুঠিৰ মাজত লৈ চম্পাৰ মুখলৈ চালো। চম্পাৰ হাতখন ইমান তপত! কিন্তু কথাটো ওলোটাই চম্পাইহে ক'লে— "দাদা, তোমাৰ হাতখন ইমান তপত...!"

মোৰ দৰে চম্পাৰো তেন্তে জ্বৰ! উত্তৰ নিদিলো। চম্পাই চকু মুদি বহুত সময় পৰি ৰ'ল। বোধকৰো দুৰ্বল শৰীৰটোত অলপ শক্তি গোটাই লৈছে। মোৰ লগত যে চম্পাই বহুত কথা ক'ব! কিন্তু কি কথা ক'ব? মনত পৰাৰেপৰা আমাৰ দুয়োৰে জীৱন একেলগেই কাটিছে; কিমান কথা, কিমান গল্প, কিমান গীত, কিমান হাঁহি তথাপি আমাৰ হেঁপাহৰ শেষ নাই...।

চম্পাৰ কথাবোৰ শুনিবলৈ ভাল লাগে। তাইৰ প্ৰতিটো কথাই যে মই বুজি পাওঁ সি নহয়, তথাপি শুনি থাকিবৰ মন যায়। মানুহে মোক কয় মই জ্ঞানী, মই বিদ্বান, কিন্তু ধেমালিতে কোৱা চম্পাৰ কথাবোৰ শুনি নিজৰ জ্ঞান, বিদ্যাবুদ্ধিৰ ওপৰত সন্দেহ জন্মে। ...চম্পাই বাৰু তেনেদৰে কথা ক'বলৈ ক'ত শিকিলে? কোনে শিকালে?

চম্পাক মই বুজি নাপাওঁ। চম্পাৰ মাজত থকা প্ৰকৃত চম্পাক মই আজিলৈকে নিচিনিলো। চম্পা সকলোৰে মৰমৰ সম্পদ। সকলোৱে ভাৱে, চম্পাক ভালকৈয়ে

"কি চম্পা?" চম্পাই চকু দুটা মেলি মোৰ মুখলৈ চালে।

"মোৰ আৰু ওচৰলৈ আহা...যাতে অলপো মূৰ নুঘুৰোৱাকৈ তোমাক চাব পাৰো-"

চম্পাৰ ওচৰতে আছো, তথাপি আৰু কাষ চাপি আকৌ সুধিলো— "কি বহুত কথা কবি চম্পা...?"

ওঠত হাঁহিটো লৈ তাই ক'লে— "ক'ব নোৱাৰো..."

অলপ সময় পাছত আকৌ ক'লে— "তুমি যেতিয়া মোৰ ওচৰৰপৰা দূৰত থাকা, মনতে তোমাৰ লগত কথা পাতো আৰু ভাবো তুমি ওচৰলৈ আহিলেই বহুত কথা পাতিম; কিন্তু যেতিয়াই তুমি মোৰ ওচৰলৈ আহা, যি মুহূৰ্ততে তোমাৰ মুখখন দেখো সেই মুহূৰ্তেই মনলৈ ভাব আহে মোৰ যেন সকলো কথা কোৱা কাহানিবাই শেষ হৈ গ'ল। কিয় এনে হয় কোৱাচোন..."

"ক'ব নোৱাৰো-"

"ময়ো নোৱাৰো-"

দুয়ো আকৌ মনে মনে থাকিলো। চম্পাই এতিয়া একেলগে বেছি কথা ক'ব নোৱাৰা হৈ আহিছে। অলপ অলপ কৰি বৈ বৈ ক'বলগীয়াত পৰিছে। কথা ক'লে চম্পাৰ কষ্ট হয়। মুখলৈ চালেই বুজিব পাৰি কি যন্ত্ৰণা ভোগ কৰিছে। বুকুৰ আঘাতটোৱে চম্পাক যে মৰ্মান্তিক যাতনা দিছে তাক কিন্তু মোক বুজিবলৈ দিব চম্পাই নিবিচাৰে, আনফালে চোৱাৰ ভাও ধৰি মই লক্ষ্য কৰিছো, বাৰে বাৰে চম্পাই জোৰেৰে চকু মুদি দাঁতেৰে ওঁঠ কামুৰি ওলাই আহিব খোজা আৰ্তনাদটো ৰোধ কৰিছে। কিন্তু সম্পূৰ্ণ কৰিব পৰা নাই, সি ভাঙি-গলি মাজে মাজে ওলাই আহিছে সৰু একোটা বুকুভঙা শব্দত। কিন্তু মই চোৱাৰ লগে লগেই তাই থিতাতে হাঁহি তাক তল পেলাই ৰাখিবৰ চেষ্টা কৰিছে।

...কিমান দুখত যে চম্পাৰ মুখৰপৰা সেই কৰুণ মাতটো ওলাইছে তাক বুজাবৰ ভাষা নাই। শুনি মোৰ অন্তৰ তোলপাৰ কৰি উঠে। কিন্তু কি কৰিব পাৰো মই?

"উ-উস্..."

"বৰ কষ্ট হৈছে চম্পা...?"

"আগতে হৈছিল, এতিয়া আৰু নাই..."

"কিয় মিছাকৈ কৈছ? মোক ক, আগততো তই কেতিয়াও মিছা নকৰ...!"

"মিছা? মোৰ দুৰ্ভাগ্য...সঁচা কথা কম দাদা? পৃথিৱীত তোমাকেই যে মই আটাইতকৈ বেছি ফাঁকি দিলো। সদায়ে ভাবো, তোমাৰ আগত সঁচা কথাই ক'ম। কিন্তু কওঁ কেনেকৈ?"

Scanned with CamScanner

চম্পাই হাঁহিলে, প্ৰতিদিনৰ সেই পুৰণা হাঁহিটো যাক মই আজিলৈকে নিচিনিলো। চম্পাৰ কপালত হাতখন থৈ মৰমেৰে কলো— "মিছা কথা, মই বিশ্বাস নকৰো চম্পা, তই মোক কি দুখত ফাঁকি দিবি? কিন্তু সঁচাই কচোন, নিশ্চয় তোৰ বৰ কষ্ট হৈছে নহয়? ...কিয় ঈশ্বৰে তোৰ কষ্টখিনি মোক নিদিলে...?"

মই ভাবি নাপাওঁ, ইমান কষ্ট, ইমান দুখতো চম্পাই কেনেকৈ প্ৰতি মুহূৰ্ত হাঁহি থাকিব পাৰে। আকৌ হাঁহিয়েই সুধিলে— "মোৰ কষ্ট দেখিলে তুমি দুখ পোৱা নহয়?"

মই মনে মনে থকাত তায়েই কৈ গ'ল— "...মই জানো মোৰ কষ্টত তোমাৰো কষ্ট হয়, কিন্তু তোমাৰ কষ্ট যেতিয়া মই দেখো তেতিয়া মোৰ আৰু কষ্ট হয়..."

হঠাৎ মূৰটো ঘূৰি যোৱা যেন লাগিল। পিছৰখিনি চম্পাই কি ক'লে কাণলৈ নগ'ল। কিন্তু কি শুনিছো এয়া? কি শুনিছিলো সেইদিনা জোনাক ৰাতিৰ সপোনত? এয়া যে চম্পাই মুৰলীধৰৰ আগত কোৱা কথাখিনিয়েই কৈছে।

ই জানো সম্ভৱ? অদ্ভুত! মোৰ মস্তিষ্কৰ সুস্থতা সম্বন্ধে সন্দেহ হ'ল। ভাবিলো, ই মোৰ ভুল! মানুহে কিমান কথা কয়, কিমান শুনে, সপোন দেখে, সপোনতো কথা কয়, তাৰ মাজত যদি দুই-চাৰিটা শব্দ মিলি যায়, তাত আচৰিত হবৰ কি আছে? সপোনত কথা ক'বলৈতো আৰু বেলেগ এটা ভাষা নাই...!

চম্পাৰ কথা আকৌ কাণলৈ গ'ল ঃ "...মনত আছে নে দাদা! সেই ৰূপোৱালী আধলিটোৰ কথা?"

"আছে।"

"....সেইদিনা কৈছিলো, আধলিটো মোৰ বুকুত থিয় দি আছে, কিন্তু আজি মোৰ কি অনুমান হৈছে ক'ব পাৰানে? আধলিটো যেন আৰু মোৰ বুকুত থিয় দি থকা নাই, সি পিঠি দি পৰিছে। বাৰু তাৰ সেই পিঠিত কোন ভাগ আছে কোৱাচোন-?"

অন্যমনস্ক হৈ পৰিছিলো, কৈ পেলালো— "পোহৰ ভাগ!"

চম্পাই হাঁহি ক'লে— "ঠিক ধৰিছা পোহৰ ভাগেই, সেই দেখি আজি মোৰ বৰ আনন্দ হৈছে।"

"আনন্দ হৈছে?"

একো বুজিব নোৱাৰি চম্পাৰ মুখলৈ চালো, কিন্তু তাইৰ ওঠত কৌতুকৰ ক্ষীণ হাঁহিটোৰ বাদে আন একো নেদেখিলো।

"চম্পা, এটা কথা কবিনে?"

Scanned with CamScanner

"কি কথা?"

"সঁচা কথা কচোন, তই কাৰোবাক ভাল পাইছিলি?"

"পাইছিলো।"

"কোন, কোন আছিল সেইজন...?"

খন্তেক স্থিৰ দৃষ্টিৰে মোৰ চকুলৈ চাই চম্পাই পাছমুহূৰ্তত হাঁহি উঠিল— "কোন আছিল? ...ওঁহো, তুমি নিচিনিবা দাদা!"

"কিন্তু, কিন্তু কোন তেওঁ?"

"শুনি লাভ কি? অন্ধ তেওঁ? নিষ্ঠুৰ তেওঁ, সেয়ে হয়তো তেওঁ নেদেখিলে মোৰ ভাঙি যোৱা বুকুৰ অনন্ত হাহাকাৰ...।"

"চম্পা...!"

"কিন্তু তাৰ কাৰণে মোৰ কোনো আক্ষেপ নাই দাদা..."

"তোৰ নহ'ব পাৰে, কিন্তু মোৰ আছে। সাঁথৰ এৰি এবাৰ কচোন, তেওঁ কোন- কোন আছিল?"

চম্পাই সৰুকৈ হাঁহি উত্তৰ দিলে— "কোন? মোৰ বোবা মুৰলীধৰ-"

মনৰ মাজত জুকিয়াই আন ভাবৰ সূতাবোৰত আকৌ জট লাগি গ'ল।

"...বুজিছা দাদা, জীৱনৰ বাটত মই বিচাৰিলো একেলগে যাবলৈ, কিন্তু বাটটো ইমান ঠেক যে ওচৰা-উচৰি হৈ দুজন যাব নোৱাৰি!... কিন্তু আজি জীৱনৰ শেষ-যাত্ৰাত বাটৰ মূৰত থকা সৰু টিলাটোত দুয়ো থিয় দিলোহি। আস্ কি তৃপ্তি; তাক অৱশ্যে মুৰলীধৰৰ শিলৰ মূৰ্তিটোৰে মুখ ফুটাই নক'লে, কিন্তু সেই শিলৰ মাজত থকা প্ৰকৃত প্ৰাণটিয়ে মোক তাৰেই সন্নিধান দিলে।"

"কিনো কৈছ চম্পা! মই একো বুজা নাই। মোৰ এইটোৱেই আটাইতকৈ ডাঙৰ দুখ, তোৰ কথা, তোক মই আজিলৈকে বুজি নাপালো-"

চম্পাই নিজৰ সকলো শক্তিৰে মোৰ হাতখন নিজৰ বুকুৰ মাজলৈ টানি নিলে। ভয় লাগিছিল, হয়তো চম্পাই বুকুত দুখ পাব, কিন্তু তাইৰ মুখত হাঁহিৰ বাদে আন একো নেদেখিলো।

"মোক বুজি নাপালা দাদা? -দেহি ঐ! সেয়ে তো মোৰ দুখ! মোক নুবুজিলা দেখিয়েই হ'বলা তুমি মোৰ নিচেই ওচৰত থাকিলেও মই ভাবো, তুমি মোৰপৰা কিমান দূৰৈত। মই যে নিৰুপায়..."

ব্যস্ত হৈ চম্পাক বাধা দিলো— "মনে মনে থাক চম্পা! তোৰ কথাবোৰ শুনিলে যে মোৰ কষ্ট হয় তই জানো নুবুজ? অলপ আগতে কৈছিলি মোৰ কষ্ট

Scanned with CamScanner

দেখিলে তোৰ আৰু কষ্ট হয় তেন্তে এইবোৰ কৈ কিয় বাৰু মোক কষ্ট দিয়? ...শুই থাক, আৰু একো ক'ব নালাগে- মাই কি কৈ গৈছিল নিশ্চয় পাহৰা নাই? ....অলপ শুবলৈ চেষ্টা কৰ, ময়ো কৰো, যদিও ভালকৈয়ে জানো ইমান বিষত টোপনি মোৰ কেতিয়াও নাহে-"

"মোৰ কিন্তু আহিব দাদা, মোৰ বৰ টোপনি ধৰিছে... মই শোওঁ দেই, তুমি এটা গীত গাবা? গোৰাচোন আমাৰ সেই মৰমৰ গীতটো-

....সোণৰ ধৰাত সোণৰ মানুহ,

"প্ৰাণ আশাভৰা..."

অতি দুখতো একেলগেই হাঁহি উঠিলো।

"...মই জানো আজি তুমি নোৱাৰা, ময়ো নোৱাৰো, আনকি গুণ-গুণ কৰিও নোৱাৰো। তাতকৈ তুমি বৰঞ্চ সুন্দৰ চাই গল্প এটা কোৱা, মই শোওঁ..."

মোৰ হাতখন তেনেকৈয়ে বন্দী কৰি ৰাখি চম্পাই চকু মুদিলে— "ওঁ এইবাৰ কৈ যোৱা দাদা..."

"কি গল্প ক'ম চম্পা?"

"তোমাৰ যি মন যায়। যদি গল্প ভাল নালাগে তেন্তে আমাৰ কৈশোৰৰ সেই মতলীয়া দিনবোৰৰ কথাকে কৈ যোৱা, তাকে শুনি শুনি মোৰ চকুলৈ টোপনি আহক, অন্তৰৰ সকলো বিষ নিৰাময় কৰি দিয়া গধুৰ টোপনি নামি আহক।"

চম্পা মনে মনে পৰি আছে, আৰু মই খোলা খিৰিকীখনেৰে বাহিৰৰ আকাশলৈ চাই চাই, আমাৰ জীৱনৰ সৰু সৰু খণ্ড খণ্ড হাঁহি-অশ্ৰু-আনন্দেৰে ভৰা ঘটনাবোৰ এটা এটাকৈ কৈ গৈছো। তাক শুনি শুনি চম্পাই প্ৰথম প্ৰথম হাঁহিছিল, দুটা এটা কথাও কৈছিল, মোৰ ভুল হলে শুধৰাই দিছিল, পাছলৈ মাথোঁ মনে মনে শুনি গৈছে।

...কিয় ক'ব নোৱাৰো, সেইবোৰ কৈ যাবলৈ মোৰ ভাল লাগিছে। কৈশোৰৰ সুন্দৰ মধুৰ দিনবোৰ আৰু কেতিয়াও ঘূৰাই নাপাওঁ জানিয়েই হ'বলা তাৰ স্মৃতিৰ বুকুত সকলো নতুনকৈ ঘূৰাই পোৱা যেন লাগিছে।

বিছনাৰ ভৰিপথানৰ ফালে থকা সৰু খিৰিকীখনৰ মাজেদি দেখা, বাহিৰৰ অস্পষ্ট পোহৰত সেই ঘটনাবোৰ ছাঁয়া-ছবিৰ দৰেই যেন স্পষ্ট হৈ এটাৰ পাছত এটা আঁতৰি গৈছে। মই তাকেই মুখেৰে কৈ গৈছো। মাজে মাজে চম্পাক সুধিছো— "...চম্পা, তোৰ সেইদিনাৰ কথা মনত আছেনে? ...সেইদিনা আমি যেতিয়া হাবিত অকলে অকলে খেলি ফুৰিছিলো আৰু মই ধৰা শহা পোৱালি এটা তোক যে

ধৰি থাকিবলৈ দিছিলো; আৰু তই তাক যাবলৈ এৰি দিয়াত তোক যে মই খুব মাৰিছিলো, তই কিন্তু সেইদিনা অলপো কন্দা নাছিলি। মই নিজেই পোৱালিটো হেৰুওৱাৰ দুখত কান্দিছিলো, তই তেতিয়া মোক কৈছিলি— "দাদা জানা, মোৰ কোলাত যেতিয়া শহা পোৱালিটো আছিল, তাৰ মাকজনীয়েও দূৰৈত ঠিক তোমাৰ দৰেই কান্দিছিল, সেই দেখিহে মই পোৱালিটো যাবলৈ এৰি দিছিলো।"

...তোৰ সেই কথা মোৰ আজিও মনত আছে চম্পা! আৰু এদিন মই যেতিয়া আমাৰ বৈতৰণীৰ পানীত পিছল খাই পৰি গৈছিলো, তই খুব কান্দিছিলি, আনকি মই পানীৰপৰা উঠি অহাৰ পাছতো তই কান্দিয়েই আছিলি। তোক সুধিলত তই কৈছিলি "দাদা, তুমি যদি মৰি গ'লাহেঁতেন...! বাৰু মানুহ কেনৈ মৰে?" মনত আছে, মই তেতিয়া খুব হাঁহিছিলো, তই কিন্তু অলপো হঁহা নাছিলি। মোক প্ৰশ্ন কৰিছিলি "দাদা, বাৰু মানুহ মৰিলে ক'লৈ যায়?" মই কৈছিলো "স্বৰ্গলৈ" সুধিছিলি- "স্বৰ্গ দেখিবলৈ কেনেকুৱা? মৰিলে আমি দুয়ো তালৈকে যাম নহয় দাদা...?" কৈছিলো— "যামতো; মাই কৈছিল স্বৰ্গ দেখিবলৈ বৰ ভাল...।"

"জেঠাইদেৱে দেখিছে স্বৰ্গ?"

"নাই দেখা-"

"তেন্তে? হৈছে; মোক নালাগে স্বৰ্গ, ...বাৰু তাত এনেকুৱা ধুনীয়া হাবি-ধুনীয়া বৈতৰণী আছে?"

মই তোক বুজাইছিলো— "ধেৎ; হাবি, কেনৈ থাকিব? স্বৰ্গত সকলো সোণ, ৰূপ, মণি, মুকুতাৰে ভৰা ঘৰ, হাবি, মানুহ সকলোবোৰ..."

তই তেতিয়া তোৰ সৰু কোমল ৰঙা ওঁঠ দুটা লুটি খুৱাই মোক কৈছিলি— "ফুঃ! স্বৰ্গ তেন্তে অলপো ভাল নহয়... আমি কেতিয়াও স্বৰ্গলৈ নাযাওঁ দেই। আমি অনন্ত কাললৈকে ইয়াতেই থাকিম। তুমি, মই, শুকুলা, এই সৰু বৈতৰণী, তাৰ পাৰৰ এই সেউজীয়া হাবিখন আৰু তাত উৰি ফুৰা সৌবোৰ চৰাই পখিলাৰে সৈতে এয়ে আমাৰ স্বৰ্গ নহয়নে দাদা...?"

"সঁচাকৈয়ে আমাৰ কৈশোৰৰ দিনবোৰ কি সুন্দৰ আছিল। ...নিৰ্জনত ওমলি ফুৰা এহাল ৰং-বলিয়া ধুনীয়া শিশুৰ কাৰণে সেই অপূৰ্ব সুন্দৰ হাবিখনেইতো প্ৰকৃত স্বৰ্গ।"

এবাৰো চম্পাৰপৰা উত্তৰ পোৱা নাই। উত্তৰৰ কাৰণে অপেক্ষাও কৰা নাই- ঘূৰিও চোৱা নাই। নিজৰ মুখৰপৰা ওলোৱা কথাবোৰ তন্ময় হৈ নিজেই শুনি গৈছিলো। মই, চম্পা আৰু সেই খোলা খিৰিকীখনৰ চাৰিচুকীয়া পোহৰকণৰ বাহিৰে

গোটেই পৃথিৱীখনেই মনৰপৰা নিঃচিহ্ন হৈ গৈছিল। কৈশোৰৰ সোঁৱৰণীৰ মাজত ইমানেই তন্ময় হৈ আছিলো। কিন্তু হঠাৎ দুৱাৰমুখৰপৰা গৌৰী আৰু উমাৰ বিকট আৰ্তনাদত সকলো চুৰমাৰ হৈ গ'ল "চম্পা! চম্পা!..."

দুয়ো দৌৰী আহি চম্পাক সাৱটি ধৰি চিঞৰিছে, কান্দিছে... মই বুজিবও নোৱাৰিলো। কেতিয়ানো কি হৈ গ'ল। উমাই মোৰফালে চকুলোৰে তিতি যোৱা মুখখন তুলি চিঞৰিছে— "চন্দন! তুমি কাৰ লগত কথা কৈছা? চম্পালৈ এবাৰ নোচোৱা কিয়...?"

কি কঠোৰ, নিষ্ঠুৰভাৱে কোৱা কথা কেইষাৰে মোক আঘাত কৰিলে। মুহূৰ্ততে মোৰ বুকুৰ টিপ্ টিপ্ শব্দ, চকুৰ সন্মুখত ভৰদুপৰীয়াৰ সূৰ্যটো যেন দপ্‌কৈ নুমাই গ'ল। একেটা আঘাততে জ্ঞান, বিবেক-বুদ্ধি সকলো হেৰুৱাই শূন্যৰ বুকুত খামুচি ধৰিবলৈ একো বিচাৰি নোপোৱাৰ দৰেই, মই কি কৰিব লাগিব, কি কৰা উচিত তাকো ভাবিবলৈ পাহৰি স্তব্ধ হৈ মাথোঁ বহি ৰলো...

...কিমান পৰ তেনেকৈ আছিলো ক'ব নোৱাৰো, লাহে লাহে কঠোৰ বাস্তৱলৈ নামি আহি চম্পাৰ মুখলৈ চালো। ...চম্পাৰ মূৰটো গাৰুৰপৰা একতীয়া হৈ ঢলি পৰিছে। মোৰ হাতৰপৰা এখন হাত এৰাই গাৰ দাঁতিয়েদি বাগৰি গৈ পালেঙৰ একাষে ওলমি আছে। আনখন হাতৰ মুঠিৰ মাজত মোৰ আঙুলিকেইটা এতিয়াও বন্দী- চকু দুটা মুদখোৱা, ওঁঠ দুটাত ক্ষীণ হাঁহিটো, গোটেই মুখখনত এটা শান্ত আবেশ। ...বিশ্বাস নহয়। ই হ'ব নোৱাৰে, কেতিয়াও নোৱাৰে- চম্পা-চম্পা শুইছে, আকৌ সাৰ পাই উঠিব; আকৌ হাঁহিব, কথা ক'ব। কিন্তু? উশাহত চম্পাৰ বুকুখন উঠা নমা কৰা নাই কিয়? চম্পাই তেন্তে সঁচাকৈয়ে আৰু কেতিয়াও উশাহ নলয়...?

গৌৰী-উমা দুয়ো প্ৰায় উন্মাদ। গৌৰীয়ে কান্দিছে, চম্পাক চিঞৰি মাতিছে— "চম্পা! চম্পা! মই আহিছো চম্পা? ...তুমি মোক যি বেশত চাব খুজিছিলা; মই তাকেই পিন্ধি আহিছো। মোলৈ চোৱা। মই ভাল পোছাক পিন্ধি...চম্পা, এবাৰ চকু মেলি চোৱা, আকৌ এবাৰ কথা কোৱা চম্পা..."

চম্পাই কিন্তু কথা আৰু নক'লে। গৌৰীৰ কৰুণ মিনতি বতাহত ঘূৰি ঘূৰি, কোঠাটোৰ চাৰিবেৰত খুন্দা খাই গুজৰি গুমৰি আকৌ গৌৰীৰ ওচৰলৈকে উভতি আহিল। -উমায়ো কান্দিছে, চম্পাই শুনে বুলিয়েই হয়তো বুকুভাঙি চিঞৰিছে, -চম্পা তুমি নাযাবা! ঘূৰি আহা, এবাৰ কথা কোৱাহি, এবাৰ আকৌ হাঁহাহি। তুমি নাহাঁহিলে যে কমল-নগৰৰ সকলোৱে হাঁহিবলৈ পাহৰি যাব। চম্পা চকু মেলা, কথা কোৱা...।

কিন্তু চম্পা গ'লগৈ। আৰু নাহে। চম্পাই আৰু কেতিয়াও কথা নকয়, কেতিয়াও নাহাঁহে। চম্পা মৰিল। লগতে মাৰি নিলে জীয়াই থকা সকলোকে... সঁচা কথা এয়ে শেষ, কমল-নগৰে আৰু কেতিয়াও নাহাঁহে। এইবাৰ মাথোঁ কান্দিব-।

-লাহে লাহে চেঁচা পৰি অহা চম্পাৰ মুঠিৰ মাজৰপৰা হাতখন মুক্ত কৰিলো। কিন্তু টান মুঠিত মাজৰ ধৰি থকা মোৰ আঙুলিৰ আঙঠিটো চম্পাৰ মুঠিত ৰৈ গ'ল। কোলাত চম্পাৰ দেহটো তুলি লৈ আকৌ চম্পাৰ মুখলৈ চালো- নিজৰ চকু দুটাত যাতনা হৈছে। এতিয়াই যেন এই মুহূৰ্ততে সি কপালৰপৰা সৰি পৰিল। তথাপি চাইছো চম্পাক। জীৱন থাকোতে যাক চিনিব নোৱাৰিলো, চাইছো মৰণত কিজানিবা চিনি পাওঁৱেই-

...ধাৰণা হ'ল হঠাৎ অভাৱনীয়ভাৱেই আজি জীৱনত এই প্ৰথমবাৰলৈ কুঁৱলীৰ আৱৰণৰ মাজৰপৰা উদয় হোৱা সূৰুযৰ দৰেই চম্পাৰ গোটেই জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰশ্নটোৰ উত্তৰ চম্পাই হাতৰ মুঠিত মোৰ আঙঠিটো লৈয়ে যেন মোক দি গ'ল।

...মুহূৰ্ততে অসাৰ হৈ গ'ল গোটেই জীৱনটো ঃ চম্পা, এয়া তই কি কৰিলি? এয়াতো তোৰ মৃত্যু নহয়, এয়া যে আত্মহত্যা। বিধাতাৰ ওপৰত, মানুহৰ ওপৰত, মোৰ ওপৰত অভিমান কৰি কিয় এনেভাৱে আত্মহত্যা কৰিলি? অথচ মই নুবুজিলো, কোনেও নাজানিলো, কাকো ঘূণাক্ষৰেও একো জানিব নিদিলি। কিয়? কাৰ কাৰণে তোৰ এই ত্যাগ? গৌৰীৰ? যদি মৰিবিয়েই তেন্তে কিয় আজি আঁতৰাই নিলি মোৰ চকুৰ আৱৰণ। চম্পা! কিয়, তই এনেকৈ ভালপাবলৈ শিকিলি? যদি জানিছিলিয়েই তোৰ এই ভালপোৱা ভুল, তেন্তে কিয় তাক সংশোধন নকৰিলি? কেলৈ? কাৰ কাৰণে হাঁহিৰ ঢাকনিৰ তলত তোৰ দুখৰ চকুলো ঢাকি ৰাখি সকলোৰে লগত মোকো প্ৰৱঞ্চনা কৰি গলিগৈ? ...অলপ আগতে কৈছিলি— "...সি অন্ধ- সি নিষ্ঠুৰ...।" সঁচা কথা! আজি বুজিছো, মই অন্ধ! মই মূৰ্খ! কিন্তু মোৰ অনন্তৰ্যামীয়ে জানে, কোনো দিনেই নিজক তোৰ চকুৰে দেখা নাছিলো! ...আজি? আজি মই কি কৰিম? কোনে মোক বাট দেখুৱাই দিব চম্পা?

চম্পাৰ মুখত এতিয়াও সেই হাঁহি। তাত কি আছে? কৌতুক? অৱজ্ঞা? নে সান্ত্বনা? কি দেখিছো?

চম্পাই মোক অৱজ্ঞা নকৰে। চম্পাৰ সেই শান্ত মুখৰ সৰু হাঁহিটোৱে মোক হয়তো সান্ত্বনাই দিছে।

"চম্পা! যদি পাৰ মোক ক্ষমা কৰিবি দেই! ...প্ৰতিজ্ঞা কৰিছো, যাক তই

Scanned with CamScanner

সকলোৱে চকুৰ আঁৰত ঢাকি থৈ গলি, সেই পৱিত্ৰ, সুন্দৰ স্বৰ্গীয় আত্মত্যাগৰ স্মৃতি মোৰ মৰণৰ লগতে লৈ যাম। পৃথিৱীৰ কোনেও তাক নাজানিব, নুশুনিব। যা, চম্পা, তই যা গৈ, মোলৈ বৈ থাকিবি আনখন বৈতৰণীৰ পাৰত- দুদিন পাছত ময়ো যাম...''

সৌৱা গৌৰী, উমা, আটাইবোৰেই বলিয়াৰ দৰেই কান্দিছে। বাণবিদ্ধ হৰিণীৰ দৰেই ছট্‌ফট্‌ কৰি আছাৰ খাই মাটিত বাগৰিছে। কিন্তু মই যে অলপো কান্দিব পৰা নাই। ময়ো যদি এবাৰ তেনেকৈ কান্দিব পাৰিলোহেঁতেন...? কিন্তু নাকান্দিলে যে অন্তৰখনৰ ভিতৰত উঠা প্ৰবল ধুমুহাত এতিয়াই হয়তো চূৰ্ণ-বিচূৰ্ণ হৈ যাব মোৰ বুকুখন।...

"...চম্পা!'' এবাৰ আৰু এই প্ৰথমবাৰ মুখ ফুটাই বিকৃত মাতেৰে চিঞৰিলো—"চম্পা...!''

কোলাৰপৰা চম্পাৰ দেহটো পৰি গ'ল। লগে লগে আন্ধাৰ হৈ গ'ল মোৰ চকুৰ সন্মুখৰ গোটেই পৃথিৱীখন...।

Scanned with CamScanner

।। একবিংশতি অধ্যায় ।।

বিয়লি বেলাৰ বিভীষিকা

দুদিন পাছত চকু মেলি দেখিলো, মই সেই একেখন পালেঙতে শুই আছো। সকলোবোৰ আগৰ দৰেই আছে, মাথোঁ মোৰ কাষত চম্পা আৰু নাই। চম্পাৰ পৰিবৰ্তে মোৰ মূৰ-শিতানত বহি আছে গৌৰী।

অলপ অলপকৈ গৌৰীৰ মুখৰপৰা জানিব পাৰিলো, চম্পাৰ মৃত দেহাটো কোলাত লৈ ময়ো অজ্ঞান হৈ পৰি গৈছিলো, তেতিয়াৰপৰাই আৰু মোৰ জ্ঞান নাছিল। আজি আকৌ চকু মেলি চাইছো।

এটা এটাকৈ সকলো কথা মনত পৰিল- মনত পৰিল মোৰ গোটেই জীৱনৰ ইতিহাস। ....সেই সুন্দৰ কৈশোৰ, ৰাজধানীত শিক্ষাব্ৰতী ছাত্ৰ জীৱন, সেই প্ৰথমদিনাৰ ম'হ যুঁজৰ মেলা- গৌৰী, উমা, অশোক আৰু চম্পাৰ লগত কটোৱা প্ৰতিদিনৰ হাঁহি-আনন্দৰে ভৰা সৰু সৰু ঘটনাবোৰ। তাৰ পাছত শত্ৰু অহা ভয়াবহ বাতৰি- যুঁজৰ তিনিটা দিন... চকুৰ আগত শ্মশান হৈ যোৱা মোৰ মৰমৰ দেশখন, জুইৰ মাজৰ ৰঙাটিলাত, দুপৰ ৰাতি নাৱত, গাড়ীত অৰ্ধমৃত অৱস্থাত আহি থকা সময়খিনি- তাৰ পাছত চম্পা...।

আজি গোটেই পৃথিৱীৰ সকলো ঐশ্বৰ্যৰ বিনিময়তো আৰু চম্পাক ঘূৰাই আনিব নোৱাৰো- যিবোৰক হেৰুৱালো সেইবোৰকো আৰু ঘূৰাই নাপাওঁ। ভাবিলো কি অদ্ভুত মানুহৰ জীৱন? কি নিষ্ঠুৰ এই পৃথিৱীখন। অথচ এদিন কি সুন্দৰেই লাগিছিল। ...আৰু নাহে, আৰু কেতিয়াও নাহে সেই সুন্দৰ দিনবোৰ। মোৰ ওচৰত আজি পৃথিৱীৰ সকলো সৌন্দৰ্যই চিৰদিনৰ কাৰণে শেষ হৈ গ'ল।

...চম্পা গ'লগৈ!... তাৰ পাছত বহুত দীঘল দিন, দীঘল ৰাতি লাহে লাহে মোৰ জীৱনৰ ওপৰেদি পাৰ হৈ গৈছে। মই কিন্তু এতিয়াও বিছনাত পৰি আছো। উঠি ফুৰিবৰ শক্তি হোৱা নাই।

বিছনাত পৰি পৰি এতিয়া মাথোঁ ভাবো— খিৰিকীৰে চাওঁ বাহিৰলৈ। বাহিৰত সকলো আমাৰ ভৱিষ্যত জীৱনটোৰ দৰেই আন্ধাৰ। আজিকালি গধূলিও আৰু

Scanned with CamScanner

ক'তো এটা জ্বলি থকা চাকি চকুত নপৰে। কমল-নগৰৰ দক্ষিণ পাৰ আজি সম্পূৰ্ণ মৰিশালি। উত্তৰ পাৰৰ দুই-চাৰিটা ঘৰৰ বাহিৰে বাকী সকলোবোৰেই পৰিত্যক্ত-আন্ধাৰ। যিবোৰ ঘৰত দুমাহৰ আগতে হাঁহি, আনন্দ-উৎসৱৰ মেলা বহিছিল, সেই সকলো আজি নিস্তব্ধ।

...কমল-নগৰৰ দেৱমন্দিৰ এতিয়া ধ্বংসস্তূপত পৰিণত। তাত এতিয়া গধূলি কোনেও আৰু চম্পাৰ দৰে সন্ধ্যা-আৰতি নকৰে। পৱিত্ৰ ধূপ-চন্দনৰ গোন্ধ আৰু বতাহত উটি নাহে। কি দিন, কি ৰাতি, সকলো সময়তে ক'তো আৰু ক্ষুদ্ৰতমো শব্দ নহয়। চাৰিওফালে নিজান, নিতাল, শ্মশানৰ দৰেই কৰুণ স্তব্ধতা।

দুমাহ পাৰ হৈ গৈছে। অথচ ইয়াৰ ভিতৰত মই কাৰো মুখত পাহৰণিতো এবাৰ হাঁহি উঠা দেখা নাই, শুনা নাই।

...মাজে মাজে মোৰ ভাব হয়, সকলোৱে যেন মোক অকলে এৰি থৈ বহুত দূৰলৈ গ'লগৈ। ভাবো গোটেই পৃথিৱীখনৰ ভিতৰত হয়তো একমাত্ৰ ময়েই জীয়াই আছো, বাকী সকলোবোৰেই মৰি গ'ল।

...বৰ ভয় লাগে...। ওচৰত কাকো নেদেখিলে চিঞৰি উঠো- "মা, মা!" মোৰ মাতত মা প্ৰায়ে নাহে। গৌৰী ওচৰত নাথাকিলে গৌৰীয়েই লৰি আহে, আৰু আহে উমা- তথাপি শান্তি নাপাওঁ। মা আহিলেও নাপাওঁ। চম্পাৰ দৰে কোনেও মোৰ লগত আৰু কথা নাপাতে, নাহাঁহে- ভুল কৰি সকলোকে খাটো চম্পাক মাতি দিবলৈ। কিন্তু কোনেও নামাতে, চম্পাও নাহে। মনত পৰে চম্পা আৰু নাই! মই যিমানেই হিয়া ভাঙি চিঞৰো লাগিলে চম্পা আৰু কেতিয়াও মোৰ ওচৰলৈ নাহে। ভুল মোৰ ভাগি যায়...।

...সকলোৰে জীৱনলৈ বিৰাট পৰিৱৰ্তন আহিছে। অশোক মোৰ ওচৰলৈ খুব কমেই আহে। আহিলেই মোৰ ওচৰত বহি মনে মনে থাকে- এটা কথাও নকয়। সুধিলেও পৰাপক্ষত উত্তৰ নিদিয়াকৈ থাকে। তাৰ পাছত যেনেকৈ আহে তেনেকৈয়ে মনে মনে আঁতৰি যায়। মাও মাজে মাজে বহেহি মোৰ ওচৰত, আৰু ঠিক অশোকৰ দৰেই মনে মনে গুচি যায়। নিতান্ত প্ৰয়োজন নহ'লে মুখেৰে নামাতেই।

...মাৰ ফালে মই বেছিপৰ চাব নোৱাৰো। মাক এতিয়া মোৰ অচিনাকি যেন লাগে। মাক দেখিলেই বুকুৰ কোনোবা এঠাইত বৰ কষ্ট অনুভৱ কৰো। নাজানো কিয় মাক ওচৰত বিচাৰো; কিন্তু মা ওচৰলৈ আহিলেই ভাবো, মা হয়তো নহা হ'লেই ভাল আছিল।

মোৰ ওচৰত এতিয়া সকলো সময়তে থাকে উমা আৰু গৌৰী। গৌৰীয়ে মোক

Scanned with CamScanner

শুশ্ৰূষা কৰে- উমাই কৰে গৌৰীক আৰু মাৰ লগত ঘৰৰ তলৰ কোঠাবোৰত মোৰ দৰেই পৰি থকা দুই চাৰিটা আহত সৈনিকক বচাই তুলিবৰ কাৰণে চেষ্টা কৰে।

কেতেকী, ৰমা, মুকুতা আৰু সিহঁতৰ লগৰে দুই এজনী ছোৱালীক মাজে মাজে দেখো- সকলো যেন চিৰদিনলৈ বোবা হৈ গৈছে। সিহঁতৰ মুখবোৰ দেখি ধাৰণা হয়, সিহঁতে যেন জীৱনত হাঁহিবলৈ, কান্দিবলৈ, কথা ক'বলৈ কেতিয়াও শিকা নাছিল। আনকি আৰতি আৰু মণিৰো ক্ষুদ্ৰ জীৱনৰ ওপৰেদি এটা মহাপ্ৰলয় পাৰ হৈ গৈ সিহঁতকো সম্পূৰ্ণ পৰিৱৰ্তন কৰি দিছে।

সিহঁতহালক দেখিলেও দুখ লাগে। সিহঁতে নাহাঁহে- সিহঁতে কথাও নকয়! ...অশোকক সিহঁতে দিনটোত এবাৰো দেখা নাপায়। উমাৰ সিহঁতলৈ চাবৰ আহৰি নাই। সিহঁতহালক দেখি সকলো সময়তে নিজৰ ঘৰতেই অচিনাকিৰ দৰে ফুৰে। ভয়ে ভয়ে সকলোৰে ওচৰৰপৰা পলাই ফুৰে। -আকৌ হয়তো ছাঁটোৰ দৰেই উমাৰ পাছে পাছে, মাৰ পাছে পাছে ঘূৰি ফুৰে। কথা ক'লেও দুয়োৰে ভিতৰত ফুচ্‌ফুচাই কয়। ডাঙৰকৈ ক'বলৈকো সিহঁতৰ ভয়, জানোচা অন্যায় হৈ যায়।

...সিহঁত দুজনীক দেখিলে মায়া হয়। সিহঁতৰ সৰু সৰু দুখন কোমল অন্তৰৰ মাজলৈ এনে বিপৰ্যয় অনা বাবে বিধাতাৰ ওপৰত খং উঠে। মানুহ জীৱনৰ ওপৰত ঘৃণা জন্মে। গৌৰীক কওঁ দুয়োকে মোৰ ওচৰলৈ লৈ আহিবলৈ...।

...সিহঁত আহে। দুয়ো মোৰ বিছনাত ধৰি থিয় দি থাকে, ওচৰত বহিবলৈ ক'লে নিৰ্জীৱ পুতুলাৰ দৰেই বহি থাকে। আগৰ দৰে আৰু সিহঁতে কথা নকয়, নাহাঁহে, উপযাচি এটা প্ৰশ্নও মোক নোসোধে।

গোটেই ঘৰখনত মানুহ আছে; কিন্তু সকলোবোৰেই মূক। তাৰ ভিতৰত মোৰ লগত একমাত্ৰ কথা পাতে উমা আৰু গৌৰীয়ে। দুয়ো মোৰ মৰি যোৱা মনটোক অলপ আশাৰ বাণী শুনাবলৈ যত্ন কৰে।

কিন্তু কি হব? মোৰ ওচৰৰ দূৰৰ প্ৰতিখন মুখতেই দেখো ধ্বংস হৈ যোৱা কমল-নগৰৰ আৰু তাৰ সুন্দৰ সুন্দৰ মৰা মানুহবোৰৰ প্ৰতিবিম্ব। মাথোঁ তাক নেদেখো মাৰ মুখত। কিন্তু মাৰ মুখখনেই মোক সকলোতকৈ বেছি বিচলিত কৰে। মাৰ শান্ত, গভীৰ মুখখন দেখিলে মোৰ ভয় লাগে। ভাবো মাই নাকান্দে কেলৈ? মাৰ মুখলৈ চোৱাৰ শক্তি আৰু নাথাকে। উমাক কওঁ, গৌৰীক কওঁ "গৌৰী আৰু মই মাৰ মুখলৈ চাব নোৱাৰো...কোৱা, নবৌ! তুমি কোৱা, মাক এবাৰ কান্দিবলৈ। এবাৰ প্ৰাণভৰি কান্দিবলৈ, তেতিয়া হ'লেও অন্ততঃ মাৰ মুখলৈ চাব পাৰিম..."

কিন্তু মাই নাকান্দে। সেই যুঁজ আৰম্ভ হোৱাৰ দিনৰেপৰা কোনেও মাক কন্দা

Scanned with CamScanner

সেই নিশা মাথো ঘণ্টেকৰ কাৰণে মাৰ পৰিৱৰ্তন আহিছিল।

চম্পাৰ মৃত্যুত যেতিয়া সকলোৱে হিয়া-ভাঙি কান্দিছিল, মই অজ্ঞান হৈ চম্পাৰ ওচৰত পৰি আছিলো; তথাপি মাৰ চকুত পানী নাছিল। ধীৰ শান্ত হৈয়েই মাই নিজৰ বাকচৰপৰা আটাইতকৈ বহুমূলীয়া ৰিহা-মেখেলাযোৰ আনি চম্পাক পিন্ধাই দিছিল। চুলিত সুগন্ধি তেল ঘঁহি পৰিপাটিকৈ চুলি আঁচুৰি দিছিল। অলপ অলপকৈ অকলে অকলে মাই নিজেই কেইবা ঘণ্টা ধৰি চম্পাক মনৰ মতে সজাই-পৰাই মানুহবোৰৰ হাতত নিজেই লৈ যাবলৈ তুলি দিছিল।

তাৰ পাছত কাৰো লগত এটা কথা নোকোৱাকৈ মা নিঃশব্দে আহি গোসাঁইঘৰ সোমাই দুৱাৰ বন্ধ কৰি দিছিল। সেই নিশা কোনেও আৰু মাক গোসাঁইঘৰৰপৰা ওলাই অহা নেদেখিলে। গোটেই নিশা উমা, গৌৰী সকলোবোৰেই বাৰে বাৰে দুৱাৰমুখৰপৰা উভতি গ'ল, মাই কিন্তু দুৱাৰ নেমেলিলে।

পুৱালৈকে দুৱাৰ মেলাৰ লক্ষণ নেদেখি উমাহঁতৰ ভয় হ'ল। মাই এইবাৰ কি কৰিব? আগৰকেইদিন মাৰ অৱস্থাটো আছিল মহা-প্ৰলয়ৰ আগমুহূৰ্তত পৃথিৱীৰ শান্ত মূৰ্তিৰদৰে গহীন- এইবাৰ হয়তো আকাশ ফাটি আৰম্ভ হ'ব মহাপ্ৰলয়। সকলোৰে লগত চম্পাকো হেৰুৱাই মা হয়তো বলিয়া হৈ যাব। আনে নহ'লেও উমাই জানে, চম্পা মাৰ কোন আছিল। কিমানখিনি আছিল...।

শেষ নিশাৰেপৰা উমা-গৌৰী দুয়ো দুৱাৰৰ ওচৰৰপৰা আঁতৰি অহা নাই। অবিশ্ৰান্তভাৱে দুৱাৰত ঢকিয়াইছে, কাবৌ কৰিছে এবাৰ দুৱাৰখন খুলিবলৈ। উমা-গৌৰীৰ বেছি ভয় লাগিছে, ভিতৰৰপৰা একো সাৰি-শব্দ নহাত। দুৱাৰত কাণ পাতিও কন্দাহে নালাগে উশাহ-নিশাহ লোৱাৰ ক্ষুদ্ৰ শব্দকণো নুশুনি বুজিব নোৱাৰিলো ভিতৰত মাই কি কৰিছে। মাই কি চম্পাৰ দুখত...

উমাই আৰু ভাবিব নোৱাৰি কান্দিছে। গৌৰীয়ে অধীৰ আকুলতাৰে চিঞৰিছে—"মা, মা এবাৰ-মাথোঁ এবাৰলৈকে দুৱাৰখন খোলক মা..."

মাক 'মা' সম্বোধন কৰিবলৈ এই নতুন প্ৰেৰণা গৌৰীয়ে ক'ত পালে তাক গৌৰীয়েই জানে, কিন্তু এই 'মা' সম্বোধনেই হয়তো মাক টলালে। অলপ পাছতে ঘৰৰ ভিতৰৰপৰা শব্দ আহিল- পাছমুহূৰ্তত দুৱাৰ খুলি মাই দুৱাৰমুখত দেখা দিলে।

Scanned with CamScanner

মনতে যিটো মূৰ্তি কল্পনা কৰিছিল ঠিক তাৰ বিপৰীত হৈয়ে উমাহঁতক মাই দেখা দিলে। উমাহঁতে দেখিলে মাৰ সেই চিৰশান্ত, সৌম্য মূৰ্তি। আনকি গাৰ কাপোৰখনো নিখুঁত- পৰিপাটি। উমা-গৌৰী দুয়োকে আৰু আচৰিত কৰি মাই অলপ হাঁহিলেও।

"...কি হ'ল তহঁতৰ? উমা!... গৌৰী? মোক কিবা ক'বি?"

উমা-গৌৰীৰ মুখ ফুটি এটা শব্দও নোলাল। দুয়োৰে চকুত টল্-মল্ কৰি থকা চকুলোৰ মাজেৰে মাথোঁ মাৰ মুখলৈ একেথৰে চাই থাকিল।

দুয়োৰে এই নিৰ্বাক মূৰ্তি দেখি মাই ভুল বুজি লাহে লাহে সুধিলে— "ক নকৰ কিয়? ভয় কৰিছ কেলৈ? কৈ যা... চন্দনৰ জ্ঞান হোৱা নাই, আৰু কেতিয়াও নহয়ো। চম্পাৰ পাছে পাছে সিও গ'লগৈ..."

মাক বাধা দি ভুল ভাঙি দিবৰ ইচ্ছা কৰিও দিব নোৱাৰিলে উমাই। ইমান সাধাৰণভাৱে মোৰ মৃত্যুৰ খবৰটো লব পৰা শক্তি দেখি গৌৰী, উমা দুয়ো আচৰিত হৈ গ'ল। দুয়োৰে মুখৰ মাত নাপাই মাই নিজৰ ধাৰণা নিঃসন্দেহে সত্য বুলি ভাবিবলৈ নিজক কোৱাৰ দৰেই কৈ গ'ল— "...চম্পা, চন্দন দুয়ো সেই কেঁচুৱাৰেপৰা মোৰ এই দুখন হাতৰ তলতে একেলগে ডাঙৰ-দীঘল হৈ উঠিছে। মোৰ অন্তৰ সমানে দুভাগ কৰি একেটা ডালৰ দুপাহ ফুল, মোৰ চকুৰ আগতে অলপ অলপ কৰি বাঢ়ি উঠিছিল। মোৰ দুটা নয়ন-মণিৰ এটাৰ পাছত যদি আনটোও আজি হেৰাই যায়, যাওক, তথাপি মই অন্ধ হৈ নাযাওঁ। তহঁতে মিছাতে ভয় কৰিছ গৌৰী! উমা! বেজাৰ নকৰিবি। আহ মোৰ ওচৰলৈ। মাই দুয়োকে নিজৰ বুকুলৈ টানি ললে।

বহুত চেষ্টাৰ মূৰত শেষত উমাই মুখ ফুটাই যেতিয়া ক'লে যে মই জীৱিত, তেতিয়াও মাৰ অলপো ভাবান্তৰ নঘটিল। মা নিৰ্বকাৰ; মাৰ মুখত আনন্দও নাই, বিষাদো নাই।

এয়ে মোৰ আজিৰ মা। দিনৰ পাছত দিন পাৰ হৈছে। সকলোৰে জীৱনলৈ পৰিৱৰ্তন আহিছে। মাৰ কিন্তু অলপো পৰিৱৰ্তন নাই। তথাপি আনৰ চকুত হয়তো মাৰ এই মূৰ্তি লাহে লাহে অভ্যস্ত হৈ উঠিছে। ময়ো অলপ অলপকৈ বুজিবলৈ আৰম্ভ কৰিছো মোৰ অতি চিনাকি মাৰ এই অচিনাকি ৰূপ।

মাৰ মাজত থকা প্ৰকৃত মানুহগৰাকীৰ নিশ্চয় মৃত্যু হৈছে, হয়তো মায়েই কমল-নগৰৰ প্ৰথম শ্বহীদ। তেজ-মঙহৰ বাহ্যিক শৰীৰটো সম্পূৰ্ণ অক্ষত যদিও মাৰ অন্তৰ, হৃদয়, শোক-দুখৰ অনুভূতি, সকলোবোৰৰে হয়তো কেতিয়াবাই মৃত্যু হৈছে।

Scanned with CamScanner

মা এতিয়া যন্ত্ৰ-স্বৰূপ। মা উঠি লৰি ফুৰে। নিজৰ সকলো কৰ্তব্যই কৰি যায়। কথাও কয়, কিন্তু তাত প্ৰাণ নাই। ভাবি নাপাওঁ মাই এইবোৰ কিয় কৰে? নকৰিলেওতো হয়।

...পৃথিৱীৰ সেউজীয়া নিৰ্জনতাৰ বুকুত বুকুৰ তেজ দি লক্ষ্মীনাৰায়ণ দেউতাই গঢ়ি তোলা সুন্দৰ ফুলনিখন মাৰ চকুৰ আগতে নিষ্ঠুৰ ধুমুহাত চূৰ্ণ-বিচূৰ্ণ হৈ উটি গ'ল। মাই ৰক্ষা কৰিব নোৱাৰিলে। প্ৰতিপাহ ফুল, প্ৰতিডাল গছ ধূলি হৈ গ'ল। আজি মাৰ সন্মুখত কেইপাহমান লেৰেলি যোৱা, পাহিভগা ফুল পৰি আছে, তাৰে মাই কি কৰিব?

মাই বুজে, সেই সুন্দৰ ধুনীয়া ফুলনিখন কোনো দিনেই আৰু নতুন হৈ গঢ়ি নুঠে, কোনেও তাক গঢ়ি তুলিব নোৱাৰে। তথাপি মাই নিজৰ কৰ্তব্য কৰি যাব। -অশোক এতিয়া শিশুৰ দৰেই অসহায়। সহায় কৰিবলৈ, ভৰসা দিবলৈ অশোকৰ ওচৰত এজনো উপযুক্ত মানুহ নাই। কাক লৈ অশোকে মাৰ আশা পূৰণ কৰিব পাৰে? তথাপি মাই জানে আজি সকলো দায়িত্ব মাৰ। মাই অশোকক, বাকীবোৰক উদগনি দিব লাগিব।

...অন্তৰৰ সকলো দুৰ্বলতাকে বজ্ৰমুষ্টিৰে শাসন কৰি মাই অবিচলভাৱে তাকেই কৰি গৈছে। মোৰো আজি সেয়েই কৰ্তব্য, কিন্তু তাক পাবলৈ কোনেও আনকি শিশু এটায়ো আশা নকৰে। আজি মই শক্তিহীন- পঙ্গু।

লাহে লাহে দিন যায়। নৱ-বসন্তৰ কুমলীয়া পাতবোৰ বাঢ়ি উঠিছে। তাৰ পাছত এদিন লাহে লাহে বৰণ সলাই আকৌ এটা এটাকৈ সৰি পৰিবলৈ আৰম্ভ কৰিছে... আৰু ঠিক তাৰ লগে লগেই মোৰ বাউসীৰ বান্ধটো ক্ৰমাৎ তললৈ নামি আহি প্ৰায় আঙুলিৰ মূৰ পাইছেহি।

মোৰ সোঁহাতখন ভিতৰে ভিতৰে পচি যোৱাত সকলোৱে পৰামৰ্শ কৰি মোক যন্ত্ৰণাৰপৰা মুক্ত কৰিবলৈ হাতখন গুৰিতে কাটি পেলাব খুজিছিল, কিন্তু গৌৰীয়ে নিদিলে- তাৰ পৰিৱৰ্তে জেতুকীবাইৰ সহায় লৈ চোকা দৰৱ প্ৰয়োগ কৰি হাতখন সম্পূৰ্ণৰূপে মাৰি পেলালে। মোৰ কষ্টবো শেষ হ'ল। হওক মৰা হাত, তথাপি ক'বলৈ আছে মোৰ এতিয়াও দুখন হাত- গৌৰী তাতেই সন্তুষ্ট।

হাতখনলৈ চকু গ'লেই মনত পৰে চম্পালৈ। কৈশোৰত এইখন হাতেৰেই চম্পাক কিমান মাৰিছিলো, কিমান দিন মৰম কৰি বুকুৰ মাজলৈ টানি লৈছিলো। আজি ভাবিলে আচৰিত লাগে।

আৰু আচৰিত লাগে গৌৰীক দেখি। সেই ৰাজকুঁৱৰী গৌৰী আৰু এতিয়া

Scanned with CamScanner

নাই। গৌৰী আজি সম্পূৰ্ণ ৰিক্ত, অসহায়। কিন্তু গৌৰীয়ে নিজক নতুন কৰি, নতুনভাৱে গঢ়ি তুলিছে। সকলো হেৰুৱায়ো মোৰ মা আছে। উমাৰ অশোক আছে? গৌৰীৰ কিন্তু কোনো নাই, তথাপি গৌৰীয়ে চম্পাৰ কথা ৰাখিছে। মাৰ দৰেই গৌৰীয়ে মোক, অশোকক আৰু আন আনবোৰক উৎসাহ দিয়ে। দুখ কৰিবলৈ হাক দি আশাৰ বাণী শুনায়। গৌৰীৰ আশা, গৌৰীৰ হেঁপাহ- গৌৰীয়ে আকৌ গঢ়ি তুলিব তাক- যাক আমি হেৰুৱালো।

গৌৰীৰ শক্তি দেখি বিস্ময় হয়। লাহে লাহে বুজিছো, গৌৰী উমাৰ দৰেই কোমল যদিও মা আৰু চম্পাৰ দৰেই মনৰ ওপৰত গৌৰীৰো যথেষ্ট জোৰ আছে। অতি অসহায় অৱস্থাতো হতাশাত গৌৰী এতিয়া আৰু মূচৰ্কছ্ নাযায়।

পৰিবৰ্তনশীল জগতত গৌৰীয়ে নিজক বুজিবলৈ শিকিছে- আনকো বুজাবলৈ শিকিছে।

গৌৰী এতিয়াও মোৰ নহয়- সামাজিক নিয়মে এতিয়াও গৌৰীক মোৰ বুলি দাবী কৰিবলৈ অধিকাৰ পোৱা নাই। উমাই চিৰদিনৰ হেঁপাহ, আশা পূৰণ কৰিবলৈ মোৰ হাতখন ভাল হোৱালৈকে অপেক্ষা কৰি আছিল। এইবাৰ সেই প্ৰয়োজনো শেষ হ'ল। সেইদেখি কোনেও আৰু অপেক্ষাও নকৰিলে।

দিনদিয়েক পাছতে কমল-নগৰৰ ভগ্ন-স্তূপৰ মাজত আকৌ এবাৰ বিবাহৰ মংগল উৰুলি বাজি উঠিল।

এই মৰিশালিৰ হেজাৰ হেজাৰ অদৃশ্য চিতাৰ মাজত পবিত্ৰ হোমাগ্নিৰ ৰশ্মি পৰি খন্তেকলৈ যেন কমল-নগৰে মোহ নিদ্ৰাৰপৰা সাৰ পাই উঠিল।

চম্পাৰ হেঁপাহ আছিল এই দিনটোত গৌৰীক নিজ হাতেৰেই সজাই দিব। কিন্তু আজি চম্পা ওচৰত নাই। উমা, ৰমা, কেতেকীহঁতেই গৌৰীক সজাই দিছে।

হোমৰ আগত বহি থকা দিব্য-কান্তি শান্তিৰ প্ৰতিমা গৌৰীৰ মুখলৈ চাই বাৰে বাৰে মনলৈ আহিছে মই যেন গৌৰীৰ অনুপযুক্ত। এনে কি পুণ্য কৰিছিলো যাৰ ফলত ভগৱানে গৌৰীক মোৰ হাতত তুলি দিছে?

কিন্তু পোৱাৰ আনন্দত, তৃপ্তিত নিজক সম্পূৰ্ণৰূপে উটাই দিব পৰা নাই। কাষৰ মানুহবোৰৰ মুখলৈ চালেই দেখো ডাঙৰবোৰহে নালাগে সৰু সৰু ল'ৰা-ছোৱালীবোৰো গম্ভীৰ। সিহঁতেও বুজিছে আৰু সিহঁতৰ আনন্দ কৰাৰ দিন নাই, অথচ কমল-নগৰৰ প্ৰত্যেক মানুহেই এদিন আগ্ৰহেৰে অপেক্ষা কৰিছিল এই দিনটোলৈ। ...গৌৰী আৰু মোক নজনোৱাকৈ তলে তলে মা, লক্ষ্মীনাৰায়ণ, উমাই কি বিৰাট আয়োজন কৰিছিল তাক কমল-নগৰৰ সকলোৱেই জানিছিল। কমল-

Scanned with CamScanner

আহিব, কিন্তু সি যে এনে পৰিস্থিতিৰ মাজত আহিব কল্পনাও কৰা নাছিলো।

উমাই বাৰে বাৰে চকুলো মচিছে। সেই হ'ব লগা মধুৰ আনন্দ-উৎসৱৰ এনে করুণ পৰিণতি দেখি হয়তো উমাই কষ্ট পাইছে। বিধাতাৰ নিৰ্মম নিৰ্দয়তাত সেয়ে হয়তো হ'ব লগা আনন্দ-মুখৰিত ৰভাতল আজি বিষাদত ম্ৰিয়মাণ। সকলোৱেই আজি কষ্ট পাইছে।

সন্মুখত থকা পবিত্ৰ হোমৰ জুইলৈ চাই মোৰ ধাৰণা হৈছে সেয়া যেন হোমৰ জুই নহয়, সি যেন সেই নিশা ইমূৰৰপৰা সিমূৰলৈকে জ্বলি উঠা কমল-নগৰৰ আন্ধাৰ আকাশৰ বুকুত জিভা মেলি আগবঢ়া লেলিহান অগ্নি-শিখা। এই জুইৰ মাজত ভিৰ কৰি দেখা দিছেহি, যুঁজত প্ৰাণ দিয়া প্ৰতিখন মুখ। শত্ৰুৰ হাতত লাঞ্ছিত হোৱা, আৰু তাৰ আগতেই আত্মহত্যা কৰা বিবাহিতা, অবিবাহিতা কমল-নগৰৰে ধুনীয়া ধুনীয়া গাভৰুবোৰৰ মুখবোৰ। আৰু দেখা দিছে লক্ষ্মীনাৰায়ণে, যদু খুৰাই, মোমাইদেৱে। কিন্তু এই সকলোবোৰকে আঁৰ কৰি চকুৰ আগত বাৰে বাৰে ভাঁহি উঠিছে চম্পাৰ সেই চিৰকলীয়া কৌতুক হাঁহিৰে ভৰা উজ্জ্বল মুখখন।

অন্তৰখনে মোৰ হাহাকাৰ কৰি উঠিছে। চকু ফাটি বৈ আহিব খুজিছে বিষাদ বাৰিষাৰ ঢল। ইচ্ছা হৈছে এই জুইৰ মাজত নিজৰ অভিশপ্ত জীৱনটোক শেষ কৰি চম্পাহঁতৰ লগত মিলোগৈ।

জোৰ কৰিয়েই চকুযোৰ আনফালে ঘূৰাই নিছো- হোমৰ জুইলৈ আৰু চাবলৈ ভয় লাগিছে।

...দুবৰিৰ শিকলিৰে মোৰ আঙুলিত বান্ধি দিয়া গৌৰীৰ কোমল হাতখনৰ পৰশ পাই আকৌ লাহে লাহে মনলৈ সাহ আহিছে। এয়ে মোৰ সান্ত্বনা...যাওক সকলো, এতিয়াৰেপৰা মই আৰু অকলশৰীয়া নহয়- মই গৌৰীৰ। গৌৰীৰ কাৰণেই মই বাচি আছো- থাকিব লাগিব। মই জানো, আজি ময়েই যি ৰিক্ত গৌৰীৰ একমাত্ৰ সম্বল- একমাত্ৰ সম্পদ...:

ৰমা, কেতেকী, মুকুতাহঁতৰ লগৰ যিবোৰ এতিয়াও আছে, সিহঁত সকলোৰে মুখবোৰ দেখি অন্তৰখনে নিঃশব্দে কান্দিছে। সিহঁতক দেখি কষ্ট হয়, দুখ লাগে, ভাবিলেও ভয় লাগে কি কৰিব সিহঁতে সিহঁতৰ বাকী জীৱনটো লৈ? সিহঁত

Scanned with CamScanner

সকলোৱে জানে এইখনেই হয়তো কমল-নগৰৰ শেষ বিয়া। সিহঁতৰ জীৱনলৈ এই দিনটো আৰু কেতিয়াও নাহে, কোন আছে? কাক সিহঁতে এনে পবিত্ৰ হোমাগ্নিক সাক্ষী কৰি গ্ৰহণ কৰিব নিজৰ জীৱন সংগীৰূপে। এই মৰিশালিত আজি আৰু কোনো নাই; আছে মাথোঁ মাটিৰ বুকুত জহি যোৱা সহস্ৰ তৰুণৰ চিতাভস্ম...।

আজি মাৰ চকুত প্ৰথমবাৰলৈ চকুলো দেখিছো- ক'ব নোৱাৰো কাৰ দুখত...।

...বিয়াৰ শেষত আমি মাক সেৱা কৰিছিলো, ছোৱালীবোৰে আমাক বেঢ়ি ধৰিছিল। হঠাৎ মূৰ তুলি মাৰ চকুলৈ চাই দেখো মাই কান্দিছে। চৌপাশৰ দুৰ্ভগীয়া ছোৱালীবোৰৰ অনিশ্চিত অন্ধকাৰ ভৱিষ্যত ভাবিয়েই হয়তো মাক এই প্ৰথমবাৰ কন্দা দেখিলো...।

...দ্বিতীয়বাৰ দেখিলো তাৰ দুদিনমানৰ পাছত- যিদিনা উমা, অশোক, আৰতি, মণিক লৈ গোটেই কমল-নগৰৰ চকুলোৰ মাজত মই, মা, গৌৰী আৰু মুকুতা বকুলপুৰলৈ উভতি আহোঁ সেইদিনা।

... বহুত দিন পাৰ হৈ গৈছে। মাজে মাজে কমল-নগৰলৈ যাওঁ অশোক -উমাৰ ওচৰলৈ। গৌৰী এতিয়া ছাঁৰ দৰেই মোৰ লগে লগে থাকে। তেওঁক মোৰ প্ৰতি মুহূৰ্তেই প্ৰয়োজন। মই এতিয়া আনৰ বোজাস্বৰূপ অকৰ্মণ্য, সম্পূৰ্ণ পঙ্গু।

...মৰা হাতখন বুকুত বান্ধি লৈ গৌৰীৰ ওচৰতে বহোঁ। সৰু বাগীখন আজিকালি গৌৰীয়েই চলায়। এই বাগীখন, ধ্বংসপ্ৰাপ্ত কমল-নগৰৰ ৰিক্ত অসহায় আধামৰা যি এমুঠি মানুহ এতিয়াও জীয়াই আছে, সিহঁতেই বিয়াত গৌৰীক উপহাৰ দিছিল। কমল-নগৰৰ শেষ ৰাজকুঁৱৰীৰ প্ৰতি সিহঁতৰ অন্তৰৰ চেনেহ, প্ৰীতি-শ্ৰদ্ধাৰ শেষ নিদৰ্শন এই বাগী।

পৰিৱৰ্তন অকল আমাৰ জীৱনলৈ নহয় শুকুলাৰ জীৱনলৈকো আহিছে। আজিকালি বাগীখন তায়ে টানি লৈ ফুৰে। তায়ো ভাবে, তায়ো বুজে, জীৱন পথৰ সহজ গতিটো আজি সম্পূৰ্ণ ঘূৰি গৈছে। তাই বোধকৰো পাহৰিব পৰা নাই জুইৰ মাজত কমল-নগৰৰ সেই ভয়াবহ ৰাতিটোৰ কথা।

...গৌৰীৰ ওচৰতে আহি মনে মনে বহি থাকো। যি দুই এটা কথা ক'ব লাগে, গৌৰীয়েই কয়। আজি আমি বিবাহিত-এদিন দুয়ো দুয়োকে বিচাৰিছিলো, আজি দুয়ো দুয়োকে নিজৰ কৰি পাইছো। বিধাতাই নিজ হাতেৰেই ৰচি দিলে এই মৰিশালিৰ মাজত আমাৰ মিলনৰ ফুল-শয্যা; কিন্তু কাঢ়ি নিলে জন্মৰ কাৰণে মুখৰ হাঁহি। আমাৰ দোষ- আমি ভাল পাইছিলো নিজৰ দেশখনক।

কমল-নগৰলৈ অহা বাটৰ মূৰৰ সেই বহল বগা শিলছটা তেনেকৈয়ে আছে। দুয়ো মাজে মাজে বাগী ৰখাই তাৰ ওপৰত বহোঁ।

মনত পৰে, অশোকৰ লগত মাঘৰ বিহুৰ সেই প্ৰথম পুৱা ঠিক এই শিলছটাৰ ওপৰৰপৰাই প্ৰথম কমল-নগৰৰ সৌন্দৰ্য চকুত পৰাত মুগ্ধ হৈ গৈছিলো। কি অপূৰ্ব সুন্দৰ লাগিছিল সেইদিনা। পৃথিৱীৰ সকলো ঐশ্বৰ্যৰে ভৰা সেইদিনাৰ সেই

Scanned with CamScanner

মনোমোহা ৰঙীণ ছবিখন! কোনে ভাবিছিল ঠিক তাৰ দুটা বছৰ পাছত এনেকৈ ধ্বংস হৈ যাব! আজি সি সপোন। বিশ্বাস নহয়- চকু মুদিলে এতিয়াও মানস চকুৰ আগত ভাঁহি উঠে কাঞ্চনমতীৰ ৰূপোৱালী পানীৰ বুকুত বগা-দলং, দূৰৈত ৰঙাটিলা, দেৱমন্দিৰ, ছবিৰ দৰেই ধুনীয়া ধুনীয়া ঘৰবোৰ, ফুলনিবোৰ, পুতলাৰ দৰেই সুন্দৰ মানুহবোৰ।

আজি সেই সকলোৰে একো চিনচাব নাই। তাচৰ ঘৰৰ দৰেই এটা ফুঁতে, গোটেই কমল-নগৰ ধূলিসাৎ হৈ গ'ল। লগতে লৈ গ'ল আনন্দত চিৰমতলীয়া ডেকা-গাভৰুৰ দল।

দক্ষিণপাৰত আজি কোনো এটা ঘৰৰে এচপৰা ইটাও আৰু থিয় দি থকা নাই। পৰিত্যক্ত মৰিশালিতকৈয়ো করুণ। উত্তৰপাৰৰ ঘৰবোৰ এতিয়াও মৰিশালিৰ প্ৰেতাত্মাৰ দৰেই থিয় দি আছে, কিন্তু সেইবোৰত থাকিবলৈ আজি মানুহ নাই। পৰিত্যক্ত ঘৰবোৰ অৱহেলিত, অব্যৱহৃত, দুদিন পাছতে জহি-খহি সিও নিঃচিহ্ন হৈ যাব। তাৰ পাছত? ...চকু দুটা পানীৰে ভৰি পৰে। অসহ্য বেদনাত আনফালে মুখ ঘুৰাই লওঁ।

"উস্ গৌৰী...!"

গৌৰী মোৰ ওচৰ চাপি আহে। পৃথিৱীৰ সকলো বিপদ, সকলো কষ্টৰপৰাই যেন মোক ৰক্ষা কৰিবলৈ নিজৰ বুকুখনৰ মাজত মোৰ মুখখন ঢাকি ধৰে।

"...গৌৰী! আৰু চাই থাকিব নোৱাৰি। কিমান আশা, কিমান হেঁপাহেৰে সেই ঘৰবোৰৰ এদিন সৃষ্টি হৈছিল। আৰু আজি? বিধাতাৰ একেটা নিষ্ঠুৰ আঘাততে যুগ যুগৰ সুখ-স্মৃতিৰে ভৰা সোণৰ প্ৰতিমা আজি চূৰ্ণ-বিচূৰ্ণ হৈ ধূলিত বাগৰি পৰিছে। ...আমি কি পাপ কৰিছিলো গৌৰী, যাৰ কাৰণে বিধাতাই আমাৰ গোটেই জাতিটোক, মৰমৰ দেশখনক চিৰদিনৰ কাৰণে এনেকৈ পংগু কৰি দিলে? আজি বেছ বুজিছো, এয়ে আমাৰ শেষ। কোনে জানে হয়তো আমিয়েই কমল-নগৰৰ শেষ বাসিন্দা। ...আমাৰ মৃত্যুৰ লগে লগে আমাৰ চেনেহৰ কমল-নগৰৰো মৃত্যু হ'ব। তাৰ পঞ্চাছ বছৰৰ পাছত, এশ বছৰৰ পাছত মাতৃভূমিৰ শেষ চিনকণো পৃথিৱীৰ বুকুৰপৰা লুপ্ত হৈ যাব। কোনেও নাজানিব। এই নিৰ্জন প্ৰকৃতিৰ কোলাত আমাৰ দুৰ্ভগীয়া দুখুনী আইয়ে নিজৰ দুখৰ স্মৃতি বুকুত লৈ পাহৰণিৰ অটল সাগৰৰ তলত চিৰদিনলৈ ডুবি যাব। গৌৰী আমাৰ আজি একো নাই, আছে মাথোঁ অসহায় চকুলো। মৰণৰ শেষ মুহূৰ্তলৈকে সেয়ে আমাৰ সম্বল..."

Scanned with CamScanner

"নক'বা! নক'বা আৰু..." গৌৰীয়ে মোক বাধা দি মোৰ একেখন হাত কোলাত লৈ মোক সান্ত্বনা দিয়ে। গৌৰীৰ চকুতো পানী।

"...কেলৈ বেজাৰ কৰিছা? কোনে কৈছে এয়ে আমাৰ শেষ?"- কেতিয়াও আমাৰ এনেকৈ শেষ নহয়...হ'ব নোৱাৰে। আজি আমি সকলো হেৰুৱাব পাৰো, চকুৰ সন্মুখত নিৰাশাৰ, দুখৰ আন্ধাৰ দেখিব পাৰো, কিন্তু সি সাময়িক...। তুমিতো জানা, দুখৰ ৰাতি যিমানেই দীঘল নহওক, যিমানেই আন্ধাৰ নহওক, সি কেতিয়াও চিৰস্থায়ী নহয়। এসময়ত ৰাতি পুৱাবই। সেই আশাই আমাৰ প্ৰাণ; সেই আশাতেই মানুহ মৰিও নমৰে। সেই আশাৰেই আমিও আকৌ এদিন জাগি উঠিম, আকৌ সজাই তুলিম আমাৰ দেশ-মাতৃকাক।

"...তুমি কৈছা, আমাৰ মৃত্যুৰ লগে লগেই কমল-নগৰৰো মৃত্যু হ'ব। মিছা কথা! সেই মৃত্যুক আমি জয় কৰিম। মৰাৰ আগতে আকৌ গঢ়ি তুলিম আমাৰ চেনেহৰ কমল-নগৰক। আমাৰ স্মৃতি লৈয়ে কমল-নগৰ অনন্ত কাললৈকে পৃথিৱীৰ বুকুত উজ্জ্বল হৈ জিলিকি থাকিব। ...যিডোখৰ ঠাইৰ কাৰণে চম্পাই হাঁহিমুখে জীৱন দিলে, যিডোখৰ ঠাইৰ কাৰণে দেউতাই, মোমাইদেৱে, যদু খুৰাই তেওঁলোকৰ বৃদ্ধ বয়সতো হাতত অস্ত্ৰ লৈ যুঁজ কৰি কৰি প্ৰাণ দিলে- যিডোখৰ মাটি কমল-নগৰৰ হেজাৰ হেজাৰ ডেকা-গাভৰুৱে বুকুৰ তপত তেজেৰে ধৌত কৰি নিৰ্মল পবিত্ৰ কৰি তুলিলে, সেই মাটি আজি অৱহেলাত শেষ হৈ যাব নোৱাৰে- লুপ্ত হৈ যাব নোৱাৰে। তেওঁলোকৰ সেই আত্মত্যাগ কেতিয়াও বিফলে নাযায়। ...আমি আকৌ গঢ়িম, সেই মাটিতেই আমি আকৌ গঢ়ি তুলিম আমাৰ পৱিত্ৰ তীৰ্থ। আমাৰ খন্তেকীয়া জীৱনত আমি তাক হয়তো শেষ কৰিব নোৱাৰিব পাৰো, কিন্তু তাক শেষ কৰিব আমাৰ সন্তানে... সিহঁতৰ সন্তানে। ময়ো এদিন মা হ'ম; মোৰ সন্তানৰ শৰীৰত থাকিব তোমাৰ তেজ, মোৰ তেজ, আমাৰ পূৰ্বপুৰুষৰ তেজ। চকুৰ সন্মুখত থাকিব তাৰ ককাদেউতাৰ আৰ্হি, দেশৰ কাৰণে জীৱন দান কৰা শ শ বীৰ-বীৰাংগনাৰ আদৰ্শ। সিও বুজিব, এয়ে তাৰ তীৰ্থ-ভূমি, এয়ে তাৰ জন্ম-জন্মান্তৰৰ পূণ্যভূমি। এই পুণ্য-তীৰ্থ বেদীৰ ওপৰত, ধনে-জনে সমৃদ্ধিশালী নতুন কমল-নগৰৰ আকৌ জন্ম হ'ব, আৰু সেই কমল-নগৰৰ সুকোমল কোলাত মৰণৰ পাছতো আমি চিৰদিনলৈ যাউতি-যুগীয়া হৈ থাকিম...।"

তেৰশ বছৰ আগৰ পোহৰৰ মাজলৈ লাহে লাহে আন্ধাৰ নামি আহিল। শেষ হ'ল প্ৰ'ৰ সপোন কাহিনী। কিন্তু সেই সপোনৰ কৰুণ সুৰটো এতিয়াও তাৰ ওঁঠত লাগিয়েই ৰ'ল।

Scanned with CamScanner

ক্লান্ত চকুযোৰ তুলি, আমাক এবাৰ চাই লৈ লাহে লাহে সি আকৌ ক'লে— "গৌৰীৰ কিন্তু ভুল হৈ গ'ল। গৌৰীৰ সেই আশা, সেই আকাংক্ষা আৰু কোনোদিনেই সফল নহ'ল। কমল-নগৰৰ মৃত্যু হ'ল। চম্পা, ৰাধা, আনন্দৰ নিচিনা হেজাৰ হেজাৰ ডেকা-গাভৰুৰ বুকুৰ তেজেও কমল-নগৰৰ মৃত্যু ৰোধ কৰিব নোৱাৰিলে।

"চন্দন-গৌৰীৰ পৱিত্ৰ তীৰ্থ-ভূমি কমল-নগৰ আজি মাটিৰ তলত। আজি তেৰশ বছৰ পাছত সেই পৱিত্ৰ তীৰ্থ-ভূমিত ভৰি দিয়া আমি কেইটামান বোধকৰো প্ৰথম মানুহ। আজি ই মৃতপুৰী। মাটিৰ বুকুত স্তব্ধ হৈ যোৱা এই স্বপ্নপুৰীত আজি নাই চম্পা-চন্দনৰ নিচিনা শত সহস্ৰ তৰুণ-তৰুণীৰ বুকুৰ স্পন্দন, জীৱনৰ অফুৰন্ত চঞ্চলতা! আছে মাথোঁ সিহঁতৰেই, শণাহি, শতিকাৰ, পুঞ্জীভূত বেদনাৰে ভৰা সকৰুণ সোঁৱৰণী; ...গভীৰ নিশা আজিও হয়তো এই অৰণ্যৰ বুকুত ভ্ৰমি ফুৰে সিহঁতৰেই অশৰীৰী প্ৰেতাত্মাবোৰ? হয়তো বিচাৰি ফুৰে এদিন য'ত আছিল সিহঁতৰ মৰমৰ দেশখন- হেঁপাহৰ ঘৰখন...!"

অন্তৰৰ গোটেইখিনি সহানুভূতিৰে সৈতে লাহে লাহে কথাখিনি কৈ 'প্ৰ'ই একেথৰে চাই ৰ'ল কমল-নগৰৰ শেষ স্মৃতি লৈ পৰি থকা পৰ্বতৰ সেই বগা বহল শিলছটা। আমিও চালো...! ধাৰণা হ'ল হয়তো সঁচাকৈয়ে তেৰশ বছৰ আগতে সেই শিলছটাৰ ওপৰতে বহি এদিন চন্দন আৰু গৌৰীয়েও শেষবাৰলৈ কথা পাতিছিল- কান্দিছিল।

লক্ষ্য কৰি স্পষ্ট দেখিলো, প্ৰ'ৰ চকু দুটাও পানীৰে উপচি পৰিছে। আমাৰ মুখৰপৰা এটা কথাও নোলাল। তাৰ অদ্ভুত কৰুণ কাহিনী শুনি বহুত সময়লৈকে স্তম্ভিত হৈ ৰলো।

আমাৰ কোনও মন কৰা নাছিলো কেতিয়া যে গধূলি নামি আহিছে।

...অন্তৰ-ম সকলো এৰি মাথোঁ দেহাটো লৈ আকৌ এখুজি দুখুজি কৰি উভতিলো নৱলৈ। তাত উঠাৰ আগতেই আমাৰ ওচৰৰপৰা নিঃশব্দে কবিবৰ আগবাঢ়ি গ'ল নৈৰ কাষতে থকা ডাঙৰ আঁহতজোপাৰ গুৰিলৈ। জেপৰপৰা উলিয়াই ললে সৰু ছুৰীখন।

সন্ধিয়াৰ প্ৰথম পাতল আন্ধাৰৰ কোলাত লাহে লাহে ডুবি গৈছে চন্দন, চম্পা, গৌৰী উমাহঁতৰ বিষাদ স্মৃতিৰে ভৰা সোণৰ দেশখন। মনত লাগিছে, সেই অস্পষ্ট আন্ধাৰৰ মাজৰপৰা সিহঁতে যেন আমাক হাত-বাউল দি মাতিছে। সিহঁতৰ

ফালৰপৰা উটি অহা গধূলিৰ চেঁচা বতাহজাকত শুনিবলৈ পাইছো, কোনোবা দুৰ্ভগীয়া অসহায় গাভৰুৱে যেন করুণ সুৰত বিনাইছে সেই গীতটো-

“...হেৰৌ বাটৰুৱা ৰ'চোন খন্তেক,
এষাৰি কথা কৈয়ে যা...”

...নাও এৰি দিলো। নাজানো দিহিঙৰ বুকুত নে কাঞ্চনমতীৰ প্ৰথম সোঁতত। শেষবাৰলৈ ঘূৰি চালো ওচৰৰ আঁহতজোপালৈ। চকুত পৰিল তাৰ গুৰিৰ নিমজ পিঠিত কৰিবৰে কটাৰীৰে লিখি অহা কেঁচা আখৰকেইটা ঃ

“অসীমত যাৰ হেৰাল সীমা”

Scanned with CamScanner

Scanned with CamScanner